বৰ্তমান আৰু ভবিষ্যতৰ কটনিয়ান সকললৈ

আমাৰ 'সোঁৱৰণি' আগবঢ়ালো।

কটনিয়ানৰ শতবৰ্ষ

সোঁৱৰণী সংকলন

সোঁৱৰণি

কটনিয়ানৰ শতবৰ্ষ সোঁৱৰণী

উদ্‌যাপন সমিতি, গুৱাহাটী

SOWARANEE a bilingual collection of reminiscences by the ex-cottonians on the occasion of the completion of hundred years of Cotton College.

Published by Cottonians' Reminiscence Day Celebration Committee.
Guwahati, December, 2001.

Printed at : Royal Halftone Co.
4, Sarkar Bye Lane, Kolkata-700 007

Edited by Shamim Akhtar

Add for communication
Editor
P N G.B. Road, Santipur West
Guwahati-781009. Ph-0361-511645

সম্পাদনা সমিতি

নিৰ্মল কুমাৰ চৌধুৰী

লক্ষহীৰা দাস

জিতেন্দ্ৰনাথ শৰ্মা

হৰেকৃষ্ণ ডেকা

জ্যোতি প্ৰসাদ শইকীয়া

গঙ্গাপদ চৌধুৰী

কৃষ্ণা বৰ্মন

দূৰ্বা চৌধুৰী

দেৱবালা দেৱী

নিভা কোঁৱৰ

শ্বামীম আখটাৰ

কৃতজ্ঞতা

আনিছ উজ জামান, গৌৰী বৰ্মন, সমীৰণ বৰুৱা, আনোৱাৰ হুছেইন, নুৰ মহম্মদ আৰু গৌতম ধৰ; প্ৰাক্তন কটনিয়ান দেৱেন দেৱান, জেবিন আহমেদ, প্ৰণৱ দাস, পুলক ভট্টাচাৰ্য্যৰ লগতে বিভিন্ন ৰচনাৰে সমৃদ্ধ কৰা 'সোঁৱৰণি'ৰ. লেখক-লেখিকা সকল।

বিভিন্ন ৰচনাৰে সমৃদ্ধ কৰা

'সোঁৱৰণি'ৰ লেখক সকল

অৰুণ হাজৰিকা • ১

ভোলাৰাম দাস • ৭

সত্য প্ৰসাদ বৰুৱা • ১২

শৰৎ চন্দ্ৰ সিংহ • ১৭

আব্দুল জেলিল • ২১

দেবেশ্বৰী বৰুৱা • ২৬

চৈয়দ আব্দুল মালিক • ২৮

বসুন্ধৰা শইকীয়া • ৩০

ৰেৱতী মোহন দত্ত চৌধুৰী • ৩৩

ভূপেন হাজৰিকা • ৩৭

অমলেন্দু গুহ • ৪১

কেশৱ মহন্ত • ৪৫

প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য • ৫৩

হৰেন্দ্ৰনাথ ফুকন • ৫৬

অনিমা গুহ • ৬০

প্ৰবীণ হাজৰিকা • ৭০

লক্ষহীৰা দাস • ৭৩

নিৰুপমা বৰগোহাঞি • ৮১

ভবেন্দ্ৰনাথ শইকীয়া • ৯০

অৰুণ শৰ্মা • ৯৬

তফজ্জুল আলি • ১০০

হীৰেন্দ্ৰ নাথ দত্ত • ১০৩

বীৰেশ্বৰ বৰুৱা • ১০৫

শোভা ব্ৰহ্মা • ১০৭

যোগেন্দ্ৰ নাৰায়ণ গোস্বামী • ১১৪

ভোলা গগৈ • ১১৮

লুম্মেৰ দাই ● ১২১
প্ৰীতি কাকতি ● ১২৮
অৰণী কুমাৰ শৰ্মা ● ১৩১
মায়াশ্ৰী বৰকটকী ● ১৩৯
গৌতম প্ৰসাদ বৰুৱা ● ১৪২
আৰতি দাস বৈৰাগী ● ১৪৯
কুলেন্দু পাঠক ● ১৫৩
মলয়া খাওন্দ ● ১৫৬
হৰেকৃষ্ণ ডেকা ● ১৬৫
মামণি ৰয়ছম গোস্বামী ● ১৭১
দুৰ্বা চৌধুৰী ● ১৯০
ৰিণি কাকতি ● ১৯২
অৰুণিমা বৰুৱা ● ১৯৪
আবু নাছাৰ চাঈদ আহমদ ● ১৯৬
উমেশ চন্দ্ৰ মজুমদাৰ ● ২০৩
ৰেণু দত্ত ● ২০৬
অমৰজ্যোতি চৌধুৰী ● ২০৯
অৰুন্ধতী দত্ত ● ২১৩
প্ৰণতি শৰ্মা গোস্বামী ● ২২১
ৰঞ্জিত কলিতা ● ২২৭
মনজিৎ সিং ● ২৩২
ইছমাইল হোছেইন ● ২৩৫
খনিন দাস ● ২৩৭
চন্দন ভূঞা ● ২৩৯
নুৰ মহম্মদ ● ২৪৪
কৃষ্ণা বৰ্মন ● ২৪৬
গংগাপদ চৌধুৰী ● ২৫২
দেবেন দত্ত ● ২৫৯
নীলমণি ফুকন ● ২৬৫
শ্বামীম আখটাৰ ● ২৬৭

এশজোপা সেউজীয়া গছ আৰু স্মৃতিৰ আঁত ধৰা কটনিয়ান

কটন কলেজ

অসমৰ ইতিহাসত এটা সোণালী নাম সংযোজিত হৈছিল ঊনৈশ শ এক চনৰ সাতাইশ মে' তাৰিখে। ইতিহাসৰ সেই দিনটোৱে এশ বছৰ গৰকিলে যোৱা সাতাইশ মে' তাৰিখে।

কটন কলেজখন যেন এক জিলমিল সৰোবৰ। ইয়াৰ সোণোৱালী, ৰূপোৱালী পানীত সাতুৰি নাদুৰি পূৰ্ণতাপ্ৰাপ্ত হোৱা কটনিয়ানসকলৰ বাবে কটন কলেজ এক মহাতীৰ্থভূমি। কটন কলেজৰ যাদুকৰী পৰশৰ কোমল উত্তাপৰ অনুভৱ প্ৰতিজন কটনিয়ানে আজন্ম পুহি ৰাখে। তেনে এক অনুভূতিৰে আপ্লুত হৈ কিছুসংখ্যক কটনিয়ানে মিলিত হৈ শতবাৰ্ষিকী উৎসৱৰ প্ৰাক মুহূৰ্ত্তত উদযাপিত কৰিছিল প্ৰাক্তন কটনিয়ানৰ প্ৰাক শতবাৰ্ষিকী সোঁৱৰণী সমাৰোহ দুহেজাৰ চনৰ বাৰ নৱেম্বৰৰ দিনা। কটনিয়ানৰ এই মিছিলত মিলিত হৈছিল হেজাৰৰো অধিক প্ৰাক্তন কটনিয়ান। এশ বছৰীয়া কটনিয়ানেও এই সমাৰোহত ভাগ লৈছিল। সকলোৱে মিলিত হৈ স্মৃতি ৰোমন্থন, নৃত্য, গীত, আনন্দৰ হেন্দোলনিত কপাই তুলিছিল ইউনিয়ন হলৰ প্ৰেক্ষাগৃহ (বৰ্তমানৰ কলাগুৰু বিষ্ণু ৰাভা ভৱন)। সোঁৱৰণী উদযাপন সমিতিয়ে এই দিনটোত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ কথা চিন্তা কৰিছিল যদিও বাৰ নৱেম্বৰৰ এই অভূতপূৰ্ব মিলনৰ পাচত প্ৰাক্তন কটনিয়ানসকলৰ এখনি সোঁৱৰণী সংকলন প্ৰকাশ কৰি কটন কলেজৰ স্মৃতি যুগমীয়া কৰাৰ কথা চিন্তা কৰি তাৰ সম্পাদনাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰে। এই দায়িত্ব লবলৈ পাই মই নিজকে ধন্য মানিলো আৰু মোৰ যাত্ৰা আৰম্ভ কৰিলো। সংকলনখনিৰ বাবে লেখা বিচাৰিবলৈ গৈ মই বিপাঙত পৰিছিলো। কাৰ ওচৰলৈ লেখা বিচাৰি যাম? কাকেই বা বাদ দিম? সকলোৱেই দেখোন এই মহাসৰোবৰ পানীৰ সোৱাদ লৈছে। এজনৰ ওচৰলৈ গ'লে আন দহজনৰ কথা মনলৈ আহে। কিন্তু, এখন বৃহদাকাৰ গ্ৰন্থ প্ৰকাশ কৰিবলৈ আমাৰ পৰিসৰ সীমিত, আন নহলেও আৰ্থিকভাৱে।

এই সংকলনখনিত কটন কলেজৰ সোণোৱালী দিনৰ টুকুৰা টুকুৰ স্মৃতিবোৰ গাঁঠি দিছোঁ। আনন্দ বিষাদৰ কথাবোৰ বুটলি বুটলি গাঁঠিছো যেন এই সোঁৱৰণীৰ মালাধাৰ। ইয়াত আছে তাহানিৰ কটন কলেজখনৰ শ্ৰেণীকোঠাবোৰৰ জীৱন্ত ৰূপ, শিক্ষক ছাত্ৰৰ মধুৰ সম্পৰ্কৰ কথা, নিউ আৰ্টচ বিল্ডিং, এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ ৱেষ্টাৰ্ন-ইষ্টাৰ্ন ব্লক, চুডমাৰ্চন হল, ইউনিয়ন হল, চুডমাৰ্চন, পি. চি. ৰয়, হৰ্ষসেন, কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি, চন্দ্ৰনাথ কলিতা, গফিন চাহাব, কমলা ৰয়, অতুল দত্ত, বসন্ত বৰুৱা, আশ্ৰফ আলি চাৰৰ দৰে অধ্যাপক-অধ্যাপিকাসকলৰ মধুৰ স্মৃতি। কেমিষ্ট্ৰি লেবৰেটৰীৰ পৰা ছাত্ৰী-জিৰণি কোঠালৈ অহা H_2S গেছৰ গোন্ধ, মধু চানাচুৰৱালা, হাফপেডেল মাৰি চাইকেল চলাই নিউ বিল্ডিঙৰ সন্মুখৰ পথেৰে অহা-যোৱা কৰি থকা ফটোগ্ৰাফাৰ দেবী দা, কলেজ ষ্টুডিঅ', ৰুবী আৰ্ট, ফিজিক্স বিল্ডিঙৰ পৰা বোটানীলৈ বেগেৰে অহা-যোৱা কৰা ল'ৰা-ছোৱালীবোৰ, বয়জ হোষ্টেলৰ মাজৰ ৰাস্তাটোৰে চৰ্টকাট কৰোতে হোষ্টেলৰ পৰা ভাঁহি অহা মিঠা সুহুৰি, জৰ্জ ফ্ৰেণ্ড, নিউ ফ্ৰেণ্ড, কলেজ কেন্টিন, ডিলাইট, মহামায়া, কল্যাণী, ডায়েৰীৰ প্ৰেমৰ উমসনা মিঠা দিনবোৰ, দীঘলী পুখুৰীপাৰ, ছাত্ৰীবাস

ছাত্ৰাবাসবোৰৰ জীৱন্ত ৰূপ, সৰস্বতী পূজা, কলেজ সপ্তাহ, ইলেকচন, নাটক, শ্ৰেণীৰ কোলাহলপূৰ্ণ দিনবোৰৰ পাছত পৰীক্ষাৰ কোঠাবোৰৰ নিৰ্জন শান্ত অথচ ব্যস্ততাপূৰ্ণ পৰিবেশ, লাইব্ৰেৰী, ৰিডিং ৰুম, জৰুহৰমাল, ৰঙা চোলা পিন্ধি ঘণ্টা কোবাই থকা ঘুটমুটীয়া দুখু চকিদাৰ আৰু যে কত কি..........।

এই লেখাবোৰ পঢ়ি যাওঁতে পাঠকৰ মনলৈ কটন কলেজৰ শৈক্ষিক, সাংস্কৃতিক, সামাজিক জীৱনৰ ইতিহাস এখন চকুৰ আগলৈ ভাঁহি আহে। কলেজীয়া জীৱনৰ সোঁৱৰণীৰ কথা কৈ প্ৰতিফলিত কৰিছে যেন সেই সময়ৰ সমাজখনৰ কথা, প্ৰাক স্বাধীন যুগৰ কথা, দ্বিতীয় বিশ্বযুদ্ধকালীন অৱস্থাৰ কথা, স্বাধীনোত্তৰ যুগৰ কটন কলেজৰ কথা।

এই সংকলনখনিৰ সম্পাদনা কৰিবলৈ মোৰ দৰে এগৰাকী নিঃকিনৰ বাবে পৰম সৌভাগ্যৰ কথা। মোৰ বাবে সবাতোকৈ ডাঙৰ কথা যে মই যিসকল ব্যক্তিৰ ওচৰলৈ গৈছিলো কোনেও মোক নিৰুৎসাহ কৰা নাছিল। মৃত্যুৰ মাত্ৰ কেইদিনমান আগেয়ে মই চৈয়দ আব্দুল মালিক চাৰৰ ওচৰলৈ গৈছিলো লেখা এটা বিচাৰি। শৰীৰত প্ৰচণ্ড যন্ত্ৰণা লৈও তেখেতে মোক নিজ হাতেৰে লিখা-সোঁৱৰণী এটা পঠিয়াইছিল। ঠিক তেনেকৈয়ে ৰুগীয়া শৰীৰেৰে এটি লেখা লিখি দিছিল সত্যপ্ৰসাদ বৰুৱাদেৱে। কিছুদিন আগেয়ে তেখেতেও ইহ সংসাৰৰ পৰা বিদায় মাগিছে। তেখেতসকলৰ পূণ্য আত্মাই শান্তি পাওঁক।

এশ বছৰ ভৰি দিয়া কটন কলেজৰ প্ৰতিটো বছৰেই যেন একোজোপা চিৰ সেউজীয়া গছ। এই এশজোপা গছৰ ছাঁত ডাঙৰ-দীঘল হোৱা কটনিয়ানসকলৰ স্মৃতিৰ আঁত ধৰিবলৈ গৈছোঁ আমি। সেয়েহে স্মৃতিৰ পাতৰ পৰা বিচাৰি আনিছো কেইগৰাকীমান কটনিয়ানৰ লেখা— তেওঁলোকৰ অনুভূতি আৰু সত্তাৰ লগত বৰ্তমানক বিলীয়মান কৰাৰ প্ৰচেষ্টাৰে। কটন কলেজখন যে প্ৰতিজন কটনিয়ান সোমাই পৰা এক সোঁৱৰণীৰ দৌল।

পৰিৱৰ্তন আৰু সময়ৰ আহ্বান এক চলমান প্ৰক্ৰিয়। গছৰ বাকলি পিন্ধি ফল-পাত খাই থকা মানৱ জাতিয়ে আজি চেটেলাইটৰ যোগেৰে পৃথিৱীৰ প্ৰতিটো কোণৰ অৱস্থিতিৰ বুজ ল'ব পাৰে। বিশ্বজুৰি শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন ঘটিছে যোৱা তিনি চাৰিটামান দশকৰ পৰা। উঠি অহা দেশবোৰে এই পৰিৱৰ্তনক প্ৰত্যাহ্বান জনাই নিজকে সংগঠিত কৰিছে আৰু শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটাইছে। গতিশীল মানৱ সভ্যতাই স্থবিৰতাক ইতিকিং কৰে। দেখা গৈছে আমাৰ অসমৰ শিক্ষা ব্যৱস্থাই আজিও সময়ৰ এই দ্ৰুত খোজত খোজ মিলাব পৰা নাই। ঐতিহ্যমণ্ডিত কটন কলেজ কিন্তু পিচপৰি থাকিলে নহ'ব। কটন কলেজৰ মন্থৰ গতিক ইতিহাসে ক্ষমা নকৰিব। কটন কলেজে পুনৰ প্ৰতিপন্ন কৰিব লাগিব পুৰণি দিনৰ সেই কথাষাৰ— 'আজিৰ কটনিয়ানে যি ভাবে কাইলৈৰ অসমে তাকেই ভাবিব।' বছৰজোৰা শতবৰ্ষ উৎসৱৰ ধামখুমীয়াত থকা বৰ্তমানৰ কটনিয়ান, অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দায়িত্ব সবাতোকৈ বেছি। বিস্তাৰিত ৰূপত প্ৰকাশ পাওঁক তেওঁলোকৰ চিন্তা আৰু দৰ্শনৰ পৰিধি। দুহাতেৰে আঁকোৱালি লওঁক কটন পৰিয়ালৰ অগ্ৰজসকলক, শুভাকাঙ্ক্ষীসকলক, ... চৰকাৰক নিজ শক্তিৰে জনাই দিয়ক কটন কলেজ অসমৰ জাতীয় জীৱনৰ এটি স্তম্ভ, ইয়াক অৱহেলা কৰিলে ভৱিষ্যতৰ প্ৰজন্মৰ ওচৰত আমি জবাবদিহি হ'ব লাগিব। আহক, আমি সকলোৱে আমাৰ মৰমৰ কটন কলেজখনৰ জ্ঞানৰ বন্তিৰে লুইতৰ দুইপাৰ উজলাও।



অৰুণ হাজৰিকা

কটন কলেজ আৰু অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত মাধৱ বেজবৰুৱা

১৯৩১ চনত ছিলং গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কটন কলেজত নাম লগাই হোষ্টেলৰ ৫নং ব্লকত থকাৰ ব্যৱস্থা কৰি লওঁ। ঘৰৰ ভাত আঞ্জাৰ সোৱাদ এৰি গৈ দেচোৱালী ঠাকুৰে ৰন্ধা বেধেংধেঙীয়া মচুৰ মাহৰ 'দালি', মাছৰ আঞ্জা আৰু পটল ভাজিয়ে ভাতৰ কি সোৱাদ দিয়ে, সেই সময়ত হোষ্টেলত থাকি পঢ়া সকলোৱেই ভালকৈ জানে। এই অৱস্থাত হোষ্টেলৰ ভাতৰ ঘণ্টাটো বাজিলে আমাৰ ঘৰলৈ মনত পৰে। পেটৰ ভোকত খাবলৈ বাধ্য কাৰণেহে খাবলৈ যোৱাটো হয় আৰু ভাত খাব নোৱাৰি সৰহকৈ কেইবাটিমান দাইলকে পি খাই ভোক পলুৱাওঁ। সেই সময়ত দেচোৱালী ঠাকুৰে ভাত ৰান্ধে, গৰু পুহি হোষ্টেলৰ ল'ৰাক গাখীৰ বেচে, হোষ্টেলৰ ৰন্ধা-বঢা কৰিবলৈ লগা খৰিৰ ঠিকা লয়। গৰুক খুৱাবলৈ হোষ্টেলৰ ভাতৰ মাৰ, শাক-পাচলিৰ পেলনীয়া ভাগ এনেয়ে পায় আৰু গৰুৰ আৱশ্যক মতে শাক-পাচলিৰ পেলনীয়া ভাগটোও বাঢ়ি গৈ থাকে। এইবোৰ কাৰণতে হোষ্টেলৰ খৰছ বাঢ়ে। ইয়াৰ লগত আৰু এটা কথাত দেচোৱালী ঠাকুৰহঁতক ল'ৰাহঁতে বেয়া পায়। সেইটো হ'ল তেওঁলোকে কণী নেৰান্ধে। হোষ্টেলত কণী খোৱা বন্ধ। ল'ৰাহঁত গুজৰি গুমৰি থাকে। এই অৱস্থাৰ অন্ত পেলাবলৈ আমাৰ

মেছটোৰ (৩নং মেছ) মেছ কমিটিয়ে ঠিৰাং কৰিলে যে দেচোৱালী ঠাকুৰবোৰৰ ঠাইত অসমীয়া ৰান্ধনীৰ ব্যৱস্থা কৰা হওক। সেইমতেই কাম হ'ল আৰু এটা উৎসৱমুখৰ পৰিবেশত অসমীয়া ৰান্ধনী মকৰল হ'ল আৰু দেচোৱালী ঠাকুৰৰ কুকাৰ্য্যবোৰৰ অন্ত পৰিল। হোষ্টেলত খাৰ-টেঙাৰ প্ৰচলন আৰম্ভ হ'ল। খৰিৰ খৰছ আধা হ'ল। হোষ্টেলৰ খোৱা খৰছ বহুত কমিল। সেই সময়ত আমাৰ হোষ্টেলৰ মেছ-মেনেজাৰ আছিল ৰাধা বৰঠাকুৰ যিজনে পিচলৈ প্ৰথম অসমীয়া হোটেল ব্যৱসায়ী হিচাপে খ্যাত হৈছিল। তেওঁৰ চেষ্টাতেই আমাৰ হোষ্টেলৰ এই ব্যৱস্থা কৃতকাৰ্য্য হৈছিল আৰু লাহে লাহে আনবোৰ হোষ্টেললৈকো সম্প্ৰসাৰিত হৈছিল।

প্ৰায় এই একে সময়তেই কটন কলেজৰ বুৰঞ্জীৰ আন এটা কলীয়া অধ্যায়ৰ অন্ত পৰিছিল। তেতিয়ালৈকে কটন কলেজৰ হোষ্টেলবোৰ হিন্দু আৰু মুছলমানৰ কাৰণে বেলেগ বেলেগ থকাৰ উপৰিও কস্ম'পলিটান বুলি আন এটা হোষ্টেল আছিল য'ত খ্ৰীষ্টান বা অন্য ধৰ্মৰ ল'ৰা থাকিব পাৰিছিল। হিন্দু ল'ৰাৰ ভিতৰত তপঃশীলভুক্ত জাতিৰ হ'লে কেৱল মাত্ৰ ২নং মেছতহে থাকিব পাৰিছিল কিন্তু তেওঁলোকৰ খোৱাৰ কাৰণে বেলেগ এটা ঘৰ আছিল। এই ঘৰটোতেইহে তেওঁলোকে খাব পাৰিছিল। সাধাৰণ ল'ৰাৰ কাৰণে থকা খোৱাঘৰত তেওঁলোক সোমাব নোৱাৰিছিল। তেওঁলোকৰ বহুতো ল'ৰাই এই ব্যৱস্থাটো অপমানজনক যেন পাই কস্মপলিটান হোষ্টেল বা বাহিৰৰ খ্ৰীষ্টান মিছনাৰীৰ লুই মেমৰীয়েল হোষ্টেলৰ বাসিন্দা হৈছিল। এই ব্যৱস্থাৰ অন্ত পেলাবলৈ কটন হোষ্টেলৰ সকলো বাসিন্দাৰ মত লৈ মাধৱ বেজবৰুৱাৰ নেতৃত্বত এটা ডাঙৰ ভোজৰ ব্যৱস্থা কৰি সকলো হোষ্টেলৰ প্ৰতিনিধিৰ সৈতে অনুন্নত শ্ৰেণীৰ ল'ৰাসকলক একেলগে খাবলৈ দি এটা বহুদিনীয়া কলঙ্কৰ অন্ত পেলোৱা হ'ল। এইখিনিতে এটা কথা কোৱাৰ আৱশ্যক। অনুন্নত শ্ৰেণীৰ ছাত্ৰসকলৰ খোৱাৰ ব্যৱস্থা লৈ যদিও হোষ্টেলসমূহৰ এটা মেছৰহে সমস্যা আছিল— তাক লৈ কটন কলেজৰ সকলো হিন্দু ছাত্ৰাবাসৰেই এটা বদনাম হৈ আছিল আৰু এই বদনামটোৰ পৰা মুক্তি পাবলৈ এটা আন্দোলনেই আৱশ্যক হৈছিল। এই আন্দোলনটোৰ গুৰি ধৰিছিল মাধৱ বেজবৰুৱাই।

মাধৱ বেজবৰুৱা তেতিয়া দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। অসমৰ জাতীয় জীৱনৰ কেবাটাও স্মৰণীয় সন্ধিক্ষণত তেওঁক আমি পথ প্ৰদৰ্শক হিচাপে পাওঁ। তেওঁৰ বিষয়ে কবলৈ আমি অলপ পাচলৈ উভতি যাব লাগিব। তেতিয়া ১৯৩০ চন তেওঁ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। মহাত্মা গান্ধীয়ে দাণ্ডি যাত্ৰাৰে লোণ আইন ভঙ্গ কৰি আৰম্ভ কৰিছিল আইন অমান্য আন্দোলন। এই আন্দোলনত ইংৰাজ শাসনৰ লগত অসহযোগ কৰিবলৈ উকিল সকলে ওকালতি নকৰিবলৈ, স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজ চৰকাৰে পতা স্কুল কলেজত নপঢ়িবলৈ, সৰ্বসাধাৰণ ৰাইজে বিদেশী দ্ৰব্য বৰ্জন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনে সিদ্ধান্ত লৈ যিবোৰ ল'ৰাই স্কুল কলেজ এৰি আহিছিল তেওঁলোকে আন ল'ৰা ছোৱালীবোৰক স্কুল কলেজলৈ যোৱাত বাধা দিবলৈ পিকেটিং কৰিছিল। এনেকৈয়ে মাধৱ বেজবৰুৱাইও কলেজ এৰি সদায় পিকেটিং কৰিবলৈ গৈছিল। সেই সময়ত ডঃ টমচন ছুটীত থকাত প্ৰফেছৰ ব্ৰাউন প্ৰিন্সিপাল হৈ আছিল। তেওঁ কলেজ গেটত পিকেটাৰ দেখিলেই জহৰমল চাপ্ৰাচীৰ হাতত "Classes cancelled" বোলা নটিচ এখন গেটত ওলোমাই দিয়ায়। এইদৰেই কেবাদিনো গ'ল। কলেজ বন্ধ হলে মাধৱ বেজবৰুৱাৰো কৰিবলৈ একো নথকাত বন্ধু নিৰ্মলেশ্বৰ শৰ্মাৰ ঘৰত গৈ বাহিৰা

কিতাপ-পত্ৰ লৈ সময় কটায়। এনেকৈ থাকোতেই এদিন নিৰ্মলেশ্বৰ শৰ্মাৰ ঘৰত তেওঁৰ দেউতাক দুৰ্গেশ্বৰ শৰ্মা, গোপী বৰদলৈ আৰু অম্বিকাগিৰী ৰায় চৌধুৰীক লগ পালে। মাধৱ বেজবৰুৱাৰ চিনাকি লোৱাৰ পাচতেই তেওঁ যে কলেজ এৰি আহিছে গম পালে। তিনিজন অসমীয়া শীৰ্ষস্থানীয় নেতাই একেলগে তেওঁ যে একো ভাল কাম কৰা নাই বুজাবলৈ ললে। শিক্ষাৰ ক্ষেত্ৰত পিচ পৰি থকা কাৰণেই যে অসমীয়া জাতি ভাৰতবৰ্ষৰ আন আন প্ৰদেশতকৈ সকলো বিষয়তে পিচ পৰি ৰৈছে আৰু অসমীয়া ছাত্ৰসকলে আকৌ সেই শিক্ষাকে বৰ্জন কৰিবলৈ ললে ঘোৰ অন্যায় কৰা হ'ব– ইয়াকে বহু তৰ্ক বিতৰ্কৰ মাজেৰে মাধৱ বেজবৰুৱাক বুজাই দিয়ে। মাধৱ বেজবৰুৱাও একাচেকা মানুহ। এটা কথা বুজি ভাল বুলি জানিলে তাৰ পৰা তেওঁক কোনেও অন্য বাটেদি নিব নোৱাৰে। তেওঁ সেই বুজামতেই লগৰ আনকেইজনমানকো বুজাই লৈ পিচদিনা ঠিক ক্লাচ বহা সময়তে হাতত কিতাপ-বহী লৈ কলেজত উপস্থিত হৈ সকলোকে আচৰিত কৰিলে। ইয়াৰ ফলত স্কুল-কলেজ বৰ্জন কৰা বন্ধ হৈ অসমীয়া ল'ৰা-ছোৱালীবোৰৰ ডাঙৰ উপকাৰ হ'ল। আমি জনাত আঙুলিৰ মূৰত লেখিব পৰা নিচেই কেইজনমান ল'ৰাহে এই আন্দোলনত পঢ়া-শুনা এৰি ক্ষতিগ্ৰস্ত হৈছিল। মাধৱ বেজবৰুৱাৰ এই আচৰণে গোটেই অসমতে ইয়াৰ প্ৰতিক্ৰিয়া কৰি ৰাজ্যখনৰ এটা ডাঙৰ উপকাৰ কৰি গ'ল।

ইয়াৰ পাচত ১৯৩১ চনত অনুসূচিত জাতিৰ কাৰণে থকা-খোৱাৰ সুকীয়া ব্যৱস্থা আঁতৰ কৰাত তেওঁৰ প্ৰচেষ্টা আৰু সৎসাহসৰ কথা আগতেই কৈছোঁ। ১৯৩২ চনত তেওঁ থকা ১নং মেচত শিক্ষা-বছৰৰ প্ৰথম ভাগতে নিজে ইচ্ছা কৰিয়েই মেছ মেনেজাৰ হয়। মেছৰ দায়িত্ব লৈয়েই তেওঁ প্ৰত্যেক সাজতে এবিধ নহয় এবিধ মাছ, মাংস, কণী, দৈ বা ঘিঁউ দিয়াৰ ব্যৱস্থা কৰিলে। তেওঁ দেখুৱাই দিলে যে মেছত খোৱা খৰচ নবঢ়োৱাকৈয়ো কিছু যত্ন কৰিলে খোৱা ভাল কৰিব পাৰি। ইমানেই নহয়, তেওঁ মাহৰ শেষৰ ফালে যিটো ভোজ দিলে, কটন কলেজৰ কোনো মেছতে আগেয়ে কোনেও তেনে ভোজ খোৱা নাছিল। এই ভোজটোলৈ তেওঁ হোষ্টেলৰ বাহিৰত থকা বহুতো কলেজীয়া ছাত্ৰ আৰু অন্য হোষ্টেলত থকা ট্ৰাইবেল আৰু অনুন্নত শ্ৰেণীৰ ছাত্ৰকো নিমন্ত্ৰণ কৰি আনি খুৱাই গোটেই ছাত্ৰ-সম্প্ৰদায়কে এটা বেলেগ আনন্দ দিছিল।

মেছ মেনেজাৰ হোৱাৰ অলপ দিন পাচতেই কটন কলেজ ইউনিয়ন চ'চাইটিৰ নিৰ্বাচন। বেজবৰুৱাই ইউনিয়ন চচাইটিৰ সম্পাদকৰ পদবীটোৰ কাৰণে থিয় দিলে। মাধৱ বেজবৰুৱাই প্ৰথম বাৰ্ষিকৰ ছাত্ৰ থাকোতেই কলেজ পিকেটিং কৰি কেইদিনমান পাচতেই সকলোতকৈ আগত গৈ ক্লাচ কৰা কথা, দ্বিতীয় বাৰ্ষিকত থাকোতে হঠাতে হোষ্টেলৰ পৰা অন্তৰ্দ্ধান হোৱা আৰু গোটেই কলেজখনকে হেৰোৱা মানুহ বিচাৰি হায়ৰাণ কৰা, দাক্ষিণাত্য ভ্ৰমণ কৰি আহি "ভাই মাধৱানন্দ" হোৱা, সন্ন্যাসীৰ দৰে কাপোৰ পিন্ধি মূৰত পাগুৰি মাৰি ক্লাচ কৰা ইত্যাদি সচৰাচৰ আনে নকৰা কামবোৰ কৰি সৰ্বসাধাৰণ ছাত্ৰ সমাজৰ তুচ্ছ-তাচ্ছিল্যহে পাইছিল। তেনে অৱস্থাত তেওঁ যে ইউনিয়ন চেক্ৰেটাৰী হ'ব পাৰিব কোনেও ভবা নাছিল। কিন্তু সেয়ে হ'ল– তেওঁ সৰহীয়া ভোট পাই চেক্ৰেটাৰী নিৰ্বাচিত হ'ল। এইখিনিতে এটা কথা অৱশ্যে ক'ব লাগিব যে মাধৱ বেজবৰুৱাই কলেজৰ আহৰি সময়ত আন ল'ৰাবোৰৰ দৰে খেল-ধেমালি বা আড্ডাত নকটাই হোষ্টেলৰ বাহিৰত ল'ৰাবোৰৰ মেছত বা হোষ্টেলৰে অনুন্নত সম্প্ৰদায় ট্ৰাইবেল বা পাহাৰী ল'ৰাবোৰৰ ওচৰলৈ গৈ তেওঁলোকৰ অভাৱ-অভিযোগ আদিৰ বিষয়ে বুজ লৈ ফুৰিছিল। এই

ল'ৰাবোৰে তেওঁৰ এই গুণটো বৰ ভাল পাইছিল আৰু নিৰ্বাচনত সকলো এই শ্ৰেণীৰ ল'ৰাই একগোট হৈ তেওঁক ভোট দি নিৰ্বাচিত কৰিছিল।

কলেজৰ ইউনিয়ন চেক্রেটাৰী হলে যি ক্ষমতা লাভ কৰা যায় আৰু কলেজ প্ৰশাসনত মাত মাতিবৰ সুবিধা পোৱা যায় এইবোৰলৈ লক্ষ্য ৰাখি মাধৱ বেজবৰুৱাই সেই পদবী লবলৈ বিচৰা নাছিল। তেওঁ বিচাৰিছিল এখন বহল পথাৰ, য'ত থাকি তেওঁ নিজৰ স্বপ্নৰ সোণৰ অসম গঢ়িবৰ কাৰণে এচাম সেনানী প্ৰস্তুত কৰি লব পাৰিব। সেই চাম দেশহিতৈষী কৰ্মী কলেজৰ ছাত্ৰসকলৰ মাজৰ পৰা বাছি বাছি উলিয়াই লৈয়েই তেওঁ পাতিছিল Social Service League। নতুন বাব লৈয়েই তেওঁ মহেন্দ্ৰনাথ ডেকাফুকনৰ লগ হৈ কলেজৰ প্ৰতীক (Badge) এটা ঠিক কৰিলে যিটো প্ৰতীক এখন কলেজৰ নহৈ গোটেই অসমৰ সমূহ কলেজৰো হ'ব পাৰে। প্ৰতীকটো শিক্ষক-ছাত্ৰ সকলোৰেই ভাল পালে আৰু তাক গ্ৰহণ আৰু উন্মোচন কৰা হ'ল কলেজৰ এখন মুকলি সভাত। ইয়াৰ বাহিৰেও Cotton College Magazine খনৰ নামটো সলাই The Cottonian কৰাৰ গৌৰৱো সেই সময়ৰ College Unionৰে প্ৰাপ্য।

মাধৱ বেজবৰুৱাই পতা Social Service Leagueৰ স্বেচ্ছাসেৱকসকলে কামাখ্যাধামৰ অম্বুবাচী মেলা, উমানন্দ দেৱালয়ৰ শিৱৰাত্ৰি মেলাৰ যাত্ৰীসকলক সকলো ৰকমৰ সহায় আগবঢ়াই সকলোৰে প্ৰশংসা লাভ কৰিছিল। তেতিয়াৰ দিনৰ কামাখ্যালৈ মটৰ গাড়ী যাব পৰা আলিবাট নাছিল। খোজকাঢ়ি পাহাৰ বগাই চিৰি উঠি উঠি ওপৰলৈ যাব লাগিছিল। কেতিয়াবা কোনো কোনো যাত্ৰী মাজবাটতে যাব নোৱাৰা হৈ বিপদত পৰিছিল। তেনেকুৱা যাত্ৰীক দাং-কোলাকৈ ওপৰলৈ ভলন্টিয়াৰসকলে কঢ়িয়াই নিছিল। ১৯৩৪ চনত এই ভলন্টিয়াৰ দলেই নগাঁৱৰ বানপানীত জুৰুলা হোৱা জনগণৰ সহায় কৰিবলৈ ওলাই গৈ বিপন্ন ৰাইজৰ আশীৰ্বাদ আৰু কৃতজ্ঞতা লাভ কৰিছিল।

১৯৩৪ চনৰ নগাঁৱৰ বানপানী সাহায্যৰ কামত লাগি থাকোঁতেই বেজবৰুৱাই শিবপুৰ ইঞ্জিনীয়াৰিং কলেজত পঢ়িবলৈ গৱৰ্ণমেণ্টৰ বাছনিত উঠিল। তেওঁৰ কৰ্মক্ষেত্ৰ গুৱাহাটীৰ পৰা কলিকতা পালেগৈ। কলিকতালৈ গৈয়েই তেওঁ পাতি ললে Assamese Students Information Bureau, য'ৰ পৰা তেওঁ অসমীয়া ছাত্ৰসকলক অসমৰ বাহিৰত থকা শিক্ষা প্ৰতিষ্ঠানবোৰৰ বিষয়ে অৱগত কৰাইছিল। এই কামত তেওঁ বহুত ঘূৰা-পকা কৰিব লগা হৈছিল; নিজৰ পঢ়া-শুনাৰ উপৰি এই কামবোৰত তেওঁৰ বহুত সময় আৰু টকা-পইচা খৰচ হৈছিল— যিখিনি তেওঁ নিজে বহন কৰিব লাগিছিল। ইয়াৰ লগত অসমত ইউনিভাৰ্চিটি পাতিবলৈকো যি আন্দোলন তেওঁ অসমত আৰম্ভ কৰিছিল তাৰ গুৰি ধৰিবলৈকো তেওঁ সময় উলিয়াব লগা হৈছিল। ইঞ্জিনীয়াৰিং পঢ়া এনেকৈ তেওঁৰ পক্ষে অসম্ভৱ হৈ পৰিল। তেওঁ পঢ়া এৰি থৈ অসম পালেহি।

কলিকতাৰ পৰা আহি মাধৱ বেজবৰুৱাই এদিনো জিৰণি নললে। গুৱাহাটী পায়েই ইউনিভাৰ্চিটিৰ আন্দোলনত জঁপিয়াই পৰিল। প্ৰচাৰ পত্ৰ লিখা, ছপা কৰা আৰু অসমৰ বিভিন্ন ঠাইত থকা তেওঁৰ সহযোগী কৰ্মীবৃন্দলৈ ব্যক্তিগত চিঠি লিখি কৰ্মসূচী নিৰ্দ্ধাৰণ কৰিলে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধুমুহাৰ বেগত তেওঁ সভা-সমিতি পাতি গ'ল। কোনো এটা নিৰ্দ্ধাৰিত দিনত গোটেই অসম জুৰি "বিশ্ববিদ্যালয় দিন" পালন কৰি দেশত তোলপাৰ লগাই দিলে। বৃটিছ চৰকাৰৰ চকু মেল খালে। বাধ্যত পৰি তেওঁলোকে কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ স্ৰষ্টা মিঃ কানিংহামক ভাৰ দিলে এটা সমাধান উলিয়াবলৈ।

আন্দোলনে শাম কাটিলে। মাধৱ বেজবৰুৱাইও সকাহ্ পালে। তেওঁতো এনেয়ে বহি থাকিব নোৱাৰে— গৈ লগ ধৰিলে খুৰাদেৱক লক্ষ্মীনাথ বেজবৰুৱাক "বাঁহী" খন তেওঁ উলিয়াবলৈ। লক্ষ্মীনাথ বেজবৰুৱা মান্তি হ'ল। কলিকতাত ঘৰ এটা ঠিক কৰি "বাঁহী" প্ৰেছ খুলিলে আৰু তাতেই নিজেও থাকিবলৈ ললে। বাঁহীলৈ প্ৰবন্ধ গোটোৱা, গ্ৰাহক গোটোৱা, প্ৰেছ চলোৱা সকলো কাম নিজেই কৰিব লগা হ'ল। যথেষ্ট কষ্টৰ মাজতে "বাঁহী" ওলাল।

ইফালে মিঃ কানিংহামে কেইমাহমান কাম কৰি গৱৰ্ণমেণ্টৰ হাতত তেওঁৰ ৰিপৰ্ট দিলে। সেইমতে ইউনিভাৰ্চিটি হ'ব লাগে ছিলঙৰ ওচৰৰ বৰাপানীত। ঠাইডোখৰ স্বাস্থ্যকৰ, অসম উপত্যকা আৰু সুৰমা উপত্যকা দুই উপত্যকাৰ মাজতে, মাটি যিমান লাগে বিনা খৰচত পোৱা যাব ইত্যাদি ইত্যাদি কাৰণত। গোটেই অসম (তেতিয়াৰ অসম উপত্যকা) জিকাৰ খাই উঠিল—নেলাগে আমাক সেই ইউনিভাৰ্চিটি —আমি নিজৰ চেষ্টাতেই গুৱাহাটীত ইউনিভাৰ্চিটি পাতি লম বুলি অসমীয়া ৰাইজে বজ্ৰকণ্ঠে মাত দিলে। সেই সময়ত পৃথিৱীৰ ৰাজনৈতিক ক্ষেত্ৰত হিটলাৰ-মুছোলিনীৰ ৰণহুংকাৰ, কোনেও কোনো নতুন কামত হাত দিবলৈ সাহ নকৰা অৱস্থা। আমাৰ ইউনিভাৰ্চিটি পতা কামো ভৱিষ্যত সুবিধাৰ অপেক্ষাত বৈ গ'ল। মাধৱ বেজবৰুৱা বাঁহী প্ৰকাশৰ কামতে লাগি থাকিল।

১৯৪১ চনৰ লোকপিয়লত অসমীয়াৰ জনসংখ্যা কমকৈ দেখুৱাবলৈ এটা ডাঙৰ ষড়যন্ত্ৰ চলিছিল। মাধৱ বেজবৰুৱাই ইয়াক প্ৰতিহত কৰিবলৈ অসমৰ গাঁৱে-ভূঞে, পাহাৰে-ভৈয়ামে সিঁচৰতি হৈ থকা পমুৱা, বনুৱা, নেপালী, বিহাৰী, লালুং, কছাৰী, নগা, মিৰি, মণিপুৰী সকলো সম্প্ৰদায়ৰ মানুহক সামৰি এখন বহল অসমীয়া সমাজ গঢ়াৰ চেষ্টাত এই সম্প্ৰদায়সমূহৰ ভিতৰৰ পৰাই এচাম উৎসাহী কৰ্মী সৃষ্টি কৰিলে। এই কৰ্মীসকলৰ সহায়তে ১৯৪১ চনৰ লোকপিয়লত এই সকলে নিজক অসমীয়া বুলি চিনাকি দি অসমীয়া সমাজক এটা নতুন ৰূপ দিলে। এই কৰ্মীসকলৰ ভিতৰত হৰিপ্ৰসাদ গোৰ্খাৰায়, ধনবাহাদুৰ সোনাৰ (দুয়ো নেপালী সম্প্ৰদায়ৰ), গোবিন্দ পৈৰা আৰু ডাঃ লৈৰেন সিং (মণিপুৰী) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

লোকপিয়লৰ কাম শেষ হোৱাত বেজবৰুৱা "বাঁহী"ৰ কামত একাণপতীয়াকৈ লাগি গ'ল। 'বাঁহী'ৰ গ্ৰাহক গোটোৱা, প্ৰবন্ধ লিখিবলৈ মানুহক উৎসাহ দি ফুৰাৰ লগতে সকলো সম্প্ৰদায়ৰ মানুহৰ মাজত আন্তৰিকতা বঢ়োৱাত মন দিলে। এইদৰে কেইসংখ্যামান "বাঁহী" ওলোৱাৰ পাচত বিশ্বযুদ্ধই সৃষ্টি কৰা বিশেষ পৰিস্থিতিত কাগজ-পত্ৰৰ অভাৱত তাকো বন্ধ কৰিব লগা হ'ল। মাধৱ বেজবৰুৱা নিষ্কৰ্মা হৈ বহি থকা মানুহ নহয়। ইউনিভাৰ্চিটি স্থাপনৰ কামকে আকৌ সাৰটি ললে। সেই সময়ত কংগ্ৰেছৰ ভাৰত ত্যাগ আন্দোলন পূৰ্ণ গতিত চলি আছে— দেশৰ সকলো নেতা জেলত, মাজৰ বহুতো যদিও জেললৈ যোৱা নাই, পলৰীয়া হৈ আজি ইঠাই কালিলৈ সিঠাই হৈ পুলিচৰ চকুত ধূলি দি ফুৰিছে। গতিকে বিশ্ববিদ্যালয় আন্দোলনৰ কাৰণে নতুন এচাম কৰ্মী সৃষ্টি কৰিব লগা হ'ল। এইটোৰ কাৰণে কটন কলেজৰ চ'চিয়েল চাৰ্ভিচ লীগৰ গাঁৱে-ভূঞে থকা বহুতো কৰ্মী ওলাই আহিল। প্ৰত্যেক মহকুমাতে একোখনকৈ সমিতি পাতি অৰ্থ সংগ্ৰহত লাগি গ'ল। সেই সময়ত জেলত থকা বৰদলৈ, ফকৰুদ্দিন চাহাবক জেলতে লগ ধৰি দিহা পৰামৰ্শ লৈ কামত আগবাঢ়ে। এই বিষয়ত শিক্ষা বিভাগৰ বৰমূৰীয়া শিক্ষাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামীদেৱ মাধৱ বেজবৰুৱাৰ পথ প্ৰদৰ্শক আছিল। বেজবৰুৱাই ছাদুল্লা চাহাব

আৰু অসমৰ গৱৰ্ণৰকো লগ ধৰি তেখেতসকলৰ সমৰ্থন বিচাৰিছিল আৰু পোনপটীয়াকৈ নহ'লেও আওপাকে সেই সমৰ্থন পাইছিল যাৰ ফলত গোপীনাথ বৰদলৈদেৱে আন সকলো দেশ নেতাতকৈ বহু আগতেই জেলৰ পৰা মুক্তি পাই পোনে পোনে শৰৎ গোস্বামী দেৱৰ লগত কলিকতালৈ গৈ ইউনিভাৰ্চিটি পতা মিটিঙত যোগ দিছিল। কলিকতাত পতা এই মিটিংখনেই গুৱাহাটী ইউনিভাৰ্চিটিৰ ভেটি স্বৰূপ বুলি ক'ব লাগিব।

ইয়াৰ পাচত মাধৱ বেজবৰুৱাই খন্তেকলৈও জিৰণি নললে— অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সভা-সমিতি পাতি বিশ্ববিদ্যালয়ৰ কাৰণে অৰ্থসংগ্ৰহ কৰি গ'ল। নিজৰ স্বাস্থ্যলৈ অকণো নোচোৱাৰ ফলত দুৰাৰোগ্য ব্যাধিয়ে লগ ললে আৰু আমি তেওঁক মাত্ৰ ৩৫ বছৰ বয়সতে চিৰকাললৈ হেৰুৱাব লগা হ'ল। অসমৰ কি দুৰ্ভাগ্য! মাধৱ বেজবৰুৱা আজিলৈকে থকা হ'লে অসমৰ বিভিন্ন সমস্যা সমাধানত ৰাইজক শুদ্ধ পথে আগুৱাই নি অসমক ভাৰতৰ ভিতৰতে এখন আগশাৰীৰ ৰাজ্যত পৰিণত কৰিব পাৰিলেহেঁতেন। ❑

ভোলাৰাম দাস

কটন কলেজলৈ এভুমুকি

অসম তথা ভাৰতৰে গৌৰৱৰ শিক্ষানুষ্ঠান কটন কলেজ। ১৯০১ চনত স্থাপিত কটন কলেজে আজি এশ বছৰত সোমাইছে. অতীতৰ পৰাই অতি ঐতিহ্যপূর্ণ এই অনুষ্ঠানটিৰ পৰা শিক্ষা গ্ৰহণ কৰি ওলাই অহা কৃতী ছাত্ৰ গোটেই অসমতে তথা ভাৰততে আৰু পৃথিৱীৰ নানা দেশত নানা ধৰণৰ কামত কাম কৰি কৃতকাৰ্য্যতা লাভ কৰি কটন কলেজৰ গৌৰৱ বঢ়াইছে। এই বিখ্যাত অনুষ্ঠানটিৰ স্থাপনত যিসকল মনীষীয়ে অগ্ৰাধিকাৰ লৈছিল আৰু অতীতৰ যিসকল শিক্ষাগুৰুৱে এই অনুষ্ঠানটিত শিক্ষা দান কৰি এই অনুষ্ঠানটিৰ উত্তৰোত্তৰ উন্নতি সাধন কৰিছিল, তেখেতসকলৰ প্ৰতি মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মই এই ঐতিহ্যমণ্ডিত অনুষ্ঠানটোত ১৯৩৩ চনৰ জুলাইৰ পৰা ১৯৩৭ চনৰ এপ্ৰিললৈ চাৰি বছৰ কাল ছাত্ৰ হিচাপে থাকি আই. এচ. চি. আৰু বি. এ. পাছ কৰিবলৈ সুবিধা পাই নিজকে ধন্য বুলি ভাবিছো। আমাৰ দিনত কি গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানটি আছিল আজিৰ প্ৰজন্মই অনুভৱ বোধহয় কৰিব নোৱাৰিব। ছাত্ৰসংখ্যা বেছি নাছিল। তেতিয়া বিজ্ঞানৰ চিট মাত্ৰ ষাঠীটাহে আছিল— বি. এছ. চিৰ চিট তাৰ প্ৰায় আধা। কলেজখনত আমাৰ দিনত প্ৰিন্সিপালজনৰ বাহিৰে ছাব্বিশ জনহে প্ৰফেছাৰ

আছিল— ইংৰাজী ৫ জন, সংস্কৃত ৩ জন (তাৰে এজন অসমীয়াৰো, আৰু এজন বঙালীৰো) অঙ্কৰ ২ জন, বুৰঞ্জীৰ ২ জন, লজিক আৰু ফিলচফিৰ ২ জন, চিভিক্স আৰু ইকনমিক্সৰ ২ জন, আৰবীৰ ১ জন, বোটানীৰ ১ জন, ৰসায়নৰ ৪ জন আৰু পদাৰ্থ বিজ্ঞানৰ ৪ জন। আমি পঢ়াৰ সময়ত থকা প্ৰফেছাৰসকলৰ প্ৰায় আটাইকেইজনৰ নাম মোৰ আজি ৬৩ বছৰ পিচতো মনত আছে। বোটানী কেৱল আই. এছচি. তহে আছিল— তাৰো প্ৰেকটিকেল নাছিল। প্ৰফেছাৰসকলে নিজৰ বিষয়ৰ ছাত্ৰবোৰৰ প্ৰায়বিলাকৰে নাম জানিছিল। এটা ছাদৰ ভিতৰত এটা মুছলিম হোষ্টেল আৰু ৫টা হিন্দু হোষ্টেল আছিল। হিন্দু হোষ্টেল ৫ টাৰ তিনিটা মেচ আছিল। প্ৰথম ব্লক (ওল্ড ব্লক) এটা মেছ, ২য় আৰু ৩য় ব্লকৰ এটা মেচ আৰু ৪ৰ্থ আৰু ৫ম ব্লকৰ এটা মেচ। অইন এটা ছাদৰ ভিতৰত আছিল ২টা হোষ্টেল— নিউ হোষ্টেল আৰু কস্ম'পলিটান হোষ্টেল। প্ৰত্যেক মেচৰ কাৰণে একোখন টেনিচ ফিল্ড, একোখন বেডমিণ্টন ফিল্ড আৰু একোখন ভলীবল ফিল্ড আছিল। প্ৰত্যেক হোষ্টেলৰ ভিতৰত মধ্যাতে টেবুল টেনিচৰ কাৰণে একোখন টেবুল টেনিচ, টেবুল আৰু কেৰমৰ কাৰণে একোখন কেৰম বোৰ্ড আছিল। প্ৰত্যেক মেচতে এইবোৰ খেলৰ প্ৰত্যেক বছৰতে প্ৰতিযোগিতা হৈছিল। প্ৰত্যেক মেচৰ কাৰণে একোজন প্ৰফেছাৰ চুপাৰিনটেনডেণ্ট আছিল। এবাৰ চুপাৰ হলে অৱসৰ নোলোৱালৈ চুপাৰ হৈয়ে থাকিছিল।

ৰাস্তাৰ কাষতে কলেজৰ সুবৃহৎ অসম আৰ্হিৰ আৰ্ট বিল্ডিংটো। অতি সুন্দৰ বৃহৎ আকাৰৰ ভৱনটোত পূবে আৰু পশ্চিমে থকা বৃহৎ কোঠালী দুটাত আছিল গেলেৰী। মাজত আছিল কলা বিষয়বোৰৰ প্ৰফেছাৰসকলৰ জিৰণি কোঠা, প্ৰিন্সিপালৰ বহা কোঠালী, অফিচৰ কৰ্মীসকলৰ কোঠালী। এই সুবৃহৎ কলা ভৱনৰ শ্ৰেণীটো আছিল ৪/৫ ফুট মান ওখ আৰু এই ভৱনটো অতি ঐতিহ্যমণ্ডিত ভৱন আছিল আৰু তেনে সুন্দৰ ভৱন এটা অসমত তো নাছিলেই—আনকি কলিকতা আৰু আন চহৰতো সেই সময়ত নাছিল বুলিয়ে ক'ব পাৰি। ৫ম ব্লক আৰু এই কলা ভৱনটোৰ মাজত কলেজৰ দুখন Hard Tennis Court আছিল— য'ত কলেজৰ ছাত্ৰ আৰু প্ৰফেছাৰসকলে Tennis খেলিছিল আৰু প্ৰত্যেক বছৰে প্ৰতিযোগিতা হৈছিল য'ত ছাত্ৰ আৰু প্ৰফেছাৰে অংশ গ্ৰহণ কৰিছিল। আমাৰ সময়ত ইংৰাজী প্ৰফেছাৰ P.C. Roy, অঙ্কৰ হৰ্ষ বাবু, বুৰঞ্জীৰ ভূবন বাবু, Physics-ৰ হিৰণ্য ভূঞা আদিয়ে অংশগ্ৰহণ কৰিছিল।

এইবিলাকৰ লগত পূব ফালে এটা বৃহৎ কম্পাউণ্ডত এটা বৃহৎ আকাৰৰ খেৰী বাংলা আছিল— প্ৰিন্সিপালৰ বাসস্থানৰ কাৰণে।

ইয়াৰ বাহিৰে কলেজৰ Chemistry আৰু Physics-ৰ কাৰণে ওচৰৰে আন এটা ছাদত দুটা Building আছিল। সেই দুটা এতিয়াও আছে। তাৰ পশ্চিমফালে এটি ৰাস্তা এৰি আছিল —চুদমাৰ্চন Hallটো— য'ত কলেজৰ সভা সমিতি, Music Social হৈছিল। তাত আমি থকাৰ দিনত Botany Class ও হৈছিল। এই Hall-টোৰ পশ্চিম ফালে ৰাস্তাৰ কিনাৰেদি আছিল New Arts Building এটা (Asom Type)। এইটো এতিয়াও আছে। তাত হৈছিল Arts Subject-ৰ কিছুমান Class ।

কটন কলেজৰ দখলত বহু জমি আছে। কটন কলেজৰ ঐতিহ্যপূৰ্ণ পুৰণি মূল Building-টো বৰ্তমান ভাঙি তাত নতুন ডাঙৰ R. C.C. Building বনালে। আগৰ Tennis Hard Court দুখনো নাই য'ত গুৰু আৰু ছাত্ৰসকলে একেলগে Tennis

খেলিছিল। আগৰ গাম্ভীৰ্য্যপূৰ্ণ প্ৰিন্সিপালৰ বাংলা আৰু Compound নাই। তাত Union Hall উঠিল আনফালে। আগৰ পুৰণি হোষ্টেলবোৰ আছে— তাৰ উপৰি নতুন হোষ্টেল W.S. Hostel হৈছে।

আমাৰ দিনত কলেজত পঢ়া ছোৱালীৰ সংখ্যা একেবাৰে কম আছিল। তাৰ ভিতৰত গুৱাহাটী চহৰৰ বাহিৰৰ পৰা অহা ছোৱালীৰ সংখ্যা একেবাৰে কম আছিল আৰু তেওঁলোক পাণবজাৰ ছোৱালী হাইস্কুলৰ হোষ্টেলত আছিল।

আগৰ অতি গাম্ভীৰ্য্যপূৰ্ণ পুৰণি Art Building টো কটন কলেজৰ স্মৃতি চিহ্ন হিচাপে ৰাখিও Plan কৰি বহু Building বনাব পাৰিলেহেঁতেন। আমি পুৰণি চাম Cottonian বোৰে এই পুৰণি অতি ধুনীয়া ঐতিহ্যপূৰ্ণ Building টো ভাঙি পেলোৱাত বৰ দুখ পাইছো।

আমাৰ দিনত Cotton-ত পঢ়া ছোৱালীবোৰৰ সংখ্যা অতি তাকৰ থকা বাবে ল'ৰাৰ লগত mix নকৰিছিল। ছোৱালীবিলাকৰ কাৰণে Chemistry Building অত লগা এটি Common Room আছিল। ল'ৰাৰ কাৰণে তেনে Common Room নাছিল। অধিক সংখ্যাক ল'ৰা ছাত্ৰাবাসত থাকে, হোষ্টেলৰ বাহিৰত থকা ছাত্ৰৰ সংখ্যা অতি কম আছিল। আমি থকা দিনতো কলেজত ছাত্ৰৰ Union Society আছিল। প্ৰত্যেক বছৰে Union-ৰ কাৰণে এজন চেক্ৰেটাৰী চাৰিটা Classৰ চাৰিজন Representative আছিল। তাৰ উপৰি Music Secretary, Sports Secretary, Debating Secretary আদিও আছিল। এই সকলো বিলাক পদৰ বাবে প্ৰত্যেক বছৰে নিৰ্বাচন হৈছিল। কলেজৰ আলোচনী আগতে বিভিন্ন নামত থাকিলেও ১৯৩২ চনৰ পৰা অৰ্থাৎ মই কলেজত ভৰ্ত্তি হোৱাৰ আগৰ বছৰৰ পৰা আলোচনীখন Cottonian হিচাপে নামাঙ্কিত হৈছিল আৰু Magazine খনৰ বাবেও এজন Magazine Secretary প্ৰত্যেক বছৰে নিৰ্বাচিত হৈছিল।

আমাৰ দিনৰ কলেজখনৰ কথা ভালদৰে বৰ্ণাব লাগিলে এখন ডাঙৰ কিতাপ হ'ব। প্ৰবন্ধৰ অবয়ব বেছি বঢ়াবৰ ইচ্ছা কৰা নাই। তেতিয়াৰ গুৰুসকলৰ কেইজনমানৰ বিষয়ে দুই চাৰিটা কথা বৰ্ণাই সামৰিব খুজিছো। ইংৰাজীৰ অধ্যাপক P.C.Roy ধুনীয়া আৰু অতি চাফচিকুণ— সদায় কোট পটলুং টাই মাৰি পাউদাৰ স্নো সুগন্ধি বস্তু ব্যৱহাৰ কৰি কলেজলৈ আহে। বহুতো ৰুমাল— কোনোখন কোটৰ বুকৰ জেপত, দুই হাতৰ চাৰ্টৰ তলত দুখন পেন্টৰ জেপতো দুখনমান থাকে। class কৰি থাকোতে এখন এখনকৈ উলিয়াই থাকে আৰু ছাত্ৰবিলাকলৈ চাই হাঁহে। class ত সোমায়ে Roll Call কৰে— প্ৰথমে ১৫ মিনিটমান বাহিৰা কথা কয়— কেতিয়াবা ছাত্ৰক জোকায়। ছাত্ৰীক কিন্তু ভালদৰেই জোকাইছিল। খুব কম সংখ্যক ছাত্ৰী কাৰণে প্ৰফেছৰৰ ওচৰতে এখন বা দুখন বেঞ্চত বহে। ছাত্ৰীবিলাকৰ মুখত হাঁহি দেখা নাযায়। ছাত্ৰসকলে কিন্তু ছাত্ৰীসকলক ঠাট্টা পেচাল নকৰিছিল। অধ্যাপক P.C. Roy এজন ভাল Tennis Player আছিল। প্ৰতিযোগিতাত কেতিয়াবা কেতিয়াবা champion-ও হৈছিল। প্ৰতিপক্ষৰ ল'ৰা খেলুৱৈক খুব দৌৰাইছিল ল'ড দি দি। তেওঁ আমাক B. A.-ত পঢ়াইছিল Drama। সুন্দৰ পঢ়াইছিল— Dramatic সুৰত।

ইংৰাজীৰ আন এজন প্ৰফেছৰ আছু বাবু— তেৰোঁ Class ত, Stage ত acting কৰাৰ নিচিনা poetry পঢ়াইছিল। পঢ়োৱাত বাহিৰে তেওঁ বাহিৰা কথাত বিশেষকৈ যোগ নিদিছিল।

ইংৰাজীৰ আন এজন অধ্যাপক বাণীকান্ত কাকতি পিচলৈ ড০ কাকতি। তেখেতৰ জন্ম মোৰ জন্মস্থান বহঁৰি গাঁৱৰ ওচৰৰে বাটিকুৰিহাতত। তেওঁ আমাক ইংৰাজী prose পঢ়াইছিল। অতি পণ্ডিত মানুহ তেওঁ ক'ত humour বিচাৰি পায় আমি কবই নোৱাৰোঁ—। পালে তেওঁ হাঁহে— "হি-হি-হি-হি" কৰি। আমি সবেই হাহোঁ— "হি হি হি হি হি" কৈ। আমি বুজি নাপাওঁ তেওঁ হহা দেখি হাহোঁ। তেওঁ এনেকৈ কিয় হাঁহিছিল তাৰো ইতিহাস আছে। শুনিছিলো তেওঁৰ কেতিয়াও কোনো কথাত হাঁহি নাহিছিল। পিচলৈ এম. এ. পঢ়োতে তেওঁৰ মেলাকলীয়া বেমাৰ হ'ল— কলিকতাত ডাক্তৰক দেখুৱাত তেওঁৰ চিকিৎসা হ'ল বেলেগ ধৰণে। তেওঁ মুঠেই নাহাঁহে— সেইটোকে বেমাৰটোৰ কাৰণ বুলি সিদ্ধান্ত কৰি তেওঁক জোৰ কৰি হাঁহিবলৈ পৰামৰ্শ দিয়াত তেওঁৰ হাঁহি নাহিলেও "হি হি হি, হি, হি, হি" কৰি হঁহাৰ চেষ্টা কৰোতে পৰৱৰ্তী কালত তেওঁৰ হাঁহিটো "হি হি হি, হি হি হি" তে ৰৈ গ'ল। তেওঁ অধ্যাপক P. C. Roy-ৰ ছাত্ৰ আছিল আৰু বৰ প্ৰিয় আছিল। P. C. Roy কটনত তেওঁৰ অধ্যাপকো আছিল। ড০ কাকতি অধ্যাপক হোৱাত তেওঁক ইমান সমীহ কৰিছিল যে কোনো ছাত্ৰই ইংৰাজীৰ টান কথা এটাৰ ব্যাখ্যা বিচাৰিলে তেওঁ কৈছিল— "Go to Banikanta, he will explain it."

অঙ্কৰ অধ্যাপক হৰ্ষ বাবু। তেওঁ Tennis ও খেলিছিল ভাল। আমাৰ Mess ৰ Super আছিল। বিষয়টোক তেওঁ সাহিত্যৰ নিচিনা পঢ়াইছিল— বোৰ্ডত লিখি লিখি— মুকুতাৰ নিচিনা আখৰ লিখি। ইংৰাজী কোৱাত বেছি পাৰ্গত নাছিল বুলি জানো অঙ্ক Class ত পঢ়োৱাৰ বাহিৰে। শুনিছিলো এদিন তেওঁ Principal চুদমাৰ্চনক লগ ধৰিবলৈ গৈছিল তেওঁৰ বাংলালৈ। চুদমাৰ্চন চাহাবৰ কথা তেওঁ ভালকৈ বুজাত টান পাই তৎক্ষণাৎ কথা সামৰি "তোমাৰ ভাষায়ো নমস্কাৰ বাসায়ো নমস্কাৰ" বুলি কৈ গুচি আহিছিল। এনেয়ে বৰ ভাল মানুহ আছিল, আমি সম্মান কৰিছিলো। আমি B.A. পৰীক্ষা দিয়াৰ পিছত আমাৰ Mess-ৰ B. A. পৰীক্ষা দিয়া কেইজনৰ Roll No. লিখি আমাৰ ঠিকনা লৈ গৈছিল। B.A. পৰীক্ষাৰ Result দিয়াৰ পিছত, Result বোৰ জনাইছিল। মই মোৰ গাঁৱতে তেওঁ দিয়া Post Card খনৰ পৰা Result টো পাইছিলো।

সংস্কৃত বিষয়ৰ অধ্যাপক লক্ষীনাথ চেটাৰ্জী অতি ধুনীয়া মানুহ আছিল আৰু সংস্কৃতৰ শকুন্তলা আদি কাব্য পঢ়োৱাত অইন বিষয়ৰ ছাত্ৰও Class-ত ভৰি পৰিছিল। তেওঁ বঙ্গালীও পঢ়াইছিল। তেওঁৰ সময়ৰ শ্ৰীনাথ চক্ৰৱৰ্ত্তী এজন ভীম আকাৰৰ মানুহ আছিল— Old Block-ৰ Super-ও আছিল। সংস্কৃততকৈ গানতহে তেওঁ বেছি interested আছিল। Music Social-ত কোনোবাই শাস্ত্ৰীয় সংগীত গালে তেওঁৰ আগত বহি তালে তালে মূৰ দুপিয়াইছিল।

Logic-আৰু Philosophy-ৰ প্ৰফেছাৰ থমাছ আৰু সুৰেশ বাবু। সুৰেশ বাবু এজন আচলতে Philosopher-আছিল। কেতিয়াবা ঘৰৰ পৰা এখন ভৰিতহে মোজা পিন্ধি আহিছিল, কেতিয়াবা কলেজৰ Common Room তে কোটটো এৰি গৈছিল। থমাছ চাহাব খাছিয়া মানুহ আছিল, Cosmopolitan Hostel-ৰ Super-ও আছিল। Philosophy-ৰ ওপৰত ইমান পাণ্ডিত্য আছিল যে Class-ত দিয়া তেওঁৰ নোট কলিকতাৰ কৃতী ছাত্ৰই গুৱাহাটীৰ পৰা সেই নোট সংগ্ৰহ কৰি নিছিল।

বুৰঞ্জীৰ অধ্যাপক ভূবন বাবুৰ Class বৰ interesting আছিল। তেওঁৰ মাতটো ডাঙৰ আছিল আৰু ছাত্ৰবোৰে তেওঁৰ কথা খুব মানিছিল। চুদমাৰ্চন Hall-ত কিবা Party হলে

দৰ্শক ছাত্ৰৰ মাজত খুব গোলমাল হলে ভূবন বাবু মঞ্চলৈ গৈ যেতিয়া গম্ভীৰ স্বৰত গোলমাল কৰিবলৈ বন্ধ কৰা বুলি কয় তেতিয়া গোলমাল বন্ধ হৈ যায়।

অধ্যাপক দিবাকৰ গোস্বামী সংস্কৃতৰ মানুহ। কিন্তু তেওঁ চাৰিওটা ক্লাচত অসমীয়া পঢ়াইছিল। অতি শান্ত-শিষ্ট মানুহ— কলেজলৈ আহিলে পেণ্টলুং আৰু গলাবান্ধ কোট অতি পৰিপাটিকৈ পিন্ধি আহিছিল। কাৰো পিনে নাচায়, মুখত হাঁহি-মাত নাই, তলমূৰ কৰি কিতাপখন পঢ়ি পঢ়ি বুজাই যায়। Class-ৰ পৰা এজন এজনকৈ ওলাই গৈ থাকে। শেষলৈ আধা মানহে থাকে। তেওঁ New Hostel ৰ super ও আছিল।

Physics-ৰ ডেকা অধ্যাপক হিৰণ্য ভূঞা খুব বুদ্ধিমান ছাত্ৰৰস্থাৰ পৰা। খুব ভাল Tennis player। আমি কলেজৰ পৰা ওলাই যোৱাৰ বহু পিচত কলেজৰ প্ৰিন্সিপালো হৈছিল— গুৱাহাটী বিশ্ববিদ্যালয়ৰ Vice Chancellor ও হৈছিল। আমাৰ দিনত যিসকল অধ্যাপক আছিল আটাইবোৰেই আমাৰ নমস্য ব্যক্তি আছিল। আটাইবোৰৰ বিষয়ে এই সৰু প্ৰবন্ধত লিখা টান। আমাৰ সময়ৰ শিক্ষক-ছাত্ৰৰ মাজত যিটো মধুৰ সম্বন্ধ আছিল সেই ওচৰ সম্বন্ধ এতিয়া আছে নে নাই ক'ব নোৱাৰো। আজি কলেজখনৰ অৱয়ব ইমান ডাঙৰ হ'ল যে আগৰ সেই ওচৰ সম্বন্ধ এতিয়া নিশ্চয় বিদ্যমান নাই।

আমাৰ অতি মৰমৰ কটন কলেজৰ বিষয়ে ক'ব লগা বহুত, কিন্তু এই প্ৰবন্ধত সকলোখিনি ব্যক্ত কৰিব নোৱাৰি।

কলেজত সোমায়েই প্ৰথমে পাইছিলো S. C. Roy ক প্ৰিন্সিপাল হিচাপে। তাৰ আগে আগে আগৰ প্ৰিন্সিপাল Thomson চাহাব গ'ল। আমি কলেজত থাকোতেই S C.Roy-ৰ ঠাইত Roberts চাহাব প্ৰিন্সিপাল হৈ আহিল আৰু তেওঁ থাকোতেই আমি কলেজখন এৰি গ'লো।

আজি আটাইবোৰ পুৰণি কথা মনলৈ নাহিলেও আমাৰ অতি শ্ৰদ্ধাৰ অধ্যাপকসকলৰ কথা মনত পৰে। তেওঁলোক আটাইবোৰেই মই জনামতে ইহ সংসাৰ এৰি পৰলোকলৈ গ'ল। তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছো। অতি মৰমৰ এই কলেজখনৰ উত্তৰোত্তৰ উন্নতি হৈ থাকক, এয়ে কামনা। ❑

সত্য প্ৰসাদ বৰুৱা

কটন কলেজৰ মধুৰ স্মৃতি

মই যে এসময়ত 'কটনিয়ান' আছিলো এই কথাটো লৈ আজিও গৰ্ব অনুভব কৰো। দৰাচলতে এই গৰ্বৰ ভাবটো মনত সুমুৱাই দিছিল ১৯৩৮ চনত বি. এ. পাছ কৰি কলিকতা বিশ্ববিদ্যালয়লৈ যেতিয়া এম এ. আৰু ল' পঢ়িবলৈ যাও তেতিয়া; তাৰ এম. এ ক্লাচৰ চিনিয়ৰ প্ৰফেচাৰে আমাক সুধিছিল আমি কোন কলেজৰ পৰা পাছ কৰি আহিছো। মই তেতিয়া কৈছিলো– মই কটন কলেজৰ পৰা দ্বিতীয় বিভাগত অনাৰ্চ লৈ পাছ কৰি আহিছো, তেতিয়া তেওঁ টপৰাই ক'লে যে কটন কলেজত পঢ়িবলৈ পোৱাটো তোমাৰ বাবে সৌভাগ্যৰ কথা। কাৰণ কলিকতাৰ বাহিৰৰ কলেজবোৰৰ ভিতৰত কটন কলেজেই 'প্ৰেসিডেন্সি কলেজ' 'চেণ্ট জেবিয়াৰ্চ কলেজৰ' সমকক্ষ। তেখেতে মোক কটন কলেজৰ ফিল'চফিৰ অধ্যাপক আৰ. আৰ. থমাচ পি. আৰ. এছ, সংস্কৃতৰ অধ্যাপক লক্ষ্মী নাৰায়ণ চেটাৰ্জী, ইংৰাজীৰ অধ্যাপক পি. চি ৰয় আৰু ড° বাণীকান্ত কাকতি আৰু বুৰঞ্জীৰ অধ্যাপক ভুবন মোহন সেনৰ কথা নথৈ প্ৰশংসা কৰি কৈছিল।

মই নগাঁও চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৪ চনত প্ৰথম বিভাগত অংক আৰু বুৰঞ্জীত দুটা লেটাৰ সহ মেট্ৰিক পাছ কৰি কটন কলেজত নাম লগাইছিলোঁহি। মই অংক আৰু

ভূগোল দুয়োটাতে লেটাৰ পোৱাৰ বাবে বিজ্ঞান শাখাত নাম লগাবৰ বাবে বহুতে জোৰ কৰিছিল যদিও মই অংকক ভয় কৰাৰ বাবে কলা বিভাগতে নামভৰ্ত্তি কৰিলো। গুৱাহাটীতে পৈতৃক ঘৰ থকাৰ বাবে কটন কলেজত পঢ়াৰ অসুবিধা হোৱা নাছিল। মোৰ দেউতা স্বৰ্গীয় গুৰুপ্ৰসাদ বৰুৱা তেতিয়া নগাঁৱৰ আৰক্ষী অধীক্ষক আছিল। কিন্তু দুমাহৰ ভিতৰতে তেখেত চিলেটলৈ বদলি হোৱাত মই কটন কলেজৰ পৰা চিলেটৰ মুৰাৰীচান্দ কলেজলৈ যাব লগা হ'ল। এই কলেজো কটন কলেজৰ সমপৰ্যায়ৰ আৰু অধ্যাপক সকলো বিশেষকৈ যোগেন চৌধুৰীৰ নাম সকলোতে জনাজাত হৈ পৰিছিল। "মোৰ লগত গুৱাহাটীলৈ কটন কলেজত পঢ়িবলৈ শ্ৰীনৰেন শৰ্মাই সুখ্যাতিৰে মেট্ৰিক পাছ কৰি আমাৰ ঘৰতে থাকিবলৈ লৈছিল। তেওঁৰ জ্যেষ্ঠ ভাতৃ বংশীধৰ শৰ্মা মোৰ খুড়াদেউ ভৱানীপ্ৰসাদ বৰুৱাদেৱৰ বন্ধু আছিল কাৰণেই আৰু বিশেষকৈ মই টানি ধৰাত তেওঁ আমাৰ ঘৰত থকাত কোনো অসুবিধা হোৱা নাছিল। মই চিলেটলৈ যোৱাৰ পাছতো তেওঁ আমাৰ ঘৰতে থাকি সুখ্যাতিৰে দৰ্শন বিষয়ত অনাৰ্চ লৈ বি. এ. পাছ কৰিছিল।

এই প্ৰথমছোৱাত কটন কলেজত দুমাহ থকা কালতেই মই পঢ়া-শুনা আৰু অন্যান্য বিষয়ত আগ্ৰহেৰে লাগি গৈছিলো। মোৰ জ্যেষ্ঠসকলে কটন কলেজৰ বৃহৎ পুথিভঁড়ালটো ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়াত তাৰ পৰা কিতাপ নি পঢিবলৈ অভ্যাস কৰিছিলো। সেই সময়ছোৱাতে প্ৰথম টাৰ্মিনেল পৰীক্ষাতে মই ইকনমিকচৰ ছাত্ৰ হৈও ইংৰাজীত 'হেড মাৰ্ক' পাই সকলোকে আচৰিত কৰি দিছিলো। নম্বৰ বেছি পোৱা নাছিলো, মাত্ৰ ৪৩। সেয়ে ড° বাণীকান্ত কাকতিৰ হাতত পোৱাত সকলোৱে মোক বখানিছিল। মোৰ লগৰ কৃতী ছাত্ৰ মহেশ্বৰ নেওগ আৰু তাৰিণীকান্ত ভট্টাচাৰ্যই মোতকৈ ৩ নম্বৰ কমহে পাইছিল। প্ৰশ্নকাকতৰ শেষৰটো প্ৰশ্ন আছিল 'Wander last' বোলা এটা কবিতাৰ সাৰাংশ লিখাৰ। বেছিভাগ ছাত্ৰই কবিতাটোৰ দাৰ্শনিক তত্ত্ব আৱিষ্কাৰ কৰিবলৈ গৈ হাবাথুৰি খাইছিল। মই সিমান দূৰলৈ নগৈ সহজতে কবিতাৰ শাৰীকেইটা ইফাল-সিফাল কৰি এটা সাধাৰণ ব্যাখ্যা দাঙি ধৰিছিলো। সাৰাংশ হিচাপে বিশেষ একো হোৱা নাছিল যদিও মই তিনি নম্বৰ লাভ কৰিছিলো। এই কথাটোৱে আমাৰ ক্লাচত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ড° কাকতিয়ে স্বাভাৱিক হাঁহিটো মাৰি কৈছিল যে তোমালোকে সদায়ে ভাবা যে কবিবোৰ দাৰ্শনিক আৰু কবিতাবোৰ দাৰ্শনিক তত্ত্বৰে ভৰপূৰ। এই কবিতাটোত কোনো দাৰ্শনিক তত্ত্ব নিদি কবিয়ে মাথো বৰ্ণাইছে যে তেওঁ কেনেকৈ নানা ঠাই ঘূৰি-ফুৰি প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিবলৈ ভাল পায়। Wander last মানে ভ্ৰমি ফুৰা বাসনা। একমাত্ৰ সত্যপ্ৰসাদেই কবিতাটোৰ এই দিশত দৃষ্টি দিয়াত মই তিনি নম্বৰ বেছি দিছিলো। উল্লেখযোগ্য যে কটনত সহশিক্ষা প্ৰৱৰ্তন হয় ত্ৰিশ দশকৰ শেষৰ ফালে। প্ৰথম গৰাকী ছাত্ৰী আছিল অধ্যাপক পি. চি. ৰয়ৰ জ্যেষ্ঠা কন্যা শ্ৰীমতী সুজাতা ৰয়, দ্বিতীয় গৰাকী আছিল মোৰ বাইদেউ শ্ৰীমতী লীলা দেৱী। মুৰাৰীচান্দ কলেজত দুবছৰ পঢ়ি ১৯৩৬ চনত প্ৰথম বিভাগত আই. এ. পাছ কৰিলো আৰু ইতিমধ্যে দেউতাও শিলচৰলৈ বদলি হোৱাত পুনৰ কটন কলেজত অৰ্থনীতিত অনাৰ্চ লৈ নাম ভৰ্তি কৰিলো। এই বিভাগৰ প্ৰধান অধ্যাপক আছিল উমাকান্ত গোস্বামী আৰু আনজন ড° মথুৰা নাথ গোস্বামী। দুয়ো গৰাকী বিদগ্ধ পণ্ডিত আছিল। উমাকান্ত গোস্বামী ছাৰে সদায় নোট দিছিল আৰু ক্লাচলৈ দেৰিকৈ আহিছিল আৰু যাওঁতে এই সময়খিনি পূৰাই গৈছিল। উমাকান্ত গোস্বামী ছাৰৰ পঢ়োৱাৰ নিয়মটো ভাল লাগিছিল। তেওঁ গহীন কথাবোৰৰ মাজতো দুই এটা ধেমেলীয়া কথা কৈ আমাক হুঁহুৱাইছিল। ক্লাচৰ ঘণ্টা পৰি যোৱাৰ পাছতো তেওঁ পঢ়াই

থকাত আমি বৰ অসুবিধা পাইছিলো, সেয়ে সকলো ছাত্ৰই ঘণ্টা পৰাৰ লগে লগে মজিয়াত জোতা ঘঁহাই শব্দ কৰিছিল। তেওঁ এই শব্দ শুনি ইংৰাজীতে সুধিছিল "What is the matter with you. Why are you spoiling the sole of use yours' valuable shoes. Has anybody sata hound behind you?" তাৰ পাছত আমি মনে মনে থকাত পঢ়োৱা আৰম্ভ কৰিছিল। কেতিয়াবা তেওঁ অহাত পোন্ধৰ মিনিট দেৰি হ'লে আমি ক্লাচৰ পৰা ওলাই আহোঁ আৰু নতুন বিল্ডিঙৰপৰা পুৰণা বিল্ডিঙৰ ওচৰ পাওঁতেই তেওঁক লগ পাওঁ আৰু তেওঁ পুনৰ ক্লাচলৈ আমাক লৈ আহিছিল। ধেমেলীয়া কাৰণেই আমি তেওঁক ভাল পাইছিলো। মথুৰানাথ গোস্বামীৰ পাণ্ডিত্যই আমাক মুগ্ধ কৰিছিল (পাছলৈ তেওঁ পি. এইচ ডি. ডিগ্ৰী লাভ কৰে)। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. ডিগ্ৰী লাভ কৰা বৰ কঠিন কাম আছিল। মই তেখেতৰ প্ৰিয় ছাত্ৰ আছিলো আৰু মই যাতে প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হওঁ তাৰ বাবে তেওঁ যত্ন লৈছিল যদিও মই তেওঁৰ আশা পূৰণ কৰিব পৰা নাছিলো। আমাৰ সময়তে কটন কলেজত পণ্ডিত জৱাহৰলাল নেহৰু আহিছিল। সেই সময়ত অধ্যক্ষ আছিল ড° সতীশ ৰায়। নেহৰুজীৰ ভাষণে আমাৰ মনবোৰক অনুপ্ৰাণিত কৰি তুলিছিল।

কটন কলেজৰ সেই সময়ৰ অধ্যাপকসকল বিশেষকৈ ইংৰাজীৰ অধ্যাপক পি. চি. ৰয়, অংকৰ অধ্যাপক হৰ্ষ সেন, বিজ্ঞান শাখাৰ অধ্যাপকসকল আনন্দ বাবু, অতুল বাবু আদিয়ে ছাত্ৰৰ পঢ়া-শুনাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে খেলা-ধূলাৰ প্ৰতিও অনুৰাগী হৈ আমাৰ মনবোৰ যেন সদায়ে জীপাল কৰি ৰাখিব পাৰে তালৈ লক্ষ্য ৰাখিছিল। অধ্যাপক হৰ্ষ সেন আৰু পি. চি. ৰয় টেনিচৰ প্ৰতি বিশেষ আকৃষ্ট আছিল। হৰ্ষ বাবুৱে (আমি বাবু বুলিও কৈছিলো) ফুটবলৰ ৰেফাৰীও আছিল। পি. চি. ৰয়ে ল'ৰাৰ লগত টেনিচ খেলিছিল আৰু ল'ৰাবোৰক শিকাইছিল। কেতিয়াবা তেওঁৰ ছোৱালী অমিয়েও স্কাৰ্ট পিন্ধি গুৱাহাটী ক্লাবত টেনিছ খেলিছিল। অধ্যাপক পি. চি. ৰয়ৰ তত্ত্বাৱধানত সেই সময়ৰ কটনৰ টেনিছ টিমটোৰ কেবাজনো খেলুৱৈয়ে যেনে— কামাখ্যা সেন, দিলীপ দাস, গোবিন্দ বৰুৱা আদিয়ে বিশেষ সুখ্যাতি অৰ্জন কৰিছিল। ময়ো এওঁলোকৰ লগত 'এ' ডিভিজনত খেলাৰ সুবিধা পাইছিলো। কটনৰ ফুটবল টিমটোও বৰ নাম জ্বলা আছিল। অচ্যুত দাস, দামোদৰ মহন্ত, মাধুৰ্য্যজিৎ সিং, ইন্দু হাজৰিকা, শৰৎ দাস, নৃপেন ভট্টাচাৰ্য্য, কামাখ্যা ত্ৰিপাঠী, যুগল কুমাৰ দাস আদিয়ে আগভাগ লৈছিল। কটনৰ ছাত্ৰই ভলিবলো খেলিছিল। হোষ্টেলে হোষ্টেলে টেনিছ কোৰ্ট আছিল পাছলৈ। ড° টলি মৰাণ আওৰে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছিল। এথলেটিকচত যতীন গগৈয়ে যথেষ্ট সুনাম আৰ্জিছিল। আমি থকাৰ সময়ত কটন কলেজত ৰ'ভাৰ স্কাউট প্ৰৱৰ্তন কৰা হয়। মই, শ্ৰীলীলাধৰ কটকী, শ্ৰীকামাখ্যা দাসগুপ্ত আদি কেবাজনো ৰ'ভাৰ স্কাউট হৈছিলো আৰু Rambler's বেজ লাভ কৰিছিলো। ইয়াৰ কাৰণে মই আৰু শ্ৰীলীলা কটকীয়ে (এম. পি) ১০০ মাইল খোজকাঢ়িব লগা হৈছিল আৰু ঠায়ে ঠায়ে কেম্প পাতি নিজে ভাত ৰান্ধি খাইছিলো। সেই সময়তে দিল্লীত অল ইণ্ডিয়াচ স্কাউট জাম্ব'ৰী পতা হৈছিল আৰু তালৈ প্ৰথমবাৰৰ বাবে স্কাউট আন্দোলনৰ সৃষ্টিকৰ্তা লৰ্ড বেডেন পাৱেল আহিছিল আৰু আমাৰ প্ৰত্যেককে সাক্ষাৎ কৰিছিল আৰু শুভাশীষ দিছিল। ৰ'ভাৰ্চ স্কাউটৰ অধিনায়ক আছিল অধ্যাপক ৰাধা বাবু (ৰাধানাথ দাস)। সেই সময়ত কটন কলেজ ইউনিয়ন চ'ছাইটি পুনৰ সংগঠন কৰাত মাধৱ বেজবৰুৱাই যথেষ্ট অৰিহণা যোগাইছিল আৰু মোৰ যিমান দূৰ মনত পৰে যিবাৰ তেওঁ ইউনিয়ন চেক্ৰেটাৰী হৈছিল সেইবাৰেই চেক্ৰেটাৰী ইলেকচনতো বিধানসভাৰ ইলেকচনৰ দৰে মৌখিক প্ৰপেগেণ্ডা আৰু পষ্টাৰ আদি ছপোৱা হৈছিল।

নিৰ্বাচনৰ সময়ত কলেজৰ সম্মুখেদি গাড়ী-ঘোঁৰা অহা-যোৱা কৰাটো ভিৰৰ বাবে বন্ধ হোৱাদি হৈছিল। মাধৱ বেজবৰুৱাৰ চেক্ৰেটাৰী হিচাপে ইমান প্ৰতিপত্তি আছিল যে তেওঁ উচ্চ বিষয়াৰ দৰে তৎকালীন চিনেমা হল, আয়েংগাৰ চাহাবৰ চিনেমা হল, কেলভিনত বিনা টিকটেৰে ছবি চোৱাৰ অনুমতি পাইছিল। আমাৰ সময়ত কটনৰ প্ৰিন্সিপাল আছিল ড° ৰাবট চাহাব। নৱাগত আদৰণি সভাত আন বিষয়ৰ লগতে ন দি কৈছিল যে দূৰণিবটীয়া ছাত্ৰ ছাত্ৰীয়ে নিয়মিতভাৱে যে ঘৰলৈ চিঠি লিখে এই সজ পৰামৰ্শই আমাৰ এক প্ৰয়োজনীয় কৰ্তব্যৰ কথা সোঁৱৰাই দিছিল। আমাৰ সময়ৰ কটন কলেজৰ ছুডমাৰ্চন হলত অনুষ্ঠিত অনুষ্ঠান আৰু তৰ্ক প্ৰতিযোগিতাবোৰে ছাত্ৰ-দৰ্শকৰ লগতে আন বহুতো বাহিৰা মানুহক আকৰ্ষণ কৰিছিল। এ. এছ. এল. ক্লাব আৰু সন্ধিয়া সম্মিলনীয়েও নিজৰ অনুষ্ঠান ছুডমাৰ্চন হলত পাতিছিল। এবাৰ এ. এছ. এল. ক্লাবে পতা শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথিত বক্তৃতা দিওঁতে শঙ্কৰদেৱৰ গুৰুত্ব সম্পৰ্কে প্ৰয়াত স্বামী ৰাধিকানন্দ চৌধুৰী আৰু এগৰাকী তীক্ষ্ণধী ছাত্ৰ প্ৰয়াত নলিনীকান্ত বৰুৱাৰ মনত ভীষণ বিতৰ্ক হৈছিল। পাছত কেইজনমান বিদগ্ধ পণ্ডিতৰ প্ৰাচীন সভাৰ দৰে যুক্তি আদি প্ৰদৰ্শন কৰাৰ ফলতহে নলিনীকান্ত বৰুৱাই তেওঁৰ সিদ্ধান্ত উঠাই ল'বলগীয়া হয়। কটন কলেজৰ সাংস্কৃতিক অনুষ্ঠানত গলগলীয়া মাতেৰে নাৰায়ণ বেজবৰুৱাৰ বৰগীতে সকলোকে মুগ্ধ কৰিছিল। কটন কলেজৰ বিতৰ্ক সভাবোৰো আকৰ্ষণীয় আছিল। এনে বিতৰ্ক সভাবোৰত আমি নিয়মীয়াকৈ যোগ দিছিলো আৰু কেবাবাৰো প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। পাছত আমাৰ লগত যোগ দিছিল শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য, শ্ৰীনৰেন শৰ্মা, ওবেদুল লতিফ বৰুৱা, শ্ৰীনাৰায়ণ বেজবৰুৱা, বৰপেটাৰ আটাউৰ ৰহমান (পাছলৈ তেওঁ বিধান সভাৰ সদস্য হৈছিল) আদিয়ে। সংগীত অধিৱেশনবোৰত আমাৰ লগতে ফণী তালুকদাৰ আৰু নাৰায়ণ বেজবৰুৱাইও অসমীয়া কবিতা আবৃত্তি কৰি সুনাম আৰ্জিছিল। ময়ো অৱশ্যে অসমীয়াৰ উপৰিও ছেক্সপীয়েৰৰ কেবাটাও স্বগতোক্তি আবৃত্তি কৰি সুনাম আৰ্জিছিলো। এনে অনুষ্ঠানত দৰ্শক হিচাপে উপস্থিত থকা তীৰ্থনাথ শৰ্মাদেৱে অধ্যাপক ড° ভুবন মোহন সেনৰ অনুৰোধ মৰ্মে উদাত্ত কণ্ঠেৰে ৰাৱণৰ শিৱস্তোত্ৰ সংস্কৃতত আবৃত্তি কৰি শুনাইছিল। আমাৰ সময়ত এজন খাছী ছাত্ৰ বেষ্টৰেলে ইংৰাজী ষ্টাইলত বেহেলা বজাই কৃতিত্বৰ পৰিচয় দি সকলোকে মুগ্ধ কৰিছিল। ধ্ৰুৱ বৰুৱাও ভাল বেহেলা বাদক আছিল। সেই সময়ত প্ৰতি বছৰে কটন কলেজ আৰু মুৰাৰীচান্দ কলেজৰ মাজত ইণ্টাৰভেলী প্ৰতিযোগিতা পাতিছিল। এখন প্ৰতিযোগিতাত নিউ হোষ্টেলত জন্মাষ্টমীৰ সময়ত প্ৰায়ে থিয়েটাৰ হৈছিল আৰু হোষ্টেল কেতবোৰত সৰস্বতী পূজা পাতিছিল। সাংস্কৃতিক অনুষ্ঠানত মোৱাজ্জিন আলি আৰু গিৰিশ চৌধুৰীয়ে ধেমেলীয়া Skit কৰিছিল। চিলেটৰ এজন ছাত্ৰই প্ৰথম স্থান আৰু শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্যই দ্বিতীয় স্থান লাভ কৰিছিল। মই কলিকতাত এবছৰ এম. এ. ক্লাচত পঢ়াৰ পাছত বহুদিন ব্ৰঙ্কাইটিছ ৰোগত ভুগিবলগীয়া হোৱাত ড° ভুবনেশ্বৰ বৰুৱাৰ পৰামৰ্শমতে গুৱাহাটীলৈ আহিব লগা হ'ল আৰু আৰ্ল ল কলেজত নাম লগালো। আৰ্ল ল কলেজত থকাতো আমি থিয়েটাৰ কৰি গোটোৱা ৫৮ টকাৰে এটা কাপ কিনি তৰ্ক প্ৰতিযোগিতা পাতিছিলো। এনে প্ৰতিযোগিতাত মই সদায় প্ৰথম স্থান অধিকাৰ কৰিছিলো। সেই সময়তে ১৯৪১ চনত সন্ধিয়া সম্মিলনীয়ে মোৰে এখন একাংকিকা নাট 'কল্পনাৰ মৃত্যু'ৰ সহ অভিনয় পাতিছিল। গুৱাহাটীত ৰাজহুৱাভাৱে সহ অভিনয় এয়ে প্ৰথম। সেই সময়ত কটন কলেজত এগৰাকী সুগায়িকা আছিল মিনতি বৰুৱা (ৰাজখোৱা)। তেওঁ সন্ধিয়া সম্মিলনীয়ে সদৌ অসম ভিত্তিত পতা সংগীত প্ৰতিযোগিতাত

প্ৰথম স্থান লাভ কৰিছিল। শ্ৰীভূপেন হাজৰিকাৰ সুমধুৰ গীত, প্ৰয়াত চাৰু বৰদলৈৰ নৃত্য আৰু দৈত্যেন বৰুৱাৰ ঘৰুৱা অৰ্কেষ্ট্ৰা বিশেষ আকৰ্ষণ আছিল। কটনৰ অধ্যাপকসকলৰ ভিতৰত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়ৰ সংস্কৃত বিষয়ৰ ক্লাচটো বৰ আকৰ্ষণীয় আছিল। বিশেষকৈ তেখেতৰ শকুন্তলা সম্পৰ্কীয় বক্তৃতা শুনিবলৈ আমিবোৰ প্ৰায়ে তেওঁৰ শ্ৰেণীত উপস্থিত আছিলো। আমাৰ সময়ত অধ্যাপক আশুতোষ চট্টোপাধ্যায়ে প্ৰতি দেওবাৰে ধৰ্ম সম্পৰ্কীয় বক্তৃতা দিছিল। তেখেতৰ পৰাই গায়ত্ৰী মন্ত্ৰৰ প্ৰকৃত তাৎপৰ্য মই শিকিছিলোঁ। কটন কলেজত আমাৰ আগতো আৰু সমসাময়িক কালতো কেইজন মাত্ৰ বিশিষ্ট আৰু গুণী ছাত্ৰ পাইছিলোঁ। এইসকলৰ ভিতৰত মনত থকা কেইজন হ'ল শ্ৰীসুৰেশ ৰাজখোৱা আৰু শ্ৰীকৰুণা দত্ত দুয়োজন বুৰঞ্জীৰ ছাত্ৰ আছিল। ইংৰাজীত বিশেষ সুনাম অৰ্জন কৰিছিল প্ৰয়াত নলিনীকান্ত বৰুৱাই। সেইদৰে দৰ্শনত সুনাম আৰ্জিছিল প্ৰয়াত চৈয়দ মকিবুৰ ৰহমানে। অৰ্থনীতিত প্ৰয়াত ধৰ্মানন্দ দাস, পদাৰ্থ বিজ্ঞানত প্ৰযাত সাৰদাকান্ত শৰ্মা আৰু অংক বিষয়ত বিশেষ সুখ্যাতি অৰ্জন কৰিছিল হলিৰাম দত্তই। তেখেতে কলিকতা বিশ্ববিদ্যালয়ত শ্ৰেষ্ঠ নম্বৰ পাই ঈশান স্কলাৰ বুলি ঘোষিত হৈছিল।

মোৰ কথা ইমানেই। বয়সৰ হেঁচাত মগজুৱে বহুতো কথা পাহৰা হ'ল। সেয়ে লিখাটোত কাৰোবাৰ নাম হয়তো বাদ পৰি যাব পাৰে, অন্যান্য হীন-ডেটিও হ'ব পাৰে। পঢ়ুৱৈসকলে নিজ গুণে দায় দোষ মৰিষণ কৰে যেন।



শৰৎ চন্দ্ৰ সিংহ

কটন হোষ্টেলৰ পাৰ্শ্বপট

বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ কথা। গুৱাহাটী নগৰখন তেতিয়া ইমান ডাঙৰ নাছিল। উজান বজাৰত এটি ছাত্ৰাবাসত থাকি আমি কটন কলেজত পঢ়িছিলো। ছাত্ৰাবাস বুলিলে যি বুজায়, ই কিন্তু তেনে ছাত্ৰাবাস নাছিল। আৰ্থিক অনাটন হেতু যিসকল ছাত্ৰৰ কটন কলেজ হোষ্টেলত থকাৰ সামৰ্থ্য নাছিল, সেইসকলৰ ভিতৰত কেইজনমান লগ লাগি নিজাববীয়াকৈ বন্দোবস্ত কৰি একেলগে য'ত আছিল তাকেই আমি 'মেছ' বুলিছিলো। বেচৰকাৰী ছাত্ৰাবাস বুলিব পাৰি। আমি থকা মেছটোৰ নাম আছিল 'গোৱালপাৰা মেছ'। গোৱালপাৰাৰ পৰা অহা ছাত্ৰই আগভাগ লৈ মেছ পাতিছিল কাৰণে তাৰ নামকৰণ হৈছিল গোৱালপাৰা মেছ। কিন্তু অইন জিলাৰ পৰা অহা ছাত্ৰও তাত আছিল।

উজনি অসমৰ পৰা অহা ছাত্ৰসকল অধিকাংশই অভিজাত পৰিয়ালৰ ল'ৰা-ছোৱালী। তেওঁলোক কটন কলেজ হোষ্টেলত আছিল। নামনি অসমৰ পৰা অহা ছাত্ৰসকল অধিকাংশই দুখীয়া, খেতিয়ক পৰিয়ালৰ। তেওঁলোকে সাধাৰণতে 'মেছ' পাতি কটন কলেজত পঢ়িছিল। উজনি অসমৰ অৰ্থনীতিৰ গুৰিত আছিল চাহখেতি। নামনি অসমত ধান খেতি আৰু মৰাপাট। অসমত তেতিয়া কলেজ বুলিবলৈ দুখন। এখন অসম

উপত্যকাত গুৱাহাটীত কটন কলেজ আৰু আনখন সুৰমা উপত্যকাত ছিলেটত মুৰাৰীচাঁদ কলেজ।

অতীত স্মৃতি ৰোমন্থন কৰিলে আমাৰ মন উৰি যেন কোনোবা কল্পলোকলৈ গুচি যায়গৈ। তেতিয়া কলেজত পঢ়োতে মাহত আমাক যিমান টকা লাগিছিল, আজিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে সেয়া হাঁহি উঠা কথা। নিবন্ধ লিখকে মাহিলী দহ টকাৰ বৃত্তি এটা পাইছিল। এটকা ঘৰৰ পৰা মানি অৰ্ডাৰ যোগে আহিছিল। আজিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটকাৰ মানি অৰ্ডাৰৰ কথা বিশ্বাস কৰা টান। মুঠ এঘাৰ টকাৰে এজন ছাত্ৰই এমাহ চলিব লাগিছিল। দুবেলা দুসাজ, পুৱা আৰু আবেলি লঘু আহাৰ, ঘৰৰ ভাৰা, ৰান্ধনী ল'ৰাটোৰ বেতন আৰু জামাদাৰণী বাইদেউৰ দৰমহা আদি বাবদ মেছত দিব লাগিছিল সাধাৰণতঃ ন টকা। অৱশিষ্ট দুটা টকাৰে নিবন্ধ লিখকে অনায়াসে সুদীৰ্ঘ এটা মাহৰ খৰচৰ মোকাবিলা কৰিছিল।

মেছত নিবাসীৰ সংখ্যা সাধাৰণতঃ চাৰি পাঁচজন থাকে। গোবালপাৰা মেছটো অলপ ডাঙৰ। তাৰ নিবাসীৰ সংখ্যা সাধাৰণতঃ এঘাৰ। কেতিযাবা দহ, কশ্চিৎ বাঢ়ি বাৰ হয়গৈ। শিক্ষা বছৰ আৰম্ভ হোৱাৰ আগে আগে নিবাসীসকলৰ জ্যেষ্ঠ এজনে আহি মেছ পতাৰ বন্দোবস্ত কৰে। আমি পিচত আহি তাত থাকিবলৈ লওঁ।

মেছৰ এখন সংবিধান আছিল। ৱেষ্ট মিনষ্টাৰৰ লেখীয়া এখন অলিখিত সংবিধান। মেছৰ সকলো নিবাসীক এখন পৰিষদৰ সদস্য বুলি গণ্য কৰা হৈছিল। অসম বিধান সভাৰ দৰে ইয়ো মেছৰ এখন বিধান সভা। প্ৰতি মাহত মেছটোৰ বাবে বজাৰ-সমাৰ, ৰন্ধা-বঢ়া, আদি যাৱতীয় ব্যৱস্থা কৰিবলৈ নিবাসীসকলৰ এজনক মেনেজাৰ পতা হয়। তেওঁৰ স্থিতি গৱৰ্ণমেণ্টৰ দৰে। তেওঁক এককভাৱে গৱৰ্ণমেণ্ট বুলি গণ্য কৰা হয়। অৱশিষ্ট দহজন বিৰোধী। গবৰ্ণমেণ্টৰ দলত এজন, বিৰোধী পক্ষত দহজন। যেনেকৈ মন যায় তেনেকৈ গবৰ্ণমেণ্টক সমালোচনাৰে থকা-সৰকা কৰিব পাৰি, কিন্তু বিৰোধী পক্ষ সংখ্যাধিক্য হলেও কাৰ্যকাল পূৰ্ণ নোহোৱালৈকে চৰকাৰক ভাঙিব নোৱাৰি। এয়া অলিখিত সংবিধানৰ বিধান।

মেছৰ এখন মুখপত্ৰ আছিল। তাৰ নাম আছিল 'ধূমকেতু'। প্ৰতি সোমবাৰে ধূমকেতু প্ৰকাশ হৈছিল। বাতৰি কাকত, আলোচনী যেনেকৈ প্ৰকাশ হয় তেনেকৈ নহয়। এক অভিনৱ, নোহোৱা নোপজা পদ্ধতিৰে ইয়াক প্ৰকাশ কৰা হৈছিল। মুখপত্ৰৰ নাম, সংখ্যা আৰু তাৰিখ লিখা কেইখিলামান বগা উকা কাকত বান্ধি সাদিনীয়া বাতৰি কাকত 'ধূমকেতু' প্ৰকাশ কৰা হৈছিল। প্ৰকাশিত সংখ্যাটোত একো লিখা নাথাকে, উকা পাত কেইখিলামানেৰে আলোচনীখন প্ৰকাশ কৰা হৈছিল। পাঠকসকলে সেই উকা পাতত মেছ পৰিচালনাত ত্ৰুটি, নানা অভাৱ-অভিযোগ, যেনে— মেছত মহৰ উৎপাত, আঞ্জাত লোণ বেছি হোৱা আদি সমস্যা, যিকোনো বিতৰ্ক, যি কোনো বিষয় সম্পৰ্কে যাৰ যি মন যায় লিখিব পাৰে, উত্তৰ দিব পাৰে। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক কোনো বিষয় বাদ নাই। প্ৰেছ নিয়ন্ত্ৰণ আইন তাত বলবৎ কৰিব নোৱাৰি। লিখাৰ পিছত শনিবাৰৰ দিনা ধূমকেতু পূৰ্ণাঙ্গ হয়। দেওবাৰে পৰিষদৰ সভা বহে। তাত ধূমকেতুত এইদৰে লিখা কথাবোৰ আলোচনা কৰা হয়।

আলোচনাৰ বাবে যি সভা বহে, তাৰ নিৰ্দ্দিষ্ট সভাপতি নাই। কাকো প্ৰস্তাৱ কৰি সভাপতি পতাও নহয়। এজনে 'মই আজি সভাপতি হ'লো' বুলি সভাপতিৰ আসন গ্ৰহণ কৰে। এয়ে সংবিধানৰ নিয়ম। যিহেতু তেওঁ নিজে সভাপতিৰ আসন গ্ৰহণ কৰে, সভাত

তেওঁৰ কথাই ৰজে। আন কাৰো কথা নৰজে। সভাপতিয়ে কাৰো কথা নুশুনে। তেওঁৰ কথা শুনিব লাগে। এয়ে আমাৰ পৰম্পৰা। মেছ পৰিচালনাৰ ত্ৰুটি, ৰন্ধাবঢ়া ঠিক নোহোৱা আদি সমালোচনা কালত মেছৰ মেনেজাৰ ৰূপে যাক গৱৰ্ণমেণ্ট বুলি গণ্য কৰা হয় তেওঁক উত্তৰ দিব নালাগে, কিন্তু শুনিব লাগে। তেওঁক তীব্ৰ সমালোচনা কৰিলেও তেওঁ উত্তৰ নিদিয়ে। তেওঁ সকলো বিতৰ্কৰ ঊৰ্দ্ধত।

মেছত এডৰা কচুৰনি আছিল। সেয়া মেছৰ ফৰেষ্ট, সংৰক্ষিত বনাঞ্চল। মেছৰ প্ৰাঙ্গণ চাফ-চিকুণ কৰোতে কচুৰনিৰ কচু কটা গ'লে, ধূমকেতুত বনাঞ্চল ধ্বংস কৰা বুলি তাৰ তীব্ৰ সমালোচনা কৰা হয। পানী যোৱা সৰু নলা এটা পাৰ হৈ শৌচাগাৰলৈ যাব লাগে। নলাটো আমি দেও দি পাৰ হওঁ। কিন্তু তাত এখন পুতলা দলং আছে। সেই দলং নিৰ্ম্মাণ, মেৰামতি, নিবিদা আহ্বান কল্পনা কৰি নানান বিসঙ্গতি সম্পৰ্কে ধূমকেতুত তাৰ বিতৰ্ক অৱতাৰণা কৰা হয়। কোনোবাই নিজে নিজে ইঞ্জিনিয়াৰ হৈ উত্তৰ দিয়ে, কোনোবাই ৰাইজৰ হৈ অভিযোগ কৰে। কি যে আছিল সেই বিতৰ্ক। এখন ব্যঙ্গ বিধান সভাত সজীৱ সৰস বিতৰ্ক।

দেওবাৰে বহা পৰিষদৰ সভাত আলোচনাৰ পিচত ধূমকেতুৰ সেই সংখ্যাৰ আধ্যা পৰে। সোমবাৰৰ পৰা নতুন সংখ্যা আৰম্ভ হয়। ধূমকেতু এক মাথোঁ হাতে লিখা আলোচনী। বহুল প্ৰচাৰিত আলোচনী বুলি আমি গণ্য কৰিছিলো। আন আন মেছত এনেকি কলেজ হোষ্টেলতো তাৰ পাঠক আছিল।

একো নেজানি, নেভাবি, চিন্তা নকৰি ছাত্ৰৰ মানসিকতাৰে আৰু ব্যঙ্গ চিন্তাৰে আমি বিধান সভা আৰু চৰকাৰৰ ৰেহ-ৰূপ যিদৰে কল্পনা কৰিছিলো, আজি বাস্তৱ এখন বিধান সভাত জীৱন্ত এখন চৰকাৰত তাৰ অবিকল প্ৰতিফলন দেখি অতীতৰ স্মৃতি বিজড়িত সেইবোৰ দিনলৈ বৰকৈ মনত পৰে।

ব্যঙ্গ ৰাজনীতি আছিল আমাৰ অৱসৰ বিনোদন। তেনে অৱসৰ বিনোদনৰ মাজত আমি বাতৰি লিখিবলৈ, সমালোচনা কৰিবলৈ, বিতৰ্কত যোগদান কৰিবলৈ শিকিছিলো। যি যিমান ব্যঙ্গ কৰিব পাৰে, সিয়েই আমাৰ কাৰণে সিমান সৃষ্টি কৰে, সিয়েই আমাক সিমান আনন্দ দিয়ে। কিন্তু বাস্তৱ ৰাজনীতিতো মেছৰ নিবাসীসকল সক্ৰিয় আছিল। বিধান সভাৰ কংগ্ৰেছ বেলিৰাম দাস আছিল আমাৰ স্থানীয় অভিভাৱক। ডাঃ ঘনশ্যাম দাস, চিকিৎসক তত্ত্বাৱধায়ক আৰু ডাঃ ভূৱনেশ্বৰ বৰুৱা আছিল আমাৰ কাৰণে এগৰাকী কিংবদন্তী ডাক্তৰ। ৰোগীৰ প্ৰতি দৃষ্টিপাত কৰাৰ লগে লগে ৰোগৰ উপশম ঘটিছিল। বিপ্লৱী কবি জাগ্ৰত অসম আত্মা অম্বিকাগিৰি ৰায়চৌধুৰী হাতত টাঙোন এডাল লৈ আমাৰ মেছলৈ আহিছিল। আমাক দেশপ্ৰেমত উদ্বুদ্ধ কৰিছিল। আমি কেতিয়াবা তেওঁৰ ক্ষোভৰ কাৰণো হৈছিলোঁ। আমাক লৈয়ে কেতিয়াবা চৰকাৰৰ বিৰুদ্ধে তেওঁ বিক্ষোভ প্ৰদৰ্শনো কৰিছিল। এদিন তেওঁ টাঙোন এডাল জোকাৰি জোকাৰি গোৱালপাৰা মেছত উপস্থিত। ডাবি দি আমাক ক'বলৈ ধৰিলে, "তোমালোকে পইচা লোৱা, কেইটামান কলহ আৰু ৰছী কিনি আনা আৰু প্ৰত্যেকে গলত বান্ধি ব্ৰহ্মপুত্ৰত ডুবি মৰাগৈ" আমি মৰিব লগা হোৱাৰ কাৰণে বিচাৰিব নৌপাওঁতেই তেওঁৰ ডাবি আৰু চৰিল, "দেখা নাই, চৰকাৰে কি কৰিছে? তোমালোকে তাৰ প্ৰতিকাৰ একো নকৰা যদি তোমালোক মৰাই ভাল।" তেওঁৰ ক্ষোভ অলপ প্ৰশমিত হোৱাত আমি বুজিলো যে ৰাজহ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰী গুৱাহাটীলৈ আহি আছে। চৰকাৰৰ ৰাজহ নীতিৰ বিৰুদ্ধে আমি তীব্ৰ বিক্ষোভ কৰিব লাগে। পিছদিনা বিৰাট সমদল

উলিয়াই গুৱাহাটীত থকা ৰাজহ মন্ত্ৰীৰ ঘৰৰ সন্মুখত চৰকাৰৰ ৰাজহ নীতিৰ বিৰুদ্ধে সফল বিক্ষোভ প্ৰদৰ্শন কৰিলো। ৰায়চৌধুৰী ডাঙৰীয়াই আমাক ভূয়সী প্ৰশংসা কৰিলে। আমিও আবেগ বিহ্বল হৈ ক'লোঁ, "ছাৰ, আমি কলহ বান্ধি ব্ৰহ্মপুত্ৰত ডুবি মৰিলে আপোনাৰ কিমান ক্ষতি হ'লহেঁতেন?" আমি আছিলো অম্বিকাগিৰি ৰায়চৌধুৰীৰ অতি বিশ্বস্ত যুৱ-ছাত্ৰ কৰ্মী। কটন কলেজ আৰু গোৱালপাৰা মেছৰ অতীত স্মৃতিয়ে আজিও আমাৰ মনত অপূৰ্ব শিহৰণ সৃষ্টি কৰে। ❑

আব্দুল জেলিল

মইও কটনিয়ান আছিলোঁ

সৰুৰে পৰাই এটা ডাঙৰ আশা মনত পুহি ৰাখিছিলো যে, মেট্ৰিক পৰীক্ষাত যদি ভালদৰে উত্তীৰ্ণ হ'ব পাৰো তেন্তে নিশ্চয় অসমৰ সৰ্ব্ববৃহৎ আৰু নামজয়ী কলেজ কটনত নাম ভৰ্ত্তি কৰিম। ১৯৩৬ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাৰ খবৰ ওলোৱাৰ লগে লগে সেয়েহে বৰ উত্ৰাৱল হৈছিলো যে মনৰ আশা বোধকৰো প্ৰভুৱে পূৰ্ণ কৰিবলৈ লৈছে। অতি আনন্দতে অথচ মনত এটা সঙ্কোচ ভাব লৈ কটন মুছলিম ছাত্ৰাবাসত নামি পৰোহি আৰু পিচদিনা কলা বিভাগৰ আই. এ. শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰো। নাম ভৰ্ত্তি কৰিবলৈ অহা প্ৰত্যেকজন ছাত্ৰই এজন এজনকৈ অধ্যক্ষৰ কাষলৈ যাবলগীয়া হৈছিল হাতত দৰখাস্তখন লৈ তেখেতৰ চহীৰ কাৰণে। বৰ্ত্তমানৰ প্ৰশাসন কাৰ্য্যালয় ভবনৰ যিটো কোঠাত অধ্যক্ষ বহে তেতিয়াও অধ্যক্ষ তাতেই বহিছিল। দুৱাৰমেলি জহৰমল চাপ্ৰাচিয়ে আমাক এজন এজনকৈ ভিতৰলৈ সোমাবলৈ দিলে। সৌম্য আৰু গম্ভীৰ মূৰ্ত্তিৰে বহি চাহাব অধ্যক্ষজনক দেখি বুকু ঢপঢপাবলৈ ধৰে। ইংৰাজীৰে তেখেতে মোৰ নাম আৰু সবিশেষ সোধে আৰু পৰীক্ষাত 'ষ্টাৰ' আৰু চাৰিটা লেটাৰ পাই অহাৰ কাৰণে হাতখন জোকাৰি অভিবাদন জনায়। প্ৰথম দিনাই তেখেতৰ

পৰা পোৱা এই উদ্গনিয়েই চাৰিবছৰীয়া কলেজীয়া জীৱনত বহুখিনি অনুপ্ৰেৰণা যোগায়। এই ৰবাৰ্ট চাহাবেই কটন কলেজৰ শেষ ইংৰাজ অধ্যক্ষ। তেতিয়াৰ অধ্যক্ষৰ বাসভবনৰ চৌহদ আৰু ডাঙৰ আছিল আৰু আগৰ পিনৰ বাগানখনত চাৰিজন মালিয়ে কাম কৰি ফুলনিখন জাকত-জিলিকা কৰি ৰাখিছিল। গধূলি হলেই ৰবাৰ্ট চাহাবে ব্ৰহ্মপুত্ৰৰ ফালে ফুৰিবলৈ ওলাই যায় আৰু সন্ধিয়া ছাত্ৰাবাসৰ ঘণ্টা পৰাৰ লগে লগে এখন এখনকৈ ছাত্ৰাবাসবিলাক পৰিদৰ্শন কৰে। কেতিয়াবা আকৌ নিউ ফিল্ডলৈ গৈও আমি ফুটবল খেলি থকা চায়গৈ। কোনো ছাত্ৰাবাসৰ চৌহদ বা ছাত্ৰাবাস লেতেৰা হৈ থাকিলে অধীক্ষক আৰু আবাসী-সকলৰ ৰক্ষা নাছিল। এইজনা অধ্যক্ষক আমি বেছিদিনৰ কাৰণে নাপালো। স্বাস্থ্যজনিত কাৰণত তেখেতে অবসৰ লৈ নিজ দেশলৈ যায়গৈ। তেখেতৰ পিছত যিজন অধ্যক্ষ আহিছিল তেখেতৰ ঘৰ চিলেটত। তেখেতৰ নাম এচ. চি. ৰয়। তেখেতেই কটন কলেজৰ প্ৰথম ভাৰতীয় অধ্যক্ষ।

সেই সময়ত কটন কলেজৰ নিজা কোনো ছাত্ৰীবাস নাছিল। কোনো ছাত্ৰী ছাত্ৰীবাসত থাকিবলৈ হলে ছাত্ৰীবাৰীৰ খৃষ্টান মিছনৰ দ্বাৰা পৰিচালিত ছাত্ৰীনিবাসত থাকিব লগীয়া হৈছিল। দুমহলীয়া ছাত্ৰাবাসৰ বাহিৰে বাকী আটাইকেইটা ছাত্ৰাবাস তেতিয়া আছিল। কিন্তু ছাত্ৰাবাসবিলাকত আজিৰ নিচিনা ভিৰ নাছিল। এজন ছাত্ৰৰ সেই সময়ত ছাত্ৰাবাসত থকা আৰু খোৱাৰ বাবদ প্ৰায় দহ বাৰ টকা দিলেই যথেষ্ট হৈছিল। কোনো কোনো সময়ত এনেও হৈছিল যে আমিষ আহাৰ খাই আমনি লাগি কোনো কোনো ছাত্ৰই ছাত্ৰাবাসত কিছুদিনৰ কাৰণে নিৰামিষ আহাৰ খাবলগীয়া হৈছিল। ছাত্ৰাবাসবিলাকৰ নিয়ম-কানুন বৰ কটকটীয়া আছিল। গধূলিৰ ঘণ্টা বজাৰ লগে লগে লোহাৰ গেটবোৰত তলা লগাই দিয়া হৈছিল আৰু অধীক্ষক আহি ছাত্ৰাবাসৰ প্ৰত্যেকটো কোঠা চাই গৈছিল। সেই সময়ত চাৰিওপিনে লোহাৰ বেৰবোৰৰ অৱস্থা বৰ মজবুত আছিল। অৱশ্যে দ্বিতীয় মহাযুদ্ধৰ সময়ত যেতিয়া কটন কলেজ আৰু ইয়াৰ ছাত্ৰাবাসবিলাকত মিলিটাৰী থাকিবলৈ ললে তেতিয়া চৌহদৰ বেৰবোৰৰ বহুত ক্ষয়ক্ষতি হয়। গতিকে গেট বন্ধ কৰি দিয়াৰ লগে লগে কোনেও বাহিৰ-ভিতৰ কৰিব নোৱাৰা হয়। তথাপি দুই এজন পালোৱান ধৰণৰ ল'ৰাই নিজৰ আৰু আনৰ সুবিধাৰ্থে বেৰৰ দুই এডাল লোহাৰ ৰেলিং ভাঙি বা বেঁকা কৰি থৈ আনৰ অলক্ষিতে আৰু সেইপিনেৰে ৰাতি ভাত খাই উঠি খেজুৰ বাৰীত তহল দিয়া ছাত্ৰসকল ওলাই যায়। ষ্টেচনৰ কাষৰ পৰা আজিৰ পৰ্য্যটক নিবাসকে আগুৰি এই গোটেইখনেই সেই সময়ত খেজুৰ গছেৰে ভৰা আছিল। তদুপৰি দুই-চাৰিজনে ৰাতিৰ দ্বিতীয় শ্ব' চিনেমা চাবলৈ যায়। অৱশ্যে এই সকলোবোৰ অধীক্ষকসকলৰ অজ্ঞাতে কৰা হয়।

ছাত্ৰাবাস-বিলাকৰ ভিতৰত সম্বন্ধ অতি মধুৰ আছিল। মাহেকীয়া ভোজমেলত ইটো ছাত্ৰাবাসৰ আবাসীসকলক সিটোলৈ নিমন্ত্ৰণ কৰা হৈছিল। আন্তঃছাত্ৰাবাস খেলা-ধূলা গান-বাজনা, তৰ্ক, আকস্মিক বক্তৃতা, নাট প্ৰতিযোগিতা আদি প্ৰায়ে হৈ থাকে আৰু এইবিলাকত নিজৰ দক্ষতা দেখুৱাবলৈ সকলোৱেই চেষ্টা কৰে। ছাত্ৰাবাসৰ আবাসী ছাত্ৰসকলে ছাত্ৰ সম্থাক বাধ্য কৰোৱাৰ কাৰণেই অধ্যক্ষ এচ. চি. ৰায়ে বাধ্য হৈ পণ্ডিত জৱাহৰলাল নেহৰুক সম্বৰ্দ্ধনা জনাবলৈ কটন কলেজলৈ নিমন্ত্ৰণ কৰি আনে। মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনৰ কাৰ্য্য-সূচীৰ কথাতে কেতিয়াবা মতভেদ হ'লেও আটাইকেইটা ছাত্ৰাবাসে স্বাধীনতাৰ মৌলিক ভিত্তিক পূৰ্ণ সমৰ্থন দিছিল আৰু চৰকাৰৰ যুদ্ধ প্ৰচেষ্টাৰ

লগত কোনেও সহযোগ কৰা নাছিল। দৰাচলতে কবলৈ গ'লে কটনৰ ছাত্ৰাবাসৰ জীৱনটোৰ এটা বেলেগ মাধুৰ্য্য আছে আৰু ছাত্ৰাবাসত নেথাকিলে ইয়াৰ সোৱাদ বুজা টান।

সেই সময়ত কটনিয়ান শব্দটোৰ এটা বৈশিষ্ট্য আছিল। কটনিয়ান বুলিলে মানুহে বুজিছিল নম্রতা, ভদ্রতা আৰু সকলো কামতে আগৰণুৱা এচাম শৃঙ্খলাৱদ্ধ সমাজৰ আগশাৰীৰ উঠি অহা যুৱকৰ দল। কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰত্যেকটো পৰীক্ষাতে যে দক্ষতা দেখুৱাইছিল এইচাম কটনিয়ানে সেইটোৱেই কেৱল নহয়। গুৱাহাটীৰ খেলপথাৰত, নাটঘৰত, ৰঙ্গমঞ্চত, সাংস্কৃতিক অনুষ্ঠানত, সমাজসেৱাৰ সকলোবোৰ স্তৰতে এওঁলোক জাকতজিলিকা হৈ উঠিছিল। কটন কলেজৰ ফুটবল টিম, ক্রিকেট টিম, আৰু ভলীবল টিম সেই সময়ত গুৱাহাটীৰ নামজ্বলা টিম আছিল। টেনিচ আৰু বেডমিণ্টনতো কটন কলেজ আগশাৰীত আছিল। বছৰেকীয়া ক্রীড়া উৎসৱত ওখ জাঁপ আৰু এশ গজ দৌৰত ভাৰতৰ ভিতৰত কটন কলেজে ৰেকৰ্ড স্থাপন কৰিছিল। পলভল্টত দামোদৰ মহন্তই এঘাৰ ফুট পৰ্য্যন্ত হেলাৰঙে পাৰহৈ গোটেই ভাৰততে সেই সময়ত এটা আলোড়ন তুলিছিল। শৰীৰ গঠনটো কেইবাজনো কটনিয়ানে "মিষ্টাৰ আসাম" উপাধি পাবলৈ সক্ষম হৈছিল। কোনো মানুহৰ ঘৰত টান নৰীয়া হলে নিশা পৰ দিবলৈ কটনিয়ান সদায় সাজু আছিল। কোনোবা ঠাইত সংক্রামক বেমাৰ হলে বা বানপানী হলে দলে দলে গৈ কটনিয়ানে দুৰ্গত লোকক সাহায্য আগবঢ়াইছিল। বাটত পৰি থকা ওৱাৰিচ নোহোৱা মৰাশ নি দাহ কৰিছিল। এনেধৰণৰ পুৰুষসুলভ কামত কটনিয়ানসকল সদায় আগৰণুৱা আছিল। অবাবত সময় কটাবলৈ তেওঁলোকৰ সময় নাছিল। দুটা "পিৰিয়দ"ৰ মাজত যদি কিবা সময় পায় তেতিয়া হলে সেই সময়কণ তেওঁলোকে পুথিভঁড়ালৰ পঢ়া কোঠাত গৈ কিবা কিতাপ বা আলোচনীৰ পাত লুটিওৱাত খৰচ কৰিছিল নতুবা চুদমাৰচন হলত কেৰমবৰ্ড বা দবাখেলত নিয়োজিত কৰিছিল। টেবুল টেনিচৰ প্ৰচলন সেই সময়ত নাছিল। আজিৰ কটনিয়ানৰ দৰে পাণ-দোকানৰ সম্মুখত থিয়হৈ বা ইউনয়ন হলৰ চিৰিত বহি বা নবীন বৰদলৈ হলৰ চৌহদৰ লোহাৰ ৰেলিঙত বহি কোনোবাফালে চাই সময় অতিবাহিত নকৰিছিল। অৱশ্যে দুই এটা অপ্ৰীতিকৰ ঘটনা তেতিয়াও ঘটিছিল, কিন্তু সি কাচিৎহে। তেতিয়াৰ কটনিয়ানে খোৱা-পিন্ধা সকলোতে পুৰুষসুলভ ব্যক্তিত্ব প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। আৰু পুৰুষসুলভ মনোভাৱ গঢ়ি তুলিবলৈ যত্ন কৰিছিল। সেয়েহে স্বাধীনতা আন্দোলনে যেতিয়া মূৰ দাঙি উঠে তেতিয়াৰ কটনিয়ানসকলেও নিজৰ দেশমাতৃক বিদেশী বচনৰ পৰা মুক্ত কৰিবৰ কাৰণে মহাত্মা গান্ধীৰ আদৰ্শত আপ্লুত হৈ দলে দলে আগবাঢ়ি গৈছিল। বিদেশী শাসকৰ নানা প্ৰলোভনেও এইচাম কটনিয়ানক যুদ্ধ প্ৰচেষ্টাত সহযোগ কৰিবলৈ বাধ্য কৰাব নোৱাৰিছিল।

আজিৰ দিনত কটনিয়ানসকলে যিমানখিনি সা-সুবিধা পাইছে আমাৰ দিনত আমি সেইখিনি পোৱা নাছিলো। তেতিয়া কলেজৰ ঘৰ-দুৱাৰো কম আছিল আৰু আজিৰ দৰে নানা বিষয়ও নাছিল। বিজ্ঞান শাখাত কেইটামান নিৰ্দ্দিষ্ট বিষয় আছিল আৰু সেইদৰে কলা শাখাতো বিষয়ৰ সংখ্যা সীমিত আছিল। ছাত্র-ছাত্রীও আছিল তুলনাত বহুত কম আৰু অধ্যাপকৰ সংখ্যাও তাকৰ আছিল। কিন্তু যিকেইজন আছিল তেখেতসকল বিদগ্ধ পণ্ডিত আছিল। তেখেতসকলৰ পাণ্ডিত্য, তেখেতসকলৰ ব্যৱহাৰ আৰু ছাত্ৰৰ প্ৰতি লোৱা তেখেতসকলৰ যত্ন সেই সময়ৰ কটন কলেজৰ গৌৰৱৰ বিষয় আছিল। শিক্ষকসকলে

ছাত্ৰক যিদৰে মৰম কৰিছিল ছাত্ৰসকলেও তেখেতসকলক সেই অনুপাতে অগাধ ভক্তি আৰু ভয় কৰিছিল। এই সম্পৰ্কে দুটামান ব্যক্তিগত কথা উল্লেখ কৰিব খুজিছোঁ। আমাৰ ছাত্ৰাবাসৰ অধীক্ষক অধ্যাপক আব্দুল হাই দৰ্শনৰ অধ্যাপক আছিল। তৰ্কশাস্ত্ৰৰ কিবা জটিল কথা বুজিব নোৱাৰিলে তেখেতৰ কাষ চাপিছিলো আৰু অতি নিষ্ঠাৰে তেখেতে সেই কথাটোৰ বুজনি দিছিল। ঠিক সেইদৰেই সেই সময়ত বুৰঞ্জী বিভাগত নতুনকৈ আহি সোমোৱা শ্ৰদ্ধেয় শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাদেৱে বুৰঞ্জীৰ যিকোনো প্ৰশ্নৰ কাৰণে তেখেতৰ পৰা পাব পৰা সকলোখিনি তথ্যপূৰ্ণ সংগ্ৰহ আমাক দিছিল। আই, এ, পৰীক্ষাত এই দুটা বিষয়ত লেটাৰ পোৱা কাৰণে এই দুগৰাকী পণ্ডিতৰ কাষত আমি ঋণী। তৰ্ক কেনেকৈ কৰিব লাগে এই বিষয়ে শিক্ষা দিছিল তেতিয়াৰ তৰ্ক শাখাৰ দায়িত্বত থকা অধ্যাপক শ্ৰদ্ধেয় শ্ৰীহৰেন্দ্ৰ কুমাৰ চৌধাৰীয়ে। সেই সময়ত শিক্ষাৰ মাধ্যম ইংৰাজী আছিল। গতিকে তৰ্কও ইংৰাজীতে কৰিবলগীয়া হৈছিল। আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাত প্ৰথম হোৱাত আৰু কলিকতাত সেই সময়ৰ কলিকতা আৰু পাটনা বিশ্ববিদ্যালয়ৰ তলত থকা কলেজবিলাকৰ মাজত যি তৰ্ক প্ৰতিযোগিতা হৈছিল তাতো প্ৰথম হ'বৰ অৰ্হতা অৰ্জন কৰিছিলো, বোধকৰো এই গৰাকী পণ্ডিতৰ ওচৰত প্ৰশিক্ষণ লোৱাৰ কাৰণেহে। সেইদৰে খেলা-ধূলাৰ ক্ষেত্ৰতো অধ্যাপক শ্ৰীৰাধাকান্ত দাস, অধ্যাপক পি, চি, ৰয় আদি খেল পথাৰত নিজে উপস্থিত থাকি খেলাত ভাগ লৈ ল'ৰাবিলাকক উৎসাহিত কৰিছিল। শ্ৰীনাথ চক্ৰৱৰ্ত্তী মহোদয়ে গান-বাজনাত ল'ৰাবিলাকক নিজে চুদমাৰচন হলত উপস্থিত থাকি অনুশীলন কৰাইছিল। সেইদৰে নাটক প্ৰবন্ধ সম্পাদনা কৰা কাৰ্য্যতো অধ্যাপক আৰু ছাত্ৰসকলৰ মাজত প্ৰচুৰ সহযোগ আছিল। কিন্তু সেই বুলি কোনো ক্ষেত্ৰতে ছাত্ৰসকলে অধ্যাপকসকলক অৱমাননা কৰা নাছিল। প্ৰত্যেক অধ্যাপকৰ শ্ৰেণীতে ল'ৰাৰ উপস্থিতি অতি উৎসাহজনক আছিল। কোনো অধ্যাপকে বিষয়বস্তু ভালকৈ বুজাব নোৱাৰিলেও যি বিৰূপ প্ৰতিক্ৰিয়া হৈছিল সিও সীমা চেৰাই নগৈছিল।

আমাৰ দিনত ড° বাণীকান্ত কাকতি আৰু ড° সূৰ্য্য কুমাৰ ভূঞাৰ মেধা শক্তিয়ে সকলোকে অনুপ্ৰাণিত কৰিছিল। এই দুয়োগৰাকী অধ্যাপকৰ শ্ৰেণীত ল'ৰা বহিবলৈ ঠাই নোহোৱাকৈ ঠাহ খাই পৰিছিল। অধ্যাপক পি, চি, ৰয়ৰ সুললিত ইংৰাজী আৰু খুহুতীয়া কথা শুনিবলৈকো তেখেতৰ শ্ৰেণীত ল'ৰা নধৰা হৈছিল। অধ্যাপক আৰ, আৰ, থমাচৰ দাৰ্শনিক তত্ত্ববোৰ বহুতেই বুজি নাপাইছিল আৰু সেয়েহে তেখেতৰ মুখৰ পিনে ভেবা লাগি চাই থাকিছিল। অধ্যাপক লক্ষ্মী চক্ৰৱৰ্ত্তীৰ সংস্কৃত বক্তৃতা শুনিবলৈ মুছলমান ল'ৰা আৰু অধ্যাপক মহিবুল্লা চাহাবৰ পাৰ্চীৰ শ্ৰেণীত হিন্দু ল'ৰাই পাৰ্ছী গল্প শুনিবলৈ ভিৰ কৰিছিল। অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ খুহুতীয়া অথচ গাত লাগি যোৱা একেষাৰ কথাই অসমীয়াৰ শ্ৰেণীতো গুলজাৰ কৰি ৰাখিছিল। সেইদৰে বিজ্ঞান শাখাতো পাণ্ডিত্যৰ উচ্চ শিখৰত থকা অধ্যাপকসকলৰ কৰ্ত্তব্যনিষ্ঠা আৰু চৰিত্ৰই ছাত্ৰসকলক অভিভূত কৰি ৰাখিছিল।

কটন কলেজত তেতিয়া যিকেইটা উৎসৱ উলহ-মালহেৰে পতা হৈছিল তাৰ ভিতৰত আছিল 'নৱাগত আদৰণি' সভা। আজি-কালিৰ নিচিনাকৈ প্ৰত্যেকটো ছাত্ৰাবাসত তেতিয়া ইমান ধুম-ধামকৈ এই উৎসৱ পতা হোৱা নাছিল। কলেজৰটোহে বৰ ডাঙৰকৈ পতা হৈছিল আৰু বিশিষ্ট অতিথি হিচাপে কেতিয়াবা বৰ নামজ্বলা মানুহক নিমন্ত্ৰণ কৰি অনা হৈছিল। বছৰেকীয়া খেলা-ধূলাৰ দিনটোও বৰ সমাৰোহেৰে পালন কৰা হৈছিল।

নিউফিল্ডত সমূহ কলেজৰ ছাত্ৰ-ছাত্ৰী ভৰি পৰিছিল আৰু খেলুৱৈসকলক উদগনি দিছিল। কিন্তু আজি-কালি দেখা গৈছে যে বছৰেকীয়া খেলা-ধূলাৰ দিনা ছাত্ৰ-ছাত্ৰীতকৈ অধ্যাপক-অধ্যাপিকাৰহে সংখ্যা কিছু লেখত ল'ব পাৰি। কলেজৰ নিৰ্ব্বাচনী দিনটোও বৰ লেখত লবলগীয়া দিন। নিৰ্ব্বাচনৰ কেইবাদিন আগৰেপৰাই কেনভাচিং আৰম্ভ হয় আৰু কলেজৰ চৌহদ পোষ্টাৰ, ফেষ্টুন আদিৰে ভৰি পৰে। তদুপৰি নিউ বিল্ডিঙৰ আগত চাহ মিঠাইৰ দোকান পৰ্য্যন্ত বহি যায়। সৰস্বতী পূজাও কলেজত সমূহীয়াভাৱেই পালন কৰিছিল। আজি-কালিৰ দৰে প্ৰতি ছাত্ৰাবাসত পালন কৰা নহৈছিল। মাজে মাজে কলেজলৈ বৈজ্ঞানিক, ৰাজনীতিবিদ, পণ্ডিত আদিক মাতি আনি আদৰণি জনোৱা হৈছিল। এই আদৰণি সভাবোৰত অসংখ্য ছাত্ৰ-ছাত্ৰী উপস্থিত হৈছিল। সংগীত সন্ধিয়াবোৰো বৰ উচ্চমানবিশিষ্ট আছিল আৰু দৰ্শকসকলৰ মাজত সম্পূৰ্ণ শৃংখলা পৰিলক্ষিত হৈছিল। কোনো মঞ্চ নথকা সত্ত্বেও চুদমাৰ্চন হলতেই যদিও এইবোৰ অনুষ্ঠিত হৈছিল তথাপি ক'তো বৈসাদৃশ্য বা বিশৃংখল নাছিল। কটন কলেজৰ পৰিসৰ এতিয়া বহুত বাঢ়িছে; নতুন নতুন ঘৰ, নতুন ছাত্ৰ আৰু ছাত্ৰীনিবাস হৈছে, নতুন বিষয় পাঠ্যক্ৰমত ভৰ্ত্তি কৰা হৈছে, ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ সংখ্যাও বহুত বাঢ়িছে। আটাইতকৈ লেখত লবলগীয়া কথা হৈছে যে কেইবাটাও বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলা হৈছে। ইতিমধ্যে পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ শেষান্ত পৰীক্ষাও এই কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। নিৰ্ম্মাণৰত প্ৰশাসনীয় ভৱনটো সম্পূৰ্ণ হলে কটন কলেজৰ আৰু বহুত অভাৱ পূৰ্ণ হ'ব। এই কলেজৰ উত্তৰোত্তৰ উন্নতি সদায়ে আমাৰ কাম্য। এইখন কলেজতে জীৱনৰ তেত্ৰিশটা বছৰ অতিবাহিত কৰিছো। চাৰিবছৰ ছাত্ৰ-হিচাপে কটায়ো পঁচিশ বছৰ অধ্যাপনা কৰিলো আৰু শেষত আঠেটা বছৰ অধ্যক্ষ হিচাপে কলেজখনৰ গুৰি ধৰিলো। পঁয়সত্তৰ বছৰত ভৰি দিয়া এই কলেজখনে ভৱিষ্যতে গুৱাহাটী মহানগৰীত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ পথপ্ৰদৰ্শক হৈ নতুন চাম কটনিয়ানক জ্ঞানৰ পোহৰ বিলাই আগুৱাই নিয়ক, এয়াই আমাৰ কামনা। ❑

দেবেশ্বৰী বৰুৱা

কটন কলেজলৈ মোৰ মনত পৰে

১৯৩৮-৩৯ চনত কটন কলেজত তৃতীয় বৰ্ষত নাম ভৰ্ত্তি কৰিছিলো। অৰ্থনীতি বিষয়ত অনাৰ্চ লৈ পঢ়িবলৈ যোৰহাটৰ পৰা আহিছিলো। ময়েই সেই বিষয়ত একমাত্ৰ ছাত্ৰী আছিলো। প্ৰয়াত ড° মথুৰা ভট্টাচাৰ্য্য আৰু মোৰ বিষয়সমূহ একে হোৱা হেতুকে আমাৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল। কটন কলেজত তেতিয়া কোনো ছাত্ৰী বাস নথকা হেতুকে আমি ছাত্ৰীবাৰীত থাকা White memorial hostel ত আছিলো। আমাৰ তত্ত্বাৱধান লৈছিল মিচ বাৰ্ণহাম নামৰ এগৰাকী আমেৰিকাৰ মহিলাই। মোৰ স্থানীয় অভিভাৱক আছিল ড° হিৰণ্য ভূঞা দেৱ। প্ৰয়াত ড০বাণীকান্ত কাকতিদেৱ, ড° হিৰণ্য ভূঞাদেৱ আৰু আন আন শিক্ষকসকলে আমাৰ খবৰ কৰিছিল। প্ৰয়াত ড° ভূঞা দেৱৰ পৰিবাৰক আমি জেঠাইদেউ বুলি মাতিছিলো, তেখেতে আমাক প্ৰতি দেওবাৰে ভাত খাবলৈ নিমন্ত্ৰণ কৰিছিল। আমি তৃতীয় বৰ্ষত থাকোতে প্ৰয়াত জ্ঞানবালা ফুকন সেই সময়ত বি, এচ, চি চতুৰ্থ বাৰ্ষিকৰ একমাত্ৰ ছাত্ৰী আছিল।

ইংৰাজী বিভাগৰ অধ্যাপক পি. চি. ৰয়ৰ কথা মনত পৰে। তেখেতে class-ত সোমায়েই ছাত্ৰীসকলক 'মা লক্ষী' বুলি সম্বোধন কৰিছিল। ছাত্ৰসকলক কি সম্বোধন

কৰিছিল মোৰ মনত নাই। তেখেতে আমাক 'Othelo' পঢ়াইছিল। শ্ৰেণীত সোমায়েই নাটকীয়ভাৱে "put out the light and then put out the light" বুলি পঢ়া আৰম্ভ কৰিছিল। কলা শাখাৰেই হওক বা বিজ্ঞান শাখাৰেই হওক প্ৰতি গৰাকী শিক্ষকৰ লগতেই এটা ঘৰুৱা সম্পৰ্ক গঢ়ি উঠিছিল। এই সম্পৰ্ক স্থায়ী হৈ ৰৈছিল, অন্ততঃ মোৰ ক্ষেত্ৰত। মই আজিও তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰো। ব্যক্তিগত কাৰণত উপস্থিত থাকিব নোৱাৰিলো। অনুষ্ঠানটিৰ সফলতা কামনা কৰিলো।

আপোনালোক সকলোটিলৈ শ্ৰদ্ধা জনাইছো। ❏

চৈয়দ আব্দুল মালিক

মই কটন কলেজৰ ছাত্ৰ থকা দিনৰ কথা

অসম প্ৰদেশখন তেতিয়া আজিৰ অসমখনতকৈ আকাৰত বহুত ডাঙৰ আছিল। চিলেট, কাছাৰ, খাছী জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ, মিকিৰ পাহাৰ, নগা পাহাৰ, উত্তৰ-পূব অঞ্চল সকলোকে সামৰি লৈ গঢ়ি উঠিছিল অসম প্ৰদেশ। ইয়াৰ ৰাজধানী আছিল ছিলং।

এইখন অসম প্ৰদেশত তেতিয়া কোনো বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱা নাছিল। উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ দুটা কলেজ— গুৱাহাটীৰ কটন কলেজ আৰু চিলেটৰ মুৰাৰীচাঁদ কলেজ। অসমৰ কোনো কোনো জিলাত ৰাইজে দুই এটা কলেজ পাতি মেট্ৰিক পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ কাৰণে কলেজীয়া শিক্ষা লাভৰ বাট মোকলাই দিছিল। বহুত অসমীয়া ছাত্ৰই ঢাকা, কলিকতা, বেনাৰছ, আলিগড়, দিল্লী, বোম্বাই আদিলৈ গৈ তাৰ কলেজ, বিশ্ববিদ্যালয় আদিত ভৰ্ত্তি হৈ উচ্চ শিক্ষা লাভ কৰিছিল গৈ। এনে পৰিস্থিতিত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে কটন কলেজত পঢ়িবলৈ পোৱাটো এক দুৰ্লভ সৌভাগ্য আৰু মৰ্য্যাদাৰ কথা বুলিয়ে বিবেচনা কৰিছিল। কটন কলেজৰ অধ্যাপকসকলো বাহিৰৰ ক'ৰবাৰ বিশ্ববিদ্যালয়ত পঢ়ি উচ্চ ডিগ্ৰী লৈ অহা ব্যক্তিহে আছিল।

১৯৩৯ চনত যোৰহাট কলেজৰ পৰা আই. এ. পাছ কৰি গৈ গুৱাহাটীৰ কটন কলেজত বি. এ. শ্ৰেণীত নাম লগালোঁগৈ। মোৰ বিষয় আছিল ইংৰাজীত অনাৰ্চ, পাচীয়ান আৰু ফিল'ছফি। তেতিয়াৰ দিনত উজনিৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰিবৰ কাৰণে ৰেলৰ বাহিৰে অন্য যান-বাহন নাছিল। মই যোৰহাটৰ পৰা মৰিয়নি হৈ গুৱাহাটীলৈ ৰেলেৰে অহা-যোৱা কৰিছিলো। তেতিয়া যোৰহাটৰ পৰা গুৱাহাটীলৈ ৰেল-ভাড়া আছিল তিনি টকা চাৰি অনা। কটন কলেজত ভৰ্ত্তি হৈ মই তেতিয়াৰ চি, এম (কটন-মুছলিম) হোষ্টেলত থাকিবলৈ ললো। তেতিয়া হোষ্টেলৰ মাহেকীয়া মেচ ডিউজ আছিল ৬টকা। তাৰে পুৱা চাহ-ৰুটি, দুপৰীয়া মুৰ্গীৰ মাংস, দাইল আৰু শাক ভাজি, আবেলি চাহ-বিস্কুট আৰু ৰাতিৰ সাজ ৰৌ বা বাহু মাছৰ তৰকাৰীৰে খাব লগা হৈছিল। সপ্তাহত দেওবাৰে উন্নত আহাৰ দিছিল আৰু মাহেকত এবাৰ পিকনিক খোৱাৰ ব্যৱস্থা আছিল। গুৱাহাটীৰ ২৫-৩০ মাইল দূৰৰ কোনো কোনো ঠাইলৈকে বনভোজ খাবলৈ হোষ্টেলৰ ল'ৰাবোৰক লৈ গৈছিল।

তেতিয়াৰ দিনত কটনৰ ছাত্ৰ হিচাপে কঠোৰভাৱে অধ্যয়ন কৰিব লগা হৈছিল। পুৱা বেলি ওলোৱাৰ পৰা ৮ মান বজালৈকে আৰু গধূলি, সন্ধিয়াৰ পৰা ৰাতি দহ এঘাৰ বজালৈ পঢ়া-শুনা কৰিব লগা হৈছিল। কলেজতো ক্লাছ কৰাটো বাধ্যতামূলক আছিল আৰু শ্ৰেণীত অতি মনোযোগেৰে অধ্যাপকৰ বক্তৃতা শুনিব লগা হৈছিল। ইংৰাজী বিভাগৰ অনাৰ্চৰ ছাত্ৰ হিচাপে মই ইংৰাজী ক্লাছ অতিশয় মনোযোগেৰে কৰিব লগা হৈছিল। মোৰ সৌভাগ্য আছিল যে ড° বাণীকান্ত কাকতি, পি. চি. ৰয়, সূৰ্য্যকুমাৰ ভূঞা আদিৰ নিচিনা জ্ঞানী অধ্যাপকক মোৰ শিক্ষাগুৰু হিচাপে পাইছিলো। তেখেতসকলে ছাত্ৰক এহাতে যিদৰে কঠোৰভাৱে শিক্ষাদান কৰিছিল আনহাতে মৰমো কৰিছিল। তেতিয়া কটন কলেজৰ লাইব্ৰেৰীটোৱেই ছাত্ৰসকলৰ জ্ঞানৰ ভঁড়াল আছিল। আমি তাৰপৰাই পাঠ্যপুথিৰ বাহিৰে অন্যান্য বিশ্ব সাহিত্যৰ বিখ্যাত গ্ৰন্থসমূহ অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছিলো। কটন কলেজত বিভিন্ন ঠাইৰ ছাত্ৰসকলে শিক্ষা লাভ কৰিছিল। তথাপি এই কলেজ সকলো ছাত্ৰৰ এটা নিজস্ব আৰু অতি প্ৰিয় অনুষ্ঠান আছিল। কটনিয়ান ছাত্ৰৰ মাজত বিশেষ কোনো বিভেদ বিৰোধ নাছিল। অধ্যাপকসকলেও ছাত্ৰসকলক জ্ঞান দান কৰাতে প্ৰধান গুৰুত্ব দিছিল আৰু এই কলেজৰ পৰা পৰীক্ষা পাছ কৰি এক উচ্চ শিক্ষিত নাগৰিক হিচাপে গঢ়ি তোলাত অধিক গুৰুত্ব দিছিল। মই ইংৰাজীত অনাৰ্চৰ ছাত্ৰ হিচাপে সাফল্য অৰ্জন কৰাত মোৰ এই বিভাগৰ অধ্যাপকসকলেই প্ৰধান পৃষ্ঠপোষক আছিল।

তেতিয়াৰ কটন কলেজৰ ছাত্ৰ বুলি নিজৰ পৰিচয় দিবলৈ পোৱাটো এক গৰ্বৰ কথা আছিল। ইয়াৰ পৰা উত্তীৰ্ণ হৈ অসমৰ ছাত্ৰসকল ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়লৈ গৈ উচ্চতৰ শিক্ষা লাভ কৰিছিলগৈ।

এটা উচ্চশিক্ষাৰ অনুষ্ঠান হোৱাৰ উপৰিও কটন কলেজ সাহিত্য-কলা-সংস্কৃতিৰো এক ৰসাল ক্ষেত্ৰ আছিল। কটনিয়ান নামৰ আলোচনীখনত অন্যৰ লগতে ময়ো তেতিয়া ইংৰাজী আৰু অসমীয়াত গল্প-প্ৰবন্ধ আদি লিখিছিলো। ইয়াৰ মূলত আছিল ড° কাকতি, ড° ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু আদি সু-প্ৰতিষ্ঠিত সাহিত্যসেৱী সকল। এতিয়া ৬০-৭০ বছৰৰ পিছত পৰিবেশৰ পৰিৱৰ্ত্তন হোৱাৰ কাৰণে কটন কলেজৰো ভাব-মূৰ্ত্তি কিছু সলনি হৈছে। তথাপি কটন কলেজৰ অসমলৈ আগবঢ়োৱা জ্ঞান-বিজ্ঞানৰ অৱদান ইতিহাসৰ বুকুত যুগমীয়া হৈ ৰব। ❑

বসুন্ধৰা শইকীয়া

কটন কলেজৰ কেইটামান দিনৰ সোঁৱৰণী

১৯৩৯ চনৰে কথা। মই পাণবজাৰ ছোৱালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা দিছিলো। মোৰ ঘৰ নগাঁৱত যদিও সেই সময়ত নগাঁৱত ছোৱালী হাইস্কুল নথকাত বা ল'ৰাৰ হাইস্কুলত সহ-শিক্ষাৰ সুবিধা নথকাত বোৰ্ডিঙত থাকি পাণবজাৰ ছোৱালী হাইস্কুলত সপ্তম শ্ৰেণীৰ পৰা পঢ়িব লগীয়া হৈছিল।

মই মেট্ৰিক পাছ কৰা বছৰতে শ্ৰীৰাজবালা দাস বাইদেৱে পাণবজাৰ ছোৱালী হাইস্কুলৰ দুটামান কোঠাত কেইগৰাকীমান ছাত্ৰীৰে সন্দিকৈ ছোৱালী কলেজৰ পাতনি মেলিছিল। মোৰ সৰুৰে পৰা ডাক্তৰ হোৱাৰ এটা হাবিয়াস আছিল। সেয়েহে মই কটন কলেজৰ বিজ্ঞান বিভাগত নাম লগোৱাৰ কথা ভাবিছিলোঁ। মোক নাম লগাবলৈ নিছিল মোৰ বন্ধু শ্ৰীপ্ৰিয়লতা দাসৰ (পিছত শ্ৰীদেৱকান্ত বৰুৱাৰ পত্নী) মোমায়েক শ্ৰীঅন্নৰাম বৰুৱা মোমাইদেৱে। সেই সময়ত কটন কলেজৰ অধ্যক্ষ আছিল শ্ৰীসতীশ চন্দ্ৰ ৰায় অৰ্থাৎ এচ, চি, ৰায়। প্ৰথমে তেখেতে মোক বিজ্ঞান বিভাগত নাম নলগাই কলা বিভাগতহে লগাবলৈ কৈছিল। মোমাইদেৱে মই অঙ্কত দুটা লেটাৰ (Compulsory & additional) পোৱা বুলি কোৱাত নাম লগাই দিছিল।

আমি বিজ্ঞান বিভাগত ছগৰাকী ছাত্ৰী আছিলো। শ্ৰীতিলোত্তমা গগৈ (এতিয়া ডাক্তৰ তিলোত্তমা ৰায়চৌধুৰী, তেওঁ অসমৰ প্ৰথম মহিলা ডক্তৰেট) শ্ৰীসুৰলা ভূঞা, শ্ৰীসমীৰণ দাস (সন্দিকৈ কলেজৰ বটানিৰ অধ্যাপিকা আছিল) শ্ৰীবিভা বৰুৱা, শ্ৰীসুচৰিতা (উপাধিতো পাইৰিলো) আৰু মই।

সেই সময়ৰ শিক্ষাগুৰুসকলৰ কথা ভাবিলে আজিও শ্ৰদ্ধাত মূৰ দোঁ খাই আছে। ইংৰাজী পঢ়ুৱাইছিল শ্ৰীসূৰ্য্য কুমাৰ ভূঞা, শ্ৰীহৰেণ চৌধুৰী ছাৰে। চেগা চোৱোকাকে শ্ৰী পি, চি, ৰয় ছাৰেও পঢ়ুৱাইছিল। টিউটৰিয়েল ক্লাচ লৈছিল শ্ৰীবাণীকান্ত কাকতি ছাৰে। অসমীয়া পঢ়ুৱাইছিল শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা ছাৰ আৰু শ্ৰীউপেন লেখাৰু ছাৰে। অংক শ্ৰীৰাধানাথ দাস আৰু শ্ৰীফণীদত্ত ছাৰে; ফিজিক্স পঢ়ুৱাইছিল শ্ৰীৰবি ৰায় ছাৰ আৰু শ্ৰীহিৰণ্য ভূঞা ছাৰে। কেমিষ্ট্ৰি পঢ়ুৱাইছিল শ্ৰীইন্দু বাবু ছাৰ আৰু শ্ৰীপ্ৰেম নাথ ছাৰে। বটানি পঢ়ুৱাইছিল শ্ৰীঅতুল দত্ত ছাৰে।

পি, চি, ৰয় ছাৰৰ ক্লাচলৈ গ'লে আমি যদি কওঁ "May we come in Sir" ছাৰে কয়, "এস, এস, মা লক্ষীধন।" শ্ৰীকাকতি ছাৰৰ টিউটৰিয়েল ক্লাচত এদিন হাঁহি উঠা ঘটনা এটা ঘটিছিল। ছাৰে বুজাই থাকোতে ক'লে যে চীনত কথা বুজাবলৈ ছবিহে ব্যৱহাৰ কৰে। দন লগা বুজাবলৈ আমাৰ ফালে আঙুলিয়াই দেখুৱাইছিল। টিউটৰিয়েলত মই আৰু বিভাহে আছিলো। দুজনী মাইকী মানুহৰ ছবিয়ে দন লগা ইঙ্গিতকে দিছিল। আমি লাজত তলমূৰ কৰিছিলো। ল'ৰা কেইজনে মিচিক মাচাককৈ হাঁহিছিলহে মাত্ৰ।

শ্ৰীবিৰিঞ্চি বৰুৱা ছাৰে বৰ শুৱলা শব্দ সম্ভাৰেৰে বক্তৃতা দিছিল। শ্ৰীউপেন লেখাৰু ছাৰক ল'ৰাই কিবা বুজা নাই বুলি আপত্তি কৰিলে ছাৰে ভোৰভোৰাই কৈছিল, "এইটোকে নুবুজা যদি পঢ়িবলৈ আহিছা কেলৈ?" আমি প্ৰথম বেঞ্চত বহা কাৰণে কথাবোৰ শুনিছিলো, ল'ৰাখিনিয়ে গম নেপাইছিল।

অংকৰ ছাৰ শ্ৰীৰাধানাথ দাসে অঙ্ক বুজাই থাকোতে মাজতে কামৰূপীয়া ভাষাত আমাক কথাবোৰ পুনৰ কৈ দিছিল।

ফিজিক্সৰ শ্ৰীহিৰণ্য ভূঞা ছাৰ বৰ ব্যক্তিত্বসম্পন্ন অধ্যাপক আছিল। তেখেতৰ ক্লাচত বেজী এটা পৰিলেও শব্দ শুনাৰ স্তব্ধতা বিৰাজ কৰিছিল।

কেমিষ্ট্ৰিৰ শ্ৰীইন্দুবাবু ছাৰে চুৰীয়া পিন্ধি ডবল পোন্ধ মাৰি আহিছিল। তেখেতে বুজাই থাকোতে তেখেতৰ থুইৰ ছিটিকনি আমি প্ৰথম বেঞ্চত বহা ছাত্ৰীৰ গাতো পৰিছিল।

বটানিৰ শ্ৰীঅতুল চন্দ্ৰ দত্ত ছাৰে আমি বহা বেঞ্চখনৰ পিছত এখন বেঞ্চ এৰিহে ল'ৰাক বহিবলৈ দিছিল। ঘন্টা পৰিলে ল'ৰাক আগতে যাবলৈ দি আমাক তেখেতৰ লগতহে নিছিল। আমি পঢ়ি থাকোতে শ্ৰীমাধৱ দাস ছাৰে (পিছত কৃষি বিদ্যালয়ৰ অধ্যক্ষ হৈছিল) পাচ কৰিয়েই কলেজত সোমাইছিল। তেখেতে আমাৰ প্ৰেকটিকেল লবলৈ গ'লে শ্ৰীদত্ত ছাৰে কয়, "এওঁলোকৰ প্ৰেকটিকেল ময়েই লম।"

আমাৰ দিনৰ আৰু এজন অধ্যাপকৰ কথা মনত আছে। তেখেত আছিল শ্ৰীলক্ষী চাটাৰ্জী সংস্কৃতৰ অধ্যাপক। ওখ, সোণ বৰণীয়া বৰণেৰে পাটৰ চুৰিয়া চাদৰ পিন্ধা ছাৰক পুৰণি দিনৰ ঋষি যেন লাগিছিল। তেখেতে "গীতা" পঢ়োৱা শুনিবলৈ আমি সময় পালে তেখেতৰ শ্ৰেণীত বহিছিলো। একো বুজি নেপাইছিলো যদিও তেখেতৰ গীতাৰ স্তোত্ৰৰ ধ্বনিয়ে আমাক মন্ত্ৰমুগ্ধ কৰিছিল।

সহপাঠী ল'ৰাৰ লগত আমাৰ কথা-বাৰ্ত্তা নাছিল। শ্ৰীবিশ্বনাথ বৰুৱা (ডিগবৈৰ মাৰ্কেটিং অফিচাৰ হৈছিল) আমাৰ নগাঁৱৰ ঘৰৰ ওচৰৰ দেখি তেওঁৰ লগতে কেতিয়াবা এষাৰ দুষাৰ কথা

পাতিছিলো। আমি আঁচলত জীৱ বান্ধিহে কলেজত পঢ়িছিলো। নগাঁৱৰ পৰা গুৱাহাটীৰ বোৰ্ডিঙত থৈ স্কুল-কলেজত ছোৱালী পঢ়ুৱা আলোচনাৰ বিষয় আছিল। মাক হেনো শঙ্কৰ মন্দিৰৰ গোপিনীয়ে কয়, "জীয়েৰাক যে গুৱাহাটীৰ বোৰ্ডিঙত থৈ পঢ়ুৱাইছা হাকিম কৰিবা নে মুনচিফ কৰিবা।" সেয়েহে মাই সদায় সকীয়াই দিছিল "কিবা বেয়া শুনিলে কিন্তু আমি বৰ দুখ পাম।" ল'ৰাই আমাক নোজোকোৱাকৈ থকা নাই জোকাইছিল কিন্তু পদ্ধতি সুকীয়া আছিল। মোক কয় "ধনে ধ্যানে পুষ্পে ভৰা— এই যে আমাদেৰ বসুন্ধৰা।" ওঠৰ বছৰীয়া ল'ৰাই তেতিয়া ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ পংক্তিৰেহে ছোৱালী জোকাইছিল।

পুৰণা সহকাৰীসকলক পালে এতিয়া বৰ ভাল লাগে। আমাৰ লগৰ সুৱলা, সমীৰণ, বিভা ঢুকাল। তিলোত্তমা কলিকতাত, সুচৰিতাও ছাগৈ কলিকতাতে। যোৰহাটৰ সহকাৰী শ্ৰীঅজিত শৰ্মা, গুৱাহাটীৰ শ্ৰীক্ষীৰোদ কুমাৰ বৰুৱা তিনিচুকীয়া নিবাসী শ্ৰীবিশ্বনাথ বৰুৱাৰ লগত এতিয়া নিৰ্ভয়ে কথা পাতিব পৰা হলো।

মোৰ কটন কলেজৰ দিন নিচেই চুটি। ডাক্তৰ হোৱাটো নহলেই —ওঠৰ বছৰ পাৰ হওঁতেই ছোৱালীৰ বহুত বয়স হ'ল বিয়াহে দিব লগা হ'ল। বিদ্যা আধৰুৱা অৱস্থাতে বিবাহ পাশত আবদ্ধ হলো।

কিন্তু সেই এমুঠিমান কটন কলেজত কটোৱা দিনৰ সোণালী সোঁৱৰণী এতিয়াও মনৰ দাপোণত সজীৱ আৰু আনন্দময় হৈ ৰ'ল। ❑

ৰেৱতী মোহন দত্ত চৌধুৰী

অবিস্মৰণীয়

মেট্ৰিকুলেশ্বন পৰীক্ষা পাছ কৰাটো হ'ল সাধাৰণ মেধাসম্পন্ন এজন মধ্যবিত্ত পৰিয়ালৰ ল'ৰাৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সন্ধিক্ষণ। কিমান আশা, কিমান সপোন। লুংলুঙীয়া বাট পাৰ হৈ ৰাজপথত পদাৰ্পণ। সীমাহীন সম্ভাৱনাৰ দুৱাৰদলিত উপস্থিত। গৌৰীপুৰৰ সংকীৰ্ণ গণ্ডীৰ পৰা ওলাই আহি গুৱাহাটীৰ কটন কলেজৰ ছাত্ৰ হ'লো। কলিকতাৰ প্ৰেচিডেঞ্চি কলেজ আৰু গুৱাহাটীৰ কটন কলেজৰ নামহে শুনিছিলো। কটন কলেজৰ ছাত্ৰ হৈ মনত সৃষ্টি হোৱা উগুল-থুগুল অৱস্থা শাম কাটোতে বেছ কিছুদিন সময় লাগিছিল। ১৯৪০ চনৰ কথা, ভাৰতবৰ্ষ স্বাধীন হোৱাৰো বহুত আগৰ কথা। প্ৰায় ঐতিহাসিক যুগৰ ঘটনা।

মই এক নম্বৰ ছাত্ৰাৱাসত আছিলো। এই ছাত্ৰাৱাস অৰ্থাৎ হোষ্টেলটোক ওল্ড ব্লক বুলি কোৱা হৈছিল। এই হোষ্টেলত অবিভক্ত গোৱালপাৰাৰ ছাত্ৰৰ সংখ্যাই বেছি। হাকামাৰ প্ৰশান্ত চক্ৰৱৰ্তী, শালকোচাৰ ননী বৰুৱা, ফণী বৰুৱা, ধুবুৰীৰ সলিল ঘোষ, সন্তোষ নন্দী, শালমাৰাৰ প্ৰফুল্ল চক্ৰৱৰ্তী, গোৱালপাৰাৰ বিমল নাথ, কামাখ্যা গুপ্তভায়া আৰু বহুতো। প্ৰায়বোৰেই 'দেশী মানুহ'। প্ৰশান্তদা মনিটৰো আছিল। বীৰেশ্বৰ চৌধুৰীতো মোৰ

ৰুমমেটেই আছিল। মই প্ৰথম বাৰ্ষিক শ্ৰেণীত আৰু চৌধুৰী তৃতীয় বাৰ্ষিক শ্ৰেণীত। এক নম্বৰ হোষ্টেলৰ চুপাৰিণটেণডেন্ট আছিল অধ্যাপক ইন্দুভূষণ সৰকাৰ। কেমিষ্ট্ৰিৰ অধ্যাপক। হোষ্টেলৰ সংলগ্ন তেওঁৰ আৱাসগৃহ।

সময়ৰ লগে লগে সকলো সলনি হয়। প্ৰথমে কেইটামান বিশেষ পৰিৱৰ্তনৰ কথা কওঁ। আমাৰ দিনত ছাত্ৰবোৰে প্ৰায় সকলোৱে চুৰীয়া আৰু কামিজ পিন্ধিছিল। আজি-কালি চুৰীয়া পিন্ধা ছাত্ৰ প্ৰায় নায়েই।

ছাত্ৰবোৰে পৰস্পৰক আপুনি বুলি সম্বোধন কৰিছিল। মই প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ আৰু মোৰ ৰুমমেট বীৰেশ্বৰ চৌধুৰী তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। তেৰোঁ মোক আপুনি বুলি সম্বোধন কৰিছিল। চৌধুৰীক এতিয়াও মাজে সময়ে লগ পাওঁ।

তদুপৰি ছাত্ৰীসকলৰ সৈতেতো আমাৰ মাত-বোলেই নাছিল। তেওঁলোকে তলমূৰকৈ অধ্যাপকৰ সৈতে ক্লাচৰ কোঠাত সোমায় আৰু অধ্যাপকৰ সৈতে ওলাই যায়। কঠোৰ নিৰাপত্তাৰ ব্যৱস্থা। মোৰ সহপাঠিনী ৰেণুমালা ৰাজখোৱাৰ (বৰ্তমানে দুৱৰা) সৈতে কথা-বতৰা হ'ল এই সিদিনা, বুঢ়া বয়সত। সহপাঠিনী হিচাপে নহয়, ইঞ্জিনিয়াৰিং কলেজ কেম্পাচৰ মোৰ প্ৰতিবেশী অধ্যাপক ড° পদ্ম বৰাৰ শাহুৱেক হিচাপে। আজি-কালিতো একেলগে পুঢ়া ছাত্ৰ-ছাত্ৰীসকলে পৰস্পৰক তই বুলি সম্বোধন কৰে। ভাল হৈছে। সম্বন্ধবোৰ সহজ, স্বাভাৱিক আৰু হৃদ্যতাপূৰ্ণ হৈছে।

আৰু এটা অনভিপ্ৰেত অৱস্থাৰো অৱসান ঘটিছে। সাম্প্ৰদায়িক ভিত্তিত হোষ্টেলত থকাৰ ব্যৱস্থা। আমাৰ এক নম্বৰ হোষ্টেলৰ কাষতেই সমান্তৰালভাৱে আছিল মুচলিম হোষ্টেল, কেৱল মুচলমান ছাত্ৰসকলৰ কাৰণে। হিন্দু ছাত্ৰসকলৰ কাৰণে বেলেগ ছাত্ৰাৱাস আৰু মুচলমান ছাত্ৰসকলৰ কাৰণে বেলেগ ছাত্ৰাৱাস। অৱশ্যে কচম'পলিটান বুলি এটা হোষ্টেল আছিল। তাত সকলো সম্প্ৰদায়ৰ ছাত্ৰ একেলগে আছিল। আজি-কালি সাম্প্ৰদায়িক ভিত্তিত হোষ্টেল নিৰ্ধাৰণ কৰাৰ প্ৰথা নাই। এইটোও ভাল ব্যৱস্থা হৈছে। এইবোৰ কথা আজি-কালিৰ ছাত্ৰসকলে নাজানে। এইবোৰ হ'ল মানসিক প্ৰগতিৰ লক্ষণ। অকল হোষ্টেল বুলি কিয়? ৰেল ষ্টেচনতো দুয়ো সম্প্ৰদায়ৰ খোৱাৰ ব্যৱস্থা বেলেগ আছিল। আমি কলিকতাত পঢ়োঁতে ট্ৰেইনেৰে গৈছিলো। পাৰ্বতীপুৰ পৰ্যন্ত মিটাৰ গজ, তাৰ পিছত কলিকতালৈ ব্ৰড গজ। পাৰ্বতীপুৰ জংচনত ট্ৰেইন সলনি কৰিব লাগিছিল। তাত হিন্দু ভোজনালয় বেলেগ, মুচলিম ভোজনালয় বেলেগ। আমি মুচলিম ভোজনালয়ত পৰঠা আৰু মুৰ্গীৰ মাংস খাইছিলো। তাৰ মুৰ্গীৰ আঞ্জাখনৰ সোৱাদেই বেলেগ। সেই দিনবোৰ ক'ৰবাত গ'ল। পাৰ্বতীপুৰ এতিয়া বাংলাদেশত।

মই লাইনৰ পৰা আঁতৰি গৈছো। ক'ত কটন কলেজৰ হোষ্টেল আৰু ক'ত পাৰ্বতীপুৰ ভোজনালয়। নতুন প্ৰজন্মৰ কাৰণে অৰ্থহীন প্ৰলাপ, কিন্তু আমাৰ কাৰণে অবিস্মৰণীয় স্মৃতি।

মই যদি তেতিয়াৰ দিনৰ মেচ ডিউজৰ (খোৱা খৰচৰ) কথা কওঁ তেনেহ'লে কোনোবাই বিশ্বাস কৰিবনে? মেচ ডিউজ আছিল মাহে সাত টকাৰ পৰা আঠ টকাৰ ভিতৰত। কোনোবা মাহত কেইঅনামান কম কোনোবা মাহত কেইঅনামান বেছি। অৱশ্যে তেতিয়া দুয়ো সাজ কেৱল ভাতৰ ব্যৱস্থাহে আছিল। চাহ-জলপানৰ ব্যৱস্থা নিজৰ। আজি-কালি বোধহয় সাত টকাত এসাজ নিমখ ভাতো খাব নোৱাৰি। এসাজ ছাতু খালে খাব পাৰি নেকি? এতিয়াৰ বস্তুৰ দাম শুনিলে চক খাই উঠো। পৰিবাৰে ঠিকেই কয়, "আছা ক'ত?" ৰাতিপুৱা আৰু আবেলি মতিয়ে ভাৰ বান্ধি টিনত গৰম পানী আনি দি গৈছিল।

হোষ্টেলৰ মালী ফাগুৰ গৰু আছিল। ভাটিবেলা তেওঁ মোক এক গিলাচ গৰম গাখীৰ দিছিল। বিশুদ্ধ গাখীৰ। এজন মানুহে বিক্ৰী কৰাৰ কাৰণে মাখনৰ সৰু সৰু টোপোলা লৈ হোষ্টেললৈ আহিছিল। এক টোপোলাৰ দাম এক অনা (আজিকালিৰ ছয় পইচা)। অকল্পনীয় পৰিৱৰ্তন। এই পৰিৱৰ্তনবোৰৰ সৈতে সামঞ্জস্য ৰাখিবলৈ যাওঁতে মানসিক হেঁচা অৰ্থাৎ ষ্ট্ৰেইন পৰে।

এইবোৰ অবান্তৰ কথা বাদ দিয়ক। আমাৰ ভাগ্য ভাল। আমি কটন কলেজত ভালে কেইজনমান অতি সাৰ্থক শিক্ষক পাইছিলো। অংকত হৰ্ষ সেন বা হৰ্ষবাবু। অংকৰ দৰে নিৰস বিষয় এটাকো যে ইমান ৰসঘন কৰি তুলিব পাৰি তেওঁৰ পৰা পাঠ গ্ৰহণ কৰিহে এই কথা বুজি পাইছিলো। ৰাধাকান্ত দাস অৰ্থাৎ ৰাধাবুত্ত অতি নিষ্ঠাবান শিক্ষক আছিল। পিছে তেওঁ ক্লাচত প্ৰশ্ন সুধিছিল আৰু ছাত্ৰই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে বৰ হতাশ হৈ পৰিছিল। কেতিয়াবা তেওঁ ছাত্ৰজনক অংক বাদ দি বুৰঞ্জী লবলৈ উপদেশ দিছিল।

ফিজিক্সত সাৰদা শৰ্মা, হিৰণ্য ভূঞা, ৰবি দাস, প্ৰেমতোষ শ্যাম, চন্দ্ৰ দাস। এওঁলোক আছিল সাৰ্থক শিক্ষক। সাৰদা শৰ্মা আৰু হিৰণ্য ভূঞা ছাৰৰ প্ৰশিক্ষণ পদ্ধতি আছিল সম্পূৰ্ণ ভিন্ন। শৰ্মা ছাৰ আছিল উচ্ছল আৰু ভূঞা ছাৰ শান্ত সমাহিত।

কেমিষ্ট্ৰিত শৰৎ চাটাৰ্জি, ইন্দুভূষণ সৰকাৰ আৰু যদুগোপাল মুখাৰ্জিয়ে আমাৰ ক্লাচ লৈছিল।

বাণীকান্ত কাকতি ছাৰৰ দৰে বিখ্যাত পণ্ডিতেও আমাৰ ক্লাচ লৈছিল। আমি আই-এচ-ছি ক্লাচৰ ছাত্ৰই তেওঁৰ অগাধ পাণ্ডিত্যৰ কি তলানলা পাম? তেওঁ ক্লাচ লৈ থাকোঁতে এক বিশেষ ধৰণে হাঁহিছিলে। বাকী সকলো পাহৰি গৈছো কিন্তু সেই কথাহে মনত আছে। হৰেণ চৌধুৰী ছাৰেও আমাৰ ইংৰাজীৰ ক্লাচ লৈছিল। হামাগুচি গোহে কথাষাৰ কেনেবাকৈ মনত ৰৈ গৈছে। এয়া ৰচনাৰ লেখকৰ নাম নে তাত থকা চৰিত্ৰৰ নাম সেই কথা পিছে মনত নাই।

আৰু পাহৰিব নোৱাৰো ব'টানিৰ অধ্যাপক অতুল দত্ত ছাৰৰ কথা। এনেকুৱা উৎসৰ্গীকৃত প্ৰাণ শিক্ষক আজি-কালিও থাকিব পাৰে নে নাই মই ক'ব নোৱাৰিম। অধ্যাপক দত্ত ছাৰৰ কথা মনত থকাৰ মোৰ এটা বিশেষ কাৰণো আছে। প্ৰতি বছৰে কটন কলেজৰ কেইবাজনো পৰীক্ষাৰ্থীয়ে ব'টানিত লেটাৰ পাইছিল। আমি যিবাৰ পৰীক্ষা দিওঁ (১৯৪২ চনত) সেইবাৰ অকল মইহে ব'টানিত লেটাৰ পাওঁ। এয়া এক আকস্মিক ঘটনা। মেকুৰীৰ ভাগ্যত শিকিয়া ছিঙাৰ দৰে কথা। মই বাছি বাছি মাত্ৰ কেইটামান প্ৰশ্নৰ উত্তৰ প্ৰস্তুত কৰি ৰাখিছিলো। আৰু দৈৱক্ৰমে তাৰ পৰাই প্ৰশ্নবোৰ আহিছিল। ফাঁকতে মোৰ নাম হৈ গ'ল। দত্ত ছাৰে সদায় তাকেই কৈছিলে, "সেবাৰ তুমিই আমাৰ মান ৰেখেছিলে।"

আমাৰ দিনত আৰু এটা গুৰুত্বপূৰ্ণ ঘটনা হ'ল কমলা ৰয়ৰ ব'টানি বিভাগত যোগদান। তেৱেঁই কটন কলেজৰ প্ৰথম গৰাকী অধ্যাপিকা। এয়াও আগন্তুক সামাজিক পৰিৱৰ্তনৰ সূচক। আজি-কালি অধ্যাপিকাৰ সংখ্যা অধ্যাপকৰ সংখ্যাতকৈ বৰ বেছি কম নহ'ব।

বহুত দিন পাৰ হ'ল। দিন নহয়, যুগ। স্মৃতিও দুৰ্বল হৈ আহিছে। তথাপিও মৰাৰ আগতে কটন কলেজৰ স্মৃতি ৰোমন্থন কৰাৰ সুবিধা পাই ভাল লাগিছে। কটনত থকা দিনবোৰ মোৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ অধ্যায়। জীৱনৰ অবিস্মৰণীয় অংশ।

সহপাঠীবোৰ প্ৰায়বোৰে ক'ত কিভাবে আছে নাজানো। বহুত সহপাঠীৰ মৃত্যুও হৈছে। স্বাভাৱিক কথা। আমিতো ওভাৰ ষ্টে কৰি আছো, অৰ্থাৎ সময় উকলি যোৱাৰ পিছতো ৰৈ আছো। চহৰত থকাবোৰক মাজে সময়ে লগ পাওঁ। ড° বিনয় তামুলী, ড° জ্যোতি মেধি, কীৰ্তি হাজৰিকা, শৈলেন হাজৰিকা এওঁলোকক লগ পাওঁ। অলপতে প্ৰতাপ চৌধুৰীকো লগ পাইছিলো। সাহিত্য অকাডেমি বঁটা গ্ৰহণ কৰাৰ কাৰণে দিল্লীলৈ যাওঁতে অৱসৰপ্ৰাপ্ত বিচাৰপতি সহপাঠী কিৰণ লাহিড়ীয়ে মোক লগ ধৰি অভিনন্দন জনোৱাৰ সলনি বিস্ময়হে প্ৰকাশ কৰিছিলে। "তুমিও সাহিত্যিক হৈছা? দেশত হৈছে কি?" ❑ .



ভূপেন হাজৰিকাৰ সতে আলাপ

দাদা চাহেব ফাল্কে বঁটা বিজয়ী ভাৰতৰ সঙ্গীত নাটক অকাডেমিৰ বৰ্তমান সভাপতি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সুৰসম্ৰাট, পদ্মভূষণ ড° ভূপেন হাজৰিকা কেৱল অসমৰেই নহয়, ভাৰতীয় সাংস্কৃতিক জীৱনৰ প্ৰতিভূ স্বৰূপ। প্ৰাক্তন কটনিয়ান এই গৰাকী ভূপেন হাজৰিকাক লৈ আমিও কটনিয়ান পৰিয়ালে গৌৰৱ কৰোঁ। কটন কলেজৰ শতবাৰ্ষিকী উদযাপনৰ উদ্দুলি-মুদুলি পৰিবেশত আমি প্ৰাক্তন কটনিয়ানসকলে এখনি স্মাৰক গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লৈছিলো। গ্ৰন্থখনিৰ বাবে লিখনি এটি বিচাৰি যোৱা মে' মাহৰ ন তাৰিখে এটা বৰ্ষামুখৰ দুপৰীয়া উপস্থিত হৈছিলোঁগৈ ভূপেনদাৰ নিজৰাপাৰৰ বাসভৱনত। বাৰাণ্ডাত থিয়হৈ কলিং বেলটো টিপি দিয়াত এজন আদহীয়া ভদ্ৰলোক ওলাই আহি বাঙালীতে মোক কাক বিচাৰিছো সুধিলে। মই ভূপেনদাক বিচাৰি অহা বুলি কোৱাত বিৰক্তিত কপাল কোঁচাই ভূপেনদা ভীষণ ব্যস্ত থকা বুলি কোৱাত অলপ হতাশ হলো। তথাপি উপায় নথকাত তেখেতক বাৰে বাৰে অনুৰোধ কৰিলো এবাৰ লগ পোৱাই দিবলৈ আৰু মোৰ নামটো কৈ তেখেতক ক'বলৈ ক'লো। ভদ্ৰলোকেও বেছি আপত্তি নকৰি ভিতৰলৈ সোমাই গ'ল। দুই-তিনি মিনিটমানৰ পাচত তেওঁ দুৱাৰ খুলি মোক ভিতৰলৈ

যাবলৈ ক'লে। ভিতৰত দেখিলো ভূপেনদাই এক ভদ্ৰলোকৰ সতে বৰ নিবিড়ভাৱে ক-, পাতি আছে বিচনাত বহি। পিন্ধনত এটা ৰঙচুৱা চোলা। মোক দেখি বিচনাৰ পৰা নামি এটা মিঠা হাঁহিৰে আগবঢ়াই নিলে। তেখেতৰ মুখত তেতিয়া কোনো ব্যস্ততাৰ চিন নাছিল। ইটো সিটো কথাৰ পাচত মই মোৰ অহাৰ উদ্দেশ্যৰ কথা ক'লো। প্ৰাক্তন কটনিয়ানৰ স্মৃতিগ্ৰন্থত 'কলেজীয়া জীৱনৰ স্মৃতিৰ কথা ক'ম?'– মই কিন্তু সেই মোক জোকোৱা ছোৱালী কেইজনীৰ কথাও ক'ম, লিখিবা কিন্তু'......... বুলি কৈ আৰম্ভ কৰিছিল আজিও সজীৱ, ৰঙীন হৈ থকা তাহানিৰ সেই দিনবোৰৰ কথা। কথা কওঁতে দাদা 'নষ্টালজিক' হৈ পৰিছিল, আমোদজনক ঘটনাবোৰৰ কথা মনত পৰি প্ৰাণখুলি হাঁহিছিল– বুৰ গৈছিল আনন্দমধুৰ সেই সোঁৱৰণীৰ মাজত। দাদাই বিচনাৰ পৰা নামি মজিয়াতে লেপেটা কাঢ়ি বহি ললে– কাষতে মই––

"সেয়া আছিল ১৯৪০ চন। মেট্ৰিক পাছ কৰি কটন কলেজত পঢ়িবলৈ আহিছিলো তেজপুৰৰ পৰা জাহাজেৰে। মই হাফপেণ্ট পিন্ধিয়েই আহিছিলো। মই অলপ কম বয়সতে মেট্ৰিক পাছ কৰিছিলো, যোল্ল বছৰ হোৱাই নাছিল। কলিকতা বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি কলেজত পঢ়িবলৈ হ'লে যোল্ল বছৰ হ'ব লাগে বাবে মোৰ অলপ অসুবিধাই হৈছিল।"

"মই তেজপুৰত ক্লাছ চিক্সৰ পৰা ক্লাছ টেনলৈ পঢ়িছিলো আৰু এই সময়ছোৱাতেই মোৰ ভূপেন হাজৰিকা ৰূপে Growth হৈছে– মই বিষ্টুদা আৰু জ্যোতি ককাইদেউক লগ পাইছোঁ। সেই সময়ত মই 'জয়মতী' কথাছবিৰ গান গাইছোঁ। কলিকতাৰ 'চেনোলা' কোম্পানীয়ে মোৰ গান ৰেকৰ্ড কৰিছে।"

কটন কলেজত প্ৰথমে ভৰি দিয়াৰ কথা সুঁৱৰি ভূপেনদাই কৈছিল, "কলেজৰ জিলকা নামৰ চকিদাৰজনে ওচৰলৈ মাতি কৈছিল–"বাপা এইখন কটন কলেজ, তই কিয় আহিছ, নাওমান চলি তই।" "কি কম বয়সীয়া মই? মই genuine matriculate তই বুজিবি এদিন মই কোন" বুলি মনতে ভাবিলে তাহানিৰ ভূপেন হাজৰিকাই।

"শ্ৰেণীকোঠাত পি. চি. ৰয় চাহাবে মূৰত ফেল্ট হেট পিন্ধি আহে সৰু গাড়ী এখনত উঠি। শ্ৰেণীত সোমায়েই টেবুলত হেটটো থৈ ক্লাছ লয় ইংৰাজীৰ– আমাৰ লগত ইংৰাজীত কথা পাতে, প্ৰশ্ন সোধে। দণ্ডিনাথ কলিতাই আমাক অসমীয়া পঢ়ায়, লক্ষ্মীনাথ চেটাৰ্জীয়ে সংস্কৃত পঢ়ায়, ভূবন সেনে বুৰঞ্জী পঢ়ায়, বিৰিঞ্চি কুমাৰ বৰুৱাই, উপেন লেখাৰুৱে অসমীয়া পঢ়ায়। এই সকল গুণী-জ্ঞানী অনেক বিদুষী মনীষীৰ সান্নিধ্য অতি সহজতেই লাভ কৰিছিলো। আচলতে ১৯০১ চনত কটন কলেজৰ জন্মই অসমৰ middle class intellectualism টোক সংগঠন কৰি পৃথিৱীলৈ আগবঢ়াই দিলে।"

সেই সময়ৰ শ্ৰেণীবোৰৰ প্ৰথম বেঞ্চবোৰত ছোৱালী বহে, তাৰ পিচৰ কেইখনত লাজকুৰীয়া শান্ত ছাত্ৰসকল বহে। দুৰ্দান্ত ছোৱালী জোকোৱাসকল শেষৰ ফালে বহে বুলি কৈ ভূপেনদাই কেইজনমান ছাত্ৰৰ কথা মনত পেলালে। তাৰে এজন হ'ল নৰেন ৰাজখোৱা, বৰ্তমানৰ প্ৰখ্যাত সাংবাদিক আৰু আন এজন আছিল নূপুৰ চলিহা। তৰুণৰাম ফুকনৰ ল'ৰা নৃপেনৰাম ফুকন, ৰোহিনী চৌধুৰীৰ ল'ৰা বাৰিণ চৌধুৰীৰ কথাও ক'লে। আৰু এজন অতি ভদ্ৰ well dressed মিঠা চেহেৰাৰ কৰিমগঞ্জৰ পৰা অহা ল'ৰা মইনুল হক চৌধুৰী যি পিচৰ জীৱনত বিশ বছৰতকৈ বেছি কাল মন্ত্ৰী হৈ আছিল, ইন্দিৰা

.এক্কীৰ কেবিনেটত আছিল আৰু তেখেতৰ লগতো বন্ধুত্ব আছিল। "আমি দুবৈৰ পৰা এজন বৰ বিখ্যাত ছাত্ৰক চাইছিলো — তেওঁ আছিল চৈয়দ আব্দুল মালিক। আমি তেখেতৰ গল্প 'আৱাহন'ত তেতিয়াই পঢ়িছিলো, আমি প্ৰথম বাৰ্ষিকত থাকোতে, তেখেত তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল।

টালি মৰাণ আও 3rd year নে 4th yearত পঢ়ে, আমি Ist year ত। কটন কলেজৰ টালি মৰাণ আওৱে অলিম্পিকত তাহানিতেই ভাৰতীয় দলৰ কেপ্তেইন হৈছিল। কটনিয়ান শৰৎ দাসে মহমেডান স্পৰ্টিঙক হৰুৱাইছে। কটনিয়ান শৰৎ দাস বেংগলত থাকিল— তেওঁ legend হৈ গ'ল— 'শৰৎ দাস, গৌহাটী' নাম লিখা থাকিল বেংগলত।

মোৰ দেউতাৰ সহপাঠী প্ৰমথেশ চন্দ্ৰ বৰুৱাও কটনিয়ান আছিল। তেওঁক সকলোৱে Beauty of Cotton College বুলি কৈছিল। গৌৰীপুৰৰ ৰজাৰ ল'ৰা প্ৰমথেশে ছোৱালী আনি 'মুক্তি' ছবিৰ চুটিং কৰা বাবে ধাইজে বেয়া ল'ৰা বুলি ক'লে। প্ৰমথেশ বৰুৱা বিধান পৰিষদৰ সদস্য থকা কালত গুৱাহাটীক কেনেকৈ সুন্দৰ কৰিব পাৰি চিন্তা কৰিছিল। সেইবোৰ বক্তৃতা এতিয়া সংগ্ৰহ হৈছে, গৱেষণাৰ বস্তু হৈছে। প্ৰমথেশ বৰুৱাই বৰ ভাল বক্তৃতা দিব পাৰিছিল।

কলেজীয়া জীৱনৰ বিভিন্ন দিশত ভূপেনদাই অংশ গ্ৰহণ কৰাৰ কথা কৈ গৈছিল——

বিষ্ণুদা, জ্যোতিককাইদেৱে মোক গঢ়িলে, অসমীয়া সংস্কৃতিকো নতুন ৰূপত গঢ়িলে, তাৰ মাজতে মই স্ৰোতত গঢ় ল'লো। কটন কলেজত এটাই হল। চুদমাৰ্চন হল— কবিতাৰ পৰা আবৃত্তি, ব্যায়াম, গান সকলো তাতেই হয়। মোৰ গানৰ চাহিদা তেতিয়াই বেছি— বক্স অফিচ হিট।

মই গাওঁ— "দূৰণিৰ সেই ৰিণি ৰিণি সৰু গাঁওখনি, তাৰে এটি পঁজাতে বান্ধৈৰ মুখখনি"— বুলি দুশাৰীমান গাই দিলে।

মই বিষ্ণুদাৰ গজল গাওঁ, "আজলী হিয়াৰ মাজে বিজুলী বাণ মাৰে'— বিষ্ণুদাই কটন কলেজত পঢ়িব নোৱাৰিলে। সাংঘাতিক Revolutionary আছিল তেওঁ। কোচবিহাৰৰ ৰজাৰ লগত কাজিয়া কৰি জেললৈ গ'ল— তাৰ পৰা St. Xaviers কলেজলৈ।

"দেউতাই মোক এখন গ্ৰীণ মডেলৰ Releigh চাইকেল কিনি দিছিল। মই ধুতি পিন্ধি কুৰ্তাটো খোলাকৈ নিৰোদ চৌধুৰীৰ দৰে (নিৰোদৰ তেতিয়া জন্মই হোৱা নাছিল) কলেজলৈ আহো। ধুতিত সৰু সৰু চেফটি পিন মাৰি লওঁ ভালকৈ থাকিবলৈ। আমাৰ লগৰ বঙালী ছাত্ৰবোৰে ঢিলাকৈ ধুতি পিন্ধিছিল, একেবাৰে গৰু-ছাগলী সোমাই যাব পৰাকৈ। তাকে লৈ আমি বৰ জোকাইছিলো। চুদমাৰ্চন হলত টেবুল টেনিছ খেলোতে এবাৰ মোৰ পিংপং বলটো ছিটিকি গৈ বাস্তা পাৰ হৈ চেগুন গছজোপাৰ কাষৰ গাৰ্লছ কমনৰুমৰ ওচৰ পালেগৈ। ময়ো দৌৰি গৈ বলটো আনি ডাঙৰ ল'ৰাবোৰৰ গালি খাইছিলো,— "তই তালৈ কেলেই গৈছিলি, কোন তই, সেইবিলাক চব আমাৰ সম্পত্তি। এই সকলৰ নাম নকওঁ, বৰ ডাঙৰ ডাঙৰ মানুহ এতিয়া। দেখিবলৈও বৰ ভাল আছিল তেওঁলোক, প্ৰেমিক, সুন্দৰ ধুতি পিন্ধে ফেশ্যনত।"

কটন কলেজক লৈ এতিয়া কি ভাবে বুলি সোধোতে কৈছিল— "এটা গান লিখিছো ২০০১ চনত শতবৰ্ষৰ গান— 'জিন্দাবাদ কটন কলেজ'— ১৯০১ চনত ৰঘুনাথ চৌধাৰীদেৱেও এটা গান লিখিছিল কটনকলেজক লৈ — Orchestration কৰিছিল নবীন

চন্দ্ৰ বৰদলৈদেৱে। ১৯০১ চনত জন্ম পোৱা কটন কলেজ মাত্ৰ সোতৰ বছৰতেই 2nd grade কলেজৰ পৰা ফাৰ্ষ্ট গ্ৰেড কলেজলৈ উন্নীত হ'ল। কলকাতা বিশ্ববিদ্যালয়ৰ নিচিনা অহংকাৰী অনুষ্ঠানৰ পৰা এই স্বীকৃতি পোৱাটো বৰ ডাঙৰ কথা। ভূপেনদাই এইদৰে কটন কলেজৰ জীৱনৰ কথা সুঁৱৰি সুঁৱৰি বিষ্ণু ৰাভাদেৱে লিখা এটি গজলৰ মাজত বুৰ গৈছিল সেই দিনা।

— আঁজলী হিয়াৰ মাজে বিজুলী বাণ মাৰে
পূবৰ দুৱাৰ মেলি আহে তাই কিৰণ ঢালি
হিয়া যেন মোৰ চমকে। ❑

অমলেন্দু গুহৰ সতে কিছু আলাপ

অসমৰ বৌদ্ধিক জগতখনত ড° অমলেন্দু গুহ অতি পৰিচিত নাম। কৃতী অধ্যাপক, চিন্তাবিদ, সমালোচক, বুৰঞ্জীবিদ, সমাজসংস্কাৰক গুহ ছাৰ আমাৰ চিৰনমস্য। প্ৰাক্তন কটনিয়ান এইজনা ব্যক্তিৰ ওচৰলৈ এই সংকলনটিৰ বাবে লেখা বিচাৰি গৈছিলো। শাৰীৰিক অসুস্থতাৰ বাবে নিজে লিখি দিব নোৱাৰিলে যদিও তেখেতৰ লগত পতা কথা-বতৰাৰ কিয়দংশ প্ৰকাশ কৰি দিয়া হ'ল— সম্পাদিকা।

মই ১৯৪১ চনত কটন কলেজত সোমাইছিলো। মোৰ বিষয় আছিল ইংৰাজী, মাতৃভাষা বাঙালী, সংস্কৃত, বুৰঞ্জী আৰু চিভিক্স। আমাক ড° বাণীকান্ত কাকতি, ড° সূৰ্য্য কুমাৰ ভূঞা আৰু শ্ৰীযুত চন্দ্ৰ কলিতাছাৰে ইংৰাজী পঢ়াইছিল। এওঁলোকৰ ভিতৰত শ্ৰীযুত চন্দ্ৰ কলিতাছাৰৰ ইংৰাজী পাঠদানে মোক বেছি আকৰ্ষিত কৰিছিল।

আমি সোমাওঁতে এচ. চি. ৰয় আছিল আমাৰ অধ্যক্ষ। আমাৰ সময়ত বৃটিছ শিক্ষক নাছিল।

সেই সময়ত কটন কলেজত আপোনাক কিহে বেছি আকৰ্ষিত কৰিছিল?

আমি কলেজত সোমোৱা সময়ত ৰাজনৈতিক পৰিস্থিতিয়ে মুখ্য স্থান পাইছিল।

ছাত্ৰসকল ৰাজনীতিত সচেতন আছিল। আমাৰ সময়ত ছাত্ৰসকলৰ ৰাজনৈতিক সচেতনতাই পাঠ আহৰণ কৰাত বাধাৰ সৃষ্টি কৰা নাছিল। চোকা ছাত্ৰসকলে ৰাজনীতিও কৰিছিল, পঢ়া-শুনাও কৰিছিল। আমি ৰাজনীতিও কৰিছিলো, পঢ়া-শুনাও কৰিছিলো। কিন্তু এতিয়া যি ধৰণৰ ৰাজনীতি ছাত্ৰসকলৰ মাজত সোমাইছে তাক মই সুস্থ ৰাজনীতি বুলি নকওঁ। আমাৰ দিনত ৰাজনীতি কৰিছিলো সাম্ৰাজ্যবাদৰ বিৰুদ্ধে। সেয়া বৰ সুস্থ আছিল। সেই ৰাজনীতিয়ে লেখা-পঢ়াৰ মূল্য নাই বুলি কোৱা নাছিল। সেই ৰাজনীতিয়ে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নাছিল। সেই সময়ত ছাত্ৰই নিৰ্বাচনত এতিয়াৰ দৰে হাজাৰ হাজাৰ টকা খৰচ কৰা নাছিল, মাৰুতি গাড়ীত উঠি ৰাজনীতি কৰা নাছিল, শ্ৰেণীলৈ আহোঁতে মাৰুতি গাড়ী অনা নাছিল। গতিকে পৰিবেশো সুস্থ আছিল, ৰাজনৈতিক বাতাবৰণো সুস্থ আছিল। (চোকা চোকা) মেধা ছাত্ৰসকলেই দেশৰ কাৰণে কিবা এটা কৰোঁগে বুলি ৰাজনীতিৰ লগত জড়িত হৈছিল। যিসকল প্ৰত্যক্ষ ৰাজনীতিত নাই সেইসকলে সমাজসেৱা কৰিছিল। কিন্তু এতিয়া ৰাজনৈতিক কামত ছাত্ৰৰ উদ্ভ্ৰগুলি হয়, ৰাজনীতিৰ নামত ঠেক সাম্প্ৰদায়িকতা, ৰাজনীতিৰ নামত অতি ঠেক চিন্তা— এইবোৰেই প্ৰধান দুৰ্নীতি। সেই সময়ৰ যিটো ৰাজনৈতিক সচেতনতা আছিল সেয়া বোধকৰো প্ৰাকস্বাধীনতা যুগৰ জাতীয়তাবাদৰ বাবেই গঢ় লৈ উঠিছিল।

'আপোনাৰ সময়ত ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক কেনে আছিল?'

আমাৰ সময়ত ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক অতি সুন্দৰ আছিল। মই অৱশ্যে মাত্ৰ এবছৰ কালহে কটন কলেজত পঢ়িছিলো। যুদ্ধ চলি থকাৰ বাবে সৈন্যই আহি কলেজৰ কোঠাবোৰ দখল কৰিবলৈ আৰম্ভ কৰিলে। মই সেই সময়ত ট্ৰেন্সফাৰ চাৰ্টিফিকেট লৈ অসমৰ বাহিৰলৈ গুচি গ'লো। কিন্তু এই এবছৰৰ স্মৃতি মোৰ মানস পটত চিৰকাললৈ থাকি গ'ল। প্ৰেচিডেন্সি কলেজৰ লগত কটন কলেজৰ তুলনা হৈছিল। সেই সময়ত শিক্ষকে প্ৰাইভেট টিউচন নকৰিছিল।

'আপুনি প্ৰাইভেট টিউচনৰ কথা উনুকিয়ালেই যেতিয়া দুআষাৰ সেই বিষয়েই আপোনাৰ পৰা জানিবলৈ পালে ভাল পাম।'

আমাৰ সময়ত নিয়মীয়াকৈ টিউটৰিয়েল ক্লাছ হৈছিল। শিক্ষকসকলে ছাত্ৰৰ ওপৰত সদায় চোকা দৃষ্টি ৰাখিছিল, টিউটৰিয়েল ক্লাছত আমি মুখামুখিকৈ শিক্ষকৰ লগত খোলাখুলিকৈ আলোচনা কৰিব পাৰিছিলো। ক্লাছত শিক্ষকৰ অনুপস্থিতি বিৰল ঘটনা আছিল। কেইজনমান শিক্ষকৰ কথা মাজে মাজে মনত পৰি থাকে। লক্ষীনাৰায়ণ চট্টোপাধ্যায় ছাৰে আমাক সংস্কৃত পঢ়ুৱাইছিল। তেখেতে ক্লাছলৈ কিতাপ লৈ নাহিছিল, সংস্কৃত শ্লোকবোৰ মুখস্থ মাতি যাব পাৰে আৰু শ্ৰেণীত আমাক সেইবোৰ বুজাই যায়। এই কথা এতিয়াও মনত পৰি থাকে। আমাৰ কলেজৰ লাইব্ৰেৰীৰ আলমাৰীৰ তলা বন্ধ থাকে। এদিন মই বাহিৰৰ পৰা কিতাপ চাই আছিলো। ড° বাণীকান্ত কাকতি ছাৰে পিচফালৰ পৰা আহি মোৰ কান্ধত হাত থৈ সুধিলে— তুমি ভাল কিতাপ বিচাৰি আছা— ৰ'বা বুলি এখন ইংৰাজী ন'ভেল উলিয়াই ক'লে 'লোৱা' এইখন পঢ়িবা— ন'ভেলখনৰ নাম আছিল ইফ উইন্টাৰ কামচ্ । এই কথাও মই পাহৰিব নোৱাৰো.........................।

ঢেলি মৰাণ আও— আমাৰ সময়ৰ খেলুৱৈ ভাৰতীয় অলিম্পিকৰ ফুটবল টিমৰ কেপ্টেইন আছিল। আমাৰ সময়ত দামোদৰ মহন্ত নামৰ এজন ছাত্ৰই প'ল ভল্টত ৰেকৰ্ড কৰিছিল।

'ছাৰ কটন কলেজে এশবছৰ পূৰ্ণ কৰি শতবাৰ্ষিকী পাতিলে। কটন কলেজক অট'নমী লাগে বুলি চেষ্টা চলাই থকা বুলি শুনা যায়। এই বিষয়ে আপুনি কি ভাবে?' এখন মহাবিদ্যালয়ৰ অট'নমী পাবৰ জোখাৰে কটন কলেজে পৰিপূৰ্ণতা পাইছেনে?

মই কটন কলেজে অট'নমী পোৱাটো বাঞ্ছা কৰো কিন্তু তাৰ আগতে কেইটামান দিশত কটন কলেজ আগবাঢ়ি ল'ব লাগিব।

প্ৰথম কথা হ'ল, কলেজৰ শিক্ষকে প্ৰাইভেট টিউচন কৰাটো। এইটো বৰ লাজৰ কথা। আমাৰ ছাত্ৰজীৱনত অসমৰেই হওক বংগদেশতেই হওক এই ট্ৰেডিশ্বনটো একেবাৰে নাছিল। এইটো একবাৰে শেষ কৰিব নোৱাৰিলেও কমাই দিব লাগিব। চৰকাৰে এই ক্ষেত্ৰত কঠোৰ হ'ব লাগিব। অট'নমী পাবৰ বাবে প্ৰয়োজনীয় ইনফ্ৰাষ্ট্ৰাকচাৰ হ'ব লাগিব। সেই বিষয়ত আমি দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব।

'প্ৰাইভেট টিউচনে বিদ্যালয়ৰ শৈক্ষিক পৰিবেশত কিবা প্ৰভাৱ পেলাব বুলি আপুনি ক'ব খোজে নেকি?'

নিশ্চয় পেলায়। কাৰণ বিদ্যালয়ৰ পাঠদান শেষ কৰি শিক্ষকজনে আকৌ ঘৰলৈ গৈ যদি ঘৰুৱা শিক্ষকতা কৰে তেনেহ'লে বিদ্যালয়ত ছাত্ৰৰ প্ৰতি যথেষ্ট মনোযোগ দিয়াৰ অৱকাশ নাপায়। শ্ৰেণীৰ পাঠ শেষ হোৱাৰ পাচতেই তেওঁলোক গুচি যাব লাগিব। কিন্তু আমি বিচাৰো শিক্ষকজনে বিদ্যালয়ত সৰহ সময় থাকি ছাত্ৰ ছাত্ৰীক সহায় কৰক, পুথিভঁৰালৰ উপযুক্ত ব্যৱহাৰ কৰক।

'শুনা যায় যে ৰাতিপুৱাৰ ভাগতো এনেধৰণৰ ঘৰুৱা পাঠদান চলে। সেইটোৱে ছাত্ৰসকলৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে নেকি?'

সেইটোতো আৰু সাংঘাতিক কথা। পাঠদানৰ আগতে শিক্ষকজনে সুন্দৰকৈ নিজ বিষয়টো ঘৰত পঢ়ি লব তাৰ পাচতহে শ্ৰেণীত ভালকৈ পঢ়ুৱাব। বিশেষকৈ কলা বিভাগৰ শিক্ষকৰ কাৰণে এইটো বৰ প্ৰয়োজনীয় কথা।

আমাৰ দিনত অধ্যাপকসকলে বিনা পইচাৰে ছাত্ৰক সহায় কৰিছিল– টিউটৰিয়েল ক্লাছ যথেষ্ট হৈছিল। ছাত্ৰই শিক্ষকৰ ওচৰলৈ গৈ বুজি লৈছিল। আনকি ক্লাছ IX, X ৰ ল'ৰাই কলেজৰ শিক্ষকৰ ওচৰত অঙ্ক বুজিবলৈ গৈছিল। মোৰ মনত আছে আৰু আজিও ভাবিলে লাজ লাগে যে মই হৰ্ষবাবুৰ ওচৰত ক্লাছ নাইনৰ অংক শিকিবলৈ গৈছিলো। তেওঁ তেতিয়া কটন কলেজৰ অধ্যক্ষ আছিল। অৱশ্যে এই টিউচন ব্যৱস্থাৰ ফলত কিছুমান ছাত্ৰ বেছ উপকৃত হয়। দুখীয়া মেধা ছাত্ৰসকলক যাৰ ঘৰত পঢ়াৰ পৰিবেশ নাই সেইসকলক শিক্ষকসকলে ঘৰত পঢ়ুৱালে ছাত্ৰসকল লাভবান হয়।

'কটন কলেজত বিশেষকৈ বিজ্ঞান শাখাত অসমৰ আটাইতকৈ মেধাবী, চোকা ছাত্ৰসকল ভৰ্তি হয় তেওঁলোকৰ নিম্নতম নম্বৰ শতকৰা ৮০% ৭৯% থাকে। কিন্তু আজি যেতিয়া উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল দেখো, তাত দেখিবলৈ পাওঁ যে ইমান বেছি নম্বৰ পোৱা ছাত্ৰসকলৰ ভিতৰতো অকৃতকাৰ্য্য বা তৃতীয় বিভাগত পাছ কৰা ছাত্ৰও থাকে। ইপিনে প্ৰথম দহটা আসনো তেওঁলোকে লাভ কৰে। এতিয়া আমি ফলাফলৰ হাৰ কোনটো ধৰিম। প্ৰথম দহজনৰ ফলাফলকেই কৃতকাৰ্য্যতা বুলি ল'ম নে শতকৰা আশী বা পঁচাসত্তৰ নম্বৰ পাই অকৃতকাৰ্য্য হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ গড় হিচাপ উলিয়াহে কৃতকাৰ্য্যতা জুখিম?'

যদি শতকৰা পঞ্চাশ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক লৈ কলেজে আশী শতকৰা উত্তীৰ্ণৰ হাৰ দেখুৱাব পাৰে তেওঁলোককেই কৃতিত্ব দিব লাগিব।

'আজিৰ কটনিয়ানে যি ভাবে কাইলৈ সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীয়ে চিন্তা কৰে বুলি এষাৰ কথা আছে। বৰ্তমান যুৱ বিশৃংখলা, যুৱ মানসিকতাৰ দ্ৰুত পৰিৱৰ্তনে সামাজিক অস্থিৰতাৰ সৃষ্টি কৰিছে। তাৰ প্ৰতিকাৰৰ বাবে বৰ্তমানৰকটনিয়ান সকলেই পথ প্ৰদৰ্শক হোৱাটো আপুনি কামনা কৰেনে?'

আমাৰ দিনৰ কটন কলেজৰ পৰিবেশ অতি সুস্থ আছিল, সেই পৰিবেশ ঘূৰাই অনাৰ প্ৰচেষ্টাত সমাজৰ পক্ষৰ পৰা আমি চেষ্টা কৰিম, কটনিয়ানসকলেও আগভাগ ল'ব লাগিব, কলেজৰ চৌহদৰ দুৰ্নীতিৰ বিৰুদ্ধে যুঁজিব লাগিব, নিৰ্বাচনৰ খৰচপাতি বেছিকৈ কৰিলে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব লাগিব। ৰেগিং বন্ধ কৰিব লাগিব সমূলি। ৰেগিং এক নিষ্ঠুৰ বৰ্বৰতা। তেওঁলোক ৰাজনৈতিকভাৱে সচেতন হ'ব লাগিব। ৰাজনৈতিক সচেতনতা মানেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো নুবুজায়। সুনাগৰিক হ'বলৈ হ'লে ৰাজনৈতিক সচেতনতাৰ প্ৰয়োজন।

'আপোনাৰ লগত কথা পাতি বৰ ভাল লাগিল।'

তুমি মোক পুৰণি দিনলৈ ওভতাই লৈ গ'লা।

'ছাৰ আপোনাক এটা কথা সুধিবলৈ পাহৰি গৈছিলো। আপোনাৰ সমসাময়িক ব্যক্তিসকলৰ হয়তো কোনোবা আছে, কোনোবাই সংসাৰৰ পৰা বিদায় মাগিছে। তেখেতসকলৰ কথা কিবা মনত আছেনে?'

বয়সে বহুত কথাই পাহৰাই দিলে। বহুতো কথাই পাহৰিছো। নৱকান্ত বৰুৱা নগাঁৱৰ পৰা আহিছিল যদিও শান্তিনিকেতনলৈ গুচি গ'ল। পৰাগধৰ চলিহাক পাইছিলো। তেওঁ কলেজত যথেষ্ট বিখ্যাত হৈছিল। তেওঁ নিজে কলেজ এখন প্ৰতিষ্ঠা কৰিছিল। ৰামচৰণ দাস আছিল, নন্দেশ্বৰ তালুকদাৰ আছিল তেওঁ চি-পি-এমৰ নেতা। ❑

সাক্ষাৎ লওঁতা শ্বামীম আখটাৰ

কেশৱ মহন্ত

ঘটনাৰ সোঁতে সোঁতে

পৰিপাটি আৰু নিয়াৰিকৈ কিবা কাম কৰিবলৈ পোনতে এটা আঁচনি কৰি ল'লে কামটোত বহুলাংশে সফল হ'ব পাৰি। কিন্তু মোৰ জীৱনটোৰ ধৰণেই আছিল এনে যে কোনো এটা কামৰে আগতীয়া আঁচনি কৰি ল'ব নোৱাৰিলোঁ। এটা লক্ষ্য অৱশ্যেই আছিল, সেই লক্ষ্য পোৱালৈ যোৱা বাটটোহে নিৰ্দিষ্ট নাছিল। ঘটনাৰ ঢৌৱে য'তে পেলাইছিল নি, তাৰে পৰাই উঠি যাবলৈ চেষ্টা কৰিছিলোঁ। চেষ্টাই মোৰ বাটৰ একমাত্ৰ সম্বল আছিল।

মোৰ লক্ষ্য আছিল 'মেট্ৰিক' পাছ কৰাৰ। মই এম. ভি.— অসমীয়াত মজলীয়া ইস্কুল বুলিছিল— পাছ কৰি হাইস্কুলৰ পঞ্চমমানত নাম লগাবলৈ যো-জা কৰোঁতেই সবল-সুঠাম দেউতাটো ঢুকাই থাকিল। অকাল বৃদ্ধা 'মা' আৰু এবছৰীয়া ভাইটোক লৈ মোৰ যাত্ৰা আৰম্ভ হ'ল। গতিকে, মেট্ৰিক পাছ কৰাটো মোৰ কাৰণে এক অসাধ্য সাধনহে আছিল। তথাপি তাকেই লক্ষ্য কৰি জীৱনৰ বাটত খোজ পেলালোঁ।

হাইস্কুলৰ পঞ্চমমানৰ পৰা দশমমানলৈ এই ছটা বছৰত মই অন্ন সংস্থানৰ কাৰণে আৰু পঢ়াৰ ব্যয় বহন কৰিব নোৱাৰি দুবাৰ স্কুল এৰিব লগীয়াত পৰিছিলো। মোৰ শিক্ষাগুৰুসকলৰ স্নেহ আৰু সহানুভূতি আৰু শুভাকাংক্ষীসকলৰ উদগনি আৰু সহায়ত

আকৌ উভতি আহিছিলো পঢ়িবলৈ। ১৯৪২ চনৰ দেশৰ স্বাধীনতা সংগ্ৰামত যোগ দি কাৰাগাৰলৈ যাব লগাত পৰিছিলো; আকৌ ওলাই আহি ১৯৪৪ চনত মেট্ৰিক পৰীক্ষা দি উত্তীৰ্ণ হৈছিলোঁ। এনেকৈয়ে মোৰ লক্ষ্যত উপনীত হলোঁ।

এইখিনিতে এটা ঘটনা ঘটিল। ১৯৪২ চনৰ কাৰাগাৰত থাকোঁতে আমাৰ চতিয়াৰ বীৰেণ (বৰকটকী), গোলোক (ৰাজবংশী), পোৱাল (বৰুৱা) আৰু মোৰ প্ৰতি কাৰাগাৰত থকা কংগ্ৰেছী নেতা জনদিয়েকৰ আদৰ দেখা পাইছিলোঁ। আমাৰ কেইটাৰ ভিতৰত ময়েই আৰ্থিক অৱস্থাত যে অতি হীন আছিলোঁ, সেইষাৰ কথা বীৰেণহঁতৰ মুখে এই নেতাসকলে গম পাইছিল। তাৰে নগাঁৱৰ এগৰাকী প্ৰথম শাৰীৰ প্ৰাদেশিক নেতাই এদিন মোক ক'লে যে তেখেতসকলক আমাৰ দৰে উৎসাহী ল'ৰাৰ প্ৰয়োজন। তেখেতে নগাঁৱত এইবাৰ ওলাই গৈ এখন কলেজ পাতিব আৰু মই ভালকৈ মেট্ৰিকটো পাছ কৰিব পাৰিলে তাতে বিনামূলীয়াকৈ মোৰ পঢ়াৰ সুবিধা কৰি দিব। সময়ত খবৰ কৰিবলৈও ক'লে।

'মেট্ৰিক পাছ' কৰাৰ পিছত এই ঘটনাটোৰ সোঁতত পৰিলোঁ আৰু যথা সময়ত নগাঁৱলৈ যাত্ৰা কৰিলোঁ; নৌকা-যাত্ৰা। নাওখন শিলঘাটৰ ঘাটত লগাৰ আগে আগে পকনীয়াত পৰি তল যাবলৈ ধৰিলে; দুজন ঘাটেয়ে (তেওঁলোক মৈমনসিংহৰ আছিল) গুণ টানি নাও পাৰত লগালে। আমি কঁকাললৈকে জুৰুলি-জুপুৰি হৈ পাৰত বৈ থকা বাছমুখে আগবাঢ়িলোঁ। আমাৰ দুৰ্গতিৰ প্ৰতি অনুকম্পাত ড্ৰাইভাৰে আমাৰ তিতা বিচনাপত্ৰ গাড়ীৰ ওপৰত তোলাই দি আমাক নগাঁৱলৈ লৈ গ'ল। নগাঁও পাই মোৰ চিনাকি আত্মীয় এজনৰ ঘৰত থাকি কাপোৰ-কানি ৰ'দালোঁ। ইতিমধ্যে, কলেজ স্থাপিত হৈছে। পোৱালে নামেই লগালে। মই গৈ কলেজৰ অন্যতম প্ৰতিষ্ঠাপক সেই নেতাজনক লগ ধৰিলোঁ। মোক চিনি পোৱাত সময় ল'লে যদিও, মোৰ কথা ধৈৰ্য্যেৰে শুনিলেও। কিন্তু জনালে যে নতুন কলেজ, বিনামূলীয়াকৈ পঢ়িবলৈ দিয়া সম্ভৱ নহ'ব। গতিকে মোক অন্যধৰণে চেষ্টা কৰিবলৈ উপদেশ দি বিদায় দিলে। উপদেশ শুনিলোঁ, কিন্তু চেষ্টাৰ অন্যধৰণটো কি হ'ব ভাবি উলিয়াব নোৱাৰি জঁয় পৰা যুঁজাৰু কুকুৰাটোৰ দৰে ঘৰলৈকে উভতিলোঁ।

চতিয়াত বাছৰ পৰা নমাৰ লগে লগেই তাতে থকা জনদিয়েক অগ্ৰজোপম শুভানুধ্যায়ীয়ে বেগাই আহি সুধিলে, "কি অ', কি হ'ল?" যি হ'ল মই আদ্যোপান্ত ভাঙি ক'লোঁ। তেখেতসকলে একেমুখে ক'লে "তই এতিয়াই গুৱাহাটী বুলি যাত্ৰা কৰ। তাত তোৰ কিবা এটা হ'ব পাৰে।" কিয় তেনেকৈ ক'লে ধৰিবলৈ টান পালোঁ। তথাপি মোৰ চেষ্টাৰ মৰোঁ-জীওঁ (desperate) ধৰণটো দেখিয়েই এনে আচহুৱা সাহ এটা দিছে বুলি ভাবি ল'লোঁ। তেখেতসকলে যাৰ জেপত যি আছিল তাকে তুলি ৩২টা টকা মোক দিলে। তাকে সম্বল কৰি (১৯৪৪ চনত ৩২টা টকা আজিৰ ধাৰণাৰে চাব নোৱাৰি) ঘৰত মাক মাত দি মোৰ কথাবোৰ ক'লোঁ। মায়ে সজ পথে সাহেৰে কামত নামিলে ঈশ্বৰেও চকু মেলি চায় বুলি মোক যাত্ৰা কৰিবলৈ দিলে। মাৰ আশীৰ্বাদো পালোঁ। সেৱা এটা জনাই পিছদিনা গুৱাহাটী বুলি যাত্ৰা কৰিলোঁ।

ইতিমধ্যে, বীৰেণে গুৱাহাটীত বাতৰি-কাকত, আলোচনী আদিত অলপ লাগি-ভাগি দি তাতে থাকিবলৈ লৈছে। এদিন তাৰপৰা এখন চিঠি পালোঁ। লিখিছে, 'জয়ন্তী' বুলি আলোচনী এখন ওলাইছে, তাৰ যুটীয়া সম্পাদক কমল নাৰায়ণদেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, তাঁলোকে মোৰ কিবা এটা লিখা পঠাই দিবলৈ কৈছে। চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই বিচাৰিছে হেনো। চক্ৰেশ্বৰ ভট্টাচাৰ্যাৰ চতিয়াৰ লগত এটা নিবিড় সম্পৰ্ক আছিল; আমি

তেখেতক চক্ৰদা বুলিছিলোঁ। বীৰেণৰ চিঠি পাই উৎসাহত গল্প এটাকে লিখি পঠালোঁ। নাম থলোঁ 'মৰাশৰ হাঁহি।' গল্পটো ওলাল। আনন্দৰ সীমা নাই।

এই 'জয়ন্তী' কাকতৰে সূত্ৰ ধৰি মই ৰিক্সাৱালাক উজান বজাৰলৈ যাবলৈ নিৰ্দেশ দিলোঁ। যোৱাৰ আগতে 'বিজুলী কেবিন' নামৰ চাহদোকান এখনত একাপ চাহ খাই ল'লোঁ। বীৰেণে বাটটোৰ দিহা দি থৈছিল। ওলালোঁগৈ। নামিয়েই ৰিক্সাৰ ভাড়া দিবলৈ জেপ খেপিয়াই চাওঁ, 'পাৰ্ছ'টোৱেই নাই। চাহৰ দোকানতে হুৱা-দুৱাত এৰি থৈ আহিলোঁ নিশ্চয়। ৰিক্সাত চক্ৰদাই মোক দেখি আচৰিত হ'ল, "আৰে, কেশৱ দেখোন? ক'ৰ পৰা আহিলি?" মই ঘৰৰ পৰাই বুলি ছ-অনা পইছা খুজিলোঁ। চক্ৰদা আচৰিত হ'ল, কিন্তু কালবিলম্ব নকৰি আধলি এটা উলিয়াই দিলে। দুঅনা পইচা ওভতাই পাই চক্ৰদাক যাচিলোঁ। চক্ৰদাই বোলে "থঃ তোৰ উদং জেপতে।" ভালেই পালোঁ, কামত আহিব।

কাৰ্য্যালয় সোমাই দেখোঁ, জনদিয়েক তিৰবিৰাই থকা চকুৰে ভদ্ৰলোক বহি আছে। তাৰে এজনে গলগলীয়া মাতেৰে সুধিলে, 'কেশৱ, গুৱাহাটীত কিবা কাম আছে?" মই ক'লোঁ, "কলেজত পঢ়িবলৈ আহিছোঁ।" শুনা মাত্ৰকে চক্ৰদাই হাঃ হাঃ কৈ হাঁহি ক'লে, "ইয়াৰ ৰিক্সা ভাড়াটোৱেই নাই, সি আকৌ কলেজত পঢ়ে! কোনখন কলেজত পঢ়? "মই বোলো 'কটন কলেজত।' বহি থকা কাৰো মুখত মাতবোল নাই। চক্ৰদাই বোলে "আহ্ বাৰু এতিয়া। পেটত চাইটা পেলাই ল আগেয়ে। কলেজ পিছতো হ'ব।" ভাত পানী খাই আহি দেখোঁ মানুহ কেইজন বহি কিবা আলোচনা কৰি আছে— 'জয়ন্তী'ক কেন্দ্ৰ কৰি। চক্ৰদাই চিনাকি কৰি দিলত গম পালোঁ, গলগলীয়া মাতেৰে মতাজন ভৱানন্দ দত্ত, কাষতে আনন্দেশ্বৰ শৰ্মা, তাৰপাছত প্ৰফুল্ল দত্ত গোস্বামী আৰু এমূৰে কমলনাৰায়ণ দেৱ। দেৱে ক'লে "আতচা, এৱেঁইতো 'মৰাশৰ হাঁহি'ৰ গল্পকাৰ। সকলোৱে হয় দিলে। 'গল্পটো বেয়া হোৱা নাই'; 'দত্তই ক'লে। ভৱানন্দ দত্তক মই আগতে লগ পাইছিলোঁ, নগাঁৱত বহা ছাত্ৰ ফেডাৰেছনৰ বাৰ্ষিক সন্মিলনত। তেখেতে 'প্ৰেম তাৰ নতুন পুৱাৰ' শীৰ্ষক মোৰ কবিতা এটা শুনি 'ভালেই হৈছে, চেষ্টা নেৰিবা' ধৰণৰ মন্তব্য এটা কৰা মনত আছে। একমাত্ৰ হেঁপাহকে সম্বল কৰি কটনত পঢ়িবলৈ অহা কথাটোত তেখেতে গুৰুত্ব দি ক'লে যে তেখেতৰ তাতে ৰাতিৰ সাজ খাই থাকিব পাৰিম। বাকীখিনি মই নিজে 'মেনেজ' কৰি ল'ব লাগিব। বৰ সকাহ পালোঁ। দিনটো পালে খেনটো পায়। সেইমতে 'জয়ন্তী' কাৰ্য্যালয়ৰ পৰা দত্তদাৰ ঘৰমুখে গলোঁগৈ। ৰাতি শুবৰ সময়ত দত্তদাই তৰুণ আগৰৱালাৰ নাম শুনিছোঁনে নাই সুধিলে আৰু ক'লে যে তেখেত নিউপ্ৰেছৰ এজন মালিক। তামোলবাৰী চাহ বাগিছাৰো অন্যতম মালিক। জ্যোতিপ্ৰসাদৰ ভায়েকেই। তেখেতক লগ ধৰি মোৰ উদ্দেশ্যৰ কথা ক'বগৈ পাৰিমনে নাই সুধিলত মই টপৰাই উত্তৰ দিলোঁ, "পাৰিম।" কথাৰাৰ কৈ ৰাতি ভাবিলোঁ "কি বা পাৰিম?" যি হওক পুৱা ৯মান বজাত ওলাই গৈ তেখেতৰ হাউলীত সোমালোঁ। বাৰাণ্ডাতে এজন ডেকা-চানেকীয়া সম্ভ্ৰান্ত চাৱনিৰ মানুহ বহি আছিল। তেখেতেই আগৰৱালা বুলি ভাবি নমস্কাৰ দিলোঁ। তেখেতে মূৰ দাঙি এটা তীক্ষ্ণ চাৱনিৰে সুধিলে, "ক'ৰ ল'ৰা? কি লাগে;" মই মোৰ উদ্দেশ্যৰ কথা ক'লত তেখেতে মোৰ ঘৰ ক'ত আৰু নাম কি সুধিলে। মই চতিয়াৰ আৰু নাম কেশৱ মহন্ত বুলি ক'লোঁ। তেখেতে হঠাৎ মোক Chap শব্দটো উচ্চাৰণ কৰিবলৈ দিলে। কৰিলোঁ। মুখত হাঁহিৰ বিৰিঙনি দেখিলোঁ। তাৰপিছত tap আৰু tape শব্দ দুটা উচ্চাৰণ কৰিবলৈ দিলে। কৰিলোঁ।

সন্তোষ লগা যেন পালোঁ। তাৰপিছত সুধিলে যে ক্লাছ ফ'ৰত পঢ়া তেখেতৰ ছোৱালীজনী পঢ়াব লাগিব। আধা ঘণ্টাৰ বেছি নহয়। মই তলমূৰে সমৰ্থন জনালোঁ। তাৰপিছত তেখেতে টকা এশ দি মোক সেইদিনাই কলেজত নাম লগাই আহিবলৈ ক'লে। যথাদিষ্ট ময়ো কটনত নাম লগালোঁগৈ। শ্ৰীযুতা আগৰৱালাই মোক তাতে কলেজৰ ভাত খাই যাবলৈ কোৱাত, দিনৰ পেটৰ সমস্যাটোৰো ওৰ পৰিল। মই তেখেতক বাইদেউ বুলিছিলোঁ। তেখেতৰ দেউতাক গুণ মহন্ত। সোণাপুৰৰ মৌজাদাৰ। ভিনদেউৰ তদাৰক আৰু বাইদেউৰ আলহ-উদহ পাই এই যাত্ৰা সুখকৰ হ'ব বুলিয়েই ধৰি ললোঁ।

ইয়াৰ পিছৰ বাটটো যথেষ্ট খলাবমা আছিল। সেইখিনি নুলিয়ালোঁ।

কটন কলেজলৈ আহি এক অচিনাকি অথচ আকৰ্ষক পৰিবেশ এটা পালোঁহি। মই নগৰৰ নামত তেজপুৰখনকেই যি দেখিছোঁ। তাকো মাজে-সময়ে। গুৱাহাটীৰ নামহে শুনিছিলোঁ। কটন কলেজৰ নাম শুনিছোঁ, কিন্তু তাত পঢ়াটো সপোনৰো অগোচৰ, তথাপি ঘটনাৰ টৌৱে আনি তাতেই পেলাই দিলেহি।

কটন কলেজলৈ আহি নৱকান্ত বৰুৱা আৰু অজিতমল্ল (এতিয়া অজিৎ) বৰুৱাক লগ পোৱাটো এটা আকস্মিক প্ৰাপ্তি যেন লাগিছিল। নৱকান্ত শান্তি নিকেতনত পঢ়ে, অজিৎ বৰুৱা কটনত। নৱকান্তক মাজে মাজে গুৱাহাটীত লগ পাওঁ। ভৱানন্দ দত্তই এই দুই কবিক প্ৰশংসাৰ দৃষ্টিৰে চাইছিল। দত্তদা কেন্দ্ৰবিন্দু হোৱাৰ কাৰণে ময়ো সেই দলত স্থান পালোঁ।

কটন কলেজৰ শ্ৰেণী কোঠাৰ বাহিৰত থুপ খাই নীৰৱে কিবা কথা পাতি থকা ল'ৰা কেইজনমান প্ৰায়ে দেখোঁ। তেওঁলোকৰ চাল-চলন, আচৰণ আনতকৈ একেবাৰে সুকীয়া আছিল। এই থুপটোত আছিল ব্ৰজেন বৰুৱা, অজিতমল্ল বৰুৱা, যতীন দেৱ আৰু সদা মৰল। থুপটোৰ নাম আছিল "হেল'জেন গ্ৰুপ"। অজিৎ বৰুৱাই লিখা গীতৰ কথা ভাগত মই মুগ্ধ হৈ পৰিছিলোঁ। তাতে সোণত সুৰগা চৰাইছিল ব্ৰজেন বৰুৱাৰ প্ৰাণ কাঢ়ি নিয়া সুৰে। শুনিছিলোঁ, 'আকাশৰ পাৰ ভাঙি আহে জোনাকৰ ঢল'। ভাৰতৰ সাম্প্ৰদায়িক নৰ সংহাৰৰ সময়ত লিখা অজিৎ বৰুৱাৰ, "হিন্দু মুছলমান/বৈ যায় তোৰ বিজয় ৰথ/ বৈ যায়/ বৈ যায়।" গীত শুনি আপ্লুত হৈ পৰিছিলোঁ। সদা মৰল আছিল তীক্ষ্ণধী আৰু অধ্যয়নপুষ্ট ল'ৰা। যতীন দেৱেও দলটোত যথাযোগ্য ভাগ লৈছিল। পিছৰ জীৱনত অজিৎ বৰুৱাক অতি ভদ্ৰ, ৰসিক আৰু অন্তৰঙ্গ বন্ধু হিচাপে পাওঁ। ব্ৰজেন বৰুৱাইতো এটা সময়ত মোৰ গীতৰ, বিশেষকৈ চলচ্চিত্ৰৰ, দুৰ্লভ সুৰকাৰ হিচাপে মোক কৃতজ্ঞ কৰি ৰাখিলে। সদা ছাত্ৰ ফেডাৰেছনৰ নেতৃস্থানীয় কৰ্মী হোৱাৰ কাৰণে সামাজিক-ৰাজনৈতিক ক্ষেত্ৰতো তেওঁক আপোন ৰূপত পাওঁ।

কলেজত বছৰি সুকুমাৰ কলা-প্ৰতিযোগিতা হৈছিল। তাত অজিৎ বৰুৱা আৰু মই কবিতাৰে আৰু সহপাঠী যোগেশ দাসে চুটি গল্পেৰে যোগ দি পুৰস্কাৰ পাইছিলোঁহক। যোগেশো পিছৰ জীৱনত বৰ অন্তৰঙ্গ হৈ পৰিছিল। মোৰ 'কাউৰী পৰে' গীতটোও তাৰ খতিয়নিতে লিখা। সি অৱশ্যে কেৰাণীৰ জীৱনক কেন্দ্ৰ কৰি লিখিবলৈ কৈছিল, কিন্তু পিয়নৰ জীৱনটো মোৰ অধিক আপোন হোৱাত তাকে লিখিলোঁ।

আৰু লগ পাইছিলোঁ দুজন বন্ধুক— উপেন শৰ্মা আৰু মাণিক শৰ্মা। মাণিকক ছাত্ৰ আন্দোলনৰ সহকৰ্মী হিচাপে পাইছিলোঁ আৰু ব্যক্তিগত বন্ধুত্বও গঢ়ি উঠিছিল তাৰ লগত।

উপেন আছিল প্ৰচুৰ কিতাপ পঢ়া ল'ৰা। তেঁৱেই মোক ৰবীন্দ্ৰনাথ আৰু শৰৎ চেটাৰ্জিৰ লিখাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। উপেনে ময়ে প্ৰথম বাৰ্ষিক (আই এছ. ছি)ত একেখন বেঞ্চিতে বহিছিলোঁ। এতিয়া এই দুই বন্ধু আৰু নাই, যেনেকৈ ব্ৰজেন বৰুৱা আৰু যতীনদেৱো নাই।

সমাজ সচেতনতা সেইকালৰ এভাগ ছাত্ৰৰ এটা চালিকা-শক্তিৰ দৰে আছিল। কটন কলেজতো ইয়াৰ ব্যতিক্ৰম নাছিল। আৰু কটন কলেজ মানেইতো সেইকালৰ ডাঙৰ অসমখনৰ যৌৱন।

কটন কলেজত তিনিটা প্ৰধান ছাত্ৰ সংগঠন আছিল; যথা, ছাত্ৰ কংগ্ৰেছ, ছাত্ৰ ফেডাৰেছন আৰু প্ৰাদেশিক ছাত্ৰ ফেডাৰেছন। সংগঠন কেইটাৰ শীৰ্ষত যথাক্ৰমে বিশ্ব গোস্বামী, ফণী বৰা আৰু তৰুণসেন ডেকাৰ দৰে তিনিগৰাকী প্ৰতিভাৱান নেতা আছিল। কলেজৰ ছাত্ৰসকলৰ প্ৰতিনিধি নিৰ্বাচনৰ কাৰণে বিৰাট বিৰাট নিৰ্বাচনী সভা-সমদল হৈছিল। দেশৰ ৰাজনৈতিক দলবোৰৰ প্ৰতিনিধি নিৰ্বাচন আৰু কটন কলেজৰ নিৰ্বাচনৰ ধৰণৰ মাজত পাৰ্থক্য নাছিল বুলিলেই হয়। নিৰ্বাচনত বিভিন্ন ছাত্ৰ সংগঠনৰ মাজত নীতিগত মত-পাৰ্থক্য প্ৰকট হৈ উঠিছিল; কিন্তু মনান্তৰ কাহানিও হোৱা নাছিল। বৰং মত-বিৰোধ, বাক-বিতণ্ডাৰ জোৱাৰ শাম কাটিলে গালাগালিৰ ঠাই লৈছিল গলা গলিয়ে। হাঁহি, আনন্দই ছাত্ৰসমাজত এটা প্ৰেৰণাদায়ক পৰিৱেশৰ সৃষ্টি কৰিছিল।

এবাৰ ১৯৪৭-৪৮ চনতেই নেকি ভালকৈ মনত নাই— ফাঁচীবজাৰৰ এজন ব্যৱসায়ীৰ গুদামত ৫০০ টিন ভেজাল মিঠাতেল ছাত্ৰসকলে ধৰা পেলাই জব্দ কৰিলে। হুলস্থূল লাগি গ'ল। সেইসময়ত বিভিন্ন ছাত্ৰ-সংগঠনৰ মাজৰ একতাৰ কথা সুঁৱৰি আজিও গৰ্বত বুকু ওফন্দি উঠে। তিনিওটা ছাত্ৰ-সংগঠনে তেওঁলোকৰ সুযোগ্য নেতাৰ নেতৃত্বত একেমুখে দাবী তুলিলে। এই চোৰাং কাৰবাৰীজনৰ উপযুক্ত শাস্তি হ'ব লাগে। বিষয়টো আদালতত উঠিলগৈ। মোকৰ্দমা চলিল। দেখা গ'ল অসমৰ শিৰফুটা ৰাজনৈতিক তথা সামাজিক নেতা সকলৰ মাজৰ পৰা অহা উকিলসকলে ব্যৱসায়ীজনৰ পক্ষ সমৰ্থন কৰিলে। আমি ছাত্ৰবোৰে আদালতলৈ সোমোৱা পকী ছিৰিত শুই দিলোঁহক। উকিলসকল আমাক চেৰাই গৈ বিচাৰ কক্ষত সোমাল। শুনানি চলিল আৰু ছাত্ৰৰ ঐক্যবদ্ধ প্ৰতিবাদ আৰু প্ৰতিৰোধৰ বৰ্শামুখত টিকিব নোৱাৰি মোকৰ্দমাটো কলিকতালৈ স্থানান্তৰিত কৰা হ'ল। কিছুদিনৰ মূৰত আদালতৰ ৰায় গম পালোঁ, তেলখিনি আচলতে তিচি তেলহে আছিল। আদালতৰ ৰায়! ছাত্ৰসকল গুজৰি গুমৰি নীৰৱ হ'ল।

সুকুমাৰ কলা, সাহিত্য আৰু ৰাজনৈতিক চেতনাসম্পন্ন এইখন কটন কলেজত চালেহে চকুত পৰা কিছুমান 'ৰস'ৰ ঘটনাও ঘটি আছিল। কিন্তু সেইবোৰ ইমানেই নগণ্য যে মূল সুঁতিৰ গতিটো ইয়াৰ দ্বাৰা সমূলি ব্যাহত হোৱা নাছিল। তেনে দুই এটা ঘটনাৰ কথা মনত পৰিছে। জনদিয়েক ছাত্ৰ আছিল, তেওঁলোকে কিছুমান অনিষ্ট নোহোৱা ধেমালি কৰিছিল। এদিন এই সৰু গোটটো কলেজ চৌহদত থকা কাঞ্চন এজোপাৰ পৰা কিছু তলসৰা ফুল, শুকান জেওনি আৰু এটা বান্দৰ সংগ্ৰহ কৰি এটা ফুটা টুকুৰিত ভৰাই ছাত্ৰীৰ কমনৰুমৰ খিৰিকীয়েদি 'মাদুৰ্গা' বুলি ভিতৰলৈ দলি মাৰি দি আঁতৰি গৈছিল। ভিতৰত খন্তেক হুৱা-দুৱা লাগিল আৰু এই গোটটোৰ ল'ৰাবোৰৰ দৰেই বান্দৰটোও জাঁপ মাৰি ওলাই গুচি গ'ল। আমি দূৰৈৰ পৰা কাণ্ডটো উপভোগ কৰি হাঁহিলোঁ।

এই গোটটোৱেই কলেজৰ মূৰ দঙা ছাত্ৰী কেইগৰাকীমানৰ নাম জোৰা লগাই এটা 'পেৰডি' ৰচনা কৰিছিল—

যাঁহা হামাৰা ৰমলা কমলা
যাঁহা হামাৰা কায়া হেই
যাঁহা হামাৰা বিভা-প্ৰভা
ৱঁহা হামাৰা মায়া হেই
দূৰ হাটো এই কলেজৱালোঁ
কটন কলেজ হামাৰা হেই।

পেৰডিটো ছেগ চাই বাটৰ দাঁতিত এই গোটটোৱে গোৱাও শুনিছিলোঁ। আমি শুনি ৰস পাইছিলোঁ। পেৰডিটোত কলেজখনৰ প্ৰতি এটা আত্মীয়তাৰ গৌৰৱবোধো আছিল।

কলেজত আমাৰ দিনত দুই এগৰাকী অতি আগবঢ়া ছাত্ৰী আছিল। আমি তেতিয়া তেওঁলোকক অতি আধুনিকা বুলি ভাবি অলপ বিস্ময়েৰে চাইছিলোঁ। এদিন তাৰে এগৰাকীয়ে ছাত্ৰ এজনৰ গালত পাদুকা প্ৰহাৰ কৰিলে। ছাত্ৰজনে আৰু দুজনমান সঙ্গী লৈ অধ্যক্ষৰ ওচৰত গোচৰ তৰিলেহি। অধ্যক্ষ কাকতি ছাৰ। ছাত্ৰকেইজনৰ আপত্তি শুনি ছাৰে তেওঁৰ স্বকীয় হাঁহিটো মাৰি ক'লে "যোঁৱাই খেদি ফুৰিলে যোঁৰীয়ে লঠিয়াবই। যোৱাঃ।" ছাত্ৰসকল নিৰুপায় হৈ উভতি আহিছিল। ঘটনাটো ছাত্ৰ-ছাত্ৰীৰ মাজত ৰজনজনাই গ'ল।

কলেজখনত পঢ়া-শুনাত যেনে তীক্ষ্ণধী ছাত্ৰ-ছাত্ৰী আছিল, খেল-ধেমালি, সুকুমাৰ কলা, ৰাজনীতি চৰ্চা কৰা ছাত্ৰও আছিল। এবাৰ, আমাৰ নিৰ্বাচন পদ্ধতিটোত গুৰুতৰ ত্ৰুটি থকাৰ কাৰণে তাৰ এটা বিকল্প পদ্ধতি প্ৰৱৰ্ত্তন কৰিব পাৰিনে কি— সেই প্ৰশ্নটো ছাত্ৰ ফেডাৰেছনৰ তৰফৰ পৰা উত্থাপিত হৈছিল। এই পদ্ধতিটো আছিল 'Proportional representation with single transferable vote' এই পদ্ধতিটো আমাৰ দেশৰ কাৰণে নতুন আছিল। আমাৰ ছাত্ৰনেতা ফণী বৰাই এই পদ্ধতিটো সম্পৰ্কে আলোচনা কৰিছিল। এদিন আগ্ৰহী ছাত্ৰ গোটাই নিউ আৰ্টছ বিল্ডিংৰ মূৰৰ ফালৰ কোঠাটোত পদ্ধতিটো বৰাই এখন ব্লেকবোৰ্ডত লিখি বুজাই দিছিল। এই 'পাঠদান'ত ভালেকেইগৰাকী আগ্ৰহী শিক্ষাগুৰুৱেও যোগ দিছিল আৰু ফণী বৰাক প্ৰশংসা কৰিছিল। এটা নতুন বিষয় এজন ছাত্ৰৰ মুখৰ পৰাও শুনি সদৰিকৈ বুজিবলৈ অহাটো শিক্ষাগুৰুসকলৰ এক বিৰল অন্বেষণ ক্ষমতা। ইয়েই প্ৰমাণ কৰে যে আমি যিমানেই জানো লাগে, আৰু জানিবলৈ বাকী থাকে। এজন প্ৰকৃত জ্ঞানান্বেষী যে আজীৱন ছাত্ৰ সেই কথাষাৰো ইয়েই প্ৰমাণ কৰে।

শিক্ষাগুৰুসকলৰ ভিতৰত যি কেইগৰাকীৰ কাষ চাপিব পাৰিছিলোঁ, তেখেতসকল বাণীকান্ত কাকতি, সূৰ্য্যকুমাৰ ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা, দণ্ডেশ্বৰ গগৈ, সত্যেন্দ্ৰনাথ শৰ্মা, প্ৰফুল্ল দত্ত গোস্বামী, ৰজনীকান্ত দেব শৰ্মা, তাৰিণীচৰণ ভট্টাচাৰ্য্য এতিয়াও মোৰ সশ্ৰদ্ধ স্মৃতিত কেঁচা হৈ আছে। বাণীকান্ত কাকতিৰ স্নেহ আৰু সকীয়নি পায়ো হেৰুওৱা মাণিক যেন লাগি আছে। মই ইংৰাজীত অনাৰ্ছ লৈছিলোঁ। ইফালে সামাজিক-ৰাজনৈতিক কামতো ভাগ লৈছিলোঁ। অনাৰ্ছৰ পাঠ্যপুথিৰ তালিকা দেখি ব'ব নোৱাৰা শিল যেন লাগি

তাৰপৰা আঁতৰি অহাৰ চেষ্টাত লাগিলোঁ। কাকতি ছাৰে অনাৰ্ছ পঢ়াইছিল। এদিন শ্ৰেণীৰ পৰা ওলাই আহি বাৰাণ্ডাতে ছাৰে পিছৰ দেওবাৰে তেখেতৰ ঘৰলৈ যাবলৈ ক'লে মোক। গলোঁ। ছাৰে তামোলৰ বঁটা আগত লৈ কিবা লিখি আছিল। মোক তাতে বহিবলৈ কৈ লিখাটো সামৰি থ'লে আৰু ক'লে যে কৰ্মক্ষেত্ৰৰ ষ'তে মই নামো নামিম, কিন্তু তাৰ কাৰণে প্ৰস্তুতিৰ সময় হ'ল ছাত্ৰ জীৱন। এই সময়তে প্ৰয়োজনীয় শক্তি আহৰণ আৰু সঞ্চয় কৰি ল'ব লাগে। তেখেতে ভৱিষ্যতে ভীমৰ গদা ঘূৰাবলৈ এতিয়া ভীমৰ বল সঞ্চয় কৰি লোৱাৰ কথা ক'লে। লগতে পিছৰ কালত কৰ্মক্ষেত্ৰত উজ্জ্বল জ্যোতিষ্ক হোৱা ভালেকেইজন লোকৰ উদাহৰণ দি আমাৰ গৌৰীশঙ্কৰ ভট্টাচাৰ্য্যৰ নামো উল্লেখ কৰিলে। ভট্টাচাৰ্য্য তেতিয়া কমিউনিষ্ট নেতা। গা চেবালে। তাৰমানে বাহিৰত কি কৰোঁ চাবে সকলোৱে তলা নলা পাইছে। মই কিন্তু অনাৰ্ছ চলাই যাবলৈ সাহস গোটাব নোৱাৰিলোঁ আৰু পৰাপক্ষত ছাৰৰ চকুৰ পৰা ফালৰি কাটি থাকিবলৈ ধৰিলোঁ। তাৰপিছত আকৌ এবাৰ। বি. এ. ৰ বাছনি পৰীক্ষা দি উঠিছোঁ। সকলোৱে বিজাল্ট ওলাল। মোৰ নাই। কেনা ভালকৈয়ে লগাইছোঁ। কাকতি ছাৰ তেতিয়া কলেজৰ অধ্যক্ষ। এদিন মোক মতাই পঠালত গ'লোঁ। ছাৰে মই কলেজৰ দেনা আৰু হোষ্টেলৰ দেনা আজি এবছৰে দিয়া নাই কাৰণে 'দিফল্টাৰ' হৈ আছোঁ; গতিকে সকলোখিনি ধন আদায় দিলেহে বাছনি পৰীক্ষাৰ ফল জনাব পাৰিব বুলি ক'লে। ঘটনাটো মইতো জানোৱেই; কিন্তু হেজাৰৰ ওপৰ টকা মই দিওঁ কেনেকৈ? গতিকে যি হয় হওক বুলি তাপ মাৰি আছিলোঁ। একো নমতা দেখি ছাৰে নিজা হাঁহিটো মাৰি কিবা এটা উপায় উলিয়াবলৈ ক'লে আৰু তাৰ কাৰণে ১৫ দিন সময় দিলে। মই সেমেনা সেমেনিকৈ ছাৰৰ ফালে চাই মোৰ ফল বা কেনেকুৱা হয় জনাৰ আগ্ৰহ দেখুৱালত ক'লে, তেখেতে যে মোক ধন আদায় দিবলৈ কৈছে, সেইবোৰ অথলে যাবলৈ নিদিয়ে। ইঙ্গিতটো বুজি পেটে পেটে সন্তোষো পালোঁ। তাৰপিছত ছাৰে অসমৰ কোনোবা আঢ্যৱন্ত লোকৰ লগত মোৰ চিনাকি আছে যদি এবাৰ লগ ধৰি চাবলৈ দিহা দিলে। মই একেকোবেই শ্বিলং পালোঁগৈ। শ্বিলং তেতিয়া আমাৰ ৰাজধানী। বিধানসভা বহি আছে। 'পাছ' এখন সংগ্ৰহ কৰি সভাঘৰত সোমালোঁ। ঠিক আহাৰ বিৰতিৰ সময়ত ওলাই যোৱা দেখিলোঁ এতিয়া মন্ত্ৰী হোৱা স্বাধীনতা সংগ্ৰামৰ নেতা দুগৰাকীমান। লৰালৰিকৈ নামি তাতে এজনক লগ ধৰিবলৈ গলোঁ। তেখেতৰ চেম্বাৰৰ পৰীয়াজনে চাহাব 'ছোট হাজিৰি খানে মে গিয়া' ক'লত ৰ'লোঁ। কিছু সময়ৰ পিছত মন্ত্ৰীৰ গাড়ী পালেহি। তেখেত নামি গ'লত পিছে পিছে গৈ মাত দিলোঁ। সৰ্বনাশ! মোকচোন পাহৰিলেই। যি হওক চিনাকি দিলত 'সকাম'ৰ কথা সুধিলে। ময়ো 'আৰ্জি পেছ' কৰিলোঁ। মন্ত্ৰীচোন টিঙিৰি তুলা'খালী টকা টকা, টকাৰ গছ আছে নেকি মোৰ?"—বুলি দুৱাৰখন সশব্দে জপাই সোমাই গ'ল, যাত্ৰা বিফল। আৰু দুই একৰ ওচৰতো টুঙাই চালোঁ, সহাঁৰি নাই। গুচি আহি ছাৰক আদ্যোপান্ত ক'লোঁ। ছাৰে যোৰহাটৰ তুলসীনাৰায়ণ শৰ্মাক চিনি পাওঁ নে সুধিলে। তেখেতৰ ওচৰলৈ গ'লে কামত অহা দিহা দিব বুলিলে। যোৰহাটত নামিয়েই তুলসী নাৰায়ণ শৰ্মাৰ ঘৰ ওলালোঁগৈ। ছাৰে দেখিয়েই চিনি পাই বহিবলৈ দি চাহ-তাহ খুৱাই লৈ কিবা সকামত গৈছোঁ নে এনেয়েহে সোমাইছোঁ সুধিলে, মই সকামটোৰ কথা ক'লত ছাৰে এখন গোহাৰি জাতীয় চিঠি লিখি মোক চাহ-বাগিছা কেইখনমানৰ গৰাকীৰ ওচৰলৈ যাবলৈ ক'লে। চিঠিখনত ভালেমান ভাল কথাৰ উপৰিও আছিল, পত্ৰবাহক সং আৰু সম্ভ্ৰান্ত বংশোদ্ভৱ পিতাৰ সুযোগ্য পুত্ৰ,

আৰ্থিকভাৱে দুৰ্বল হোৱা কাৰণেহে তেখেতসকলৰ সহায় বিচাৰিছে— ধৰণৰ কথা। ছাৰে চাইকেল এখনো দিলে। পুৰাৰ পৰা গধূলিলৈকে ঘূৰি আশানুৰূপ সহাৰি পায়ো উভতি আহোঁতে বাগিচা এখনত সোমাই আৰু অলপ পাবি নেকি চাবলৈ মন গ'ল। টকাৰ গতিয়েই এনেকুৱা; অলপ পালে আৰু অলপ; সৰহ পালে আৰু সৰহ। গৈ বাগিচাখনৰ মেনেজাৰ এজনৰ ঘৰত সোমালোঁ। সেইদিনা দেওবাৰ আছিল। মেনেজাৰজনে সুধিলে, "কি লাগে"! খ'ৰ মানুহ।" উৱা, ইংৰাজী উচ্চাৰণৰ হেঁচা দি কথাবোৰ কয়চোন! তথাপি মই মোৰ উদ্দেশ্যৰ কথা ক'লোঁ। 'ফইচা নাহ'লে ফঢ়িব নালাগে।' মোৰ হাঁহিও উঠিল, সৰুকৈ খং এটাও উঠিল। মই বৈ থাকিলোঁ। চাহাবে বিদ্ৰুপৰ সুৰত ক'লে "অ' গৰীব! খেলেই গৰীব হৈছে?" এইষাৰ কথাত আৰু মই ৰ'ব নোৱাৰি কৈ দিলোঁ, "আপোনালোকৰ নিচিনা মানুহৰ কাৰণেই গৰীব হৈছোঁ।" এইবাৰ তেওঁ বহাৰপৰা জাঁপ মাৰি উঠি ভিতৰলৈ চাই "ঝিমি, ঝিমি" বুলি মাতিলে। মই লগুৱা-তগুৱা জাতীয় মানুহক মতা বুলি ভাবিছিলোঁ। পিছে, কেলেই হ'ব মানুহ! এটা ভয়ঙ্কৰ চেহেৰাৰ কুকুৰ। ভৌ-ভৌৱাই আহিছে। একেছাটেই গেট পালোঁহি আৰু একেটা দোপতে চাইকেলখনত উঠি পিছলৈ নোচোৱাকৈ আৰু প্ৰাণ টাকি পলাই দিলোঁ। একেবাৰে ছাৰৰ ঘৰ পালতহে হেঁফনি মৰিল। ছাৰ বুলনি চ'ৰাতে আছিল। মোক বৰকৈ ফোপোৱা দেখি সুধিলত বিতং বিৱৰণ চমুকৈ দিলোঁ। ছাৰে হাঁহি বোলে "নগলেই ভাল আছিল। বাৰু, ভালেই হ'ল, ইও এটা অভিজ্ঞতা।"

তাৰপিছত ধন লৈ গুৱাহাটী। কাকতি ছাৰে বৰ সন্তোষ পালে আৰু যথাস্থানত জমা দিবলৈ কৈ খবৰ পিছদিনাই পাম বুলি পঠাই দিলে। পিছদিনা গম পালোঁ, বাছনি পৰীক্ষাত নিয়মিতভাবেই অৰ্থাৎ প্ৰথম তালিকাত উঠিব পৰাকৈয়ে উঠিছোঁ।

এইখিনিতেই যাওঁক। মোৰ এঁকা বেঁকা নৈখনৰ এটা ভাঁজ পালোঁহি যেতিয়া তাতেই খন্তেক জিৰাওঁ।

আমাৰ দেশত একোখন কলেজ বা বিশ্ববিদ্যালয়ে বহু বিদ্বান (learned) লোক আমাক দিছে। সি আমাৰ পৰম প্ৰাপ্তি। কিন্তু তাৰ তুলনাত আমি কিমানজন শিক্ষিত (educated) লোক পাইছোঁ, সেইষাৰ কথাহে ভাবি চাবলগীয়া। আমাৰ শিক্ষা-ব্যৱস্থাই আমাক বিদ্বান কৰাৰ লগতে সংস্কৃতিবানো কৰিব পাৰিলে আমি আশাতীতভাৱে উপকৃত হ'ম যেন লাগে। কটন কলেজত ইয়াৰ বীজ ৰোপন হৈছিল। সেইখিনিৰ কাৰণে এই কলেজখনত মোৰ দৰে মানুহ এটায়ো ঢকা-কোবাই আহি ৪টা বছৰ কটাবলৈ পোৱাটো মোৰ খলা-বমা বাটৰ এটা আমৰণ প্ৰেৰণাদায়ক স্মৃতি। ❑

প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

প্ৰাক স্বৰাজ কালৰ কটন কলেজৰ ডুখৰীয়া ছবি

...... প্ৰাক স্বৰাজ কালৰ ১৯৪৫-৪৭ চনত দ্বিতীয় মহাযুদ্ধৰ সজীৱ স্মৃতিৰে ভৰপূৰ গুৱাহাটী নগৰৰ কটন কলেজত বি-এ মহলাত পঢ়াৰ দুটিমান ডুখৰীয়া ছবি মনত পৰিছে। তেতিয়া গুৱাহাটীত মাথোন তিনিখনহে কলেজত কলা-বিজ্ঞানৰ পঠন-পাঠন হৈছিল। কটন কলেজৰ পিছতে ১৯৩৯ চনত সন্দিকৈ ছোৱালী কলেজ আৰু ১৯৪৩ চনত কামৰূপ একাডেমী ভৱনত নৈকে স্থাপিত নৈশ শ্ৰেণীৰে বি. বৰুৱা কলেজ। মই ১৯৪৩-৪৫ চনত বি. বৰুৱা কলেজৰ নৈশ শ্ৰেণীত পঢ়ি প্ৰথম বিভাগত আই-এ (কমাৰ্চ) পৰীক্ষাত উত্তীৰ্ণ হৈছিলো। অসমীয়া বিষয়ত লেটাৰ (শতকৰা আশী নম্বৰ) পাই পোন্ধৰ টকাৰ বৃত্তিও লাভ কৰিছিলো। দ্বিতীয় মহাযুদ্ধৰ কাৰণে ছুডমাৰ্চন হল মিলিটেৰীয়ে অধিগ্ৰহণ কৰিছিল। অস্থায়ীভাৱে কাঠ-খেৰ-বাঁহৰ মিলিটেৰী বেৰেক সজা হৈছিল। আমি তেনে ধৰণৰ অস্থায়ী ঘৰতে ডাঙৰ শ্ৰেণীবোৰৰ (ইংৰাজী-অসমীয়া) পঠন-পাঠন কৰিবলগীয়া হৈছিল। আমাৰ শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত হৈছিল। তেতিয়াও গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱা নাই। দ্বিতীয় মহাযুদ্ধ শেষ হলেও সামৰিক পৰিবেশবোৰ তেতিয়াও একেবাৰে শেষ হোৱা নাছিল। .... গুৱাহাটী নগৰত গেৰিছন থিয়েটাৰ, এ-আৰ-পি কাৰ্য্যালয়, ৰেডক্ৰছ,

এম-ই-এছ আদিৰ কাৰ্য্যালয় স্থাপিত হৈছিল। ..... আমাৰ সময়ত অধ্যাপক আৰ-আৰ-থমাছ, অধ্যাপক মুহিবুল্লা, অধ্যাপক উমাকান্ত গোস্বামী আদিয়ে কটন কলেজৰ অধ্যক্ষ-উপাধ্যক্ষৰ পদত অধিষ্ঠিত হৈছিল। ইংৰাজী বিভাগত শিক্ষাগুৰু ৰূপে ড° সূৰ্য্যকুমাৰ ভূঞা, ড° বাণীকান্ত কাকতি, হৰেন্দ্ৰ চন্দ্ৰ চৌধুৰী, দিগেন দত্ত, চন্দ্ৰনাথ কলিতা, ৰায়হান শ্বাহ, তাৰিণীকান্ত ভট্টাচাৰ্য্য, প্ৰফুল্ল দত্ত গোস্বামী আদিয়ে পাঠদান কৰিছিল। অসমীয়া বিভাগত ড° বিৰিঞ্চি কুমাৰ বৰুৱা, অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, অধ্যাপক সত্যেন্দ্ৰ নাথ শৰ্মা আৰু অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাক আমি শিক্ষকৰূপে পাইছিলোঁ। অৰ্থনীতি বিভাগত অধ্যাপক উমাকান্ত গোস্বামী, ড° মথুৰানাথ গোস্বামী, অধ্যাপক দণ্ডেশ্বৰ গগৈ, ড° ইমৰান হুছেইন চৌধুৰী আৰু অধ্যাপক আশ্ৰফ আলিয়ে শিক্ষকতা কৰিছিল— মোৰ ইংৰাজী, অসমীয়া, দ্বিতীয় ভাষা আৰু অৰ্থনীতিহে স্নাতক মহলাৰ বিষয় আছিল।

চেনীকুঠি অঞ্চলত তিনি টকা মাহেকীয়া ভাৰাত এটি খেৰী জুপুৰীত মই এজন আৰু কেতিয়াবা দুজন বন্ধুৰে মেছ কৰি আছিলো— পিছত তিনিটকীয়া ভাৰাঘৰ এৰি পোন্ধৰটকীয়া ভাৰা ঘৰ এটি লওঁ। আমি খোজকাঢ়িয়ে পাণবজাৰৰ কটন কলেজলৈ অহা-যোৱা কৰো! তেতিয়া ছাত্ৰসকলৰ বাবে জিৰণি ঘৰ বুলিবৰ নাছিল। আমি জুবিলী গাৰ্ডেনত (আজি-কালিৰ পানী যোগান কাৰ্য্যালয়) বহি ফুল-পাতৰ মাজতে পুৱা ৯ বজাৰ পৰা আবেলি ৩ বজালৈকে আজৰি সময় বহি, কথা পাতি কটাওঁ। আমাৰ সহপাঠীসকলৰ উপৰিও বিজ্ঞান শাখাৰ সদা মৰল, কুমাৰ যতীন দেৱ আদিৰ সৈতেও কেতিয়াবা কথা পাতোঁ। উপেন্দ্ৰ নাথ গোস্বামী, বীৰেন্দ্ৰ নাথ তালুকদাৰ, অজিত বৰুৱা, ৰাজকুমাৰ জলজিৎ সিং, ফণী বৰা, প্ৰফুল্ল বৰুৱা, দামোদৰ শৰ্মা, ৰাম গোস্বামী, সুচেন ভূঞা, হেমলতা গগৈ, সুৰবালা শইকীয়া আদি সহপাঠী ছাত্ৰ-ছাত্ৰীৰ নামহে সম্প্ৰতিকৈ মনত পৰিছে। আমাৰ দিনত ছাত্ৰীৰ সংখ্যা কম : ছাত্ৰীৰ সৈতে ছাত্ৰসকলে কথা-বতৰা পতাৰ সুযোগ-সুবিধা পোৱাই টান। যিসকলে তেনে সুযোগ পায়— সিবিলাকে নিজকে ধন্য বুলি ভাবে। আমি নোপোৱাসকলে সিবিলাকক অলপ ঈৰ্ষা কৰো। ছাত্ৰীসকলে শ্ৰেণীকোঠাত সুকীয়া ডেস্ক-বেঞ্চত বহে আৰু আমি ছাত্ৰসকলে সুকীয়াকৈ বহো। অসমীয়া দ্বিতীয় ভাষাৰ সৰু শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম : কেতিয়াবা একেখন ডেস্ক-বেঞ্চত আমি বহাৰ প্ৰয়োজন হৈছিল। আঁতৰত থকা ছাত্ৰই আমাক একেলগে বহা দেখিলে 'দৰা-কইনা' বুলি জোকাইছিল। মই আৰু আমাৰ সহপাঠী ছাত্ৰী হেমলতা গগৈয়ে তেনে ইতিকিং নীৰৱে সহ্য কৰিছিলো— অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাৰ শ্ৰেণী— অঙ্কীয়া নাট—ৰামবিজয় পঢ়া সময়তে এনে অভিজ্ঞতা ঘটাৰ কথা মনত পৰিছে। মোৰ সহপাঠী এজনে মৰসাহ কৰি ছাত্ৰীবাৰীত থকা ছোৱালী হোষ্টেললৈ গৈ সহপাঠী ছাত্ৰী এজনীৰ পৰা কিতাপ অনাৰ ছলেৰে দেখা সাক্ষাৎ লভিছিল। সেয়া যেন আৰব্যহনী গল্পৰহে পটভূমি— আমি তাকে লৈ ৰগৰ কৰিছিলো। অধ্যক্ষৰ ওচৰত ছাত্ৰ-ছাত্ৰীৰ কন্দলৰ দুই-চাইটা ঘটনা ঘটিছিল— সেয়া আমাৰ বাবে ৰহস্য তথা শিহৰণৰ বিষয় হৈ পৰিছিল। .... দ্বিতীয় মহাযুদ্ধৰ সময়ত বিমান আক্ৰমণৰ পৰা ৰক্ষা পাবলৈকে গুৱাহাটী নগৰীৰ সকলো ঠাইতে এয়াৰ ৰেইড প্ৰিকশ্যন (এ-আৰ-পি) স্বৰূপে ভি, ডবলিউ আৰ্হিৰ গাঁত খন্দা হৈছিল। ছাইৰেণৰ শব্দ শুনিলে সেই গাঁতত জঁপিয়াই সোমাই আত্মৰক্ষা কৰিবলগীয়া হয়। সেই সময়ত নগৰৰ বহুতো বয়সিয়াল পুৰুষ-তিৰোতাই ইয়াৰ পৰা গৈ গাঁও-ভূঁইৰ ঘৰত আশ্ৰয় লৈছিল। এম্-ই-এছত ঠিকা-ঠুকলি কৰা ঠিকাদাৰসকলে তথা যোগানধাৰীসকলে বহু পৰিমাণৰ ধন ঘটিছিল। সেই

সময়ত চলা জীপগাড়ী, টেঙ্ক, মিলিটেৰী ট্ৰাক, এপিট এয়াৰ ক্ৰাফট গান আদিৰ স্মৃতিবোৰ এতিয়াও সজীৱ হৈ আছে। যুদ্ধকালীন পৰিস্থিতিয়ে ১৯৩৯ চনৰ পৰা ১৯৪৫ চনলৈকে অসম তথা মণিপুৰ, নগাপাহাৰ আদিত যি ধৰণৰ বিভীষিকাৰ সৃষ্টি কৰিছিল— সেই কালৰ প্ৰত্যক্ষদৰ্শীৰূপে আমি চেঙেলীয়া মনেৰে বহুতো বিসদৃশ দৃশ্য চাবলগীয়া হৈছিল। মাৰ্কিন চিপাহীবোৰৰ অসৎ আচৰণৰ কথা কাকতে-পত্ৰেও ওলাইছিল। সেই সময়ৰ দৈনিক অসমীয়া বাতৰি কাকত, আছাম ট্ৰিবিউন, জয়ন্তী, সুৰভি আদিত যুদ্ধকালীন জীৱনৰ সুখ-দুখ, ঘাত-প্ৰতিঘাতৰ কিছুমান চিত্ৰ-কথা প্ৰকাশ হৈছিল।......

...... কটন কলেজত শ্ৰেণীবোৰ কিছু নিয়মিতভাৱে অনুষ্ঠিত হৈছিল। সভা-সমিতি, খেল-ধেমালি, কটনিয়ান প্ৰকাশ আদিতো স্থবিৰতা লক্ষ্য কৰিছিলো— আমাৰ সময়ত কটনিয়ানৰ সম্পাদক আছিল প্ৰশান্ত বৰুৱা। মই ব্যক্তিগতভাৱে বি. বৰুৱা কলেজত পঢ়া দিন ধৰি গৃহশিক্ষকতা আৰু চৰকাৰী কাৰ্য্যালয়ত ছুটীৰ বিপৰীতে কেৰাণীৰ চাকৰি কৰি পঢ়াৰ ওপৰঞ্চি খৰচ আৰ্জন কৰিছিলো। চেনীকুঠিত প্ৰভাত চন্দ্ৰ গোস্বামী সম্পাদকৰূপে স্থাপিত 'তৰুণ লেখক সংঘ', উজান বজাৰত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সভাপতিত্বত স্থাপিত 'সবিতা সভা' আদিৰ সৈতে জড়িত হৈ মই সাহিত্য চৰ্চা কৰিছিলো। সেই সময়ত হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰীৰ মাজত দেখিবলৈ পোৱা সচৰাচৰ অভিজাতবোধ আমাৰ মেছবাসীৰ মাজত নাছিল।

...... কটন কলেজৰ দুবছৰীয়া স্নাতক শ্ৰেণীৰ ডুখৰীয়া ছবিবোৰ অভাৱ-অনাটনৰ মাজেৰে মনৰ মাজত অহা-যোৱা কৰিয়ে থাকে। মই অৰ্থনীতিৰ অনাৰ্চৰ ছাত্ৰ আছিলো যদিও ১৯৪৭ চনত নিয়মিত পৰীক্ষাৰ্থীৰূপে পৰীক্ষাত বহিব নোৱাৰিলো, কিয়নো পৰীক্ষাৰ সময়ত মোৰ জ্বৰ আৰু গাল উখহা ৰোগ হৈছিল। ১৯৪৮ চনত মই প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে অনাৰ্চ পৰীক্ষা নিদি পাছ ক'ৰ্চত ডিষ্টিংশ্যনহে পাইছিলো। ....

..... দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰি নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ পোন্ধৰ টকীয়া বৃত্তি লাভৰ বাবেহে মোৰ কলেজত পঢ়া সম্ভৱ হৈছিল। নকৈ স্থাপিত বি. বৰুৱা কলেজত ভৰ্ত্তি হওঁতে কটন কলেজিয়েট হাইস্কুলৰ ড্ৰইং শিক্ষক আদ্যনাথ শৰ্মা (পেহা), অসমৰ স্কুলসমূহৰ ইন্সপেক্টৰ শৰৎ চন্দ্ৰ গোস্বামী, কামৰূপ একাডেমীৰ প্ৰধান শিক্ষক গোলাপ চন্দ্ৰ চৌধুৰী, বি. বৰুৱা কলেজৰ দাতা কেশৱকান্ত বৰুৱা, প্ৰতিষ্ঠাপক অধ্যক্ষ গোপীনাথ বৰদলৈ আদিৰ সহায়-পৃষ্ঠপোষকতা পাই তথা কটন কলেজত অধ্যাপক তাৰিণীকান্ত ভট্টাচাৰ্য্য, প্ৰফুল্ল দত্ত গোস্বামী, বিৰিঞ্চি কুমাৰ বৰুৱা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু আদি গুৰুৰ স্নেহ লভি— টানি-মানি স্নাতক পৰীক্ষাৰ স্তৰ পাৰ হৈছিলো। ......

...... সহপাঠী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সেই সময়ত সংঘটিত প্ৰেম-অনুৰাগৰ কাহিনীবোৰ আমি একাণেৰে শুনি আন কাণেৰে উলিয়াই দিছিলো। তেতিয়াৰ শিক্ষাদান, শিক্ষাগ্ৰহণ, প্ৰশাসনত নিয়মানুবৰ্ত্তিতা— কঠোৰতাৰ নিদৰ্শন সততে পোৱা গৈছিল। আমি গাঁৱৰ ল'ৰাবোৰে নগৰীয়া বিধৰ চাল-চলন, প্ৰেম-প্ৰীতিৰ পৰিবেশৰ পৰা পাৰ্য্যমানে আঁতৰত থাকি নিৰামিষ বিধৰ জীৱন যাপন কৰিছিলো। কটন কলেজৰ ডুখৰীয়া ছবিৰ আভাসহে দিলো— জয়তু কটন কলেজ। .... ❑

হৰেন্দ্ৰনাথ ফুকন

কটন মহাবিদ্যালয় ঃ স্মৃতি ৰোমন্থন

কটন মহাবিদ্যালয়ৰ নামটো শুনিলেই ডকা-ডেউকা লাগি বহুত কথাই সন্ধালনিকৈ স্মৃতিপটত উদয় হয়। এই প্ৰবন্ধত থুলমূলকৈ তাকেই স্মৃতিচাৰণ কৰিব খুজিছো।

প্ৰবেশিকা পৰীক্ষাৰ ফলাফল আশানুৰূপ নহলেও অসম পাৰ হৈ কলিকতা পালোগৈ। প্ৰেচিডেন্সী কলেজলৈ গৈ হতাশ হলোঁ। মোৰ কম আছিল নম্বৰ; কিন্তু ৰিপন কলেজে চিট দিম বুলি ক'লে। হেৰিশ্যান ৰ'ডৰ কাষত থকা "শান্তিনিকেতন হিন্দু হোটেল"ত দুই-চাৰিদিন থাকি বেলুড় মঠ পালোগৈ। বেলুড়ৰ ৰামকৃষ্ণ মিশ্যান মহাবিদ্যালয়ত ভৰ্ত্তি হলো। তিনিমাহতকৈ অধিক কাল ক্লাচ কৰিলো। অসমীয়া বিষয়টোৰ অসুবিধাৰ বাবে কটনলৈ ঘূৰি আহিলো।

শিক্ষাৰত্ন দণ্ডেশ্বৰ গগৈ ছাৰৰ কৃপাত কটনত চিট পালো। মিলিটেৰি যুগৰ হোষ্টেল এটিত (দীঘলী পুখুৰীৰ পাৰত অৱস্থিত) এবছৰ থাকিব লগা হ'ল। ২য় বাৰ্ষিক শ্ৰেণীতহে কটনৰ পুৰণা ছাত্ৰাবাসৰ পাঁচ নং ব্লকত চিট এটা ললো। ১৯৪৬ চনত।

কটনৰ এই হোষ্টেলত পানী আৰু বিজুলী যোগানৰ বিজুতি ঘটিছিল। মাজে সময়ে ধৰ্মঘট আৰু শোভাযাত্ৰা কৰিব লগা হৈছিল। মই ২য় বাৰ্ষিক শ্ৰেণীত পঢ়োতে প্ৰায়ে

নিউ হোষ্টেললৈ গৈছিলো। সেই সময়ত তিলক গগৈক লগ পাইছিলো (পিছলৈ মন্ত্ৰী হৈছিল)। তিলক গগৈ ১ম বাৰ্ষিকৰ ছাত্ৰ আছিল। তেওঁক লজিক শিকাইছিলো। পিছলৈ তেওঁৰ লগত বন্ধুত্বই গাঢ় ৰূপ লৈছিল। ১৯৪৬ চনৰ ৬ আগষ্টত কলিকতাত ছুৰাবৰ্দ্দী মন্ত্ৰীসভাৰ আমোলত পাকিস্তান বিচাৰি Direct Action Day অনুষ্ঠিত হৈছিল। অসমৰ দুজন সন্তান আনন্দ ফুকন আৰু অমূল্য বৰুৱাই প্ৰাণ হেৰুৱাইছিল। সেই বছৰৰ আগষ্ট মাহতেই হাৰ্ডিঞ্জ হোষ্টেলৰ বহুত সংখ্যক ছাত্ৰ-ছাত্ৰী আমাৰ হোষ্টেললৈ আহিছিল।

সেই আগষ্ট মাহৰ কোনোবা এটা সন্ধিয়া প্ৰয়াত তিলক গগৈয়ে যাঠি-বৰ্শা লৈ গাত আলকাতৰা সানি মোৰ ৰুমত সন্ধিয়া উপস্থিত হ'লহি। তেওঁ ক'লে কলিকতাৰ Direct Action Day -ৰ পোটক তুলিম। গোটেই হোষ্টেলৰ ল'ৰা নি আন্দোলন কৰিম। কথাটো শুনি মই বৰ ভয় খালো। চাহাবৰ পিচত পুলিচ-মিলিটেৰি কেউফালে আছে। সময়োচিত ব্যৱস্থা হাতত নললে হয়তো জালিয়ানৱালাবাগ হ'বগৈ পাৰে। মই বুদ্ধি কৰি ছাত্ৰ তিলক গগৈক মোৰ ৰুমতে তলা মাৰি আবদ্ধ কৰি থৈ মেচৰ চুপাৰ দণ্ডেশ্বৰ গগৈ ছাৰৰ ঘৰলৈ গ'লো— এই আসন্ন বিপদৰ পৰা মুক্তি বিচাৰি তেখেতক মাতি আনিলো। DC আৰু VP ক ফোন কৰি মাতি আনিলো। তিলক গগৈক বঢ়াই-বুজাই শান্ত কৰিলো। পিচদিনা 'ৰাইটাৰ্ছ গেলেৰি'ৰ অধ্যাপক আব্দুল হাইৰ সভাপতিত্বত এখনি শান্তি সমিতি কৰা হ'ল। তিলক গগৈ মুখ্য সম্পাদক আৰু মই সহকাৰী সম্পাদক হলো। সেই ঘটনাটো পাৰ হোৱাত স্বস্তিৰ নিশ্বাস পেলালো।

১৯৪৬ চনতেই পূজাৰ বন্ধত ঘৰলৈ আহোতে লামডিং জংচনত কটনিয়ানসকলে কেবাখনো দোকানৰ চাহ-মিঠাই খাই অন্ত কৰিলে। ৰেলগাড়ী নচলা হ'ল। এখন কনচিলিযেচন সমিতি গঠন কৰি প্ৰায় তিনি হাজাৰ টকাৰ ক্ষতিপূৰণ দিম বুলি গাত ললো। তেহে ৰেল চলিল। মই নিজেও দুশ / তিনিশ টকা ভৰিব লগা হ'ল। এই ঘটনাৰ কিছু দিনৰ পিচতে নগাঁৱত কটন কলেজৰ খেলুৰৈ আৰু নগাঁৱৰ অসমীয়া শিখ-খেলুৱৈৰ মাজত কাজিয়া লাগে। আমাৰ কটনিয়ানে তেওঁলোকক মাৰপিট কৰে। মই এদিন ঘৰলৈ আহোতে উজনিমুৱা এক্সপ্ৰেছত সেই কাজিয়া লগা দুৰ্ভগীয়া কটনিয়ান পাঁচ / ছয় জন মান আৰু অসমীয়া শিখ সম্প্ৰদায়ৰ বাৰ / তেৰ জন ডেকা খেলুৱৈ অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ গুৱাহাটীৰ একেটা ডবাতে উঠিল। তেওঁলোকে কটনিয়ান কেইজনক চিনি পালে আৰু কাজিয়া কৰা মতলবেৰে আগবাঢ়ি আহিল। মই আলোচনাত অংশ গ্ৰহণ কৰি বহুত বুজালো। মই তেওঁলোকক ক'লো আমি আপোনালোকৰ শত্ৰু নহয়। এনেয়ে ভুল বুজাবুজি হৈছে। আমাৰ পৰম শত্ৰু বৃটিছসকলহে। গতিকে আমি ককাই-ভাই একেলগ হৈ আমাৰ কমন এনিমি বৃটিছৰ বিৰুদ্ধে যুঁজ দিব লাগে। মোৰ যুক্তিত পতিয়ন গৈ তেওঁলোকে আমাৰ বন্ধু কেইজনক ৰেহাই দিলে। কিন্তু যাবৰ সময়ত মোক হেণ্ডচেক কৰি গ'ল। তেওঁলোকৰ লক্ষ্য উপাচাৰ্য্য শৈল গগৈৰ ককায়েক মহেন্দ্ৰ গগৈয়ো আছিল। নহ'লে হয়তো সেইদিনা ৰেলৰ ডবাৰ ভিতৰতে ৰক্তপাত হ'লহেঁতেন।

৩য় বাৰ্ষিক শ্ৰেণীত মই ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক উঠিব খুজিছিলো। মোৰ সহপাঠী চন্দ্ৰপ্ৰসাদ শইকীয়ায়ো সেই বাবটিলৈ মন মেলিছিল। গতিকে আমি দুয়োজনে প্ৰতিদ্বন্দ্বিতা নকৰিলো। কোকৰাঝাৰৰ শ্ৰীবীৰেণ দাসক জি. এচ. তুলি দিলো। তেওঁ জিকিল।

সেই সময়ত জনগোষ্ঠীয় প্ৰতিনিধি নাছিল। গতিকে একতা সভাৰ কাৰ্য্যকৰী সমিতিত সংখ্যালঘু সম্প্ৰদায়ৰ ল'ৰা প্ৰতিনিধি হ'ব নোৱাৰিছিল।

গতিকে কেইবাটাও ছাত্ৰ সংগঠনৰ ল'ৰা গোট খাই কেবাদিনো কটন কলেজত আলোচনা কৰি সমানুপাতিক প্ৰতিনিধিত্বত হস্তান্তৰিত ভোট ব্যৱস্থাৰ ষ্টুডেণ্টচ্ ফেডাৰেচন প্ৰৱৰ্ত্তন হয়। মই আগভাগ লৈছিলো। ষ্টুডেণ্টচ ফেডাৰেচনে সহায় কৰিছিল। জনগোষ্ঠীয় সম্প্ৰদায়ৰ হোৱাৰ বাবদ মোৰ বন্ধু ঘনকান্ত চেতীয়া ফুকন কটনিয়ানৰ সম্পাদক হৈছিল। মই সহকাৰী সম্পাদক হৈছিলো। কলিকতালৈ গৈ কটনিয়ান ছপা কৰি আনো। ঘন চেতীয়া ফুকনো কলিকতালৈ গৈছিল। সেই বছৰ আমাৰ সম্পাদনাত উলিওৱা কটনিয়ানৰ কবিতাত নতুন আঙ্গিক ব্যৱহাৰ কৰিছিলো।

কটন মহাবিদ্যালয়ত নবাগত আদৰণি সভাও অনুষ্ঠিত হয়। বক্তাসকলে ইংৰাজীত ভাল বক্তৃতা দিব নোৱাৰে। মোৰ বন্ধু চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু মহম্মদ আলিহকে ইংৰাজীতে ৪/৫ মিনিট বক্তৃতা দিছিল। কিন্তু কলিকতাত শ্বহীদ হোৱা ফুকনে খুব ভাল ইংৰাজীত বক্তৃতা দিব পাৰিছিল।

আমি কটনত পঢ়া অৱস্থাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সদস্যসকল আহিছিল। আমি একতা সভাই তেওঁলোকক এখন মানপত্ৰ ইংৰাজীত দিছিলো। অধ্যক্ষৰ কোঠাত আগতে পঢ়ি দিয়া হৈছিল। সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে এনেদৰে কৈছিল— Cottonians, you speak highly of some past ancestors. What is the use of going back to the past if it has no relation with the present day reality. এই প্ৰৱন্ধত ড° সূৰ্য্যকুমাৰ ভূঞা আৰু ড° বাণীকান্ত কাকতিৰ নাম উল্লেখ কৰাটো উচিত হ'ব। এই দুজন মহাপণ্ডিতৰ সমকক্ষ ব্যক্তি কটন আৰু গুৱাহাটীত নাছিল। বোধকৰো আজি-কালিও তেনে পণ্ডিত আছে বুলি মনে নধৰে।

আমি পঢ়া সময়তে নেহৰুৰ Discovery of India গ্ৰন্থ প্ৰকাশ হৈছিল। তেতিয়া আমি এই মহাগ্ৰন্থখনৰ কথা কমন ৰুমত অধ্যাপকসকলক সোধোতে সকলোৱে ভাল বুলি ক'লে। কিন্তু কাকতি ছাৰে ক'লে— এইখন এখন লেচেৰী বোটলা কিতাপ। ড° কাকতিৰ বিচক্ষণ প্ৰশাসনীয় দক্ষতাৰ কথা উল্লেখ কৰিলো। আমাৰ দিনত এজন অসমীয়া ল'ৰাই বিজ্ঞান শাখাৰ পাহাড়ী ছাত্ৰী এগৰাকীক প্ৰায়ে জোকাইছিল। তাইক জোকাওঁতে সেই ছাত্ৰী গৰাকীয়ে চেণ্ডেলেৰে তেওঁৰ সহপাঠীজনক কোবালে। আমি সকলো ছাত্ৰ-ছাত্ৰী গৈ অধ্যক্ষ ড° কাকতীক আপত্তি দিলো। তেখেতে ৰুচি-বিগৰ্হিত উৎসাহ মনেৰে আমাক ক'লে— তোমালোকে কেতিয়াবা মাইকী ঘোঁৰাৰ ওচৰলৈ মতা ঘোঁৰা যোৱা দেখিছা নহয়— তেতিয়া মাইকী ঘোঁৰাই লাঠ মাৰি দিয়ে। তাইৰো সেয়ে হ'ল— আমি গুচি আহিলো।

মই মাজে সময়ে ড° সূৰ্য্যকুমাৰ ভূঞাৰ ঘৰলৈ গৈছিলো। তেখেতে মোক নিজৰ কিতাপ Lachit Barphukan and his Tenures ৰ মন্তব্য বিচাৰিছিল। মই মন্তব্য দিছিলো। তেওঁ মোৰ মন্তব্যৰ প্ৰশংসা কৰিছিল। মই মাজে সময়ে ড° প্ৰফুল্লদত্ত গোস্বামীৰ ঘৰলৈ গৈছিলো। তেওঁ ইংৰাজী উপন্যাসৰ তিনিখন দীঘল লিষ্ট দিছিল। তেখেতৰ লিষ্ট পাই মই প্ৰায় ৫০ খন ইংৰাজী উপন্যাস পঢ়িলো।

সামৰণিত ক'ব খোজো কটন মহাবিদ্যালয়ে কেমব্ৰিজ, ট্ৰিনিটি কলেজৰ দৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত দেশৰ ভিতৰতে আগশাৰীৰ বিজ্ঞানী উলিয়াবলৈ পৰিকল্পনা হাতত

ল'ব লাগে। ট্ৰিনিটি কলেজে আজিলৈকে ১৫/২০ জন ন'বেল লৰিয়েট উলিয়াইছে। এইবোৰ কথা লক্ষ্য ৰাখি উনবিংশ শতিকাত বিজ্ঞান আৰু অৰ্থনীতি বিষয়ত অসমক সমৃদ্ধিশালী কৰিবলৈ বিশেষ কেইটামান আঁচনি আৰু পৰিকল্পনা হাতত লওক। কটনৰ শতবাৰ্ষিকীত এই বৌদ্ধিক দিশৰ অভাৱ দেখিলো।

অতীতৰ সুনাম আৰু ঐতিহ্য ৰক্ষা কৰাৰ লগতে উনবিংশ শতিকাৰ বাবেও কটন কলেজে পৰিকল্পনা যুগুত কৰক। ❑

অনিমা গুহ

সোঁৱৰণত উজ্জ্বল হৈ থকা দিনবোৰ

কটন কলেজ, চুডমাৰ্চন চাহাব আৰু ৰবীন্দ্ৰ নাথ— এই তিনিটা শব্দৰে সৈতে বোধহয় মই জ্ঞান হোৱাৰে পৰা চিনাকি। তেতিয়া অৱশ্যে জনা নাছিলো শব্দ কেইটাৰ অৰ্থ কি ? মানুহেই নে আন কিবা বস্তু? দেউতা, তেওঁৰ দুজনমান বন্ধু আৰু আমাৰ কেইজনমান খুৰা একেলগ হ'লে এই শব্দবোৰ বেছিকৈ কাণত পৰিছিল। লাহে লাহে বোধগম্য হ'ল তেওঁলোকে এসময়ত পঢ়িছিল কটন কলেজত। প্ৰিন্সিপাল আছিল চুডমাৰ্চন চাহাব আৰু ৰবীন্দ্ৰনাথ এগৰাকী কবি।

আমি জনাবুজা হোৱাৰ পাছত চুডমাৰ্চন চাহাবৰ কথা দেউতাই আমাক প্ৰায়ে কৈছিল। ১৯১৭চনত স্কুল শিক্ষান্ত (তেতিয়াৰ এণ্ট্ৰেন্স) পৰীক্ষাত উত্তীৰ্ণ হৈ দেউতা স্বৰ্গীয় গিৰীন্দ্ৰ মোহন দাস কটন কলেজত ভৰ্তি হৈ ১৯২১ চনত গ্ৰেজুৱেট হয়। সেই সময়ত ছাত্ৰসংখ্যা কম আছিল বাবে শিক্ষক-ছাত্ৰৰ মাজত আছিল সুসম্পৰ্ক। চুডমাৰ্চন চাহাবে দেউতাক প্ৰথম বছৰৰ পৰাই মৰমৰ চকুৰে চোৱাৰ আঁৰত আছিল এটা ইণ্টাৰেষ্টিং ঘটনা।

এদিন আগবেলা চাহাবে দেউতাক হঠাৎ মাতি পঠালে। তেওঁৰ বৰ ভয় লাগিল। কিয় মাতিলে বাৰু? কলেজত সোমাইছেহে মাত্ৰ, গাৰ পৰা স্কুলৰ গোন্ধেই আঁতৰি যোৱা

নাই। ভয়তে কঁপি কঁপি তেওঁ প্ৰিন্সিপালৰ কোঠালিত সোমাই মূৰ দোৱালে। কলেজৰ ডিচপেনচাৰীখনৰ কম্পাউণ্ডাৰজনৰ বাহিৰে তেতিয়া কোঠালিত বাহিৰা মানুহ আন কোনো নাছিল, দেউতাক বহিবলৈ দি দুটামান মামুলী প্ৰশ্ন কৰাৰ পাছত গহীন গম্ভীৰ স্বৰত চাহাবে কম্পাউণ্ডাৰজনলৈ আঙুলিয়াই তেওঁক চিনি পায় নে নাই সুধিলে। পায় বুলি কোৱাত চাহাবে ক'লে, 'যোৱাকালি তুমি এওঁৰ লগত অভদ্ৰ ব্যৱহাৰ কৰাৰ কাৰণ কি?' দেউতাই অস্বীকাৰ কৰাত কম্পাউণ্ডাৰগৰাকী জাঙুৰ খাই উঠি ক'লে, 'এতিয়া ভয়তে সি মিছা মাতিছে ছাৰ'। দেউতাৰ ফালে চাই ক'লে, 'অই ল'ৰা' কালি তই বৰ্বৰ-চৰ্বৰ আৰু কিবাকিবি কৈ গালি পৰা নাছিলি?'

চুডমাৰ্চন চাহাবে সিজনাক শান্ত হ'বলৈ কৈ দেউতাক তেওঁৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ক'লে।

'ছাৰ, মই গালিতো পৰা নাছিলো।'

তেন্তে কি কৈছিলা?

'লজিকৰ ছাৰে কেইটামান কাহানিও নুশুনা শব্দ মুখস্থ কৰিবলৈ দিয়া বাবে তাকে দিনে ৰাতি গাই ফুৰিছো ছাৰ। কালি তেনেকৈ গাই থাকোতে এওঁ এবাৰ মোৰ আগেদি যোৱাত তেওঁৰ মুখৰ ফালে চাই চাই গাইছিলো। আপুনি বিশ্বাস নকৰিলে হোষ্টেলৰ ছাত্ৰ, মেছৰ ৰান্ধনি, কামকৰা ল'ৰা সকলোকে সুধিব পাৰে ছাৰ। কাৰোবাৰ লগত দেখা হ'লেই মই শব্দ কেইটা গাওঁ। নিজৰ মনত তো গায়ে থাকো।' 'মোকো এবাৰ শুনোৱাচোন কিনো তুমি দিনে ৰাতিয়ে মুখস্থ মাতিছা?'

একে উশাহতে দেউতাই গাই গ'ল, 'বাৰ্বাৰা, ছালাৰেণ্ট, ডেৰিয়াই, ফেৰিও, ছিজাৰে, কেমেছটেছ, বাৰাকো, ফেছটিনো....'

দেউতাক বাধা দি সিজনাই উত্তেজিত সুৰত কৈ উঠিল, 'শুনিছে শুনিছে ছাৰ বৰ্বৰ-ছালা আৰু ইংৰাজীত বেয়া বেয়া শব্দ ব্যবহাৰ কৰি সি মোক কেনেকৈ অপমান কৰিছে?'

চুডমাৰ্চন চাহাবৰ লজিক-ফিলছফি আছিল হ'বলা। তেও কোঠালিটো কঁপাই হাঁহিবলৈ ধৰিলে আৰু মানুহজনে মুখখন মেলি তেওঁলৈ চাই থাকিল। দেউতাৰ মনত পৰিছিল আগদিনা কম্পাউণ্ডাৰজনৰ সম্মুখত তেনেকৈ কওঁতে খঙৰ ভমকত তেওঁ কৈছিল, 'হেৰ ল'ৰা, মোক গালি পাৰিছ কিয়?' গালি পৰা বুলি ভবা বাবে দেউতাই বৰ ফুৰ্তি পালে। তেওঁৰ লগত অলপ ৰং-ৰহইছ কৰিবৰ উদ্দেশ্যেও আকৌ বাৰ্বাৰা, ছালাৰেণ্ট...... গাবলৈ ধৰিলে। মানুহজনেও হাত জোকাৰি জোকাৰি কৈ গৈছিল, 'ৰ' বদমাচ তোৰ নাম কটাব নোৱাৰিলে মোৰ নামেৰে কুকুৰ পুহিবি।'

পিছদিনা বুজি পালে নাম কটাবলৈ তেওঁ চাহাবৰ ওচৰ পাইছিলহি। যি কি নহওক দেউতাৰ ডাঙৰ লাভ হ'ল। গিৰীন্দ্ৰ মোহন দাস নামৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰজন চুডমাৰ্চন চাহাবৰ প্ৰিয়পাত্ৰ হ'বলৈ পালে।

আন এটা ঘটনাৰ কথাও দেউতাই কৈছিল। এদিন তেওঁ বি. এ. পৰীক্ষাৰ বাবে পঢ়ি আছে। এনেতে তেওঁৰ পাছফালে কাৰোবাৰ উচুপনি শুনি ঘূৰি চাই দেখে তেওঁৰ মোমায়েকৰ পুতেক ভুৱন চন্দ্ৰ দাস। চকুৰ পানী মচি থিয় দি আছে এণ্ট্ৰেন্স (স্কুল শিক্ষান্ত) পৰীক্ষা দিবলৈ অহা ল'ৰাজন। তেতিয়াৰ দিনত অসমৰ ছাত্ৰ (ছাত্ৰী নাছিল যেনেই পাওঁ) সকলৰ বাবে গুৱাহাটীয়ে আছিল এণ্ট্ৰেন্স পৰীক্ষাৰ একমাত্ৰ চেণ্টাৰ।

ৰৰাক উপত্যকাৰ বাবে হয়তো চিলেটৰ এম. ছি. কলেজখন আছিল। যিয়েই নহওক ভায়েকে ক'লে তেওঁৰ অঙ্ক পৰীক্ষা খুবেই ভাল হৈছে, কিন্তু বহীৰ ওপৰত তেওঁ নাম লিখা নাই।

পৰীক্ষা তেতিয়া মাত্র শেষ হৈছিল। এক মুহূৰ্ত সময় নষ্ট নকৰি দেউতাই ভায়েকক টানি লৈ গৈছিল চুডমাৰ্চন চাহাবৰ ওচৰলৈ। ঘটনাৰ আদ্যোপান্ত শুনি চাহাবে বহীবোৰৰ মাজৰ পৰা নামহীন খন উলিয়াই নানা ভাৱে পৰীক্ষা কৰি নিশ্চিন্ত হোৱাৰ পাছত ছাত্ৰজনক নাম লিখিবলৈ অনুমতি দিলে। সকলো হৈ যোৱাৰ পাছত চাহাবে দেউতাক সুধিছিল ল'ৰাজন কোন? দেউতাই 'কাজিন' বুলি কোৱাৰ লগে লগে এখন ভৰিৰে মাটিত সজোৰে আঘাত কৰি চুডমাৰ্চন চাহাবে কৈছিল, 'The world is your cousin' কিয়নো সেই সময়ত দেউতাৰ কেবাজনো 'কাজিন' তাত পঢ়িছিল।

এনে ধৰণৰ বহু কথা শুনি শুনি চাহাবজনক চকুৰে নেদেখিলেও সৰুৰে পৰা তেওঁক জানিছিলো। কেইজনমান চাহাব-মেমৰ সৈতে দেউতাৰ ফটো এখনো মাহঁতৰ ঘৰত আছিল। তাৰে কোনোবা এজন চুডমাৰ্চন নেকি নাজানো। দেউতাৰ অকাল মৃত্যু হোৱা বাবে ঘৰখন ছেদেলি-ভেদেলি হোৱাত বহু অমূল্য সম্পদ আমি হেৰুৱাই পেলাইছো।

এইবাৰ আহোঁ ৰবীন্দ্ৰনাথ ঠাকুৰলৈ। দেউতা কটন কলেজত পঢ়ি থাকোতে যিমানদূৰ মনত পৰে ১৯১৯ চনত ৰবীন্দ্ৰনাথ অসমলৈ আহিছিল। সেই সময়ত কটনৰ কেইজনমান ছাত্ৰৰে সৈতে তোলা কবিজনাৰ ফটো এখন আমাৰ ঘৰৰ বেৰত ওলোমাই থোৱা আছিল, সম্ভৱত মোৰ জন্মৰ আগৰে পৰা। ছাত্ৰসকলৰ মাজত দেউতাও আছে। এইখন ফটো মোৰ লগত এতিয়াও আছে। সৰুতে মোৰ ধাৰণা আছিল ৰবীন্দ্ৰ নাথ দেউতাৰ বন্ধু, নহলেনো একেলগে ফটো তুলিব কিয়? মোতকৈ চাৰি বছৰে ডাঙৰ পিকলু বাইদেৱে মোৰ অজ্ঞতাৰ বাবে তিৰস্কাৰ কৰি কৈছিল, 'তই বুৰ্বক নেকি? মানুহজন দেউতাৰ মাষ্টৰ হে। দেখা নাই কিমান দীঘল দীঘল দাড়ি আছে?'

(২)

সেইখন কটন কলেজত ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ বছৰত প্ৰথম বাৰ্ষিক বিজ্ঞান শাখাত ভৰ্তি হলোহি। আমাৰ সময়ত অসমত সাত-আঠখন মাত্র কলেজ আছিল। সকলোৰে জীৱনত স্কুলৰ পৰা কলেজলৈ উত্তৰণ জীৱনৰ এটা স্মৰণীয় ঘটনা। যেন নাদৰ ভেকুলী সাগৰত পৰিলো। পাণবজাৰৰ পৰা দীঘলী পুখুৰী পাৰলৈ বিস্তৃত এই সাগৰখনত ছাত্ৰ-ছাত্ৰী আৰু প্ৰফেছাৰসকলক দেখি সৰু সৰু ঠাইৰ পৰা অহা আমি সকলেই নহয়, গুৱাহাটীত ডাঙৰ হোৱা আমাৰ সহ-পাঠিনী অনসূয়া চৌধুৰী (হাজৰিকা), মণি দেৱী, তুলতুল ভৰালী(বৰুৱা)হঁতেও তবধ মানিছিল। পাণবজাৰৰ গাত লাগি থকা আৰ্টছ বিল্ডিংটোত ইংৰাজী ক্লাছ কৰি পিছৰ ক্লাছটো কৰিবলৈ দীঘলীপুখুৰীৰ পাৰত থকা ব'টানি বিভাগলৈ দৌৰি দৌৰি যাওঁ মানে সিফালে ৰোল-ক'ল কৰা আৰম্ভ হৈ গৈছিল। মোৰ ৰোল-নম্বৰ আছিল এক। সেয়েহে সদায় ক্লাছ শেষ হোৱাৰ পাছত প্ৰফেছাৰৰ ওচৰলৈ যাবলগীয়া হৈছিল।

পুৰণি দিনৰ কথা লিখিবলৈ বহি দেখিছো বহু স্মৃতি কলমৰ আগত থুপ খাইছেহি। কোনটো লিখো, কোনটো এৰো?

ছাত্ৰ-ছাত্ৰীৰ জীৱনত শিক্ষক-শিক্ষয়িত্ৰীৰ দৰে আদৰ্শ ব্যক্তি বোধহয় পৃথিৱীতে নাই। সৰু সৰু ল'ৰা-ছোৱালীবোৰে মাক-দেউতাকতকৈ শিক্ষয়িত্ৰীৰ কথাৰ ওপৰতে গুৰুত্ব দিয়ে বেছি। কলেজত বয়সীয়া প্ৰফেছাৰসকলৰ প্ৰতি শ্ৰদ্ধা-ভক্তি থাকিলেও ডেকাচামৰ মাজত কেবাগৰাকী আমাৰ আছিল হিৰো। সেই সময়ত কটন কলেজৰ ছাত্ৰীবাসটো আছিল ড° সূৰ্য্যকুমাৰ ভূঞাৰ বাসভৱনৰ কাষত এটা ভাৰা কৰা ঘৰত। ছাত্ৰী আছিলো বোধকৰো চৈধ্যজনীমানহে। আমাৰ ৱাৰ্ডেন ড° কমলা বৰুৱৰ ন-দহ বছৰীয়া জীয়ৰী ছুকু আমাৰ ওচৰলৈ সদায় আহিছিল। গাভৰু ছোৱালীজাকৰ সান্নিধ্য পাই তাই অকালপক্ক হৈছিল যেন লাগে। ঘৰলৈ গৈ তাই মাকক লগাইছিল, 'মাহী (অৰ্থাৎ আমি) হঁতে পঢ়া-শুনা নকৰে কেৱল নৰল নৰল কৰে।' এদিন বাইদেৱে নৰলৰ আইডেনটিটি বিচাৰিলে। আমি তেনে এটা নামৰ মানুহক চিনি নাপাওঁ বুলি ক'লেও জানিছিলো সেইজনা আছিল অঙ্কৰ অধ্যাপক নুৰুল ইছলাম ছাৰ। টান বিষয় এটা সহজকৈ বুজোৱা শিক্ষকজন আছিল সুপুৰুষো। গতিকে তেওঁ আলোচনাৰ মধ্যমণি হোৱাটো স্বাভাৱিক।

সেই সময়ত কেবাগৰাকী প্ৰফেছাৰৰ নামৰ শেষত বাবু শব্দটো যোগ কৰাৰ ৰীতি আছিল। যেনে উদ্ভিদ বিদ্যাৰ স্বনামধন্য অধ্যাপক অতুলবাবু (দত্ত), কেমেষ্ট্ৰিৰ ইন্দুবাবু (সৰকাৰ) আৰু যদুবাবু (মুখাৰ্জি) আৰু অঙ্কৰ ৰাধাবাবু (কান্ত দাস)। আমাৰ প্ৰিন্সিপাল আছিল বাণীকান্ত কাকতি, তেৰোঁ বাণীবাবু নামেৰে খ্যাত আছিল। তেওঁৰ পাছত আমাৰ প্ৰিন্সিপাল আছিল সংস্কৃত সাহিত্যৰ এগৰাকী সুপণ্ডিত অধ্যাপক শ্ৰীনাথ চক্ৰৱৰ্তী। বাণীবাবুক চিনি পোৱা সকলে জানে তেওঁ কথাই পতি হাঁহিছিল বুলি। তেওঁ বক্তৃতা দিয়া সভাখন আছিল হাঁহিত উটি-ভাঁহি যোৱা সভা। একো একোটা বাক্যৰ মাজত তেওঁ তিনি-চাৰিবাৰকৈ হাঁহে, মাইকত সেই হাঁহি শুনি আঁতৰত বহি থকা শ্ৰোতাইও উচ্চস্বৰে হাঁহিব ধৰে। বেছি পঢ়া-শুনা কৰা মানুহে সাধাৰণতে হাঁহিব নাজানে। গোমোঠা মুখীয়া হয়। হাঁহি স্বাস্থ্যৰ পক্ষে উপকাৰী। বাণীবাবুক হেনো ডাক্তৰে হাঁহিবলৈ পৰামৰ্শ দিছিল। গতিকে হাঁহি নুঠিলেও তেওঁ এনেয়ে হাঁহি আমাৰো স্বাস্থ্যৰ উন্নতি ঘটাইছিল।

অঙ্কৰ অধ্যাপক ৰাধাবাবুৱে সদায় গণিতৰ ভাষাত কথা কৈছিল। প্ৰথম দিনাই তেওঁ আমাক কৈছিল, mathematics is a subject which you can not study by making your body hundred and eighty degrees. Make it ninety degree. অৰ্থাৎ গণিত শুই শুই পঢ়া বিষয় নহয়, বহি বহিহে কৰিব লাগে অঙ্ক। তেওঁৰ বিষয়ে কথা এষাৰ ছাত্ৰ সমাজত প্ৰচলিত আছিল। তেওঁ কলিকতাত এম. এছ. ছি. পঢ়ি থকা সময়ত এজনী বাঙালী ছোৱালীৰ প্ৰতি হেনো দুৰ্বল বোধ কৰিছিল। অঙ্কৰ দৰে নিৰস বিষয়ত পঢ়া-শুনা কৰিলেও ডেকা বয়সত তেওঁৰ হৃদয় নিশ্চয় শুকান মৰুভূমি নাছিল। পিছে যুক্তি আৰু ফৰ্মূলাৰে ভৰা বিষয় এটাত ব্যুৎপত্তি লাভ কৰা বাবেই হয়তো উপলব্ধি কৰিলে এই সম্পৰ্কৰ শেষ পৰিণতি হ'ব বিয়োগাত্মক। তেতিয়াৰ দিনত আন্তঃৰাজ্য বিয়াৰ কথাষাৰ কোনো পৰিয়ালে নিশ্চয় মানি নললেহেঁতেন। বিৰহিনী প্ৰেমিকাই তেওঁৰ এই সিদ্ধান্তৰ কাৰণ কি জানিবলৈ বিচৰাত গণিতজ্ঞ প্ৰেমিকে কৈছিল, 'two parallel straight lines can not meet together.' কথাষাৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নে কাৰোবাৰ উৰ্বৰ মস্তিষ্ক প্ৰসূত নাজানিলো।

এই প্ৰসঙ্গত মোৰ আন এজন বিখ্যাত মানুহলৈ মনত পৰিল। এবাৰ মুকলি সভা এখনত অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কৈছিল, 'সকলোৱে মোক বাঙালী বিদ্বেষী

মনোভাৱৰ মানুহ বুলি ভাবে, কিন্তু প্ৰথম যৌৱনত যি গৰাকী বাঙালী ছোৱালীৰ প্ৰেমত পৰি কবিতা লিখিলো সেই জাতিৰ প্ৰতি বিশ্বাসঘাতকতা কৰিম, এনে নিমখহাৰাম মই নহওঁ।' শ্ৰোতাসকলৰ মাজৰ পৰা কোনোবা এজনে সুধিছিল, 'কোন সেইগৰাকী?'

'বিদ্যুৎলতা', তেওঁৰ উত্তৰ।

১৯৭৩-৯১সময়ছোৱাত আমাৰ কলিকতা প্ৰৱাসৰ সময়ত আমাৰ ঘৰৰ কাষত জীয়েকৰ সৈতে বাস কৰিছিল বিদ্যুৎলতা নামৰ এগৰাকী মাতৃস্থানীয় কবি। হয়তো তেৱেঁই আছিল অসম কেশৰীৰ প্ৰাণত প্ৰেমৰ জোৱাৰ তোলা সেই নাৰী। সুধিবলৈ সাহ নহ'ল।

আমি আবেলি হোষ্টেলৰ ছোৱালীবোৰে একেলগ হৈ দীঘলী পুখুৰীৰ পাৰত নাইবা ব্ৰহ্মপুত্ৰৰ দাঁতিয়ে দাঁতিয়ে ফুৰিবলৈ যাওঁতে অম্বিকাগিৰি ৰায়চৌধুৰীক প্ৰায়ে লগ পাইছিলো। তেওঁ দলবান্ধি ফুৰা পছন্দ কৰা নাছিল। কম বয়সতে শৃঙ্খলাবদ্ধ হ'ব লাগে বুলি কৈ নিজে থিয়হৈ থাকি দুজনী দুজনীকৈ শাৰী পাতি মাৰ্চ কৰাৰ ভঙ্গীত খোজ কাঢ়িবলৈ দিহা দিছিল। বাছৰ মানুহে হাঁহে বুলি আমি লাজতে ৰঙা পৰিছিলো। পিছে অলপ দূৰলৈ গৈ আমি আকৌ ছেদেলি ভেদেলি হৈছিলোহঁক। মাজে মাজে তেওঁ আমাক বাটত ৰখাই বাটৰুৱাসকলেও শুনাকৈ প্ৰশ্ন কৰিছিল, 'তোমালোকে লাচিতৰ দৰে সন্তান জন্ম দিব পাৰিবা নে নাই কোৱা।' আমি তেতিয়া অবিবাহিতা। বয়সো কম। তেনে এটা প্ৰশ্নৰ উত্তৰ দিয়া আছিল অসম্ভব। পিছে উত্তৰ নোপোৱালৈ তেওঁ আমাক মুক্তি দিয়া নাছিল। উপায়হীন হৈ এজনীয়ে ক'লে, 'পাৰিম'। তেওঁ সন্তুষ্ট হোৱাত সিদিনাৰ বাবে ৰক্ষা পৰিছিলো। কেইদিনমান পলাই ফুৰাৰ পাছত আন এদিন দেখা পাই পাকৰাও কৰিলে। আমাৰ বুকু কঁপি উঠিল। আজিবা আকৌ কাৰ মাক হ'ব লাগে? নালাগিল যদিও সিদিনা কুঁজা হৈ খোজ কঢ়া ছোৱালী এজনীৰ পিঠিখনত থপৰিয়াই ক'লে পোন হৈ খোজ কাঢ়িবলৈ। 'তোমালোক মূলাগাভৰুৰ দেশৰ ছোৱালী, কুঁজাহৈ খোজ নাকাঢ়িবা। বীৰাঙ্গনা হোৱা, বীৰাঙ্গনা।' সেই সময়ত তেওঁক এৰাই ফুৰিবলৈ চেষ্টা কৰিছিলো যদিও সেই মুহূৰ্তবোৰৰ স্মৃতি অন্তৰত আপুৰুগীয়া সম্পত্তিৰ দৰে সাঁচি থৈছো।

আমাৰ কেমেষ্ট্ৰিৰ অধ্যাপক যদুলাল মুখাৰ্জি আছিল এগৰাকী নিষ্ঠাবান গৱেষক-অধ্যাপক। তেতিয়াৰ দিনত আজিৰ দৰে গৱেষণাৰ সা-সুবিধা নথকা সত্ত্বেও অক্লান্তভাৱে প্ৰতিকূল পৰিবেশত কাম কৰি গৈছিল। পোছাক-পৰিচ্ছদৰ প্ৰতি তেওঁ আছিল সম্পূৰ্ণ উদাসীন। পেণ্টৰ তলৰ ফোল্ডটোৰ ফটা অংশ এডোখৰ যে চোঁচৰাই লৈ গৈ থাকিছিল তালৈ বিন্দু মাত্ৰ সচেতন নাছিল তেওঁ। গমেই নাপাইছিল যে ব্লেকবৰ্ডখন হাতেৰে মোহাৰি সেইখন হাতেৰে মুখো মচিলে।

হঠাতে 'টেৰামাইছিন' ছাৰ আহি মোৰ চকুৰ আগত থিয় দিলেহি। তেওঁ আছিল হোলাৰ ভাই মোলা স্বভাৱৰ। এদিন তেওঁক দুজনমান আমাৰ ক্লাছৰ ৰঙিয়াল স্বভাৱৰ ল'ৰাই দেখিলে ৰেডি-মেড কাপোৰৰ দোকানত সোমোৱা। তেওঁনো তাত কি কিনে চাবলৈ সিহঁত নিঃশব্দে পাছে পাছে গৈ দোকানত সোমাল। ছাৰে তেতিয়া ছেলছমেনজনক কৈ আছিল, 'মোৰ জোখৰ এটা টেৰামাইছিনৰ চাৰ্ট দিয়কচোন'। দোকানীৰ চকু কপালত উঠিল। 'আপুনি টেৰামাইছিন কেপচুল বিচাৰিছে যেন পাওঁ, কাষৰ ফাৰ্মাচীখনত পাব'। লাজত ৰঙাপৰি তেওঁ ওলাই আহিবৰ সময়ত দুষ্ট ল'ৰা দুটাক দেখি কোবাকুবিকৈ ওলাই গ'ল। সেই সময়ত টেৰেলিনৰ চাৰ্ট বৰ জনপ্ৰিয় হৈছিল। সম্ভৱত তেওঁ তাকে বিচাৰি গৈছিল।

প্ৰফেছাৰ আৰু ছাৰসকলৰ নাম দিয়াত আমি আছিলো পাকৈত। কেমেষ্ট্ৰি ক্লাছত জোতা-মোজাৰে সৈতে চাৰ্টৰ ওপৰত চুৰিয়াখন পিন্ধি অহা ইন্দুবাবু ছাৰে যেতিয়া 'ভ্যলিউম' বুলি কৈ মুখখন জপাই অলপ পৰ ধৈ দিছিল তেতিয়া মুখ গহ্বৰত সোমোৱা এমোকোৰা বতাহে তেওঁৰ মুখৰ ভ্যলিউমো বঢ়াইছিল। সেয়েহে তেওঁক আমি ভ্যলিউম বুলিছিলো।

ইংৰাজীৰ অধ্যাপক চন্দ্ৰ কলিতা ছাৰে এবছৰ জুৰি আমাক ক'লৰিজৰ 'ৰাইম অফ দ্য এনছিয়েণ্ট মেৰিনাৰ' কবিতাটো পঢ়োৱা বাবে তেওঁ আছিল আমাৰ বাবে সেই মেৰিনাৰ জন, পিয়াহত পানী এটোপা নাপাই অষ্ঠ-কণ্ঠ শুকাই গৈছিল যাৰ।

আমাৰ এজন শ্ৰীহট্টবাসী অত্যন্ত মেধাবী শিক্ষক আছিল। বৰ সহজ সৰল হোৱা হেতুকে তেওঁৰ বিষয়ে ল'ৰাহঁতে এটা হাঁহি উঠা কাহিনী প্ৰচাৰ কৰিছিল। তেওঁ শ্ৰীহট্টৰ পৰা ডাউকী-শ্বিলং পথেৰে গুৱাহাটীলৈ অহা বুলি শুনি দুষ্টবুদ্ধিৰ ছাত্ৰ কেইজনমানে প্ৰচাৰ কৰিলে যে জীৱনত ৰেল ষ্টেচন নেদেখা সেই ছাৰজনে এদিন হেনো ৰেলগাড়ী চাবৰ মানসেৰে গুৱাহাটী ৰেলষ্টেচনলৈ গৈ গাত ডাঙৰ ডাঙৰ আখৰেৰে 'ফায়াৰ' শব্দটো লিখা অগ্নি-নিৰ্বাপক ৰঙা বৰণৰ বাল্টিবোৰ ওলমি থকা দেখি কৈছিল, 'অসমীয়া মানুষগুলা খি বুৰ্বখ। লেখছে ফায়াৰ, ৰাখছে জল!'

আমাৰ দিনত ৰেগিং নাছিল যদিও নতুনকৈ হোষ্টেললৈ অহা দুই এজনীৰ সৈতে নিৰ্দোষ ধেমালি কৰিবলৈ এৰা নাছিলো। তাৰে এটা মনত পৰিল। আজি-কালি কপালত পিন্ধিবলৈ নানাৰঙী ফোঁট কিনিবলৈ পোৱা যায়। আমাৰ কপালত সচৰাচৰ দেখিবলৈ নোপোৱা মেৰুণ ৰঙৰ ফোঁট দেখি নৱাগতা ছোৱালী এজনীৰ বৰ পছন্দ হ'ল। ক'ত পালো বুলি সোধাত ক'লো সেন্দূৰৰ লগত টেট্ৰাভেলেণ্ট কাৰ্বন মিহলালে এইটো ৰং হয়। বস্তুটো ক'ত পোৱা যায় জানিবলৈ আগ্ৰহ কৰাত কৈছিলো দোকানে-বজাৰে পাবলৈ নাই। কেমেষ্ট্ৰিৰ প্ৰফেছাৰৰ সৈতে খাতিৰ থাকিলে লেবৰেটৰিৰ বাবে অনা এই বস্তুবিধ তেওঁ ইচ্ছা কৰিলে দিব পাৰে। তাইক ক'লো 'তোমাক লাগিলে ঘেষ্টাং ছাৰৰ ওচৰলৈ যাবা। আনে কিন্তু দামী এই বস্তুটো নিদিব'। কেমেষ্ট্ৰিৰ এই ছাৰজনে প্ৰেকটিকেল ক্লাছত ছোঁও-নোছোঁওকৈ ছাত্ৰীসকলৰ গাত ঘঁহনি এটা মাৰি গৈছিল বাবে তেওঁক আমি ঘেষ্টাংছাৰ বুলিছিলো। তেওঁৰ অৱশ্যে কোনো বেয়া মতলব নাছিল। যিয়েই নহওক, আমাৰ কথামতে ছোৱালীজনীয়ে ছাৰক টেট্ৰাভেলেণ্ট কাৰ্বন অলপমানৰ কথা ক'লে। তেওঁ বুজিলে কোনোবা দুষ্টই ধেমালি কৰিছে। আমি কোৱা বুলি গম পাই আমাৰ হাতত পঠিয়াই দিব বুলি কৈ তাইক বিদায় দিছিল।

সেই সময়ত আমি যৌগিক আৰু মৌলিক পদাৰ্থসমূহৰ গঠন সম্বন্ধে জ্ঞান আহৰণ কৰি আছিলো। কাৰ্বন অৰ্থাৎ এঙাৰৰ পৰমাণুৰ ভেলেনছি, যাক আমি হাত বুলিয়ে কৈছিলো, চাৰি অৰ্থাৎ কাৰ্বন হ'ল টেট্ৰাভেলেণ্ট বা চাৰিহতীয়া। ৰান্ধনী ঘৰৰ চৌকাৰ পৰা অনা এঙাৰ গুৰি কৰি সেন্দূৰৰ লগত মিহলাইছিলো মেৰুণ ৰঙৰ ফোঁট তৈয়াৰ কৰিবলৈ। বেচেৰী ছোৱালীজনীৰ সৈতে ৰং-ৰহইছ কৰিলো নিজৰ নৱলব্ধ জ্ঞানৰ জৰিয়তে।

পদাৰ্থৰ অণু-পৰমাণুবোৰৰ গঠন ফটফটীয়াকৈ বুজাব পৰা এক অসামান্য ক্ষমতা আছিল অধ্যাপক ডম্বৰু গগৈৰ। ধাৰণা হৈছিল প্ৰতিটো অণু-পৰমাণুৰ ভিতৰত প্ৰৱেশ কৰি আমি যেন নিজ চকুৰে সকলো চাই আছো। ছ'টা চাৰিহতীয়া কাৰ্বনৰ পৰমাণুৱে সৈতে ছ'টা একহতীয়া হাইড্ৰোজেন পৰমাণুৱে হাতত ধৰাধৰিকৈ ষড়ভুজাকাৰত সৃষ্টি কৰা বেনজিন নামৰ যৌগটোৰ গঠন আজি আঠৈকুৰি বছৰৰ পাছতো মনত আছে যেন লাগিছে।

গণিতৰ অধ্যাপক ৰেৱতী মোহন দত্তচৌধুৰী ছাৰৰ আমি কোনো নাম দিয়া নাছিলো। পিছে তেওঁ নিজে নিজকে শীলাদিত্য নামেৰে ভূষিত কৰি সাহিত্য জগতত প্ৰৱেশ কৰে।

কেৱল শিক্ষকৰে নহয় আমি কিছুমান ছাত্ৰৰো নাম দিছিলো। এনে এজন ছাত্ৰ আছিল শুৱালকুছিৰ নৰেন্দ্ৰ নাথ গোস্বামী। তেওঁৰ প্ৰকাশভঙ্গী, ধেমেলীয়া আচাৰ-ব্যৱহাৰ আৰু দুষ্টালিৰে ভৰা নিৰ্দোষ হাঁহিটোৰ বাবে তেওঁ ছাত্ৰসমাজত ফুচুৰি গোঁসাই নামেৰে জনাজাত আছিল। আমি কলেজৰ প্ৰথম দুবছৰ ল'ৰাৰ লগত প্ৰয়োজন নহলে কথা নাপাতিছিলো যদিও ফুচুৰি গোঁসাইৰ সৈতে আওপকীয়াভাৱে এটা মধুৰ সম্পৰ্ক স্থাপন কৰিছিলো। তেওঁৰ আনকি ছাঁটো দেখিলেও সকলোৰে মাজত আনন্দৰ জোৱাৰ উঠিছিল। আই.এছ.ছি পাছ কৰাৰ পাছত তেওঁ ৰেলৰে সেৱাত যোগ দিবলৈ যোৱাত কলেজখনৰ পৰিবেশ ৰসহীন হৈ পৰে। তেওঁৰ অগণন হাস্যৰসপূৰ্ণ উক্তিৰ মাজৰ পৰা এটা বুটলি অনা যাওক। তেওঁ প্ৰায়ে ফিজিক্স-কেমেষ্ট্ৰিৰ গেলেৰিত আমাৰ পিছৰ শাৰীত বহি খুহুটীয়া কথা কৈছিল। এদিন প্ৰফেছাৰ এজনৰ ব'ৰিং লেকচাৰ শুনি শুনি চকুদুটা মুদ খাই আহিবলৈ ধৰাত মই মানুহ এজনৰ ছবি আঁকি আছিলো। সিজনাই হঠাৎ কৈ উঠিল, 'ইটো দেখোন নৰেন্দ্ৰ নাথ গোস্বামী হে'। মোৰ হাতৰ পৰা কাগজখিলা টানি নি তুলতুলে মানুহজনৰ মুখত একোচা দীঘল দাড়ি আঁকি মূৰত দিলে এটা ফেজ টুপি। ফুচুৰি গোঁসায়ে টপৰাই কৈ উঠিল, 'হোঃ মহম্মদ নৰেন্দ্ৰ নাথ গোস্বামীক বৰ ধুনীয়া লগা হৈছে হে'। ছাৰে বক্তৃতা দি থাকিল আৰু নৰেনৰ আশে পাশে থকা সকলে কোনোমতে হাঁহি কণ্ট্ৰ'ল কৰিলে।

ফুচুৰি গোঁসাইৰ লগত প্ৰথম পোনপটীয়াকৈ কথা পাতিছিলো কলেজ এৰাৰ বহু বছৰ পাছত গুৱাহাটীৰ চিনেমা হল এটাত। বিৰতিৰ সময়ত লাইটবোৰ জ্বলি উঠাত সম্মুখৰ আসনত নৰেনক দেখিলো ল'ৰা-তিৰোতাৰে সৈতে বহি আছে। স্থান-কাল-পাত্ৰ পাহৰি আমি হাঁহিবলৈ ধৰাত তেওঁৰ পত্নী আৰু আন দৰ্শকসকল ভেবাচেকা খাইছিল। তেওঁৰ লগত শেষ দেখা হৈছিল কোকৰাঝাৰ ৰেল ষ্টেছনত। আমি নামি ওলাই আহি আছিলো, হঠাৎ নিজৰ নামটো শুনি ঘূৰি চাওঁ প্ৰথম শ্ৰেণীৰ দুৱাৰ মুখত ফুচুৰি গোঁসাই দণ্ডায়মান।

তেওঁ আজি ইহসংসাৰৰ পৰা বিদায় লৈছে। কেতিয়াবা ধাৰণা হয় তেওঁ নিজেই এই সংবাদ ৰটনা কৰা নাইতো? হঠাৎ হয়তো আত্মপ্ৰকাশ কৰিব তেওঁৰ স্বভাৱ সিদ্ধ পদ্ধতিত। সেই দিনটোৰ বাবে বাট চাই আছো।

(৩)

১৯৪৯-৫০ বছৰটোৰ বাবে কটন কলেজৰ ইউনিয়ন চ'ছাইটিৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় প্ৰথিতযশা কবি-সাহিত্যিক (তেতিয়াৰ ছাত্ৰ) মহেন্দ্ৰ বৰা। বেলেগ বেলেগ বিভাগৰ সম্পাদকসকলৰ মাজত মই আছিলো লেডিজ কমনৰুমৰ দায়িত্বত। সেই সময়ছোৱাত দুটা মনত থাকিবলগীয়া ঘটনা ঘটিছিল। ১৯৫০ ৰ ১৫ আগষ্টৰ দিনা সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা কঁপাই হৈছিল এক বিধ্বংসী ভূঁইকঁপ, যাৰ ফলত অসমৰ বহু ভৌগোলিক পৰিবৰ্তন হয়। প্ৰথম প্ৰধান খুন্দাটোৰ পাছত পোন্ধৰ-কুৰি মিনিটৰ মূৰে মূৰে যিবোৰ কঁপনি উঠিছিল তাৰ প্ৰতিটোৱে আছিল হৃৎপিণ্ড স্তব্ধকাৰী। ভূঁইকঁপ ভীতি সেই তেতিয়াই মোৰ মনত এনেকৈ শিপালে যে আজিও মই ৰাতি শুবলৈ যোৱাৰ

আগেয়ে দুৱাৰ মুখলৈ যোৱা পথটো মুকলি কৰি থওঁ, যেন কঁপি উঠিলেই বিছনাৰ পৰা নামি লৰ মাৰিব পাৰো বাহিৰলৈ। পিছে গুৱাহাটীৰ উলুবাৰীৰ যিটো বাণিজ্যিক অঞ্চলৰ কংক্ৰীটৰ জঙ্ঘলত আমাৰ বাস তাত ঈশ্বৰে ৰক্ষা কৰিলেহে ৰক্ষা পৰা।

দ্বিতীয় ডাঙৰ ঘটনাটো হৈছিল ছাত্ৰ আন্দোলন। আমাৰ গৰমৰ বন্ধৰ ভিতৰত অসম চৰকাৰে কেইটামান সিদ্ধান্ত লৈছিল। (১) কলেজৰ মাচুল বৃদ্ধি। (২) ছাত্ৰাবাসবোৰতো মাহিলী দিবলগীয়া মাচুলৰ হাৰ বৃদ্ধি। (৩) কলা আৰু বিজ্ঞান দুয়োটা শাখাত আসনৰ সংখ্যা হ্ৰাস। আমাৰ মানত এই সিদ্ধান্ত আছিল অগণতান্ত্ৰিক আৰু শিক্ষা বিস্তাৰ কৰা নীতিৰ পৰিপন্থী। গতিকে এই সিদ্ধান্তৰ বিৰোধিতা কৰাৰ প্ৰয়োজনবোধ কৰা হ'ল। সভা-সমিতি পাতি, ইউনিয়নৰ সম্পাদক মহেন্দ্ৰ বৰাৰ নেতৃত্বত তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙলৈ সঁজাতী দল পঠোৱা হ'ল। চৰকাৰৰ ফালৰ পৰা যেতিয়া কোনো সঁহাৰি পোৱা নগ'ল তেতিয়া ছাত্ৰ সমাজৰ একাংশই একগোটহৈ এটা প্ৰস্তাৱ দাঙি ধৰিলে যে এই অন্যায় নীতি উঠাই নল'লে কটন কলেজ অচল কৰি দিয়া হ'ব। এই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ এখন সংগ্ৰাম পৰিষদ গঠন কৰা হ'ল।

ধৰ্মঘট আৰু শ্ৰেণীবৰ্জন কৰা হ'ল। প্ৰভাৱশালী ব্যক্তিসকলৰ হস্তক্ষেপ বিচাৰি আগবঢ়া হ'ল। লাভ নহ'ল একো। চৰকাৰেও আন্দোলন দমাবলৈ হেঁচা প্ৰয়োগ কৰিলে। আমাৰ সকলোৰে প্ৰতিযোগিতামূলক বৃত্তিবোৰ বন্ধ কৰিলে, ছাত্ৰ হোষ্টেলৰ মেছবোৰ বন্ধ কৰিলে ইত্যাদি। এনেতে এদিন অনিৰ্দিষ্টকালৰ বাবে কলেজ বন্ধ কৰি দিলে। সংগ্ৰাম পৰিষদেও অনিৰ্দিষ্ট কালৰ বাবে অনশন ধৰ্মঘট কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে।

সেইমতে এদিন ত্ৰিশ-একত্ৰিশজনীয়া ছাত্ৰৰ দল এটাই কলেজৰ প্ৰশাসনীয় ভৱনৰ আগফালৰ বাৰাণ্ডাখনত আৰম্ভ কৰিলে অনশন ধৰ্মঘট। দলপতি মহেন্দ্ৰ বৰাৰ উপৰি অনশনকাৰীসকলৰ মাজত দুলাল খাওন্দ, অৰুণ তামুলী, সদা শইকীয়া, শোভা ব্ৰহ্ম, সমৰ ব্ৰহ্মচৌধুৰী, নিলয় দাস, নীহাৰ লস্কৰ, চৈয়দ মেৰাজ হুছেইন, ৰোহিনী কাকতি আৰু ৰণেন বৰুৱাক মনত পৰিছে। ৰণেনক দেখি আমি হতভম্ব। তেওঁ আছিল বৰ ৰঙিয়াল স্বভাৱৰ। জনপ্ৰিয় হিন্দী চিনেমাৰ গানবোৰ তেওঁ কেতিয়াবা নিভাঁজ অসমীয়ালৈ, কেতিয়াবা কামৰূপীয়া অসমীয়ালৈ ভাঙনি কৰি একে সুৰতে গাই গাই আমাক দিছিল অনাবিল আনন্দ। যেনেঃ '............ ৰোজ ৰোজ মুলাকাত আচ্ছি নেহি, প্যাৰ মে এয়সা বাত আচ্ছি নেহি। কভি কভি মিলন, কভি কভি বিৰহ, ৰোজ চাঁদনী ৰাত আচ্ছি নেহি ......' হিন্দী গীতটোৰ সুৰতেই ৰণেনে গাইছিল, 'সদায় সদায় লগ পোৱাটো ভাল নহয় হে। পিৰীতিত এনে কথা ভাল নহয় হে। মাজে মাজে মিলন, মাজে মাজে বিৰহ, সদায় শুকুলা ৰাতি ভাল নহয়হে'। কোনোবা দিনা হয়তো ব'টানি প্ৰেকটিকেল ক্লাছত অধ্যাপকজনৰ অনুপস্থিতিৰ সুযোগ লৈ গাইছিল, 'মোৰ চকুত আহি কুনী বইছি এ মোৰ টুপনী নধ্ৰে মই এইত্যা কি কৰু?' (মেৰী আখোঁ মে বস গয়া কোই ৰে মোহে নিনদ না আয়ে ম্যায় ক্যা কৰু?)। সেইজনা ৰণেন যে বিস্ফোৰক পদাৰ্থৰে গঠিত সিদিনা অনশনকাৰী দলটোত তেওঁক দেখি জানিব পাৰিলো। সঁচাকৈয়ে appearances are deceptive.

অনশনকাৰীসকলক দিনে-নিশাই চোৱা-চিতা কৰা ল'ৰাবোৰক আমি মাজে মাজে খোৱা বস্তুৰ যোগান ধৰিছিলো। এই কামত মুখ্য ভূমিকা আছিল গীতা দাসৰ। সেই সময়ত মহেন্দ্ৰ বৰাৰ সৈতে তেওঁৰ এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিবলৈ ধৰিছিল। গীতা দাস মোৰ খুৰাৰ

জীয়ৰী। ঘৰৰ মানুহে এই কথা ঘুনুক-ঘানাককৈ জানিব পাৰি চিন্তিত হৈ উঠাৰ কথা মনত পৰে। তেওঁলোকৰো দোষ নাই, তেতিয়া গীতাবাইদেউৰ বাবে বিলাত ফেৰৎ অভিযন্তা দৰা এজন ওলাইছিল। আজি-কালি বিলাত আমেৰিকালৈ যোৱা মানুহে বৰ বেছি প্ৰাধান্য নাপায়। সেই যুগত এনে এজন লোভনীয় পাত্ৰ পোৱা আছিল সৌভাগ্যৰ কথা। সেই ভাগ্যক ভৰিৰে মোহাৰি গীতা বায়ে আগবাঢ়িছিল, সকলোৰে ধাৰণাত, এক অন্ধকাৰ ভৱিষ্যতলৈ। শেহলৈ সেইজনা ব্যক্তিয়ে অসমীয়া সাহিত্য জগতখনক উজলাই তুলিলে। নিঃসন্দেহে গীতাবা আছিল এগৰাকী সুপক্ক জহৰী। মণি-মুকুতা চিনিব পাৰিছিল ভালদৰে।

যি কি নহওক, অতি সন্তৰ্পণে খুৰা-মাহী (খুৰী মোৰ আপোন মাহীও) হঁতৰ চকুৰ আঁতৰত ৰান্ধনী ঘৰত সোমাই আমি পহৰা দিয়া ছাত্ৰসকলৰ বাবে ৰুটি-ভাজি বনাইছিলো। এদিন অনশন চলি থকা সময়ত ৰণেনে জ্ঞান হেৰুৱালে। ডাক্তৰ এজন আহি ইনজেকছন এটা দিবলৈ লওঁতেই তেওঁৰ জ্ঞান উভতি আহিল। ছিৰিঞ্জটোৰ ভিতৰত গ্লুকোজ থকা বুলি গম পাই ৰণেনে ডাক্তৰজনক এনেকৈ খুন্দা এটা মাৰিলে যে তেওঁ ছিটিকি পৰিল। চাব্বাচ ৰণেন। ছাত্ৰসকলৰ দাবী সমৰ্থন কৰি হেম বৰুৱা, লক্ষ্যধৰ চৌধুৰী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে চৰকাৰৰ শিক্ষা সংকোচন নীতিৰ সমালোচনা কৰিছিল । এনেতে অনশন চলি থকা সময়ত এদিন মাজনিশা কংগ্ৰেছৰ এগৰাকী বিশিষ্ট নেতাই পালি-প্ৰহৰী পৰিবৃত্ত হৈ অনশনকাৰীসকলৰ মাজলৈ আহিল। মৌ-সনা মিঠামাতেৰে তেওঁ ছাত্ৰসকলক বুজালে যে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত এটা তুলি নিবলৈ সময় লাগে। সিমান দিনলৈ ৰাইজে উঠি অহা ডেকাচামক এইদৰে নাখাই মৰিবলৈ দিব নোৱাৰে। গতিকে নেতাজনে সকলো দায়িত্ব মূৰ পাতি লৈ এওঁলোকক অনশন ভঙ্গ কৰিবলৈ ক'লে। তেওঁৰ প্ৰতিশ্ৰুতিত বিশ্বাস কৰি বোধকৰো পঞ্চম দিনত অনশন ভঙ্গ কৰা হ'ল। একাংশ ছাত্ৰই এই কাৰ্যক সমৰ্থন কৰা নাছিল। তেওঁলোকৰ কথাই সঠিক আছিল, কিয়নো কিছুদিনৰ পাচত বুজা গ'ল আন্দোলন ফলৱতী নহ'ল। নেতাজনকো আৰু বিচাৰি পোৱা নগ'ল।

(৪)

আমাৰ ছাত্ৰাৱস্থাত অনুষ্ঠিত হৈছিল কটন কলেজৰ পঞ্চাশ বছৰীয়া জন্মোৎসৱ। আমি আলোচনা কৰিছিলো শতবাৰ্ষিকীলৈ আৰু পঞ্চাশ বছৰ ক'ত নো জীয়াই থাকিম? কিন্তু থাকিলো। ইতিমধ্যে আমাৰ মাজৰ পৰা বহুতে আঁতৰি গৈছে। ১২ নৱেম্বৰৰ কটন কলেজ সোঁৱৰণী দিৱসত উপস্থিত থাকিব খোজা আমাৰ মামা মনোৰঞ্জন চৌধুৰীয়ে বিদায় মাগিলে সেই দিনটোলৈ মাত্ৰ তিনিমাহ আগত। মামা হ'লেও তেওঁ আছিল মোৰ প্ৰায় সমবয়সী আৰু সহপাঠীও। সেই সময়ত মোৰ কেবাজনো কাজিন ভাই-ভনী কটনত পঢ়িছিল। মনোমামা আমাৰ মামা হোৱাৰ সুবাদতে প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীৰ কমন মামাত পৰিণত হৈছিল। তেওঁ ৰসিকতা কৰি কৈছিল, 'কলেজখনেই দেখোন মোৰ ভাগিন'। আমি কৈছিলো চুডমাৰ্চন চাহাব থকা হ'লে ক'লেহেঁতেন, 'দ্য হোল কলেজ ইজ ইয়োৰ ভাগিন'।

মহেন্দ্ৰ বৰা, যেয়ে গীতাবাক বিয়া কৰাই আমাৰ ভিনিহি হৈছিল তেৰোঁ নাই। নাই আমাৰ সহপাঠিনী মিনু বৰদলৈ, যেয়ে তেওঁক জোকোৱা বাবে ছাত্ৰ এজনক চেণ্ডেল খুলি মাৰিছিল। প্ৰতিবাদত আমাৰ ক্লাছৰ ছাত্ৰসকলে শ্ৰেণী বৰ্জন কৰিছিল সিদিনা। ছাত্ৰীসকলৰ

সৈতে কেইজনমান ছাত্ৰও অৱশ্যে ক্লাছৰুমত সোমোৱা কথা মনত পৰে। তেওঁলোকৰ মাজত এজন আছিল ফুচুৰি গোঁসাই। বাহিৰৰ পৰা শ্ৰেণী বৰ্জনকাৰীসকলে চিঞৰিছিল, ‘গোস্বামী ওলাই আহক’। তেওঁ ছাৰক তাগিদা দিছিল, ‘ছাৰ, ছাত্ৰ বেছি নাই। সকলোৰে নামৰ পাছত ক্ৰছ একোটা মাৰক। ৰোল নং ২৩৭ কিন্তু আছে।’ নিৰ্দিষ্ট সময়ত সেই নম্বৰটো মতাৰ লগে লগে ‘ইয়েছ ছাৰ’ বুলি কৈ একেজাঁপে গোঁসাই বাহিৰলৈ গৈ অপেক্ষমান ছাত্ৰৰ দলটোৰ কাষত থিয় দিছিল।

আজি অশ্ৰুসিক্ত নয়নেৰে অন্তৰ ভৰা বেদনা লৈ সুঁৱৰিছো সেইসকলক, যি সকলে কলেজৰ পৰিৱেশত প্ৰাণৰ সঞ্চাৰ কৰিছিল। সময়ৰ সোঁতে আমাকো উটুৱাই নিব। থাকি যাব আমাৰ চিৰচেনেহৰ চিৰযৌৱনা কটন কলেজ চিৰদিনলৈ। ❑

প্ৰবীণ হাজৰিকা

এজন পুৰণি কটনিয়ানৰ দুআষাৰ

১৯৪৬ চনৰ গুৱাহাটীখনে— ভৰলুমুখ, শান্তিপুৰৰ দিনবোৰে হাত বাউলি মাতে। সোণাৰাম হাইস্কুলৰ পৰা মেট্ৰিক পাছ্ কৰি ১৯৪৭ চনত কটন কলেজৰ প্ৰথম বাৰ্ষিক বিজ্ঞানৰ ক্লাছত নাম লগালো। কোনোদিনেই মেধাবী ছাত্ৰ নাছিলো। স্থানীয় ল'ৰা। আমাৰ বৰঙণি একেবাৰেই নাই। বাহিৰৰ পৰা অহা মেধাবী বুদ্ধিমান ছাত্ৰ-ছাত্ৰীৰ দৰে কটন কলেজৰ সামাজিক জীৱনত ববকৈ ভাগ লবলৈ নহ'ল। পাণবজাৰৰ C.N.Dey আৰু বৰুৱা ব্ৰাদাৰ্চৰ Tailoring ৰ পৰা অলপ আঁতৰৰ বাটটোৰে গৈ প্ৰফেছাৰ ৰায়হান শ্বাহৰ ইংৰাজী ক্লাছৰ শেষৰ বেঞ্চত বহা— চুডমাৰ্চন হলৰ সম্মুখৰ নৰ্দমাৰ পুলটো পাৰহৈ ফিজিক্সৰ আৰু কেমিষ্ট্ৰিৰ ক্লাছ কৰা কথাবোৰ মনত পৰে। এদিন ভূপেনদাই কাষতে থকা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত ড০ সূৰ্য্যকুমাৰ ভূঞাৰ লগত কাম কৰা সময়ত ফিজিক্সৰ লেবৰেটৰীৰ পৰা মোক তাৰ চাইকেলৰ মাজৰ Frame ৰ ওপৰত বহুৱাই Delight-লৈ নি চাহ আৰু চপ খুওৱা কথাও মনলৈ আহিছে। বহুতো চিনাকী মুখ লানি নিচিগাকৈ পুৰণা প্ৰজেক্টৰত দেখুওৱা ছবিবোৰৰ দৰে কঁপি কঁপি ওলাইছে। কিছুমান নাম পাহৰিছো— কিছুমান বাসন্তী ৰঙৰ দৰে এতিয়াও জীয়াই আছে। ১৯৪৯ চনত আই. এছ. চি. পাছ্ কৰি ১৯৪৯-১৯৫১ চনলৈকে

বি. এছ. চি.ত বিশ্ববিদ্যালয়ৰ ভূগোল আৰু নৃতত্ত্ব আৰু কটন কলেজৰ ব'টানি বিভাগত পঢ়ি থকা সময়ত বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰী বন্ধুৰ লগত পৰিচয় হৈ বন্ধু হোৱা আৰু সেই বন্ধুত্ব জীৱনৰ এই হেমন্ত কাললৈকে অটুট থকা বাবে নিজকেই ধন্য মানো।

সেই সময়ৰ মোৰ বহুতো বন্ধুৱেই নিজৰ নিজৰ ব্যক্তিগত ক্ষেত্ৰত সাফল্য লাভ কৰি কটন কলেজ/গুৱাহাটী বিশ্ববিদ্যালয় আৰু দেশৰ বাহিৰতো অসমৰ নাম উজলাইছে।

সোঁৱৰণীৰ এনাজৰীডাল ধৰি ধৰি মনটো কোনোবা ধুবুৰী পায়গৈ। পাণবজাৰৰ গুৱাহাটী ডায়েৰীৰ কাষতে থকা কিতাপৰ দোকানত এটা অমলেটৰ লগত পাতল সৰিয়হ বটা আৰু মিহিকৈ কটা পিঁয়াজৰ লগত একাপ চাহ খাই বৰোদা বাবু (শৰ্মা?) আৰু মেনেজাৰ কানুবাবুক কুটুৰী কুটুৰী নতুন কিতাপ পঢ়িবলৈ বিচৰা দিনবোৰ সদায়েই মনত থাকিব। চৈয়দ আব্দুল মালিক, পদ্ম বৰকটকী, যোগেশ দাস, সুশান্ত ভট্টাচাৰ্য্য, নবেন্দু ঘোষ, তাৰাশংকৰৰ কিতাপ পঢ়ি ভাবিছিলো মূয়ো এদিন লেখক হ'ম বুলি!

মোৰ বন্ধুদ্বয় মাখনলাল দাস আৰু কটন কলেজৰ কেমিষ্ট্ৰিৰ অধ্যাপক যদু মুখাৰ্জীৰ ল'ৰা সৌমেন মুখাৰ্জী দুয়ো ছয় ফুট ওখ। তেওঁলোকৰ মাজতে খোজকাঢ়ি মই বাওনাৰ দৰে ভূগোল/এনথ্ৰ'পলজিৰ ক্লাছলৈ যোৱা মনত আছে। সৌমেন আৰু মাখন বৰ্তমান নিজৰ নিজৰ পৰিয়াল লৈ কলিকতাতে বাস কৰি আছে বুলি মই জানো। সেই সময়ত পাণবজাৰৰ আলিয়েদি খোজ কাঢ়োতে অলপ সাৱধান হ'ব লগা হৈছিল— কাৰণ মোৰ মাজু ককাইদেউ অমৰ হাজৰিকা, তেওঁৰ বন্ধু ফুটবল খেলোৱাৰ কনক বৰদলৈ দাদা, জীৱেশ্বৰ গোস্বামী দাদাহঁতেও কটনতে পঢ়িছিল— লগ পালেই "তহঁতৰ ক্লাছ নাই নেকি?" বুলি সুধিছিল।

কটন কলেজত থকা সময়ত মোৰ বাবে আকৰ্ষণ আছিল চুডমাৰ্চন হলত দিবেটিং চ'ছাইটিত। সুচেন ভূঞা, বীণা ৰায়(?), কেশৱ মহন্ত, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিৰ বক্তৃতা শুনা আৰু নিজে খেলিব নোৱাৰিলেও মোৰ অতি আপোন বন্ধু দেবেন শৰ্মাৰ টেবুল টেনিচ খেল চোৱা। ১৯৮৯ চনত (১৯৭৩ চনত আফ্ৰিকা এবাৰ) ১৮বছৰ পিছত বিলাতৰ পৰা গুৱাহাটীলৈ যাওঁতে এটি সংগীত সন্ধিয়াত দেবেনৰ গান শুনি পিছৰ ষ্টেজলৈ লগ ধৰিবলৈ গৈছিলো— দেবেনে গান গায়েই গুচি গ'লগৈ। মই লগ ধৰিব নোৱাৰিলো। সেয়েই ঁদেবেন শৰ্ম্মাক শেষ দেখা। এটা সময়ত কটন কলেজৰ চছিয়েল চাৰ্ভিচত যোগ দি বকোত হোৱা কংগ্ৰেছৰ সভালৈ তাহানিৰ প্ৰফেছাৰ দণ্ডেশ্বৰ গগৈৰ তত্ত্বাৱধানত ভলন্টিয়াৰ হৈ গৈছিলো। সেই সভাতে দেশবৰেণ্য নেতা ঁগোপীনাথ বৰদলৈক কাষৰ পৰাই দেখিছিলো লগতে দেবেন শৰ্ম্মা আৰু মই, নতুন ছাত্ৰ-বীৰেণ দত্ত, তফজ্জুল আলী আদিক লগ পাই তেওঁলোকৰ গীতৰ সোৱাদ লোৱাৰ সুযোগ পাইছিলো। ইয়াৰ বাহিৰেও মহম্মদ পিয়াৰ, নকুল দাস, ধীৰেণ চৌধুৰী আদিৰ লগত চিনাকী হৈ অফ পিৰিয়ডত কোনো এটা হোষ্টেলত বহি নানা আলোচনা কৰি আড্ডা দিয়া মনত আছে।

এডমিনিচট্ৰেটিভ বিল্ডিঙৰ অফিছৰ নটিচ বৰ্ডত কেন্দ্ৰীয় চৰকাৰৰ স্কলাৰশ্বিপ অহাৰ খবৰ দি পইচা লবলৈ মতা নটিচখন দেখি গা সাতখন আঠখন লাগিছিল। সেই অফিছতে কাম কৰা আমাৰ সম্বন্ধীয় লক্ষীচৰণ মামাই (ঁলক্ষীচৰণ দাস) মাতি টকাখিনি দিয়াৰ আগতে জিলাপী আৰু চিঙৰাৰে চাহ খুৱাবলৈ কৈছিল!! এইবোৰ কথা আমাৰ কটনৰ জীৱনৰ একোটা অংগ।

বি. এছ. চি. পঢ়ি থকা সময়ছোৱাত আমাৰ আৰু এটি দল আছিল। এই দলটো বিশ্ববিদ্যালয়ত পঢ়া ভূগোল আৰু এনথ্ৰ'পলজি পঢ়াবোৰৰ। তাৰে কেইজনমানে আজিও সময়-সুবিধা লৈ পাৰ হৈ যোৱা জীৱনৰ কথা সোঁৱৰো। আমাৰ আহৰি সময়ত বেছিভাগ

সময় কটাইছিলো পাণবজাৰৰ চন্দ্ৰকুমাৰ ৰ'ডৰ ভুবন মোহনৰ ঘৰত (ডাঃ ভুবন মোহন দাস)। ভুবন, মই, বিজু (ডাঃ নিলয় কুমাৰ দাস), আমেৰিকাত শিক্ষা লৈ অহা ৰুণু (শ্ৰী ৰণেন বৰুৱা), পান্নালাল দাস, মাখনলাল দাস আদিয়ে। তাতে আমাৰ নিজৰ নিজৰ subject-ৰ উপৰিও সাহিত্য, কলা, সংস্কৃতি আৰু কাৰোবাক ভাল লগা বেয়া লগা মিঠা মিঠা দুখ-বেদনাৰ কথাও পাতিছিলো। পঢ়ি থকা কালছোৱা আমাৰ জীৱনৰ বসন্ত। জীৱনৰ বসন্ত কালত ৰঙৰ পচোৱা বলে।

কিমান লিখিম? সময় তাকৰীয়া। কটন কলেজৰ পৰা ডিগ্ৰী লৈ দুটা হোষ্টেলৰ মাজতে আমেৰিকানে (যুদ্ধৰ সময়ত) বন্ধা ঘৰতে বিশ্ববিদ্যালয়ৰ প্ৰথম ব'টানী ডিপাৰ্টমেণ্টত লেবৰেটৰী এচিচটেণ্ট হৈ ডাঃ হিতেন বৰুৱাৰ তত্ত্বাৱধানত স্লাইড কেমিকেলচ ইত্যাদি স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীক যোগালি দিছিলো। তাতে প্ৰথম সপ্তাহৰ দৰমহা ১৫টকা ১২অনা পোৱা বুলি মোৰ তেতিয়াৰ ডায়েৰীখনত লিখা আছে! কেম্ব্ৰিজ ইউনিভাৰচিটিৰ Hamarton College-অত P.G.C.E কৰিবলৈ দৰ্খাস্তৰ লগতে ডাঃ হিতেন বৰুৱাৰ G.U.-ৰ Note paper-অত Dr. Hiten Baruah Ph.D (Cantab): Head of the Dept Gauhati University, নাম চহী কৰা Certificate খন গাঁঠি দি নিজকে বৰ ভাগ্যৱান আৰু গৌৰৱ অনুভৱ কৰিছিলো।

তাৰ পিছত "কেইমাহমান কটন কলেজৰ ব'টানি ডিপাৰ্টমেণ্টত মোৰ নমস্য শিক্ষক প্ৰফেছাৰ অতুল দত্তছাৰৰ তলত ডেমনচট্ৰেটৰ হৈ প্ৰথম বাৰ্ষিক ছাত্ৰ-ছাত্ৰীক পিঁয়াজৰ ছালত Microscope অত cell structure দেখুৱাইছিলো!!

পঢ়ি থকা সময়ত নংপু, বৰাপানী, ছিলং আদিলৈ ব'টানী আৰু ভূগোলৰ মণিপুৰ নগালেণ্ডলৈ Excursion লৈ যোৱাৰ কথা জানো পাহৰিম? প্ৰফেছাৰ গণনাথন, প্ৰফেছাৰ পাকৰাশী লৈ মনত পৰে। বহুতো কথা বহুতো সোঁৱৰণী।

এটা দিনত কটনত পঢ়া দিনবোৰ শেষ হ'ল— কটনতে চাকৰি কৰা দিনো শেষ হৈ আহিছিল— স্থায়ীভাৱে জীৱন সংস্থানৰ বাবে ভাবিবলগীয়া হ'ল। তাহানিৰ উত্তৰ-পূৱ সীমান্ত—আজিৰ অৰুণাচলে মাতিলে— গুৱাহাটী এৰিলো। গুৱাহাটীৰ লগত সম্বন্ধ ছেগাচোৰোকা হ'ল। অৰুণাচলৰ ডফলা-আপাটানী-খামটি-চিংফৌ অঞ্চলত প্ৰায় ৩ বছৰ কটাই জীৱনটোৰ অভিজ্ঞতাত কেইবাটাও অধ্যায় যোগ দিলো। ১৯৫৫ চনৰ ৩১ ডিচেম্বৰৰ দিনা অসম এৰি— ১৯৫৬ চনৰ জানুৱাৰী মাহত বোম্বাইৰ পৰা সমুদ্ৰ যাত্ৰা কৰি আফ্ৰিকামুৱা হলো।

সেই মহাদেশতো মোৰ জন্ম ঠাইত পোৱা পঢ়াশালি, কটন কলেজ, বিশ্ববিদ্যালয়ৰ শিক্ষাইহে বিশ্বৰ নানা দেশৰ জনসাধাৰণৰ লগত সমভাবে থাকি বিজতৰীয়া নহৈ অসমীয়া-ভাৰতীয় মন এটিৰে নানা অভিজ্ঞতাৰ ৰঙেৰে নিজৰ আৰু পৰিয়ালৰ মনটো ৰঙাই চহকী কৰিবলৈ প্ৰয়াস কৰি আছো।

ব্ৰহ্মপুত্ৰ/নীলনদ এৰি থেমছ নদীৰ দেশতো একেই প্ৰয়াস। পুৰণিচাম কটনিয়ানে দেশৰ বাহিৰে ভিতৰে জ্ঞানৰ বন্তি জ্বলাই দেশৰ মুখ উজলাইছে— বৰঙণি যোগাইছে। কটন কলেজৰ, বিশ্ববিদ্যালয়ৰ আমাক পঢ়োৱা প্ৰতিগৰাকী শিক্ষকক ধন্যবাদ দি শ্ৰদ্ধাৰে মূৰ দোঁৱাইছো— তেখেতসকলৰ শিক্ষাইহে আমাক 'মানুহ' কৰিলে।

নতুন চাম কটনিয়ানলৈ তেওঁলোকৰ ভৱিষ্যত উজ্জ্বল হওক তাকেই কামনা কৰি— এজন প্ৰবাসী কটনিয়ান। ❑

লক্ষহীৰা দাস

মইও এদিন কটনিয়ান আছিলোঁ

কটন কলেজ।

ই অকল এটা নাম নহয়। নহয় অনুষ্ঠান। অসমৰ মণিকাঞ্চন মাণিকচন্দ্ৰ আৰু জগন্নাথ বৰুৱাৰ দেশাত্মবোধ আৰু সমগ্ৰ বৰ অসমৰ আশা-আকাঙ্ক্ষা চিন্তাৰ প্ৰতীক কটন কলেজ মোৰ বাবে এটা মোহময় শব্দ। এই যাদুকৰী শব্দটোৰ মাজত যৌৱনৰ কিমানযে মিঠা স্মৃতি, কিমান উৎকণ্ঠা আৰু প্ৰত্যাশা সোমাই আছে বুজাব নোৱাৰো। কটন কলেজ নামৰ এই মিঠা শব্দটোৰ হাত বাউলিতে মই শৈশৱৰ সোণালী দিনবোৰ গৰকি এদিন যৌৱনৰ দুৱাৰদলিত থিয় দিছিলো। সেই শৈশৱৰ স্বপ্নময়, যৌৱনৰ মায়াপুৰী কটন কলেজ এৰি থৈ অহা পাঁচ দশকৰো অধিক হ'ল। কিন্তু এতিয়াও কটন কলেজ মোৰ বাবে অবিস্মৰণীয় এক কোমল অনুভৱ, যাক 'Age cannot wither nor time deface' ইয়াৰ প্ৰতি ধূলিকণা মোৰ বাবে পৱিত্ৰ। কাৰণ কটন কলেজ জ্ঞান সাধনাৰ তীৰ্থস্থানেই নহয় মোৰ বাবে ই সাহিত্য সঙ্গীত সাধনাৰো অপৰিসীম প্ৰেৰণাৰ উৎসভূমি। কটন কলেজৰ জলঙাৰেই মই দেখা পাইছিলো এক সুন্দৰ আলোকময় পৃথিৱীৰ ৰূপ, অনুভৱ কৰিছিলো জীৱনৰ এক নতুন অৰ্থ, মাদকতা আৰু তাৎপৰ্য্য। সেই মাদকতাময় দিনবোৰৰ কথা মনত

পেলাই ৱৰ্ডচৱৰ্থৰ দৰে ক'বৰ মন যায়— Bliss was it in that dawn to be alive. But to be young was very heaven.

মোৰ পিতৃ ললিত চন্দ্ৰ বৈশ্য চাউদে সৰুতে আমাক কৈছিল তেওঁ পঢ়ি অহা কটন কলেজ আৰু ইয়াৰ অবিস্মৰণীয় শিক্ষকমণ্ডলীৰ কথা। কৈছিল অধ্যক্ষ, চুদমাৰ্চন, শিক্ষক চুনিলাল দে, ইন্দুভূষণ ব্ৰহ্মচাৰী, পৰেশ নাথ, সংস্কৃত অধ্যাপক, চামচুল মৌলানা চাহাব, লক্ষ্মীনাথ চেটাৰ্জী, পি. চি. ৰয়, প্ৰমুখ্যে শিক্ষাগুৰুসকলৰ কথা অতিশয় গৌৰবেৰে। সেই কথাবোৰে মোৰ সংবেদনশীল শিশু মনত আলোড়ন তুলিছিল। কল্পনাৰ তুলিকাৰে সেই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনৰ বিষয়ে নানাৰঙী ছবি আঁকিছিলো। সেই কলেজখনতে ভৱিষ্যতে শিক্ষা গ্ৰহণ কৰিবলৈ মনত সৃষ্টি হৈছিল এক দুৰ্বাৰ আকাঙ্ক্ষাৰ।

এদিন মোৰ শৈশৱৰ সেই সপোন সঁচাকৈয়ে বাস্তৱত ৰূপায়িত হ'ল। যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে আই. এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত দেউতাই মোক কটন কলেজত বি. এ. মহলাত ভৰ্তি কৰি দিলে। কটনিয়ান ছাত্ৰীৰ বাবে সুকীয়া হোষ্টেল নথকা বাবে মই ছাত্ৰীবাৰীৰ খৃষ্টিয়ান মিছন হস্পিতেলৰ চৌহদত থকা দুমহলীয়া White Memorial Hostel-ৰ বাসিন্দা হলো। ইতিপূৰ্বে সেই হোষ্টেলত থকা কেইবাগৰাকীও অগ্ৰজ কটনিয়ান ছাত্ৰী আহি মোক মৰমেৰে আদৰি ললে। সেইসকলৰ ভিতৰত আছিল মণিপুৰৰ প্ৰমোদিনী দেৱী, মেধাৱতী দেৱী, খাছীয়া পাহাৰৰ ব্ৰিচিলী ৰিনজা, ডিব্ৰুগড়ৰ কমলা বৰঠাকুৰ, স্নেহ চলিহা, সত্যপ্ৰভা দাস, তেজপুৰৰ ৰমলা আগৰৱালা আৰু হেম শইকীয়া।

ইয়াৰ আগতে সহশিক্ষাৰ অনুষ্ঠানত শিক্ষাগ্ৰহণ কৰাৰ অভিজ্ঞতা মোৰ নাছিল। প্ৰবেশিকা পৰীক্ষালৈকে ছোৱালীৰ স্কুলত আৰু তাৰ পিছতো জগন্নাথ বৰুৱা কলেজৰ ছাত্ৰী শাখাত পঢ়ি একপ্ৰকাৰ আমুৱাইছিল। গতিকে কটন কলেজত পঢ়িবলৈ আহি এক বিশেষ প্ৰেৰণা অনুভৱ কৰিছিলো। অকল মোৰ বৌদ্ধিক বিকাশ ঘটাই ভৱিষ্যতে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সুযোগ দান কৰা বুলিয়ে নহয় কটন কলেজত সমাবেশ ঘটা পৰ্বত ভৈয়াম আৰু দূৰ-দূৰণিৰ বিভিন্ন ঠাইৰ বিভিন্ন ভাষাভাষী, ধৰ্ম্ম সম্প্ৰদায় আৰু বিভিন্ন আৰ্থ সামাজিক তথা সাংস্কৃতিক গোটৰ পৰম্পৰাৰে সমৃদ্ধ আৰু বিভিন্ন ৰুচি-অভিৰুচিৰে কটনক বৰ্ণাঢ্য কৰি তোলা ছাত্ৰ-ছাত্ৰীৰ প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা সংস্পৰ্শই মনৰ দিগন্ত প্ৰসাৰিত আৰু দৃষ্টিভঙ্গী উন্নীত কৰাতো প্ৰভূত অৰিহণা যোগাইছিল। বহল দৃষ্টিকোণৰ পৰা চাবলৈ হলে কটন কলেজ প্ৰতিষ্ঠাৰ মূলতে আছিল অসম গঢ়াৰ চৰ্ত্ত আৰু পৰ্বত ভৈয়ামৰ মাজত আবেগিক ঐক্য স্থাপন।

কটনৰ ছাত্ৰী হিচাপে ইয়াৰ প্ৰাণময় পৰিবেশত সোমাই এক নতুন প্ৰেৰণা, আগুৱাই যাবলৈ এক নতুন সাহস অনুভৱ কৰিছিলো। ইয়াৰ আগতে আমাৰ পৰিবেশ অত্যন্ত সীমাবদ্ধ আৰু বাহিৰৰ পৃথিৱীৰ লগত সম্পৰ্ক অতি সীমিত আছিল। কটনিয়ান হিচাপে জীৱনত লাভ কৰা কিছু বিৰল অভিজ্ঞতা আৰু সেই সময়ৰ কিছু সামাজিক পটভূমিৰ আভাস দিবলৈ চেষ্টা কৰি এই প্ৰবন্ধৰ সামৰণি মাৰিম।

কটন কলেজক মোৰ মানসত এক অতুলনীয় জ্ঞান তীৰ্থ ৰূপে প্ৰতিষ্ঠা কৰাৰ আৰু ইয়াৰ স্মৃতি আনন্দদায়ক তথা ৰোমাঞ্চকৰ কৰি তোলাৰ মূলতে আছিল ইয়াৰ সহজ সৰল অথচ সুন্দৰ প্ৰাণোচ্ছল শৈক্ষিক পৰিবেশ আৰু ভাবাগত তথা সাংস্কৃতিক বিভিন্নতাৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গঢ় লৈ উঠা প্ৰগাঢ় আত্মীয়তা আৰু স্নেহৰ বান্ধোন। আজিও মনত পৰে ছাত্ৰীবাৰী হোষ্টেলত কটনিয়ান হিচাপে লগ পোৱা নগা বিদ্ৰোহী নেতা ফিজোৰ ভাগিনী

ৰাণু ইৰানু, মণিপুৰৰ প্ৰখ্যাত গায়িকা শ্যামাসুন্দৰী দেৱী, খাছীয়া পাহাৰৰ ৰাজ পৰিয়ালৰ দুহিতা ক্ৰিষ্টিমাই চিয়া আৰু নেফাৰ (বৰ্ত্তমান অৰুণাচলৰ) চিয়াং জিলাৰ আজলী ছোৱালী আদামক কমমেট হিচাপে পাই হাঁহি-ধেমালিৰে কটোৱা মধুৰতম দিনবোৰৰ কথা।

কটনত মই ইংৰাজী অসমীয়া এই দুটা বাধ্যতামূলক বিষয়ৰ লগত "শিক্ষা" আৰু "অৰ্থনীতি" লৈছিলো। আমি শিক্ষাগুৰু ৰূপে পোৱা শ্ৰদ্ধাভাজন শিক্ষকসকল আছিল ৰায়হান শ্বাহ, তাৰিণীকান্ত ভট্টাচাৰ্য্য, হৰেণ চৌধুৰী, চন্দ্ৰনাথ কলিতা, অতুল চন্দ্ৰ হাজৰিকা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, ড° সত্যেন্দ্ৰ নাথ শৰ্ম্মা, উমাকান্ত গোস্বামী, দণ্ডেশ্বৰ গগৈ, আশ্ৰফ আলি, ইক্ৰামুদ্দিন শইকীয়া। আমাৰ প্ৰতিগৰাকী শিক্ষাগুৰু নিস্বাৰ্থ মৰম আৰু উৎসাহ দানৰ আদৰ্শৰে প্ৰকৃতাৰ্থত আছিল Friend, Philosopher and Guide. অধ্যক্ষ হিচাপে পোৱা শ্ৰদ্ধেয় বাণীকান্ত কাকতি, শ্ৰীনাথ চক্ৰৱৰ্ত্তী আৰু উমাকান্ত গোস্বামীদেৱৰ কথাইও মনত গভীৰ শ্ৰদ্ধাৰ উদ্ৰেক কৰে। তেখেতসকলৰ কৰ্ত্তব্যনিষ্ঠা, সময়নিষ্ঠা আৰু মনোগ্ৰাহী শিক্ষাদানৰ আদৰ্শই আমাক সদায় শ্ৰদ্ধাশীল আৰু অনুগত কৰি ৰাখিছিল। আমাৰ বাবে কটনৰ এটি প্ৰধান আকৰ্ষণ আছিল দুষ্প্ৰাপ্য গ্ৰন্থৰে ঠাহ খাই থকা সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ভিতৰতে অতি চহকী ইয়াৰ লাইব্ৰেৰীটো। দুখৰ বিষয় ইয়াৰ সেই দুষ্প্ৰাপ্য গ্ৰন্থসমূহে বৰ্ত্তমানে বিভিন্নজনৰ ব্যক্তিগত লাইব্ৰেৰীৰ শোভা বৃদ্ধি কৰিছে বুলি বহুজনে কয়।

মই কটনত সোমোৱা বছৰতে ১৯৪৮ চনত গুৱাহাটীত উচ্চ শিক্ষা আৰু সংস্কৃতি প্ৰচাৰৰ দুটি অনুষ্ঠান স্থাপিত হৈছিল। ইয়াৰে প্ৰথমটো হ'ল গুৱাহাটী বিশ্ববিদ্যালয় আৰু দ্বিতীয়টো গীত-নাট-সাহিত্যৰ জনপ্ৰিয় অনুষ্ঠান অল ইণ্ডিয়া ৰেডিও। কটনিয়ান হিচাপে দুয়োটা অনুষ্ঠানৰ লগত মোৰ এৰাব নোৱাৰা গভীৰ সম্পৰ্ক স্থাপিত হ'ল। মই লোৱা "শিক্ষা" বিষয়টো সেইবছৰতে প্ৰথম খোলা হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ আণ্ডাৰ গ্ৰেজুৱেট স্তৰত। কোনো মহাবিদ্যালয়ত বিষয়টো পঢ়োৱাৰ অনুমতি নিদি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনতে শ্ৰেণীবোৰ ৰখা হৈছিল আৰু আমি কটন কলেজৰ পৰা গৈ টেলিগ্ৰাফ অফিচৰ মাজেদি ৰাস্তা চমুৱাই ডনবস্কো স্কুলত ক্লাছ কৰিছিলো। গতিকে কটনিয়ান হিচাপেই মোৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপিত হ'ল। এই বিষয়টোৰ শিক্ষা যিসকল বিদগ্ধ পণ্ডিতৰ পৰা গ্ৰহণ কৰিছিলো সেইসকল আছিল ড° দেবেন দাসগুপ্ত, ড° নিৰোদ মুখাৰ্জী, শ্ৰীভূপেন্দ্ৰ চন্দ্ৰ কৰ, ড° প্ৰফুল্ল দত্ত গোস্বামী আদি।

একেদৰেই ১৯৪৮ চনত ১ জুলাই তাৰিখে গুৱাহাটীত স্থাপিত হোৱা অল ইণ্ডিয়া ৰেডিওৰ ষ্টুডিওলৈকো এদিন মই এমাহমানৰ পিছতে খোজ পেলাইছিলো কটনৰ মজিয়াৰ পৰাই। ৰেডিও কেন্দ্ৰটো স্থাপন হোৱাৰ পিছৰে পৰা ইয়াৰ এদল দূৰদৰ্শী নিষ্ঠাবান কৰ্ম্মচাৰীয়ে জাতীয় স্বাৰ্থৰ খাতিৰতে সমগ্ৰ অসমত প্ৰতিভা সন্ধানত নিজকে নিয়োজিত কৰিছিল। এই সকলৰ ভিতৰত আছিল যোৰহাট জগন্নাথ বৰুৱা কলেজৰ মোৰ শিক্ষাগুৰু, স্বনামধন্য সাহিত্যিক চৈয়দ আব্দুল মালিক ছাৰ, প্ৰখ্যাত সঙ্গীতজ্ঞদ্বয় বীৰেন্দ্ৰ কুমাৰ ফুকন, পুৰুষোত্তম দাস আৰু আমাৰ সকলোৰে মৰমৰ ড° ভূপেন হাজৰিকা। মই কটনলৈ পঢ়িবলৈ অহা বুলি শুনি তেওঁলোকৰ প্ৰথম তিনিওগৰাকী এদিন এখন গাড়ীৰে কটন কলেজ পালেহি আৰু মোক ক'লে যে তেওঁলোকে মোক ৰেডিওত গান গাবৰ বাবে নিবলৈ আহিছে। সেই সময়ত পঢ়া-শুনাটোৱেই আছিল মেইনষ্ট্ৰিম মোৰ বাবে। গতিকে প্ৰস্তাৱটো পাই মই ভীষণ নাৰ্ভাচ হলো। মইনো ৰেডিওত গান গাব পাৰিমনে?

তেওঁলোকে মোক বুজাই বঢ়াই গাড়ীত তুলি কেন্দ্ৰ পোৱালৈগে আৰু ৰেডিওত সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিলে। তপতে তপতে এই সু-খবৰটোও তেওঁলোকে মোক দিলে যে এতিয়াৰে পৰা মই ৰেডিওৰ অনুমোদিত কণ্ঠশিল্পী হ'লো। তদুপৰি মই নিজে লিখা আৰু সুৰ কৰা গীত কেন্দ্ৰযোগে প্ৰচাৰ কৰিব পাৰিম। এনেকৈয়ে কটনৰ ছাত্ৰী হিচাপেই গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পী হিচাপে ১৯৪৮ চনতে পোৱা ৰাজহুৱা স্বীকৃতিয়ে মোক দিলে অপৰিসীম প্ৰেৰণা, অটুট মনোবল আৰু সাৰস্বত যাত্ৰাত আগবাঢ়ি যাবলৈ গভীৰ আত্মবিশ্বাস। কিন্তু এইখিনিতে এটা সমস্যা আহি পৰিল। আমাৰ হোষ্টেলৰ আমেৰিকান অধীক্ষিকা মিছ বাৰ্ণহামে কথাটো গম পাই স্পষ্ট কৰি দিলে যে ৰাতি হোষ্টেলৰ পৰা গৈ ৰেডিওত গীত পৰিবেশনৰ অনুমতি তেওঁ দিব নোৱাৰিব। সেই সময়ত আমি দিনত আৰু ৰাতি দুটাকৈ প্ৰোগ্ৰাম Life broadcast কৰিব লগা হৈছিল। কথাটো গম পাই মই কান্দিকাটি মালিক ছাৰক কলোঁগৈ। মালিক ছাৰে নিজাববীয়াকৈ যত্ন কৰি সেই সময়ৰ কেন্দ্ৰ সঞ্চালিকা মিছ মাদান মাছানিৰ দ্বাৰা এই ব্যৱস্থা প্ৰৱৰ্তন কৰিলে যে মোৰ ৰেডিও প্ৰোগ্ৰাম থাকিলেই এখন গাড়ী আহি মোক কেন্দ্ৰলৈ নিব আৰু থবহি।

কটন কলেজত মই পঢ়া সময়তে মোৰ এসময়ৰ শিক্ষাগুৰু ড° মহেশ্বৰ নেওগ আৰু প্ৰখ্যাত বুৰঞ্জীবিদ ড০ সূৰ্য্যকুমাৰ ভূঞাৰ নিকট সংস্পৰ্শলৈ অহাৰ সুযোগ মিলিছিল। শিৱসাগৰৰ ফুলেশ্বৰী হাইস্কুলত পঢ়া কালত ড° নেওগক মই শিক্ষাগুৰু হিচাপে পাইছিলো। বহুদিনৰ বিৰতিৰ পিছত আকৌ নেওগ ছাৰক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ট্ৰাষ্ট বোৰ্ডৰ অফিচৰ চেক্ৰেটাৰী আৰু পিছলৈ চুপাৰিণটেণ্ডেণ্ট পদত কাম কৰি থকা অৱস্থাত লগ পালো। ড° ভূঞাদেৱৰ লগত মোৰ পাৰিবাৰিক দূৰ সম্পৰ্ক থকা বাবে প্ৰায়েই তেখেতক লগ পাইছিলো। জেঠাইদেৱে কলেজৰ পৰা গ'লেই ভাত-পানী খুৱাইহে আহিবলৈ দিছিল। মই গ'লে কাষত বহুৱাই লৈ ড° ভূঞাদেৱে তেওঁ লিখা প্ৰবন্ধ পাতি পঢ়িবলৈ দিছিল, মই কিবা লেখামেলা কৰিছোনে নাই সদায় খবৰ বাতৰি লৈছিল। ড° নেওগ আৰু ড° ভূঞা দুয়োগৰাকীয়ে মনপুতি পঢ়াশুনা কৰাৰ লগতে সাহিত্য চৰ্চ্চা কৰিবলৈকো সততে উৎসাহ দিছিল। সেই সময়ত অগাপিচাকৈ কটন কলেজত পঢ়ি থকা হৰি বৰকাকতি, অজিত বৰুৱা, মহেন্দ্ৰ বৰা প্ৰমুখ্যে ছাত্ৰসকলে প্ৰতীকবাদ আৰু মুক্তক ছন্দত কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। এনেবোৰ ঘটনা আৰু ব্যক্তিৰ সংস্পৰ্শই মোক সাহিত্য চৰ্চ্চা বিশেষকৈ কাব্য চৰ্চ্চাৰ বাবে প্ৰভাৱান্বিত কৰিছিল। বন্ধুবৰ মহম্মদ পিয়াৰৰ সম্পাদনাত প্ৰকাশ পোৱা কটনিয়ানত "উক্তি" নামৰ কবিতা এটা প্ৰকাশ পাইছিল ১৯৪৯ চনত এনে প্ৰেৰণাৰেই।

আমি কটন কলেজত পঢ়া সময়ত ৰাজনৈতিক বিষয়ৰ প্ৰতি আমাৰ লগৰ প্ৰায়খিনি ছাত্ৰ-ছাত্ৰীৰ দৰেই ময়ো আছিলো উদাসীন। তথাপি আমাৰ সমসাময়িক ৰাজনৈতিক ভাবে সচেতন একাংশ ছাত্ৰই নিজস্ব মতবাদৰ সমৰ্থনত সময়ে সময়ে সভাসমিতি পাতি বাস্তৱ কাৰ্য্যসূচীৰ ৰূপায়নৰ বাবে যত্নপৰ হৈছিল। সেই মতবাদৰ সম্পৰ্কে আমাক কৈ সহযোগ আৰু সমৰ্থনৰ বাবে লগ ধৰিছিল। সেই সময়ৰ প্ৰধান ছাত্ৰ সংগঠন তিনিটা আছিল ছাত্ৰ সন্মিলন, প্ৰাদেশিক ছাত্ৰ সন্থা আৰু ছাত্ৰ ফেডাৰেচন। সেই সময়ত এনেবোৰ মতাদৰ্শ আৰু ৰাজনৈতিক ভাবধাৰাই মোক স্পৰ্শ কৰিব পৰা নাছিল বুলিয়েই ক'ব পাৰি। আনহাতে এই সময়তে মই আধুনিক কবিতাৰ বিষয়ে যথেষ্ট চিন্তা চৰ্চ্চা আৰু অধ্যয়ন কৰিবলৈ লৈছিলো। গীত ৰচনাৰ ক্ষেত্ৰতো মই শাস্ত্ৰীয় সঙ্গীত, লোকসঙ্গীত আৰু সুগম সঙ্গীতৰ ভেটিত

ভালেখিনি গীত ৰচনা কৰিছিলো, যিবিলাক গীত মোৰ বাহিৰেও অসমৰ সেই সময়ৰ প্ৰায়খিনি শিল্পীয়ে কণ্ঠৰে ৰূপায়িত কৰিছিল। এই ক্ষেত্ৰত মোক বিশেষ সহায়-সহযোগ আৰু উৎসাহ জনাইছিল এগৰাকী জ্যেষ্ঠ কটনিয়ান বৰেণ্য সঙ্গীতজ্ঞ ব্ৰজেন বৰুৱা দাদাই। কটনিয়ান হিচাপে মই লিখা আৰু গোৱা বহু গীত তেওঁৰ সুৰেৰেই প্ৰাণ পাই উঠিছিল।

সৰুৰে পৰা থকা মোৰ গ্ৰন্থ প্ৰীতি হঠাতে কটন কলেজৰ শৈক্ষিক পৰিৱেশে অধিক তীব্ৰতৰ কৰি তুলিছিল। আমাৰ লগত পঢ়া নীলিমা দাসৰ নিকট আত্মীয় কানুবাবুৰ নিউ আৰ্টচ বিল্ডিৰ সন্মুখতে থকা Peoples Book Forum লৈ প্ৰায়েই আমাৰ যাতায়াত ঘটিছিল কিতাপৰ বাবে। ৰাস্তাটোৰ ইটো পাৰত থকা "কিতাপঘৰ" আৰু নাতিদূৰত থকা "লয়াৰ্ছ বুক ষ্টল"লৈকে আমি সঘনে গৈছিলো। ইয়াৰ প্ৰধান আকৰ্ষণ আছিল বিভিন্ন ধৰণৰ কিতাপবোৰ। দোকানত সজাই থোৱা সেই কিতাপ লিৰিকি বিদাৰি চায়েই সন্তুষ্ট থাকিবলগীয়া হৈছিল। অৱশ্যে মাজে সময়ে দুই এখন কিতাপ ৰাহি পইচাৰে কিনিছিলো। কিন্তু মনৰ প্ৰবল গ্ৰন্থপ্ৰীতি সত্ত্বেও হেঁপাহ পলুৱাই কিতাপ কিনাৰ সামৰ্থ্য তেতিয়া নাছিল। কুৰিটকীয়া বৃত্তি, ৰেডিওত গান গাই পোৱা ১৫ টকাৰ লগত দেউতাৰ পৰা অনা ৪০ টকাৰে কোনোমতে মোৰ থকা-খোৱা আৰু পঢ়া শুনাৰ জোৰা মৰিছিল।

আমাৰ সময়ত ল'ৰা-ছোৱালীবোৰ সদায় বেলেগে বেলেগে ফুৰিছিল। অবাধ মিলামিছা, হাঁহি-ধেমালি কৰাটো একৰকম নিষিদ্ধই আছিল বুলিব পাৰি। ক্লাছলৈ গৈ আমি কোঠালিৰ বাহিৰত অধ্যাপক অহালৈ বাট চাইছিলো। তেওঁৰ লগে লগে শ্ৰেণীকক্ষত প্ৰবেশ কৰিছিলো আৰু তেওঁ ওলাই যোৱাৰ লগে লগে আমিও শ্ৰেণীৰ পৰা ওলাই আহিছিলো। প্ৰয়োজনতহে আমি সহপাঠী ছাত্ৰৰ লগত কথাবতৰা কৈছিলো বা কিতাপ-পত্ৰ দিয়া-নিয়া কৰিছিলো।

সেই সময়ত কটনত সমাবেশ ঘটা অসমৰ চোকা বুদ্ধিসম্পন্ন মেধাবী ছাত্ৰ-ছাত্ৰী সকলে উচ্চ মানদণ্ডৰ ফলাফলৰ বাবে খুব মনপুতি পঢ়া-শুনা কৰিছিল যদিও তাৰেই মাজত একাংশ ধেমেলীয়া ছাত্ৰই সময়ে সময়ে নিৰ্দোষ ধেমালিৰে হাস্যৰসৰ সৃষ্টি কৰিছিল। শিক্ষকৰ অপেক্ষাত শ্ৰেণীৰ বাহিৰৰ বাৰাণ্ডাত থিয় দি থকা ছাত্ৰীক উদ্দেশ্য কৰি বিয়া নামৰ সুৰত গোৱা এইফাকি গীত আমি মাজে সময়ে শুনিবলৈ পাইছিলো—

সোমাই আহা আইদেৱে
মাটিৰ মঙ্গল চাই
ছাৰ আহি পাবহিয়ে
কিয় আছা চাই,

আমি কিবা বাঘ নেকি
গোটে গোটে খাম
সোমাই আহি বহা বেঞ্চিত
কোৱা কিনো নাম।

কটন কলেজত পঢ়ি থকা সময়ৰ ছাত্ৰ-ছাত্ৰীসকলে লাহ-বিলাহৰ কথা ভবাতকৈ পঢ়া-শুনাৰ বিষয়তহে অধিক আগ্ৰহী আছিল। সেই সময়ত আমি কলেজলৈ কপাহী মেখেলা চাদৰ, উকা মুগাৰ মেখেলাৰ লগত সৰু ফুলীয়া বগা কপাহী চাদৰ পিন্ধি

গৈছিলো। বগা পাটৰ উকা বা গুণাফুলীয়া মেখেলাৰ লগত মিহি আশী সূতাৰ গুণাৰে ফুলবচা চাদৰ নাইবা মিহি সূতাৰ দীঘ দি লুধিয়ানা পাটৰ বাণি দি বোৱা ফুলবচা চাদৰ মেখেলা কোনো বিশেষ উপলক্ষত চখ কৰি পিন্ধিছিলো। সেই সময়ত শাৰীৰ প্ৰচলন নাছিল বুলিয়েই ক'ব পাৰি। আমাৰ সময়ৰ অনা অসমীয়া ছাত্ৰীসকলেহে শাৰী, চুৰিদাৰ পিন্ধা দেখিছিলো। আজি-কালিৰ ছাত্ৰীসকলৰ দৰে দামী দামী সাজ-পোছাক পৰিধান কৰি মুক্তহস্তে পইছা খৰচ কৰাৰ কথা আমি ভাবিবই পৰা নাছিলো। তাৰ পৰিবৰ্তে কোনে কেনেকৈ পৰীক্ষাত ভাল ফল আৰু শিষ্টাচাৰ দেখুৱাই ছাৰসকলৰ মনোযোগ আৰু মৰম আদায় কৰিব পাৰো তাৰ প্ৰতিহে আমাৰ ধাউতি আছিল।

আমি কটনত পঢ়া সময়ত গুৱাহাটীত আজি-কালিৰ দৰে যাতায়াতৰ ব্যাপক ব্যৱস্থা আৰু যানবাহনৰ ভীৰ নাছিল। খুব প্ৰয়োজনত বা বতৰৰ কাৰণে কেতিয়াবা ৰিক্সাত উঠিব লগা হৈছিল যদিও সচৰাচৰ আমাৰ লগৰ কটনিয়ানসকলে খোজকাঢ়িয়ে কলেজলৈ অহা-যোৱা কৰিছিলো। ভৰিত আছিল সাধাৰণ চেণ্ডেল। কেশবিন্যাস আৰু প্ৰসাধনৰ ক্ষেত্ৰটো আজি-কালিৰ কটনিয়ান ছাত্ৰী আৰু আমাৰ সময়ৰ ছাত্ৰীৰ মাজত বহু পাৰ্থক্য চকুত পৰে। ই অৱশ্যে সময়ৰ গতিশীলতাকে সূচায়। আজি-কালিৰ তৰুণ-তৰুণীসকলৰ মাজত সৌন্দৰ্য্য চৰ্চাৰ প্ৰতি বিশেষ সজাগতা চকুত পৰে। সেইদৰেই ক্ৰীড়ামূলক, কলা সংস্কৃতি আৰু অন্যান্য বিষয়ত বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আছে অবাধ সা-সুবিধা। আমাৰ সময়ত তেনে সুবিধা আমি পোৱা নাছিলো। সেই বুলি কটনৰ সেই যুগৰ ছাত্ৰীসকল জধলা নাছিল। সাধাৰণ সাজ-পোচাকযোৰকে পৰিপাটিকৈ পিন্ধি, শালীনতা বজাই ৰাখি আমি ছাত্ৰীসকলে ক্লাছ কৰিছিলো। প্ৰসাধনৰ নামত আমি স্নো-পাউদাৰহে মুখত সানিছিলো।

কটন কলেজত আমি পঢ়া সময়ত আজিকালিৰ দৰে গুৱাহাটীত ইমান দোকান পোহাৰ আৰু লাহ-বিলাহৰ সা-সামগ্ৰী নাছিল। হোটেল বা ৰেস্তোৰাত ছাত্ৰ-ছাত্ৰীৰ ভীৰ নাছিল। আমি ক্লাছ নথকা সময়ত কমন ৰুমত বহি কিতাপ আলোচনী চাই, গান গাই, হাঁহি স্ফুৰ্ত্তি কৰিছিলো। কিছু সংখ্যকে টেবুল টেনিচ খেলি জিৰণিৰ সময় পাৰ কৰিছিল। কলেজলৈ যাওঁতে টিফিন আদি নিয়াৰ ৰিৱাজ সেই সময়ত নাছিল। আমি প্ৰায়েই পাণবজাৰৰ পুৰণি বেকাৰী শ্বেইখ ব্ৰাদাৰ্ছৰ পৰা কেক্ পাওৰুটি কিনি আনি খাইছিলো নাইবা লগে ভাগে গৈ সন্দিকৈ কলেজৰ ভিতৰত থকা কেণ্টিনত চাহ চিঙ্গাৰা খাইছিলো।

আমাৰ সময়তো কটন কলেজত কলেজ সপ্তাহ উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছিল। মই সাহিত্য আৰু সঙ্গীতৰ প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কৃত হৈছিলো। সেই সময়ত ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা নগণ্য আছিল; সৰহ সংখ্যক ছাত্ৰইহে বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰিছিল। সেই সময়ৰ কটন কলেজৰ উৎসৱ অনুষ্ঠানৰ এটা বিশেষত্ব আছিল। সেইটো হ'ল ছাত্ৰসকলৰ প্ৰায় সকলো অনুষ্ঠানতে শিক্ষক-শিক্ষয়িত্ৰী সকলে সহযোগিতা কৰিছিল আৰু নিজে অনুষ্ঠানত উপস্থিত থাকি নানা দিহা-পৰামৰ্শৰে অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে যত্নপৰ হৈছিল।

কটন কলেজত শিক্ষাগ্ৰহণ কৰি থাকোতেই ইয়াৰ শিক্ষকমণ্ডলীক দেখি আন এটা হেঁপাহ বুকুৰ মাজত লহপহকৈ বাঢ়ি আহিছিল। শিক্ষা সমাপ্তিৰ পিছত অন্য কোনো বৃত্তি গ্ৰহণ নকৰি অধ্যাপিকাৰ সাজত পুনৰ মোৰ মৰমৰ কলেজখনলৈকে উভতি আহিবলৈ কিমান যে তীব্ৰ হৈ পৰিছিল সেই হেঁপাহ। দিনবোৰ বাগৰিল। এটা সময়ত গুৱাহাটী

বিশ্ববিদ্যালয়ৰ পৰা এম. এ.ৰ দেওনা পাৰ হ'লো। ১৯৫৪ চনত এম. এ. পাছ কৰিয়েই কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ পৰা এটা ৰিচাৰ্চ ফেলোশ্বিপ লাভ কৰি গৱেষণাৰ কাৰ্য্যত নিজকে নিয়োজিত কৰিলো। ১৯৫৮ চনত সেই ফেলোশ্বিপৰ কাৰ্য্যকাল শেষ হ'ল আৰু শিক্ষা মন্ত্ৰণালয়ত প্ৰতিবেদন দাখিল কৰিলো। তেতিয়ালৈকে কটনৰ অধ্যাপিকা হোৱাৰ সপোন বাস্তৱত ৰূপায়িত হোৱাৰ কোনো আশা নেদেখিলো। ইতিমধ্যে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এটা ভাল চাকৰি আৰু অসম চৰকাৰৰ স্কুল পৰিদৰ্শিকাৰ পদৰ বাবে মোলৈ আহ্বান আহিছিল। কিন্তু কিয় জানো সেইবোৰৰ প্ৰতি আগ্ৰহী নহৈ মনে কেৱল বিচাৰিছিল অধ্যাপিকা হ'বলৈ, তাকো কটন কলেজত। গতিকে দুয়োটা চাকৰি প্ৰত্যাখ্যান কৰি বহুতৰে পৰা ককৰ্থনা শুনিবলগীয়া হৈছিল। সি যিকি নহওক ১৯৫৯ চনত অসম চৰকাৰে মহাবিদ্যালয় স্তৰত কলা আৰু বিজ্ঞানৰ তিনিটা বিষয় কটন কলেজত খোলাৰ সিদ্ধান্ত লয়। এই তিনিটা বিষয় আছিল শিক্ষা, ভূগোল আৰু ভূবিদ্যা। তিনিওটা বিষয়ৰে বিভাগীয় প্ৰথম অধ্যাপক অধ্যাপিকা হিচাপে মই (শিক্ষা), শ্ৰী তীৰ্থ বৰকটকী (ভূগোল) আৰু শ্ৰীহৰেকৃষ্ণ গায়নে (ভূবিদ্যা) কটন কলেজৰ চাকৰিত যোগদান কৰো। চাকৰিত নিযুক্তিৰ দিনাৰে পৰা বিভাগীয় মুৰব্বী হিচাপেও নিযুক্তি পোৱাত কলেজৰ অন্য সহকৰ্মীসকলে আমাক Born Head বুলি ৰগৰ কৰিছিল। ইমানদিনে বুকুৰ মাজত পুহি ৰখা আশাটো পূৰণ হোৱাত কিমান যে আনন্দ পাইছিলো আৰু আত্মবিশ্বাস লাভ কৰিছিলো তাক কথাৰে বুজাব নোৱাৰো। সেই বছৰতে স্থানীয় সন্দিকৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলেও শিক্ষা বিষয়টো বিচৰাত চৰকাৰে উক্ত কলেজত বিষয়টো নুখুলি ছাত্ৰীসকলক কটন কলেজৰ শিক্ষাবিভাগত ক্লাছ কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। গতিকে সন্দিকৈ কলেজ আৰু কটন কলেজৰ ছাত্ৰ-ছাত্ৰী মিলি শিক্ষাবিষয়ৰ ক্লাছবোৰ একোখন সভাৰ নিচিনা হৈছিল। এনেদৰে দুয়োখন কলেজৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰাটো আছিল মোৰ জীৱনৰ এক মধুৰতম অবিস্মৰণীয় অভিজ্ঞতা।

১৯৬০ চনত হোৱা ভাষা আন্দোলন, ১৯৬২ চনত হোৱা চীন-ভাৰত যুদ্ধ আৰু ১৯৬৫ চনত হোৱা পাক-ভাৰত যুদ্ধৰ সময়ত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাষা আৰু দেশৰ অখণ্ডতাৰ বাবে কৰা কাৰ্য্যাৱলীয়ে কটন কলেজৰ পূৰ্বৰ গৰিমা অটুট ৰখাই নহয়— অধিক উজ্জ্বলতৰহে কৰি তুলিছিল। পাক-ভাৰত যুদ্ধত আহত হোৱা জোৱান সকলৰ প্ৰচুৰ তেজৰ প্ৰয়োজন হোৱাত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে স্বেচ্ছাই গৈ ৰক্তদান কৰি সমাজ সেৱাৰ সুন্দৰ নিদৰ্শন দেখুৱাইছিল। ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও এনে পৰিস্থিতিত নিজৰ কৰ্ত্তব্য পালন কৰি যাবলৈ সততে আগবাঢ়ি আহিছিল।

কটন কলেজৰ সন্দৰ্ভত আন এটি বিশেষভাৱে স্মৰণীয় দিন আছিল ১৯৬৫ চনৰ ১৫ ডিচেম্বৰৰ দিনটো। সেইদিনা কটনৰ ইউনিয়ন হলত কলেজৰ বছৰেকীয়া উৎসৱ উপলক্ষে অনুষ্ঠিত হৈছিল এখনি আকৰ্ষণীয় আৰু গাম্ভীৰ্য্যপূৰ্ণ কবি সন্মিলন। সেই সন্মিলনৰ সভানেত্ৰীৰ আসন অলঙ্কৃত কৰিছিল কাব্যভাৰতী নলিনীবালা দেৱীয়ে আৰু উদ্বোধক ৰূপে উপস্থিত আছিল বৰেণ্য সাহিত্যিক ডিম্বেশ্বৰ নেওগ। সভাৰ মুখ্য অতিথি আছিল সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকা। সন্মিলনত যোগদান কৰা সাতগৰাকী কবিৰ লগতে ময়ো এটি কবিতা পাঠ কৰি বিশেষভাৱে অনুপ্ৰাণিত হৈছিলো।

আগতেই কৈ আহিছো যে কটন কলেজত অধ্যাপিকাৰ চাকৰিত প্ৰথম যোগদান

কৰিয়েই মই নতুনকৈ খোলা "শিক্ষা" বিষয়টো গঢ় দিয়াৰ গধুৰ দায়িত্ব মূৰ পাতি লবলগা হৈছিল। মহাবিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত এই অতি প্ৰয়োজনীয় বিষয়টোৱে যাতে নেতৃত্ব দি কটনৰ সুনাম আৰু গৌৰৱ বৃদ্ধি কৰিব পাৰে তাৰ বাবে বিদ্যায়তনিক দিশত আমি সততে সচেষ্ট আছিলো। এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাপে বিভাগত এটি মনোবৈজ্ঞানিক গৱেষণাগাৰ প্ৰতিষ্ঠাৰ বাবে চৰকাৰৰ লগত নেৰানেপেৰাকৈ লাগি থাকিলো। বহু চেষ্টাৰ ফলত কলেজীয়া স্তৰৰ অসমৰ প্ৰথমটো মনোবৈজ্ঞানিক গৱেষণাগাৰ ১৯৭৫ চনত কটন কলেজত খোলা হয়। ই শিক্ষাবিষয়টোৰ এক প্ৰধান অভাৱ দূৰ কৰাত বিশেষ সহায়ক হৈছিল।

কটন কলেজত অধ্যাপনা কৰি থাকোতেই জীৱনৰ বহুমূলীয়া তিনিটা বছৰ গৱেষণা কাৰ্যত ব্ৰতী হৈ ১৯৭৩ চনত ডক্টৰেট ডিগ্ৰী লোৱাৰ ক্ষেত্ৰত ইয়াৰ সহকৰ্মী, অধ্যক্ষৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মই লাভ কৰিছিলো অপৰিসীম সহযোগিতা আৰু সমমৰ্মিতা। ইয়াৰ চাকৰিকালৰ ভিতৰতে ভাৰতবৰ্ষ আৰু ভাৰতৰ বাহিৰত কেইবাখনো শিক্ষা সন্মিলনত শিক্ষা আৰু সাহিত্য ক্ষেত্ৰত অসমক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ পোৱাটো জীৱনৰ এক স্মৰণীয় ঘটনা বুলি ভাবো। ১৯৭০ চনত কটন কলেজৰ বিভাগীয় মূৰব্বীৰ উপৰিও ১নং ছাত্ৰীনিবাসৰ (বৰ্ত্তমান নলিনীবালা দেৱী ছাত্ৰী নিবাস) অধীক্ষিকা হিচাপে নিযুক্তি পাই অধীক্ষিকাৰ বাবে থকা আচাম টাইপৰ ঘৰটোত থাকিবলৈ লওঁ। সেই পদত থকা পাঁচোটা বছৰ এক বিৰল আৰু চিত্তাকৰ্ষক অভিজ্ঞতা আহৰণ কৰাৰ সুযোগ লাভ কৰিছিলো। ছাত্ৰীনিবাসত থকা বিভিন্ন অঞ্চল আৰু ভাষাগোটৰ বিভিন্ন ৰুচিৰ ১২০/১২৫ জনী ছাত্ৰীৰ লগতে কুৰিজন কৰ্মীৰ আনুগত্য, মৰমসনা আচৰণ আৰু শৃঙ্খলাবোধে মোক নানা সমস্যা সত্ত্বেও আনন্দিত কৰিছিল। আৰু আমি সকলোটিয়ে এটা পৰিয়ালৰ দৰে দিনবোৰ কটাইছিলো। সঙ্গীত আৰু সাহিত্য-চৰ্চাতো মনোনিবেশ কৰিব পাৰিছিলো।

এনেদৰে অকল শিক্ষাৰ্থীৰূপেই নহয় অধ্যাপিকা হিচাপেও কটন কলেজৰ লগত মোৰ এক নিবিড় আত্মিক সম্পৰ্ক স্থাপিত হৈছিল। সেই সম্পৰ্ক প্ৰসূত প্ৰেৰণাই মোক বিদ্যায়তনিক, প্ৰশাসনীয় আৰু সংস্কৃতিৰ সাধনাত আগবঢ়াই নিছিল। সেয়েহে ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ৰিডাৰ পদৰ নিযুক্তিপত্ৰখন পাই মনত আনন্দ পাইছিলো যদিও মোৰ মৰমৰ কটন কলেজখন এৰি থৈ যাবলগীয়া হোৱাৰ বাবে নীৰৱে চকুপানী টুকিছিলো এক অবুজ বেদনাত।

এনেকৈয়ে এক খৰস্ৰোতা নদীৰ দৰে কটনত ছাত্ৰী আৰু অধ্যাপিকা হিচাপে কটোৱা দিনবোৰ অনন্ত কালৰ বুকুত লীন হৈ গ'ল। হেৰোৱা দিনৰ সেই মিঠা স্মৃতি কিন্তু আজিও কিমান প্ৰাণময় কিমান জীৱন্ত! কবি এলেন হোৱাৰ্থৰ দৰে ক'বৰ মন যায়—

'Tis but a little faded flower
But oh, how fondly dear!
'Twill bring me back
one golden hour
Through many a weary year ❑

নিৰুপমা বৰগোহাঞি

কটন কলেজৰ দিনৰ সোঁৱৰণ

আনন্দ-বেদনাৰ মাজেৰে

কটন কলেজলৈ পঢ়িবলৈ আহিছিলো ১৯৪৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম দল মেট্ৰিক পৰীক্ষাৰ্থীৰ এজন হৈ সেই পৰীক্ষা পাছ কৰি। তাৰ আগলৈকে অৰ্থাৎ ১৯৪৭ চনলৈকে অসমৰ সকলো ধৰণৰ ফাইনেল পৰীক্ষা অনুষ্ঠিত হৈছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনতহে।

মই পিছে মেট্ৰিক পৰীক্ষা পাছ কৰি প্ৰথমতে কটন কলেজত নাম লগোৱা নাছিলো, ডিব্ৰুগড়ৰ কলেজ এখনতহে লগাইছিলো। পৰীক্ষাটো পাছ কৰিছিলো গুৱাহাটীৰ তাৰিণী চৰণ ছোৱালী হাইস্কুলৰ পৰাই, কিন্তু চেণ্টাৰ সলনি কৰি ডিব্ৰুগড়ৰ পৰা পৰীক্ষা দিছিলো, কাৰণ তেতিয়া আমাৰ পিতা গুৱাহাটীৰ পৰা বদলি হৈ গৈ ডিব্ৰুগড়ত চাকৰি কৰি আছিল। পিতা অৱশ্যে মই দশম মানলৈ প্ৰমোচন পোৱাৰ পিছতে বদলি হৈছিল, কিন্তু নতুন স্কুল তাৰিণী চৰণৰ দ্বিতীয় দলৰ মেট্ৰিক পৰীক্ষাৰ্থী হিচাপে মোৰ ওপৰত ভাল ফলাফল দেখুৱাৰ আস্থা স্থাপন কৰি প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী ইন্দিৰা বাইদেৱে পিতালৈ মোক পুনৰ টি. চি. স্কুললৈ পঢ়িবলৈ পঠাবলৈ অনুৰোধ কৰি চিঠি দিছিল আৰু পিতায়ো সেই অনুৰোধ এৰাব নোৱাৰি মোক আৰু তলৰ ক্লাছত পঢ়া সৰু ভনী অনুপমাক মোৰ লগত গুৱাহাটীলৈ পঠাই

দিছিল। আমি থাকিব লগীয়া হৈছিলো স্কুল কম্পাউণ্ডৰে খেৰ বাঁহৰ ঘৰবোৰৰ এটা কোঠালীত। তাতেই ইকমিক কুকাৰত ভাত ৰান্ধি খাই আমি ক্লাছ কৰিছিলো। আচলতে প্ৰধান শিক্ষয়িত্ৰী বাইদেৱে হোষ্টেল নথকা স্কুলটোত আমাৰ থকা-মেলাৰ সুবিধা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দি চিঠি লিখাতহে বোধহয় পিতা সেই বন্দবস্তত সম্মত হৈছিল, অৱশ্যে সেই কথা মই ন দি ক'বও নোৱাৰো। আমাৰ পিতা কৃচ্ছ্ৰসাধনত এনে বিশ্বাসী যে দুজনী কম বয়সীয়া স্কুলীয়া মধ্যবিত্ত ঘৰৰ চহৰীয়া মাক থকা ছোৱালীয়ে নিজে ৰন্ধা-বঢ়া কৰাকে ধৰি আন নানা কষ্ট কৰি পঢ়া-শুনা কৰাটো যে যথেষ্ট টান কাম সেই কথাক বোধহয় বেছি গ্ৰাহ্যও নকৰিলেহেঁতেন, তাকো কোনো দৰকাৰী কাৰণতো নহয়। ইন্দিৰা বাইদেৱোৰো নিজৰ দুজনী ভনী, পুত্ৰ-কন্যাক লৈ সেই স্কুলটোৰ কম্পাউণ্ডতে তেনে বাঁহ খেৰৰ তিনি কোঠালীৰ ঘৰ এটাত আছিল। তেতিয়াৰ সেই টি. চি. স্কুলটো আছিল আমাৰ দীঘলী পুখুৰী পাৰৰ কটন কলেজৰ অধ্যাপকৰ কোৱাৰ্টাৰবোৰ থকা ঠাইতে। তেতিয়া সেইটো আছিল দ্বিতীয় মহাসমৰৰ সৈন্যসকলৰ এক পৰিত্যক্ত ছাউনী আৰু ইমানদিনে অস্থায়ীভাৱে উজান বজাৰ বালিকা এম. ই. স্কুলত ৰাতিপুৱা বহা টি. চি. স্কুলক তালৈ লৈ অহা হৈছিল।

মই ডিব্ৰুগড়ৰ স্কুলত দশম শ্ৰেণীত নাম লগাই কিছুদিন পঢ়ি পুনৰ তাৰিণী চৰণলৈ পঢ়িবলৈ অহাৰ দৰে মেট্ৰিক পৰীক্ষাৰ পিছত ডিব্ৰুগড় কলেজত নাম লগাই পঢ়িও পুনৰ কটন কলেজলৈ গুচি আহিলো। কিন্তু কটন কলেজলৈ পঢ়িবলৈ অহাৰ কথাত মই আজি থমকি বৈ ভাবো— সেই সিদ্ধান্ত লৈ মই ভুল কৰিলো নেকি। অন্ততঃ বিজ্ঞান শাখাত কটনত নাম ভৰ্তি কৰি মই যে মোৰ কেৰিয়াৰটো কিছু ধ্বংস কৰিলো তাত বোধহয় সন্দেহ নাই।

ডিব্ৰুগড় কলেজত কিছুদিন পঢ়িলো, অসমীয়া ক্লাচত কবি যতীন্দ্ৰ নাথ দুৱৰাই গাটো দুলাই দুলাই পদ্য পঢ়ুৱাৰ ছাত্ৰী হিচাপে এক স্মৰণীয় অভিজ্ঞতাও লাভ কৰিলো। কিন্তু কিছুদিন পিছতে মনত ভীষণ অসন্তুষ্টিয়ে বাঁহ বান্ধিলে— ইচ, মইহে কটনত পঢ়িবলৈ নেপালো, অসমৰ সকলো মেধাবী ছাত্ৰ-ছাত্ৰীয়ে কটনলৈ পঢ়িবলৈ যায়, সকলো মেধাবী ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পাছ কৰি ফিজিক্স-কেমেষ্ট্ৰি-মেথমেটিক্স লৈ কটনত আই. এছ. চি পঢ়িবলৈ যায়, মইহে সেই গৌৰৱ আৰু আনন্দৰ পৰা বঞ্চিত হৈ ৰ'লো।

ইয়াৰ পিছত কটনত পঢ়িবলৈ যোৱাৰ জেদত লাগি ঘৰখনক অশান্তি দিবলৈ ধৰিলো। দাদা বিনয় কুমাৰ তামুলীয়ে বহুত বুজালে যে মই অংকত ভাল কৰা নাই– বিজ্ঞানৰ মেধা মোৰ নায়েই, বুৰঞ্জী আৰু সংস্কৃতত লেটাৰ পাইছো, অইন আৰ্টছ বিষয়বোৰতো ভালেই কৰিছো। গতিকে ডিব্ৰুগড় কলেজতে ভালকৈ পঢ়া-শুনা কৰিলে আই. এ. পৰীক্ষাত প্ৰথম দহটা স্থানৰ এটা পায়ো যাব পাৰো। কিন্তু মতিভ্ৰম হ'লে কাৰো সদুপদেশ গ্ৰহণযোগ্য নহয়, মোৰো দাদাৰ কথা গাত নালাগিল, নিজৰ জেদতে অটল হৈ ৰ'লো যে কটনত বিজ্ঞান শাখাত ভৰ্তি হ'মেই হ'ম।

সাধাৰণতে পূজাৰ বন্ধৰ আগতে কলেজৰ নামভৰ্তি পৰ্ব শেষ হৈ যায়। মই যেতিয়া ঘৰৰ অনুমতি আদায় কৰি (হয়, সেই অনুমতি আদায় কৰিহে এৰিলো) কটনলৈ পঢ়িবলৈ যাওঁ, তেতিয়া পূজাৰ বন্ধ শেষ হৈ পুনৰ কলেজবোৰ খুলিছে। পিছে ভালকৈ ক্লাছবোৰ আৰম্ভ হোৱা নাছিল বাবে মোৰ সিমান পিছপৰি থকা অৱস্থা নহ'ল। মই আই. এছ. চি ক্লাছত ভৰ্তি হ'লো আৰু 'চোকা' ছাত্ৰ-ছাত্ৰীৰ 'নিয়ম' মানি অংক, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান ল'লো– তেতিয়া আমাৰ লগত বহুতেই বায়'লজি লৈছিল

মেডিকেল পঢ়াৰ উদ্দেশ্যে। কিন্তু মই পোক-পৰুৱা এটাও মাৰিব নোৱাৰো, ভেকুলী আদি কটাৰ কথা কল্পনাই কৰিব নোৱাৰো, গতিকে সেই বিষয়টো কেনেকৈ লওঁ? ওহোঁ, মই ডাক্তৰ নহওঁ।

মই 'টান' বিষয়বোৰ লৈ আই. এছ. চি পঢ়াৰ মজা অৱশ্যে পাই মেট্ৰিকতো অংক, অতিৰিক্ত অংক এই দুটা বিষয়ত খুব বেয়া নম্বৰ নাপালেও (৬০ৰ ঘৰতে নম্বৰ আছিল) বাকীবোৰৰ তুলনাত বেয়া হোৱা বাবে মই 'ষ্টাৰ' পাবলৈ সক্ষম নহ'লো। তথাপি পুনৰ সেই বিষয় লৈ আই. এছ. চি. পঢ়িবলৈ গৈ অংকত পালো মাত্ৰ ত্ৰিশ– সিও আছিল অতিৰিক্ত বিষয়, ত্ৰিশ নম্বৰ কটা গ'ল বাবে অংকত এক নম্বৰো নাপালো। অসমীয়া আৰু ব'টানীত খুব ভাল নম্বৰ পোৱা বাবেই কোনোমতে প্ৰথম বিভাগটো পালো। এইদৰেই দাদাৰ কথা নামানি মই বিজ্ঞান বিষয়ত কটনত পঢ়িবলৈ আহি মোৰ শৈক্ষিক কেৰিয়াৰটো একপ্ৰকাৰ ধ্বংস কৰিলো। পিছে ৰবীন্দ্ৰনাথৰ গানৰ দৰেই 'আমি জেনে শুনে বিষ করেছি পান'– জীৱনৰ আৰু বহুতো কথাৰ দৰেই কটনলৈ পঢ়িবলৈ অহাটো মোৰ সজ্ঞানে বিষ পান কৰাৰ দৰেই হ'ল।

কিন্তু আজি-কালি বয়সৰ লগে লগে জীৱনৰ কিছুমান ধাৰণা সলনি হ'বলৈ ধৰিছে। কটনত পঢ়িবলৈ অহাটো মোৰ সঁচায়ে আত্মহননৰ লেখীয়া হ'লনে? ইয়ালৈ পঢ়িবলৈ অহাৰ ফলত মই বিজ্ঞানৰ ছাত্ৰী হিচাপে ভৰ্তি হ'লো– (বিজ্ঞান বিভাগত পঢ়িবলৈ পৰম আগ্ৰহ আৰু জেদ নেদেখুৱা হ'লে কলা বিভাগত পঢ়িবলৈকে ডিব্ৰুগড়ৰ কলেজৰ পৰা মোক কটনত পঢ়িবলৈ পঠিয়াবলৈ ঘৰখন যে কোনোপধ্যেই সম্মত নহ'লহেঁতেন সেই কথা মই ধ্ৰুৱপ বুলি জানো। সাধাৰণ মধ্যবিত্ত ঘৰৰ ছোৱালী এজনীক হোষ্টেলৰ খৰচ দি পঢ়ুৱাৰ বিলাসিতা মোৰ পিতাই কেতিয়াও নকৰে– কেৱল কটনত বিজ্ঞান শিক্ষাৰ বিশেষ এক সুনাম থকাৰ বাবেহে মোৰ জেদ পিতাই মানি লৈছিল) আৰু এই বাছনিয়ে পিছলৈ মোক সাৰ্থক শৈক্ষিক পথ লোৱাত বাধাগ্ৰস্ত কৰিলে। মই বি. এ. পঢ়িলো এডুকেশ্যনত অনাৰ্ছ লৈ, এম. এ. পঢ়িবলৈ কলিকতালৈ গ'লো ইংৰাজী বিষয় লৈ, আকৌ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়তো এম. এ. পাছ কৰিলো। কিন্তু আই. এ. পঢ়া হ'লে মই নিশ্চয় বিষয় বাছনিত এনে খেলিমেলি নলগালোহেঁতেন। সৰ্ব্বোচ নম্বৰ পোৱা বিষয়টোত বি. এ.ত অনাৰ্ছ লৈ (আমাৰ দিনত মেজৰ অনাৰ্ছ বুলি কৈছিল) তাৰ পিছত সেই একেটা বিষয়ত এম. এ. পঢ়িলোহেঁতেন। কিন্তু সেইটো নকৰিলো বাবেই মই কোনো কলেজত চাকৰি পোৱাৰ 'যোগ্যতা' অৰ্জন কৰিব নোৱাৰিলো। (যদিও তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিষয় নাছিল বা ইংৰাজী বিষয়ৰ অধ্যাপকৰ নাটনি হোৱা বাবে মোৰ ফলাফল ভাল নোহোৱাতো, অনাৰ্ছ থকাটো বাধ্যতামূলক হোৱা সত্ত্বেও ইংৰাজীত অনাৰ্ছ নথকা মই মানুহজনীক নলবাৰী, গোৱালপাৰা, উত্তৰ লক্ষীমপুৰ আৰু যোৰহাট এই চাৰিখন কলেজতে ইংৰাজীৰ প্ৰবক্তা পদত নিযুক্ত কৰা হৈছিল– মই স্বতঃপ্ৰবৃত্ত হৈ চেষ্টা নকৰা সত্ত্বেও সেই কামবোৰ পাইছিলো)। ১৯৬৮ চনত আমি অসমৰ অ'ত ত'ত ঘূৰি গুৱাহাটীলৈ নিগাজীকৈ থাকিবলৈ আহিলো আৰু সন্দিকৈ কলেজত অসমীয়া বিষয়ত প্ৰবক্তাৰ পদ খালী থকা গম পাই মই সেই পদৰ প্ৰাৰ্থী হ'লো, কিন্তু অসমীয়াত বি. এ.ত অনাৰ্ছ নাছিল বাবে সেই চাকৰি নাপালো। পিছত বি. বৰুৱাতো অসমীয়াৰ প্ৰবক্তাৰ চাকৰি এটা দৰ্খাস্ত কৰি নাপালো– যিটো পালে সু-সাহিত্যিকা প্ৰয়াত প্ৰবীণা শইকীয়াই। তাৰপিছত তেৰ বছৰ সাপ্তাহিক নীলাচলত তাৰ প্ৰতিষ্ঠাপিকা সহকাৰী সম্পাদিকা হিচাপে

চাকৰি কৰাৰ পিছতো বিদেশী বিতাড়ন আন্দোলনত ভিন্নমত পোষণ কৰা বাবে মোক সেই চাকৰিৰ পৰা বিতাড়ন কৰা হ'ল (এতিয়া মই আমোদেৰে ভাবো অসম আন্দোলনৰ ফলত বিদেশীক বিতাড়ন কৰা হওক বা নহওক, আমিয়েই জন্ম দিয়া কাকতখনৰ পৰা মোক হ'লে ঠিকেই বিতাড়ন কৰা হ'ল)। তেতিয়া মোৰ জীৱনত বলিছে এক বিৰাট ধুমুহা। পিতাৰ পৰা জীৱনৰ কঠোৰতাৰ মুখামুখি হোৱাৰ শিক্ষা নোপোৱা হ'লে মই বোধহয় সেই ধুমুহাৰ কোবত দুৰ্বল শিপাৰ গছৰ দৰে উভাল খাই মুখ থেকেচা খাই পৰি আৰু কোনোদিনেই আকাশলৈ মূ কৰিব পৰাকৈ উঠিব নোৱাৰিলোহেঁতেন। মোক সেই সংকটৰ সময়ত অৱশ্যে বহুতো বন্ধুৱেই সহায়ৰ হাত আগবঢ়াইছিল, কিন্তু মই জানিছিলো সহায়ে মোক দুৰ্বল কৰিব, মই ৰবীন্দ্ৰনাথৰ 'আত্মত্ৰাণ' কবিতাৰে জীৱন পথত চলাৰ প্ৰয়াসী হৈ আছিছো- 'বিপদে মোৰে ৰক্ষা কৰো, এ নহে মোৰ প্ৰাৰ্থনা। বিপদকে আমি না যেন কৰি ভয়................' গতিকে নতুন সংস্থানৰ সন্ধানত অ'ত ত'ত চাকৰি বিচাৰি শেষত গম পালো যে ললিত ভৰালী কলেজত অসমীয়াৰ প্ৰবক্তাৰ চাকৰি এটা খালী হৈছে। লগে লগেই তালৈ ঢাপলি মেলিলো। তাত তেতিয়া ইক্ৰাম শইকীয়া অধ্যক্ষ হৈ আছিল, তেখেত কটনত বি. এ. ক্লাছত আমাৰ অৰ্থনীতিৰ অধ্যাপক আছিল, মোক তেখেতে চিনি পালে আৰু ক'লে- you were a famous student in cotton college....... ....তাৰ পিছত মোৰ দৰখাস্তখন চাই ক'লে যে মই তাত দৰ্কাৰ হ'লে ইংৰাজীতো পঢ়ুৱাব পাৰিম বুলি লিখি দিব লাগে। আৰু ক'লে- নতুন কলেজ, প্ৰথমতে পঞ্চাছ টকা দৰমহা লৈহে কাম কৰিব লাগিব। মই ভৱিষ্যতলৈ আশাৰে চাই তাতো ৰাজী হ'লো। তেতিয়া ছাৰে মোক কলেজৰ ছেক্ৰেটাৰী মালিগাওঁৰ ৰেলৰে বিভাগত চাকৰি কৰা এজন অসমীয়া কৰ্মচাৰীৰ ওচৰলৈ চকীদাৰ এজনৰ লগত সেই নতুন দৰ্খাস্ত সহিতে পঠিয়াই দিলে। ছেক্ৰেটাৰীৰ কোৱাৰ্টাৰটো সাধাৰণ, বুজি পালো যে তেওঁ ৰেল বিভাগৰ ডাঙৰ কৰ্মচাৰী নহয়— কিন্তু সেই সাধাৰণ ঘৰটোতো তেওঁ মোক বহাৰ যোগ্য বুলি বিবেচনা নকৰিলে, মই থিয় হৈয়ে ৰ'লো, এবাৰো মোক তেওঁ বহাৰ কথা নক'লে। শেষত দৰ্খাস্তখন পঢ়ি গহীনভাৱে ক'লে,- 'আপোনাক আমাৰ সিদ্ধান্তৰ কথা পিছত জনোৱা হ'ব।'

পিছত যেতিয়া পুনৰ মই ললিত ভৰালীলৈ চাকৰিৰ খবৰ কৰিবলৈ গ'লো তেতিয়া অধ্যক্ষ ছাৰে দুখেৰে ক'লে- নাইহে নিৰুপমা, তোমাৰ অসমীয়াত অনাৰ্ছ নাইতো, সেয়ে ছেক্ৰেটাৰীয়ে তোমাক চাকৰিটোৰ বাবে অযোগ্য বুলি ক'লে।' তেতিয়ালৈ মই চাৰিখন কলেজত প্ৰবক্তাৰ চাকৰি কৰিছো, কিতাপ প্ৰকাশ হৈছে প্ৰায় পঁচিশখন, মেট্ৰিকত ফাৰ্ষ্টগ্ৰেড বৃত্তি পাইছো সকলো পৰীক্ষাতে অসমীয়াত ভাল নম্বৰ পাইছো, আই.এছ.চিত প্ৰথম বিভাগ পাইছো, বি.এত অনাৰ্ছ পাইছো। তথাপি মই নতুনকৈ স্থাপিত হোৱা কলেজ এটাত ৫০ টকা দৰমহাৰ চাকৰিৰ বাবে অযোগ্য বিবেচিত হলো তাকো অসমীয়াৰ দৰে বিষয় এটাত। আমি সকলো বিষয়তে যদি এনে নিয়ম মানি চলিব পাৰিলোহেঁতেন! এই প্ৰসংগতে মনলৈ আহি গ'ল দুটাকৈ ডক্টৰেট ডিগ্ৰী লাভ কৰা কটন কলেজৰ প্ৰবক্তা বিখ্যাত নাট্যকাৰ শ্যামাপ্ৰসাদ শৰ্মাৰ কথা। তেখেতে দুবাৰ ডক্টৰেট লাভ কৰাৰ পিছত লগ পাই অভিনন্দন জনোৱাৰ পিছত হাঁহি হাঁহি কৈছিলো— 'আপুনি দুটাকৈ ডক্টৰেট কৰিলে, আমাৰ কিন্তু এটাও কৰা নহ'ল।' মোৰ কথাৰ উত্তৰত ড° শৰ্মাই পৰম আন্তৰিকতাৰে কৈছিল—'আপুনি এটা কিয়, যিমান লেখা-পঢ়া কৰি আছে সি কেইটামান

ডক্টৰেট পোৱাৰে যোগ্য।' ড° শৰ্মাই নিশ্চয় মই ললিত ভৰালী কলেজত এনেকৈ পঞ্চাছ টকীয়া দৰমহাৰে ইংৰাজী, অসমীয়া দুয়োটা বিষয়তে পঢ়ুৱাবলৈ সন্মত হোৱাৰ পিছতো সেই চাকৰিটো নোপোৱা বুলি শুনিলে বৰ দুখ পাব।

হয়, কটন কলেজলৈ আই.এছ.চি. পঢ়িবলৈ নাহি মই ডিব্ৰুগড় কলেজতে পঢ়ি থকা হ'লে নিশ্চয় পৰীক্ষাৰ ফলাফলবোৰ ভাল কৰি এদিন কোনোবা এখন কলেজত চাকৰি পোৱাৰ আনুষ্ঠানিক যোগ্যতা আৰ্জন কৰিলোহেঁতেন। গতিকে কটন কলেজৰ জীৱনক মই এক প্ৰকাৰ অভিশাপ বুলি ল'ম নেকি? এই কলেজত পঢ়াৰ বাবেই মোৰ ললিত ভৰালী কলেজত এনেদৰে অপমানিত হোৱাৰ পৰোক্ষভাৱে হ'লেও কাৰণ ঘটিল নেকি? এই ঘটনাটোৰ স্মৰণে মোক আজিও যেন দংশন কৰে।

পিছে কৈছো নহয়- এতিয়া পৰিণত বয়সৰ অভিজ্ঞতাই শিকাইছে যে জীৱনৰ বহু ক্ষেত্ৰত কোনটো ঘটনা যে আশীৰ্বাদ স্বৰূপ আৰু কোনটো ঘটনা যে অভিশাপ স্বৰূপ এক কথাত তাক কোৱাটো টান। কটনলৈ আহিলো বাবেই মই অসমৰ নানা ঠাইৰ মেধাবী ছাত্ৰ ছাত্ৰীসকলক লগ পালো, কটনলৈ আহি মোৰ মনৰ দিগন্ত নিশ্চয় ভালেখিনি প্ৰসাৰিত হ'ল— কুঁৱাৰ ভেকুলীয়ে যেন পুখুৰীত অবগাহন কৰাৰ সুযোগ পালো (যদিও ড° বাণীকান্ত কাকতিয়ে কোৱা বুলি শুনা এই কথাষাৰহে মই বিশ্বাস কৰো যে কুঁৱাতে ডুবোৱা বা সাগৰতে ডুবোৱা- বাল্টিটোত সেই এবাল্টি পানীহে উঠিব)। কলেজ সপ্তাহবোৰৰ সাংস্কৃতিক প্ৰতিযোগিতাবোৰত প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ পালো অসমৰ বহুতো ভৱিষ্যত নামী দামী সাহিত্যিকৰ লগত, ছোৱালী কমন ৰুমৰ সম্পাদিকা হৈ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে মহান পণ্ডিতৰ আৰু কৃষ্ণকান্ত সন্দিকৈৰ দৰে উপাচাৰ্য্য পণ্ডিতৰ লগত একেলগে ফটো তোলাৰ সুযোগ পালো (তেতিয়াৰ সৰু ছোৱালী এজনীৰ মানসিকতাৰে সি আছিল এক বিৰল সন্মান), কলেজৰ নবাগত আদৰণি সভাত ইংৰাজীতে বক্তৃতা দি প্ৰধান অতিথি জ্ঞানদাভিৰাম বৰুৱাৰ পৰা এনে প্ৰশংসাসূচক কথা শুনিলো –No doubt that one day she will bé a 'netri' ....। ইফালে ছাত্ৰী হোৱাৰ সৌভাগ্য লাভ কৰিলো (প্ৰয়াত) উপেন লেখাৰু ছাৰ, চন্দ্ৰ কলিতা ছাৰ, অতুল দত্ত ছাৰ, হৰেন চৌধুৰী ছাৰ, তাৰিণী কান্ত ভট্টাচাৰ্য ছাৰ, আশ্ৰফ আলি ছাৰ, নুৰুল ইছলাম ছাৰ, ঈশ্বৰ ভুঞা ছাৰ, ৰায়হান ছাৰ, প্ৰেমতোষ শ্যাম ছাৰ, যদু মুখাৰ্জী ছাৰ, আদিৰ দৰে একপ্ৰকাৰ প্ৰবাদপ্ৰতীম অধ্যাপকসকলৰ। এইসকলৰ পাঠদানৰ নানা স্মৃতি আজিও মনৰ মণিকোঠাত সযতনে সাঁচি থৈছো। আজিৰ শিক্ষকসকলৰ বহুতৰ দৰে এইসকল ছাৰে বিশেষ কাৰণ বিনে শ্ৰেণীত উপস্থিত নথকাকৈ নাথাকিছিল, পাঠদানক পবিত্ৰ কৰ্তব্য বুলি ভাবি নিষ্ঠাৰে সেই কামত ব্ৰতী হৈ থাকিছিল। কোৱা বাহুল্য তেতিয়া প্ৰায় কোনেও টিউচন কৰাৰ কথা ভবা নাছিল আৰু আমি মনোযোগ দি শুনিলে তেওঁলোকৰ বক্তৃতাৰ দ্বাৰাই কিতাপৰ নুবুজা কথাবোৰ বুজি পাইছিলো, টিউচন লোৱাৰ প্ৰয়োজন নাছিল।

কটন কলেজত পঢ়াৰ মোৰ আৰু এক প্ৰাপ্তি হ'ল হোষ্টেল জীৱনৰ বিচিত্ৰ অভিজ্ঞতা লাভ, নানা ধৰণৰ ছোৱালীক লগ পোৱা, তেওঁলোকৰ কাৰো কাৰোবাৰ লগত স্থায়ী বন্ধুত্ব গঢ়ি উঠা। তেনেকৈ বন্ধুত্ব গঢ়ি উঠা আই.এছ.চি. ক্লাছৰ ছাত্ৰী আছিল তেতিয়াৰ নেফাৰ 'আদি' (তেতিয়া আমি আবৰ বুলি কৈছিলো) জনজাতিৰ ছোৱালী অদাম তামুক। তেওঁ আছিল নেফাৰ প্ৰথম উচ্চশিক্ষা লাভ কৰা ছোৱালী। সেই অদামৰ লগত ঘনিষ্ঠতা সূত্ৰেই লাভ কৰিছিলো এক বিৰল অভিজ্ঞতা। মোৰ তেতিয়াৰ উদ্দাম বন্য স্বভাৱৰ বাবে মনেৰেই

পৃথিৱীৰ বহুতো ৰহস্য ঘেৰা, পাহাৰ-নদী-গভীৰ অৰণ্যানীৰ জগতখনত যেন বিচৰণ কৰি ফুৰিছিলো আৰু বাস্তৱ জীৱনতো এদিন তাৰ আংশিক সোৱাদ লাভ কৰিলো অদামৰ বাবেই। পূজাৰ নে আন কিবা এটা বন্ধত মই অদামহঁতৰ পাহাৰীয়া গাঁওখনলৈ গ'লো— প্ৰথমতে পাছিঘাটলৈ গৈ তাত এৰাতি কটাই পিছদিনা ৰাতিপুৱা অৰণ্যৰ মাজেৰে, জান-জুৰিৰ শিলৰ ওপৰত জঁপিয়াই জঁপিয়াই পাহাৰ বগাই এক আদিম যেন লগা জনজাতীয় গাঁৱলৈ গৈ তাৰ চাঙৰ ঘৰত থকা, পাতৰ টোপোলাত বন্ধা ভাত খোৱা। সেই ১৯৫০ চন মানত— অলপ ৰোমাঞ্চকৰ অভিজ্ঞতা নাছিল নে?

হোষ্টেল জীৱনত তথা কটন কলেজৰ পৰা লাভ কৰা অভিজ্ঞতাৰ আন এক ফচল আছিল সেই অভিজ্ঞতাৰ ভিত্তিত ৰচিত 'এনথ্ৰ'পলজিৰ সপোনৰ পিছত' নামৰ গল্পটো (যিটোৰে মই অসমীয়া সাহিত্যত প্ৰথম পদক্ষেপ দিছিলো) আৰু 'কেকটাছৰ ফুল' নামৰ মোৰ সাহিত্যিক জীৱনত প্ৰথমবাৰৰ বাবে দ্বিতীয় সংস্কৰণো প্ৰকাশ পোৱা জনপ্ৰিয় উপন্যাসখন। গতিকে ডিব্ৰুগড় এৰি কটন কলেজলৈ পঢ়িবলৈ অহাৰ ফলত মোৰ শৈক্ষিক কেৰিয়াৰত খেলিমেলি লাগি গুৱাহাটীৰ কোনো কলেজতে চাকৰি নেপালেও বা ললিত ভৰালী কলেজৰ ছেক্ৰেটাৰীৰ দ্বাৰা তেনেকৈ অপমানিত হ'লেও আনফালে আন ধৰণে হ'লে ক্ষতিপূৰণো হ'ল। তদুপৰি জীৱনে বোধহয় আন নানা ধৰণেও ক্ষতিপূৰণ কৰি দিয়ে, 'মোগমুদ্গৰ'ৰ শ্লোকৰ দৰে 'সংসাৰোঅয়ম অতীব বিচিত্ৰ'। এদিন বি.বৰুৱা কলেজত মই যিটো চাকৰি নাপালো সেইটো যে প্ৰবীণা শইকীয়াই পাইছিল সেই কথাটো আগতেই লিখি আহিছো। তাৰ পিছত যেতিয়া মই 'অভিযাত্ৰী' উপন্যাসৰ বাবে সাহিত্য অকাডেমীৰ পুৰস্কাৰটো পালো তেতিয়া প্ৰবীণা শইকীয়াই মোক অভিনন্দন জনাবলৈ আমাৰ ঘৰলৈ আহি কৈছিল— 'আপুনি কলেজত চাকৰিটো নোপোৱাত শাপেই বৰ হ'ল, চাকৰিটো পালে এতিয়া মই নোপোৱাৰ দৰে আপুনিও ইমান লেখাৰ সময় নাপালেহেঁতেন। চাকৰি পালে আপুনি হয়তো আৰু অলপ স্বচ্ছলতাৰ মুখ দেখিলেহেঁতেন, দুযোৰ মেখেলা চাদৰ বেছিকৈ ল'ব পাৰিলেহেঁতেন— এয়েতো? এতিয়া কিন্তু আপুনি সাহিত্য-চৰ্চাতে একান্তভাৱে মনপূতি লাগি আছে আৰু তাৰ সুফলো ভোগ কৰিলে........।" সিদিনা মই প্ৰবীণা শইকীয়াৰ কথা মনে প্ৰাণে মানি লৈছিলো। অইনৰ কথা নেজানো, কিন্তু মোৰ ক্ষেত্ৰত হ'লে এই কথা সঁচা হ'লহেঁতেন যে কলেজত চাকৰি কৰি থকা হ'লে মই সঁচায়ে এনেকৈ সাহিত্য-চৰ্চা কৰিব নোৱাৰিলোহেঁতেন— আগৰ কলেজত চাকৰি কৰা অভিজ্ঞতাৰ পৰা গম পাই গৈছিলো যে দুয়োটা মানসিক কাম সমানে চলাই যাব পৰাৰ মোৰ শক্তি নাই— যিটো আন বহু সাহিত্যিকৰ আছে।

সঁচায়ে, জীৱনে যেন ক্ষতিপূৰণো কৰি দিয়ে— অন্ততঃ কেতিয়াবা কাৰোবাক বোধহয় দিয়েই। এনেকৈ একাগ্ৰতীয়াভাৱে সাহিত্য চৰ্চা কৰাৰ সুযোগ পালো বাবেই এদিন সাহিত্য অকাডেমীৰ পুৰস্কাৰো পালো আৰু সেই পুৰস্কাৰৰ বাবেই এদিন যিখন কলেজে মোক অপমানিত কৰি পঠিয়াইছিল সেই একেখন ললিত ভৰালী কলেজেই মোক আদৰ সাদৰ কৰি মাতি নি সম্বৰ্দ্ধনা জনাইছিল, (অৱশ্যে তেতিয়া আৰু তাত পূৰ্বৰ ছেক্ৰেটাৰী-অধ্যক্ষ কোনোৱে নাছিল, তথাপিও একেখন কলেজেইতো) নানা উপঢৌকনেৰে বিভূষিত কৰিছিল। কলেজখনৰ কৃষ্ণা বৰ্মনকে ধৰি প্ৰবক্তাসকলে মোক তেতিয়া কেৱল তেওঁলোকৰ ফালৰ পৰা যিটো ঘড়ী উপহাৰ দিছিল, সেই ধুনীয়া ঘড়ীটোৱে আজিও মোৰ ড্ৰইংৰুমৰ দেৱাল শোভা কৰি আছে।

এই ঘটনা দুটাই মোক জীৱনত বহুতবাৰ মনে মনে আওৰোৱাৰ দৰে, বহুতো লিখনিত উদ্ধৃত কৰাৰ দৰে বাইবেলৰ এই অনুপম বাক্যষাৰকে পুনৰ্বাৰ পৰম আবেগেৰে উদ্ধৃত কৰিবলৈ উদ্বুদ্ধ কৰে : 'Oh ye of little faith, donot lose heart, all is not yet lost'. মই যদি কটন কলেজৰ শৈক্ষিক জীৱনৰ এক প্ৰকাৰৰ অকৃতকাৰ্য্যতাকে হতাশা আৰু বিষাদগ্ৰস্ততাৰে আঁকোৰি থাকি জীৱন যুদ্ধত বীৰ সৈনিকৰ ভূমিকা লোৱাৰ চেষ্টা কৰি যুঁজি নাথাকিলোহেঁতেন আৰু তাৰ দ্বাৰা নিজ জীৱনলৈ একপ্ৰকাৰ ধ্বংস মাতি আনিলোঁহেতেন, তেন্তে আজিতো আন নানা ধৰণৰ প্ৰাপ্তি তথা অসমৰ মানুহৰ আন্তৰিক মৰম-চেনেহ আৰু প্ৰশংসাৰ পৰা বঞ্চিত হৈ ৰ'লোহেঁতেন— যাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰি ললিত ভৰালী কলেজৰ সেই উচ্চ আদৰণিকো।

সেয়ে সৰ্বশেষত মই কওঁ যে কটন কলেজৰ জীৱনটোক সদায় আনন্দ-আবেগেৰেই সুঁৱৰি থাকিম— যদিও তাত হয়তো অলপ বেদনাও মিহলি হৈ থাকিব। পিছে আমাৰ সমগ্ৰ জীৱনটোৱেতো এক আনন্দ-বেদনাৰ মিশ্ৰণ!

কটন কলেজৰ জীৱনৰ যি অভিজ্ঞতা মই আটাইতকৈ আপুৰুগীয়া বুলি মনৰ মণিকোঠাত সযতনে সাঁচি থৈছো সেইটো হ'ল এজন কম বয়সীয়া ল'ৰাৰ এক বিৰল নৈতিক সাহসৰ চানেকি। মোৰ মনত বহুতো বিৰল গুণৰ অন্যতম হ'ল নৈতিক সাহস। জীৱনত এনে গুণৰ অধিকাৰীক কমেই লগ পাইছো বাবে যি দুই এজনক লগ পাওঁ তাক কোনোদিন পাহৰিব নোৱাৰো। সেয়ে কটনৰ এই ল'ৰাজনকো মই পাহৰিব পৰা নাই বাবে তেওঁক লৈ মই পঢ়া জীৱনৰ অন্ত পৰাৰ পিছত 'গানৰ নিচিনা দিন' নামৰ এখন উপন্যাসিকা লিখি উলিয়াইছিলো — যদিও ল'ৰাজননো কোন, তেওঁৰ নো কি নাম আছিল আজি একোৱে মনত নপৰে।

এতিয়া সেই ঘটনাটোৰ কথালৈ আহো। সেয়া আছিল ১৯৫১ চনৰ কথা। তেতিয়া কটন কলেজৰ অধ্যক্ষ আছিল বিখ্যাত সংস্কৃত পণ্ডিত প্ৰয়াত শ্ৰীনাথ চক্ৰবৰ্তী। অত্যন্ত কঢ়া অধ্যক্ষ (প্ৰসংগক্ৰমে, তেওঁৰে জীয়ৰী ড° উমা চক্ৰবৰ্তীয়ে মানৱ সম্পদ উন্নয়ন-মন্ত্ৰণালয়ৰ পৰা সংস্কৃত বৰ্ষ সমাৰোহ উপলক্ষে অৰ্পণ কৰা বেদ মূৰ্তি উপাধি লাভ কৰিছে। ই এক অতি উল্লেখযোগ্য সম্মান, কাৰণ উজ্জয়িনীৰ 'বেদ বিদ্যা' নামৰ অনুষ্ঠানত এই উপাধি ভাৰতবৰ্ষৰ যি এশজন সংস্কৃত পণ্ডিতক প্ৰদান কৰা হৈছিল তাৰ ভিতৰত একমাত্ৰ মহিলা হ'ল উমা চক্ৰবৰ্তী), ছাত্ৰ-ছাত্ৰীয়ে সমীহ নকৰি উপায় নাই। তথাপি সেই সময়ত কটনৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ মাচুল বৃদ্ধি কৰাৰ প্ৰতিবাদত এক বৃহৎ আন্দোলন আৰম্ভ কৰিলে। তেতিয়া বাহাল থকা মাচুলৰ বিপৰীতে কৰ্তৃপক্ষই আৰু দুটকা বৃদ্ধি কৰিছিল। আন্দোলনটোৰ গুৰি ধৰিছিল মহেন্দ্ৰ বৰা, দুলাল খাউণ্ড আদি তেতিয়াৰ কটনৰ মেধাবী ছাত্ৰ নেতাসকলে। ড° মহেন্দ্ৰ বৰাই তেওঁৰ 'উপলা নদীৰ দৰে' আত্মজীৱনীখনত এই ঘটনাটোৰ উল্লেখ কৰিছে। সঁচায়ে, কটন কলেজক জোকাৰি যোৱা এই আন্দোলনটো ইমান বৃহৎ আছিল যে মই উমা চক্ৰবৰ্তীৰ মুখত শুনা মতে অধ্যক্ষ দেউতাক শ্ৰীনাথ চক্ৰবৰ্তীৰ ওপৰত ই অত্যন্ত হেঁচা পেলাইছিল আৰু শেষত সেই মানসিক চাপে বোলে তেওঁৰ মৃত্যু ত্বৰান্বিত কৰি পেলাইছিল।

সি যি কি নহওক, ড° বৰা আৰু পিছৰ প্ৰখ্যাত কম্যুনিষ্ট নেতা খাউণ্ডহঁতৰ লগত ময়ো তাত সক্ৰিয়ভাৱে যোগ দি আন্দোলন পৰিচালনা কৰা সকলৰ মাজৰে এজন হৈ পৰিছিলো। ইয়াৰ কৌতূহলোদ্দীপক কথাটো হ'ল এয়ে যে তেতিয়া বৃদ্ধি পোৱা

ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ মাচুল দিব নেলাগিছিল (এতিয়া কি নিয়ম নাজানো)। আমাৰ এই নেতাসকলৰ প্ৰত্যেক জনেই আছিল বৃত্তিধাৰী, গতিকে ব্যক্তিগতভাৱে তেওঁলোকক এই মাচুল বৃদ্ধিয়ে কোনো লোকচান কৰিব পৰা নাছিল, তথাপিও তেওঁলোকেই পৰিচালনা কৰিছিল এই প্ৰতিবাদী আন্দোলন!

শেষত আন্দোলনটোৱে এনে ব্যাপক ৰূপ ধাৰণ কৰিছিল যে কিছু সংখ্যক ছাত্ৰই অনশন কাৰ্য্যসূচীতো ভাগ লৈছিল। কটনৰ ঐতিহ্যমণ্ডিত এডমিনিষ্ট্ৰেটিভ বিল্ডিংটোৰ ভিতৰৰ বাৰাণ্ডাত, (সেই বিল্ডিংটো বৰ্তমান ভাঙি পেলাই আধুনিক কংক্ৰীটৰ বিল্ডিংটো সাজি চৰকাৰ তথা কৰ্তৃপক্ষই আমাৰ পুৰণি ঐতিহ্যক যি অশ্ৰদ্ধা আৰু অৱজ্ঞা দেখুৱালে তাৰ বাবে তেওঁলোক সদায় ধিক্কাৰৰ পাত্ৰ হৈ ৰ'ব।) হোষ্টেলৰ বাৰাণ্ডাত অনশন কৰি বহি-শুই থাকিছিল। শেষত কাৰোবাক কাৰোবাক কটনৰ হোষ্টেলবোৰৰ ওচৰতে থকা নিজৰ সৰু হাস্পাতালটোতো ভৰ্তি কৰোৱা হৈছিল। চৈয়দ আব্দুল মালিকৰ ভায়েক মেৰাজ হুছেইনেও অনশন কৰিছিল, তেওঁ আছিল কবি, হাস্পাতালত দুৰ্বল গাৰেই তেওঁ সমূহ আন্দোলনকাৰীক প্ৰেৰণা দিবলৈ বিপ্লৱৰ কবিতা ৰচনা কৰি গৈছিল।

পিছে ইমান প্ৰবল আৰু শক্তিশালী আন্দোলনটোকো ততোধিক শক্তিশালী অধ্যক্ষই মষিমূৰ কৰি পেলাইছিল। মোক এতিয়া উমা চক্ৰবৰ্তীয়ে সেই দিনবোৰৰ কথা সুঁৱৰি কয় যে দেউতাকক তেওঁলোকে অতি প্ৰবল মানসিক হেঁচাৰ মাজত থকা দেখিছিল, বিৰাট টেনচনৰ মাজত কটাইছিল সেই সংস্কৃত-পণ্ডিত, কঠোৰ, অনমনীয়, দৃঢ় ব্যক্তিত্ব-সম্পন্ন কটনৰ অধ্যক্ষজনে। শেষত তেৱেঁ যেনিবা জয়ী হ'ল আৰু আন্দোলনকাৰী ছাত্ৰসকলৰ পৰা এনে এটা লেখাত চহী কৰায়ো ল'লে য'ত লেখা আছিল যে এই আন্দোলনটো কৰি তেওঁলোকে যি gross indiscipline দেখুৱালে তাৰ বাবে তেওঁলোক অনুতপ্ত, কৰ্তৃপক্ষই যেন সেই দোষৰ বাবে তেওঁলোকক মাৰ্জনা কৰি দিয়ে। চহী নকৰিলে কিন্তু তেওঁলোকক কটনৰ পৰা বাহিৰ কৰি দিয়া হ'ব বুলি ভাবুকি প্ৰদান কৰা হৈছিল।

শেষত দলে দলে ছাত্ৰ-ছাত্ৰীয়ে গৈ তাত চহী দি কটনত বৰ্দ্ধিত মাচুল দি হ'লেও তাৰপৰা বহিষ্কৃত নোহোৱাৰ সকাহ লাভ কৰিলে।

চহী নকৰাকৈ ৰৈ গ'লো আমি মুখীয়াল কেইজনমান। আমাৰ অৱস্থাই বোধহয় সকলোতকৈ পুতৌ লগা হৈছিল, আমি নিজে মাচুল দিব নলগাতো আন্দোলনৰ নেতৃত্ব লোৱাত তাৰ বলি হ'ব লগীয়া অৱস্থাত পৰিলো, ছাত্ৰ-ছাত্ৰীসকলে চহী দিয়াৰ আগতে নাভাবিলে যে একতাই পৰম বল, তেওঁলোকে চহী নিদিলে অৱশেষত কৰ্তৃপক্ষ সৈমান হ'বলৈ বাধ্য হ'ব। অধ্যক্ষ শ্ৰীনাথ চক্ৰবৰ্তীয়ে তেওঁলোকৰ মেৰুদণ্ড একেবাৰে ভাঙি পেলাবলৈ সক্ষম হৈছিল।

অৱশেষত চহী দিবলৈ বাকী থকা আমি ছাত্ৰ-ছাত্ৰীকেইজনে (ছাত্ৰী আছিলো একমাত্ৰ মই) মিলিত হৈ আলোচনা কৰি সিদ্ধান্ত ল'লো যে বাকী ছাত্ৰ-ছাত্ৰীসকলে যিহেতু আমাক 'বিট্ৰে' কৰিলে — আমি আৰু 'আত্মহত্যা' কৰোঁ কিয়, আমিও সেই কাকতখনত চহী কৰি কটন কলেজৰ পৰা বহিষ্কাৰ হোৱাৰ দৰে 'সৰ্বনাশ'ৰ পৰা ৰক্ষা পৰো।

মোৰ আজিও সেই 'নাটক' খনৰ কথা স্পষ্টকৈ মনত পৰে। আমি মিলিত হৈছিলো এডমিনিষ্ট্ৰেটিভ বিল্ডিংটোৰ পশ্চিম ফালৰ তেতিয়া মুকলি হৈ থকা ঠাইডোখৰত। তাতেই সিদ্ধান্ত ল'লো যে আমিও সেই কুখ্যাত কাকতডোখৰত চহী কৰিম। মই অলপ বেছি আবেগিক আছিলোঁ বোধহয়, সেয়ে নাটকীয় ভাবে কৈছিলো যে এবাৰ চহী কৰাৰ পিছত

এই 'কলংকিত' কলমডাল আৰু ব্যৱহাৰ নকৰো, তাক দলিয়াই পেলাই দিম। (মোৰ সেই ত্যাগ কিন্তু ধেমালিৰ কথা নাছিল, হিচাপী পিতাই মোক সহজে আৰু এডাল নিজৰা কলম যে কিনি দিব বৰ আশা নাছিল!)

পিছে আমাৰ সিদ্ধান্ত কঁপাই দিলে এজন একেবাৰে নিৰীহ, সাধাৰণ যেন লগা ছাত্ৰই — যাৰ নামটোকে আজি মোৰ মনত নাই। সেই ল'ৰাজনে ক'ৰবাৰ পৰা ওলাই আহি এনে ধৰণৰ কথাৰে দৃঢ়ভাৱে ঘোষণা কৰিছিল— 'আপোনালোকে চহী কৰে কৰিব, কিন্তু মই মৰিলেও নকৰো। মই ন্যায়সংগত কাৰণ বুলি ভাবি যি আন্দোলনত যোগ দিছিলো, আজি কৰ্তৃপক্ষৰ হেঁচাত পৰি তাক অন্যায় বুলি মানি লৈ কেতিয়াও সেইখন কাকতত চহী নিদিওঁ।

আমি হতবাক হৈ পৰিছিলো, বিমোৰত পৰি গৈছিলো। পিছে আমিও ইমান নৈতিকভাৱে কাপুৰুষ নাছিলো যে আন্দোলনৰ সংগী এজনক 'বিত্ৰে' কৰি নিজে নিৰাপত্তা লভিম। গতিকে আমি আলোচনা কৰি পুনৰ সিদ্ধান্ত ল'লো যে যি হয় হ'ব, আমিও সেই কুখ্যাত নিৰ্দেশনামাখনত চহী নকৰো। উস, জীৱনত যে কি গ্লানি এটাৰ পৰা ৰক্ষা পৰি গলো, আমাৰ সেই অজান বন্ধুলৈ মোৰ সহস্ৰ ধন্যবাদ, নহ'লে চিৰ জীৱন হয়তো সেই নৈতিক কাপুৰুষতাৰ বাবে নিজকে অশ্ৰদ্ধা কৰি থাকিলোহেঁতেন। নিজৰ ওপৰত শ্ৰদ্ধা হেৰুৱাব লগা শাস্তিৰ দৰে ডাঙৰ শাস্তি কমেই আছে।

পিছে আমাৰ ভাগ্য ভাল আছিল। অধ্যক্ষই আমাক অলপ খং কৰি, কিছু ডাবি ধমকি দিয়ে ক্ষান্ত থাকিল— আমাৰ 'gross indiscipline' সত্ত্বেও আমাক ক্ষমা কৰি দিলে আৰু কলেজৰ পৰা বহিষ্কাৰ নকৰিলে।

এই ঘটনাটোৱে মোৰ মনত অতি গভীৰভাৱে চাপ পেলাইছিল বাবেই সেই সিদিনাৰ প্ৰকৃত 'হিৰো' জনক লৈ মই 'গানৰ নিচিনা দিন' নামৰ উপন্যাসখন লিখি উলিয়াইছিলো। ঘটনাটো মই নিজৰ স্মৃতি-কথা 'বিশ্বাস আৰু সংশয়ৰ মাজেদি'তো লিপিবদ্ধ কৰিছো। সঁচায়ে, কটনৰ জীৱনত সেইটোৱে মোৰ অবিস্মৰণীয় ঘটনা। ❑

ভবেন্দ্ৰনাথ শইকীয়া

মোৰ 'জীৱন-বৃত্ত'ত কটন কলেজৰ বেঙণি

১৯৪৮ চনৰ কথা।

এযোৰ পায়জামা-ছার্ট পিন্ধি, এযোৰ পায়জামা-ছার্ট আৰু গামোচা এখন খবৰ কাগজেৰে মেৰিয়াই হাতত লৈ এদিন কটন কলেজলৈ বুলি নগাঁও এৰিলো। মানুহৰ জীৱনত নিজৰ ঠাইখন যে কেনেকৈ 'এৰা পৰে', কোন দিনা যে সেই 'এৰা'ৰ প্ৰক্ৰিয়াটো আৰম্ভ হয়, সাধাৰণতে সকলোৱে তাৰ হিচাপ নাৰাখে। এতিয়া ভাবিলে মই বুজোঁ, —সেইযে খবৰ কাগজেৰে মেৰিওৱা টোপোলাটো লৈ ঘৰৰ পৰা হয়বৰগাঁও ষ্টেছনলৈ বুলি ওলাই আহিলো, সেইটোৱেই গোটেই জীৱনৰ কাৰণে মোৰ ঘৰ এৰা, নিজৰ ঠাইখন এৰাৰ প্ৰক্ৰিয়াৰ আৰম্ভণি আছিল। সেইটো ইমান গুৰুত্বপূৰ্ণ যাত্ৰা আছিল বুলি সেইদিনা কল্পনাই কৰা নাছিলো। "এৰা" মানে কি আৰু; —যেতিয়াই বন্ধ পাইছিলো, সময় পাইছিলো, সুবিধা পাইছিলো, ঘৰ বুলি, নিজৰ ঠাই বুলি সেইখন ঠাইলৈকে গৈ আছিলো; গৈ থাকিমো; তথাপি, —তথাপি ঠাইখনৰ লগত থকা সম্পৰ্কৰ ধীৰে-ধীৰে ঘটা পৰিৱৰ্তনটো বৰ ডাঙৰ পৰিৱৰ্তন। এই পৰিৱৰ্তনৰ যন্ত্ৰটোৰ এডাল তাঁৰত এটা দুখৰ সুৰ বাজি থাকে। কিন্তু এই পৰিৱৰ্তনক বিয়া হৈ নিজৰ ঘৰ, নিজৰ ঠাইখন এৰা ছোৱালী এজনীৰ জীৱনৰ

পৰিৱৰ্তনৰ লগতো তুলনা কৰিব নোৱাৰি। তেওঁৰ পৰিৱৰ্তনৰ যন্ত্ৰটোতো এবিধ দুখৰ সুৰ বাজে; কিন্তু এডাল বেলেগ তাঁৰত বাজে।

হয়বৰগাঁও ষ্টেছনৰ পৰা ৰেলেৰে চাপৰমুখ ষ্টেছনলৈ। তাত খবৰ লৈ গম পালো, — গুৱাহাটীলৈ যোৱা ৰেল বোলে ৰাতি আঠমান বজাতহে চাপৰমুখ পাবহি। ভেতিয়া চাৰিমানহে বাজিছে। প্ৰায় নিৰ্জন-নিৰ্জীৱ ষ্টেছনটোৰ প্লেটফৰ্মত অ'ত বহি ত'ত বহি, মাজে-মাজে খোজকাঢ়ি সময় কটাবলৈ ধৰিলো। পাঁচ বজাৰ অলপ পাছতে উজনিৰ ফালৰ পৰা এখন মালগাড়ী আহি ষ্টেছনটোত ৰ'লহি। মোৰ এটা কাম ওলোৱা যেন পালো। ইঞ্জিনটোৰ পৰা আৰম্ভ কৰি একেবাৰে শেষৰ গাৰ্ডৰ ডবাটোলৈকে ৰেলখন চাবলৈ ঠিক কৰিলো। কামটো কৰি আছোঁ, —এনেতে দেখিলো, সিফালৰ পৰা বগা কোট পিন্ধা গাৰ্ডজন আহি আছে। ওচৰ পাওঁতে দেখিলো, —মানুহজন চিনাকি। তেৰোঁ মোক চিনি পালে; সুধিলে, —"নিপেনৰ ভায়েক নোহোৱা জানো?" মই ক'লো, —হয়। ক'লৈ যাওঁ কিয় যাওঁ সেইবোৰ সুধি-মেলি শেষত তেওঁ ক'লে, —"যোৱা যদি এইখন ৰেলতে মোৰ লগতে ব'লা।" —মইতো ভালেই পালো।

গাৰ্ডৰ ডবাটোৰ খোলা ঠাইডোখৰত বহি চাপৰমুখৰ পৰা গুৱাহাটীলৈ যাত্ৰা আৰম্ভ কৰিলো। বৰ ভাল লাগিছিল সেই ডবাটোত ভ্ৰমণ কৰি। গুৱাহাটী পোৱাৰ আগতে বৰষুণ আহিছিল। এছাৰেকণিত গাৰ কাপোৰ অলপ-অলপ তিতিছিল। গুৱাহাটী ষ্টেছনত দুয়োহাত যুৰি প্ৰণাম জনাই ককাইদেউৰ বন্ধুজনৰ পৰা বিদায় ললো। কটন কলেজৰ হোষ্টেললৈ যাম বুলি ভাবি আহিছিলো। ৰাতি আঠমান বাজিল। বৰষুণ দি আছে। কাওবাও কৰোঁতে ৰিক্সাৱালা এজনে মোক নিবলৈ ৰাজী হ'ল। তেওঁ কটন কলেজৰ হোষ্টেল চিনি পায় বুলিও ক'লে। আহি আহি এঠাইত ৰিক্সা ৰখাই তেওঁ ক'লে, —এয়াই কটন কলেজৰ হোষ্টেল। আপুনি এই ফালেদিয়েই সোমাই যাওক। —অ'ৰ-ত'ৰ পৰা অহা পোহৰত দেখিলো, —লোহাৰ ৰডেৰে সজা ওখ-দীঘল ফেন্স এখন; তাৰে দুডাল ৰড বেঁকা কৰি মানুহ সৰকিব পৰা কৰি থোৱা আছে। ৰিক্সাৱালাক ভাৰাৰ পইচা দি, কিনকিনিয়া বৰষুণ মূৰত লৈ, প্ৰথমতে খালটোত নামি, তাৰ পাছত সেই ৰড দুডালৰ মাজৰ ফাঁকটোৰেদি কটন কলেজৰ চৌহদত প্ৰৱেশ কৰিলো। পাছৰ চাৰি বছৰত থাৰ্ড আৰু ফ'ৰ্থ ব্লকৰ মাজত থকা সেই ফাঁকটোৰেদি অসংখ্যবাৰ ওলোৱা-সোমোৱা কৰিছোঁ; —ৰাতি মূল গে'টত চকীদাৰে তলা মাৰি থোৱা, পাণবজাৰ, ব্ৰহ্মপুত্ৰৰ পাৰৰ ফালে 'শ্বৰ্ট কাট' কৰা আদি বিভিন্ন কাৰণত। সেইটো এটা অত্যন্ত প্ৰয়োজনীয় আৰু জনপ্ৰিয় ফাঁক হিচাপেই পৰিগণিত হৈছিল। কিন্তু ৰিক্সাৱালাজনে যে সেই ৰাতি মোক সেই ফাঁকটোৰেদিয়েই কটনৰ চৌহদলৈ (জীৱনলৈ) সুমুৱাই দিলে, সেই কথাটো ভাবি আজিও আমোদ অনুভৱ কৰো। তাকো মালগাড়ীত উঠি অহাৰ পাছত।

বিজ্ঞানৰ বিস্ময়কৰ ক্ৰিয়া-কাণ্ডৰ বিষয়ে জনাৰ যি হেঁপাহ লৈ কলেজৰ ক্লাছৰুমত সোমাইছিলো, সেই হেঁপাহক সজীৱ কৰি ৰখা (অন্ততঃ মোৰ ক্ষেত্ৰত) প্ৰথম অধ্যাপকগৰাকী আছিল কেমিষ্ট্ৰি বিভাগৰ ইন্দুভূষণ চৰকাৰ। প্ৰথম ক্লাছটোতে তেখেতে এটা বিকাৰৰ (beaker) তৰল পদাৰ্থ অইন এটাত ঢালি পদাৰ্থ বিধৰ ৰং সলনি কৰি দিলে; টেষ্ট টিউব এটাত কিবা ঢালি দিলে, —টিউবটোৰ পৰা ধোঁৱা ওলাই গ'ল; নুমাই যাব খোজা জুইশলাৰ কাঠী এডাল গেছজাৰ এটাৰ মুখত ধৰিলে, —কাঠীডালৰ আগটো ভমককৈ জ্বলি উঠিল; —আচৰিত হ'বলগীয়া কথাই। বিজ্ঞান বিজ্ঞানেই বুলি এক উত্তেজনা অনুভৱ কৰি সেইদিনা তেখেতৰ প্ৰথম ক্লাছটোৰ পৰা ওলাই আহিছিলো।

এইযে এটা ক্লাছ শেষ হ'লেই সেই কোঠালিটো এৰি থৈ বেগাবেগিকৈ পাছৰ ক্লাছ হোৱা কোঠালিটোলৈ যাব লাগে, দিনটো একেটা কোঠালিতে বহি থাকিব নালাগে, সেইটোৱেই স্কুলৰ তুলনাত কলেজৰ প্ৰথম আমোদজনক পাৰ্থক্য বুলি অনুভৱ কৰিছিলো আৰু ঘটনাটো উপভোগ কৰিছিলো। ব'টেনিৰ ক্লাছৰ পাছতে যেতিয়া ইংলিছৰ ক্লাছ পৰিছিল, তেতিয়া দীঘলীপুখুৰীৰ পাৰৰ ব'টেনি ডিপাৰ্টমেণ্টৰ পৰা পাণবজাৰৰ নিউ আৰ্টছ বিল্ডিঙলৈ হোষ্টেলৰ মাজে মাজে প্ৰায় দৌৰিছিলোৱেই।

ক্লাছৰুমত প্ৰথম অৱস্থাৰ বিস্ময়, উত্তেজনা, পাৰ্থক্যৰ উপলব্ধি আদি মনত ক্ষীণ যাবলৈ বেছি দিন নালাগিল। কিছুদিনৰ ভিতৰতে বিভিন্ন ব্যক্তিত্বৰ অধ্যাপকসকল, বাসু এণ্ড চাটাৰ্জী, লাডলি মোহন মিত্ৰ আদিৰ পাঠ্যপুথি, ফিজিক্স-কেমিষ্ট্ৰিৰ গেলেৰি আদিয়ে সৃষ্টি কৰা শিক্ষা-সমাজ এখনৰ স্বাভাৱিক আৰু সাধাৰণ সদস্য হৈ পৰিলো। কিন্তু এইযে হোষ্টেলৰ সমাজখন, —এই সমাজখন প্ৰত্যেকদিনেই মোৰ কাৰণে অসাধাৰণ, নিত্য-নতুন হৈ থাকিল। মই ভাবোঁ,—মই যে পাছৰ জীৱনত, এতিয়াও, —কিতাপ আৰু মানুহ সমান গুৰুত্বৰে, বৰঞ্চ কিতাপতকৈ মানুহক বেছি গুৰুত্বৰে অধ্যয়ন কৰাৰ পক্ষপাতী হ'লো, কটনৰ হোষ্টেলতেই এই দৃষ্টিভংগীৰ জন্ম হৈছিল। সেই চাৰি বছৰ হোষ্টেলৰ সলনি এটা লাইব্ৰেৰীত বাস কৰা হ'লে মই বেছি লাভবান হ'লোহেঁতেন বুলি নাভাবোঁ। প্ৰতিজন ছাত্ৰই, প্ৰতিটো ঘটনাই কিবা নহয় কিবা ৰূপত মোক সমৃদ্ধ কৰিছিল। ছেকেণ্ড আৰু থাৰ্ড ব্লক লগ লাগি ছেকেণ্ড মেছ হৈছিল। ৰাতি ভাত খোৱাৰ ঘণ্টা পৰিলে এই দুয়োটা ব্লকৰ বাৰাণ্ডাইদি ডাইনিং হললৈ দৌৰা ল'ৰাৰ ভৰিৰ খৰমৰ শব্দ, —মোৰ বিশ্বাস, —জামাতুল্লা চাৰিআলিলৈকে শুনা গৈছিল। (সেই সময়ত জামাতুল্লাৰ দোকানখন পাণবজাৰৰ এখন পৰিচয়সূচক দোকান আছিল।) হোষ্টেলত এনেয়ে থকা সময়খিনিত সকলো ল'ৰাই কাঠৰ খৰম নিপিন্ধিছিল; বহুতে মটৰৰ টায়াৰৰ ছেণ্ডেল আৰু নাকৰ ফুটাৰ নিচিনা দুটা ফুটা থকা ৰবৰৰ ছেণ্ডেল এবিধো পিন্ধিছিল; কিন্তু ভাত খাবলৈ দৌৰোঁতে খৰমৰ শব্দই অন্যান্য পাদুকাৰ শব্দ জিনি পেলাইছিল। বাৰাণ্ডাৰ পৰা নামি কঁঠালগছৰ তলেদি দৌৰি ডাইনিং হলৰ ছিৰিৰ ওচৰত ল'ৰাহঁতে দৌৰ শেষ কৰিছিল। দীঘল ডাইনিং হলটো কাঠৰ খুঁটাৰ জেওৰা এখনেৰে প্ৰায় পাঁচ-তিনি অনুপাতত ভাগ কৰা আছিল। ডাঙৰ ভাগটো ছেকেণ্ড মেছৰ আৰু সৰু ভাগটো ফাৰ্ষ্ট মেছৰ ভাগত আছিল। ভাতৰ ঘণ্টা বজোৱাৰ আগতে বুঢ়া ঠাকুৰ, বগা ঠাকুৰহঁতৰ সহকাৰী দেউকী-মিলিয়াহঁতে পকী-মজিয়াত চাৰিশাৰী পীৰা পাৰি, পীৰাৰ আগে আগে কাঁহৰ কাঁহী আৰু গিলাছ একোটা সজাই থৈছিল। ল'ৰাহঁতে গৈ পীৰাত বহাৰ পাছতে ঠাকুৰ-দেউকীহঁতে খাদ্য পৰিবেশন আৰম্ভ কৰিছিল। ল'ৰাহঁতে এনেকৈ দৌৰাৰ প্ৰধান কাৰণ তিনিটা আছিল। প্ৰথম কাৰণ আছিল ভোক আৰু দ্বিতীয় কাৰণ আছিল লোভ বা খক। তৃতীয় কাৰণটোৰ অলপ দীঘলীয়া বৰ্ণনাৰ প্ৰয়োজন। ফাৰ্ষ্ট বেটছত (batch) খোৱাসকলে দিনৰ ভাগতে সাৰি-মচি থোৱা শুকান মজিয়া পাইছিল। তেওঁলোকে খাই যোৱাৰ পাছত পীৰাবোৰ তুলি, মজিয়াখন সাৰি-ধুই ছেকেণ্ড বেটছৰ কাৰণে সাজু কৰিব লাগিছিল। ছেকেণ্ড বেটছে খাই যোৱাৰ পাছত আকৌ থাৰ্ড বেটছৰ কাৰণে। কিন্তু এই দুটা বেটছৰ কাৰণে মজিয়াখনৰ অৱস্থা সন্তোষজনক নাছিল। ঠাকুৰ-দেউকীহঁতে খোজ কাঢ়োঁতে থেপেক থেপেক শব্দ হৈছিল। ওচৰেদি খোজকাঢ়ি ভাত তৰকাৰী বিলাই যাওঁতে তেওঁলোকৰ ভৰিৰ তলৰ পৰা অহা পানীৰ ছিটিকনি মোৰ ভাতৰ কাঁহীত যে কেতিয়াও নপৰিছিল, সেইটো মই জোৰ দি ক'ব নোৱাৰিছিলো।

মজিয়াৰ থেপথেপনিৰ বাহিৰেও ছেকেণ্ড-থাৰ্ড বেটছত ডাইনিং হলটোত প্ৰকট হোৱা গোন্ধটো সকলোৰে বাবে গ্ৰহণযোগ্য নাছিল। জাৰকালিৰ বন্ধা কবি আৰু মূলা তৰকাৰীৰ গোন্ধটো বেচ প্ৰবল আৰু আজিও নাকত লাগি থকা ধৰণৰ আছিল। এইটো কাৰণত ফাৰ্ষ্ট বেটছতে ভাত খোৱাটো বহুতৰ বাবে অপৰিহাৰ্য আছিল। কিছুমান ল'ৰাই ঘণ্টাৰ শব্দলৈ বাট নাচাই আগে-ভাগে পীৰা দখল কৰি বহি থাকিছিলগৈ। প্ৰথম বছৰৰ জড়তা আঁতৰ হোৱাৰ পাছত ময়ো সেই সকলো ধৰণৰ লৰা-ঢপৰাত যোগ দিছিলো। কিন্তু দুৱাৰমুখৰ পৰা ডিঙি মেলি মেলি চাই ক'তো খালী পীৰা এখন দেখা নাপাই সেমেনা-সেমেনি কৰি উভতি আহিবলগীয়া হ'লে বৰ লাজ পাইছিলো।

ডাইনিং হলত যে— "এইবোৰ কি খাবলৈ দিছ?" বুলি কিছুমান ল'ৰাই কাঁহী-বাটি দলিয়াইছিল, সেই কথাটোত মই বৰ আচৰিত হৈছিলো। হোষ্টেলৰ খাদ্য মই কেতিয়াও বেয়া পোৱা নাছিলো। ইমানদিনে ঘৰত যি খাই ডাঙৰ হৈছিলো, তাতকৈ সেই খাদ্য তলখাপৰ নাছিল। গতিকে ভাবিছিলো, —যিবিলাকে ভাত-তৰকাৰী বেয়া বুলি কাঁহী-বাটি দলিয়ায়, তেওঁলোকে চাগৈ ঘৰত এনেকুৱা বস্তু নাখাইছিল। কিন্তু পাছত মই ঠিক কৰিছিলো; মই ভবা কথাটো শুদ্ধ নহয়। কাঁহী-বাটি নদলিয়াবলৈ যিটো সাংস্কৃতিক খাদ্যৰ প্ৰয়োজন, সেইটো তেওঁলোকে উপযুক্ত পৰিমাণত খাবলৈ পোৱা নাছিল; সেইটোহে বোধকৰো শুদ্ধ কথা আছিল।

ডিবেটিং ছেক্ৰেটেৰি হিচাপে ধৰা-বন্ধা যিখিনি কাম কৰিব লাগে, তাতকৈ বেছি একো কৰিব নোৱাৰিলো। 'কলেজ-সপ্তাহ'ৰ লগত যিখন বছৰেকীয়া তৰ্ক প্ৰতিযোগিতা পাতিছিলো তালৈ অধ্যক্ষ হিচাপে নিমন্ত্ৰণ কৰি আনিছিলো হেম বৰুৱা ছাৰক (শিক্ষক, লেখক, পাছলৈ লোকসভাৰ সদস্য)। সেই উপলক্ষেই তেখেতৰ লগত মোৰ প্ৰথম চিনাকি হৈছিল। ইউনিয়নৰ ফালৰ পৰাও সেই বছৰটোত কলেজৰ কিছুমান অভাৱ-অভিযোগৰ বিষয়ে শ্বিলঙত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক লগ ধৰি এখন স্মাৰকপত্ৰ দিয়াৰ নিচিনা 'ৰুটিন' কামৰ বাহিৰে বিশেষ কিবা ঐতিহাসিক গুৰুত্ব থকা কাম কৰাৰ কথা মনত নপৰে। তথাপি, ইউনিয়নৰ মেম্বাৰ হ'লে ৰুটিন কাম কিছুমানকেতো কৰি থাকিবলগীয়া হয়। সেইবোৰে জানো পঢ়া-শুনাৰ সময় বা মনৰ একাগ্ৰতাক টনাটনি নকৰে? নিশ্চয় কৰে। কিছুদিনৰ ভিতৰতে হাতে হাতে তাৰ প্ৰমাণ পালো।

ক্লাছ কিছুদিন চলাৰ পাছত আমি তিনিমহীয়া-ছয়মহীয়া পৰীক্ষাৰ নিচিনা পৰীক্ষা এটা দিছিলো। অনাৰ্ছৰ পৰীক্ষাত মই নম্বৰ বৰ কম পালো। হিৰণ্য ভূঞা ছাৰে (ড. হিৰণ্যচন্দ্ৰ ভূঞা) আমাক Optics অৰ্থাৎ পোহৰবিজ্ঞান পঢ়াইছিল। তেখেতে বাঁওহাতে কাগজ অলপমান আৰু সোঁহাতে চকমাটি এটুকুৰা লৈ লাহে লাহে ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰি কথা কৈ থাকিছিল, আৰু মাজে মাজে মেজখনৰ এচুকত আধা-বহাৰ নিচিনা কৰিছিল। তেনেকৈ অহা-যোৱা কৰি থাকোতে এদিন তেখেতে হঠাতে পোহৰৰ কথা এৰি, হাতৰ কাগজখিনিৰ ফালে চাই শব্দ এটা উচ্চাৰণ কৰিলে, "ভবেন্দ্ৰ নাথ।" অকল মই কিয়, ক্লাছৰ সকলো ল'ৰা-ছোৱালীয়ে চমক খালে : হঠাতে এইটো কি শব্দ? কেইমুহূৰ্তমানৰ পাছত মই নিশ্চিত হ'লো,— ছাৰে মোকেই মাতিছে। থিয় হ'লো। ছাৰে সুধিলে, "তুমি অনাৰ্ছ ৰাখিব খোজা নে?" মই ক'লো, "খোজোঁ ছাৰ।" ছাৰে খোজ কাঢ়ি কাঢ়ি পঢ়াবলৈ আৰম্ভ কৰিলে। অলপ পাছত হঠাতে তেখেতে আকৌ সুধিলে, "ভবেন্দ্ৰ নাথ, তুমি এতিয়াও অনাৰ্ছ ৰাখিব খোজা নে?" অলপ পাছত ছাৰে তৃতীয়বাৰ কথাটো সুধিলে।

সেইবাৰ 'এতিয়াও' শব্দটোৰ ওপৰত তেখেতে আৰু জোৰ দিলে। মই সেইবাৰো "খোজো ছাৰ" বুলি ক'লো; কিন্তু প্ৰথমবাৰ তেখেতে কথাটো সোধোঁতে মই যে কথাটোত এটা পাতল ভাব সোমাই আছে বুলি ভাবিছিলো, সেই ভাবটো মোৰ মনৰ পৰা নাইকিয়া হৈ গ'ল। বুজিলো, "ভবেন্দ্ৰ নাথ" বোলোঁতে তেখেতৰ কণ্ঠত যি নাটকীয়তাই ঠাই পাইছিল, মূল বক্তব্যৰ মাজত সেই নাটকীয়তা সমূলঞ্চে নাছিল। তেখেত কিমান ছিৰিয়াছ আছিল, সেই কথাৰ প্ৰমাণ সেইদিনাই পালো। তেখেতে মোৰ এটা লিখা-পৰীক্ষা ল'ব বুলি ক'লে। সেই পৰীক্ষা পাছ কৰিব পাৰিলেহে মই অনাৰ্ছ ৰাখিব পাৰিম, নহ'লে নোৱাৰিম। এসপ্তাহৰ পাছত লিখা-পৰীক্ষাটো দিছিলো। সেইটো পৰীক্ষাৰ ফলাফল চোৱাৰ পাছত ভূএগ ছাৰে মোক আৰু একো কোৱা নাছিল; কিন্তু সেই গোটেই ঘটনাটো মোৰ কাৰণে এটা প্ৰচণ্ড জোকাৰণিৰ নিচিনা আছিল। মোৰ শিক্ষা-জীৱন আৰু চাকৰি-জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ সময়ৰ লগত ভূএগছাৰৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। উক্ত জোকাৰণিৰ সময়খিনি সেই সময়বোৰৰ তালিকাখনৰ আৰম্ভণি বুলিব পাৰি। সেই পৰীক্ষাটো লৈ ছাৰে মোৰ বৰ উপকাৰ কৰিলে। দুটা বছৰ কলেজখনত কটোৱাৰ পাছত তৃতীয় বছৰত ছাত্ৰসকল বহুত দিশত অভিজ্ঞ হয়, পকা হয়; তেওঁলোক এচাম ছাত্ৰৰ মানত জুনিয়ৰ হলেও দুচাম ছাত্ৰৰ মানত ছিনিয়ৰ হয়; ডিগ্ৰি ফাইনেল পৰীক্ষালৈ বহুত দিন থাকে কাৰণে তেওঁলোকৰ ওপৰত পঢ়া-শুনাৰ হেঁচাটোও কম হৈ থাকে। এইবোৰ কাৰণতে তৃতীয় বছৰৰ সময়খিনিকেই কলেজীয়া জীৱনৰ আটাইতকৈ 'ভাল' সময় বুলি ধৰা হয়। সেই কাৰণে 'ইউনিয়ন' সম্পৰ্কীয় কামো থাৰ্ড ইয়েৰৰ ল'ৰা-ছোৱালীৰ ভাগতে পৰে। কথাবোৰ ঠিকেই। কিন্তু এই ভাল, মুকলি সময়, বয়সৰ অৱস্থা, নতুন নতুন বন্ধু-বান্ধৱ, অভিযানৰ আকাংক্ষা, ইউনিয়নৰ মেম্বাৰ হোৱা ইত্যাদি-ইত্যাদি ঘটনাই জীৱনটোক নিশ্চয় এটা গতি দিয়ে; পিছে গতি যিমান প্ৰয়োজনীয় বস্তু, সেই গতিৰ দিশো সিমানে প্ৰয়োজনীয় বস্তু। ভূএগ ছাৰে কোৱা কথা আৰু তেখেতে লোৱা পৰীক্ষাটোৱে মোৰ গতিক এটা দিশ দিলে।

এদিন পৰীক্ষা শেষ হৈ গ'ল। কাৰ পৰীক্ষা কেতিয়া শেষ হ'ল তাৰ হিচাপ ৰখা নাছিলো; কিন্তু আমি যেতিয়া প্ৰেকটিকেল পৰীক্ষা শেষ কৰো, তেতিয়া হোষ্টেলৰ বেছিভাগ খাট খালী। চাৰিটা বছৰত কতবাৰ কলেজ বন্ধ হৈছে, কতবাৰ কিমান খালী খাট দেখিছো, কিন্তু সেইবাৰৰ খালী খাটবোৰৰ চেহেৰা বৰ বেলেগ বেলেগ লাগিছিল। এইবোৰ খাট আকৌ কেতিয়াও কাৰো বিছনাই নাঢাকিব যেন লাগিছিল হয়তো! ছেকেণ্ড মেছৰ খাটবিলাকৰ সেইটোৱেইতো মই দেখা শেষ দৃশ্য। তাৰ পাছৰ বছৰত, বা বছৰবোৰত কোনখন খাটত কোনে বিছনা পাৰিলে, সেইবোৰ কথাৰ লগত মোৰতো কোনো ঘনিষ্ঠতা নাথাকিল।

আমাৰ লগৰ ল'ৰাবোৰো গৈ গৈ এদিন নোহোৱা হ'ল। একেবাৰ শেষত এদিন মই নাৰায়ণপুৰৰ কোবেশ্বৰক শুক্ৰেশ্বৰ ঘাটত বিদায় দিছিলো। পায়জামা আৰু আমাৰ সকলোৰে পৰিচিত গেৰুৱা ৰঙৰ দীঘল পাঞ্জাবিটো পিন্ধি সি নাওখনৰ মাজত থিয় হৈ আছিল। 'মিত্ৰাৰ পকাই' ছিগাৰেট খোৱাটো তাৰ এটা প্ৰিয় অভ্যাস আছিল। নাৱৰ বুকুতো মিত্ৰাৰ হুপি হুপি সি এখন হাত জোকাৰি জোকাৰি মোৰ পৰা বিদায় লৈছিল। চকুৰে মনিব পৰা হোৱালৈকে সি হাত জোকাৰিয়েই আছিল। ৰে'ল-ষ্টেছনত, বাছ-ষ্টেছনত কিমান ল'ৰাক "কটনৰ জীৱন শেষ" বুলি বিদায় দিলো, কিন্তু কোবেশ্বৰে বিদায় লোৱা দৃশ্যটোহে আজিও মই চকু মুদিলেই দেখিবলৈ পাওঁ।

বহু বছৰৰ মূৰত নাৰায়ণপুৰৰ পৰা কোৱেশ্বৰৰ শ্ৰাদ্ধৰ ছপা কৰা চিঠি এখন পাইছিলো। কাষত তাৰ পুতেকে লিখিছিল, "খুৰাদেউ, দেউতাৰ মুখত শুনিছিলো, আপুনি দেউতাৰ বন্ধু আছিল। শ্ৰাদ্ধলৈ আহিলে ভাল পাম।"

কেতিয়াবা বাতি টেবল টেনিছ ব'ৰ্ডখনৰ ওপৰত অকলে বহি থাকো। কথা এবাৰ পাতিবলৈ লগ নাই। পাঠানো বাতিটোৰ কাৰণে ঘৰলৈ যায় গৈ। কিযে নিৰ্জনতা! ইমানবোৰ কোঠালীৰ এটাতো লাইট নজ্বলে। সেইযে বধযুণীয়া বতবত খেঁকা লোহা দুডালৰ যাঁকেদি কটন কলেজত সোমাইছিলো! কিযে বিচিত্ৰ দিনবোৰ পাৰহৈ গ'ল! কোন মুহূৰ্তত কি মনলৈ আহে, কি পাহৰি যাওঁ ঠিক নাই। বায়হান খাহ ছাৰে সৰু-সৰু মাতেৰে কোৱা কথাবোৰ! ড০বাণীকান্ত কাকতি ছাৰে খুক-খুক-খুককৈ মৰা, কিন্তু বহুদূৰলৈকে শুনা হাঁহিটো! আমাৰ লগৰ ভূপতি ডেকা অংকত বৰ চোকা আছিল। তাকো যে ৰাধাকান্ত দাস ছাৰে ক্লাছত ডবিয়াইছিল। এদিন ভূপতিয়ে ছাৰে কৈ যোৱা কথাবোৰ বুজি গৈছিল কাৰণে মূৰ দুপিয়াই শলাগি আছিল; ছাৰে ঘোপাকৈ তাৰ ফালে চাই সুধিছিল, "বাজনা বজাইছা?"

এই কথা স্বীকাৰ কৰি থওঁ, ড০ বাণীকান্ত কাকতিক আমি কটন কলেজৰ প্ৰিন্সিপাল হিচাপে পাইছিলো। কিন্তু অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত তেখেত কোন আছিল, তাৰ উমান সেই দিনখিনিত পোৱা নাছিলো।

হোষ্টেল প্ৰায় খালী হৈ যোৱাৰ পাছতো মই থাকি যাবলগীয়া হৈছিলো, —ডেকা আৰু জিলিকাৰামৰ দোকানত বিছটকামান দিবলৈ বাকী আছিল কাৰণে। মেছৰ পাগঘৰ ছাত্ৰৰ কাৰণে বন্ধহৈ গৈছিল। পাণবজাৰৰ সৰু-সুৰা হোটেলত যিমান পাৰো কম পইছাৰে চাহ-ভাত খাই দিনকেইটা কটাইছিলো। একমাত্ৰ আশা, পাঠানে মোক উদ্ধাৰ কৰিব। শেষত তেওঁ কামটো কৰিলেও। তেওঁ বাঁওহাতৰ আঙুলিত বায়েকৰ সোণৰ আঙঠি এটা পিন্ধি আছিল। সেই যে হোষ্টেলৰ সম্মুখৰ শুক্লা বায়ৰ ভায়েক ভানু ৰায়, তেওঁক আঙঠিটো বন্ধকত দি পাঠানে টকা ত্ৰিছটা লৈ মোক দিলে। ডেকা আৰু জিলিকাৰামৰ দোকানৰ ধাৰ মাৰিলো, আৰু পাছদিনাই টেবল টেনিছ ব'ৰ্ডখন চুই, হাতখন কপালত লগাই, ছেকেণ্ড ব্লকৰ চিৰিয়েদি ঘৰলৈ বুলি নামি আহিলো। আমাৰ হোষ্টেলত ভালকৈ মাত নুফুটা কৰ্মচাৰী এজন আছিল। তেওঁৰ প্ৰথম কাম আছিল হাতত বহী এখন লৈ সদায় কোঠালিয়ে-কোঠালিয়ে কাৰ কাৰ অসুখ হৈছে খবৰ লৈ ফুৰা। অসুখ হোৱা ল'ৰাই সেই বহীখনত লিখিব লাগে তেওঁৰ কি হৈছে; —কাহ, জ্বৰ, মূৰৰ বিষ, পেটৰ অসুখ–। সেই বহীখন লৈ তেওঁ ওচৰতে থকা কটন কলেজৰ হস্পিটেলখনলৈ যায়; ডাক্তৰে বহীখন চাই ঔষধ দিয়ে, আৰু তেওঁ ঔষধ আনি অসুখীয়া ল'ৰাক বিলাই দিয়ে। তেওঁৰ দ্বিতীয়টো কাম আছিল কোন কোন ল'ৰাই অসুখৰ খাদ্য (sick diet) খাব, তাৰ হিচাপ নি পাগঘৰৰ ঠাকুৰক দাখিল কৰা।

ছেকেণ্ড মেছ এবাৰ সময়ত সেই কৰ্মচাৰীজনে আধা ফুটা মাতেৰে মোক বিদায়-সম্ভাষণ জনাইছিল।

সেয়া ১৯৫২ চনৰ কথা। ❑

অৰুণ শৰ্মা

এজন অখ্যাত কটনিয়ান!

চিৰন্তন যৌৱনৰ প্ৰতীক কটন কলেজ। যোৱা এশবছৰৰো অধিক কাল, বছৰৰ পিছত বছৰ ধৰি গুৱাহাটীৰ পাণবজাৰৰ পুলিচ পইণ্টৰ পৰা দীঘলীপুখুৰীৰ পাৰলৈকে এই গোটেই ঠাইখিনি জুৰি স্ফুৰিত যৌৱন যেন মূৰ্ত্তিমান হৈ এখন চিৰ প্ৰাণোচ্ছল উদ্যানৰ ৰূপত প্ৰকাশ পাইছে, বিচিত্ৰ ৰঙৰ বিচিত্ৰ সুবাসৰ গছ-পাত, ফুল-ফলেৰে সুশোভিত চিৰ কান্তিময় লাৱণ্যময় যেন এখনি উপবন। চিৰ লাস্যময়ী হাস্যময়ী যেন এজনী গাভৰু, যি অমৰ, যি অক্ষয়, যি চিৰঞ্জীৱী। যৌৱন কেনে অনিন্দ্য সুন্দৰ হ'ব পাৰে, কিমান প্ৰাণময় হ'ব পাৰে, কিদৰে অফুৰন্ত হ'ব পাৰে বুজিবলৈ, উপলব্ধি কৰিবলৈ, যৌৱনক যেন মূৰ্ত্তিময় ৰূপত দুচকুৰে চাবলৈ, যেন দুহাতেৰে আবেগেৰে স্পৰ্শ কৰিবলৈ মই কটন কলেজৰ চাৰিআলিত প্ৰায়েই থমকি ৰওঁ আজিও। কলেজৰ চায়েন্স বিল্ডিঙৰ পৰা নতুন আৰ্টচ বিল্ডিঙলৈ আলিবাট পাৰ হৈ জাকে জাকে কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ দল যেতিয়া ওলাই আহে, এনে লাগে যেন এটা জলপ্ৰপাত নামি আহিছে। আজি এশবছৰে বৈ অহা এটি জলপ্ৰপাত, তাৰ কল্লোলত মুখৰিত আকাশ। কটন কলেজ, চিৰ প্ৰৱাহমান এটি জলপ্ৰপাত! সহস্ৰ-সহস্ৰজনে জীৱনৰ মধুৰতম বয়সৰ কেইটামান দিন এই

জলপ্ৰপাতৰ পাৰত কটালে, তাৰ দোঁত ডুব দিলে, সাঁতুৰিলে, স্নান কৰিলে, আজিও সেই প্ৰক্ৰিয়া চলমান।

আমাৰ তিনিটা পুৰুষেও সেই তৰঙ্গ প্ৰবাহত উটিছিলো : দেউতা, মই, মোৰ দুইভাতৃ আৰু মোৰ কন্যা (তেওঁৰ স্বামীও) কটন কলেজত পঢ়িছিলো। (মই ১৯৪৮ চনত কটন কলেজৰ ছাত্ৰ আছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম চাম প্ৰৱেশিকা ছাত্ৰসকলৰ এজন।) কটন কলেজৰ স্মৃতিৰ দেৱালত আমাৰ তিনিপুৰুষৰ হাতৰ চাপ বিচাৰিলে পাম নেকি এতিয়াও। অন্ততঃ এখন হাতৰ বিষয়ে মই নিশ্চিত, সেইখন আমাৰ পূজনীয় দেউতাৰ হাত। কিন্তু মই নিশ্চিত কেনেকৈ হৈছো? তাৰ কাৰণটোকে লিখিব খুজিছো :

দেউতাৰ নাম আছিল তিলকচন্দ্ৰ শৰ্মা। শোণিতপুৰৰ (তেতিয়াৰ দৰং জিলা) বিশ্বনাথ আছিল দেউতাৰ জন্মস্থান। কটন কলেজৰ জন্মবছৰতে দেউতাৰো জন্ম।

দেউতাৰ পাঁচ বছৰ বয়সতে হঠাৎ গ্ৰহণী ৰোগত ভুগি এসপ্তাহৰ ভিতৰতে মাক দেউতাকৰ মৃত্যু হয়। তেওঁলোকৰ তিনিটা শিশু সন্তান, বৰদেউতা, মাজৰ এগৰাকী ছোৱালী, জেঠাই আৰু দেউতা অনাথ হৈ পৰে। যিহঁতক বিধবা পেহীয়েক এগৰাকীয়ে তেওঁলোকক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব লয়। বৰদেউতাই পিছলৈ যজমানী শিকি সেই বৃত্তি লৈ তাৰ উপাৰ্জ্জনেৰে দেউতাক তেজপুৰৰ চৰকাৰী হাইস্কুলত পঢ়িবলৈ পঠালে। দেউতা মেধাবী ছাত্ৰ আছিল। প্ৰাইমাৰী পৰীক্ষাত জিলাৰ ভিতৰত প্ৰথম হৈ বৃত্তি পাইছিল। গতিকে বৰদেউতাই মাহে দুটকামান পঠালেই দেউতাৰ হৈ গৈছিল। দেউতাই ষ্টাৰ লৈ, সোণৰ মেডেল লৈ প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলে। ইমান ভালকৈ পাছ কৰাৰ পিছত স্বাভাৱিকতে দেউতা কলেজত পঢ়াৰ প্ৰশ্ন উঠিল। পা-পইচাৰ প্ৰশ্ন উঠিল। ১৯১৮ চনৰ কথা। তেতিয়া অসমত এখনেই মাত্ৰ কলেজ, গুৱাহাটীৰ কটন কলেজ। সৌভাগ্যবশতঃ দেউতাই মেট্ৰিক পৰীক্ষাতো বৃত্তি লাভ কৰিছিল। মাহে পোন্ধৰ টকাকৈ। তাৰ ভৰসাতে দেউতা কটন কলেজত ভৰ্ত্তি হ'লহি। আনকি বৃত্তিৰ পোন্ধৰ টকাৰ তিনি টকাকৈ মাহে বৰদেউতালৈ মনিঅৰ্ডাৰ কৰি পঠাব পাৰিছিল। বাৰ টকাৰে মাহে তেতিয়া এক নম্বৰ মেচত মাহিলি মেচ দিউচ দিয়াৰ উপৰি গোটেই মাহৰ খা-খৰচ সুন্দৰকৈ হৈ গৈছিল। চিগাৰেটৰ খৰচো হৈছিল। স্কুলত থাকোঁতেই দেউতাই বিৰি খাইছিল। চকিদাৰৰ ঘৰত সোমাই মাজে মাজে সহপাঠীৰ লগ হৈ ধঁপাতো খাইছিল।

দেউতাই সুখ্যাতিৰে আই. এ. পাচ কৰিলে, তাতো বৃত্তি পালে। দৰ্শনত অনাৰ্চ লৈ কটন কলেজতে বি. এ. শ্ৰেণীত ভৰ্ত্তি হ'ল। আচলতে যিটো বিশেষ তাৎপৰ্যপূৰ্ণ কাৰণতহে দেউতা, তিলক চন্দ্ৰ শৰ্মাৰ বিষয়ে এই টোকাটো লিখিবলৈ লৈছো, পঢ়ুৱৈসকলে তলৰ বৰ্ণনাৰ পৰা বুজিব পাৰিব :

তিলক শৰ্মা তৃতীয় বাৰ্ষিকৰ ছাত্ৰ হৈ থাকোঁতে ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছে বৃটিছ চৰকাৰৰ বিৰুদ্ধে অসহযোগ আন্দোলন আৰম্ভ কৰিছিল, দেশক বিদেশী শাসনৰ পৰা মুক্ত কৰাৰ এটি দেশব্যাপি সংগঠিত পদক্ষেপ হিচাপে। সেই বছৰ তিলক শৰ্মা কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল। তেওঁ ৪ৰ্থ বাৰ্ষিকলৈ প্ৰমোচন পাই সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ পিছৰ বছৰৰ নিৰ্বাচন অনুসৰি অন্য এজনলৈ দিব লাগে, এনে সময়তে জাতীয় কংগ্ৰেছৰ অসম শাখাই সিদ্ধান্ত ললে অসমৰ সকলো চৰকাৰী প্ৰতিষ্ঠান— কৰ্ট-কাছাৰী, অফিচ আনকি চৰকাৰী স্কুল-কলেজো বৰ্জ্জন কৰিব লাগে। অসমৰ সেই আন্দোলনৰ নেতৃত্ব লৈছিল প্ৰধানকৈ

চন্দ্ৰনাথ শৰ্মাই আৰু তেওঁৰ লগত সহযোগী আছিল তৰুণৰাম ফুকন আৰু গোপীনাথ বৰদলৈ। চন্দ্ৰনাথ শৰ্মাই প্ৰথম অসমত ওকালতি বৰ্জন কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ, বিশেষকৈ স্কুল কলেজৰ ছাত্ৰসকলৰ মাজত প্ৰচাৰ কাৰ্য চলাই চৰকাৰী শিক্ষা-প্ৰতিষ্ঠানবোৰৰ শ্ৰেণী বৰ্জন কৰিবলৈ আহ্বান জনালে। সেই আহ্বানে অভাৱনীয়ভাৱে সঁহাৰি লাভ কৰিলে।

চন্দ্ৰনাথ শৰ্মাই কটন কলেজৰ ছাত্ৰ নিবাসবোৰলৈ গৈ ছাত্ৰসকলৰ মাজত গোপনে সভা পাতি প্ৰচাৰ কাৰ্য চলালে। এই সভাৰ আয়োজনৰ কামত যিকেইজন প্ৰধান ছাত্ৰ আছিল তাৰ ভিতৰত অন্যতম আছিল তিলক শৰ্মা। তিলক শৰ্মাৰ সৈতে চন্দ্ৰনাথ শৰ্মাৰ আগৰে পৰা পৰিচয় আৰু দুয়োৰে আন্তৰিক সম্পৰ্ক আছিল। কিয়নো মেট্ৰিক পৰীক্ষা দিবলৈ গুৱাহাটীলৈ আহি দেউতা চন্দ্ৰনাথ শৰ্মাৰ ঘৰত এমাহ আছিলহি। তেতিয়াৰ দিনত গোটেই অসমত মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ এটাহে আছিল, গুৱাহাটীৰ কলেজিয়েটত সেই কেন্দ্ৰ পতা হৈছিল।

তিলক শৰ্মাক ষ্টুডেন্টচ একশ্যান কমিটিৰ সম্পাদক পতা হ'ল। কটন কলেজ ছাত্ৰাবাসত জ্যেষ্ঠ ছাত্ৰসকল, যেনে— ভূবনেশ্বৰ বৰুৱা, হেম বৰুৱা (দুজন), কমলেশ্বৰ বৰুৱা আদিৰ সৈতে তিলক শৰ্মাইও চন্দ্ৰনাথ শৰ্মাৰ আহ্বান ক্ৰমে অনুষ্ঠিত সভাত ভাষণ দি আৰু ছাত্ৰসকলৰ কোঠাই কোঠাই গৈ ছাত্ৰসকলক বুজাই কলেজৰ শ্ৰেণী ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিবলৈ উৎসাহিত কৰিলে। উল্লেখযোগ্য, কটন কলেজৰ পৰা যি চাম ছাত্ৰই সৰ্ব্বপ্ৰথম শ্ৰেণী বৰ্জন কৰি আন্দোলনত যোগ দিছিল তাৰ প্ৰধান কেইজনৰ অন্যতম আছিল তিলক শৰ্মা।

শ্ৰেণী বৰ্জনৰ লগে লগেই তিলক শৰ্মা আনসকলৰ সৈতে ৰাজবন্দী হ'ল, আৰু জেলত ভৰ্ত্তি হ'ল। ন মাহৰ পিছত, চৌৰিচৌৰাৰ ঘটনাক লৈ মহাত্মা গান্ধীৰ অনশন আৰু হঠাৎ আন্দোলন বন্ধ কৰাৰ আহ্বানৰ পৰিপ্ৰেক্ষিতত জেলৰ পৰা বন্দীসকলক মুক্ত কৰি দিয়া হ'ল।

তিলক শৰ্মাও জেলৰ পৰা ওলাল। ইতিমধ্যে কলেজৰ পৰা তেওঁৰ নাম কৰ্ত্তন হৈছিল। নতুনকৈ নামভৰ্ত্তি হ'বলৈ কৰ্ত্তৃপক্ষৰ পৰা চৰ্ত্ত দিয়া হৈছিল : আগলৈ আন্দোলনত যোগ নিদিওঁ বুলি লিখিত ভাবে মুচোলোকা দিব লাগিব। তাৰ উপৰি তিলক শৰ্মাৰ বৃত্তিও বন্ধ কৰি দিয়া হৈছিল। পঢ়া খৰচৰ ভিকাচন ভাগিল। দৰ্শন বিভাগৰ বিভাগীয় মুৰব্বী ড০ পি. টমাচৰ অতি প্ৰিয় ছাত্ৰ আছিল তিলক শৰ্মা। তেখেত নিশ্চিত আছিল তিলকে দৰ্শনৰ অনাৰ্চ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম দুই-এজনৰ ভিতৰত স্থান পাবই। টমাচ চাহাবে অতি আগ্ৰহেৰে আৰু আন্তৰিকতামূলকভাৱে তিলক শৰ্মালৈ এখন ব্যক্তিগত চিঠি দিলে এই বুলি যে তেখেতে তিলকৰ পঢ়া আৰু থকাখোৱাৰ সকলো খৰচৰ দায়িত্ব ল'ব, তিলকে যেন আহি পুনৰ শ্ৰেণীত ভৰ্ত্তি হয়হি। কিন্তু লিখিত চৰ্ত্ত সাপেক্ষে কলেজত আকৌ ভৰ্ত্তি হ'বলৈ তিলক শৰ্মা মান্তি নহ'ল।

তিলক শৰ্মাৰ আৰু বি. এ. ডিগ্ৰী লোৱা নহ'ল। কটন কলেজত পঢ়িবলৈ যোৱা সেই বছৰ কেইটাৰ প্ৰভাৱ তিলক শৰ্মাৰ জীৱনত কিদৰে সুদূৰপ্ৰসাৰী আছিল, সেই প্ৰভাৱে তেওঁৰ পিছৰ সুদীৰ্ঘ জীৱনত কিদৰে দিক নিৰ্ণয় কৰিছিল সেই সুকীয়া কাহিনী থোৰতে হ'ল : কলেজৰ ডিগ্ৰী লোৱাৰ আশা ত্যাগ কৰি তিলক শৰ্মাই ক্ৰমে চতিয়া জাতীয় হাইস্কুলত শিক্ষকতা, অমিয় কুমাৰ দাসৰ সম্পাদনাত প্ৰকাশিত সাদিনীয়া অসমীয়াৰ

সহকাৰী সম্পাদক, ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অসমৰ প্ৰথমখন ইংৰাজী সংবাদপত্ৰ টাইমচ অৱ আচামৰ সম্পাদক, বিশ্বনাথত কাঠৰ ব্যৱসায়, আৰু সৰ্ব্বশেষত উজনিৰ উত্তৰ অসমৰ অতি পিছপৰা গাঁৱলীয়া অঞ্চল হেলেমত নিগাজীকৈ ঘৰ পাতি একনিষ্ঠভাৱে সমাজসেৱাত ব্ৰতী হৈ জীৱন অতিবাহিত কৰিলে। কটন কলেজ অসমৰ, অসমীয়াৰ মহান জাতীয় প্ৰতিষ্ঠান : এই জাতীয়তাবোধে যে অসমৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰি আহিছে, অসমৰ হাজাৰ হাজাৰ যুৱক-যুৱতীক ভৱিষ্যত জীৱনৰ কাৰণে দিক্ দৰ্শন দি কুৰি শতিকাৰ এখন আধুনিক অসম গঢ়াৰ প্ৰক্ৰিয়াৰ অংশীদাৰ কৰি আহিছে, তাৰ এটি মাত্ৰ দৃষ্টান্ত— এসময়ৰ কটন কলেজৰ ছাত্ৰ তিলকচন্দ্ৰ শৰ্মা— যি প্ৰসঙ্গক্ৰমে আমাৰ পূজনীয় পিতৃদেৱ, আজীৱন আমাৰ পৰিয়ালৰ প্ৰেৰণাৰ উৎস। ❑

তফজ্জুল আলি

সোণালী সোঁৱৰণী

মই ১৯৪৯ চনত মেট্ৰিকুলেছন পৰীক্ষাত মঙ্গলদৈ উচ্চ ইংৰাজী স্কুলৰ পৰা উত্তীৰ্ণ হৈ আই. এ. বা ইনটাৰমিডিয়েট আৰ্টছ্ বা কলা শাখাত পঢ়িবলৈ কটন কলেজত নাম ভৰ্ত্তি কৰিলোঁহি আৰু ছাত্ৰাবাসতো থকাৰ সুবিধা পালোঁ। প্ৰথম বছৰটো কেনেকৈ পাৰ হ'ল গম নৌপাওঁতেই ১৯৫০ চনত বছৰেকীয়া পৰীক্ষাৰ দেওনাখন পাৰহৈ দ্বিতীয় বাৰ্ষিক শ্ৰেণী পালোঁ। সেই দিনত নৱাগতসকল কোনো ধৰণৰ ৰেগিঙৰ সম্মুখীন হ'বলগীয়া নহৈছিল বাবে প্ৰথম বছৰৰ কোনো তিতা-কেঁহা অভিজ্ঞতাও মনত নাছিল। কেৱল মনত আছিল যে প্ৰথম বছৰতে মই কটন কলেজৰ মঞ্চত দুবাৰ গীত গোৱাৰ সুবিধা পাইছিলোঁ; এবাৰ নৱাগত আদৰণি সভাত আৰু দ্বিতীয় বাৰ কলেজৰ বছৰেকীয়া 'কলেজ সপ্তাহ'ত। কটন কলেজত ভৰি দিয়েই এনে সুবিধা লাভ কৰি মোৰ সংগীত-বলিয়া মনে সঁচাকৈয়ে বৰ আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছিল। কলেজত জ্যেষ্ঠ গায়ক-গায়িকা সকল থাকোতে মই এনেদৰে সুযোগ পোৱাৰ অৱশ্যে এটা কাৰণ আছিল। মই স্কুলৰ দশম শ্ৰেণীত পঢ়ি থাকোঁতেই ১৯৪৮ চনৰ পহিলা জুলাই তাৰিখৰ পৰা গুৱাহাটীত ৰেডিঅ' কেন্দ্ৰ স্থাপন হৈছিল আৰু মই সেই বছৰৰে আগষ্ট মাহৰ পৰা ৰেডিঅ'ত গীত

গাবলৈ সুযোগ পাইছিলো। গতিকে মই 'ৰেডিঅ' আৰ্টিষ্ট' বা অনাঁতাৰ শিল্পী হোৱাৰ কাৰণেহে কটন কলেজত ভৰি দিয়েই এনে সুযোগ পাইছিলো। একেদৰে গান গাবলৈ সুযোগ পোৱা আন এগৰাকী 'অনাঁতাৰ-শিল্পী' আছিল মোৰেই সহপাঠী প্ৰয়াত দেৱেন শৰ্মা। তেওঁ গুৱাহাটীৰে স্থানীয় ল'ৰা আছিল আৰু প্ৰথম বাৰ্ষিক শ্ৰেণীতে কটন কলেজত সংগীত শাখাৰ সম্পাদক হোৱাৰ বিৰল সন্মান লাভ কৰিছিল। এনে ধৰণৰ ডুখৰীয়া স্মৃতি মাজে সময়ে মনলৈ আহে। সাধাৰণতে সুখাবহ সোঁৱৰণীয়েই বাৰে বাৰে মনলৈ উভতি আহে।

১৯৫০ চনৰ আগভাগতে আমি বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হৈ আই. এ. দ্বিতীয় বাৰ্ষিক শ্ৰেণী পালো। সেই সময়তে আমি শুনিবলৈ পালো যে ১৯৫০ চনৰ বছৰটো কটন কলেজৰ সোণালী জয়ন্তীৰ বছৰ। কথাটো সদৰি হোৱাৰে পৰা আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰে মনত বৰ ৰং লাগিল। বোধহয় ৰং লাগিছিল এই কাৰণেই যে কটন কলেজৰ সোণালী জয়ন্তীৰ ইতিহাসত আমিও কিজানি এটি সোণালী পাতত সোণোৱালী হৈ জিলিকি থাকিম। কিন্তু পঞ্চাশৰ বছৰটোত আমি ভবাৰ দৰে সোণালী জয়ন্তী নহ'ল। তাৰ বাবে আয়োজনহে আৰম্ভ হৈছিল। সোণালী জয়ন্তীৰ উৎসৱ ১৯৫১ চনতহে পালন কৰা হৈছিল। ইতিমধ্যে আমি আই. এ. চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বি.এ. প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম ভৰ্ত্তি কৰিছিলো।

সোণালী জয়ন্তী পালনৰ বিষয়ে সভা-সমিতি চলি আছিল বুলি শুনিছিলো যদিও সেইবোৰতনো কি আলোচনা-বিলোচনা হৈছিল সেই বিষয়ে আমি কোনো ভু-ভা পোৱা নাছিলো। কলেজৰ ছাত্ৰ একতা সভাৰ কেইজনমান প্ৰতিনিধিক প্ৰস্তুতি সমিতিত লোৱা হৈছিল যদিও সোণালী জয়ন্তীৰ সকলো কাম অধ্যাপকসকলেই সম্পাদন কৰিছিল। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ ভাগত পৰা কামখিনি উৎসাহেৰে আৰু আন্তৰিকতাৰে কৰিছিল।

মই জড়িত হৈছিলো সাংস্কৃতিক উপ-সমিতিৰ সৈতে। কাৰ কি বিষয়-বাব আছিল মোৰ এতিয়া মনত নাই, কিন্তু মোৰ মনত আছে যে সাংস্কৃতিক সমিতিখনৰ গুৰি ধৰি আছিল অসমীয়া বিভাগৰ প্ৰয়াত অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা আৰু সংস্কৃত বিভাগৰ প্ৰয়াত অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা— এই দুগৰাকী জনপ্ৰিয় শিক্ষকে। এই দুগৰাকী শিক্ষকৰ কথা বোধহয় সেই সময়ৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে পাহৰিব পৰা নাই। এনে বিজ্ঞ লোকসকলৰ পৰিকল্পনা আৰু পৰিচালনাত সোণালী জয়ন্তীৰ দুটা সন্ধিয়াত চাৰি ঘণ্টা মানকৈ অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান সঁচাকৈয়ে যথেষ্ট উচ্চ মান সম্পন্ন আৰু বিভিন্ন দিশৰ পৰা স্মৰণীয় হৈ উঠিছিল। মোৰ মনত সেই অনুষ্ঠানত এসময়ৰ বিখ্যাত বৰগীত গায়ক বয়োবৃদ্ধ অম্বিকাগিৰী ৰায়চৌধুৰী আৰু তুলনামূলকভাৱে নবীণ শিল্পী নাৰায়ণ বেজবৰুৱাই বৰগীত গাই শ্ৰোতাসকলক মুগ্ধ কৰিছিল। সেইদৰে আৰু বহুতো নবীন আৰু প্ৰবীন শিল্পীয়ে লোকগীত, বৰগীত, ভজন আদি ভক্তিমূলক গীত আৰু বনগীত, আধুনিক গীত আদি গাই সমবেত শ্ৰোতা-দৰ্শকক বিপুল আনন্দ দান কৰিছিল। কিছু দিনৰ আগতে মাত্ৰ বিদেশৰ (আমেৰিকাৰ) পৰা উভতি অহা ড° ভূপেন হাজৰিকাই তেওঁৰ প্ৰবাসত লাভ কৰা সংগীতৰ নতুন ধ্যান ধাৰণাৰে ৰচনা কৰা অসমীয়া আধুনিক গীত আৰু সুৰ পৰিৱেশন কৰি সমগ্ৰ অসমৰ শ্ৰোতা আৰু সংগীত শিল্পীসকলৰ মনত আনন্দ আৰু চিন্তাৰ খলকনি তুলিছিল। সেই একেটা মঞ্চতে আৰু একেটি সন্ধিয়াতে কলংপৰীয়া সংগীতকাৰ প্ৰয়াত ৰুদ্ৰ বৰুৱাই বিহুগীতৰ ভাব, ভাষা আৰু তালৰ (ছন্দৰ) সমন্বয় ঘটাই বিহুসুৰীয়া

আধুনিক গীত উপহাৰ দি এটি নতুন ধাৰাৰ সূচনা কৰিছিল। যিটো ধাৰা খগেন মহন্ত প্ৰমুখ্যে শিল্পীসকলৰ যোগেদি বৰ্তমানলৈ প্ৰবাহিত হৈ আছে।

প্ৰথম দিনৰ সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী গীতটো ৰচনা কৰিছিল প্ৰয়াত অতুলচন্দ্ৰ হাজৰিকা ছাৰে আৰু গীতটোত সুৰ সংযোজনা কৰিছিল অসমৰ সুপ্ৰসিদ্ধ শাস্ত্ৰীয় সংগীতজ্ঞ প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ ফুকনে। তেখেতেই আমাৰ কলেজৰ গায়ক-গায়িকা সকলক বৰ পৰিশ্ৰম কৰি গীত টো শিকাই নিজে পৰিচালনা কৰি মঞ্চত গোৱাইছিল। গীতটোৰ গুৰু-গম্ভীৰ ৰচনা আৰু সুৰে শ্ৰোতাৰ মন আন্দোলিত কৰিছিল। মোৰ মনত পৰা গীতটোৰ প্ৰথম কেইটামান শাৰী তলত তুলি দিলো;

"আহা সেৱক আহা সাধক
কৰা উজ্জ্বল আজি
মাতৃ-মন্দিৰ হে"

এই সমবেত গীতটো আমি কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেই গাইছিলো।

যিমান দূৰ মনত পৰে আমাৰ দলটোত আছিল বীৰেন্দ্ৰ নাথ দত্ত, জ্যোতিৰ্ময় কাকতি, যোগেশ বৰুৱা, শেৱালি দেৱী, প্ৰয়াতা উষা দেৱী বৰদলৈ, হিমানী ৰায় আদি গায়ক-গায়িকাসকল। সকলোৰে নাম এতিয়া মনত পৰা নাই। পৰৱৰ্তী কালত এই গায়ক-গায়িকাসকলৰ প্ৰায় সকলোৱেই অসমৰ উল্লেখযোগ্য কণ্ঠশিল্পী বুলি পৰিগণিত হৈছে।

এইখিনিতে মনত পৰিছে সোণালী জয়ন্তী উৎসৱত অতুলচন্দ্ৰ হাজৰিকা ছাৰৰ 'কল্যাণী' নামেৰে এখন সৰু নাট মঞ্চস্থ কৰা হৈছিল। সেইখন নাটৰ সংগীত পৰিচালনা কৰিবলৈ ছাৰে মোৰ ওপৰতে ভাৰ দিছিল। ময়ো শক্তি অনুসৰি প্ৰয়োজনীয় সংগীত ৰচনা কৰিবলৈ প্ৰয়াস কৰিছিলো। নাটখনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা গীত ("অ' আমাৰ গাঁও/ আমাৰ গাঁৱৰ মান ৰাখি/ মৰিবলৈ যাওঁ") আছিল। গতিকে মই জ্যোতিপ্ৰসাদৰ গীতৰ আধাৰতে নাটখনৰ আৰম্ভসংগীতো ৰচনা কৰিছিলো। মোৰ এই কামত সহায় কৰিছিল বীৰেন্দ্ৰ নাথ দত্ত, দীপালী বৰকাকতি আৰু উষাদেৱী বৰদলৈয়ে। হাজৰিকা ছাৰ আৰু কেইগৰাকীমান দৰ্শকে সংগীতাংশ ভাল হোৱা বুলি আশীৰ্বাদ কৰাত মই নিজকে ধন্য মানিছিলো।

এনেদৰে কটন কলেজৰ সোণালী জয়ন্তী আমাৰ দৰে সেই সময়ৰ এচাম ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটি আজীৱন স্মৰণীয় ঘটনা হৈ পৰিছিল। মই অৱশ্যে মোৰ সৈতে সম্পৰ্ক থকা কথাখিনিহে মনত পৰা বোৰহে লিখিছোঁ। আমাৰ জীৱনৰ অন্যান্য ক্ষেত্ৰৰ দৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰতো কটন কলেজৰ সোণালী জয়ন্তীয়ে আৰু প্ৰকৃততে সেই কলেজত পঢ়া কালছোৱাই সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। ❑

হীৰেন্দ্ৰ নাথ দত্ত

কটন কলেজ

কটন কলেজ তুমি মানিকৰ তুমি জগন্নাথৰ
তুমি গোপীনাথৰ চাদুল্লাৰ পদ্মবিনোদৰ
তুমি পিচিৰয়ৰ ৰসাগাৰ, ব্ৰাউন চাহাবৰ পাঠাগাৰ
মুহিবুল্লাৰ হাঁহিৰ থুনপাক জেলিলছাৰৰ ইষ্টিৰ কড়াপাক
তোমাতে থিত হৰ্ষবাবুৰ ৰসায়ন আৰু মহেন্দ্ৰবৰাৰ প্ৰেমায়ন
শৰাইঘটীয়া সূৰ্য্য ভূঞা তোমাৰেই সুবচনী
তাতেই শুনো মই হেংদাং ডেকাফুকনৰ ৰণধ্বনি
তুমি বাণীবাবুৰ মৰ্ম্মভেদী শাণিত হাঁহি
আৰু বিৰাট বপুৰ তিলক গগৈৰ ভাতৰ কাঁহী
তোমাৰে আছিল হিৰণ্য ভূঞা সেই তিৰবিৰ মেঠা

আৰু প্ৰিয় বিনয়ৰ অতি আদৰৰ সম্বোধনী গাঠা
তুমি ৰাইহানী খাইয়াম চন্দ্ৰকলিতা হৰিনাম
আৰু আশ্ৰফী ইনভিজিলেচনৰ আজিকোপতি সদনাম
তুমি আব্দুল মালিক-বীৰেণ ভট্টৰ উপন্যাসৰ স্তম্ভ
আৰু মিষ্টাৰ কটন অনেকজনৰ পেশীভূষাৰ দম্ভ
তুমি দেখুৱালা অতুলবাবুৰ জীৱনজোৰা প্ৰেৰণা
লগতে বেলেগে লেখাৰু চাৰৰ ধাৰণা-ভাৱনা-সাধনা
তোমাৰে চিনাকি নুৰুল ইচলাম সকলোপিনে পৰিষ্কাৰ
আৰু নগএগ্ৰা ডেকা নৱকান্ত পদে-পয়াৰে জাতিষ্কাৰ
তোমাতে পুষ্ট ফুৰ্ত্তিবাজ আৰফান আলিৰ হট্টৰোল
তোমাৰে সেৱক জহৰমলৰ কৰ্ত্তব্যনিষ্ঠাৰ বিৰল মোল
তোমাতেই বিত কমলা ৰয়ৰ ফুলনি-লতাৰ শোভা
তোমাৰেই থিত সৰোজ দত্ত কমলেন্দু শিক্ষকতাৰ প্ৰভা
তুমি বৰাবৰ কৰা খগেন বৰবৰুৱা বিপ্লৱৰ
তোমাৰ স্মৃতি অতি অমায়িক খাচী প্ৰফেচাৰ দৰ্শনৰ
গণিতবিদ ৰাজেন সিংহৰ ছাত্ৰাবাসত খৰম খোজ
তোমাতে উজলে চান্দ্ৰেদ গোহাঁই য়েচি থংচিৰ শুভ্ৰভূজ
তুমি পুলিন নীলিময়ৰ অবিস্মৰণীয় ক্ৰিকেট খেল
আৰু কটন-গেজেট্ মহেশ ভূএগ্ৰাৰ হৰেক মেল
কটন কলেজ উল্টাপাল্টা বৈপৰীত্যৰ জুমাজুমি
তাহানিৰ সেই বৰঅসমৰ মহাজীৱনৰ লীলাভূমি। ❑

বীৰেশ্বৰ বৰুৱা

জীৱনৰ মানে

তেওঁলোক গ'লগৈ। এওঁলোকো যাব।
ইতিমধ্যে বা পাছত ময়ো যাম।
ক'লৈ যাব, কেতিয়া যাব? — তেওঁলোকে নাজানিছিল।
এওঁলোকেও নাজানে।
ময়ো জানিব নোৱাৰিম।

এওঁৰ কথাকে মনলৈ আহিছে।
এওঁ মোৰ শৈশৱৰ লগৰী।
পঢ়াশলীয়া কালৰ বন্ধু।
আজি হাচপতালত কঠিন শয্যাত
এওঁ সংজ্ঞাতীত।
অনেক দিন ধৰি এওঁৰ সম্বিৎ বিলুপ্ত।

এওঁ জানিছে নে এওঁ ক'লৈ গৈ আছে?
কেতিয়া যাব?
এনেবোৰ প্ৰশ্ন নিশ্চয় অবান্তৰ।

দিন যোৱাৰ লগে লগে
মোৰো যোৱাৰ ভাবনাটো
সজীৱ হৈ উঠিছে।
অহাৰ কথাটো প্ৰায় পাহৰণিত বিলীন।
তাৰ বাবে চিন্তাৰ কাৰণ মই নেদেখো।
কাৰণ ইও এক ধৰণৰ প্ৰশান্তি।
স্বল্পাৰ্থত জীৱনৰ মানে এয়েই।
আন সংজ্ঞা নিষ্প্ৰয়োজন। ❑

শোভা ব্ৰহ্ম

স্মৃতি বেদনা কটন কলেজ

আজি কটন কলেজ এৰাৰ ৪৯ বছৰ পিছত জীৱনৰ সামাজিক ব্যৰ্থতা উপলব্ধিৰ বেদনাৰ মাজত দুটা কথাৰে মানুহৰ আগত কেতিয়াবা গৰ্বৰ ভাব প্ৰকাশ কৰো; প্ৰথম, আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম মেট্ৰিক পৰীক্ষাৰ্থী; দ্বিতীয়, আমি উত্তৰ-পূব ভাৰতৰ শ্ৰেষ্ঠ প্ৰবেশিকোত্তৰ অনুষ্ঠান কটন কলেজৰ ছাত্ৰ।

অতি অনুন্নত গাঁও এখনৰ পৰা অনানুপাতিক (disproportionate) উচ্চ আশা লৈ ওলাই অহা ধুবুৰী চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি ভাল ছাত্ৰৰ "মাৰ্কা মাৰা ছাব" লৈ অসমৰ তদানীন্তন ৰাজধানী আৰু স্বাস্থ্যকেন্দ্ৰ শ্বিলংখন শ্ৰেষ্ঠ শিক্ষাকেন্দ্ৰ জ্ঞান কৰি তালৈ মই কলেজত ভৰ্ত্তি হ'বৰ কাৰণে ৰাওনা দিলোঁ। প্ৰথমে "হেপি লজ হোটেলত", তাৰ পিছত তেতিয়াৰ অতি শ্ৰদ্ধাস্পদ প্ৰয়াত মন্ত্ৰী ৰূপনাথ ব্ৰহ্মৰ বাসভৱনত থিতাপি লৈ কলেজত নাম লগোৱাৰ প্ৰস্তুতি চলিল। কিন্তু এখুনি কলেজৰ হোষ্টেলৰ ব্যৱস্থা আৰু ৰূপনাথ ব্ৰহ্মৰ পৰিয়ালৰ সদুপদেশ (ইয়ালৈ আহিলে আমাৰ ল'ৰা বেয়া হয়) এইবোৰ কথাই মোক যথাৰ্থ জ্ঞান দিলে "শ্বিলঙৰ কলেজ নহয় গুৱাহাটীৰ কটন কলেজখনহে অসমৰ শ্ৰেষ্ঠ কলেজ"। এইখিনিতে কোৱা ভাল শ্বিলং বা

গুৱাহাটীলৈ মই তাৰ আগতে কেতিয়াও যোৱা নাছিলো— আৰু মই সেই যাত্ৰাত অকলেই গৈছিলো। মন্ত্ৰীৰ বাসভৱনত বাথৰুম ব্যৱহাৰৰ প্ৰথম বিচিত্ৰ অভিজ্ঞতা, হোটেল হেপিল'জৰ পৰা ওলাই পাইন বননিকে কেন্দ্ৰ কৰি শ্বিলঙৰ নিসৰ্গ সম্ভাৰৰ অবৰ্ণনীয় সৌন্দৰ্যত মই বিস্ময়-বিমোহিত আত্মহাৰা হৈ পৰা, এন্থনি কলেজত (St. Anthony College) ইটালিয়ান অধ্যাপকৰ ইংৰাজী ক্লাচত Mort de Arthur ৰ আবৃত্তি আৰু পাঠদান, এইবোৰ আজিও মোৰ মানসপটত ৰেখাঙ্কিত হৈ আছে।

কপাল গুণে ৰাজ্যিক পৰিবহন বাছ আড্ডাত (পল্টনবজাৰ) মোৰ আগৰ পৰা পৰিচিত অপূৰ্বদাক (অপূৰ্ব কুমাৰ ব্ৰহ্ম) লগ পোৱা হ'ল। তেওঁৰ তৎপৰতাত আৰু আনবোৰ জ্যেষ্ঠ ছাত্ৰৰ সহায়ত কলেজত ভৰ্ত্তিকৰণ চাৰি নম্বৰ মেছৰ ৪ৰ্থ ব্লকৰ ৯ নম্বৰ ৰুমত স্থান লাভ ইত্যাদি সুসম্পন্ন হৈ পৰিল। হোষ্টেলত মোৰ ৰুমমেট হ'ল তেজপুৰৰ প্ৰবোধ চন্দ্ৰ শৰ্মা আৰু কুমাৰ কৃষ্ণপ্ৰসাদ। দ্বিতীয় বাৰ্ষিকলৈ প্ৰমোচন বা তাৰ আগতেই মই ৰুমমেট দুজনৰ পৰা এৰাএৰি হৈ সেই ব্লকৰে ১৪নং ৰুমলৈ স্থানান্তৰ হ'লো। সেই ৰুমত প্ৰথম প্ৰথম কুমাৰ কৃষ্ণপ্ৰসাদ মোৰ লগত থাকিলেও প্ৰথম দুটা বছৰ শেষৰ ফালে তেজপুৰৰে কমল শইকীয়া আৰু কামৰূপৰ অক্ষয় ঠাকুৰীয়া মোৰ ৰুমমেট হয়। "ব্ৰহ্মৰ" ৰুমমেট হ'ম বুলিয়ে কমল শইকীয়াই মোৰ আগৰ ৰুমমেটক বেলেগ ৰুমলৈ পঠাই মোৰ ৰুমমেট হৈছিল। সেই কমল শইকীয়া আৰু মোৰ হৃদ্যতাই আজিও তীব্ৰ বেদনাৰ উদ্ৰেক কৰে। অত্যন্ত সুস্বাস্থ্যৰ অধিকাৰী কোমল স্বভাৱৰ কমল শইকীয়া আৰু কৃষ্ণপ্ৰসাদৰ বেনাৰস চহৰত অস্বাভাৱিক আৰু অকাল মৃত্যু ঘটে; প্ৰথম জনৰ চান ষ্ট্ৰকত (sun strock) আৰু দ্বিতীয় জনৰ গঙ্গাত সাঁতোৰ দিবলৈ গৈ।

অদ্ভুত ল'ৰা এই প্ৰসন্ন গোস্বামী; পিছলৈ ডাঃ প্ৰসন্ন গোস্বামী। প্ৰসন্ন গোস্বামীৰ দেউতাকৰ নাম পাহৰিলো। কিন্তু সম্ভৱ তেওঁ সত্ৰীয়া সংস্কৃতিৰ এগৰাকী খ্যাতিমান পুৰুষ। আমাৰ নিচিনা ছাত্ৰৰ কাৰণে প্ৰসন্ন গোস্বামী এক কথাত গ্লেমাৰ বয়। কি চেহেৰাত, কি পঢ়া-শুনা বা নাচত তেওঁ সকলোৰে দুচকুৰ মণি। বোধকৰো চাকৰিসূত্ৰে ধুবুৰীলৈ দেউতাকৰ বদলিৰ হেতু তেওঁ ধুবুৰী চহৰত কেবামাহো আছিল আৰু সৰু চহৰখনত কি নাচত, কি খেলত সকলোকে মুগ্ধ কৰিছিল। লক্ষীপুৰৰ জমিদাৰৰ অট্টালিকাৰ সম্মুখত থকা ধুবুৰীৰ খেলৰ পথাৰত আমি প্ৰসন্ন গোস্বামীৰ ফুটবল খেল মুগ্ধ হৈ উপভোগ কৰিছিলো। সেই প্ৰসন্ন গোস্বামীৰ ধুবুৰীৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি কটন কলেজত মোৰ সহপাঠী বন্ধু হ'ল। সহপাঠী হ'বলৈ কিবা থকাৰ প্ৰয়োজন নাই, কিন্তু মোৰ নিচিনা সাধাৰণ স্তৰৰ ছাত্ৰৰ তেনেকুৱা এটা ব্যতিক্ৰমী ছাত্ৰৰ বন্ধু হোৱাটোহে বিবেচনাৰ কথা। নিঃসন্দেহ তেনে সাহস মোৰ নাই। গতিকে প্ৰসন্ন গোস্বামীয়েই উপযাচি মোৰ ওচৰলৈ আহিছিল আৰু নানা সৰু-সুৰা কামত মোৰ সংগ লৈছিল। সেইবোৰৰ ভিতৰত জিলিকা ৰামৰ দোকান আনন্দ ভাণ্ডাৰত পুৰা-দুপৰীয়া-গধূলি চাহ খাবলৈ যোৱা বা চুলি কাটিবলৈ চেলুনলৈ যোৱাও কম গুৰুত্বপূৰ্ণ কাম নহয় আৰু সেইবোৰ কামত সঙ্গ বিচাৰি তেওঁ নিজৰ ৫ম ব্লকৰ ৰুমৰ পৰা মোৰ ৪ৰ্থ ব্লকৰ ১৪নং ৰুমলৈ চোঁচা মাৰি আহিছিল। কৈ থোৱা ভাল, হোষ্টেলৰ পৰা বাহিৰলৈ ওলাই যোৱা পথ হিচাপে আমি হোষ্টেল গেটখন নহয়, ৪ৰ্থ ব্লকৰ সম্মুখত সোঁফালে থকা লোহাৰ গ্ৰীলৰ ফেন্সিঙৰ লোহাদুডালৰ কমল শইকীয়াৰ পেশীবহুল হাত দুখনে সংস্কাৰ সাধন কৰা ফাঁকটোহে ব্যৱহাৰ কৰিছিলো। এইধৰণে আমি এজনে আনজনৰ সঙ্গত আনন্দ লাভ কৰিছিলো আৰু

এই প্ৰক্ৰিয়াই অব্যাহত আছিল। এই গতানুগতিকতাত হঠাতে আহি যোগ হ'ল আন এক উপসৰ্গ যিটোৱে মোক কেবামাহৰ কাৰণে নানাভাবে বিপৰ্যস্ত কৰি পেলায়।

আনদিনাৰ দৰেই এদিন প্ৰসন্ন গোস্বামী আহি মোৰ লগ ললে। "ক'লৈ যাব লাগে"? "এন. চি. চি. অফিচলৈ"। "কেলেই"? তেওঁ মোক সকলো বুজাই ক'লে, "ব্ৰহ্ম! আপোনাৰ চেহেৰা ডাঙৰ দীঘল, বৰ ভাল হ'ব"। মোৰ চেহেৰা যিয়ে নহক, বল খেলা, ভলি বল বা বেডমিন্টন খেলা, সাঁতোৰ দিয়া এইবোৰ মোৰ জীৱনৰ অঙ্গ হৈ পৰিলেও মই তেওঁৰ দৰে কামাখ্যা পাহাৰ বগোৱা, সাতমাইল দৌৰ, এশ বা হাজাৰ মিটাৰ দৌৰ ইত্যাদিত চেম্পিয়ন হৈ অভিলেখ সৃষ্টি কৰি পোৱা নাই। আন কি কম, বেলেগ খেলহে নেলাগে প্ৰাইমেৰি লেভেলৰ খেল যেনে কল খোৱা দৌৰ, চামুচত কণী লৈ দৌৰা ইত্যাদিতো মই কাহানিও তামৰ মেডেল এটা পাই পোৱা নাই। যি কি নহক, প্ৰসন্ন গোস্বামীৰ কথা এৰাব নোৱাৰি। গতিকে তেওঁৰ কথাতেই এন. চি. চি. (National Cadet Corps) অফিচলৈ যোৱা হ'ল, আৰু অনিচ্ছা সত্ত্বেও তেওঁৰ কথাতেই মই তেওঁৰ লগত এন. চি. চি.ত ভৰ্ত্তি হ'ব লগা হ'ল। কাৰণ মই ভালকৈ জানো এজন কেডেটৰ থাকিব লগীয়া শৃঙ্খলাবোধ, কষ্ট স্বীকাৰ ক্ষমতা, সদা-জাগ্ৰত মানসিক-শাৰীৰিক অৱস্থা মোৰ ব্যক্তিত্বত অনুপস্থিত। কি ধৰণৰ বিপৰ্যয়ৰ মুখামুখি হ'বলৈ মই আগবাঢ়িছো সেই কথা আন্দাজ কৰি মই আতঙ্কিত হলো। সপ্তাহটোত কেবাবাৰো ৰাতিপুৱা ৬ মান বজাত উঠি বিশেষকৈ দেওবাৰে বুটযোৰা পলিচ কৰি বেল্টডালৰ buckles চিকচিকোৱাই মাজি-ঘঁহি পিন্ধা ইউনিফৰ্ম ত্ৰুটিবিহীনভাৱে ইষ্ট্ৰি কৰাই তাতোকৈয়ো নিৰ্ভুলভাৱে সাজ সজ্জাত সষ্টম হৈ জজ পথাৰৰ পেৰেড গ্ৰাউণ্ডলৈ দৌৰি যোৱা আৰু ঘণ্টা-অধিক কুচ-কাৱাজ কৰা ঘটনাই মোক কেবামাহৰ ভিতৰতে বিমৰ্ষ-মলিন কৰি পেলালে। তাৰ মাজতে আছে কুচ-কাৱাজ কৰোৱা চিপাহী কেইটাৰ ককৰ্থনা, হুমকি আৰু হাণ্টাৰৰ খোচা আৰু অকথ্য ভাষাত গালি গালাজ। এনেকৈয়ে আহিল সেই বিশেষ দেওবাৰ যিদিনা কেবামাইল দৌৰত মই প্ৰায় চৈতন্য হেৰুৱাই পেলাইছিলো আৰু যিখন দৌৰত প্ৰসন্ন গোস্বামী হাঁহি মুখে হেলাৰঙে হৈছিল প্ৰথম।

আৰু এটা ঘটনাৰ পাছতে প্ৰসন্ন গোস্বামী পৰ্বৰ অন্ত পেলাম। তাৰ পিছলৈ মোৰ জীৱনত তেওঁৰ কিবা প্ৰাসঙ্গিকতা থাকিলেও আজি আৰু মনত নাই– শিল্পী হোৱাৰ পথত মোৰ জীৱনৰ অভিযাত্ৰা আৰম্ভ আৰু এগৰাকী চিকিৎসক হোৱাৰ দিশত প্ৰসন্ন গোস্বামীৰ জয়যাত্ৰা।

স্বাধীনোত্তৰ কালৰ একমাত্ৰ কমাণ্ডাৰ ইন চীফ (Commandar in Chief) জেনেৰেল কে. এছ. কাৰিয়াপ্পা গুৱাহাটীলৈ আহিব। সোনাৰাম হাইস্কুল পথাৰত কটন কলেজৰ জাতীয় সামৰিক শিক্ষাৰ্থী বাহিনীৰ কুচ-কাৱাজ তেওঁ পৰিদৰ্শন কৰিব। ৰাতিপুৱা ৭ বজাৰ পৰা কেডেটসকলক কুচ-কাৱাজ কৰাই কলেজৰ এন. চি. চি.ৰ ভাৰপ্ৰাপ্ত বিষয়া জুলজীৰ (zoology) অধ্যাপক ড° কালীনাথ শৰ্মাই সোনাৰাম খেলপথাৰত "এটেনচন" ভঙ্গীত সষ্টম কৰি থলে। কেডেটসকলৰ অৱস্থান, ইউনিফৰ্ম, বেল্ট পিন্ধা, বুট মোজা যথেষ্ট পৰিচ্ছন্ন আৰু পলিচ কৰা হয়নে নহয় জোৱানসকলে নিৰন্তৰ নিৰীক্ষণ-পৰিদৰ্শন কৰি থাকিল। চেহেৰা ডাঙৰ-দীঘল চকুত লগা কাৰণে মোক প্ৰথম শাৰীত স্থান দিয়া হৈছিল। মোৰ পৰম দুৰ্ভাগ্য জোৱান এজনৰ মোৰ কঁকালত বন্ধা বেল্টডাললৈ চকু গ'ল, দেখিলে বেল্টডালৰ buckle যথেষ্ট পলিচ কৰা আৰু চিকমিকোৱা নহয়। আৰু নো ক'ত যায়,

বেল্টডালত হাণ্টাৰেৰে খোচা দি গৰগৰাই কলে, "তুমহাৰা বেল্ট চাফ নেহি, তুম থিয়েৰিং মে যাও" (তোমাৰ বেল্ট চাফ নহয়, তুমি শেষৰ শাৰীলৈ যোৱা)। অৰ্থাৎ প্ৰথম শাৰীৰ পৰা মোৰ তৃতীয় শাৰীলৈ অপসাৰণ ঘটিল। মই যথেষ্ট অপমানিত বোধ কৰিলো। এনেই ৰাতিপুৱাৰ পৰা কেডেটসকলৰ প্ৰাতৰাশ খোৱা-বোৱা নাই। প্লেন আহি পোৱাৰ কথা ১১ বজাত, এতিয়া ১ বাজি পাৰ হৈ গৈছে— খবৰ নাই। হঠাতে চাঞ্চল্য পৰিলক্ষিত হ'ল আৰু চকুৰ পচাৰতে নাতি-দীৰ্ঘ নাতি-হ্ৰস্ব চেহেৰাৰ উজ্জ্বল গৌড়বৰ্ণৰ মেদবৰ্জিত দেহাকৃতি ক্ষিপ্ৰগতিত কাৰোবাক চাপৰ মাৰি কাৰোবাৰ বক্ৰ পৃষ্ঠ ঋজু কৰি পৰিদৰ্শন কাৰ্য সমাপ্ত কৰিলে আৰু সমান ক্ষিপ্ৰতাৰে ভাৰপ্ৰাপ্ত বিষয়া ড° কালীনাথ শৰ্মাই আগবঢ়াই দিয়া পৰিদৰ্শন বহীত কলম চলাই অপেক্ষমান গাড়ীত উঠিলগৈ আৰু গোটেই বাহিনীটো গুৱাহাটীৰ ফাললৈ খদমদমে চোচা মাৰি বিলীয়মান হৈ গ'ল। পৰিদৰ্শন বহীত চকু দিয়াৰ অৱসৰ হোৱাত ড° কালীনাথ শৰ্মাই বহীৰ পাত লুটিয়াই কি দেখিলে, ' 'Cadets don't know how to stand at......... "তেওঁৰ চকু আৰু কপালৰ ৰেখা ব্যৰ্থতাৰ হতাশাত কোঁচ খাই পৰিল।

কটন কলেজৰ এন. চি. চি. সংক্ৰান্তত লাভ কৰা তিক্ততাৰ কাৰণে মই প্ৰসন্ন গোস্বামীক কোনোদিনে ক্ষমা কৰিব নোৱাৰো। অথচ সেইবোৰ অভিনৱ অভিজ্ঞতাৰ কাৰণে জীৱনৰ প্ৰতিটো পৰ্যায়ত মই তেওঁৰ কথা মনত পেলাবলৈ বাধ্য।

পিছদিনাখনে এন. চি. চি.ৰ ইউনিফৰ্ম, বুটজোতাযোৰ, মোজা, বেল্ট গোটেইসোপা আৱৰ্জনা টোপোলা বান্ধি মই অফিচত জমা দি আহিলোঁগৈ।

বনভোজ নে অভিযান কটন কলেজৰ একোটা পিকনিক! হাই-হুলস্থূল, চিঞৰ-বাখৰ; অৱশ্যে সেইবোৰ অনিৰুদ্ধ যৌৱনৰ অনিবাৰ্য বাহ্যিক প্ৰকাশ মাথোন। মোৰেই দুৰ্ভাগ্য অত্যন্ত অন্তৰ্মুখী (Introvert) হোৱা কাৰণে মই সেইবোৰ বাহ্যিক প্ৰকাশৰ বাহুল্য জীৱনৰ কোনো পৰ্যায়তে উপভোগ কৰিব পৰা নাই। তেনে এক পিকনিকত বাৰ্ণিহাট-সোণাপুৰ অঞ্চললৈ মই দুই এবাৰ অংশগ্ৰহণ কৰি পাইছোঁ। মাইকত হিন্দী-অসমীয়া গীতৰ আকাশ নিনাদি আওৱাজ ল'ৰাহঁতৰ প্ৰাণ-প্ৰাচুৰ্য, দিনটোৰ কাৰণে আনন্দ-আহ্লাদত সৰ্বস্ব উজাৰ কৰি দিয়াৰ মানসিকতা! সিয়ে সেইবোৰ পিকনিকৰ বৈশিষ্ট্য। সোণাপুৰ সেই সময়ত কমলাৰ বাগিচাৰ কাৰণে বিখ্যাত। আমাৰ পিকনিক সেইবাৰ বাগিচাৰ অভ্যন্তৰত উদযাপিত হৈছে, ৰন্ধা-বঢ়া চলিছে, কমলাখোৱা, খোৱাতকৈ অধিক কমলা-নিধন যজ্ঞ ইত্যাদি নানা ধৰণে সময়ৰ যথোপযুক্ত উপভোগৰ আয়োজন চলিছে। ঠিক এনে সময়তে, হয়তো মোৰেই দুৰ্ভাগ্য, এইবোৰতকৈ অধিক উপাদেয় উপভোগ মোৰ মনলৈ আহিল। মই ভাবিলো, মই যদি এইবোৰ এৰি এইবোৰতকৈ অধিক আনন্দদায়ক, অভিজ্ঞতাৰ স্বাৰ্থত মই একো নোখোৱাকৈ ষোল/সোতৰ মাইল পথ অতিক্ৰম কৰি গুৱাহাটীলৈ যাওঁ। যেনে চিন্তা তেনে কাম .... তেনে আনন্দ; সাৰ্থক অনুভূতি অভিজ্ঞতা! মই খোজ কাঢ়ি গুৱাহাটী পালোঁগৈ।

পিকনিক পাৰ্টিটো গাড়ীৰে সন্ধিয়া গুৱাহাটীলৈ উভতি আহোঁতে সন্দিকৈ কলেজৰ ৰাস্তাৰে অহাটো অনিবাৰ্য নিয়ম। অৱশ্যে আন ব্যতিক্ৰমৰ কাৰণে বিকল্প ৰাস্তা আছে নে নাই সেই কথা কোনোদিনে চিন্তা কৰা হোৱা নাই। কিন্তু সন্দিকৈ কলেজৰ ৰাস্তাৰে অহাৰ ফলত সোণাপুৰ বাগিচাৰ পৰা আহৰণ কৰি অনা কমলাখিনিৰ সাৰ্থক ব্যৱহাৰ হয়। কাৰণ গোটেইখিনি কমলা সন্দিকৈ কলেজৰ ছাত্ৰীনিবাসলৈ দলিয়াই দিয়া হয়— যেন পুষ্প

সম্ভাৱেৰে দেৱীৰ বন্দনা। যেনেকৈ ফলৰ আহুতি প্ৰদানেৰে দেৱীৰ স্তুতি কৰি অধিকতৰ সাৰ্থকতাৰ সম্ভাৱনা তাত দেখা যায়।

সৰু-বৰ পৃথিৱীৰ সকলো আন্দোলন বা বিপ্লৱ যেনে ৰাছিয়াৰ বলচেভিক আন্দোলন, ফৰাছী বিপ্লৱ, ভাৰতৰ স্বাধীনতা আন্দোলন, অসমৰ "আছু" আন্দোলন ব্যৰ্থ হোৱাৰ দৰেই কটন কলেজৰ ইতিহাসত একমাত্ৰ মাচুল-বৃদ্ধিৰ বিপক্ষে আন্দোলন তথা অনশন ধৰ্মঘট ব্যৰ্থতাত পৰ্যবসিত হৈছিল। প্ৰয়াত ড° মহেন্দ্ৰ বৰা কটন কলেজ ষ্টুডেণ্ট ইউনিয়নৰ চেক্ৰেটাৰী হৈ থকাৰ সময়ত তেওঁৰ নেতৃত্বত আন্দোলন চলে। অনশন ধৰ্মঘটত অংশগ্ৰহণকাৰীসকলৰ ভিতৰত ডঃ দিলীপ বৰুৱা, শ্ৰীদুলাল খাউণ্ড, শ্ৰীদুলাল বৰুৱা, শ্ৰী সদা শইকীয়া, প্ৰয়াত সমৰ ব্ৰহ্ম চৌধুৰী, চৈয়দ মেৰাজ হুছেইন আদিকে ধৰি ত্ৰিছৰ অধিক ছাত্ৰই অনশন ধৰ্মঘটত অংশ লৈছিল। এগৰাকী সক্ৰিয় কৰ্মী হিচাপে নহয়, সহ-কৰ্মী হিচাপে মই অনশন ধৰ্মঘটকাৰীসকলৰ সংগ্ৰামত অংশ লৈছিলো। প্ৰয়াত জ্যেষ্ঠ মন্ত্ৰী সিদ্ধিনাথ শৰ্মা, প্ৰয়াত শিক্ষামন্ত্ৰী দেবেশ্বৰ শৰ্মাৰ (সেই সময়ত বোধকৰো কংগ্ৰেছ প্ৰেছিডেণ্ট) কূটনীতিগত তৎপৰতাত ধৰ্মঘটকাৰীসকলৰ প্ৰতি ৰাইজৰ সহানুভূতি শিথিল হৈ পৰিছিল। তেওঁলোকৰ বিচক্ষণ আশ্বাপ্ৰদান আৰু ব্যৰ্থক প্ৰতিশ্ৰুতিদানৰ ফলস্বৰূপে অনশনকাৰীসকলে অনশনৰ চতুৰ্থদিনা সন্ধিয়া অনশন ভঙ্গ কৰে। ১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্পৰ তাণ্ডৱদহনৰ পাছত ভাৰতবৰ্ষৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে পৰিস্থিতিৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনাৰ কাৰণে অসম ভ্ৰমণ কৰে আৰু গুৱাহাটীৰ জজ খেলপথাৰত বিৰাট জনসভাত ভাষণ দিয়ে। তেওঁ কয়, "প্ৰলয়ঙ্কৰী ভূমিকম্পত যিসময়ত দেশৰ দুৰ্দশা আৰু ৰাইজৰ দুঃখগ্ৰস্ততাৰ সীমা নোহোৱা হয়, তেনে সময়ত অসম দেশৰ যুৱক ছাত্ৰসকলে সৰ্বতোমুখী দুঃখগ্ৰস্ততাক সম্পূৰ্ণ আওকাণ কৰি অনশন ধৰ্মঘটৰ শয্যাত আত্ম বিস্মৃত হৈ আছে। এনে ধৰণৰ সৰ্বনাশী ভাষণ প্ৰধান মন্ত্ৰীৰ মুখৰ পৰা শুনাৰ পাছত কটন কলেজৰ আন্দোলনকাৰী তথা অনশন ধৰ্মঘটকাৰী ছাত্ৰসকলৰ প্ৰতি থকা ৰাইজৰ আংশিক সহানুভূতি বা সমৰ্থনৰ ওপৰত শ্মশানৰ ভস্মছাইৰ আস্তৰণ পৰি চিৰদিনৰ কাৰণে সিবোৰৰ বিলোপ ঘটায়। কটন কলেজীয়া জীৱনৰ দ্বিতীয় বৰ্ষৰ পৰাই সম্পূৰ্ণ অনুন্নত গাঁওৰ পৰা সৰ্বশ্ৰেষ্ঠ শিক্ষা তথা ডিগ্ৰী লোৱাৰ আকাঙ্ক্ষা বুকুত বান্ধি ওলাই অহা ল'ৰাটোৰ জীৱনত আমূল পৰিৱৰ্তন ঘটিবলৈ আৰম্ভ কৰে। ঊনবিংশ-বিংশ শতাব্দীত সংঘটিত বঙ্গদেশ তথা ভাৰতবৰ্ষৰ ৰেনেসাঁ (Renaissance) প্ৰধান ব্যক্তি ৰাজা ৰামমোহন ৰায় প্ৰমুখ্যে ৰবীন্দ্ৰ নাথ ঠাকুৰ, অবনীন্দ্ৰ নাথ ঠাকুৰ, নন্দ লাল বসুৰ সমূহ সৃষ্টি তথা বঙলা সাহিত্য, শিল্পকলা, সংস্কৃতি চিন্তা-চৰ্চাৰ লগত তেওঁৰ ঘনিষ্ঠ পৰিচয় ঘটে। সেই সময়ৰ বঙলা সাহিত্যৰ তথা শিল্পকলা-সংস্কৃতিৰ নিয়মীয়া আৰু ঘনিষ্ঠ অধ্যয়নে তেওঁৰ শৈশৱৰ পৰা সযত্নে লালিত হৈ অহা শিল্প-সৃষ্টিৰ উন্মাদনাক জীৱন কাঠিৰ স্পৰ্শত জগাই তোলে। তেওঁৰ উপলব্ধি হয়, এটাৰ পাছত এটা বহুতো ডিগ্ৰী লাভৰ দ্বাৰা নহয়, সৃষ্টিশীল কৰ্মৰ দ্বাৰা, শিল্পকলাৰ সাধনাৰ দ্বাৰাইহে এজনা ব্যক্তিৰ পূৰ্ণাঙ্গ, সৰ্বতোমুখী পৰিণতি প্ৰাপ্তি সম্ভৱ। তেওঁ নিজে এজন শিল্পীহে— গতিকে শিল্পীৰ কৰ্ম, শিল্পীৰ জীৱন আৰু সাধনা অবিহনে তেওঁৰ গত্যন্তৰ নাই।

অকল বেঙ্গল ৰেনেসাঁস নহয়। ভাৰতীয় পৰম্পৰাগত শিল্পকলা; ৰাজা ৰবি বৰ্মাকে আদি কৰি অমৃতা শ্বেৰ গীললৈকে আধুনিক কালৰ ভাৰতীয় শিল্পীসকলৰ সৃষ্টিৰ বিভিন্ন ৰূপাৰোপ তেওঁৰ একনিষ্ঠ দৃষ্টি আৰু চেতনাৰ ভিতৰত আহিবলৈ আৰম্ভ কৰে। আদিম

শিল্পকলা, জনজাতীয় শিল্পকলা, ইউৰোপীয় শিল্পৰ নানা আন্দোলন এই সকলোবোৰ তেওঁৰ কটন কলেজৰ জীৱনত ঘনিষ্ঠ অধ্যয়ন, অনুধাবন আৰু বোধৰ অঙ্গিভূত হয়। চল্লিছৰ দশকৰ শেষ পৰ্যায় আৰু পঞ্চাছৰ আৰম্ভণীৰ সেই দিনবোৰৰ গুৱাহাটী চহৰৰ যি দুই চাৰিখন কিতাপৰ দোকান আছিল সিবিলাকৰ ভিতৰত "কিতাপঘৰ"ত আৰ্টৰ কিতাপ ৰখা হৈছিল। বৃত্তিৰ যিখিনি টকা পাইছিল সেই ল'ৰাটোৱে তাৰ মুখ্য অংশ কিতাপঘৰৰ পৰা আৰ্টৰ কিতাপ কিনাত খৰচ কৰিছিল।

আজিৰ দিনত যেনেকুৱা, সেই যুগৰ কটনকলেজতো শিক্ষাৰ্থীসকলৰ বহুতে কম-বেছি পৰিমাণে দলগত আনুগত্য অনুসৰি সংক্ৰামিত আছিল। শুধ বগা ধুতি পাঞ্জাৱীৰে তাতোকৈও পৰিচ্ছন্ন চেহেৰা ব্যক্তিত্বৰ কংগ্ৰেছ সমৰ্থক নেতা শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াৰ বহু ভাষণ চুদমাৰ্চন হলত শুনিছো। দীঘলীয়া গুৱাহাটীৰ জীৱনত নানা প্ৰসঙ্গত যেতিয়াই চন্দ্ৰপ্ৰসাদ শইকীয়াৰ কাষ চাপিছো, তেওঁৰ সহজ পোনপটীয়া ব্যক্তিত্বত মুগ্ধ হৈছো। তেওঁৰ সেই বিশুদ্ধ ভাবমূৰ্ত্তি ইমান বছৰৰ পিছতো অকণো ম্লান পৰা নাই। এইটোৱে আচৰিত কথা অসমৰ সক্ৰিয় ৰাজনীতিৰ মঞ্চত তেওঁৰ কোনোদিনে অবতৰণ নঘটিল। তেনেকৈয়ে ষ্টুডেণ্টচ ' 'ফেডাৰেশ্যান''ৰ নেতা শ্ৰী ডঃ দেবপ্ৰসাদ বৰুৱা বামপন্থী ৰাজনৈতিক ৰঙ্গমঞ্চত অত্যন্ত সক্ৰিয় অবিসম্বাদীত নেতা আছিল। তেওঁৰ লগতে শ্ৰীদুলাল খাউণ্ড, বিষ্ণু খাউণ্ড বামপন্থী আন্দোলনত অত্যন্ত সক্ৰিয় আছিল। আচৰিত কথা এইবোৰ আত্মনিগ্ৰহজনক কাম-কাজত নিজক ব্যাপৃত ৰাখিও তেওঁলোক শিক্ষাগত দিশত অসাধাৰণ মেধাবী আছিল। একেধৰণে ডঃ দিলীপ বৰুৱা, শ্ৰীঅনিল শৰ্ম্মা, শ্ৰীসদা শইকীয়া চোছিয়েলিষ্ট পাৰ্টীৰ অবিসম্বাদীত সমৰ্থক আছিল। ব্যক্তিগতভাৱে, বামপন্থী ৰাজনীতিৰ প্ৰাচীৰ ভাঙি শতধাবিভক্ত হোৱাৰ আগলৈকে মই বামপন্থী আদৰ্শৰেই পোষকতা কৰিছিলো।

লেখক হিচাপে প্ৰয়াত শ্ৰদ্ধেয় যোগেশ দাস, শ্ৰীমেদিনী চৌধুৰী, শ্ৰীহোমেন বৰগোহাঞি ঔপন্যাসিক গল্পকাৰ হিচাপে সেইদিনাৰ পৰাই জাকতজিলিকা হৈ আছিছে। শাস্ত্ৰীয় সঙ্গীতত প্ৰীতিনাথ জোৱাৰ্দাৰ, প্ৰয়াত বন্ধু দেবেন শৰ্ম্মা আৰু হীৰেণ শৰ্ম্মা, আধুনিক গীত, লোকগীত তথা বনগীতত ড° লক্ষহীৰা দাস, শ্ৰীমতী গীতা দাস (বৰা), ড° বীৰেন্দ্ৰনাথ দত্ত ইমান বছৰৰ পাছতো ভাৱমূৰ্ত্তি অক্ষত ৰখাত সমৰ্থ হৈছে। শ্ৰীহোমেন বৰগোহাঞিক তেতিয়াৰ পৰাই বিশেষ কেটেগৰিত স্থান দি আছিছোঁ যাৰ লগত মোৰ সহমৰ্ম্মিতা সকলো সময়তে অনুভূত হয়। আজি মনত পৰি বিশেষভাৱে আপ্লুত হওঁ, ১৯৪৮-৪৯ চনত কলেজিয়েট হাইস্কুলত ওস্তাদ শ্ৰীযুক্ত খগেন্দ্ৰ নাথ দাসে পতা 'মিউজিক স্কুলত' প্ৰয়াত হীৰেণ শৰ্ম্মা, অধ্যাপক বন্ধু উপেন শৰ্ম্মাৰ লগতে ময়ো ভৰ্ত্তি হৈছিলো।

শ্ৰদ্ধেয় অধ্যাপকসকলৰ মাজত ইংৰাজীৰ অধ্যাপক প্ৰয়াত (?) চন্দ্ৰ কলিতাৰ ক্লাচ বৰকৈ মনত পৰে। পঢ়াবলৈ যাওঁতে তেওঁ প্ৰতিটো শব্দৰ শব্দাৰ্থ, শব্দৰ উৎস তদুপৰি শব্দৰ বৈয়াকৰণিক স্থিতি অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰি গৈছিল যিবোৰ ঐকান্তিক একাগ্ৰতা তথা মনোসংযোগ অবিহনে অনুধাৱন কৰা সম্ভৱ নাছিল। ' চন্দ্ৰ কলিতা ছাৰৰ ক্লাচ কৰি আহি সেই বিশেষ পাঠ সম্বন্ধে মোৰ প্ৰস্তুতি সামান্য ওপৰঞ্চি যত্নৰ পিছতে সম্পূৰ্ণ হৈ পৰিছিল। আমাৰ ৪ৰ্থ ব্লক চুপাৰিণ্টেণ্ডেণ্ট প্ৰয়াত শ্ৰদ্ধেয় দণ্ডেশ্বৰ গগৈ ছাৰ ইমানেই মৰমিয়াল আৰু বিচাৰশীল আছিল যে যথাৰ্থতে পিতৃৰ অনুপস্থিতিত তেওঁ আমাৰ অভিভাৱকেই আছিল।

আগতেই স্বীকাৰ কৰিছো মই সাংঘাতিক ধৰণে অন্তৰ্মুখী (Introvert) আছিলো। আজিও তাৰ ব্যতিক্ৰম নহয়। তেনে অৱস্থাত যৌৱনৰ প্ৰথম উদ্দামৰ সেই কলেজীয়া দিনবোৰৰ স্বাভাৱিক, স্বচ্ছন্দ, উষ্ণ উপভোগ মোৰ দ্বাৰা সম্ভৱ নাছিল। মই আছিলো সকলো মহত্তৰ সকলো সৌন্দৰ্যৰ তথা বৈচিত্ৰ্যৰ বেদনাদীৰ্ণ নীৰৱ আৰু গোপন দ্ৰষ্টা।

১৯৪৮ চনৰ কেনোবা দিনা পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ডিগ্ৰী লাভৰ মহতী আকাংক্ষা বুকুত বান্ধিলৈ কটন কলেজত প্ৰৱেশ কৰা অত্যন্ত অনুন্নত গাঁওৰ পৰা অহা সেই ল'ৰাটো ১৯৫২ চনৰ কোনো এদিন সকলো ডিগ্ৰীৰ প্ৰতি অনীহা লৈ শিল্পী হোৱাৰ অনিশ্চয় অভিযাত্ৰাত শান্তিনিকেতন পালেগৈ। ❑

যোগেন্দ্ৰ নাৰায়ণ গোস্বামী

সুৱদি সোঁৱৰণ

হাইস্কুলত পঢ়োঁতে পিছৰ জীৱনত বিখ্যাত হৈ পৰা কেইবাজনো লোকক আমি শিক্ষক হিচাপে পাইছিলোঁ। সিবিলাকৰ ভিতৰত বীৰেণ বৰকটকী, গোলোক ৰাজবংশী আৰু যজ্ঞেশ্বৰ হাতীবৰুৱাৰ নাম উল্লেখযোগ্য। এইসকলৰ ভিতৰত বৰকটকী ছাৰে আমাক বাতৰি কাকতত কাম কৰা অভিজ্ঞতা (তেওঁ "নতুন অসমীয়া" কাকতৰ সম্পাদনা বিভাগত কাম কৰিছিল) আৰু বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, বিৰিঞ্চি কুমাৰ বৰুৱা আদি বৰেণ্য ব্যক্তিসকলৰ কথা কৈছিল। সন্দিকৈ ডাঙৰীয়াৰ কথা তেওঁ বিশেষ উৎসাহেৰে কৈছিল। কটন কলেজৰ গৌৰৱপূৰ্ণ কথা বৰ্ণাই তেওঁ প্ৰায়ে কৈছিল, "পাৰিলে কটন কলেজত পঢ়িবা।"

১৯৫২ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজৰ কলা শাখাৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লিখালোঁ। থাকিবলৈ ঠাই পালোঁ কস্মপলিটান হোষ্টেল (এতিয়া সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাস)ত। এয়া মোৰ কাৰণে ঈশ্বৰে দিয়া সুবিধা যেন আছিল। কাৰণ, উপাচাৰ্য সন্দিকৈ ডাঙৰীয়াৰ বঙলা মই থাকিবলৈ ঠাই পোৱা ঘৰটোৰ পৰা দুৱাৰ-খিৰিকি মেলিলেই চকুত পৰে। মাজত ৰেল ষ্টেচনলৈ যোৱা আলিটো। ইমানদিনে

নাম-যশ শুনি থকা বিখ্যাত পণ্ডিত ব্যক্তিজনাক সদায় দেখাৰ সুবিধা পোৱাত মনটো আনন্দিত হৈ উঠিল। সেই সময়ত উপাচাৰ্য থকা সেই বঙলাটোৰ আগফাল মুকলি আছিল; টোলৰ পূব-উত্তৰ আৰু পশ্চিম-উত্তৰ চুকত দুখন গেট আছিল। এটা ধেনুভিৰীয়া বাটৰ মূৰ দুটা গেট দুখনত লাগিছিল। সন্দিকৈ ডাঙৰীয়াক দিনৰ ভাগত আগফালে দেখা নাযায়। নিতৌ সন্ধিয়া আধা ঘণ্টামান সময় তেওঁ সেই বাটটোৰেদি ইখন গেটৰ পৰা সিখন গেটৰ ওচৰলৈ অহা-যোৱা কৰি থাকে। জোনাক বা আন্ধাৰ বুলি কথা নাই, তেওঁৰ হাতত টৰ্চ এটা থাকিবই। এয়া আছিল সন্দিকৈৰ সান্ধ্য-ভ্ৰমণ ; প্ৰাতঃভ্ৰমণৰ সম্ভেদ চাৰি বছৰ কালৰ ভিতৰত নাপালোঁ। আমি আঁতৰৰ পৰা সেই বিশ্বখ্যাত পণ্ডিতজনাৰ চলমান মূৰ্তিটোকে চাইছিলোঁ। আন্ধাৰৰ সন্ধিয়াবিলাকত মাজে মাজে জ্বলি উঠা টৰ্চটোৰ পোহৰে নিৰ্দিষ্ট বাটটোৰেদি অহা-যোৱা কৰি থকা পণ্ডিতজনাৰ অস্তিত্বৰ উমান দিছিল।

কলেজত আমাক পঢ়োৱা অধ্যাপকসকল আছিল— অসমীয়া বিভাগৰ অতুল চন্দ্ৰ হাজৰিকা আৰু গিৰিধৰ শৰ্মা ; ইংৰাজী বিভাগৰ ভি.চি. দত্ত, চন্দ্ৰনাথ কলিতা, ৰায়হান ছাহ, তাৰিণীকান্ত ভট্টাচাৰ্য আৰু সুৰেন্দ্ৰমোহন দাস ; তৰ্কবিদ্যা আৰু দৰ্শন বিভাগৰ কনকচন্দ্ৰ দাস, প্ৰফুল্লপ্ৰাণ চাংকাকতী আৰু আব্দুল জেলিল ; সংস্কৃত বিভাগৰ ৰজনীকান্ত দেৱ শৰ্মা, বিনন্দ চন্দ্ৰ বৰ্মণ আৰু ডিম্বেশ্বৰ শৰ্মা (পিছত ডক্টৰ); পৌৰবিদ্যা পঢ়াইছিল দণ্ডেশ্বৰ গগৈ, আশ্ৰফ আলি আৰু ইক্ৰামুদ্দিন শইকীয়া —এইসকল ছাৰে। অসমীয়া বিভাগৰ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু আৰু বিনয়কুমাৰ চৌধুৰী, ইংৰাজী বিভাগৰ আনন্দেশ্বৰ শৰ্মাই আমাক পঢ়োৱা নাছিল। আমি চতুৰ্থ বাৰ্ষিকত থাকোঁতে কবি নৱকান্ত বৰুৱাই কলেজত যোগ দিছিল আৰু তেওঁ আমাক অনাৰ্ছৰ ক্লাছত ইলিয়টৰ কবিতা পঢ়াইছিল।

কটন কলেজৰ চাৰিবছৰ ছাত্ৰ হৈ থকা কালছোৱাত গুৱাহাটী বুলিলে উজানবজাৰ, পাণবজাৰ, পল্টন বজাৰ আৰু ফাঁচীবজাৰকে বুজোৱা হৈছিল। বশিষ্ঠলৈ যাবলৈ নিজা প্ৰস্তুতি লাগিছিল। আজি মহানগৰখনৰ অন্তৰ্ভুক্ত হৈ পৰা বহুত ঠাই তেতিয়া আছিল হয় জনশূন্য, নহয় লেখত নপৰা ঠাই। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে উজানবজাৰৰ পানী-কললৈকে ফুৰিবলৈ যোৱাটো প্ৰায় লোকৰে অভ্যাস আছিল, আমাৰো আছিল।

সেই সময়ত গুৱাহাটীত কলেজ আছিল তিনিখন, তাৰে দুখন পূৰ্ণাঙ্গ— কটন কলেজ আৰু সন্দিকৈ গাৰ্লছ কলেজ। তৃতীয়খন কলেজ বি বৰুৱা কলেজ। এই কলেজৰ নিজা ঘৰ-মাটি নথকাত কামৰূপ একাডেমীতে ইয়াৰ কাম চলিছিল; আবেলিৰ পৰা কলেজ বহিছিল। ইয়াৰ ছাত্ৰসকল আছিল চাকৰিয়াল। এই কলেজৰ অধ্যক্ষ হেম বৰুৱাই কৈছিল তেওঁৰ কলেজৰ ছাত্ৰই বিদ্যা উপাৰ্জন কৰিবলৈ ধন ঘটে— "They earn to learn". হেম বৰুৱাৰ ইংৰাজী কবিতা পঢ়োৱাৰ সুখ্যাতিয়ে কটন কলেজৰ বহু ছাত্ৰক আকৰ্ষণ কৰিছিল।

প্ৰথম নৱাগত আদৰণি সভাৰ স্মৃতি বৰ্তমানে কিছু ধূৱলি-কুঁৱলি হ'লেও এটা কথা মোৰ মনত আছে। পুৰণি ছাত্ৰসকলে (নিৰ্বাচিত বক্তা) কটন কলেজৰ সুনাম অক্ষুণ্ণ ৰাখিবলৈ নতুন ছাত্ৰসকলক সকীয়াই দি কৈছিল যে এই কলেজে ভাল মানুহ, গুণী-বিদ্বান লোক সৃষ্টি কৰি আহিছে। এজন নৱাগত তৃতীয় বাৰ্ষিকৰ ছাত্ৰই (নামটো পাহৰিছোঁ) তেওঁৰ বক্তব্যত কৈছিল যে ভাল মানুহৰ লগতে এই কলেজে পিছে দুষ্ট-দগাবাজকো সৃষ্টি কৰিছে (It has created scoundrels too.)। তেওঁৰ নিভীক মন্তব্যত সমজুৱাৰ মাজত হাঁহিৰ ৰোল খলকনি তুলিছিল। সভাৰ সভাপতিৰ আসনত বহি থকা অধ্যক্ষ

ড° হিৰণ্যকুমাৰ ভূঞা আৰু মুখ্য অতিথিৰ আসনত বহি থকা ড° সূৰ্যকুমাৰ ভূঞাৰ মুখমণ্ডলো হাঁহিৰ পোহৰে উজলাই তুলিছিল।

সেই বছৰৰে কথা। ছুদমাৰ্ছন হলত কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে শঙ্কৰদেৱৰ তিথি পাতিছে। কালীনাথ শৰ্মা ছাৰে (পিছত ডক্টৰ) কীৰ্তন পাঠ কৰিছিল। তেখেতৰ সুশ্ৰাব্য সুৰে পৰিবেশটো পৱিত্ৰ কৰি তোলা যেন লাগিছিল। চন্দ্ৰনাথ কলিতা ছাৰৰ বক্তৃতাই সমজুৱাক মুগ্ধ কৰিছিল। কলেজত পঢ়াকালত ভাদমহীয়া তিথি চাৰিবাৰ পাইছিলোঁ ; হোষ্টেলত ৰাতি তিথি উপলক্ষে নাম-কীৰ্ত্তন হৈছিল। নাগাৰা নামৰ ধ্বনিয়ে চৌদিশ মুখৰিত কৰি তুলিছিল। গাঁৱৰ তিথিত নোপোৱা সোৱাদ তেতিয়া পোৱা যেন লাগিছিল।

অধ্যক্ষ হিচাপে আমি ড° হিৰণ্যকুমাৰ ভূঞাদেৱক পাইছিলোঁ। অতি গহীন স্বভাৱৰ ড° ভূঞাদেৱৰ দুচকু প্ৰতিভাৰ পোহৰেৰে উজলি থকা যেন লাগিছিল। আমি তৃতীয় বাৰ্ষিকত থাকোঁতে তেওঁ ডি. পি. আই. হৈ ছিলঙলৈ যায় আৰু উপেন্দ্ৰ চন্দ্ৰ দত্ত অধ্যক্ষ হয়।

নৱাগত আদৰণি সভা, মাজে মাজে অনুষ্ঠিত হোৱা আলোচনা চক্ৰ, তৰ্ক সভা আদিৰ স্মৃতিয়ে মোক আজিও মনত আনন্দ দিয়ে। সেই সময়ত গুৱাহাটীত অনুষ্ঠিত হোৱা উল্লেখনীয় কোনো অনুষ্ঠানেই পৰাপক্ষত মই বাদ দিয়া নাছিলোঁ। হৰি-সভাত হোৱা কেইবাটাও অনুষ্ঠান, কুমাৰ ভাস্কৰ নাট্য মন্দিৰত হোৱা নাট্যাভিনয়, কাৰ্জন হল (নবীন চন্দ্ৰ বৰদলৈ হল)ত অনুষ্ঠিত হোৱা সবিতা সভাৰ কেইবাখনো সভা উল্লেখযোগ্য। সবিতা সভাৰ বৈঠকতে ঔপন্যাসিক দৈৱ চন্দ্ৰ তালুকদাৰ, বিহগী কবি ৰঘুনাথ চৌধাৰী আদি বৰেণ্য সাহিত্যিকসকলক দেখিছিলোঁ। এবাৰ তাৰে এখন সভাত শেৱালি কবি ৰত্নকান্ত বৰকাকতীদেৱকো দেখিছিলোঁ। গুৱাহাটীত বাস কৰা প্ৰায়বিলাক বিশিষ্ট লোকৰ ঘৰলৈ মই গৈছিলোঁ। কবি নলিনীবালা দেৱী, ড° সূৰ্যকুমাৰ ভূঞা, কামাখ্যাৰাম বৰুৱা, গৌৰীকান্ত তালুকদাৰ সেই সকলৰ অন্যতম। আৰামী চকীত বহি থকা জ্ঞানদাভিৰাম বৰুৱাদেৱক বাটৰ পৰা দেখিছিলোঁ।

নিজাকৈ ঘৰ-দুৱাৰ নোহোৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সভা তেতিয়া ছুদমাৰ্ছন হলত বহিছিল। বাৰম্ন চনৰ এদিন (মাহটো পাহৰিলোঁ) এই সভা বহিব বুলি শুনি আমি দুজন ছাত্ৰ ছুদমাৰ্ছন হলৰ সন্মুখৰ বাটৰ কাষত গোট খাইছিলোঁ; আমাৰ উদ্দেশ্য আছিল— বিশ্ববিদ্যালয় আচাৰ্য জয়ৰাম দাস দৌলতৰাম (অসমৰ ৰাজ্যপাল), উপাচাৰ্য সন্দিকৈকে ধৰি বিখ্যাত লোকসকলৰ দৰ্শন লাভ। দুগৰাকী লোকে সঘনে প্ৰশ্ন কৰা যেন লাগিছিল (বাটৰ পৰা শুনামতে)। পিছত গম পাইছিলোঁ সেই দুগৰাকী লোক আছিল অধ্যক্ষ হেম বৰুৱা আৰু মহেশচন্দ্ৰ দেৱ গোস্বামী। সেইদিনা সন্দিকৈ ডাঙৰীয়াক ভালকৈ দেখা পাইছিলোঁ।

সদৌ অসম সঙ্গীত সম্মিলনীৰ প্ৰথম তিনিখন অধিবেশন গুৱাহাটীৰ জজ খেল পথাৰত বহিছিল। এই অনুষ্ঠানৰ প্ৰাণ-স্বৰূপ আছিল আধুনিক অসমৰ অন্যতম খনিকৰ ৰাধাগোবিন্দ বৰুৱা। বিখ্যাত শাস্ত্ৰীয় সঙ্গীতজ্ঞ বিনায়ক পটবৰ্ধন, প্ৰসিদ্ধ তবলা বাদক শান্তা প্ৰসাদ আদি কেইবাগৰাকীও ভাৰত বিখ্যাত শিল্পীক এই অনুষ্ঠানতে দেখা পাইছিলোঁ। ইয়াতে অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে পৰিবেশন কৰা বৰগীতো শুনাৰ সৌভাগ্য হৈছিল।

অসম গণ-নাট্য সম্মিলনৰ অধিবেশনত ঢোলৰ যাদুকৰ মঘাই ওজাৰ ঢোল-বাদন শুনিবলৈ পাইছিলোঁ। প্ৰখ্যাত চিনেমা-অভিনেতা বলৰাজ চাহনীক এই অনুষ্ঠানতে দেখাৰ

সৌভাগ্য হৈছিল। আমি পঢ়ি থকা কালতে গুৱাহাটীত বন-ফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ অধিবেশন বহিছিল। স্বেচ্ছাসেৱকসকলৰ ভিতৰত ময়ো আছিলোঁ।

মই তেতিয়ালৈকে শ দাহ কৰা দেখা নাছিলোঁ। মোৰ প্ৰথম শৱ-দাহ দৰ্শন হয় ১৯৫২ চনৰ ১৫ নবেম্বৰ তাৰিখে। সেইদিনা পণ্ডিত ড° বাণীকান্ত কাকতি ডাঙৰীয়াৰ আকস্মিকভাৱে প্ৰয়াণ ঘটিল। দুজনমান বন্ধুৰে সৈতে সেই মহান পণ্ডিতজনাৰ শৱ-যাত্ৰাত যোগ দি দহন-থলীলৈকে গৈছিলোঁ। দহন কাৰ্য তদাৰক কৰা ড° বিৰিঞ্চি কুমাৰ বৰুৱাই কাষতে থকা কামৰূপৰ উপায়ুক্ত বি. কাপুৰক কৈছিল, "This is human life." কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীনাথ চক্ৰৱৰ্তী ঢুকাওঁতে তেওঁৰ শৱ-দহন থলীতো উপস্থিত আছিলোঁ।

সেই সময়ত কটন কলেজ আছিল বৰ অসমৰ নতুন পুৰুষৰ মিলনথলী। এতিয়াৰ নগাৰাজ্য, মিজোৰাম আৰু মেঘালয়ৰ ছাত্ৰ-ছাত্ৰী ইয়াত পঢ়িবলৈ আহিছিল; নেফা (এতিয়াৰ অৰুণাচল) আৰু মণিপুৰৰ ছাত্ৰ-ছাত্ৰীও আহিছিল। উত্তৰ-পূব ভাৰতৰ এই প্ৰখ্যাত উচ্চশিক্ষাৰ অনুষ্ঠানটো আছিল পৰ্বত আৰু ভৈয়ামৰ মিলন সেতু স্বৰূপ।

মাণিক চন্দ্ৰ বৰুৱাকে মুখ্য কৰি কেইগৰাকীমান দূৰদৰ্শী দেশ হিতৈষী পুৰুষৰ প্ৰচেষ্টাত প্ৰতিষ্ঠিত হোৱা কটন কলেজে আজি শতবৰ্ষ অতিক্ৰম কৰিছে। ইয়াতে শিক্ষা লাভ কৰা বহুজন ছাত্ৰ পিছৰ জীৱনত দেশৰ শাসক, প্ৰখ্যাত পণ্ডিত, সাহিত্যিক, শিল্পী আদি হৈছে। গোপীনাথ বৰদলৈ, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, হেম বৰুৱা, ড° ভবেন্দ্ৰ নাথ শইকীয়া, হোমেন বৰগোহাঁই আদি কেইটিমান নাম মাত্ৰ এই ক্ষেত্ৰত উল্লেখ কৰা হৈছে।

মহৎ ঐতিহ্যসম্পন্ন কটন কলেজৰ সহস্ৰ সহস্ৰ ছাত্ৰৰ মাজত ময়ো এজন আছিলোঁ এই কথা ভাবি মই আজি পুলকিত হৈ পৰিছোঁ। ❑

ভোলা গগৈ

কটন কলেজৰ ডুখৰীয়া স্মৃতি

অনাৰ্চৰ ক্লাচ আৰম্ভ হোৱা এমাহ্ পাৰ হৈ গ'ল। তেতিয়াও চাৰে সাৱধান বাণীটো শুনাবলৈ বাদ দিয়া নাই। "ফিজিক্সত অনাৰ্চ লোৱা আৰু আন বিষয়ত অনাৰ্চ লোৱাৰ মাজত পাৰ্থক্য আছে। ফিজিক্সৰ অনাৰ্চ ক'ৰ্চ আৰু পাছ্ ক'ৰ্চ সম্পূৰ্ণ বেলেগ বেলেগ। গতিকে, শেহৰ পিনে অনাৰ্চ ৰক্ষাৰ সামৰ্থ্য হেৰালে পাছ্ ক'ৰ্চত বি-এছ্-চি পৰীক্ষা দিব পৰা নহ'ব। আৰম্ভণিতে সিদ্ধান্ত পুনৰ্বিবেচনা কৰা উচিত হ'ব।" বিভাগটোৰ মুৰব্বী হিচাপে চন্দ্ৰকান্ত দাস ছাৰে, পূৰ্বৰ অভিজ্ঞতাৰ আধাৰত, ফিজিক্স অনাৰ্চ ক্লাচত আমাৰ নাৰ্ভ জোকাৰি চাইছিল। কাৰেণ্ট ইলেকট্ৰিচিটিৰ নোটখিনি ব'ৰ্ডত তীব্ৰ বেগত লিখি উঠি আমাৰ পিনে কৌতূহলেৰে লক্ষ্য কৰি ফিজিক্স অনাৰ্চৰ বিশিষ্টতা আৰু জটিলতা সোঁৱৰাই দিছিল। পৰিণামত, আমি চৈধ্যজনৰ বাদে বাকীবিলাকে নতুন বিল্ডিংটোৰ ওপৰ মহলাৰ পশ্চিম কিনাৰৰ কোঠাটোৰ পৰা এজন এজনকৈ মেলানি মাগিলে। এটা পৰ্য্যায়ত ছাত্ৰ সংখ্যা সুস্থিৰে থকা দেখি চাৰে উৎসাহ যাচিলে— "তোমালোকে নিশ্চয় পাৰিবা; চলাই যোৱা"

কটন কলেজৰ চাৰিবছৰীয়া জীৱনত (১৯৫৪-১৯৫৮) আত্মবিশ্বাসৰ পৰীক্ষা কেইবাবাৰো হৈছিল। প্ৰত্যেক বাৰতে উত্তীৰ্ণ হ'ব পাৰিছিলো। ফিজিক্স অনাৰ্চ ক্লাচত

হোৱা পৰীক্ষাৰ টেনশ্যনত ভাগি নপৰিলো। কনক ডেকা, পুলিন দত্ত, চঞ্চল চেটাৰ্জী, আদি কৃতী ছাত্ৰৰ লগতে মই দৃঢ়তা অৱলম্বন কৰিলো। বংশীৰাম দাস, গোবিন্দ চন্দ্ৰ ডেকা, কমলেন্দু দেৱ ক্ৰোৰী, বীৰেন্দ্ৰ কুমাৰ বৰুৱা, শিৱপ্ৰসাদ শৰ্মা ঠাকুৰ, হৰিদেৱ গোস্বামী আদি পৰম শ্ৰদ্ধেয় চাৰসকলৰ উদগনি আৰু সহৃদয়তাই মোৰ সিদ্ধান্ত স্থিৰেৰে ৰাখিলে। মানচেষ্টাৰ ইউনিভাৰচিটিৰ অন্তৰ্গত মানচেষ্টাৰ কলেজ অৱ চায়ন্স এণ্ড টেকন'লজী বিল্ডিঙৰ G-15 কোঠাত এক্সৰে কৃটেল'গ্ৰাফীৰ জটীয়া বিষয় এটাৰ লগত সংগ্ৰাম কৰা কালত (১৯৬৪-১৯৬৮) প্ৰয়োজন হোৱা আত্মবিশ্বাস আৰু ধৈৰ্য্য অনাৰ্চ ক্লাচৰ আৱৰ্জণিত আহৰণ কৰা খিনিৰ পৰা বিচাৰি উলিয়াইছিলো। জালুকবাৰীৰ অসম ইঞ্জিনীয়াৰিং কলেজত আৰু যোৰহাট বিজ্ঞান কলেজত অধ্যাপনা কৰোতে ছাত্ৰ-ছাত্ৰীক আগবঢ়োৱা অনুপ্ৰেৰণা কটন কলেজৰ অৰ্হতা সমৃদ্ধ, গুণী-জ্ঞানী ছাৰসকলৰ আদৰ্শই যোগান ধৰিছিল।

বৰ্ত্তমান অৱসৰৰ পিচত জীৱনৰ ডুখৰীয়া স্মৃতিবোৰ ৰোমন্থন কৰোতে কটন কলেজৰ খিনিয়ে প্ৰাধান্য লাভ কৰা অনুভৱ কৰিছোঁ। শতবাৰ্ষিকী উদযাপনৰ বাতৰিয়ে সেইখিনি অধিক উতলা কৰিছে। সেয়েহে, ফিজিক্স অনাৰ্চত আৰম্ভ কৰি তাৰে অংশ বিশেষ পাঠকলৈ আগবঢ়োৱাৰ উচপিচনি সম্বৰণ কৰিব নোৱাৰিলো।

গুৱাহাটী গৈ পোৱা দিনাই আবেলি ফুৰিবলৈ ওলাওঁতে শুক্ৰেশ্বৰ ঘাটত জীৱনত প্ৰথম মহাবাহু ব্ৰহ্মপুত্ৰ দৰিশন কৰিলো। ব্ৰহ্মপুত্ৰৰ বানে আমাৰ জকাইচুক প্ৰতিবছৰে সাগৰ-সংকাশ কৰি থকা দেখিছিলো যদিও আৰু চিৰি লুইতত কিৰিলি পাৰি নাও মেলি যোৱা ডেকাটিৰ লগত মিতিৰালি থাকিলেও মহানদখনৰ সমীপ পোৱা নাছিলো। ঘাটত খন্তেক পশ্চিমলৈ চকু আৰু কাণ দিওঁতে 'শৰাইঘাটৰ সুবচনি' ভাঁহি অহা অনুভৱ কৰিলো। এই অনুভৱে মোক কৰ্ত্তব্যনিষ্ঠ কৰিলে। অনাৱশ্যকীয় কামত নালাগিলো। সেয়েহে, চাৰিটা বছৰে এবাৰো অধ্যক্ষৰ কোঠাত প্ৰৱেশ কৰিবলৈ নহ'ল।

ক্লাচ আৰম্ভ হোৱাৰ পূৰ্বে মই কিছুদিন হাফপেণ্টৰ মোহ এৰিব নোৱাৰিছিলো। হোষ্টেলৰ জ্যেষ্ঠ আৱাসী এজনে এদিন সতৰ্ক কৰি দিয়াতহে পিন্ধনত সাৱধান হলো। সেইদিনত পাইজামাৰে কলেজলৈ যোৱা ছাত্ৰ অনেক আছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সুদীৰ্ঘ, সুপ্ৰস্থৰ পাঞ্জাবীৰ আৰ্হিত কেইজনমানৰ পায়জামা অতিকায় আছিল। মোৰ কেইটা অৱশ্যে চকুতলগা নাছিল।

ফিজিক্স ক্লাচৰ পৰা ব'টানি ক্লাচলৈ দৌৰোতে কলেজৰ কঠিনখনক নিন্দা কৰিছিলো। পাৰদৰ্শী অধ্যাপক শিৱ ঘোষ আৰু দুজনমানে সেইখন প্ৰস্তুত কৰিছিল হেনো। ক্লাচত দেৰিকৈ প্ৰৱেশ কৰা পৰিঘটনাতে হ'বলা ব'টানিৰ অধ্যাপক শৈলজানন্দ ভৰালী ছাৰৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। ষ্টেটিষ্টিকচৰ ছাৰ ননীধৰ কলিতাৰ লগতো এনে পৰিস্থিতিতে মোৰ অধিক সান্নিধ্য ঘটিছিল। ফিজিক্স অনাৰ্চৰ ছাত্ৰই ষ্টেটিষ্টিকচ ক্লাচলৈ ইচ্ছাকৃতভাৱে দেৰি কৰে বুলি ধাৰণা এটা আছিল। এদিন আমাৰ বেচ দেৰি হোৱাত ছাত্ৰী গৰাকী আৰু মোৰ বাদে বাকীবিলাকে অনুমতি বিচৰাৰ প্ৰয়াস নকৰিলে। আমি দুয়ো কলিতা ছাৰৰ ক্লাচত অগাপিছাকৈ প্ৰৱেশ কৰিবলৈ গৈ বিকৰ্ষণৰ সন্মুখীন হলো। কাণমূৰৰ গৰমত মই হোষ্টেলমুৱা হওঁতে ইভা ভূঞাক কেণ্টিনৰ বাৰাণ্ডাত উচুপি থকা দেখিলো।

কলেজৰ পশ্চিম কোঠাত (W) ডি. চি. দত্ত ছাৰক ইংৰাজী গ্ৰামাৰৰ কথা এটা সোধোতে তেখেতে কাণ পোন কৰি Pardon বোলাত মই বহি পৰিলো; ক্ষমা কৰিবলৈ মই কোন? পিচতহে শব্দটোৰ প্ৰয়োগ বুজি পাইছিলো। ইংৰাজী ক্লাচত সচৰাচৰে চলা

হুলস্থুলত মোৰ অৱস্থা ধৰা নপৰিল। মূৰত মথুৰা পাগেৰে ইংৰাজী পঢ়াবলৈ অহা চন্দ্ৰ কলিতা চাৰে Stories and Sketchesৰ পৰা, 'You see, in Ramayana....' বুলি লংকাকাণ্ড পাওঁতে আমি আমোদ পাইছিলো। সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকা ছাৰৰ শুভ্ৰ বগা ধুতি, পাঞ্জাবী আৰু চাদৰখন আৰু হাস্যৰসখিনি আমাৰ আকৰ্ষণৰূপে পৰিগণিত হৈছিল। নাটক এখনৰ চৰিত্ৰ বিশ্লেষণ কৰোঁতে এদিন পদ্মনাথ গোহাঞি বৰুৱাৰ বৃদ্ধ বয়সত পৰকিতি লৰিছিল বুলি ছাৰে ধেমালিতে দিয়া মন্তব্যটোৱে মোক পৰীক্ষাত ভাল নম্বৰ পোৱাত সহায় কৰিছিল। ব'টানিৰ প্ৰেকটিকেলত প্ৰস্থচ্ছেদ কাটি দেখুৱাওঁতে সততে Thick and oblique বোলা কথাষাৰৰ পৰা উদ্ধাৰ নাপাইছিলো। কেমিষ্ট্ৰি প্ৰেকটিকেল যিমান নিষ্ঠাৰে নকৰক লাগে, পৰীক্ষাত বীয়েৰাৰৰ টেষ্টত শৰণাপন্ন হ'ব লাগিব বুলি দীক্ষা দিয়া হৈছিল। আই-এছ-চিৰ পৰীক্ষাত mercuric chlorideএ মোক যি পানী খুৱালে, তাৰ পাৰ্শ্ব চাপ এতিয়াও অনুভৱ কৰোঁ। গণিতৰ অধ্যাপক বিনয় কুমাৰ তামুলী ছাৰৰ শিকন পদ্ধতি মানৱীয় গুণে আমাক মুগ্ধ কৰিছিল। কেমিষ্ট্ৰিৰ মহেশ চন্দ্ৰ ভূঞা ছাৰে যোৰহাটলৈ স্কুল ইন্সপেক্টৰ হৈ আহোতে এদিন মোক মোৰ কলেজৰ ৰোল নং এটা মনত পেলাই দেখুৱালে। ছাৰৰ এই প্ৰখৰ স্মৃতি শক্তিৰ প্ৰতাপত ছাত্ৰ-ছাত্ৰী বাচি যাব নোৱাৰিছিল।

কটন কলেজৰ ছাত্ৰ হিচাপে মই দুটা ক্ষেত্ৰত অনুতপ্ত। প্ৰথমটো হ'ল, কলেজৰ উৎসৱবোৰত এচাম ছাত্ৰৰ কিৰিলি। এই কিৰিলিত গণ্য মান্য বিশিষ্ট অতিথিয়ে কেতিয়াবা সভাগৃহ ত্যাগ কৰিবলগীয়া পৰ্য্যায় আহিছিল। দ্বিতীয়টো হ'ল, নতাশিল পুলিচ আউট পষ্টত উদণ্ডৰ আতিশয্য।

কটন কলেজৰ ৩নং মেচৰ মুকলি গা ধোৱা ঘৰটোত ৰখা তলি ফুটুৱা সৰু বাল্টি কেইটা, পেটৰ অসুখত হস্পিতেলৰ পৰা অনা ৰঙীন মিক্সাৰৰ দাগ কটা বটল কেইটা, মাৰ্কেটিং অফিচাৰে হিচাপ মিলাই গেঞ্জী লাভ কৰা পৰম্পৰাটো, ৰজনীকান্ত দেৱ শৰ্মা চুপাৰ ছাৰৰ গছৰ পৰা কেনেবাকৈ অহা কঁঠালটো, সকলোৰে সম্মুখত ওলোমাই কটা খাহীকেইটা, সৰস্বতী পূজাৰ প্ৰতিযোগিতাত প্ৰথম হোৱা তোৰণখন আৰু পুঠিমাৰীৰ বিভিন্ন উচ্চাৰণৰ ঠাকুৰ কেইটা পাহৰিব নোৱৰা মানস সম্পদ।

বাহুল্যৰ ডৰত স্মৃতিৰ পটত জিলিকা বাকীবোৰ ছবি গোপনে ৰাখিলো। জীৱনৰ এই পৰত কটন কলেজৰ প্ৰতিটো মুহূৰ্ত আৰু মূৰ্চ্ছনা মধুৰ আছিল যেন লাগিছে। ❑

লুম্বেৰ দাই

কটন কলেজৰ সোঁৱৰণী

মোৰ আশা কম আছিল ছীট পোৱাৰ। কিয়নো মোৰ মেট্রিক পৰীক্ষাৰ নম্বৰ কটন কলেজৰ নির্দ্দিষ্ট মানৰ তলত। বীৰেনদাই (ডক্টৰ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য) কৈছিল যে নেফাৰ ছাত্র-ছাত্রী কটন কলেজত নায়েই বুলি ক'ব পাৰি। গতিকে মোৰ কাৰণে বিশেষভাৱে বিবেচনা কৰি দিব পাৰে। ক্ষীণ আশা লৈ চুডমার্চন হলত ইণ্টাৰভিউৰ বাবে ৰহিলো। বিশেষ একো সোধ-পোছ নকৰিলে। ছীট পাই ভর্ত্তি হ'লো কলেজত।

এতিয়া হোষ্টেলৰ ছীটৰ বাবে চিন্তা কৰিবলগীয়া হ'ল। পাছিঘাটৰ পৰা গৈ পোনে পোনে বীৰেনদাৰ তালৈ গ'লো। তেখেতে তেখেতৰ চেনীকুঠীৰ ভাৰা ঘৰত হোষ্টেলৰ ছীট্ নোপোৱালৈকে তেখেতৰ লগতে থাকিবলৈ ক'লে। গতিকে তেখেতৰ পৰা মই দিহা-পৰামর্শ পাই আছিলো। তেখেতে ক'লে যে ট্রাইবেল ল'ৰাবিলাকে সাধাৰণতে ডী. এচ. হোষ্টেলতে থাকে আৰু ক'লে যে হিন্দু হোষ্টেলৰ থার্ড মেছত পালে বেছি ভাল হয়। বীৰেনদাৰ পৰা চিঠি এখন লৈ মই হোষ্টেলৰ চুপাৰভাইজাৰ তাৰিণী মোহন শর্ম্মাৰ ঘৰলৈ গ'লো। তেখেতে ছীট্ পোৱাৰ আশা দিলে। পালোওঁ। দুমাহৰ পিছত বীৰেনদা আৰু পুনু বাইদেউৰ (শ্রীমতী বিনীতা ভট্টাচার্য্য) পৰা বিদায় লৈ থার্ড মেছত সোমালো।

নেফাৰ পৰা অহা একমাত্ৰ ল'ৰা বুলিয়েই নেকি ক'ব নোৱাৰো, হোষ্টেলৰ ল'ৰাবিলাকে মোক আদৰ কৰিছিল। অৱশ্যে 'সাপ্তাহিক জনমভূমি'ৰ মইনা চ'ৰা'ৰ শিতান আৰু 'ৰামধেনু' নিয়মীয়াকৈ পঢ়া ল'ৰা কিছুমান মোৰ নামটোৰ লগত পৰিচিত আছিল। মই অনিচ্ছা ব্যক্ত কৰাত 'ৰেগিঙ'তো জোৰ কৰা নাছিল। কিন্তু কলেজৰ প্ৰাঙ্গনত মই বহুতৰ অচিনাকী আছিলো। এদিন শ্ৰেণীত 'হাজৰিকা' বোলা চুটি চাপৰ ক'লা বৰণীয়া ল'ৰা এজন আৰু মই একেলগে একেখন বেঞ্চত বহি আছিলো। বেঞ্চখনত বহা ঠাই নাটে কাৰণে ল'ৰাবিলাক ঠেকাঠেকিকৈ বহি আছিল। মই এফালৰ মূৰত বহি আছিলো। সিফালৰ মূৰৰ ল'ৰাজনে .হাজৰিকাক মোৰ ফালে হেঁচি বহিবলৈ ক'লত হাজৰিকাই ক'লে, "ই নাযায় নহয়।"

"হাজৰিকা, 'ই' মানে কি?" মই প্ৰতিবাদ কৰি ক'লো।

"ই মানে সমনীয়া", হাজৰিকাই ক'লে অৰ্থাৎ (সমনীয়াৰ ক্ষেত্ৰত 'ই' ব্যৱহাৰ কৰে।)

"আমি দুজনৰ মাজত কোনো সম্বন্ধই নাই আৰু মোক আপুনি চিনিয়েই নাপায়— মই কেনেকৈ আপোনাৰ সমনীয়া হ'লো? এওঁ বুলি কওক।"

হাজৰিকা মনে মনে থাকিল।

হাজৰিক্যৰ দল এটা আছিল। এই দলৰ ল'ৰাবিলাকে কেতিয়াবা পিছৰ বেঞ্চত বহি ভাল নলগা অধ্যাপকৰ লেকচাৰবোৰ ভঙ্গ কৰিবৰ চলেৰে কিবাকিবি মাত মাতিছিল। এবাৰ অসমীয়া পাঠ্য পঢ়াই থাকোতে এই দলৰ এজন ল'ৰাই মেকুৰীয়ে কন্দাৰ মাত মাতিলত বিনয় চৌধুৰী ছাৰে ল'ৰাজনক উঠিবলৈ ক'লে। তেখেতে জনা নাছিল কোনজনে মাতটো মাতিছিল। কোনো নুঠিলত তেখেতে নিজে নিজে কৈ উঠিল, "একো নাজন, মেকুৰী পোৱালী হবলৈ আহিছ।" এইবিলাক ল'ৰাই ছোৱালীবিলাক শ্ৰেণীৰ ভিতৰত সোমোৱাৰ আগতে ব্লেকবৰ্'ডত দীপালী বৰঠাকুৰৰ গান "সময় পালে আমাৰ ফালে এবাৰ আহি যাবা" আৰু তেওঁ গোৱা আন গানবোৰ লিখি থৈ দিয়ে। দীপালী বৰঠাকুৰ আমাৰ সহপাঠিনী আছিল। কিন্তু দীপালী বৰঠাকুৰে নিজে ব্লেকবোৰ্ডলৈ চাবলৈ সময় পাইছিল নে নাই ক'ব নোৱাৰো— কাৰণ অধ্যাপক শ্ৰেণীলৈ সোমোৱাৰ আগে আগেহে ছোৱালীবিলাক সোমাইছিল। আমাৰ সময়ৰ ছোৱালীবিলাক অলপ লাজুকী লাজুকী যেন দেখা গৈছিল। অধ্যাপক নহালৈকে তেওঁলোক দুৱাৰৰ ওচৰত বাৰাণ্ডাতে ৰৈ থাকে। হাজৰিকাৰ দলটো ছোৱালীবোৰ থিয় হৈ থকা বেৰৰ ভিতৰফালে থিয় হৈ থাকে। এদিন অধ্যাপকজন বিশ মিনিট পাৰ হৈ যোৱাৰ পাছতো অহা নাছিল। তেনেতে দীপালী বৰঠাকুৰে হাজৰিকাক সুধিলে ছাৰ নাহে নেকি বুলি। হাজৰিকাই ক'লে— "নাহে, বিশ মিনিট পাৰ হৈ গ'লেই।" ছোৱালীবিলাক গুচি যোৱাৰ পিছত হাজৰিকাই আনন্দতে জঁাপ মাৰি উঠি ক'লে, "দীপালীয়ে আজি মোৰ লগত কথা পাতিলে।" এজন গহীন গম্ভীৰ ধৰণৰ ল'ৰাই নাহেকৈ মন্তব্য কৰিলে, "আপুনি বৰ ভাগ্যবান।"

আন এদিন হাজৰিকাৰ এটা অপমানজনক মন্তব্য মোৰ কাণত পৰিল। কটন কলেজৰে নগা ছোৱালী দুজনী পাণবজাৰৰ পৰা আৰ্টচ বিল্ডিঙৰ বিপৰীত ফালে কলেজলৈ আহি আছিল। ছোৱালী দুজনীয়ে নিজৰ পোছাক অৰ্থাৎ মেখেলাৰ দৰে টিলাকৈ পিন্ধা কাপোৰ (যিটো আদি দোৱানত 'গালে' বুলি কয়) পিন্ধিছিল। হাজৰিকাই মন্তব্য কৰিলে "ইহঁতে এই কাপোৰখিনি ৰাতি উৰে আৰু দিনত এইদৰে পিন্ধে।"

হাজৰিকালৈ মোৰ অনুৰোধ— এই সৰু-সুৰা অতীতৰ ঘটনাবোৰ মোৰ সোঁৱৰণীত উল্লেখ কৰা বাবে যেন তেখেতে মোক বেয়া নাপায়। দীপালী বৰঠাকুৰলৈও মোৰ একেই অনুৰোধ। তেখেতৰ নাম এইদৰে উল্লেখ কৰা বাবে তেখেতেও যেন বেয়া নাপায়।

মনত পৰে অতুল চন্দ্ৰ হাজৰিকা ছাৰৰ এটা মন্তব্য। তেখেতে আমাৰ শ্ৰেণীত অসমীয়া পাঠ্য পঢ়াইছিল। এবাৰ বাক্যত শব্দ প্ৰয়োগৰ বিষয়ে তেখেতে আলোচনা কৰোতে ডাক্তৰ ভূপেন হাজৰিকাৰ গান "অগ্নি যুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম"টো উল্লেখ কৰিলে। নতুন অসম গঢ়াত ফিৰিঙতি শব্দটো প্ৰয়োগ কৰাত তেখেতৰ আপত্তি আছিল। শব্দটো অপপ্ৰয়োগ কৰা বুলি কৈ তেখেতে মন্তব্য কৰিলে "ফিৰিঙতিয়ে কেনেকৈ নতুন অসম গঢ়িব? ফিৰিঙতিয়ে অসমখন জ্বলাইহে দিব।"

আন এদিনৰ কথা। তিনিচুকীয়াৰ ল'ৰা এজন আমাৰ শ্ৰেণীত আছিল। তেওঁ সদায় হাফপেণ্ট পিন্ধিছিল। এদিন অৰ্থনীতিৰ অধ্যাপক হৰেন দাস ছাৰে ইংৰাজীত তেওঁক ক'লে, "হাফপেণ্ট পিন্ধি কলেজলৈ নাহিবা। ভাল নেদেখায়।" ল'ৰাটো নিৰ্জ্জু আছিল। বৰকৈ কথা নকৈছিল। কিছুদিনৰ পিছত তেওঁ শ্ৰেণীলৈ নহা হ'ল। মোৰ বেয়া লাগিছিল। হয়তো তেওঁ হাফপেণ্ট পিন্ধাৰ কাৰণ আছিল— ভাল লাগে বাবে নহয়— দৰিদ্ৰতাৰ হেঁচাত পৰি। তথাপি কলেজত কোনোৱেও হাফপেণ্ট নিপিন্ধে। হৰেন দাস ছাৰৰ দোষ নাই।

কলেজৰ কোনো অনুষ্ঠানত যোগ দিয়া নাছিলো— সুবিধাও নাছিল। তথাপি এবাৰ কলেজ উইক উপলক্ষে পতা সাংস্কৃতিক অনুষ্ঠান চাবলৈ গৈছিলো। পিছফালৰ দৰ্শকবিলাকে ভালকৈ চাবলৈ নাপাই বেঞ্চৰ ওপৰত উঠি চাই আছিল। ময়ো তেনে কৰিলো। এনেতে হঠাৎ এজন ল'ৰাই হাতৰ মুঠিৰে মোৰ বুকুত কেইবাবাৰো মাৰিলে। মই বেঞ্চৰ পৰা পৰি গ'লো। মই উঠি এতিয়াও হাত মুঠি মাৰি থকা ল'ৰাজনক সুধিলো, "কিয় মাৰিলে মোক?"

"কিয় মোক ঠেলিছিলা?" ল'ৰাটোৱে এতিয়াও মুঠিমাৰি থকা হাতখন উদ্যত ৰাখি ক'লে।

"ক'তা মই একো কৰাই নাছিলো।" মই শান্তভাৱে ক'লো।

"একো কৰা নাই" বুলি তেওঁ আকৌ মাৰিলে কেইবাবাৰো। "আৰু গম পাবা" বুলি কৈ তেওঁ সেই ঠাইৰ পৰা গুচি গ'ল।

তেওঁ গুচি যোৱাৰ পিছত ওচৰতে থিয় হৈ থকা ল'ৰাবিলাকে সেই ল'ৰাজনৰ নাম ক'লে— পৱন ৰাজখোৱা। বৰ উদণ্ড ল'ৰা। মই হোষ্টেললৈ গুচি আহিলো। কথাটো মোৰ হোষ্টেলতে পতা বন্ধু চাপটগ্ৰামৰ বড়ো ল'ৰা বাতেন ব্ৰহ্মক ক'লো। অলপ শকত ওখ বাতেন ব্ৰহ্মই উত্তেজিত হৈ ক'লে— "মোক দেখুৱাই দিয়কচোন, মই তাক ঠিক কৰিম।" মই তেওঁক শান্ত হ'বলৈ ক'লো, আৰু ক'লো তেনেকুৱা উদণ্ড ল'ৰাৰ লগত চুপতি নমৰাই ভাল। পিছত মোৰ নাম জনাৰ পিছত পৱন ৰাজখোৱাই অনুশোচনা ব্যক্ত কৰা বুলি আমাৰ হোষ্টেলৰ ল'ৰা কিছুমানে ক'লে।

মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলোৱাৰ পৰা হৰেকৃষ্ণ ডেকাৰ নামটো জানিছিলো! উত্তীৰ্ণ হোৱা প্ৰথম দহজনৰ ভিতৰত তেখেত প্ৰথম আছিল। তেখেতেও কটনত ভৰ্তি হোৱা বুলি জানিছিলো। কিন্তু তেখেত অন্য চেকশনত আছিল। কটনত থাকোতে তেখেতৰ গল্পবোৰ পঢ়িছিলো। আৰু পঢ়িছিলো মামনি গোস্বামীৰ (এতিয়াৰ মামনি ৰয়চম গোস্বামী)

গল্পবোৰ। তেখেত আমাতকৈ শ্ৰেণীত এবছৰ চিনিয়ৰ আছিল। তেখেত দুজনৰ নাম উল্লেখ নকৰি নোৱাৰিলো এই কাৰণেই যে তেখেত দুয়োজনা কটনৰ ছাত্ৰ-সাহিত্যিক আছিল।

এতিয়া থাৰ্ড মেচলৈ ঘূৰি আহোঁ।

মই থাৰ্ড ব্লকৰ পাণবজাৰ ফালৰ মূৰৰ কোঠাটোত আন দুজনৰ লগত আছিলো। মোৰ বিচনাখন দুৱাৰৰ মুখত আছিল। গতিকে দুৱাৰ মেলিলে গোটেই বাৰাণ্ডাটো দেখা গৈছিল। এদিন ৰাতিপুৱা মেছৰ কামকৰা ল'ৰাটোৱে চাহ বিলাই দি আহি আছিল। আমাৰ কোঠাটো সকলোতকৈ পিছত পৰে। আমাৰ কোঠাৰ আগৰ কোঠাটোত চাহ দি থাকোতে দেখিলো গিলাচ ধুবৰ কাৰণে অনা পানীৰ বাল্টিটোৰ ওপৰত ঘনচিৰিকা চৰাই পৰি আছিল। সি কোঠাটোৰ পৰা ওলাই আহিলত ক'লো, "হেৰা, চৰাইটো খেদাই দিয়া, পানীত হাগি দিব পাৰে।"

"বাবু চৰাই মানে কি?" ল'ৰাটোৱে সুধিলে।

"সেইবোৰযে ঘনচিৰিকা চৰাই?" মই উত্তৰ দিলো।

"মই চৰাই নাজনো! আমি পখী কওঁ।"

মই অলপ আচৰিত হলো। 'চৰাই' শব্দটো নজনা অসমীয়া মানুহ এইবাৰহে পালো। এনেয়ে মোৰ ৰুমমেট প্ৰমোদ শৰ্ম্মা আৰু গোলোক গোস্বামীয়ে দুয়োজনৰ মাজত কথা পাতিলে বুজো বুজো কৰিও বুজা নাছিলো। প্ৰমোদ শৰ্ম্মা বৰপেটাৰ আৰু গোলোক গোস্বামী নলবাৰীৰ। দুয়োজনে 'ছলি' শব্দটো প্ৰায় ব্যৱহাৰ কৰা শুনিছিলো। এবাৰ প্ৰমোদ শৰ্ম্মাই "ছলিটো ক'ক গেল। কবাই নৰলো।" বুলি কোৱাত ভাবিলো এওঁলোকে ছোৱালীকে ছলি বুলি কয়। কিন্তু ছোৱালীৰ লগত 'জনী'হে ব্যৱহাৰ কৰে। 'টো' কিয় হ'ল? সুধিলো, "শৰ্ম্মা ছোৱালীজনী নকৈ ছলিটো কিয় ক'লে?" শৰ্ম্মাই হাঁহি ক'লে, "ছলি মানে ল'ৰা, ছোৱালী নহয়। ছোৱালীক আপি বুলি কয়।" আমি নেফাৰ বাহিৰলৈ ঘনাই নোলোৱা মানুহে জনা নাছিলো অসমৰ বিভিন্ন এলেকাত বিভিন্ন দোৱান আছে। কাৰণ আমাৰ স্কুলত কেবাজনো নামনি-অসমৰ শিক্ষক আছিল তথাপি তেওঁলোকে একে অসমীয়াই কৈছিল।

মেছৰ প্ৰধান ৰান্ধনিজনক আমি বৰঠাকুৰ বুলি মাতিছিলো। উত্তৰ গুৱাহাটীৰ সেই বৰঠাকুৰে মোক বৰ আদৰ কৰিছিল। অসুখ-বিসুখ হলে ইটো খাওক, সিটো নাখাব আদি নানা দিহা-পৰামৰ্শ দিছিল। তেওঁ নিজেই সেইবোৰ যোগাৰ কৰি দিছিল। মেছত প্ৰতি সপ্তাহত বুধবাৰে দিনত আৰু দেওবাৰে নিশা মাংসৰ ব্যৱস্থা আছিল। এবাৰ বৰঠাকুৰক কিয় কুকুৰাৰ মাংসৰ ব্যৱস্থা নকৰে বুলি সুধিলত ক'লে মেছত বহুত বামুণ ল'ৰা আছে। তেওঁলোকে কুকুৰাৰ মাংস নাখায়।

"কিয় আমাৰ তাত দেখোন বামুণ ছাৰ বিলাকেও কুকুৰাৰ মাংস খায়?" মই সুধিলো।

"লুকাই লুকাই কিছুমানে ঘৰৰ বাহিৰত খাব পাৰে, সেইটো বেলেগ কথা।"

বৰঠাকুৰৰ কথাটো শুনি মনত পৰিছিল যে আমাৰ বামুণ শিক্ষক এজনে ঘৰত কুকুৰা পুহিছিল। এবাৰ দেউতাকে ঘৰৰ পৰা আহি দুদিনমান তেখেতৰ ঘৰত কটাইছিল। তেখেতৰ কুকুৰা এজনী ঘৰৰ ভিতৰত সোমালত শিক্ষকজনে কুকুৰাজনীক খেদাই ক'লে, "ছিঃ ছিঃ, কাৰ কুকুৰা জানো ঘৰৰ ভিতৰত সোমাইছে।"

মেছত কুকুৰা কণীৰো ব্যৱস্থা নাছিল। অকল হাঁহৰ কণীহে দিয়ে। গতিকে মই হাঁহৰ কণীকেইটামান আনি পাকঘৰৰ ভিতৰলৈ সোমাই এজন বান্ধনিক সিজাই দিবলৈ ক'লোঁ।

"ছিঃ ছিঃ! বাবু আপুনি কি কৰলাক" কৃষ্ণ বোলা বান্ধনিজনে মুখ বিকটাই কৈ উঠিল।

মই অবাক হৈ তেওঁলৈ চালো।

"আপনি বয়া কৰলাক— জোতা পিন্ধি আইছি। পাকঘৰটো চুৱা হৈ গেছি। ধোবা লাগব।"

তেতিয়াহে মোৰ মনত পৰিল যে সঁচাকৈ মই জোতা পিন্ধি সোমাইছো। ক'ব নোৱাৰাকৈ সোমাইছিলো। ক্ষমা বিচাৰিলো।

১৯৬০ চন। অসমীয়া ভাষাক ৰাজ্য ভাষা কৰাৰ বিষয়টো লৈ গোটেই অসমত সাম্প্ৰদায়িক অশান্তি বিয়পি পৰিল। বাতৰি কাকতৰ বেছিভাগ ঠাইত সাম্প্ৰদায়িক কাজিয়া, কটা-মৰা আদি বাতৰিৰে ভৰি পৰিছিল। সেইদিনা মহৰমৰ দিন। কলেজ বন্ধ আছিল। আমাৰ হোষ্টেলটো চাৰিওফালে বন্ধ। ফাৰ্ষ্ট মেছ, চেকেণ্ড মেছ আৰু থাৰ্ড মেছৰ চাৰিওফালে লোহাৰ বেৰাৰে ঘেৰা। গেটবোৰ তলা মৰা। শুনিছিলো পিছদিনা ফাৰ্ষ্ট মেছৰ হোষ্টেল চুপাৰভাইজাৰক এচ. পি.য়ে হেনো সতৰ্ক কৰি দি গ'ল যে তেখেতে যেন নিজৰ ছাত্ৰবিলাকক চম্ভালি ৰাখে। এনেতে ডনবস্কো স্কুলৰ বিপৰীতে থকা এটা ক্লাব জ্বলি গ'ল। আমি বহুতো ল'ৰা চেকেণ্ড মেছৰ ফাৰ্ষ্ট ব্লকৰ মূৰৰ তিনি আলিৰ কাষৰ বাৰাণ্ডাত থিয় হৈ চাই আছিলো। এনেতে পাণবজাৰৰ ফালৰ পৰা ডনবস্কো স্কুলৰ কাষেদি ক'লা এম্বেচেডৰ কাৰ এখন আগে আগে আৰু পুলিচেৰে ভৰা ট্ৰাক এখন আহি আমি থিয় হৈ থকা বাৰাণ্ডাৰ কাষৰ ৰাস্তাত ৰৈ গ'ল। লগে লগে পুলিচবোৰ ট্ৰাকৰ পৰা নামি আমাৰ মুখামুখিকৈ শাৰী পাতি থিয় হ'ল। কাৰখনৰ পৰা দুই-তিনিজনমান পুলিচ অফিচাৰ ওলাই আহিল। লগে লগে পুলিচবোৰে আমাৰ ফালে ৰাইফল টোঁৱালে। আমি ভাবিছিলো আমাক ভয় খুৱাবলৈ তেনে কৰিছে। কিন্তু 'ফায়াৰ' বুলি কোৱাৰ লগে লগে গুলী বৰ্ষণ আৰম্ভ হ'ল। আমি চক খাই পলাই পত্ৰং দিলো। পলাই যাওঁতে মোৰ মনত পৰিল হোষ্টেলৰ কোঠাবোৰ নিৰাপদ নহয়। ৰাইফলৰ গুলী পাৰ হ'ব। লুকাবলৈ ঠাই নাই। হঠাতে মনত পৰিল যে পায়খানাৰ বেৰবোৰ পকা আৰু ডাঠ। গুলী পাৰ নহ'ব। লগে লগে লৰ দিলো পায়খানাৰ ফালে।

কিছু সময় গ'ল। গুলী মৰাৰ শব্দ নাইকিয়া হ'ল। কিন্তু মানুহৰ চিঞৰ-বাখৰ শুনিবলৈ পালো। চেকেণ্ড মেছৰ ফাৰ্ষ্ট ব্লকত "মানুহ মৰিল" বুলি চিঞৰা শুনিবলৈ পালো। পায়খানাৰ পৰা ওলাই আহি দেখিলোঁ আমাৰ ঠাৰ্ড মেছৰ কটকী বোলা ল'ৰা এজন থাৰ্ড ব্লকলৈ আনি বাৰাণ্ডাত শুৱাই থৈছে। কটকীৰ কান্ধত পিছফালে গুলী লাগি আগফালে ওলাই গৈছে। গুলীয়ে কান্ধৰ মাংস উৰাই লৈ গৈছে। গুলী ওলোৱা ফাঁট মেলা অংশৰ পৰা তেজৰ ধাৰ বৈ গৈছে। তেজ বন্ধ কৰাৰ উপাই নাই। কটকীয়ে ঘনাই ঘনাই পানী খাই আছে। তেনেতে শুনিবলৈ পালো চেকেণ্ড মেছৰ ৰঞ্জিত বৰপূজাৰী বোলা ল'ৰা এজন মৰিল আৰু বহুতৰ আঘাত হৈছে। কটকীকো ভালে নিয়া হ'ল। দেখিলো আগতে আমি থিয় হৈ থকা মূৰৰ কোঠাটোৰ উত্তৰফালে বাৰাণ্ডাত ৰঞ্জিত বৰপূজাৰী পৰি আছে। মূৰৰ পাছফালে গুলী লাগি আগফালে ওলাই গৈ মগজু উৰাই লৈ গৈছে। গোটেই বাৰাণ্ডা আৰু কৰিডৰত ৰঞ্জিত বৰপূজাৰী আৰু আঘাত পোৱাবিলাকৰ তেজ বিয়পি পৰিছে। কেঁচা

তেজৰ গোন্ধত মানুহবিলাকে নাক কোঁচাই আছে। আঘাত পোৱাবিলাকৰ কেঁকনিয়ে কাণ তাল মাৰিছে।

কটকীৰ অৱস্থা বৰ বেয়া। তেজ বন্ধ হোৱাৰ সম্ভাৱনা নাই। চেকেণ্ড মেছৰ হোষ্টেল চুপাৰভাইজাৰৰ ফোনৰ পৰা ডাক্তৰ মতা হৈছিল কেতিয়াবাই। সেই সময়ত চৰকাৰী আস্পতাল পাণবজাৰত পুলিচ থানাৰ বিপৰীতে আছিল। গতিকে চেকেণ্ড মেছৰ নিচেই ওচৰতে আছিল। ইতিমধ্যে বিমলা প্ৰসাদ চলিহাৰ মন্ত্ৰীসভাৰ এজন মন্ত্ৰী সিদ্ধেশ্বৰ শৰ্মা আহি পালে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে মন্ত্ৰীজনাক ঘেৰি ধৰি ক'লে যে চলিহা চৰকাৰৰ অৱহেলা আৰু নিষ্ক্ৰিয়তাত এনে ঘটনা ঘটিবলৈ পালে। আৰু মন্ত্ৰীজনাই এতিয়াও ডাক্তৰ আনিব পৰা নাই বেছিকৈ আঘাত পোৱা বিলাকৰ জীৱন ৰক্ষা কৰিবলৈ। সিদ্ধেশ্বৰ শৰ্মাই একো মাত নামাতি ছাত্ৰবিলাকৰ গালি-শপনি শুনি আছিল।

ঘটনা ঘটিছিল ৰাতিপুৱা প্ৰায় দহমান বজাত। কিন্তু ডাক্তৰ দুই তিনিজন একেখন কাৰত আহিল আবেলি প্ৰায় তিনিমান বজাত। কটকী ইমান সময়লৈকে বাচি থাকিব বুলি কোনেও ভবা নাছিল। ছাত্ৰবিলাকৰ খঙৰ উত্তৰত ডাক্তৰবিলাকে ক'লে যে তেওঁলোকে ফোন পায়েই ওলাই আহিছিল। কিন্তু গেটত পুলিছে তেওঁলোকক সোমাবলৈ দিয়া নাছিল। কেইবাটাও ঘণ্টা গেটত উচপিচাই কটোৱাৰ পিচতহে সোমাবলৈ দিলে। কটকীৰ তেজৰ ধাৰ বন্ধ কৰিলে।

পুলিছে কিয় আমাৰ ওপৰত গুলী চলাব লগীয়া হ'ল একো ক'ব নোৱাৰিলোঁ। আনকি ৰাইফল টোঁৱাওতেও আমি ভাবিছিলো ভয় খুৱাই আমাক আঁতৰাবলৈকেহে তেনে কৰিছিল। হয়তো ক্লাবটো আমি জ্বলোৱা বুলি ধৰি লৈছিল। এই চল্লিশ বছৰৰ পিছতো ঘটনাটো প্ৰশ্ন হৈ ৰৈ গৈছে— আমাৰ ভিতৰৰে কোনোবাই যদি জ্বলাইছিল— কিয় অকল ক্লাবটোকে জ্বলাইছিল— থকা ঘৰ বা দোকান কিয় জ্বলোৱা নাছিল? ক্লাবটো কোনো এটা বিশেষ সম্প্ৰদায় লোকৰ ক্লাব নাছিল। এবাৰ বীৰেনদাই মোক ক্লাবটোলৈ নিছিল। তাৰে এজন সদস্যক বীৰেনদাৰ জৰিয়তে চিনি পাইছিলো। তেখেত আছিল শিল্পী ৰত্ন ওজা। সুৰক্ষিত হোষ্টেলৰ প্ৰাঙ্গনত থকা ল'ৰাবিলাকক কিয় সন্দেহ কৰিবলগীয়া হ'ল? ক্লাবটো জ্বলোৱা আৰু হোষ্টেলৰ ভিতৰৰ ল'ৰাবিলাকৰ ওপৰত গুলী চলোৱাটো পূৰ্ব পৰিকল্পিত অভিসন্ধি আছিল নেকি?

কটন কলেজৰ হোষ্টেলত পুলিচৰ গুলী বৰ্ষণৰ বাতৰিটো নেফাতো বিশেষকৈ পাছিঘাটত বিয়পি পৰিছিল। তাৰ প্ৰতিক্ৰিয়া বৰ বিপদজনক আছিল। পাছিঘাটৰ মুখিয়াল নাগৰিকসকলে মোৰ খবৰ ল'লে। যদি মই গুলীত মৰি গৈছোঁ তেন্তে তেওঁলোকে পাছিঘাটত থকা ভৈয়ামৰ লোকৰ ওপৰত প্ৰতিশোধ লব। খবৰটো শুনাৰ লগে লগে তৎক্ষণাৎ মই টেলিগ্ৰামযোগে পাছিঘাটলৈ খবৰ পঠালো যে মোৰ একো হোৱা নাই।

হোষ্টেলত গুলী বৰ্ষণটো পটভূমি হিচাপে লৈ লিখা মোৰ এটা গল্প ৰামধেনুত প্ৰকাশ কৰিছিল বীৰেনদাই। এদিন হোষ্টেলৰ চকিদাৰে হোষ্টেল চুপাৰৱাইজাৰে মোক মতা বুলি খবৰ দিলে। মই গ'লো। তেতিয়া তাৰিণী মোহন শৰ্মাৰ ঠাইত আছিল গগৈ ছাৰ (পূৰা নাম মোৰ মনত নাই)। বহা কোঠাত দুজন মানুহ বহি আছিল। গগৈ ছাৰে মানুহ দুজনৰ লগত মোক পৰিচয় কৰি দিলে। মানুহ দুজন উকীল।

"ৰামধেনুত প্ৰকাশ পোৱা আপোনাৰ প্ৰৱন্ধটোৰ ঘটনাবোৰ সঁচা আছিল নেকি?" এজনে সুধিলে।

"নহয়, প্ৰবন্ধ নহয়–গল্পহে, চুটি গল্প," মই উত্তৰত ক'লো। "হোষ্টেলত গুলী চলোৱা ঘটনাটোৰ ওপৰত ভিত্তি কৰি লিখিছিলো।"

"এনেকুৱা চেনচিটিভ অৱস্থাত এনেধৰণৰ প্ৰবন্ধ বা গল্প লিখাটো উচিত নহয়। অৱস্থাটো আৰু বেছি বেয়া কৰি দিব," উকীল এজনে নিৰাশাৰ সুৰত ক'লে।

গঁগে ছাৰৰ ঘৰৰ পৰা ওলাই আহি পোনে পোনে বীৰেনদাৰ ঘৰলৈ গ'লো। কথাটো তেখেতক ক'লো।

"তুমি কৈ দিবা," বীৰেনদাই ক'লে, "যে সমাজৰ সত্য আৰু সাহিত্যৰ সত্য একে নহয়। সমাজৰ সত্যই নগ্ন বাস্তৱতাৰ ওপৰত ভিত্তি কৰে, কিন্তু সাহিত্যৰ সত্যই সৌন্দৰ্য্যবোধৰ ওপৰত ভিত্তি কৰে।"

সাধাৰণ ছাত্ৰ হিচাপে মোৰ কটন কলেজীয়া কালটো ঘটনা বহুল নাছিল। খং নোতোলোৱাকৈয়ে এজন সম্পূৰ্ণ অচিনাকী ল'ৰা পৱন ৰাজখোৱাৰ পৰা মাৰ খোৱাৰ বাহিৰে কটন কলেজৰ কালটো ভালকৈয়ে উপভোগ কৰিলো। হাজৰিকাৰ নাটকীয় চৰিত্ৰ, হোষ্টেলৰ কোঠাই কোঠাই ৰাতিপুৱা চাহ বিলাই দিয়া ল'ৰাটোৰ 'পখী', মেছৰ ৰান্ধনি কৃষ্ণৰ কামৰূপীয়া ভাষা, বৰঠাকুৰৰ মোৰ প্ৰতি আদৰ এই আটাইবোৰ মোৰ কটন কলেজীয়া কালৰ সোঁৱৰণীৰ আহাৰ হৈ থাকে। কিন্তু এইবোৰ সোঁৱৰণীৰ আহাৰখিনি কলুষিত কৰে হোষ্টেলৰ বাৰাণ্ডাত পৰি থকা ৰঞ্জিৎ বৰপূজাৰীৰ ৰক্তসনা নিশ্চল শৰীৰটোৱে। বগা পায়জামা আৰু বগা কামিজ পৰিহিত নিয়মীয়া গঢ়ৰ আৰু উজ্জ্বল বৰণীয়া শিৱসাগৰীয়া ল'ৰা ৰঞ্জিৎ বৰপূজাৰী দীৰ্ঘকাল গুৱাহাটীৰ নানা সামাজিক অনুষ্ঠানত গীত আৰু আলোচনাৰ বিষয়-বস্তু হৈ পৰিছিল। আৰু এই চল্লিশ বছৰৰ আগৰ সোঁৱৰণীখিনিত আঘাত দিয়ে বীৰেনদাৰ পৰা অলপদিনৰ কাৰণে পঢ়িবলৈ অনা The 1942 Rebellion কিতাপখন মোৰ টেবুলৰ পৰা হেৰাই যোৱা ঘটনাটোৱে। সেই বহুমূলীয়া কিতাপখন তেতিয়াও বজাৰত out of stock আছিল। মই অতি কষ্টেৰে বীৰেনদাক কিতাপখন হেৰাই যোৱা কথাটো ক'বলগীয়া হৈছিল। তেখেতে কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাছিল যদিও মই এতিয়াও দোষী বোধ কৰি আছো। মোৰ ৰুমমেট দুজনে সন্দেহ অস্বীকাৰ কৰিছিল। কিন্তু আমাৰ কোঠাত বাকী ল'ৰা বেছিকৈ সোমোৱা নাছিল। গতিকে বীৰেনদাৰ সেই অমূল্য কিতাপখন মোৰ টেবুলৰ পৰা হেৰাই যোৱা ঘটনাটো ৰহস্য হৈ ৰ'ল। ❑

প্ৰীতি কাকতি

স্মৃতিৰ সুবাস

সেয়া যেন সৌ সিদিনাৰ কথা। কটন কলেজত আই-এচ-ছি, বি-এচ-ছি পঢ়াৰ সেই মধুৰ দিনবোৰ আজিও মানস পটত স্পষ্টভাৱে জিলিকি আছে। সেই তেতিয়াৰ দিনবোৰ আছিল মধুৰ। কোনো উত্তেজনা, উদ্বিগ্নতা সমাজত নাছিল। দিনবোৰ মসৃণভাৱে অথচ আনন্দৰ মাজেৰে পাৰ হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক যথাযোগ্য সন্মান আৰু শ্ৰদ্ধা কৰিছিল, যিটো আজি প্ৰায় অন্তৰ্হিত হৈছে যেনেই লাগে।

শ্ৰেণীবোৰ তেতিয়া বহিছিল ৯বজাত। ছুটী ৪.১৫ মিনিটত। মাজতে দুবাৰ ১২.৪৫ আৰু ২.২৫ মিনিটত ১০ মিনিট সময় দিয়া হৈছিল যাতে বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে পাণবজাৰৰ পৰা দীঘলী পুখুৰীৰ পাৰৰ বিভাগটোলৈ অহা-যোৱা কৰাত লৰালৰি কৰিব লগা নহয়।

কলেজলৈ গৈ প্ৰথমদিনা ৰসায়ন বিদ্যাৰ পাঠদান বৰ ভাল লাগিছিল। অধ্যাপক মহেশ চন্দ্ৰ ভূঞা ছাৰে নানা আকাৰ-আকৃতিৰ আয়নাৰ নল, ফ্লাস্ক আদি লৈ কিছুমান আকৰ্ষণীয় পৰীক্ষা কৰি দেখুৱাইছিল 'থিয়ৰেটিকেল' শ্ৰেণীত। কাঠৰ বৃহৎ গেলাৰীটোত বহাৰ আমেজ আজিও যেন পাহৰিব পৰা নাই। ৰসায়ন বিজ্ঞানৰ চৌহদৰ এটা মূৰত আজিৰ

ঠাইতে পুথিভঁৰালটো আছিল। তাত পিছফালৰ পৰা সোমাব পৰা বাট আছিল। সন্মুখৰ পৰা সোমাই বাওঁফালৰ ডাঙৰ কোঠাটোত য'ত এতিয়া কিতাপ থোৱা আছে, সেইটো ছোৱালীৰ বাবে পঢ়া কোঠা আছিল। মই দীপালীৰ লগত গৈ তাত পঢ়াৰ উপৰিও কেতিয়াবা প্ৰেকটিকেলৰ ছবি আঁকিছিলো। বৰ্ত্তমানৰ প্ৰশাসনীয় ভৱনৰ ঠাইত বৰ ওখ ভেটিত ব্ৰিটিছে সাজি থোৱা ভৱনটোও চাবলগীয়া আছিল। তাৰ খুটা, বিম ইত্যাদি হেনো জাহাজেৰে ইংলণ্ডৰ পৰা আনিছিল। ঘৰৰ চিলিং বৰ ওখত আছিল। দুফালে দুটা বৃহৎ শ্ৰেণীকোঠা— ইষ্ট গেলাৰী, ৱেষ্ট গেলাৰী। মোৰ 'বি চেকচন'ৰ অসমীয়া, ইংৰাজী, গণিতৰ শ্ৰেণী পূৱৰ গেলাৰীত হৈছিল। দুটা কোঠাৰ মাজৰখিনিত অধ্যক্ষৰ কোঠা। তেখেতৰ কাৰ্যালয় আৰু শিক্ষকসকলৰ 'জিৰণি কোঠা' আছিল। ভিতৰৰ ফালে দুখন হাৰ্ড কোৰ্ট টেনিচৰ খেলমাটি আছিল, পাণবজাৰৰ ফাললৈ দীঘলীয়া ঘৰটো 'কেন্টিন' আছিল। তাৰ এমূৰত এটা সুকীয়া কোঠা আছিল ছোৱালীৰ বাবে। 'কেন্টিন'ৰ হালধীয়া আৰু সেউজীয়া ভূজিয়া-বুন্দিয়াৰ ডাঙৰ প্লেটখন বহুতৰে প্ৰিয় আছিল। আজিৰ 'বাণীকান্ত ভৱন'ৰ ঠাইত আছিল এটা দীঘলীয়া ঘৰ। পৰিসংখ্যা বিভাগৰ। আমি তাত আই-এচ-ছি পৰীক্ষা দিছিলো। দীঘলী পুখুৰীৰ পাৰৰ উদ্ভিদ বিভাগটো মোৰ বৰ মৰমৰ আছিল। তেতিয়াৰ বাগিছাখন পাহৰিব নোৱাৰি আৰু তাতেইতো মোৰ অধ্যাপনা আৰম্ভ হৈছিল। পুখুৰীৰ পাৰে পাৰে আন বিভাগৰ বাহিৰতো কিমানযে প্ৰাচীন গছ। এপ্ৰিল মাহত গছৰ ওপৰভাগ ভাটৌ ফুল নামৰ অৰ্কিডবিধে ছাটি পেলায়। পুখুৰীত ৰঙা পদুমফুল। বসন্ত কালত বৃক্ষ শাখাত কত যে পখীৰ মধুৰ কাকলি। আৰু আবেলি। গৃহমুখী পখীসৱৰ কলৰৱতে মুখৰিত হৈ উঠে পুখুৰীৰ পাৰ। সেই মনোৰম অভিজ্ঞতা আজি কেইবছৰমান আগলৈহে আছিল। তাৰ পিছত ইটো সিটো কাৰণত গছবোৰ কটা হ'ল। ধুমুহাত বাগৰি পৰিল কোনোবা জোপা। প্ৰাণ যেন হেৰাই গ'ল সেই ঠাইখিনিৰ। কিন্তু সেই তেতিয়াৰ দৰে উদ্ভিদ বিভাগ আজিও কলেজখনৰ অতি সক্ৰিয় বিভাগ হৈ আছে। উৎসাহ উদ্দীপনা, শৃংখলতা আগৰ দৰেই আছে। বিভাগটো স্থাপন কৰিছিল স্বনামধন্য উদ্ভিদবিদ অধ্যাপক অতুল চন্দ্ৰ দত্তদেৱে।

আগতে কৈ অহা টেনিচ কোৰ্টতে কলেজৰ বিভিন্ন অনুষ্ঠান হৈছিল আৰু নিউফিল্ডত হৈছিল খেলা-ধূলা। নবাগত সভাত আমাৰ শ্ৰেণীৰ পৰা ময়েই সাহ কৰি ইংৰাজীত এটা বক্তৃতা দিছিলো। তেতিয়াৰ দিনত এইটো অলপ সাহসৰ কথাই আছিল। পদাৰ্থ বিদ্যাৰ শ্ৰেণীতো এদিন সাহ কৰি অধ্যাপকৰ প্ৰশ্ন এটাৰ উত্তৰ দিছিলো।

শীতকালত ৰাতিপুৱা কলেজলৈ গৈ বৰ ভাল লাগিছিল। ন বজাৰ শ্ৰেণীলৈ যাওঁতে চুলি নিয়ৰৰ টোপালেৰে ভৰি গৈছিল। তেতিয়া ইমানবোৰ ঘৰ নাছিল। গছো আছিল বহুত। সিফালে ব্ৰহ্মপুত্ৰ নদী। তেতিয়া ঠাণ্ডা বেছি আছিল। মই অধ্যাপনা কৰাৰ বহু বছৰ পিছলৈ সেই ঠাণ্ডা অনুভৱ কৰিছিলো। ৰাতিপুৱা ৯ বজাৰ ঠাণ্ডা।

আগতে কলেজখনত বহুতো নগা-মিজো (তেতিয়া 'লুচাই' বুলি কৈছিল) ল'ৰা-ছোৱালী আছিল। অসমীয়া মাধ্যম হোৱাৰে পৰা কমি কমি নাইকিয়া হৈ গ'ল। তেওঁলোকৰ নিজৰ ঠাইতো নানা কলেজ স্থাপন হৈছিল। কলেজত মোৰ এজনী নগা ছোৱালী বন্ধু আছিল— নাম আমংলা। তেওঁৰ 'নাগামিজ' শুনি মোৰ বৰ ভাল লাগিছিল।

'কলেজ-সপ্তাহত' বহু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। 'নিউ ফিল্ড'ত হোৱা খেলা চাবলৈ বাহিৰা মানুহো গৈছিল। ময়ো নৱম শ্ৰেণীৰ পৰাই বোধহয় কলেজৰ খেল চাই আহিছিলো। আমাৰ ঘৰটো বেছি দূৰৈত নহয়। অধ্যাপনা কালত দেখিলো, আগৰ সেই

উৎসাহ একেবাৰেই নাই। অংশগ্ৰহণো কম, দৰ্শকো কম। কলেজৰ সৰস্বতী পূজাৰ গেটবোৰো বৰ আকৰ্ষণীয় আছিল। বিশেষকৈ 'তৃতীয় ছাত্ৰাবাস'ৰ গেট। চহৰখনৰ মানুহে কলেজৰ পূজা চাবলৈ আহিছিল। সেই আকৰ্ষণো শেষ হ'ল।

কটন কলেজত পঢ়িবলৈ যোৱাৰ প্ৰথম দিনাৰ আনন্দৰ মৃদু শিহৰণ আজিও যেন অনুভৱ কৰো। সুশিক্ষাৰ মাজেৰে পাৰ হৈছিল প্ৰাণোচ্ছল দিনবোৰ। চিৰ নতুন হৈ আছে তাৰ প্ৰতিটো দিন। জীৱনৰ মধুৰতম দিন হৈছে ছাত্ৰজীৱন। সেই সুমধুৰ স্মৃতিয়ে জীৱনক কৰি তোলে সজীৱ, কৰে অনুপ্ৰাণিত। কটন কলেজৰ স্মৃতি—

'ভরা থাক স্মৃতি সুধায়
জীৱনের পাত্ৰখানি।' ❏

অৱণী কুমাৰ শৰ্মা

কলেজীয়া জীৱনৰ প্ৰস্তুতি আৰু কটন কলেজত প্ৰথম দুবছৰ

প্ৰৱন্ধটোৰ শিৰোনামাটো দেখি দুই চাৰিয়ে হয়তো প্ৰশ্ন কৰিব যে আজিৰ দিনত কলেজীয়া জীৱনৰ অভিজ্ঞতা কাৰ নো হোৱা নাই। প্ৰায় একে ধৰণৰ প্ৰশ্ন এটাৰ অৰ্থতে সংস্কৃতৰ শ্লোক এটিতো ক'বৰ দৰে— "পৰিৱৰ্ত্তিনি সংসাৰে মৃতঃ কোনৃবা (কঃ বা) ন জায়তে" (অৰ্থটো হ'ল— এই পৰিৱৰ্ত্তনশীল সংসাৰত কোনেনো জন্ম লোৱা নাই বা কোননো মৰা নাই!) গতিকে এই লেখকৰ কলেজীয়া জীৱনৰ অভিজ্ঞতাত নো বাৰু কি ইমান বৈশিষ্ট্য আছিল যে আজি লিখি পঢ়ি জনাব লগা হ'ল? পাছে এটা কথা মানি লব লাগিব যে কলেজৰ প্ৰথম এটা বা দুটা বছৰৰ অভিজ্ঞতাবোৰৰ পাৰ্থক্য ছাত্ৰ একোজন লৈ লৈ আছে। সকলোৰে কাৰণে সেই অভিজ্ঞতাবোৰ একে নহয়। উদাহৰণ হিচাপে ধৰক— গুৱাহাটীৰ স্থানীয় ছাত্ৰ এজনৰ কথা। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ আগলৈকে তেওঁ হয়তো কটন কলেজৰ কাষতে থকা ডনবস্ক স্কুলত পঢ়িছিল। মেট্ৰিক পাছ কৰাৰ পাছত তেওঁ লাহেকৈ ডনবস্কৰ পৰা মাজৰ বাস্তাটো পাৰ হৈ কটন কলেজৰ চৌহদত সোমালেই হ'ল। থকা-মেলাৰ ক্ষেত্ৰত নিজৰ পৰিয়ালৰ মাজতে সেই একেই উজান বজাৰৰ ঘৰ, খোৱা-মেলাৰ বেলিকা আগৰ দৰেই নিজৰ মাক, মাহীয়েকে বান্ধি দিয়া ভাত-পানী,

অহা-যোৱাৰ কাৰণে সেই একে চিটিবাচ আৰু ৰাস্তাই-পদূলিয়েও আগে পিছে দেখা চিনাকি মুখবোৰেই। কিন্তু সেইজন ছাত্ৰৰ তুলনাত মোৰ দৰে এজনৰ কথা ভাবক : নাহৰকটীয়াৰ দৰে গাঁও আৰু চাহ বাগিছাৰ সংমিশ্ৰণত গঢ়ি উঠা সৰু টাউন এখন— য'ত নাই চিটিবাচ নাই ট্ৰেফিক লাইট— তেনেকুৱা এখন ঠাইৰ পৰা নিজৰ ভাই-ভনী আত্মীয়-স্বজন সকলোকে পোন প্ৰথমবাৰৰ বাবে এৰি আহি এটা সম্পূৰ্ণ আচহুৱা পৰিবেশত হোষ্টেলৰ ডেচৰালী ঠাকুৰৰ হাতৰ ভাত খাবহি লগা হয়— সেইটোৱেই দেখোন এটা উল্লেখ কৰিব লগা অভিজ্ঞতা। একে পৰিবেশৰ মাজত থাকিও যি কোনো বিষয়তে অভিজ্ঞতা লৈ লৈ মানুহ যে বেলেগ হ'ব পাৰে সেই বিষয়ে কবি মির্জ্জা গালিবে লিখা চাৰিটা লাইন এই খিনিতে মনত পৰিছে :

হ্যে অউৰ ইস দুনিয়া মে
তুসম্বৰ বহুত অচ্ছে
কেহতে হ্যে কে গালিবকা
হ্যে আন্দাজে বয়াঁ অউৰ।

(এই সংসাৰত অভিজ্ঞতাপূৰ্ণ বহুতো কবি আছে। কিন্তু গালিবৰ (নিজৰ কথাই কৈছে) অভিজ্ঞতাৰ বিষয়ে লিখা কবিতাবোৰৰ প্ৰকাশৰ নমুনাই বেলেগ— মানে কাৰো লগত নিমিলে।)

থাওক সেইবোৰ কথা। এতিয়া আহো মোৰ কলেজীয়া জীৱন আৰু কটন কলেজৰ কথালৈ। ১৯৫৬ চনৰ ৪আগষ্ট তাৰিখে আমাৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল প্ৰকাশ হ'ল। সেই সময়ত গোটেই অসমতে এখন মাত্ৰ বিশ্ববিদ্যালয় আছিল। গুৱাহাটী বিশ্ববিদ্যালয়। গতিকে গোটেই অসমৰ ল'ৰা-ছোৱালীবোৰে একেখন বিশ্ববিদ্যালয়ৰ তলতে মেট্ৰিক পৰীক্ষা দিব লাগিছিল। ১৯৫৬ চনত অসমত মেট্ৰিক পৰীক্ষা দিয়া মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৬০০০ (ষোল্ল হাজাৰতকৈ) অলপ বেছি।

এইখিনিতে আমাৰ পৰিয়ালৰ কথা অলপ নক'লে মোৰ মেট্ৰিক পাছ কৰাৰ সময়ৰ পৰিস্থিতিটো বুজিবলৈ অলপ অসুবিধা হ'ব বুলি ধৰি লৈ তলৰ কথাখিনি লিখিলো।

আমাৰ দেউতা নাহৰকটীয়া চাহ-বাগিছাৰ বৰকেৰাণী হিচাপে কাম কৰি থাকোতেই ১৯৪৭ চনত হঠাতে ঢুকাল। ফল স্বৰূপে, ধান-চাউলৰ কাৰণে খাই-লৈ থাকিব পৰাকৈ যথেষ্ট মাটিবাৰী আছিল যদিও, আমাৰ আৰ্থিক অৱস্থা দুখ লগাকৈ শোচনীয় হৈ পৰিছিল। ডাঙৰ ককাইদেউৱে (* বিনোদ শৰ্ম্মা) কেইবছৰমান ইটো সিটো কৰি ১৯৫১ চনত নাহৰকটীয়া বাগিছাতে তৃতীয় কেৰাণীৰ কামটো পালে। শেষত তেখেতে নাহৰকটীয়াতে বৰকেৰাণী হিচাপে অৱসৰ লৈছিল। মই মেট্ৰিক পাছ কৰাৰ সময়ত আমাৰ সৰু ককাইদেউক (ডাঃ বাণী শৰ্ম্মা) আমাৰ ডাঙৰ ভিনদেউ শ্ৰীপ্ৰবোধ শ্ৰুতিকৰে সম্পূৰ্ণ আৰ্থিক সাহায্য দি ডিব্ৰুগড়ত মেডিকেল কলেজত পঢ়াইছিল। গতিকে মই এপ্ৰিল মাহতে মেট্ৰিক পৰীক্ষাটো দি ঘৰতে আছিলো যদিও মেট্ৰিক পাছ কৰিলে মইনো কি কৰিম— পঢ়িবলৈ হলে টকা পইচানো ক'ৰ পৰা আহিব— সেইবোৰ একো আলোচনা বিলোচনাই কৰা হোৱা নাছিল। সকলোৱে বোধকৰো পেটে পেটে ভাবি ৰাখিছিল যে পুতুৰ (মোৰ ঘৰত মতা নাম) কিজাণ্ট কিবা এটা বৰ ভাল নহলে সদ্যহতে সি বাগিছাতে এপ্ৰেন্টিচৰ কাম এটাতে সোমাব পাৰিব। ডাঙৰ ককাইদেউৰ সৈতে ঘৰখন চলোৱাত সহায় এটা হ'ব।

বিশ্ববিদ্যালয়ত দশম স্থান লৈ মেট্রিক পৰীক্ষা উত্তীর্ণ হোৱা ফলাফলে কিন্তু হঠাতে মই এতিয়া কি কৰিম, ক'ত পঢ়িম গৈ, খৰচ পাতিৰ যোগাৰ কেনেকৈ হ'ব সেইবোৰৰ বিষয়ে সকলোকে ভাবিবলৈ বাধ্য কৰিলে। ৪ আগষ্টৰ দিনাই হ'বলা গুৱাহাটীৰ পৰা নিত্যা দত্তৰ এখন টেলিগ্ৰাম আহিল। নিত্যা নাহৰকটীয়া হাইস্কুলৰ পৰাই দুবছৰ আগতে পাছ কৰি গৈ তেতিয়া বি.এ. তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। তেওঁ খবৰ পঠাইছে যে তেওঁ মোৰ কাৰণে তেওঁ থকা কটন কলেজৰ চেকেণ্ড মেচতে চুপাৰিন্টেণ্ডেটক কৈ চীট এটা ৰাখিছে। মই কটন কলেজত পঢ়িবলৈ হলে ৯ আগষ্টৰ ভিতৰতে গুৱাহাটীলৈ গৈ নাম লগাবগৈ লাগিব। এতিয়া কথা হ'ল– ইমানবোৰ টকা-পইচা আহে ক'ৰ পৰা?

কিন্তু ঈশ্বৰৰ কৃপা হ'লে সকলো সমস্যাৰে সমাধান হয়। ৫ আগষ্ট তাৰিখে ৰাতিপুৱাই আমাৰ হাইস্কুলৰ হেডচাৰ ফটিক চন্দ্ৰ গগৈদেৱে মোক মাতি নিওৱালে। তেওঁ মোক ক'লে যে মোৰ পৰীক্ষাৰ ফলাফলত সন্তোষ পাই আমাৰ স্কুলৰ মেনেজিং বোৰ্ডে মোক ২০০টকা কলেজত পঢ়িবলৈ সাহায্য আগবঢ়াইছে। আমাৰ পৰিয়ালৰ আৰ্থিক অৱস্থাৰ কথা অনুমান কৰিয়ে হ'ব পায় আমাৰ ঁদেউতাৰ এসময়ৰ গুণগ্ৰাহী নাহৰকটীয়া বাগিছাৰ বেঙ্কাৰ কানহাইয়ালাল জিতানিৰ গোলাৰ (Firm) পৰাও মোলৈ ২০০টকাৰ সাহায্য আগবঢ়ালে। (পাঠক-পাঠিকাসকলৰ জ্ঞাতাৰ্থে এইখিনিতে উল্লেখ কৰা উচিত বুলি ভাবো যে তেতিয়া ২০০টকা আজিৰ দিনৰ ৫/৬ হেজাৰ টকাৰ সমানেই যেন পাওঁ।)

ইয়াৰ উপৰি ঁমিলিকমামাৰ ঘৰৰ ফালৰ পৰা শইকীয়া দৰ্জিৰ হতুৱাই দুদিনতে চিলোৱাই কৰ্ডৰ (corduroy) লংপেণ্ট এটা দিলে। (ঁমিলিকমামা তেতিয়া বাগিছাৰ মাইকী ফালৰ মহৰী আছিল।) তেতিয়ালৈকে মই সাধাৰণতে বহল বহল বগা পাইজামাবোৰ পিন্ধি ফুৰিছিলো। ঘনে ঘনে ধুই থাকিব নেলাগে কাৰণে এই কৰ্ডৰ পেন্টটো মোৰ বৰ কামত আহিছিল। গোসাঁই দাদাৰ (ঁৰূপকান্ত গোস্বামী– তেতিয়া নাহৰকটীয়া বাগিছাৰ বৰকেৰেণী) ঘৰৰ পৰা চুৰেটাৰ এটা দিলে। আমাৰ শুভাকাংক্ষী মালচন্দজী কাৱৰা বুলি SRCB (শালিগ্ৰাম ৰায় চুনিলাল বাহাদুৰ) কোম্পানীৰ পেট্ৰল পাম্পৰ মেনেজাৰ জনে আকৌ বিছনাৰ কাৰণে তোচক, গাৰু, বিছনাচাদৰ, আদিৰ পূৰা চেট এটাকে দিলে। ঘৰৰ ওচৰ-পাজৰৰ মোক সদায় সম্মান আৰু স্নেহকৰা মোৰ ভনীহঁতৰ লগৰ ছোৱালী দুজনীমানে আকৌ অন্য একো দিব নোৱাৰি চাৰিটা কোণাত ডি. এম. চি. সূতাৰে পৰ্ব্বত চিলাই দি ৰুমাল কেইখনমানকে চিলাই দিলে।

এই সকলোবোৰৰ ভিতৰত এটা উপহাৰ মই কেতিয়াও পাহৰিব নোৱাৰো। সেইটো হ'ল- মোৰ সহপাঠী বন্ধু ফাইজুদ্দিনৰ (ঘৰত মতা নাম জুৰেল) আম্মাজানে দিয়া ২৫ টকাৰ পুৰস্কাৰটো। আজি-কালি ২৫ টকাৰ মূল্য হয়তো একোৱেই নাই। কিন্তু তুলনামূলক ভাৱে তেতিয়াৰ দিনত আমাৰ হোষ্টেলৰ মাহেকীয়া মেচ ডিউজ (Mess Dues) আছিল ৪৫ টকা। এটা HARVESTONE FIELDMASTER হাতদীঘল চাৰ্ট ১০টকাত পোৱা গৈছিল। BATA কোম্পানীৰ অক্সফৰ্ড জোতা এযোৰৰ দাম আছিল ১৫টকা মাত্ৰ।

এহাতে যেতিয়া এপদ দুপদকৈ ওপৰত লিখা উপহাৰবোৰ গোট খাবলৈ আৰম্ভ হৈছিল– তাৰ মাজতে এইটোও ঠিক কৰা হ'ল যে মোৰ কলেজৰ মাহেকীয়া খৰচখিনি ডাঙৰ ককাইদেউ, মাজু ভিনিহি আৰু সৰু ভিনিহি তিনিও মিলি এক তৃতীয়াংশ কৈ বহন কৰিব– অন্ততঃ মই I.Sc. পঢ়া দুবছৰ। লগতে মাহে ১৫টকাকৈ বৃত্তিটো আছেই।

কলেজৰ ফিজো মাফ। গতিকে যেনে তেনে চলি যাব। পাছত এবছৰ TEA BOARD অৰ পৰাও কিছু টকা পাইছিলো।

ইয়াৰ মাজতে আকৌ আমাৰ ডাঙৰ ভিনিহিৰ SIROCCO কোম্পানীত কাম কৰা কলিকতীয়া বন্ধু নিৰঞ্জন চৌধুৰীৰ পৰা মই তেওঁৰ কলিকতাৰ ঘৰত থাকি Scottish Church কলেজত পঢ়াৰ প্ৰস্তাৱ এটাও আহি পৰিছিল। পাছে সেই প্ৰস্তাৱ কলিতে মৰিল।

এনেকৈয়ে টকা-পইচাৰ সমস্যাবোৰৰ বন্দবস্ত একোটা কৰা হ'ল। এতিয়া কথা হ'ল— অকলে মই ট্ৰেইনত গুৱাহাটীলৈ যাওঁ কেনেকৈ? তেতিয়ালৈকে মই অকলে ট্ৰেইনত নাহৰকটীয়াৰ পৰা মৰিয়নী জংচনৰ সিফালে ভটিয়াই যোৱা নাই। পাছে অবিলম্বে সেই সমস্যাৰো সমাধান হ'ল। ককাইদেউৰে চাৰিঙৰ হাইস্কুলত একেলগে পঢ়া বৰুৱাদা (তেখেতৰ প্ৰথম নামটো তেতিয়াও জনা নাছিলো আজিও নাজানিলো) তেতিয়া নাহৰকটীয়াত চেলচ টেক্স ইঞ্চপেক্টৰ নে কিবা চৰকাৰী কাম কৰি আছিল। তেওঁৱে উপযাচি মোক গুৱাহাটীলৈ লৈ গৈ কটন হোষ্টেলত নিত্যা দত্তৰ হাতত চমজাই দিবলৈ গাত ললে। এনেদৰেই ১৯৫৬ চনৰ ৯ আগষ্টৰ দিনা আবেলি কটন হোষ্টেলৰ ২নং মেছৰ ৩ নম্বৰ ব্লকত ওলালোগৈ। বৰুৱাদাই মোক থৈ গুচি যোৱাৰ পাছত মোৰ ঘৰলৈ আৰু ঘৰৰ সকলোলৈকে মনত পৰি কান্দি দিম যেন লাগিছিল।

প্ৰথম গৈ পোৱাৰ পাছতে মোৰ ট্ৰাঙ্ক আৰু হুল্ডঅলটো নিত্যা দত্তৰ ৰুমতে নি থোৱাইছিলো। পাছে দুঘণ্টামানৰ ভিতৰতে প্ৰথম বাৰ্ষিক বছৰটোৰ কাৰণে তিনি নম্বৰ ব্লকৰ পাঁচ নম্বৰ ৰুমটোত মোক কাঠৰ তক্তাপোচ এখন, টেবুল এখন আৰু চেয়াৰ এখনেৰে সৈতে চীট এটা নিগাজীকৈ দিয়া হ'ল। সেই ৰুমটোত মোৰ আন দুজন ৰুমমেট (Room mate) দুই জনেই মোতকৈ জ্যেষ্ঠ বি. এছ. চি. তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। এজন আছিল ডিব্ৰুগড়ৰ দেৱকুমাৰ দাস আৰু আনজন কৰিমগঞ্জ নে শিলচৰৰ মধুসূদন ঘোষ।

কলেজলৈ গৈ মোৰ প্ৰথম আচহুৱা অভিজ্ঞতাটো হৈছিল গা ধোৱা ক্ষেত্ৰত। সেই সময়ত স্বাস্থ্যৰ ফালৰ পৰা মই বেমাৰী নহলেও বৰ ক্ষীণ আছিলো। ওজন ৯০ পাউণ্ড মাত্ৰ। মই কাপোৰ-কানি খুলি মোৰ হাড় ওলোৱা শৰীৰটো আমাৰ ঘৰৰ মানুহবোৰৰ বাদে অন্যক দেখুৱাবলৈ বৰ লাজ পাইছিলো। কিন্তু কলেজৰ হোষ্টেল গৈ পোৱাৰ দিনাই তাকেই কৰিব লগা হ'ল। আমাৰ হোষ্টেলৰ দ্বিতীয় আৰু তৃতীয় ব্লকৰ মাজতে চিমেণ্ট কংক্ৰিটেৰে সজা এটা বিৰাট চৌবাচ্চা আছিল। তাতে ৰাতিপুৱা আৰু গধূলি মিউনিচিপালিটিৰ পানী ধৰা হয়। আৰু তাৰ পৰাই আমি হোষ্টেলবাসী ছাত্ৰসোপাই তিয়নি একোখন পিন্ধি বাল্টি একোটাৰে মুক্ত আকাশৰ তলত হুৰ হুৰ কৈ পানী ঢালি গা ধুব লগা হৈছিল। ডনবস্ক' স্কুল আৰু টেলিগ্ৰাফ অফিচৰ ফালৰ ৰাস্তাবোৰেদি যোৱা সকলোৱে দেখা পাইছিল। অৱশ্যে আমাৰ ডাইনিং হলৰ পাচফালে দূৰৈত য'ত লাইন লাইনকৈ শৌচালয়বোৰ আছিল- সেইফালেও টিনৰ চেডৰ (shed) তলত কেবাটাও গাধোৱা পানীৰ চৌবাচ্চা আছিল। সেই কেইটা প্ৰথম, দ্বিতীয়, তৃতীয় মেছ আৰু কটন মুছলিম (cm) হোষ্টেলৰ সকলো ছাত্ৰৰ কাৰণে সমূহীয়া আছিল। কলেজ গৈ পোৱাৰ দুই এদিনৰ ভিতৰত মাৰ্কচিট উলিওৱা, নাম লগোৱা, নিতান্তই দৰকাৰী পাঠ্যপুথি কেইখন কিনা আদি কামবোৰ জ্যেষ্ঠ ছাত্ৰসকলৰ সহায়ত বৰ সহজেই হৈ গ'ল। কটন কলেজত সেই সময়ত ৰেগিং প্ৰথা নাছিল। গতিকে জ্যেষ্ঠ ছাত্ৰসকলক আমি সমীহ কৰিছিলো— তেওঁলোকক ভয় কৰিব লগা নৈছিল।

কলেজৰ ক্লাচলৈ গৈ প্ৰথম দিনতে আৰু দুটা নতুন অভিজ্ঞতা হ'ল। প্ৰথমটো হ'ল এই— হাইস্কুলত থাকোতে দহ বজাতে গৈ যিটো ক্লাচ ৰুমত বহোঁগৈ আবেলি তিনি বজাত ছুটি নোহোৱালৈকে সেই একেটা ৰুমতে সাতটা পিৰিয়ডৰ ক্লাচ হৈছিল। বিষয় লৈ লৈ বেলেগ বেলেগ মাষ্টৰ আহিছিল, গৈছিল কিন্তু আমি ছাত্ৰ-ছাত্ৰীবোৰে সৰুপানী চুবলৈ যোৱাৰ সময় বা পানীখোৱা ছুটিৰ সময়ৰ বাদে ক্লাচৰুমৰ বাহিৰলৈ ওলাবলৈ সুযোগেই নাপাইছিলো। কলেজত দেখিলো দিনটোৰ প্ৰথম ক্লাচটো হয়তো হ'ব কলেজৰ প্ৰধান বিল্ডিংটোত—য'ত তেতিয়া আমাৰ প্ৰিন্সিপাল উপেন দত্ত চাহাবৰ অফিচ আছিল। দ্বিতীয় ক্লাচটোৰ কাৰণে খোজ লব লাগে চুডমাৰ্চন হললৈ। তাৰ পাছত ফিজিক্স বিল্ডিং আৰু দিনটোৰ শেষত হয়তো সোমাবলৈ লাগিছিল অনবৰতে H_2S গেচৰ দৰে গোন্ধাই থকা কেমিষ্ট্ৰি বিল্ডিংটোত। মুঠতে দিনটোৰ ভিতৰত ক্লাচ কৰাৰ কাৰণে পাণবজাৰৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিব লাগে। ব'টানিৰ ক্লাচ লোৱা ল'ৰা-ছোৱালীহঁত আকৌ দীঘলী পুখুৰীৰ পাৰো পাবগৈ লাগে। এই অহা-যোৱা কৰাৰ মাজতে আকৌ কোনো কোনো ছাত্ৰই বিড়ি-চুৰট, তামোলছালি একোখনৰ কাৰণেও বৈ যায়— বা কেন্টিনত গৈ আড্ডা মাৰেগৈ— বিশেষকৈ আৰ্টচ পঢ়া সকলে। দ্বিতীয় কথা এটা দেখি তবধ মানিলো যে প্ৰফেচাৰে ৰোল কল কৰাৰ সময়ত পিছৰ বেঞ্চত বহা কোনো কোনো ছাত্ৰই তেওঁলোকৰ অনুপস্থিত কোনোবা বন্ধুৰ নাম মাতিলেই "yes sir" বুলি কৈ সেই অনুপস্থিত বন্ধুক উপস্থিত থকা বুলি সাব্যস্ত কৰিছিল। এই প্ৰথাটোক সকলোৱে প্ৰক্সি (proxy) দিয়া বুলি কৈছিল। প্ৰফেচৰসকলেও এই কথাটোত বৰ খং-ৰাগ কৰা দেখা নাছিলো। আমাৰ স্কুলত কিন্তু এইবোৰ নচলিছিল। প্ৰথম কাৰণ হ'ল আমাৰ প্ৰত্যেকজন মাষ্টৰে প্ৰতিটো ছাত্ৰক গাৰ ছাললৈকে চিনি পাইছিল। কোনো কোনো মাষ্টৰে আকৌ ছাত্ৰ-ছাত্ৰী বিশেষৰ মাক-বাপেককো বঢ়িয়াকৈ চিনি পাইছিল। বেণু বৰুৱা নামৰ নাহৰকটীয়া হাইস্কুলৰ চেকেণ্ড চাৰ জনেতো আমি ল'ৰাহঁতক আমাৰ নিজৰ নামবোৰেৰে সম্বোধন কৰাবো যোগ্য নহয় বুলি ধৰি লৈছিল। উদাহৰণ স্বৰূপে আমাৰ লগৰে ভৱ বৰুৱাক বেণুছাৰে যেতিয়া তেওঁৰ কাৰণে C.J. Patel কোম্পানীৰ বানৰবয় মাৰ্কা বিড়ি এমুঠি কিনিবলৈ পঠিয়াবৰ হয়— তেতিয়া "অই তই গদাৰ ল'ৰাটো। চাওঁ মোলৈ ভাল চাই বিড়ি এমুঠি আনি দেচোন," বুলিহে কৈছিল (ভৱৰ দেউতাকৰ নাম গদাধৰ বৰুৱা আছিল)।

স্কুলত থাকোতে আমি প্ৰতিজন মাষ্টৰক কেৱল ছাৰ বুলি সম্বোধন কৰিছিলো। কেতিয়াও "হেৰি গগৈচাৰ" বা "হেৰি শইকীয়াছাৰ" বুলি নেমাতিছিলো। অৱশ্যে অন্যৰ আগত ক'বলৈ হ'লে নাম কাঢ়িছিলো। কলেজত গৈ কিন্তু কিছুমান আধুনিক ছাত্ৰই প্ৰফেচৰক "প্ৰফেচৰ বৰুৱা" প্ৰফেচৰ দত্ত" এনেদৰে মতাও শুনিছিলো।

প্ৰফেচৰসকলৰ ভিতৰত সেই সময়ত মহেশ ভূঞা ছাৰক বিজ্ঞান শাখাত পঢ়িবলৈ যোৱা প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে চিনি পাইছিল। তেখেতেও সকলো ল'ৰা-ছোৱালীৰ প্ৰিয় পাত্ৰ হ'বলৈ বৰ চেষ্টা কৰিছিল। ফিজিক্সৰ প্ৰফেচৰ শিৱ শৰ্মা ঠাকুৰ (অতীজৰ যোৰহাটৰ মানুহ। বহুতদিনৰ আগতে ঢুকাল) কিন্তু বেলেগ ধৰণৰ আছিল। তেখেত বাহিৰত কিবা একা-চেকা ধৰণৰ। ভিতৰি ভিতৰি কিন্তু আটলচ ফলৰ দৰে কোমল আছিল বুলি কোৱা শুনিছিলো। তেখেতে পদাৰ্থ বিজ্ঞানৰ (ফিজিক্স) প্ৰাথমিক ক্লাচবোৰ পঢ়াওতে পদাৰ্থৰ যে তিনিটা ৰূপ মানে SOLID (টান) LIQUID (জুলীয়া) আৰু GAS (বাষ্প) এইবোৰ

পঢ়াইছিল। সেই সম্পৰ্ভতে সোনকালে শুকাই যোৱা গেচৰ কথা ক'বলৈ যাওঁতে ভলেটাইল (VOLATILE) শব্দটো বহুবাৰ ব্যৱহাৰ কৰিছিল। আনহাতে ভলেটাইল শব্দটো টিঙ্চিকৰে খং উঠা মানুহৰ ক্ষেত্ৰতো কোনো কোনোৱে ব্যৱহাৰ কৰে। সেইকাৰণেই প্ৰফেচৰ শিৱশৰ্ম্মা ঠাকুৰক বৰ্ণনা কৰিবলৈ আমাৰ বহুতে ভলেটাইল শব্দটো ব্যৱহাৰ কৰিছিল। সেই বিষয়ে এটা বৰ বঢ়িয়া ঘটনা মনত পৰিছে।

আমাৰ ক্লাচতে ডি (D) চেকচনত ৰমেশ ফুকন নামেৰে নাজিৰাৰ বৰ ফুচুৰি কৰিব জনা ছাত্ৰ এজন আছিল। তেওঁৰ চুলিবোৰ সদায় শুকান ইফালে সিফালে উৰি ফুৰে— বঙালীত য়াক কয় "উস্কু খুস্কু চুল" বুলি। মই শুনামতে শিৱশৰ্ম্মা ঠাকুৰ ছাৰে এদিন ৰমেশ ফুকনক ধৰিলে— বোলে What is this ? Why is your hair so dry ? Have you got no oil ? (কথাটো কি? তোমাৰ চুলিবোৰ ইমান শুকান কিয়? তেল তুল নাইনে তোমাৰ?) ৰমেশ ফুকনো পিছ পৰি থকা ভকত নহয়। ততালিকে উত্তৰ দিলে— Sir the oil is use I too much volatile (চাৰ মই ব্যৱহাৰ কৰা তেলবিধ বৰ ভলেটাইল— শুকাই যায়)। সেইযে ভলেটাইল শব্দটোৰ সময়মতে ব্যৱহাৰ তাৰ কাৰণেই গোটেই ক্লাচটোৱে গিৰ্জ্জনি পাৰি হাঁহিলে। প্ৰফেচৰ চাহাবেও একো নকলে ঘূৰাই। ক'বই বা কি?

মই I. Sc.ৰ দ্বিতীয় বাৰ্ষিক বছৰত তৃতীয় ব্লকৰে ১৫নম্বৰ ৰুমটোলৈ আহিলো। ৰুমমেট দুজনৰ এজন হ'ল দ্বিতীয় বাৰ্ষিকৰে ডিম্ব ৰাজকোঁৱৰ। লাকুৱাত ঘৰ একেবাৰে মাটিৰ দৰে নিমাখিত মানুহ আৰু আনজন ৰুমমেট চতুৰ্থ বাৰ্ষিকৰ বি.এ. পঢ়া বৰডুবিৰ ভট্টাচাৰ্য্য নে চক্ৰবৰ্ত্তী- হঠাতে পাহৰি গৈছো। ১৬নম্বৰ ৰুমত ডিব্ৰুগড়ৰ লোকেন গগৈ (ঘৰত মতা নাম পুতুল) মোৰ খুব ভাল বন্ধু হৈ পৰিল। ১৭নং ৰুমত ওপৰত উল্লেখ কৰা ৰমেশ ফুকন আৰু লক্ষী গগৈ। (নাজিৰাৰ ওচৰৰে আসাম কোম্পেনিৰ চণ্টক নে চৰাইদেউ পৰ্ব্বত কোনোবা এখন বাগিছাৰ পৰা অহা) দুয়োজন আমাৰ দৰেই দ্বিতীয় বাৰ্ষিকত। সেই ৰুমৰ চিনিয়ৰজন কোন আছিল পাহৰিলো।

আগতেই কৈছো ৰমেশ ফুকন ভদ্ৰলোক অলপ কৌতুকী। সকলো পৰিবেশতে হাঁহি ধেমালিৰ খোৰাকী উলিয়াব জানে। I. Sc পৰীক্ষাৰ আগে আগে পৰীক্ষাৰ প্ৰস্তুতিত এদিন গধূলি ৰুমত পঢ়া-শুনা কৰিবলৈ লৈছো। এনেতে ফুকন আমাৰ ৰুমলৈ সোমাই আহিল। লগত লক্ষী গগৈ ।

ৰুমত সোমায়ে বোলে হেৰি পোৱালি শৰ্ম্মা কিমাননো পঢ়িব আৰু, অলপ ঘূৰি আহো বলক (মোৰ শৰীৰৰ চাইজটো সৰু আছিল কাৰণে বহুতে মোক তেতিয়া পোৱালি শৰ্ম্মা বুলি মাতিছিল। লগৰবোৰৰ কথা বাদেই আনকি যোৰহাটৰ মুকুল শৰ্ম্মাৰ ভনীয়েক ৰাজুহঁতেও মোক পোৱালি শৰ্ম্মা বুলিহে মাতিছিল)।

মই বোলো "এই পঢ়া-শুনা কৰাৰ সময়ত এতিয়া যায় ক'ত"। ফুকনে বোলে "অন্য লোকে Footprints on the sands of time অত ৰাখি যায়, বলক, আমি গুৱাহাটীৰ cement of police post অত আমাৰ Hand prints ৰাখি আহোঁগৈ।" মই তেতিয়াও ঠিক বুজা নাছিলো। পাছে ফুকনে বোলে "বলক, বলক, নিজে গৈ দেখিব।" এই বুলি আমি তিনিও হোষ্টেলৰ চৌহদৰ ফেন্সৰ (fence) ৰেইলিং বেঁকা কৰি উলিউৱা ফাঁকেদি সৰকি হোষ্টেলৰ কাষৰ ৰাস্তাটোৰেদি পষ্টঅফিচমুৱা হৈ পাণবজাৰৰ মেইন ৰাস্তাটোৰ চাৰিআলিটো পালোগৈ। সেই চাৰি আলিটোতে আছিল এটা পুলিচ পষ্ট— এতিয়াও আছে নিশ্চয়। (অৱশ্যে আজিৰ ট্ৰেফিক লাইটৰ দিনত পুলিচ পষ্টটো হয়তো কেতিয়াবাই উঠি

গৈছে)। পুলিচজনে যিটো চিমেণ্টৰ ঘূৰণীয়া ব্লকৰ ওপৰত থিয় হৈ দিনৰ বেলা ট্ৰেফিক কণ্ট্ৰ'ল কৰে— সেই চিমেণ্টৰ ব্লকটো সেই দিনা গধূলি নতুনকৈ সজা হৈছিল। চিমেণ্টবোৰ তেতিয়াও কেঁচা হৈয়ে আছিল। ৰমেশ ফুকনৰ প্লেন মতে সেই কেঁচা চিমেণ্টতে আমি তিনি সিদ্ধাই আমাৰ প্ৰত্যেকৰে হাত একোখনৰ চাপ বহুৱাই তলত খৰিকা এডালেৰে নাম কেইটাও লিখি থৈ আহিলো। পাছদিনা চিমেণ্ট শুকালত আনে নেদেখাকৈ ছেগ চাই দেখিলো হয় আমাৰ হাতৰ চাপ আৰু নাম কেইটা চিমেণ্টৰ ব্লকটোত ৰৈ গৈছে।

আমি দ্বিতীয় বাৰ্ষিকলৈ প্ৰমোচন পোৱা বছৰ মানে ১৯৫৭ চনৰ জহকালি গুৱাহাটীত প্লেগ বেমাৰ বিয়পিছে বুলি গুজৱ এটা উঠিল। লগতে এইটোও প্ৰচাৰ হৈছিল যে প্লেগৰ জীৱাণুবোৰ হেনো দুফুটতকৈ ওখলৈ জঁপিয়াব নোৱাৰে। গতিকে প্লেগৰ জীৱাণুৰ পৰা ৰক্ষা পৰিবলৈ আমি সকলোৱে আমাৰ পঢ়া টেবুলবোৰ তক্তাপোচৰ ওপৰত উঠাই পঢ়াশুনা কৰিছিলো। সেই কেইদিন হোষ্টেলবোৰত সেইটো এটা চাবলগা দৃশ্য হৈছিল। কটন হোষ্টেলৰ ডাইনিং ৰুমত ইমান সোপা ল'ৰাই একেলগে বহি ভাত খোৱাও মোৰ কাৰণে এটা নতুন অভিজ্ঞতা হৈছিল। তাতে আকৌ যিদিনা খাদ্যৰ তালিকাত তিতা কেৰেলা ভাজি বা কাৰৈ মাছৰ আঞ্জা থাকে সেইদিনা কিছুমান ল'ৰাই কাঁহৰ থালবোৰ টেবুলৰ ওপৰত থাংথাংকৈ মৰিয়াই সেই দিনৰ মাৰ্কেটিং অফিচাৰজনক উপলুঙা কৰা কথাটোও মোৰ বৰ আচৰিত যেন লাগিছিল। (প্ৰতিদিনে প্ৰথম বাৰ্ষিকৰ ছাত্ৰ এজন মেছৰ ৰান্ধনী ঠাকুৰৰ লগত গৈ ফাঁচী বজাৰত শাক-পাচলি, মাছ আদি কিনাত সহায় কৰিবগৈ লাগিছিল। তাৰ কাৰণে ছাত্ৰজনে চাৰি অনা পইচা কমিচন হিচাপে পাইছিল)। তিতাকেৰেলা বা কাৰৈ মাছৰ ক্ষেত্ৰত মাৰ্কেটিং অফিচাৰৰ গাত কি দোষ? পইচা কম হলে বা বজাৰত অন্য মাছ নেথাকিলে কাৰৈ মাছ আনিবই লগা হয়, আৰু আনহাতে সেই উৎপাত কৰা ল'ৰা কেইটা— সিহঁতনো ক'ৰ লাটচাহাবৰ ঘৰৰ পৰা অহা, যেন কেতিয়াও ঘৰত তিতাকেৰেলা বা কাৰৈ মাছ খায়েই পোৱা নাই! বা খোৱাই নাই জনমত।

হাইস্কুলত থাকোতে লুকাই চুৰকৈ ৰোমাণ্টিক উপন্যাসবোৰ পঢ়োতে ধাৰণা এটা হৈছিল যে কলেজত পঢ়িবলৈ গ'লেই কেনেবাকৈ ছোৱালী একোজনীৰ লগত চিনাকি হৈ প্ৰেমকাহিনী একোটাৰ আৰম্ভ হয়। কিন্তু আমাৰ মাজত মই কাৰো সেইবোৰ ৰোগ হোৱা নেদেখিলো। প্ৰথম কথা হ'ল— ৰিজাল্ট ভাল কৰাৰ চিন্তাত সকলোবোৰ পঢ়া-শুনাত ব্যস্ত। দ্বিতীয়তে প্ৰায় ভাগ ছাত্ৰৰে টকা-পইচাৰ ফালৰ পৰা হিচাব কৰি চলিব লগা অৱস্থা। গতিকে প্ৰেমপ্ৰীতিৰ কাৰণে অৱকাশ ক'ত? এখন বেঙ্গলী চিনেমাত কোনোবা এজনে ক'বৰ দৰে "দাৰিদ্ৰ্য দৰজায় দাঁড়িয়ে থাকলে ভালবাসা জানালা দিয়ে পালিয়ে যায়"।

কটন কলেজৰ হোষ্টেলৰ ছাত্ৰসকলৰ মাজত আৰু এটা শলাগ লব লগা প্ৰথা আছিল। সেয়া হ'ল যে প্ৰায়বিলাক জ্যেষ্ঠ ছাত্ৰই জুনিয়ৰবিলাকক যেনেকৈ পাৰে সহায় সাৰথি আৰু দিহা-পৰামৰ্শ দিছিল — পঢ়া-শুনাৰ ক্ষেত্ৰতে হওক বা অন্য কথাতে হওক। মোৰো তেনে কেইজন মানৰ নাম এতিয়াও মনত আছে আৰু আগলৈকো থাকিব। তেওঁলোক হ'ল যোৰহাটৰ মুকুল শৰ্মা (দেউতাক আছিল শিব শৰ্মা— তেখেতৰ পৰাই মই ১৯৫৮ চনতে Readers Digest পঢ়া অভ্যাসটো শিকিলো। যোৱা ৪২ বছৰ ধৰি পঢ়ি

আহিছো), শিৱসাগৰৰ প্ৰণৱ গগৈ (দেউতাক গিৰীণ গগৈ এম.এল.এ আছিল) উত্তৰ লক্ষীমপুৰৰ সূৰ্য্য বৰুৱা (সৰ্বেশ্বৰ বৰুৱাৰ ঘৰৰ) আৰু তেজপুৰ দাধৰা হ'ন্টৰ হিৰণ্য ভূঞা (দেউতাকৰ নাম সোমেশ্বৰ ভূঞা)।

১৯৫৮ চনত I. Sc পাছ কৰাৰ পাছত মই কটন কলেজ এৰি বেনাৰসত ইঞ্জিনীয়াৰিং পঢ়িবলৈ গ'লো। সেই সময়ৰ মোৰ অন্য সহপাঠী সকলো দিহিঙে দিপাঙে গুচি গ'ল। এজন এজনকৈ প্ৰায়বোৰৰ লগত সমন্ধ নাইকিয়া হৈ আহিল। মোৰে সৈতে কটন কলেজত একে হোষ্টেলতে থাকি একে ক্লাচতে পঢ়া দুজন মাত্ৰ বন্ধু বৰ্ত্তমানে আমেৰিকাত আছে। দুয়োজনেই উত্তৰৰ নিউজাৰ্চি প্ৰদেশত থাকে। প্ৰথম জন হ'ল— প্ৰবন্ধ লেখক ডাঃ ব্ৰজেন বৰদলৈ আৰু দ্বিতীয় জন হ'ল— যোৰহাটৰ এসময়ৰ এম. পি. ৰাজেন বৰুৱাৰ পুতেক নৃপেন বৰুৱা। এই বিশাল আমেৰিকাত নৃপেন বৰুৱাই মাত্ৰ এজন ব্যক্তি যাৰ লগত মোৰ সম্বন্ধ 'তয়াহয়া' ধৰণৰ। মানে কটনৰ দিনত মতা দৰেই মই নৃপেন বৰুৱাক এতিয়াও 'তই' বুলি মাতো আৰু নৃপেনেও মোক 'তই' বুলিয়ে সম্বোধন কৰে। অসম সম্মিলনৰ সৌজন্যত মোৰ এই বন্ধু দুজনৰ সৈতে প্ৰতিবছৰে এবাৰকৈ দেখা দেখি হৈ আহিছে। ❑

মায়াশ্ৰী বৰকটকী

মনত পৰেনে কটন কলেজ

মৰমৰ কলেজখন পৰেনে মনত
তোমাৰ সেই সম্মুখৰ চোতালখনত
পুৱাৰ নিয়ঁৰ পৰি সেমেকা বনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত
লিখিছিলোঁ নাম আমি আঁহত পাতত।

তেতিয়া আছিল সৃষ্টিৰ উঠাৰ সপোন
তোমাকোযে লাগিছিল তেনেই আপোন
তুমি কোৱা কথাবোৰ ফুল হৈ ফুলিছিল
শিহৰণ লাগিছিল জীৱন গানত।
পৰেনে মনত বাৰু পৰেনে মনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত।
নাম লিখিছিলোঁ আমি আঁহত পাতত।

সেইযে তেতিয়া আমি উজ্জ্বল আশাৰে
ভৰিছিলোঁ প্ৰাণ যেন উচ্ছল ভাষাৰে
মন পখী উৰিছিল, জাগিছিল কল্পনা
তব পৰশত
পৰেনে মনত বাৰু পৰেনে মনত
তোমাৰ সেই সম্মুখৰ চোতালখনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত
লিখিছিলো নাম আমি আঁহত পাতত!

হঠাৎ এদিন আহি সময়ৰ ৰথ
বেঁকাই দিলেহি মোৰ সৰল সেই পথ
সাতখন সাগৰৰ ঢেউ পাৰ হৈ
বাটৰ কাষতে লগৰীয়া এৰি থৈ
আহি পালো এইখন মাৰ্কিন দেশত
সাজিব লাগিল মোক নতুন বেশত।

পাহৰিলোঁ, অহা আৰু যোৱাৰ বাটত
বহুদিন আৰু বহু যুগৰ আগত
তোমাৰ সেই সম্মুখৰ চোতালখনত
ময়ো লিখিছিলোঁ নাম আঁহত পাতত।

আজিকালি সম্মুখত মোৰ খিৰিকিৰ
দিনে-ৰাতি শোভাযাত্ৰা মটৰ গাড়ীৰ
'হলিউদে' পাতে জাল, লচ এঞ্জেলেচ নৈ
চিমেণ্টেৰে ঘেৰা জীৰ্ণ, ধীৰে যায় বৈ
দিনটো কটাওঁ শুনি মনৰ খবৰ
মেৰী ও কেথীৰ, ৰ'ন অথবা ব'বৰ
বিদেশী ভাবনা ভাবোঁ, কথা কওঁ বিদেশী মাতত
পাহৰিলোঁ, বহুদিন ও যুগৰ আগত
তোমাৰ সেই সম্মুখৰ চোতালখনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত
লিখিছিলোঁ মোৰ নাম আঁহত পাতত!

কিছুদিন কিছুৰাতি হ'ল আজিকালি
ৰিং মাৰি কোনে যেন মাতিছে আবেলি
"ঘূৰি আহা, ঘূৰি আহা, ঘৰৰ ছোৱালী
ইয়াতো পখিলা উৰে, জিএঙা যায় খেলি,
ইয়াতো সপোন দেখা ৰং যায় ফলি

আকাশৰ ৰামধেনু পায় যে হাতত
সেয়ে বহু দিন আৰু যুগৰ আগত
কটনৰ সম্মুখৰ চোতালখনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত
বহুজনে নাম লেখে আঁহত পাতত!

মাজে মাজে ভাবোঁ বহি গধূলি গধূলি
তোমাৰ পৰাই পালোঁ জীৱন সঁজুলি
তোমাৰ দানেৰে কৰোঁ সংসাৰ মেলাত
কিনা বেচা, সজা কচা, দিনৰ খেলাত
কিন্তু এতিয়া শেষ, এই সন্ধিয়া বেলাত
যদিহে উভতি চাওঁ, যদি মই ঘূৰি যাওঁ
জীৱন সূৰ্য্য ডুবি পৰিলে পাতত।
পৰিবনে, পৰিবনে তোমাৰ মনত
তোমাৰ সেই সম্মুখৰ চোতালখনত
দুফালে অহাৰ আৰু যোৱাৰ বাটত
লিখিছিলোঁ মোৰ নাম অঁহত পাতত! ❑

গৌতম প্ৰসাদ বৰুৱা

হেঁপাহ মোৰ পলোৱা নাই

"তুমি এক মহাকাশ— উদাৰ সেই আকাশত
বহুতেই মেলি দিলে মনৰ দুৱাৰ,
তুমি এক মহাসমুদ্ৰ— গভীৰতো গভীৰত
বহুতেই বুটলিলে মুকুতা প্ৰাণৰ,
তুমি এক মহাবৃক্ষ, দুবাহুৰ অৰণ্যত
বহুতেই সাজি ললে নীড় জীৱনৰ।
তোমাৰ এই দুৱাৰত বহুতেই হাঁহি গ'ল,
বহুতে কান্দিলে, আশাই মেলিলে কুঁহি
হতাশা গুচিলে বাটে বাটে সিচি দিলে ফুল!"

(মায়াশ্ৰী বৰকটকী)

কটনিয়ান—১৯৬১

কটন এখন মাথোন কলেজ নহয়, ই আমাৰ বাবে আঁউসীৰ নিশাত হঠাৎ জ্বলি উঠা এটা চাকি। এই চাকিৰ শলিতাৰ পোহৰত আগবাঢ়ি যাওঁতে আমি যেন এটা প্ৰজ্বলিত তীখালে

ৰূপান্তৰিত হ'বলৈ উজ্জীৱিত হৈছিলো। মোৰ বহুতো বন্ধুৱে মোক মাজে মাজে সোধে 'তোমাৰ জীৱনৰ সবাতোকৈ উল্লেখযোগ্য সময়খিনি কেতিয়া পাৰ হৈছিল?' প্ৰতিজন প্ৰশ্নকৰ্ত্তাকে মই উত্তৰ দিছিলো— 'মোৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য, অৰ্থপূৰ্ণ, আনন্দদায়ক আৰু প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা সময় আছিল কটন কলেজত পঢ়া সময়খিনি। সেই সময়খিনিয়েই আছিল চৰম আৰ্থিক সংকটৰ সময়ো।'

সেই সময়ত কটন কলেজৰ শিক্ষকৰ ক্ষেত্ৰখন আছিল ৰত্নৰ ভাণ্ডাৰ। আমি অসমীয়া শিকিছিলো— উপেন চন্দ্ৰ লেখাৰু, অতুল চন্দ্ৰ হাজৰিকা আৰু গিৰিধৰ শৰ্ম্মা আদি ছাৰৰ পৰা। ইংৰাজী অধ্যয়ন কৰিছিলো- ৰায়হান শ্বাহ, নৰকান্ত বৰুৱা, ধীৰেণ বেজবৰুৱা, মহেন্দ্ৰ বৰা, উপেন শৰ্ম্মা, বসন্ত বৰুৱা ছাৰ আদিৰ পৰা। অৰ্থনীতি শিকিছিলো- আশ্ৰফ আলি, ইক্ৰামুল শইকীয়া, ৰামকুমাৰ দাস, নগেন শৰ্ম্মা, ধীৰেণ শৰ্ম্মা আৰু হৰেণ দাস আদি ছাৰৰ পৰা। আমি এই সকলোখিনি শিক্ষকৰ পৰা পাইছিলো উজ্জীৱিত হোৱাৰ শক্তি।

প্ৰতিজন অধ্যাপক আছিল নিজ নিজ বিষয়ত অতি পণ্ডিত আৰু পাৰদৰ্শী লোক। কিন্তু তেখেতসকলৰ পৰা ক্লাচত দিয়া শিক্ষাখিনি বাদ দিয়ো আমি পাইছিলো অপাৰ পৰামৰ্শ জীৱনত থিয় হোৱাৰ। আমাৰ প্ৰতিজন শিক্ষকেই বিচাৰিছিল ভাল ছাত্ৰ হোৱাৰ উপৰিও প্ৰথমে— ভাল মানুহ হিচাপে নিজকে গঢ়ি তোলাৰ। কটন কলেজ সেয়েহে আমাৰ বাবে আজিও অতি মৰমৰ, অতি হাবিয়াসৰ আৰু অতি শ্ৰদ্ধাৰ। মই অন্ততঃ নিজে আজিও ভাবো— মোৰ ব্যক্তিত্ব গঢ়ি উঠাত সবাতোকৈ বেছি অৰিহণা আছে— কটনৰ পৰিবেশৰ, শিক্ষকসকলৰ শিক্ষা আৰু আমাৰ সহপাঠীসকলৰ সহমৰ্ম্মিতাৰ সহযোগ।

১৯৫৭ চনত আমি কটনত প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লিখো আৰু ১৯৬১ চনত বি. এ. পাছ কৰো। ছাত্ৰ হিচাপে প্ৰথম অৱস্থাত মই বৰ তীখৰ বুদ্ধিৰ নাছিলো। কিন্তু সময় যোৱাৰ লগে লগে শিক্ষক, পৰিবেশ আৰু সহপাঠীৰ সংসৰ্গত শিক্ষা লৈ ভালদৰে অৰ্থনীতিত সম্মানেৰে বি. এ. পাছ কৰা হ'ল। আমাৰ সময়ৰ অতি মেধাবী ছাত্ৰসকলৰ ভিতৰত আছিল- ধীৰেণ বুঢ়াগোঁহাই, দৰ্প বৰা, প্ৰণৱ বৰা, মদন প্ৰসাদ বেজবৰুৱা, জ্যোতিপ্ৰসাদ ৰাজখোৱা, প্ৰদীপ মহন্ত, জিতেন্দ্ৰ গোপাল বৰপূজাৰী, প্ৰদীপ ভট্টাচাৰ্য্য আদি বহুতো ছাত্ৰ। এওঁলোক সকলো প্ৰায়ে পৰীক্ষাত প্ৰথম বা দ্বিতীয় হৈছিল। এওঁলোকে নিজ নিজ ক্ষেত্ৰত আজিও সুনাম অৰ্জ্জন কৰিছে। এওঁলোক নিজ নিজ ক্ষেত্ৰত বিশিষ্ট হোৱাৰ কাৰণ, একমাত্ৰ পৰীক্ষাত প্ৰথম দ্বিতীয় হোৱাৰ বাবেই নহয়, এওঁলোক বিশিষ্ট হোৱাৰ অন্যতম প্ৰধান কাৰণ হ'ল কটন কলেজৰ পৰিবেশ, নিজৰ হতাশ নোহোৱা স্বভাৱ আৰু অধ্যাপকসকলে উজ্জীৱিত কৰিব পৰা ক্ষমতাৰ গুণত।

১৯৫৯ চনত আমি আই. এ. পাছ কৰি বি. এ. মহলাত নাম লিখিছো। তেতিয়া আমাৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আছিল আশ্ৰফ আলি ছাৰ। আমাৰ অৰ্থনীতিৰ অনাৰ্চৰ ছাত্ৰখিনিক তেখেতে বিশেষভাৱে যত্ন লৈছিল। আমাৰ সহপাঠী অনাৰ্চৰ ছাত্ৰখিনিৰ ভিতৰত আছিল প্ৰদীপ মহন্ত (এতিয়া স্বৰ্গী হ'ল), মদন প্ৰসাদ বেজবৰুৱা, দিলীপ বৰুৱা, নিৰুপমা হাজৰিকা (এতিয়া ফুকন), মায়াশ্ৰী বৰকটকী, ভূবন বৰুৱা, পৰেশ পাঠক আদি আন বহুতো কৃতী ছাত্ৰ আৰু ছাত্ৰী। এদিন ক্লাছ শেষ হোৱাৰ ঠিক পাছতে আশ্ৰফ আলি ছাৰে আমাক উদ্দেশ্য কৰি, ক'লে— "ALL WORK AND NO PLAY MAKES JACK A DULL BOY"। তোমালোকে কেৱল পঢ়ি ভাল ৰিজাল্ট কৰিলেই নহ'ব। খেলা-ধুলা কৰিবা। স্বাস্থ্যও ভাল হ'ব, মনো ফৰকাল হ'ব।" ছাৰৰ এই উপদেশৰ ফলত মদন, প্ৰদীপ আৰু আন আন

ছাত্ৰখিনিয়ে কটনত আজৰি সময়ত টেনিচ খেলিবলৈ ধৰিলে। মদনে সেইবাৰ আই. এ. পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি অৰ্থনীতিত অনাৰ্চ লৈ পঢ়িছিল। মদনৰ সুন্দৰ খেলুৱৈ সুলভ মনোবৃত্তি গঢ়ি উঠিছিল এই কটনতেই। আজিও টেনিচ তেওঁৰ প্ৰিয় খেল। টেনিচত আমাৰ সময়ৰ শ্ৰেষ্ঠ খেলুৱৈ এবছৰ হৈছিল ভাৰ্গব চৌধুৰী (এতিয়াৰ বেঙ্কাৰ)।

এবাৰ কটনত অৰ্থনীতি বিভাগৰ পৰা সেই সময়ত ম'ক-পাৰ্লিয়ামেণ্টৰ আয়োজন কৰিলে। তৰ্ক প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতাৰো প্ৰৱৰ্ত্তন কৰা হ'ল যাতে ছাত্ৰখিনিয়ে ডাঙৰ হৈ ৰাজনীতিৰ ক্ষেত্ৰতো সুনাম কৰিব পাৰে। বোধহয় দীনেশ গোস্বামী আৰু পিচৰ কালত নৃপেন গোস্বামী, আব্দুল হান্নানহঁতে ৰাজনীতিৰ ক্ষেত্ৰলৈ কটনৰ পৰিবেশৰ পৰাই শিক্ষা লৈ আহিছিল। আমি সকলো আশ্ৰফ আলি ছাৰৰ ওচৰত ঋণী।

অসমৰ মানুহখিনিৰ মনত সদায় এটা কথাই গুমৰি থাকে যে কটন কলেজত মাথোন ভাল ল'ৰাখিনিয়ে পঢ়ে, সেয়েহে ৰিজাল্ট ভাল হ'বই, চোকা ছাত্ৰই জীৱনত প্ৰতিষ্ঠা লাভ কৰিবই। এই কথাটো আংশিকভাৱেহে সত্য, সম্পূৰ্ণ সত্য নহয়। কটনত পঢ়া আমাৰ সময়ত প্ৰথম অৱস্থাত 'ষ্টেণ্ড' কৰা ছাত্ৰয়ো শেষ ৰক্ষা কৰিব নোৱাৰাৰ কথা আমাৰ লগৰ বহুতে জানে। ঠিক সেইদৰে প্ৰথম অৱস্থাত পঢ়া-শুনাত মজলীয়া ল'ৰায়ো পাছত উজ্জ্বল তাৰকা হৈ পৰাৰ অভিলেখো নোহোৱা নহয়। কটন কলেজৰ কীৰ্ত্তি শিক্ষাত পাৰদৰ্শী ছাত্ৰ তৈয়াৰ কৰাতেই নহয়—এজন স্বাৱলম্বী, নিষ্ঠাবান আৰু সহজতে হতাশ নোহোৱাৰ মনোবৃত্তি গঢ়ি তোলাৰ বাহক হিচাপেহে বেছি জনাজাত। এটা ব্যক্তিগত অভিজ্ঞতাৰ কথা উল্লেখ কৰো।

১৯৬১ চনত কটনৰ পৰা পাছ কৰি আমাৰ লগৰ প্ৰায়বোৰ ছাত্ৰই দিল্লীলৈ অৰ্থনীতি পঢ়িবলৈ গ'ল। মোৰো যোৱাৰ প্ৰবল ইচ্ছা আৰু সকলো প্ৰবন্ধ হোৱা সত্বেও ঘৰুৱা কাৰণত গুৱাহাটীতে পঢ়িলো। এম.এ. পঢ়ি থাকোতেই চাকৰিৰ বাবে, বিশেষ প্ৰয়োজনত, দৰ্খাস্ত কৰিলো। তেতিয়া চাকৰিৰ মোৰ বিশেষ প্ৰয়োজন। জীৱনৰ এটা বিশেষ আকাঙ্ক্ষা পূৰ্ণ কৰাৰ সময় উপস্থিত হৈছিল তেতিয়া। অইল ইণ্ডিয়াই চাকৰিৰ দৰ্খাস্ত পাই সাক্ষাৎকাৰৰ বাবে মাতিলে। চাকৰি— 'জনসংযোগ বিষয়া।' মই তেতিয়া দিনত পঢ়ো আৰু ৰাতি পি. টি. আইত চাকৰি কৰো। সাক্ষাৎকাৰ হ'ল। ১৯৬৩ চনত, চাকৰি মই নেপালো। পালে অতুল চন্দ্ৰ শৰ্ম্মাই। অলপ হতাশ হলো। জীৱনৰ প্ৰথম সাক্ষাৎকাৰতেই অসফল হলো। মনে মনে ঠিক কৰিলো অইল ইণ্ডিয়াত আকৌ চাকৰি বিচাৰিম সময়ত। এদিন সময় আহিল। ১৯৮৬ চন। পি. টি. আই, ইণ্ডিয়া কাৰ্বন, কলিকতাৰ বজবজ কাৰ্বনৰ অভিজ্ঞতা লৈ দৰ্খাস্ত কৰিলো। সৰ্ব্বভাৰতীয় সাক্ষাৎকাৰ হ'ল। এইবাৰ চাকৰিটো পালো। সংস্থাৰ— 'জেনেৰেল মেনেজাৰ (এডমিনিষ্ট্ৰেচন)।' অৱশেষত অৱশ্যে মোৰ চাকৰিত যোগ দিয়া নহ'ল। মই আজিও ভাবো জীৱনৰ প্ৰথম সৰু চাকৰিত অপাৰগ হোৱাৰ পাছতো সেই সংস্থাতেই শীৰ্ষ চাকৰিৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ মোক উজ্জীৱিত কৰিছিল কটনৰ পৰিবেশ, শিক্ষা আৰু শিক্ষকৰ উদগনিয়ে। কটন কলেজ তোমাক মই বৰ ভাল পাওঁ। আমাৰ সময়ৰ 'কটনিয়ানৰ' সম্পাদক আছিল গঙ্গাপদ চৌধুৰী। গধুৰ আলোচনী আছিল সেইখন। এই আলোচনীৰ পৰাও আমি শিক্ষা পাওঁ।

কটনৰ শিক্ষা মানে আমি মাথোন ক্লাচৰ শিক্ষাৰ কথাই নাভাবো। কটনৰ শিক্ষা আছিল পৰিবেশৰ শিক্ষা। নাটক, আবৃত্তি, সঙ্গীত খেলা-ধূলা আনকি ব্যায়াম আদিতো শিক্ষক আৰু ছাত্ৰই সমানে ভাগ লৈছিল আৰু ইয়াৰ মাজেৰে গঢ়ি উঠিছিল ব্যক্তিত্ব আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত

গঢ়ি উঠিছিল বন্ধুত্ব। আমাৰ সময়ত ছাত্ৰ-ছাত্ৰী মিলি পিকনিক খাবলৈ যোৱা প্ৰথা বেচ প্ৰচলিত হৈছিল। ১৯৬০ চন। ঠিক হ'ল আমি বি.এ. তৃতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীখিনিয়ে একেলগে পিকনিকলৈ যাম। গুৱাহাটীত ঘৰ থকা ছাত্ৰীখিনিয়ে অভিভাৱকৰ অনুমতি লৈ যাবলৈ সাজু হ'ল। কিন্তু হৰিষত-বিষাদ আহি পৰিল হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰীখিনিক লৈ। হোষ্টেল চুপাৰে অনুমতি নিদিয়ে। তেতিয়া ড° সূৰ্য্য কুমাৰ ভূঞা ৰ'ডত এটা ছোৱালীৰ হোষ্টেল আছিল। তাতেই আছিল প্ৰাণবন্ত শিল্পী-মনৰ ছাত্ৰীসকল। যেনে কিৰণ বৈশ্য, নিজৰা বৰকাকতী, উৎপলা বৰুৱা আদি। চিত্ৰলেখাৰ দেশৰ জীয়ৰী তেওঁলোক। প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা। তেওঁলোকৰ অবিহনে পিকনিক হ'ব ভগা বিয়া। হঠাৎ খবৰ দিলে—হোষ্টেল চুপাৰে অনুমতি দিব। কিন্তু তাৰ আগতে তেখেতে কোন দল ল'ৰা ছাত্ৰ যাব তেওঁলোকৰ লগত কথা পাতিব। ছাত্ৰীখিনিয়ে খবৰ পঠালে ল'ৰাখিনি হোষ্টেললৈ আহিব লাগে। ঈশান বৰুৱা (এতিয়াৰ বিখ্যাত শিল্পী), কালী প্ৰসাদ শইকীয়া (এতিয়াৰ নাক-কাণৰ মুৰব্বী অধ্যাপক) আৰু দেবকুমাৰ শইকীয়া (এতিয়া বিখ্যাত নাট্যকাৰ অধ্যাপক) উজান বজাৰৰ আমাৰ ঘৰলৈ আহি ক'লে তৎক্ষণাত যাব লাগে। মই ওলালো। পেটে পেটে ভয়ো লাগিল। হোষ্টেলৰ চুপাৰ আছিল স্বনামধন্যা কলেজৰ বিখ্যাত অধ্যাপিকা কমলা ৰায়। গহীন, ওখ, ফকফক কৈ উজ্জ্বল আৰু কঠোৰ চুপাৰ। কি সোধে বা? হোষ্টেল গৈ পালো। উদয় চকিদাৰে বাইদেউক খবৰ দিলে। তেখেত ওলাই আহিল—। আমাৰ বুকু কঁপিছে। তেখেতে আমাৰ সকলোকে সযত্নে নিৰীক্ষণ কৰিলে আৰু মাথোন ক'লে—তোমালোক পিকনিকলৈ যাবা? বৰ ভাল কথা। সন্ধিয়াৰ আগতে উভতি আহিবা'। আমাৰ মুখৰ মাত হৰিল। কি ক'ম নক'ম। আমি অভাৱনীয় অনুমতি পাই থৰ হৈ ৰ'লো। আকৌ তেখেতেই সুধিলে—'বজাৰ কৰা হৈ গ'ল'? নাই হোৱা বাইদেউ। আমি ক'লো। 'যোৱা বজাৰ কৰাগৈ এতিয়া' বাইদেউৱে গহীনত ক'লে। পিচদিনাৰ আমাৰ পিকনিক—জীৱনলৈ অবিস্মৰণীয় হৈ ৰ'ল আমাৰ মনত। এতিয়াও সেই পিকনিকৰ কথা ৰোমন্থন কৰে আমাৰ বান্ধবী ডঃ মায়াশ্ৰী ভৌমিকে লচ এঞ্জেলিচত আৰু ডঃ অঞ্জলী মেধি জেইলীনে যেতিয়াই লণ্ডনৰ পৰা আহি গুৱাহাটীত ভৰি দিয়ে। এৰা, কটনৰ কথা কৈ আমাৰ হেঁপাহ নপলায়। আমাৰ সময়ৰ পাকৈত খেলুৱৈসকল আছিল অখিল ডেকা, প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য, পুলক লাহিড়ীকে আদি কৰি বহুতো। তেজপুৰৰ মানিক বৰা আছিল বিস্ময় প্ৰতিভা।

আন দুটা ঘটনা মোৰ মনত এতিয়াও সতেজ হৈ আছে। প্ৰথমটো হ'ল সংস্কৃতিৰ ক্ষেত্ৰত। তেতিয়াৰ দিনত কটনত নাটকৰ অভিনয় হয়। হয় খুব জমোৱা নাটক। তেনে এখন নাটক আছিল দেবানন্দ দাসৰ 'পাত্ৰ লাগে।' দেউতাকে পাত্ৰীৰ বাবে দৰা বিচাৰিছে। বিভিন্ন ল'ৰা আহিছে বিয়াৰ প্ৰস্তাৱ লৈ। থূলমূল নাটকৰ বিষয়বস্তু সেইটোৱে। অপূৰ্ব অভিনয় কৰিলে দৰা হিচাপে— মতীন চৌধুৰীয়ে, প্ৰবীণ দাসে, আককাস আলিয়ে আৰু বীৰেণ দাসে। অপূৰ্ব উপস্থাপন। কোনো মহিলা শিল্পী নাছিল। কটনৰ সেই সময়ৰ ছাত্ৰীখিনিয়ে নাটকখন উপভোগ কৰিলেও ঠিক কৰিলে পাছৰ বছৰ অকল মহিলাৰ নাটক কৰিব। যেনে কথা তেনে কাম। পাছৰ বছৰত কলেজ সপ্তাহত নাটক অভিনয় হ'ল হেমলতা ডেকাৰ নেতৃত্বত (তেখেত ভ্ৰাম্যমানৰ শিল্পী হৈছিল)। ভাগ ললে— মায়াশ্ৰী বৰকটকীকে আদি কৰি বাণী চক্ৰবৰ্ত্তীলৈকে বিখ্যাত ছাত্ৰীখিনিয়ে। অপূৰ্ব নাটক। সংঘাতেৰে পূৰ্ণ। মায়াশ্ৰী হৈছিল সৰ্ব্বশ্ৰেষ্ঠ অভিনেত্ৰী। সকলোৱে অভিনয় দেখি বাঃ বাঃ বুলি কৈ উঠিল। এই নাটকখনত এটাও পুৰুষ চৰিত্ৰ নাৰাখিলে। চুঙা-চাই সোপা দিয়া হ'ল। সেই সময়ত শচীন বৰুৱা আছিল সৰ্বশ্ৰেষ্ঠ শিল্পী। আলি বৰা আৰু যোগদা ভূঞা বেডমিণ্টনৰ চেম্পিয়ন।

ইয়াৰ পাছৰ পৰাই কটনত সহ-অভিনয় আৰম্ভ হ'ল। 'ডক্টৰচ ডাইলেমা'ত অভিনয় কৰিলে— ধীৰেণ বেজবৰুৱা ছাৱে। স্ত্ৰী চৰিত্ৰত অভিনয় কৰিলে—লিলি বৰদলৈয়ে (মজিন্দাৰ বৰুৱা), পিছলৈ বি বৰুৱাৰ অধ্যাপিকা। স্ত্ৰী চৰিত্ৰত অভিনয় কৰা আন এগৰাকী শিল্পী আছিল অৰ্চনা ফুকন (এতিয়া গোস্বামী)। মহিলা চৰিত্ৰবোৰৰ অভিনয় ছাত্ৰীয়ে কৰাৰ আগতে তেনে চৰিত্ৰৰ বাবে নিৰ্বাচিত কৰা হৈছিল সুগঢ়ৰ ছাত্ৰসকলক। ইংৰাজী নাটকত অভিনয় কৰি তেতিয়া খুউব নাম কৰিছিল প্ৰদীপ বৰুৱাই। "আইভান'ভ" বুলি এটা বুঢ়া মানুহৰ চৰিত্ৰত অভিনয় কৰি সৰ্ব্বশ্ৰেষ্ঠ শিল্পীৰ অধিকাৰী হৈছিল তেখেত। প্ৰদীপ মানে এতিয়াৰ 'প্ৰান্তিকৰ সম্পাদক' প্ৰদীপ বৰুৱা। প্ৰদীপ ডেকা কালত কাৰ্ত্তিকৰ দৰে ক্ষীণ, সবল আৰু গঢ়িত আছিল। ৰঙা-বগা ৰঙেৰে নীলা চকুযুৰিৰে ইমান ধুনীয়া দেখিছিল প্ৰদীপক। এবাৰ ঠিক হ'ল ইবচেনৰ 'An Enemy of people' নাটকৰ এটা বিশেষ নাৰী চৰিত্ৰৰ ভাও দিব লাগিব প্ৰদীপে। ড্ৰেচ ৰিহাৰ্চেলত দেখা গ'ল পোছাক-পৰিচ্ছদেৰে প্ৰদীপ যেন সাইলাখ অপৰূপ এজনী মেম। আমাৰ সকলোৰে বৰ আনন্দ হ'ল। কল্যাণ বৰাই হঠাৎ ক'লে ঃ অই, পিচে দেখিছনে নাই? এনেকৈ কেনেকৈ হ'ব? মেমৰূপী ফ্ৰক পিন্ধা প্ৰদীপৰ ভৰি দুখন দেখোন নোমেৰে আৱৰা? প্ৰদীপে ক'লে চিন্তা কৰিব নালাগে তেওঁ ব্যৱস্থা কৰিব। যথাসময়ত নাটকৰ অভিনয় হ'ল। খুউব নাম কৰিলে অভিনয় কৰি প্ৰদীপে। সকলোৰে মুখে মুখে তেওঁৰ গুণ। ইমান ধুনীয়া ছোৱালী হেনো কটনত নায়েই। পিচে এদিন গ'ল দুদিন গ'ল সাতদিন হ'ল প্ৰদীপৰ দেখা দেখি নাই। সবেই লগ পাব খোজে। আমি ঘৰলৈ খবৰ কৰিবলৈ গ'লো। দেখিলো ডাক্তৰ পৰিবেষ্টিত হৈ প্ৰদীপ বহি আছে। মেমৰ পাৰ্ট কৰিবলৈ দৌৰাদৌৰি কৈ ভৰিৰ নোম পুৰণা ব্লেডেৰে খুৰালে। নাটকৰ পিচদিনাই চেপ্টিক হৈ ঘৰত ডাক্তৰৰ বেজী লৈ পৰি থাকিল। হাঁহি আমাক তেওঁ খবৰ দিলে। মই তেওঁৰ ওচৰলৈ গৈ ক'লো মেঘালী এয়া তোমাৰ কি হ'ল? কটনত পঢ়োতে আমি ধেমালিতে দুয়ো দুয়োকে এই নামেৰেই মাতিছিলো। কাৰণ তেওঁ পুৰুষ আৰু নাৰীৰ সমানে প্ৰিয় আছিল— অৰ্থাৎ 'অৰ্ধনাৰী ইশ্বৰ' অৰ্থাৎ শিৱ। প্ৰদীপে অভিনয় কৰা আন দুখন নাটক হ'ল 'BIRDS OF FEATHER' ...... সেইবাৰ প্ৰদীপৰ লগত শ্ৰেষ্ঠ অভিনেতা হৈছিল — তিনিচুকীয়াৰ বীৰেন দত্ত।

আমি কটনত পঢ়োতে ১৯৫৯-৬০ চনত ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক আছিল মোৰ আশৈশবৰ বন্ধু দিলীপ কাকতি ওৰফে দুল। সৰুৰে পৰা একেলগে ডাঙৰ হৈছো, দিলীপ, যতীন চৌধুৰী, অমৰ হাজৰিকা, ভবানী শৰ্ম্মা আদি মোৰ বন্ধুখিনি। ১৯৬০ চনত আমি তৃতীয় বাৰ্ষিকত। ঠিক সেই সময়তে গুৱাহাটীৰ এছ. পি-পাব্বী। কটনৰ দ্বিতীয় মেছত ৪ জুলাইৰ দিনা পুলিচ-ফায়াৰিং হৈ গৈছে। ৰঞ্জিত বৰপূজাৰী শ্বহীদ হ'ল। অমৰ হাজৰিকা গুলী খাই হাস্পতালত। অমৃত ভট্টৰ পিঠিৰে গুলী সোমাই বুকুৰে চিৰাল ফটাদি ফাটি বাহিৰলৈ ওলাই গৈ কোনোমতে জীয়াই আছে। গুৱাহাটীৰ পৰিবেশ ওন্দোলাই অনা আকাশৰ দৰে। আমি চিন্তাত আছো। তেনেতে খবৰ পালো অলপতে প্ৰধান মন্ত্ৰী নেহৰু আহিব গুৱাহাটীলৈ। মায়াশ্ৰী বৰকটকীয়ে বহুতো চেষ্টা কৰি মোক লগ নাপাই এখন সৰু চিঠি লিখি পঠিয়াইছে— 'দিল্লীৰ মানুহ গুৱাহাটী পাবহি। স্বৰ্গদেউৰ মানুহে তোমাৰ দুলক বিচাৰি ফুৰিছে। যি পাৰা কৰিবা। সাৱধানে থাকিবা। পৰীক্ষা নহয়— মানু'। ককায়েকৰ হাতত পঠিওৱা চিঠিখন পাই মই পি. টি. আইলৈ দৌৰ। কাৰ্ত্তিক বৰুৱা তেতিয়া গুৱাহাটীত। তেওঁ ক'লে প্ৰধানমন্ত্ৰী এতিয়া নহয় আগষ্টত অহাৰ কথা সঁচা। পুলিচ সূত্ৰত খবৰ লৈ কাৰ্ত্তিক ককাইদেৱে ক'লে— ছাত্ৰ নেতাসকলক গ্ৰেপ্তাৰ কৰিব পাৰে। দৌৰি দিলীপৰ ঘৰলৈ গ'লো। আনপিনৰ পৰা সতীশ

তহবিলদাৰ আহিছে। ঘৰত দেখোন সি নাই। বৰ চিন্তা হ'ল। এদিন দুদিনকৈ দিন যাবলৈ ধৰিলে। পুলিচে তাক ধৰিবলৈ চেষ্টা চলাই সমৰ্থ হোৱা নাই। দিলীপ ক'লৈ গ'ল ক'ব নোৱাৰে কোনেও। দুলৰ দেউতাক সতীশ কাকতী খুৰাদেউ তেতিয়া আমেৰিকাত। খুৰীদেউৰ মনত চিন্তা। আমি এদিন পিচতহে গম পালো- দিলীপ ক'ত আছে। অনিল ৰতন বৰঠাকুৰ তেতিয়া প্ৰবল প্ৰতাপী গুৱাহাটীৰ দণ্ডাধীশ। নিজে কটনিয়ান। তেখেতে ক'লে— দিলীপৰ কি দোষ? পৰিস্থিতিৰ দোষ। তেওঁক পলাই ফুৰিবলৈ হাক দিয়া। অনিলদাৰ সহযোগত দিলীপ জিলাধিপতিৰ ওচৰ পালে। গোচৰ অভিযোগ সাময়িকভাৱে স্থগিত হ'ল। কিন্তু পুলিচ ফায়াৰিঙৰ অনুসন্ধান চলিল। দিলীপ নিৰুদ্দেশ হৈ থকা কালছোৱাত তাক লুকাই থৈছিল D. T. Hostel ৰ ৰান্ধনি মিঠাৰামে তেওঁৰ বাবে সংৰক্ষিত কোঠাত।

দিলীপক পাই আমাৰ মনত অপাৰ আনন্দ হ'ল। আমি তেতিয়াই ভাবিছিলো দিলীপ নিশ্চয় বিখ্যাত ৰাজনৈতিক নেতা হ'ব এদিন। ইমান সৎ সাহসী প্ৰত্যুৎপন্নমতি সম্পন্ন ল'ৰা আছিল সি। দিলীপে পিচে ৰাজনীতি নকৰি শিক্ষা জগততেই থাকিল। আজিও ভাবো তাৰ দৰে সৎ বুদ্ধিমান আৰু নিষ্ঠাবান লোকৰ ৰাজনীতিৰ ক্ষেত্ৰত বৰ প্ৰয়োজন। সেয়া জুলাই ১৯৬০ চনৰ কথা। আগষ্ট মাহৰ শেষত প্ৰধান মন্ত্ৰী আহিল। ছাত্ৰ নেতাসকলে লগ পালে। মিত-মাত হ'ল ছাত্ৰ আৰু চৰকাৰৰ মাজৰ সংঘাত।

কটন কলেজ আমাৰ বাবে ডিগ্ৰী লাভ কৰা কলেজেই মাথোন নহয়। ই আমাৰ জীৱনক গঢ় দিওঁতা এটা অনুষ্ঠান। এই কলেজৰ পৰিৱেশতেই আছিল জীৱনৰ মুখামুখি হ'ব পৰা দক্ষতা, হক কথাত মাত মাতিবলৈ ভয় নকৰাৰ প্ৰতিশ্ৰুতি আৰু বাৰে বাৰে বাধা পালেও হতাশ নোহোৱাৰ শিক্ষা। তাতোকৈ ডাঙৰ কথা এই কলেজতেই আমি লাভ কৰিছিলো জীৱন পথৰ অময়া সঙ্গীক। গুৱাহাটীৰ পৰা মৰিয়নী অভিমুখে ৰেল চলিছে। ক'ব নোৱাৰাকৈ ৰেলত বহি বহি ঈশানৰ টোপনি গ'ল। আন্তঃ কলেজ সংস্কৃতি সম্মিলনত ভাগ লবলৈ কটনৰ দল গৈছে। সাৰ পাই দেখে তাৰ গাত এখন চাদৰ। কোনে দিলে জাৰত কষ্ট পোৱা বুলি গাত চাদৰখন? দূৰত বহি থকা ছাত্ৰী এগৰাকীয়ে সুধিলে 'কি হ'ল বেয়া পালে নেকি? ঠাণ্ডাত দন্তীয় 'দ' হৈ আছিল বাবে ময়েই গাত আলোৱানখন দিলো'। তেখেত হ'ল নৃত্য শিল্পী কিৰণ বৈশ্য। লুইতেৰে বহুতো পানী বৈ গ'ল। এদিন ষাঠীৰ দশকত সেই আলোৱানখনৰ গৰাকীক ঈশানে নিজৰ কৰি ললে। ঈশানে আজিও ভাবে তাৰ জীৱনত ইমান ফেদেলী-সুগৃহিণী কটনৰেই দান। মই নিজেও ভাবো একেদৰে। নহলেনো কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট পোৱাৰ পিচতো, বি বৰুৱা কলেজৰ শিক্ষা বিভাগৰ মুখ্য অধ্যাপিকা হ'বৰ ঠিক সময়তেই জানো চাকৰি এৰি গুচি যায় উৎপলা বৰুৱা, কাৰণ অকলে থকা গৃহস্থক ভাত ৰান্ধি দিবলৈ কোনো ভাল ৰান্ধনী পোৱা নাই। এয়া কটন কলেজৰে শিক্ষা বোধকৰো।

আজি-কালি কলিকতাৰ কফি হাউচত কেতিয়াবা যেতিয়া বহো আৰু প্ৰেচিডেন্সীৰ ছাত্ৰ-ছাত্ৰীসকলক দেখো, মোৰ মানসপটত ভাঁহি উঠে কটনৰ চিত্ৰপট। তাত থাকে বসন্ত বৰুৱা ছাৰৰ উদাত্ত বক্তৃতা। হেৰম্বকুমাৰ বৰপূজাৰী ছাৰৰ ফৰাচী বিপ্লৱৰ কথা, আশ্ৰফ আলি ছাৰৰ শিক্ষা আৰু মহেশ ভূঞা ছাৰৰ কৰুণা। ক'ত পাম এনে শিক্ষা, এনে পৰিৱেশ, এনে সহযাত্ৰী, আৰু সহমৰ্মীৰ মৰম। মনত পৰে পাত্ৰেশ্বৰ বসুমতাৰীৰ কথা। ঈশানৰ হাৰ্টৰ অসুখত দিল্লীত থাকিবলৈ ঘৰ নাপাওঁতে নিজৰ কম এৰি দিয়া পাত্ৰেশ্বৰৰ শিশুসুলভ মুখখন। গৰিমা বৰুৱাৰ (এতিয়া হাজৰিকা) মন মোহনীয় নাচ। মায়াৰাণী দাস

আৰু দীপালী বৰঠাকুৰৰ গান মনত পৰে। আমাৰ প্ৰিয় বান্ধৱী মামনি ৰয়চম গোস্বামী, আৰতি দাস বৈৰাগী, বৰা (ভূঞা), অঞ্জলি মেধি, আৰতি দাস আৰু প্ৰণতি গোস্বামীৰ সান্নিধ্য। এখেতসকল এতিয়া স্বনামধন্য ব্যক্তি। সঁচায়ে, কৈয়ে থাকো মানে ওৰকে নপৰে আমাৰ কটনৰে কথা। মোৰ আশৈশবৰ বান্ধৱী মায়াশ্ৰীৰ (এতিয়া লচ এঞ্জেলিচৰ অধ্যাপিকা) কবিতাৰে শেষ কৰিছো—

‘মইয়োতো বহুজনে বহু কণ্ঠে কৈ যোৱা
এটা কথাকেই মাথোঁ ক'ম,
“মৰমৰ কটন কলেজ
তোমাক মই বৰ ভাল পাওঁ”
আৰু তাৰ পিচত, তাৰপিচত--
হায়! মইয়োতো উৰি গুচি যাম।’

(তুমি মহাকাশ) ১৯৬১❑

আৰতি দাস বৈৰাগী

কটন কলেজৰ ডুখৰীয়া স্মৃতি

এক্স কটনিয়ান!

কটন কলেজৰ প্রাক্তন ছাত্রী!

মই?

সঁচাকৈয়ে মই কটন কলেজৰ প্রাক্তন ছাত্রীনে? শ্বাম্মিমে (শ্বাম্মিম আখতাৰ) যিদিনা ফোন কৰি ক'লে মোৰ কিবা এটা লিখা লাগে— গল্প হওক, কবিতা হওক বা কটন কলেজৰ স্মৃতি ৰোমন্থন—কিবা এটা। লগে লগে ঠিক কৰিছিলোঁ, নিশ্চয় লিখিম। কটন কলেজৰ স্মৃতি ৰোমন্থন কৰিয়েই কিবা এটা লিখিম। আৰু লিখাটো লিখিবলৈ বহি যেতিয়া ভাবিছোঁ, মই এটা সময়ত কটন কলেজত পঢ়িছিলোঁ, লগে লগে আনন্দ আৰু গৌৰৱেৰে মোৰ বুকু ভৰি পৰিছে। কটন হেন বিখ্যাত আৰু প্রাচীন কলেজ এখনত সঁচাকৈয়ে মই পঢ়িছিলোঁ।

মেট্রিক পাছ কৰাৰ পিছত গুৱাহাটীৰ তাৰিণী চৌধুৰী হাইস্কুলৰ পৰা (তেতিয়াও হায়াৰ চেকেণ্ডাৰী হোৱা নাই) কটনৰ কলা-বিভাগত পঢ়িবলৈ আহিছিলোঁ মই আৰু মৃদুলা। এসময়ৰ সংগীত শিল্পী মৃদুলা দাস দেৱান। নিৰুপমা (বৰ্তমান গুৱাহাটী কমাৰ্চ কলেজৰ

প্ৰবক্তা), মায়াশ্ৰী, নিৰ্মালি, অঞ্জলি, মুক্তিহঁত আহিছিল পাণবজাৰ হাইস্কুলৰ পৰা। সেই স্কুলৰ পৰাই আহিছিল নন্দিতা (নানা)। ৰেখা আহিছিল ডিপোটাৰ পৰা (দৰং), কহিমাৰ পৰা আহিছিল নগা ছোৱালী বিয়েত্ৰিচ। গাৰো ছোৱালী এজনী আছিল। নামটো পাহৰি গ'লো। তাই আমাৰ লগত অসমীয়াতে কথা পাতিছিল যদিও বিয়েত্ৰিচৰ পৰা হ'লে ফালৰি কাটি ফুৰিছিলোঁ, ইংৰাজীতে কথা পাতিব লাগিব বুলি। বৰ বেছি দৰকাৰ হলে, ইউ গ', আই গ', দিছ ইজ এ মেন জাতীয় এষাৰ-দুষাৰ কৈ আঁতৰি দিছিলোঁ। তেতিয়া ছোৱালীহঁত বহিবৰ কাৰণে চাৰৰ ওচৰত চাৰিযোৰ বেঞ্চ-ডেস্ক মাথোন।

কটন কলেজত এডমিশ্যান ল'বলৈ বুলি ইণ্টাৰভিউৰ দিনা চুডমাৰ্চন হলৰ কোনখিনি ঠাইৰ কেনেকুৱা বেঞ্চত বহিছিলোঁ, মই যেন এতিয়া স্পষ্টকৈ দেখা পাইছোঁ। এডমিশ্যান লৈ ঘৰলৈ উভতিছোঁ, এডমিনিচট্ৰেটিভ বিল্ডিঙৰ সম্মুখেদি খোজ কাঢ়ি। মোৰ গাৰ কাষেদি পাৰ হৈ যোৱা দুজন ল'ৰাই জোকোৱাৰ নিচিনাকৈ কৈ গ'ল- মালা সিনহা। দ্বিতীয় বাৰৰ কাৰণে সেইবাৰ মালা সিনহাৰ নাম শুনিলোঁ। ইয়াৰ দুদিনমানৰ আগতে, মোক প্ৰথমবাৰৰ বাবে দেখা সম্বন্ধীয় দাদা এজনৰ মুখত শুনিছিলোঁ, মই হেনো দেখাত মালা সিনহাৰ দৰে। তেতিয়া চাগে মালা সিনহা ফিল্মজগতত সোমাইছেহে। বিখ্যাত নৌ হয় এথোন। সেই যে আৰম্ভ হ'ল, তাৰপিছত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোৱালৈকে এই জোকোৱা নামটো ছাঁৰ দৰে মোৰ লগত লাগি থাকিল। চাইকেলৰ বতাহ গাত লগাই পাৰ হৈ যোৱা ল'ৰা, চুডমাৰ্চন হলৰ সম্মুখৰ চিৰিত শাৰী পাতি বহি থকা ল'ৰাৰ জাক বা কেণ্টিন আৰু পাণবজাৰৰ সেই চাৰিআলিত ল'ৰাৰ জুম দেখিলেই ভয়ত কঁপনি উঠিছিল, জোকাব বুলি। ভয় আৰু খং। অথচ এতিয়া এই বয়সত সেইবোৰ কথা মনত পেলাই কিয় ভয় লগা নাই? কিয় খং উঠা নাই?

কটনত পঢ়িবলৈ যাওঁতেই ঘৰত সকীয়নী— ল'ৰাৰ লগত পঢ়িবলৈ গৈছ, বদনাম যাতে শুনিব লগা নহয়। ক্লাচ নকৰি ঘূৰি নুফুৰিবি। দোকানে দোকানে চাহৰ জুতি লৈ নুফুৰিবি। গতিকে ল'ৰাৰ লগত চা-চিনাকি হ'বলৈ সাহসেই গোটাব নোৱাৰিলোঁ। কেৱল গৌতম বৰুৱা (কবি) আৰু ঈশান বৰুৱা (অভিনেতা)ৰ বাহিৰে কাৰো লগত মাত-বোল নাছিল। তাকো এওঁলোকৰ লগত ঘৰুৱাভাৱে আমাৰ ভাল কাৰণেহে। কথা এটা মনত পৰিছে, প্ৰথম অৱস্থাত মৃদুলাই ফ্ৰক-স্কাৰ্ট পিন্ধি কলেজলৈ গৈছিল। এদিন দেখিলোঁ, গৌতমে বগা হাফপেণ্ট এটা পিন্ধি ক্লাচত বহি আছে। শুনিছিলোঁ, সেয়া হেনো গৌতমৰ প্ৰতিবাদ।

আমি কিন্তু প্ৰথমৰে পৰা মেখেলা-চাদৰ পিন্ধি গৈছিলোঁ। পাট বা মুগাৰ মেখেলাৰ লগত তাঁতত বোৱা বা বগা ভইল কাপোৰত বেজী সূতাৰে ফুল তোলা চাদৰ। চকলেট ৰঙৰ পাৰি আৰু বুটা বছা কপাহী সূতাৰ মেখেলা চাদৰ এযোৰো আছিল মোৰ। সন্দিকৈ কলেজত পঢ়া বাইদেউ আৰু মোৰ কাৰণে মায়ে দুখন মুগাৰ মেখেলা কিনি আনিছিল, খনে এঘাৰ টকাকৈ বাইশ টকাত দুখন। উজান বজাৰৰ বাৰোৱাৰী নামঘৰৰ ওচৰৰ ৰেলৰে ক'লনীৰ পৰা কটন কলেজলৈ অহা-যোৱা কৰিছিলোঁ খোজকাঢ়ি। দীঘলী পুখুৰীৰ দাঁতিয়েদি গৈ জজ ফিল্ডেৰে শৰ্ট কাট! কলেজৰ বহী কিতাপ নিছিলোঁ, বেগত ভৰাই, কান্ধত ওলোমাই নহয়— বুকুত সাবটি। হাতৰ টিপত চাৰি অনা পইচা। টিফিন খাবলৈ। কেণ্টিনত চাৰিঅনাৰে কুপন এখন ল'লে একপ্লেট ভুজিয়া-বুন্দিয়া দিয়ে। দুজনীয়ে ভগাই খাব পাৰোঁ। সেই ভিজা ভিজা বুন্দিয়াৰ সোৱাদেই যেন বেলেগ আছিল। এবাৰ হ'ল

কি? কলেজৰ জেনেৰেল ইলেকচন। আমাৰ ওচৰ চুবুৰীয়াৰ ল'ৰা আফজল। বি.এ. ক্লাচৰ। চ'ছিয়েল চাৰ্ভিছৰ চেক্ৰেটাৰীৰ বাবে উঠিছিল। মোৰ হাতত এমোনা সুমথিৰা টেঙা দিছিল, গাৰ্লচ কমনৰুমত বিলাই দিবলৈ। দিলোঁ। আফজল জিকিল। এইবাৰ তেওঁ মোক পাঁচ টকা দিলে। বোলে লগৰ কিজনীক ভালকৈ খুৱাই দিবা। আমাক পায় কোনে? ইমানখিনি পইচা একেলগে পাই আমি কিজনী (বিয়েট্ৰিচহঁত নহয় আৰু) ডিলাইটত খাবলৈ গ'লো। বহুত টকাৰ মালিকৰ দৰে প্ৰথমেই কাটলেট একোটাৰ অৰ্ডাৰ দিলোঁ। খালোঁ। সদায় সদায় খোৱা ভুজিয়া-বুন্দিয়াৰ পৰা একেকোবে কাটলেট। তাৰ পিছত আকৌ কিবা এপদ এপদ। আমি যেন বেপৰোৱা। ভাল কাষ্টমাৰ পোৱা বুলি চাগে' বাবুচীয়ে প্ৰথমে আলহ-উদহেৰে সোধ-পোচ কৰি আছে। তৃতীয়বাৰ আকৌ কিবা এপদ খাবলৈ মন গ'ল। পিছে পইচাই বা আঁতে নে নাঁতে। অৰ্ডাৰ দিয়াৰ আগতে হিচাপ কৰি লোৱা ভাল হ'ব বুলি প্ৰথমে মুখে মুখে তাৰপিছত কাগজ কলম উলিয়াই ল'লো। ওচৰে-পাজৰে ঘূৰি ফুৰা বাবুচীয়ে কথাটো মন কৰি আছে। আমি মাতোঁহে মাতোঁ ওচৰলৈ নাহে দেখোন। হঠাৎ মন কৰিলোঁ, আমাৰ দাঁতিৰ টেবুলখনত এজন শিখ ভদ্ৰলোক। লাঞ্চ কৰিছে হ'বলা। খোৱাৰ মাজে মাজে মানুহজনে আমাৰ ফালে চাই আছে। কি আচৰিত— মই যেন কোট পেণ্ট পিন্ধা সেই বয়সস্থ শিখ ভদ্ৰলোকৰ চকুৰ মৰমসনা হাঁহিটো এতিয়াও দেখি আছোঁ। মই যেন এইমাত্ৰ তেওঁক দেখিলে চিনি পাই যাম। মানুহজনে আমাৰ কাণ্ড-কাৰখানা লক্ষ্য কৰিছে। আমাৰ প্ৰব্লেমটো বুজি পাইছে আৰু উপভোগ কৰিছে। বাবুচীক মাতি নি তেওঁ কিবা ক'লে। অলপ পিছত তেওঁ মোক (মই তেওঁৰ মুখামুখিকৈ আছিলোঁ) ওচৰলৈ মাতিলে। আৰু একপ্লেট খোৱা বস্তু মোৰ হাতত তুলি দিছিল। মনত পৰিছে— সেইদিনা কোনোবা এজনীৰ হাতত থকা কলেজ পিকনিকৰ বাবে তোলা পইচাৰ পৰা দুটকামান ধাৰে লৈ ডিলাইটৰ বিল শোধ কৰিছিলোঁ।

কেবাজনো বিখ্যাত বিখ্যাত অধ্যাপকে আমাক পঢ়ুৱাইছিল। ˚অতুলচন্দ্ৰ হাজৰিকা, ˚ গিৰিধৰ শৰ্মা ছাৰে আমাক অসমীয়া পঢ়ুৱাইছিল। ইংৰাজীৰ ছাৰ আছিল শ্ৰীনবকান্ত বৰুৱা, শ্ৰীবসন্ত বৰুৱা, শ্ৰীধীৰেন্দ্ৰ নাথ বেজবৰুৱা (চেণ্টিনেলৰ সম্পাদক), কবি ˚মহেন্দ্ৰ বৰা চাৰে। শ্ৰীআশ্ৰফ আলি, ইক্ৰামুল শইকীয়া, বিনয় চৌধুৰী, প্ৰফুল্ল চাংকাকতি আৰু তাৰিণী কান্ত ভট্টাচাৰ্য্য আদিও আমাৰ ছাৰ আছিল।

মোৰ নাটকৰ জীৱন ক'বলৈ গ'লে আৰম্ভ হৈছিল কটন কলেজতে। কবি মহেন্দ্ৰ বৰা ছাৰে লিখা "সুতিৰী ফেদেলী" নামৰ মঞ্চ নাট আৰু আন্তঃ বিশ্ববিদ্যালয় অনাতাঁৰ নাট প্ৰতিযোগিতাৰ বাবে কলেজৰে ছাত্ৰ শ্ৰী ইন্দ্ৰপ্ৰসাদ হাজৰিকা ৰচিত নাট এখনতো অভিনয় কৰিবলৈ সুবিধা পাইছিলোঁ। সেইবাৰ নাটকখন পুৰস্কৃত হৈছিল। আৰু ইয়াৰ পিছতে আকাশবাণীৰ সেই সময়ৰ নাট বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰোগ্ৰাম এক্সিকিউটিভ ˚ ফণী তালুকদাৰে নাটকৰ কণ্ঠ পৰীক্ষাৰ বাবে মোক মাতি নিছিল। এতিয়াৰ দৰে কণ্ঠ পৰীক্ষাৰ বাবে নিৰ্দিষ্ট ফৰ্ম ফিলাপ কৰি পৰীক্ষা দিবলগীয়া নহৈছিল। সেই যে নাটকৰ ৰেজুলেৰেল আৰ্টিষ্ট হিচাপে আকাশবাণীৰ দুৱাৰদলি গচকিছিলোঁ, তাৰ জোৰতে আকাশবাণীৰে নাটবিভাগৰ চাকৰিত যোগ দি ময়ো সেই বিভাগৰ প্ৰোগ্ৰাম এক্সিকিউটিভ হৈছিলোঁগৈ। আৰু দুবছৰ মানৰ পিছত আকাশবাণীৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ দিন চমু চাপিব। তাৰেই দিন গণি মই এতিয়া আকাশবাণী শিলঙত।

কটন কলেজৰ পৰা আই.এ. পাছ কৰিলোঁ। কিন্তু পুনৰ তাত বি.এ. পঢ়া নহ'ল। শ্বিলঙৰ কলেজত বি.এ. পঢ়াৰ আশাত ফৰ্ম ফিলাপ কৰিও কটনৰ ইণ্টাৰভিউত উপস্থিত নাথাকিলোঁ। ঘৰত কোনেও নজনাকৈ গাৰ্লচ কমনৰুমত বহি থাকিলোঁ সেইদিনা। ঘৰত কথাটো গম পাই মোক শ্বিলঙতো নপঢ়ালে। শেষত সন্দিকৈ কলেজত নাম লগাবলগীয়া হ'ল। আকৌ এবাৰ আহিছিলোঁ, কটন কলেজলৈ। প্ৰাক্তন ছাত্ৰী হিচাপে কটনৰ নতুন অডিট'ৰিয়ামত নাটক কৰিবলৈ। নাটকখন আছিল— 'সবাক হাকিমৰ অবাক স্ত্ৰী'। ˚ধীৰু ভূঞা, ˚থানেশ্বৰ শৰ্মা, শ্ৰীপ্ৰফুল্ল শইকীয়া, শ্ৰীবীৰেণ দাস আদি প্ৰাক্তন কটনিয়ানৰ লগত অভিনয় কৰা সেই বিখ্যাত ধেমেলীয়া নাটকখনৰ কথা কেতিয়াও নাপাহৰোঁ।

জানো, কটন কলেজত পঢ়া দিনৰ মোৰ এই ডুখৰীয়া স্মৃতি কাৰো কামত নাহে। কাৰো হয়তো ভাল নালাগিব পাৰে। কিন্তু মোৰ সেই কলেজীয়া দিনৰ হেৰাই যোৱা দুটামান ক্ষণ স্বামীমৰ যহতে সুঁৱৰি ল'বলৈ পাই মোৰ হলে বৰ ভাল লাগিছে। ❑

কুলেন্দু পাঠক

পৰিবৰ্তন, উচ্চ শিক্ষা আৰু অনুভৱ

ওঠৰৰ পৰা আঠাৱন্ন বছৰলৈ মোৰ জীৱনৰ চল্লিছ বছৰ কালৰ অধিকাংশ সময় কটন কলেজতে কটাইছো। প্ৰথমতে ছাত্ৰ হিচাপে (স্নাতক পৰ্য্যায়ৰ) আৰু পাছত শিক্ষক হিচাপে। মাজতে কেইবছৰমান কাল (১৯৬৬-৬৯) উচ্চ শিক্ষাৰ বাবে বিদেশত আৰু কেইবছৰমান কাল (১৯৮৮-৯২) চৰকাৰী অনুৰোধত বিজ্ঞান প্ৰযুক্তি পৰিষদত কটাইছিলো। Regional Eng. College, শিক্ষা প্ৰশাসন আদিৰ উচ্চ পদত নিযুক্তি পোৱাৰ পাছতো কটন কলেজ এৰি যোৱা নাছিলো; আশা কৰিছিলো, ভৱিষ্যত অসম গঢ়াৰ ক্ষেত্ৰত কটন কলেজে বিশেষ ভূমিকা গ্ৰহণ কৰিব আৰু আমিও তাত অলপ ধনাত্মক অৰিহণা যোগাম। সেই আশা অপূৰণ হৈ ৰ'ল।

বিংশ শতিকাৰ বাঠি দশকৰ পাছত মানৱ সভ্যতাই এক নতুন যুগত ভৰি দিছে। কটন কলেজ যেতিয়া স্থাপিত হৈছিল তেতিয়া পৃথিৱীত উদ্যোগযুগৰ প্ৰাধান্য। অসম তথা ভাৰতত তেতিয়া ঔপনিৱেশিক-যুগ। উদ্যোগ যুগৰ উপনিৱেশ এখনৰ বাবে প্ৰয়োজনীয় উচ্চ শিক্ষাই ইয়াত চলিছিল; তেনে শিক্ষা প্ৰদানত কটন কলেজে সফলতাও লাভ কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত আৰু বিশেষকৈ যুগ পৰিৱৰ্তনৰ উদ্যোগ–

ইনফৰ্মেছন— ন'লেজ) সময়ত সাধাৰণ শিক্ষাৰ আৰু বিশেষকৈ উচ্চশিক্ষাৰ উদ্দেশ্য আৰু মান এনে পৰিৱৰ্তনৰ ভাৰ বহন কৰিব পৰাকৈ সাল-সলনি কৰিব লগীয়া হয়। দুৰ্ভাগ্যক্ৰমে এই কালছোৱাত কলেজৰ পৰিচালকসকলে অতীতৰ উম উপভোগ কৰি শুই থাকে। কোনোবাই জগাই দিব বিচাৰিলেও তৎক্ষণাৎ কৈ দিয়ে 'আমাক জগাই লাভ নাই,' বিশ্ববিদ্যালয়ক প্ৰথমতে কওক গৈ।

যুগ পৰিৱৰ্তনৰ সৰু উদাহৰণ এটা দিওঁ। ষাঠিৰ দশকত আমি গৱেষক ছাত্ৰ হিচাপে ইংলণ্ডত দ্বিতীয় আৰু তৃতীয় পিৰিৰ কমপিউটাৰ হাতে কামে ব্যৱহাৰ কৰিছিলো। এনে যন্ত্ৰবোৰৰ দাম আছিল কোটিৰ ঘৰত। ইউৰোপৰ ডাঙৰ বিশ্ববিদ্যালয়বোৰতহে সমূহীয়াকৈ একোটা দ্বিতীয় পিৰিৰ কমপিউটাৰ আছিল। আমি পঢ়ি থকা কালত বাৰ্মিংহাম বিশ্ববিদ্যালয়ৰ 'হাই এনাৰ্জি গ্ৰুপ'ক কোৱা হ'ল 'তোমালোকে যদি ঐতিহাসিক কিন্তু খৰচী তথা যুগ অনুপযোগী চিনক্ৰ'চাইক্ল'টন (সেইটো পৃথিৱীৰে প্ৰথম তেনেকুৱা যন্ত্ৰ) যন্ত্ৰটো আঁতৰোৱা তোমালোকক এটা আধুনিক IBM306/44 কমপিউটাৰ দিয়া হ'ব। পৰম্পৰা ভাল পোৱা সত্ত্বেও গ্ৰুপৰ অধ্যাপকসকল ৰাজি হৈছিল; আমি ভাল পাইছিলো কাৰণ তেতিয়া দুপৰীয়া গ্লাছগোলৈ উৰা মাৰি গৈ ওৰে ৰাতি গ্লাছগোৰ 'Natural Philosophy' (পদাৰ্থ বিজ্ঞানৰ পুৰণি নাম) বিভাগৰ কমপিউটাৰত কাম কৰিব নালাগিব। (অৱশ্যে দুই চাৰিজনে আক্ষেপো কৰিছিল গ্লাছগোৰ সুন্দৰী আৰু ছটফটীয়া কমপিউটাৰ সহায়কাৰিণী কেইজনীৰ সান্নিধ্য হেৰুৱাব বুলি।) সি যি নহওক, প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনৰ ফলত মই, আপুনি বা যিকোনো মানুহে আজি ত্ৰিশ হাজাৰ টকাৰে কিনি আনি ঘৰতে কাম কৰা কমপিউটাৰবোৰ (যিবোৰৰ নাম পিছি) ইতিমধ্যে উল্লেখ কৰা বিয়াগোম আৰু অতি দামী যন্ত্ৰবোৰতকৈ বহুত বেছি ক্ষমতা সম্পন্ন। কত ধৰণৰ কামেই যে এই যন্ত্ৰটোৰ সহায়ত কৰিব পাৰি। ছবি অঁকা, সংগীত ৰচনা কৰা, সমীকৰণ সমাধান কৰা, কিতাপ 'ছপা' কৰা আদি বহুতো কামত এই যন্ত্ৰ ব্যৱহাৰ হ'ব লাগিছে। লিখিব পৰাৰ দৰে কমপিউটাৰৰ কীবোৰ্ড ব্যৱহাৰ কৰিব পৰাটোও শিক্ষিত মানুহৰ লক্ষণ। কীবোৰ্ড-অজ্ঞতা নিৰক্ষৰতাৰ দৰেই অপমানসূচক অসুবিধা। কিন্তু কটন কলেজত প্ৰৱেশ কৰা কীবোৰ্ড-অজ্ঞ এগৰাকী মেধাবী ছাত্ৰক কমপিউটাৰৰ সাধাৰণ জ্ঞান লাভ কৰাৰ সুবিধা এতিয়ালৈকে (২০০১চন) কলেজে সহজলভ্য কৰিব পৰা নাই। এনে ধৰণৰ অঘটন ঘটিছে কিছুমান শিক্ষকৰ যত্ন সত্ত্বেও, কাৰণ কলেজৰ পৰিচালকসকল এই দিশত সম্পূৰ্ণ উদাসীন।

কটন কলেজলৈ উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষা আৰু বিশেষকৈ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰিবলৈ অতীততো অতি চোকা ছাত্ৰ-ছাত্ৰী আহিছিল, আজিও আহে। আমি যেতিয়া শিক্ষক হিচাপে কামত যোগদান কৰিছিলো তেতিয়া এই ছাত্ৰ-ছাত্ৰীসকলৰ এক বৃজন অংশই কটন কলেজতে স্নাতক মহলাৰ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁলোকক লৈয়ে আমি নানান ধৰণৰ কাম-কাজ কৰিছিলো, তেওঁলোকৰ উৎসাহ, অনুপ্ৰেৰণা আৰু ভক্তিয়ে আমাক বান্ধি ৰাখিছিল। গুৱাহাটীৰ প্ৰথম শিলাৰোহণ প্ৰশিক্ষণত ছাত্ৰ-ছাত্ৰী সমন্বিতে যোগ দিছিলো— উদয়াদিত্য, কমলেশ আদি মোতকৈও ডেকা শিক্ষকৰ লগত। দেওবাৰে খোজ কাঢ়ি বশিষ্ঠ, চন্দ্ৰপুৰ আদিলৈ ছাত্ৰছাত্ৰীৰ লগত যোৱাৰ কথাও মনত পৰে। Physical Society, পবেকীয়া আলোচনা চক্ৰ, চিনেমা প্ৰদৰ্শন আদিও নিয়মিতভাৱে চলিছিল। মলয় (দত্ত), পতঞ্জলি (চৌধাৰী), অমৰজ্যোতি (চৌধুৰী), জিতেন (গোস্বামী), জয়ন্তী (চুতিয়া) আদি বহুতো সেই সময়ৰ ছাত্ৰ-ছাত্ৰীয়ে জীৱনত নিজকে প্ৰতিষ্ঠা কৰিছে;

তেওঁলোকৰ বিষয় আৰু জ্ঞানৰ প্ৰতি থকা নিষ্ঠা এতিয়াও মনত পৰে। কটন কলেজক ভালপোৱা লোকসকলে প্ৰশ্ন সুধিব লাগিছিল— তেতিয়া অৰ্থাৎ প্ৰায় ৩০/৩৫ বছৰ পূৰ্বে যদি উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়িব অহা বৃহৎসংখ্যক ছাত্ৰছাত্ৰীয়ে কটন কলেজত পৰৱৰ্তী পৰ্য্যায়তো পঢ়িছিল, আজি পঢ়িবলৈ ইচ্ছা নকৰে কিয়? বা এনেদৰেও সুধিব পাৰি কি পৰিৱৰ্তন নকৰাৰ ফলত এনে বিসংগতি উদ্ভৱ হৈছে? আমাৰ বোধেৰে শতবাৰ্ষিকী উদযাপন কৰাৰ পূৰ্বে, উদযাপন কালত আৰু পৰৱৰ্তী সময়তো কটন পৰিয়ালে আৰু শুভাকাংক্ষীসকলে উল্লিখিত প্ৰশ্নৰ উত্তৰ বিচাৰি উলিয়াই যথোপযুক্ত নতুন কাৰ্যক্ৰম (তথা পাঠ্যক্ৰম) হাতত লোৱা উচিত। অন্যথাই পৰৱৰ্তী পিৰিয়ে শতবাৰ্ষিকী উদযাপনৰ জাকজমকতাক প্ৰাক্তন আৰু সমসাময়িক কটনিয়ানৰ আত্মৰতিৰ লগত তুলনা কৰিব।

আমি ক'ব খোজা নাই যে এতিয়া কটন কলেজৰ স্নাতক আৰু স্নাতকোত্তৰ মহলালৈ ভাল ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ নাহে। বৰং এতিয়াও কটন কলেজে যথেষ্ট সুশীল ছাত্ৰ-ছাত্ৰী পায়। কিন্তু দিল্লী, পুণে বা বাংগালোৰত ভাল কলেজত পঢ়াৰ সুবিধা পালেও নগৈ কটনতে পঢ়ি ডিগ্ৰীটো লম এনেদৰে ভবা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আজি অতি তাকৰ। অৰ্থাৎ মেধাবী ওঠৰৰ সৈতে কটনৰ যি প্ৰেম, সেই প্ৰেমত ভাটা আহিছে। কিয় এনেকুৱা হৈছে সেই বিষয়ে অতি গভীৰভাৱে আমি সকলোৱে চিন্তা কৰিলে সমাধানৰ পথ বিচাৰি পোৱা যাব।

অলপতে পঢ়িছিলো, 'মানৱ জাতিয়ে আৱিষ্কাৰৰ যুগ অতিক্ৰম কৰি আহি একবিংশ শতিকাত নৈপুণ্যৰ যুগত ভৰি দিছে।' বিংশ শতিকাৰ আৰম্ভণি কালো (1901চন) আৱিষ্কাৰৰ যুগৰ অন্তৰ্গত। সেই বিখ্যাত আৱিষ্কাৰবোৰ— প্লাংকৰ বিকিৰণ সূত্ৰ (1900), আইনষ্টাইনৰ বিস্ময়কৰ বছৰৰ (1905) আৱিষ্কাৰবোৰ (বিশেষ আপেক্ষিকতা বাদ, $E = mc_2$, পোহৰৰ কোৱাণ্টাম তত্ত্ব ইত্যাদি), ৰাডাৰফোৰ্ড-ব'ৰৰ পৰমাণু তত্ত্ব, ডি ব্ৰগলিৰ পদাৰ্থ-তৰংগ, হাইজেনবাৰ্গৰ অনিশ্চয়তা নীতি আদি অতি বৈপ্লৱিক ধাৰণা আৰু বহুতো নতুন প্ৰযুক্তিৰ আৱিষ্কাৰ বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত হৈছিল। সেইবোৰ বুজিবলৈ যত্ন কৰাটো উচ্চ শিক্ষাৰ এক প্ৰধান উদ্দেশ্য আছিল। কিন্তু এতিয়া উল্লিখিত ধাৰণাবোৰৰ তথা আণৱিক জীৱবিজ্ঞানৰ প্ৰয়োগৰ দিন আহিছে। উচ্চ শিক্ষাই পায়োগিক আৰু তাত্ত্বিক নৈপুণ্য আহৰণৰ ওপৰত বেছি গুৰুত্ব দিব লাগিব। কটন কলেজৰ তথা সামগ্ৰিকভাৱে উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত নৈপুণ্য আহৰণৰ কাৰ্যক্ৰমে অধিক গুৰুত্ব নাপালে শিক্ষাৰ কাৰ্যকাৰিতা আৰু গুৰুত্ব নাথাকিব— এই কথা আমি গভীৰভাৱে হৃদয়ংগম কৰি কাৰ্য্যক্ৰম হাতত লব লাগিব। ❑

মলয়া খাওন্দ

উপন্যাস

ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা ৰোমাঞ্চে মানৱ-চিত্তক ৰোমাঞ্চিত কৰি আহিছে। ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানসমূহকে ধৰি পঞ্চতন্ত্ৰৰ কাহিনী, ঈশপচ্ ফেবলচ্, বেতাল পঞ্চবিংশতি, কথা সৰিৎসাগৰ আদিৰ মনোৰম কল্পিত কাহিনীসমূহ আবাল বৃদ্ধ বণিতালৈকে সকলোৰে প্ৰিয়। খ্যাতনামা কথাশিল্পী আৰ, কে, নাৰায়ণৰ মতে ভাৰতলৈ কল্পনা জগতখন আহিল সেই ৰামায়ণ-মহাভাৰতৰ পৰাই। আন বহুতে আকৌ উপনিষদৰ দিনৰ পৰাই ই আৰম্ভ হ'ল বুলি ভাবে। সি যি নহওক, চিত্ত চমৎকাৰী আখ্যান-উপাখ্যানে মানৱ-মনত কেনে প্ৰভাৱ পেলাব পাৰে, তাৰ সাৰ্থক দৃষ্টান্ত হ'ল দশম শতিকাত বিকাশ লাভ কৰা অত্যন্ত জনপ্ৰিয় কাহিনী সংগ্ৰহ এহেজাৰ-এনিশাৰ সাধু বা আৰব্য উপন্যাস।

অসমৰ গাঁৱে-ভূঞে মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন' পুথিত সন্নিৱিষ্ট 'শ্যামন্ত হৰণ', 'প্ৰহ্লাদ চৰিত্ৰ'কে ধৰি নানান আখ্যানসমূহ আৰু নামঘৰে নামঘৰে মঞ্চস্থ হোৱা অংকীয়া ভাওনাৰ কাহিনীৰ ৰসাস্বাদত যেনেদৰে সমূহ অসমীয়া সমাজ জীৱন উত্তোলিত হৈ পৰে, সেইদৰে উত্তৰ ভাৰতৰ চুকে-কোণে থকা সমূহ জনসাধাৰণক গোস্বামী তুলসীদাসকৃত 'ৰামচৰিত মানস'ৰ কাহিনীয়ে অপূৰ্ব তৃপ্তি দিয়ে। সমগ্ৰ ভাৰততে প্ৰচাৰিত বৈষ্ণৱ

আন্দোলনৰ ধৰ্মীয় দিশটোৰ উপৰিও এই আখ্যানসমূহৰ মনোমুগ্ধকাৰী গুণৰ বাবেও হয়তো এই পঠন-পাঠন আজিও জনপ্ৰিয় হৈ আছে।

সু-সমালোচক ড° বাণীকান্ত কাকতিৰ মতে মহাভাৰতৰ 'বনপৰ্ব'ৰ পৰা সংগ্ৰহ কৰা 'ঘটাসুৰ বধ', 'বঘাসুৰ বধ', 'কুলাচল বধ', 'অশ্বকৰ্ণ বধ' আদি আখ্যানবোৰে পুৰণি অসমীয়া সাহিত্যত উপন্যাসৰ স্থান দখল কৰি আছে। সেই বধ-কাব্যসমূহৰ অন্তৰ্গত অশ্বকৰ্ণ-বধৰ মধ্যস্থ চৰিত্ৰ হেমা কুমাৰীৰ চৰিত্ৰক কেন্দ্ৰ কৰি কবিৰৰ ৰাম সৰস্বতীয়ে ৰচনা কৰা 'হেমা সুন্দৰী'ৰ আখ্যানটোক ড° কাকতিয়ে 'উপন্যাস' আখ্যাই দিছে— যাক তুলনা কৰিছে ইংৰাজ কবি স্পেনাৰৰ য়ুনা সুন্দৰীৰ আখ্যানৰ মূল কথা বস্তুৰ লগত। দুয়ো গৰাকী মহীয়সী নাৰী চৰিত্ৰই নিজৰ পিতৃক বিপদৰ পৰা উদ্ধাৰ কৰি শেহান্তৰত মনোমত স্বামীক বৰণ কৰাৰ সৌভাগ্য ঘটিছে।

ইউৰোপ আৰু এছিয়াৰ বহু ঠাইত গদ্য-আখ্যানবোৰক অনেকেই উপন্যাস বোলে। এই ক্ষেত্ৰত জাপানৰ লৰ্ড হিকাৰু জেনজী নামৰ হেইয়ান ৰাজসভাৰ প্ৰখ্যাত সামন্ত এজনৰ প্ৰেম-প্ৰণয় আৰু বীৰত্বৰ গভীৰ অন্তৰ্দৃষ্টি সম্পন্ন অনুপম কাহিনী 'জেনজিৰ আখ্যান' আৰু চীনদেশৰ কৌলীন বিবাহ-প্ৰথাৰ বিৰুদ্ধে এক সংযত বিদ্ৰোহৰ প্ৰতিচ্ছবি 'ৰঙা কাৰেঙৰ সপোন' (হুং লৌ মেং) নামৰ অনুপম কাহিনীটি— য'ত প্ৰকাশ পাইছে কবি পাও চাইৰ সম্বন্ধীয়া ভনীয়েক লিনটাইয়ুৰ প্ৰতি থকা অনাবিল আৰু অপৰিসীম প্ৰেম-অনুৰাগ। গ্ৰীচ দেশৰ 'ডেফনিচ আৰু চ'লি', ইংলণ্ডৰ আৰ্থাৰ আখ্যান আৰু বিভিন্ন দেশৰ বীৰ গাথাবোৰত উপন্যাসৰ গুণগত সাদৃশ্য হয়তো কিছু পৰিমাণে আছিল— যিবোৰ ৰচিত হৈছিল চৈধ্যশ শতাব্দীৰ ভিতৰত।

কোনো কোনো সমালোচকৰ মতে ইটালীয় 'নভেলা' শব্দৰ পৰাই 'নভেল'ৰ জন্ম। অৱশ্যে শব্দগত মিল থাকিলেও উপন্যাস আৰু 'নভেলা'ৰ গুণগত ধৰ্ম একে নহয়। জন্মসূত্ৰে ফৰাচী হলেও ইটালীয় কবি-সাহিত্যিক জিয়াভানি বকেচিয়ই (Giovanni Boccacio, ১৩১৩–৭৫) চতুৰ্দ্দশ শতাব্দীত ইউৰোপ আৰু এছিয়া মহাদেশ ব্যাপি হোৱা প্লেগ মহামাৰীৰ মানুহৰ মৃত্যুৰ বিষণ্ণ পশ্চাতপদত মানৱীয় প্ৰকৃতিৰ ওপৰত আলোকপাত কৰি অত্যন্ত সংক্ষিপ্ত অথচ সাৱলীল ভঙ্গীত লিখা এশটা কাহিনীৰে সংগ্ৰহ-গ্ৰন্থ 'ডেক্কামেৰনক' (১৩৪৮–৫৩) 'নভেলা' বোলা হয়। গতিকে নভেলা, ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে, চুটি গল্পৰ পূৰ্ব পুৰুষ হ'ব পাৰে। উপন্যাসৰ নহয়।

জৰ্জিয়াৰ লেখক ওটাৰ ছিলদজেৰে ৰুছ ভাষাত লিখা প্ৰবন্ধ 'নোৱাৰ আৰ্ক'ত লিখিছিল : .... 'যি কোনো এখন ভাল উপন্যাসৰ জন্ম এটা বিশ্ব-উৎসৰৰ লেখীয়া; বিশ্বৰ য'তেই তাৰ প্ৰকাশ নঘটক, সি আমাৰ প্ৰত্যেকৰে নিজৰ বস্তুলৈ পৰিণত হয়।' সেই 'বিশ্ব-উৎসৱ'ৰ সঁহাৰি যেন প্ৰতিজন সৃষ্টিশীল লোকে হৃদয়েৰে গ্ৰহণ কৰিলে। বিশ্বৰ প্ৰান্তে প্ৰান্তে জন্ম ললে উপন্যাসে— যি গঢ়ি উঠে মানুহৰ জীৱনৰ আধাৰত : অভিজ্ঞতাৰ আলমত।

বহুত সমালোচকে ইংৰাজী সাহিত্যৰ কৃতী ঔপন্যাসিক ডেনিয়েল ডিফোৰ সৃষ্ট চৰিত্ৰ ৰবিঞ্চন ক্ৰুছোৰ (১৭১৯) সাগৰ-যাত্ৰাৰ খেলিমেলিত নিৰ্জন দ্বীপত একক জীৱন অতিবাহিত কৰা ৰোমাঞ্চকৰ অভিযানৰ কাহিনীকে উপন্যাস-সাহিত্যৰ 'আৱাহনী তোৰণ' বুলি ক'ব খোজে। সেই আৱাহনী তোৰণৰ প্ৰথম পদক্ষেপ হ'ল ছেমুৱেল ৰিছাৰ্ডছনৰ 'পামেলা' (১৭৪০) নামৰ পত্ৰোপন্যাস। লগে লগে তেওঁৰ সমসাময়িক ফিল্ডিংয়ে

১৭৪৯ চনত লিখা 'টম জোনচ' শীৰ্ষক উপন্যাসে প্লট, চৰিত্ৰ আৰু বাস্তৱতাৰ সমন্বয় ৰক্ষা কৰি উপন্যাস-কলাৰ শ্ৰীবৃদ্ধি সাধন কৰে। চৰিত্ৰ প্ৰধান এই উপন্যাসৰ বিষয়ে অনেকেই কয়— 'Tom Jones is the England of the time.' ....। এওঁলোকৰ উপন্যাসৰ দুটামান দশকৰ পিছত বিশ্ববৰেণ্য ঔপন্যাসিক ৱাল্টাৰ স্কটকে মুখ্য কৰি চাৰ্লচ ডিকেন্স, জেন অষ্টিন, থেকাৰে, জৰ্জ ইলিয়ট আৰু টমাচ হাৰ্ডিৰ হাতত ইংৰাজী উপন্যাস ঠন ধৰি উঠে। ফৰাচী বিপ্লৱৰ (১৭৮৯) পিছৰ পৰাই ফৰাচী উপন্যাসৰ ক্ৰমবিকাশৰ সময়। এই ক্ষেত্ৰত অগ্ৰগণীসকল হ'ল বালজাক আৰু তেওঁৰ সমসাময়িক ভিক্টৰ হুগো, আলেকজেণ্ডাৰ ডুমা, এমিল' জোলা প্ৰভৃতি ঔপন্যাসিকসকল। গতিকে দেখা যায় পাশ্চাত্য উপন্যাস সাহিত্যৰ ইতিহাসত ঊনবিংশ শতাব্দী আছিল এক সোণালী যুগ। এতিয়া আহিল— ৰুছ উপন্যাসৰ ধাৰাটো। ৰুছ উপন্যাস সাহিত্যত গণতন্ত্ৰৰ ভাৱধাৰা প্ৰচলন কৰি ঊনবিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত বাস্তৱতাৰ ভেটিত আলেকজেণ্ডাৰ পুস্কিনে (১৭৯৯-১৮৩৭) লিখা উপন্যাসখন হ'ল 'Captain's Daughter' আৰু ইয়াৰ লগে লগে গোগল, টুৰ্গেনিভ, ডষ্টয়েভস্কি আৰু বিশ্ববিশ্ৰুত ৰুছ ঔপন্যাসিক টলষ্টয়ৰ হাতত ৰুছ উপন্যাসত আধুনিকতাৰ ভেটিও গঢ়ি উঠে। এই ত্ৰিধাৰাৰ উপৰিও স্পেইন, ইটালি, জাৰ্মান আদি ভাষাত অষ্টাদশ-ঊনবিংশ শতাব্দীত প্ৰতিষ্ঠা লাভ কৰে। উনবিংশ শতিকাৰ মাজভাগত আমেৰিকান উপন্যাসে গা কৰি উঠে। মেলভিনৰ Moby Dick-ৰ উপৰিও আৰ্নেষ্ট হেমিংওৱেৰ নবেল বঁটা প্ৰাপ্ত উপন্যাস 'old man and the sea' আৰু যুদ্ধ বিষয়ক 'For whom the bell tolls', 'Farewell to Arms' নামৰ উপন্যাস দুখনে ইতিমধ্যে জগত-প্ৰসিদ্ধি লাভ কৰিছে। ঊনবিংশ শতাব্দীৰ শেষৰ দশক আৰু কুৰি শতিকাৰ আৰম্ভণিতে পুৰণি ৰচনাৰীতিৰ স্থান ল'লে এক অভিনৱ গঠন-পদ্ধতিয়ে। এই সংক্ৰান্তত জেমচ জয়েছৰ 'ইউলিছিছ' (১৯২২) নতুন ৰচনা-কৌশলৰ এক অভিনৱ স্বাক্ষৰ। লগে লগে জোচেফ কৰ্নাড, ভাৰ্জিনিয়া উল্ফ আদিয়ে ইংৰাজী উপন্যাস সাহিত্যৰ এক অভিনৱ আৰু বহুমুখী ৰচনাশৈলীৰ উদ্ভাৱন কৰে।

আগতে উনুকিয়াই অহা হৈছে ভাৰতীয় সাহিত্যৰ ঐতিহ্যত উপন্যাস সৃষ্টি সম্পূৰ্ণভাৱে নতুন নহয়। প্ৰাচীন সংস্কৃত সাহিত্যত খ্যাতি লাভ কৰা সুবন্ধুৰ 'বাসৱদত্তা' আৰু বাণভট্টৰ 'কাদম্বৰী' উপন্যাসৰ সমপৰ্য্যায়ৰে কাহিনী গ্ৰন্থ। সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজসভাত পণ্ডিত ৰত্ন হিচাপে নিৰ্বাচিত হোৱা বাণভট্টক সংস্কৃত সমালোচকসকলে ইমানেই উচ্চ স্থান দিছিল যে তেওঁলোকৰ মতে 'বানোচ্ছিষ্টম জগত সৰ্বম'-অৰ্থাৎ বাণৰ প্ৰভাৱেই কাব্য জগতৰ মূল। সেয়ে উপন্যাসক 'কাদম্বৰী কথা'ও বোলা হয়।

ঊনবিংশ শতাব্দীৰ মাজ-ভাগৰ পৰা ভাৰতত পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ প্ৰভাৱ পৰিবলৈ ধৰে। আধুনিক শিক্ষা-সংস্কৃতিৰ সাধনাৰ কেন্দ্ৰস্থল কলিকতাকে মুখ্য কৰি ভাৰতৰ মুখ্য-প্ৰদেশ কেইখনত সেই সময়তে বহুতো ভাৰতীয় লোক ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ পাশ্চাত্য উপন্যাসৰ ৰসাস্বাদত আপ্লুত হৈ পৰে। বঙ্গীয় খ্যাতনামা ঔপন্যাসিক বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে ৱাল্টাৰ স্কটৰ প্ৰভাৱত বুৰঞ্জীমূলক উপন্যাস লিখিবলৈ লয়। বঙ্কিমচন্দ্ৰৰ প্ৰভাৱ ভাৰতৰ প্ৰায়বোৰ আঞ্চলিক ভাষাৰ ওপৰত পৰিবলৈ ধৰে। ভাৰতীয় আন্দোলন কেন্দ্ৰিক উপন্যাসৰো পথ-প্ৰদৰ্শক বংকিমচন্দ্ৰই। কাৰণ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ৰ পৰাই পৰাধীন ভাৰতীয়ৰ মনত স্বাধীনতা-স্পৃহা অদম্য হৈ পৰে আৰু ভাৰতীয় বুদ্ধিজীৱীসকলে বিদেশী শাসকৰ প্ৰতি কৰা বিৰোধীতা প্ৰথমে ধৰ্মীয় আৰু

সামাজিক ৰূপত প্ৰকাশ কৰে। সেই হিচাপে সমগ্ৰ বঙ্গদেশ ব্যাপি হোৱা সন্যাসী-বিদ্ৰোহক কেন্দ্ৰ কৰি লিখা বংকিমচন্দ্ৰৰ প্ৰথম উপন্যাসখন হ'ল 'আনন্দমঠ' (১৮৭২)।

ভাৰতৰ ৰাজনৈতিক আকাশত মহাত্মা গান্ধীৰ আবিৰ্ভাৱৰ লগে লগেই সাহিত্য জগততো এক নৱ-জাগৰণৰ সূত্ৰপাত হয়। মহাত্মা গান্ধীৰ 'স্বদেশ' আৰু 'সত্যাগ্ৰহ' ভাৰতীয় সাহিত্যতো এক অবিচ্ছিন্ন বিষয় হৈ পৰিল। মহাত্মা গান্ধীৰ অহিংসা মন্ত্ৰই আন্দোলনকামী নেতাসকলকো আকৃষ্ট কৰিছিল। কিন্তু এটা সময়ত তাৰে এচাম নেতাৰ মোহভঙ্গ হৈছিল। সুভাষ বসু, জয়প্ৰকাশ নাৰায়ণ আদি বিপ্লৱী নেতাসকলৰ 'কৰিম বা মৰিম' পণত বহু নেতা সংশ্লিষ্ট হৈছিল। ইয়াৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়–বীৰেন্দ্ৰ ভট্টাচাৰ্য্যৰ 'মৃত্যুঞ্জয়' উপন্যাসত 'নেতাসকল দুটা ভাগ হৈছে। এভাগে অহিংসা পন্থাই যাব খোজে। ইভাগে হিংসাৰ পন্থাই ---- গৰিলা যুঁজেৰে'।

স্বাধীনতা সংগ্ৰামৰ শেষ পৰ্য্যায়ৰ 'ভাৰত-ত্যাগ' আন্দোলনৰ হিংসাত্মক ঘটনাক কেন্দ্ৰ কৰি অনেক উপন্যাস গঢ়ি উঠিল। ভাৰতীয় সাহিত্যৰ বিভিন্ন ভাষাত প্ৰণয়ন হোৱা এনে উপন্যাসৰ ভিতৰত সৰ্ব্বপ্ৰথম হ'ল শৰৎ চন্দ্ৰ চট্টোপাধ্যায় ৰচিত 'পথেৰ দাবী' (১৯২৬) উপন্যাস। বঙলা সাহিত্যৰ লগে লগে সেই একেই 'ভাৰত ত্যাগ' আন্দোলনৰ পটভূমিত লিখাউপন্যাস সমূহৰ কেইখনমান হ'ল : মাৰাঠী সাহিত্যত এন চি পাদকেৰ 'প্ৰবাসী' (১৯৩৩); তেলেগু সাহিত্যৰ আদিবি বাপুৰাজুৰ 'নাৰায়ণাৰাডু' (১৯৫২); কানাড়ী সাহিত্যত কাট্টিমনিৰ 'মাদি মাদিদাবাৰ'; এন, এন কৃষ্ণৰাৱৰ 'অমৰ আগষ্ট' (১৯৫০); গুজৰাটী সাহিত্যত কানাইলাল মুন্সীৰ 'স্বপ্নদ্ৰষ্টা' (১৯৪৮); জয়ন্তী দালালৰ 'পদাৰ্নতীৰ্থ' (১৯৪৬), মনুভাই পাঞ্চালীৰ 'বন্দীধৰ' (১৯৪৬); পঞ্জাবী সাহিত্যত নৰুল্লাৰ 'লহৰ ৱাহী গয়ী' (১৯৫৩); হিন্দী সাহিত্যত যশপালৰ 'দাদা কমৰেড' আৰু দেশদ্ৰোহী (১৯৪১–৪৩), মুন্সী প্ৰেমচান্দৰ 'মৈদানী আমল' (১৯৪২); অসমীয়া সাহিত্যত পশুপতি ভৰদ্বাজৰ 'ৰঙা ৰঙা তেজ' (১৯৬৮) আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'মৃত্যুঞ্জয়'ই প্ৰধান। মহাত্মা গান্ধীৰ মতে এনেধৰণৰ লেখকসকলৰ সৃষ্টিশীল কাৰ্য্যই স্বদেশ সেৱাৰ সমপৰ্য্যায়ৰ এক মহৎ সেৱা। ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত লেখকসকলৰ বৰঙণিৰ বিষয়ে K. S. Duggal এ সম্পাদনা কৰা মহাদেৱ দেশাই ডায়েৰীত পোৱা যায়— লৌহ-পুৰুষ বল্লভভাই পেটেলে কোৱা 'When the whole country is ablaze, what is the meaning in sitting quietly and writing articles ?' — এই প্ৰশ্নৰ প্ৰতিবাদ স্বৰূপে মহাত্মা গান্ধীয়ে কৈছিল যে 'Can you say that he does not do national service by writing ? ..... Is jail-going the only way of making sacrifice for the country' ....?

সমগ্ৰ বিশ্বতে আলোড়নৰ সৃষ্টি কৰা কাৰ্ল মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামবাদৰ ধ্বনি-প্ৰতিধ্বনি ভাৰতীয় উপন্যাসতো বাজি উঠিল। সমাজৰ দলিত-পীড়িত সকলৰ প্ৰতি সহানুভূতিৰ সুৰ বাজি উঠা উপন্যাসসমূহৰ ভিতৰতে প্ৰধান হ'ল বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কালেৰ যাত্ৰা' (১৯২০); হিন্দী সাহিত্যত ভৈৰৱ প্ৰসাদ গুপ্তৰ 'মছাল' (১৯৫৭); অমৃতৰায়ৰ 'বীজ' '১৯৫৩'; পঞ্জাবী সাহিত্যত নৰুল্লাৰ 'লোক দুশ্মন' (১৯৫২); মানিক বন্দোপাধ্যায়ৰ 'চহৰতলী' (১৯৪০–৪১); তাৰাশঙ্কৰ বন্দোপাধ্যায়ৰ 'গণদেৱতা' (১৯৫২); বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'প্ৰতিপদ' (১৯৭০); হোমেন বৰগোহাঞিৰ 'হালধীয়া চৰায়ে বাওধান খায়' (১৯৭৫); ৰাস্না বৰুৱাৰ 'সেউজী পাতৰ কাহিনী'; মামনি ৰয়চম গোস্বামীৰ

'অহিৰণ' (১৯৮০), 'মামৰে ধৰা তৰোৱাল'; সদা মৰলৰ 'সোণাপুৰ' (১৯৬৬); চৈয়দ আব্দুল মালিকৰ প্ৰথম উপন্যাস 'ৰথৰ চকৰি ঘূৰে' (১৯৫৮) ইত্যাদিয়েই উল্লেখযোগ্য।

উপন্যাস-সৃষ্টিৰ মূলাধাৰ হ'ল বাস্তৱ জীৱনত লাভ কৰা অভিজ্ঞতা। এজন সৃষ্টিশীল ব্যক্তিয়ে নিজৰ জীৱনত যিবোৰ অভিজ্ঞতা লাভ কৰিলে, যিবোৰ ঘটনাই তেওঁৰ মৰ্মমূলত গভীৰভাৱে সৃষ্টিৰ প্ৰেৰণা যোগালে, সেই ভাৱোপলব্ধিকে কল্পনাৰ সাহ পিন্ধাই চমৎকাৰ কৰি তোলে : কলাৰ মাধ্যমেদি ই চিৰায়ত সাহিত্যত পৰিণত হয়। আনহাতে উপন্যাস হ'ল মানৱ-জীৱনৰ প্ৰতিলিপি। সু-সমালোচক পাৰ্চি লুবকে কৈছে :

'A novel is a picture, a portrait, and we do not forget that there is more in a portrait than the likeness. Form, design, composition are to be sought in a novel..... a novel is the better for possessing them.'

অভিজ্ঞতাৰ আধাৰত গঢ়ি উঠিলেও ই জীৱনৰ হুবহু প্ৰতিচ্ছবি নহয়। কৃষ্ণকান্ত সন্দিকৈদেৱে কৈছে : 'ই অভিজ্ঞতাৰ কেটেলগ বা যাদুঘৰ নহয়। নিৰ্বাচন-কৌশল, কল্পনা আৰু ৰীতিৰ সহায়ত অভিজ্ঞতাৰ কেঁচা সঁজুলি গঢ়ি-পিটি লোৱাই ইয়াৰ ধৰ্ম্ম। অভিজ্ঞতাৰ পৰিসৰ যিমানেই ব্যাপক নহওক, লেখকৰ নিজা অনুভূতিৰ গভীৰতা অবিহনে উপন্যাস সৃষ্টি অসম্ভৱ। এইখিনিতে আহি পৰে— নান্দনিক সৃষ্টিৰ বাবে বিশেষভাৱে প্ৰয়োজন হোৱা 'কবি-শক্তি'ৰ গুণ ফেৰাৰ কথা। মানৱ-হৃদয়ৰ আবেগ-অনুভূতিৰ সূক্ষ্ম প্ৰকাশেই হ'ল সাহিত্য; আৰু সাহিত্য মাত্ৰই কাব্য —তেহেঁলৈ সি গদ্যই হওক বা পদ্যই। এই সম্পৰ্কে মোহিতলাল মজুমদাৰে 'সাহিত্য-বিচাৰ'ত কৈছে : 'সকলো সাহিত্যিক সৃষ্টিয়েই কাব্য— উপন্যাসৰ জাতি বা গোত্ৰ যিয়েই নহওক, তাত যদি কাব্য নাথাকে সি একোৱেই হ'ব নোৱাৰে।' কবি-উপন্যাসিকসকলে জীৱন আৰু জগতক বিচ্ছিন্ন ৰূপে নেদেখি এক সুসংবদ্ধ মণ্ডলায়িত ৰূপে দেখে আৰু এয়েই হ'ল 'কবি-শক্তি' বা 'কল্পনা'। এই গুণৰ বাবেই নিত্য-নৈমিত্তিক প্ৰাত্যহিকতাৰ মাজতো তেওঁলোকে সৰ্ব্বসাধাৰণে দেখা জগতখনতে এক দিব্য-দৃষ্টিৰ সন্ধান পায়— ঠিক যেনিবা সেয়া মহাদেৱৰ 'তৃতীয় নয়ন' সদৃশ দৃষ্টিশক্তিৰ অনন্যতাহে। সেয়েহে সিবিলাকে গছকত পৰি থকা গছৰ পাতটোতে 'সৰগৰ বতৰা' পায়।

'উপন্যাসত আমি বিচাৰোঁ— এক সামগ্ৰিকতা (totality) .... এই সামগ্ৰিকতা নিৰ্ভৰ কৰে লেখকৰ জীৱনৰ অভিজ্ঞতা পৰিপাক কৰা সামৰ্থ্যৰ ওপৰত........ লেখকৰ জীৱনবোধ কেঁচা বা তৰাং হ'লে তাত যিমানেই অভিজ্ঞতা সঞ্চিত নহওক লাগে পেটাৰ্ণ সৃষ্টি হ'ব নোৱাৰে। অসমীয়া সৰহভাগ উপন্যাসত ৰসমূৰ্ত্তি ৰূপ পৰিগ্ৰহ কৰিব পৰা নাই, কাৰণ লেখকৰ জীৱনবোধৰ অভাৱ আৰু অভিজ্ঞতা কেঁচা। 'জীৱনৰ বাটত', 'এই পদুমণি', 'কপিলীপৰীয়া সাধু', 'সূৰুযমুখীৰ স্বপ্ন', 'প্ৰতিপদ', 'মৃত্যুঞ্জয়', 'উৰন্ত মেঘৰ ছাঁ', 'ডাৱৰ আৰু নাই', 'পিতাপুত্ৰ' আদি এবুৰি উপন্যাসে ৰসোত্তীৰ্ণ অৱস্থা লাভ কৰিবলৈ সক্ষম হৈছে'........।

চাক্ষুষ অভিজ্ঞতাৰে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে লিখা উপন্যাস 'মিৰি-জীয়ৰী' (১৮৮৯)ৰ দিনৰে পৰা এই এশ বছৰে অনেক বাস্তৱ ঘটনাভিত্তিক উপন্যাসে অসমীয়া সাহিত্যাকাশ বৰ্ণাঢ্য কৰি তুলিছে। এই ক্ষেত্ৰত 'ইয়াৰুইঙ্গম', 'আই', 'মৃত্যুঞ্জয়'ৰ ৰচক বীৰেন্দ্ৰ ভট্টাচাৰ্য্যক অগ্ৰণী বুলিলে বঢ়াই কোৱা নহয়। লগতে 'নীলকণ্ঠী ব্ৰজ', 'উঁয়ে খোৱা হাওদা' খ্যাত লেখিকা মামনি ৰয়ছম গোস্বামীৰ উপৰিও উল্লেখনীয় হ'ল হোমেন

ৰবগোহাঞিঃ যি 'Woman of Rome' খ্যাত মোৰাভিয়াৰ পৰা 'বেশ্যাক নায়িকা কৰাৰ সাহস গোটাই' নিজে দেখা অভিজ্ঞতা আৰু তথ্যানুসন্ধানেৰে আমাৰ সকলোৰে পৰিচিত সমাজ এখনৰ নৈতিক অৱক্ষয়ৰ ছবি দাঙি ধৰিছে ভিন্নসুৰী উপন্যাস 'সুবালা'ৰ (১৯৭৬) মাজেদি, যাৰ বিষয়ে ডঃ হীৰেণ গোহাঁয়ে কৈছে 'গোটেই উপন্যাসখন যেন ক্ৰোধ আৰু কৰুণাৰ এটি কবিতা' বুলি। গতিকে ই সত্য যে নিজৰ জীৱন কালত স্বচক্ষে দেখা বা উপলব্ধি কৰা অভিজ্ঞতাই ঔপন্যাসিকৰ ঘাই সমল। সমগ্ৰ বিশ্বকে এক প্ৰচণ্ড আলোড়নৰ সৃষ্টি কৰা ফৰাচী বিপ্লৱে (১৭৮৯) সাহিত্য-সৃষ্টিতো বৰগুণি যোগালে— বিশেষকৈ লগে লগেই উপকৃত হৈছিল ফৰাচী উপন্যাস জগতখনো। লগতে সেই বিপ্লৱ-সূচনাৰ অফুৰন্ত আশা-উদ্দীপনাই ৱৰ্ডচৱৰ্থ, কলেৰিজ, শ্বেলী, কীটছ্ আদি ৰোমাণ্টিক কবিসকলক প্ৰেৰণা যোগাইছিল। আনহাতে এদিন সিবিলাকৰ মোহভঙ্গও হৈছিল— 'what man has made of man' ৱৰ্ডচৱৰ্থৰ এই হিয়াভগা হুমুনিয়াহ যেন সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। বিশ্ব সাহিত্যত মানৱতাবোধে উচ্চ স্থান পালে। অন্নদা শংকৰ ৰায়ৰ ভাষাত :

'মানবিকবাদ এলো বিদ্রোহের ধবজা বহন করে......

একজনের দীপ যেমন আরেকজনের দীপ জ্বালিয়ে দেয় তেমনি ইউরোপের মানবিকবাদরা ভারতীয় মানবিকবাদীদের দীপ জ্বালিয়ে দেন' (ৰবীন্দ্ৰনাথ পৃঃ ৩৪)।

ৰোমাণ্টিক উপন্যাসৰ বিষয়ে 'Riding on horse back over vacuum' বুলি কোৱা ফৰাচী ঔপন্যাসিক বালজাক (১৭৯৯–১৮৫০) আৰু এমিলো জোলা (১৮৪০–১৯০২) ৰ উপন্যাসত সমাজৰ সাধাৰণ স্তৰৰ অভিজ্ঞতাসমূহ প্ৰকট হ'ল; বাস্তৱবাদী চিত্ৰই ঠাই পালে। বিশেষকৈ এমিলো জোলাৰ উপন্যাসত 'বনুৱা ৰোহৰ প্ৰথম স্মৰণীয় চিত্ৰ' পোৱা যায়। ফৰাচী বিপ্লৱৰ পটভূমিত যিদৰে সংখ্যাধিক উপন্যাসৰ জন্ম হৈছিল, ঠিক তেনেদৰেই আমেৰিকাৰ মুক্তিযুদ্ধ আদি, ৰাছিয়াৰ বলশ্বেভিক আন্দোলনাদি প্ৰমুখ্যে ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিতো অনেক উপন্যাসৰ সৃষ্টি হৈছিল। কাৰণ কবি-ঔপন্যাসিকসকল প্ৰকৃতাৰ্থত বিপ্লৱী। সমাজত যেতিয়া অন্যায়-অসমতা, যুদ্ধ-বিগ্ৰহ আদিৰ পয়োভৰ চলে, তেওঁলোকৰ সংবেদনশীল হৃদয়ে সেই সমস্যাবোৰৰ সমাধান বিচাৰে আৰু বিচাৰে পৃথিৱীত শান্তিৰ নিজৰা বোৱাবলৈ। সেয়েহে বিপ্লৱী কবি শ্বেলীয়ে 'Ode to the west wind' কবিতাত আৰ্তনাদ কৰি উঠিছিল :

'Drive my dead thoughts over the universe,
Like wither'd leaves, to quicken a new birth !'

ফৰাচী বিদ্ৰোহৰ সমসাময়িক কথা-সাহিত্যিক কাৰ্লাইলৰ নিপুণ তুলিকাত সৃষ্টি হোৱা 'French Revolution' (১৮৩৭) নামৰ গ্ৰন্থখনো সম্ভৱ হৈছিল নিজৰ জীৱন কালত উপলব্ধ হোৱা অভিজ্ঞতাৰ বাবেহে। ফৰাচী বিপ্লৱৰ দস্তাবেজ স্বৰূপ এই গ্ৰন্থৰ আধাৰতে চাৰ্লচ ডিকেন্সে গঢ়ি তুলিলে তেওঁৰ 'A tale of Two Cities' নামৰ উপন্যাসখন য'ত অংকিত হৈছে ফৰাচী শাসক, ৰজা-মহাৰজাসকলৰ নিদাৰুণ অত্যাচাৰৰ কাহিনী : বিক্ষুব্ধ জনতাৰ অন্তৰত উমি উমি জ্বলি থকা জুইকুৰা দাবানলত পৰিণত হোৱা বাস্তৱ কাহিনী। গতিকে দেখা যায় কোনো সময়ত স্বচক্ষে নেদেখা অভিজ্ঞতাও সুদক্ষ শিল্পীৰ বৰ্ণনাত মহীয়ান হৈ উঠে। এই সন্দৰ্ভত জীৱনীভিত্তিক উপন্যাস, বুৰঞ্জীমূলক উপন্যাস আৰু পৌৰাণিক উপন্যাসৰ প্ৰসঙ্গও আহি পৰে। দৰাচলতে ক'বলৈ গ'লে সাহিত্য-সৃষ্টিতে বা

উপন্যাস সৃষ্টিতে হওক ইয়াৰ মূলকথা হ'ল নিজৰ মৌলিক প্ৰতিভা। মহাপুৰুষ শঙ্কৰদেৱে 'হৰ মোহন'ৰ বৰ্ণনাত কৈছে :

'যতেক চটক দেখা যাৰ যেনমত পাখা তাৰ অনুৰূপ মে উড়য়।'

বহু সময়ত সেইবাবে লেখকসকলে 'কি লিখিছে' সেই বিষয়ৰ লগতে 'কেনেদৰে লিখিছে'— এই কথাবাৰতো গুৰুত্ব আৰোপ কৰা সাহিত্যপ্ৰেমী অনেক আছে। এই সম্পৰ্কে সু-সমালোচক ত্ৰৈলোক্য গোস্বামীয়ে কৈছে : 'এনে অনেক গ্ৰন্থ আছে যিবোৰৰ মাধুৰ্য্য সৰহ ভাগতেই ৰচনা-নৈপুণ্যৰ ওপৰত নিৰ্ভৰ কৰে। কবি বাণভট্টৰ 'কাদম্বৰী'ৰ কথাবস্তু দহ ভাগৰ এভাগৰ বেছি নহয়; কিন্তু কলাবিদ বাণভট্টৰ ৰচনা কৌশলৰ কাৰণে সি এখন বৃহৎ মনোৰম গ্ৰন্থ হৈছে। সেই ৰকমে শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত'তো ৰচনা নৈপুণ্যৰ সুন্দৰ নিদৰ্শন আছে।' (সাহিত্য আলোচনা, পৃ. ৪৩)। অসমীয়া উপন্যাস সাহিত্যত এই ফেৰা গুণৰ অধিকাৰী হৈছে কবি নৰকান্ত বৰুৱা। বুৰঞ্জীমূলক উপন্যাস হিচাপে 'ককাদেউতাৰ হাড়'ৰ মূল্য যিমানেই নহওক, ভাষা-শৈলীৰ দৃষ্টিত ই সততে অনবদ্য স্থান পোৱাৰ যোগ্য। 'কপিলীপৰীয়া সাধু'ও একে পৰ্য্যায়ৰে উপন্যাস। কপিলী-পাৰৰ ৰাইজৰ সুখ-দুখ, হাঁহি-অশ্ৰুৱেই উপন্যাসৰ নায়ক, উপন্যাসৰ কাহিনী। অসমীয়া সাহিত্যত উপন্যাসৰ বিষয়ে আলোচনা কৰি আদ্যনাথ শৰ্মাই কৈছে : 'এনেকুৱা জীৱন্ত বা সহানুভূতিৰে বৰ্ণোৱা গাঁৱৰ চিত্ৰ থকা উপন্যাস অসমীয়া সাহিত্যত সততে পোৱা নাযায়....... ই লেখকসকলক নিশ্চয় নতুন আৰ্হি দেখুৱাব।' এই ক্ষেত্ৰত আৰ্নেষ্ট হেমিংওৱেৰ নবেল পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ "Old man and the sea"ও স্মৰণীয়। আপাত দৃষ্টিত এই উপন্যাসত আঙ্গিক হিচাপে বৃদ্ধ মাছমৰীয়া এজনৰ মাছ এটাৰ লগত হোৱা দুৰ্বাৰ সংগ্ৰাম— যাক হেমিংওৱেই প্ৰতীক হিচাপে দেখুৱাইছে। ই জীৱন-যুদ্ধৰে প্ৰতীক স্বৰূপ। হেমিংওৱেৰ সাহিত্য আৰু জীৱন যেন একেটা মুদ্ৰাৰে দুটা ফাল। তদুপৰি তেওঁৰ সাৱলীল, সংক্ষিপ্ত আৰু সুগঠিত গদ্যশৈলী সেই যুগৰ প্ৰায় সকলো লেখকে অনুকৰণ কৰিছিল। ইংৰাজ লেখক চি. পি. স্নৰ মতে 'হেমিংওৱেই বিশ্বৰ একমাত্ৰ লেখক-ঔপন্যাসিক, যি আন লেখকসকলক ইমান গভীৰভাৱে প্ৰভাৱান্বিত কৰিছে।'

উপন্যাসৰ চৰিত্ৰাঙ্কনো বাস্তৱ জীৱনৰ আধাৰতে গঢ়ি উঠে। এই সম্পৰ্কে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কৈছে : 'উপন্যাসৰ চৰিত্ৰ সৃষ্টি, চৰিত্ৰৰ জ্ঞান, অনুভূতি, বাস্তৱতাৰ অধ্যয়নৰ ওপৰতহে হয়। চৰিত্ৰৰ বিকাশ বাস্তৱতাৰ প্ৰতীক মাথোন।' তেওঁৰ এই উক্তিৰ সাৰ্থকতা 'মৃত্যুঞ্জয়', 'প্ৰতিপদ', 'ইয়াৰুইঙ্গম', 'আই' উপন্যাসৰ চৰিত্ৰাৱলীত স্পষ্ট। সাহিত্য একাডেমীৰ দ্বাৰা অনুষ্ঠিত হোৱা দিল্লীৰ 'Meet the Author", ৪৪ সভাত ভট্টাচাৰ্যই কৈছিল : 'My character speaks better than me'. মামনি ৰয়ছম গোস্বামীয়েও 'মোৰ লিখাৰ আঁৰৰ কাহিনী'ত কৈছিল— 'মোৰ বাবে এতিয়া জীৱন আৰু সাহিত্য একাকাৰ হৈ গৈছে।' 'নীলকণ্ঠী ব্ৰজ'ৰ সৌদামিনী, 'উঁয়ে খোৱা হাওদা'ৰ গিৰিবালা', 'অহিৰণ'ৰ নিৰ্মলাৰ মাজত তেওঁ নিজেই যেন ভুমুকি মাৰিছে। এই ঔপন্যাসিকসকলৰ সেই সেই উপন্যাসৰ বহু চৰিত্ৰই নিজৰ জীৱন-পথৰ পৰিচিত লোক। হোমেন বৰগোহাঞিৰ ভিন ভিন উপন্যাসৰ বাপুকণ, বিক্ৰম, শিৱনাথৰ চৰিত্ৰাঙ্কণ নিজৰে অবিকল প্ৰতিকৃতি। ইংৰাজী সাহিত্যত চাৰ্লচ ডিকেন্সেও 'অলিভাৰ টুইষ্ট' আৰু 'ডেভিদ কপাৰফিল্ড' উপন্যাসৰ মুখ্য পুৰুষ চৰিত্ৰৰ ভূমিকাত নিজেই অৱতীৰ্ণ হৈছে। বাল্যকালত অৰ্থাভাৱত ভোগা দুখাবহ জীৱনৰ হুবহু চিত্ৰ অথবা দলিল স্বৰূপ আছিল 'ডেভিদ কপাৰফিল্ড' উপন্যাসখন যাৰ বিষয়ে সমালোচকসকলে

কৈছিল— 'though David was far better than Dickens ever was.' সেই উপন্যাসত তেওঁ নিজৰ পিতৃৰ চৰিত্ৰটোও মিঃ মিকাৱৰ নামৰ পুৰুষ চৰিত্ৰৰ মাজত সজাই তুলিছে। গতিকে দেখা যায় ঔপন্যাসিকসকলে চৰিত্ৰাঙ্কণত বাস্তৱ জীৱনত দেখি অহা সকলকে গ্ৰহণ কৰে। নিজৰ মনত পুহি অহা ভাৱধাৰা তথা আদৰ্শ সেই কল্পিত চৰিত্ৰৰ উক্তিত সংযোগ কৰে। সেই বিষয়ে মাৰ্জৰী বল্টনে কৈছে :

"A lesser character may be a type ......
He may be more a spokesman than a
true character : express the viewpoint of a
social class, articulate some moral or
philosophical or religious concept, be a mouthpiece for the author's own view'

গতিকে ঔপন্যাসিকসকলে সচৰাচৰ দেখি অহা যিবোৰ চৰিত্ৰ অঙ্কন কৰে, সেইবোৰ type চৰিত্ৰ, তাত নতুনত্ব নাই। কিন্তু এনে কিছুমান চৰিত্ৰ আছে— যিবোৰৰ সময়ৰ লগে লগে মানসিক অৱস্থাৰ বিকাশ ঘটে। এই দ্বিতীয় বিধ হ'ল গতিশীল (dynamic) চৰিত্ৰ। বীণা বৰুৱাৰ 'জীৱনৰ বাট'ৰ তগৰ, বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'ৰ গোসানীৰ চৰিত্ৰত উপৰোক্ত দুইবিধ উপাদানৰ সংমিশ্ৰণ ঘটিছে। নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু'ৰ 'ৰুদাই', 'প্ৰতিপদ'ৰ গিয়াছুদ্দিন আৰু জেবুন্নিছা, 'সেউজী পাতৰ কাহিনী'ৰ চোনিয়া, 'জীৱনৰ বাট'ৰ ধৰণী, গতিশীল চৰিত্ৰৰ প্ৰতিভূ। লগতে যোগেশ দাসৰ 'ডাৱৰ আৰু নাই'ৰ অনুপমা, মামনি ৰয়ছম গোস্বামীৰ 'উঁয়ে খোৱা হাওদা'ৰ গিৰিবালাও এনে মুক্তক চৰিত্ৰই। এই চৰিত্ৰাৱলীয়ে ন ন দৃষ্টিভংগীৰে সমাজত এককভাৱে থিয় হ'বলৈও উন্মুখ। সময় আৰু পৰিস্থিতি বিশেষে হোৱা চৰিত্ৰসমূহৰ অন্তৰ্দ্বন্দ্বয়ো উপন্যাসক অনন্য কৰি তোলে। মানুহৰ মনৰ কি কৰো কি নকৰো ভাৱ, ভাল-বেয়াৰ নিজৰ মনৰ মাজতে বিচাৰ হোৱা দোমোজা অৱস্থা— এনে মানসিক দ্বন্দ্বৰ চিত্ৰ বিশ্বৰ প্ৰথিতযশা মনীষীয়ে তেওঁলোকৰ অমৰ সৃষ্টিত অবিস্মৰণীয়ভাৱে অঙ্কিত কৰিছে। বাল্মীকিয়ে ৰামায়ণত বংশ আৰু ৰাজকীয় মৰ্য্যাদা ৰক্ষাৰ হেতু সীতাক বনলৈ পঠোৱাৰ পূৰ্বে ৰামৰ মনত হোৱা দ্বন্দ্বৰ ছবি অপূৰ্বভাৱে অঙ্কন কৰিছে। সেইদৰে মহাভাৰতত দুৰ্যোধনৰ প্ৰতি থকা অপত্য স্নেহ আৰু যুধিষ্ঠিৰৰ প্ৰতি থকা কৰ্তব্যবোধে ৰজা ধৃতৰাষ্ট্ৰৰ মনত যি এক দ্বন্দ্বৰ সৃষ্টি হৈছিল, সিয়ে মহাকাব্যখনক অতুলনীয় কৰি তুলিছে। হেমলেটৰ 'To be or not to be' অৱস্থাও মহাকবি চেক্সপীয়েৰে অঙ্কন কৰা তেনে এক অন্তস্পৰ্শী বৰ্ণনাৰ জীৱন্ত ছবি। মানৱ-হৃদয়ৰ এনে দ্বিধা-দ্বন্দ্বৰ বিষয়ে আলোচনা কৰি বিশ্বকবি ৰবীন্দ্ৰনাথে 'সাহিত্য' গ্ৰন্থত কৈছে : 'হেমলেটৰ ছবি সৌন্দৰ্য্যৰ ছবি নহয় মানৱৰ ছবি, অথেল'ৰ অশান্তি সুন্দৰ নহয়, মানৱ স্বভাৱগত।'

চৰিত্ৰ সৃষ্টি উপন্যাস ৰচনাৰ প্ৰাণ স্বৰূপ। কাহিনীৰ লগত প্ৰায় সমান্তৰালভাৱে অগ্ৰসৰ হৈ চৰিত্ৰসমূহে উপন্যাস এখনৰ কৃতকৃত্যতা নিৰূপণ কৰে। মুখ্য চৰিত্ৰবোৰক সুস্পষ্ট আৰু সজীৱ কৰি তুলিবলৈ আৰু কাহিনীক সুন্দৰভাৱে আগবঢ়াই নিবলৈ কিছুমান পাৰ্শ্ব চৰিত্ৰৰো (lesser character) দৰ্কাৰ হয়। উপন্যাসৰ কাহিনীভাগৰ সৰ্বাংগসুন্দৰ পশ্চাদপট গঢ়ি উঠাত পাৰ্শ্ব চৰিত্ৰবোৰৰে অবিহণা বেছি। উদাহৰণ স্বৰূপে বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'ৰ পৰা এটি উদ্ধৃতি দাঙি ধৰা হ'ল।

'ভিভিৰামৰ মনৰ দুৱাৰখন হঠাতে খোল খাই গ'ল। ধনপুৰেই পতাকা তুলিছিল।

সেইদিনাই তাক মাতি নি শান্তিসেনাত ভৰ্ত্তি কৰি 'কৰিম বা মৰিম' পণ লোৱালে। ....কৰ্মসূচী হ'ল মিলিটেৰীৰ যোগান বন্ধ কৰি আৰু দলং ভাঙি যাতায়াত ভঙ্গ কৰা। দেশ মিলিটেৰীৰে ভৰি পৰিছিল..... দেশৰ মাৰ্কিন, ইংৰাজ, চীনা, অষ্ট্ৰেলিয়া সেনাৰে দেশ তল-ওপৰ হ'ল।'

অসমীয়া উপন্যাস সাহিত্যত 'ডালিমী' চৰিত্ৰৰ সংযোজনা এটি গুৰুত্বপূৰ্ণ বিষয়। পাহাৰ-ভৈয়ামৰ সংমিশ্ৰণত গঢ়ি উঠা অসমীয়া জাতীয় জীৱনত জন-জাতীয় সমাজখনৰ বৰঙণিও লেখত লবলগীয়া। 'ডালিমী' চৰিত্ৰক পোন প্ৰথমবাৰ অসমীয়া উপন্যাস 'মিৰি জীয়ৰী'ৰ (১৮৯৫) মাজেদি পৰিচিত কৰাই দিয়ে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে। এওঁৰ পিছতে পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী' (১৯১৫) নাটত পাৰ্শ্ব চৰিত্ৰ হিচাপে পাহাৰীয়া ছোৱালী 'জিনু' আৰু 'ডালিমী'ক পৰিচয় কৰাই পাহাৰ-ভৈয়ামৰ সম্পৰ্ক গাঢ়তৰ কৰি তোলে। আধুনিক অসমীয়া উপন্যাসত দৈৱচন্দ্ৰ তালুকদাৰ, সুৰেশ গোস্বামী আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই 'ডালিমী' আৱিষ্কাৰত অৱতীৰ্ণ হোৱা উল্লেখযোগ্য ঔপন্যাসিক। বিশেষকৈ জনজাতীয় সৰলতাৰ প্ৰতীক 'মৃত্যুঞ্জয়'ৰ মিকিৰ গাভৰু 'ডিমি' যেন অসমীয়া উপন্যাস সাহিত্যৰ চৰিত্ৰ-সৃষ্টিত এক অভিনৱ সংযোজন।

অসমীয়া উপন্যাস সাহিত্যিক চৈয়দ আব্দুল মালিক, লক্ষ্মীনন্দন বৰা, পদ্ম বৰকটকী, কামাখ্যা সভাপণ্ডিত, মামণি ৰয়ছম গোস্বামী প্ৰভৃতিৰ উপন্যাসত যৌন-প্ৰেমৰ চিত্ৰ বিশেষ লক্ষণীয়। যুদ্ধোত্তৰ যুগৰ ঔপন্যাসিক বীণা বৰুৱা, দীননাথ শৰ্মা, ৰাধিকামোহন গোস্বামী, মহম্মদ পিয়াৰ আদি পুৰণি চামৰ লগতে স্বৰাজোত্তৰ ঔপন্যাসিক যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, হিতেশ ডেকা, চন্দ্ৰ প্ৰসাদ শইকীয়া, কুমাৰ কিশোৰ আদিৰ উপন্যাসত যৌনাভিব্যক্তি নিচেই নগণ্য। বিশেষকৈ এই ক্ষেত্ৰত যোগেশ দাস অতীব সংযত। বীণা বৰুৱা আৰু বীৰেণ ভট্টই উপন্যাসৰ মাজত যৌনতাৰ স্বাভাৱিক প্ৰকাশ দেখুৱাইছে। বীণা বৰুৱাৰ সম্পৰ্কে ডঃ হীৰেণ গোহাঁয়ে কৈছে .... 'সেউজী পাতৰ কাহিনী'ত যৌনতাৰ মুক্ত আৰু বাধাহীন প্ৰকাশৰ জৰিয়তে লেখকে পৰম্পৰাগত সমাজৰ গভীৰ অসুখৰ নিৰাময় বিচাৰিছে। ....যৌনতা ইয়াত দেহবাদী মাৰ্কিন সাহিত্যৰ দৰে মানৱ-জীৱনৰ যথা সৰ্ব্বস্ব নহয়— বৰং সুস্থ, পৰিতৃপ্ত, স্বাভাৱিক মানৱ জীৱনৰ এটা লক্ষণহে। ......ছনিয়া-নৰেশ্বৰ, লঘু-ৰাধুৰ সম্পৰ্কৰ মাজেদি বিজুলীয়াই গৈছে দুটা ব্যক্তিসত্ত্বাৰ অন্তৰঙ্গতা— 'marriage of true minds' (আগকথা : সেউজী পাতৰ কাহিনী)।

অসমীয়া উপন্যাস সাহিত্যৰ উত্তৰোত্তৰ উন্নতিৰ বিষয়ে চিন্তা কৰি বীৰেন্দ্ৰ ভট্টাচাৰ্য্যই কৈছিল : 'উপন্যাস কলাৰ উন্নতি কৰোতা গভীৰ শিল্পীৰ অভাৱ দিনক দিনে ইংলণ্ডত অনুভূত হৈছে ..... ইউৰোপীয় উপন্যাস সাহিত্যৰ ইতিহাসে আমাক যে আৰু কিবা নতুন কথা শিকাব তাক মনে নধৰে। সেই উপন্যাসবোৰ পঢ়ি তাৰ পৰা আমি কোৱাৰ ধৰণ মাত্ৰ শিকিব পাৰোঁ..... আমাৰ উপন্যাস, আমাৰ গল্প, আমাৰ অভিজ্ঞতা, আমাৰ পটভূমি আৰু আমাৰ ভাৱধাৰাৰ ভেটিত গঢ়িব পাৰিলেহে আমাৰ উপন্যাসে প্ৰগতিৰ পথত আগবাঢ়িব পাৰিব।' এয়া যেন বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞাই কোৱা অসমীয়াই বিশ্বসাহিত্য ৰচনাৰ সমল 'মাটিৰাম আৰু মালতীৰ প্ৰেম কাহিনী'তে পোৱাৰ এক পুনৰাবৃত্তি মাথোন। ❑



হৰেকৃষ্ণ ডেকা

গৃহদাহ

ক্ৰিং ক্ৰিং ক্ৰিং..........

ৰাতিৰ নিস্তব্ধতাত টেলিফোনৰ শব্দটো বিকট হৈ বাজিছে। সোঁ সোঁ কৈ জোৰেৰে ঘূৰি থকা ফেনখনে কমটোৰ তপত বতাহ চেঁচা কৰিব পৰা নাই। টোপনিটো ভাঙোতেহে ঋষভ দত্তই গম পালে যে পূৰ্ণোদ্যমে ফেনখন মূৰৰ ওপৰত চলি থকা সত্ত্বেও তেওঁ ঘামি গৈছে। আন্ধাৰতে ৰেডিয়াম ডায়েলৰ হাতঘড়ীটোলৈ চাই দেখিলে ৰাতি তিনি বাজিছে। টোপনি ভাঙিবলৈ তেওঁ কেইটামান এঙামূৰি দিলে।

ক্ৰিং ক্ৰিং ক্ৰিং....... টেলিফোনটো অস্থিৰ হৈ পৰিছে। অঃ গড। বিতৃষ্ণাতে তেওঁ মুখখন বিকটাই দিলে। কিন্তু উপায় নাই। উঠিবই লাগিব।

বুকুত এটা আশঙ্কা লৈ দত্ত টেলিফোনটো ধৰিবলৈ আগবাঢ়িল। টেলিফোনৰ তাঁৰৰ মাজেদি অহা ধাতৱ শব্দকেইটাত কি আছে তেওঁ যেন আগতেই গম পাই গৈছে।

"হেল্লো ইন্সপেক্টৰ দত্ত স্পীকিং"। সিফালৰ পৰা ফোনত তাঁহি অহা কথাখিনি তেওঁ মনোযোগ দি শুনিলে। ক'লে, 'আকৌ? এইটো ঘটনাক লৈ সাতমান ঘটনা হ'ল। ....কি কৈছা ......অ' হয়, হয় সেইটো ধৰিলে আঠটাই হ'ব। কি হৈছেহে আমাৰ .... ক্ৰিমিনেলক

ধৰিব পৰা নাই। আজি পেট্ৰ'ল পাৰ্টি কেইটা দিছিলেহে ..কি কৈছা ... ১৭টা ... সিঁহত কি নাকত তেল দি শুই আছিল নেকি? অ' বাৰু, বাৰু...ফায়াৰ ব্ৰিগেড গৈছে নে? যোৱাৰ শব্দ শুনিছা.......অ' বাৰু.... আমাৰ এডভান্স পাৰ্টিও গৈছে। ভাল কথা। মই গৈ আছো।'

টেলিফোনটো নমাই থৈ ঋষভ দত্ত ড্ৰেচিংৰুমৰ ফালে আগবাঢ়িল। কাঢ়া ইস্ত্ৰিৰ ভাঁজ থকা ইউনিৰ্ফমযোৰ পিন্ধি ললে। তেওঁৰ কপালৰ ৰেখাবোৰ চিন্তাত কোঁচ খালে। আজি আকৌ একেধৰণৰ ঘটনা এটা সংঘটিত হ'ল। ইন্সপেক্টৰ দত্তই বীট পহৰাৰ কটকটীয়া ব্যৱস্থা লৈ ভাবিছিল যে এইধৰণৰ ঘটনা আৰু হয়তো নহ'ব। অৱশ্যে শেষৰ ঘটনাটোৰ পৰা আজিৰ ঘটনাটোলৈ কেইবাদিনো নিৰ্বিঘ্নে পাৰ হৈছে। ইয়াৰ আগৰ আঠোটা ঘটনাই দুই-তিনিদিনৰ অগা-পিছাকৈ ঘটিছিল। এইবাৰ ঘটনা ঘটিল বাৰদিনৰ মূৰত। ঋষভ দত্তৰ মনত পৰিল আগৰ ঘটনাবোৰ ঘটিছিল ৰাতি ১২/১ বজাৰ ভিতৰত। এইবাৰ ঘটিল তিনি বজাত। অৰ্থাৎ অপৰাধীয়ে সময় সলনি কৰিলে। চতুৰ অপৰাধী। ১২/১ বজাৰ সময়টোত বীটৰ চিপাহীসকল বেছ সষ্টম হৈ থাকে। তাৰপিছত সতৰ্ক পহৰা শিথিল হৈ যায়। যেন পহৰাত থকা কেইজনে ১বজাৰ পিছত একোটা স্বস্তিৰ নিশ্বাস পেলাই বিশ্ৰাম লবলৈ আৰম্ভ কৰে! বাৰদিনলৈ নতুন একো ঘটনা সংঘটিত নোহোৱাত হয়তো 'একো নঘটিব' জাতীয় পৰিতুষ্টিৰ ভাবটো পহৰাৰত চিপাহী আৰু বিষয়াসকলৰ ভিতৰত অলপ বেছিকৈয়ে বিয়পিছিল। আৰু সেই সুযোগটোকেই চতুৰ অপৰাধীয়ে আজি সুন্দৰভাৱে আহি গ্ৰহণ কৰিলে। নিজৰ ওপৰতো ঋষভ দত্তৰ এটা অসন্তুষ্টিৰ ভাব আহি গ'ল। তেওঁ নিজেও আজি দুদিনমান ৰাতিৰ চহৰ পৰিক্ৰমাত ওলোৱা নাই। পহৰাৰ ব্যৱস্থাটো সফল হোৱা বুলি এটা আত্মতুষ্টিৰ ভাব তেওঁৰ মনতো বিয়পি পৰিছিল। নিজকে অপৰাধী যেন লাগি গ'ল তেওঁৰ। নিজৰ ওপৰত অসন্তুষ্টিৰ অনুভূতি এটা লৈ তেওঁ ৰুমৰ পৰা ওলাই আহি সন্তৰ্পণে দুৱাৰখন শব্দ নোহোৱাকৈ বন্ধ কৰিলে। জীপ গাড়ীখন থোৱা শ্বেডখনলৈ আগুৱাই যাবলৈ গৈ তেওঁ তেওঁৰ ৰুমৰ বাহিৰত ক্ষন্তেক থমকি ৰ'ল। ওচৰৰ ৰুমটোৰ দুৱাৰখনলৈ তেওঁৰ চকু গ'ল। তাত তেওঁৰ ওঠৰ বছৰীয়া পুত্ৰ নন্দন শোৱে। সি কি দুৱাৰখন আজিও খুলি থৈছে? তেওঁৰ কপালৰ গাঁঠি থুপ খাই গ'ল। ল'ৰাটো বৰ অসাৱধান। দুৱাৰখন ভিতৰৰ পৰা মাৰি নথয় কিয়? ঋষভ দত্তৰ পত্নী বিয়োগ হোৱা আজি প্ৰায় এবছৰ হ'ল। তেওঁৰ পুতেক মাকৰ ছত্ৰছায়াত ডাঙৰ-দীঘল হোৱা ল'ৰা। চাকৰিত ব্যস্ত থাকি ল'ৰাটোলৈ চকু দিবলৈ সময় পোৱা নাছিল দত্তই। পত্নী-বিয়োগৰ পাছতহে ল'ৰাটোলৈ মনোযোগ দিবলৈ আৰম্ভ কৰিছে তেওঁ। তেতিয়াহে তেওঁৰ চকুত পৰিল ল'ৰাটোৰ ধৰণ-কৰণ যেন অলপ আচহুৱা। সি বৰ কম কথা কয়। আৰু প্ৰায় অকলশৰে থাকিয়েই ভাল পায়। এই এবছৰে তেওঁ মন কৰিছে— তাক লগ ধৰিবলৈ এদিনো এজনো লগৰ ল'ৰা অহা নাই। কলেজলৈ যোৱা সময়খিনি বাদ দি ৰুমটোৰ ভিতৰতে বেছিভাগ সময় সি কটাই দিয়ে। হায়াৰ চেকেণ্ডাৰীৰ টেষ্টত বেয়া কৰাৰ পিছত সি আৰু ঘৰগোনা হ'ল।

পুতেকৰ ৰুমৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি যোৱাৰ কথা দত্তই এবাৰ ভাবিলে। কিন্তু লৰালৰিকৈ ঘটনাস্থলী পাব লাগিব কাৰণে আৰু পুতেকৰ টোপনিত ব্যাঘাত হ'ব বুলি ভাবি তেওঁ আৰু তাৰ ৰুমৰ ভিতৰলৈ নোসোমাল। জীপ গাড়ীখনৰ ওচৰলৈ গৈ অভ্যাসবশতঃ জেবীকেনটো জোকাৰি চালে। জেৰীকেনটোত তেওঁ আছুতীয়াকৈ পেট্ৰ'ল

ৰাখি থয়। কেতিয়াবা হঠাতে দৰকাৰ হৈ যায়। জেৰীকেনটো পাতল যেন লাগিল। মুখখন খুলি চাই দেখিলে প্ৰায় আধাহে আছে। তেওঁ বৰ বিৰক্ত হ'ল। ড্ৰাইভাৰটোৱে পেট্ৰল বিক্ৰি কৰে যেন লাগে। কিছুদিনৰ পৰা জেৰীকেনটো এনেকৈ আধা খালি হৈ থকা তেওঁ কেইবাদিনো মন কৰিছে।

ভাবিবৰ সময় নাই। তেওঁ জোৰেৰে গাড়ী চলাই দিলে। চহৰ পাৰ হৈ চহৰতলী পালেগৈ। বেছ দূৰৰ পৰাই দপদপকৈ জ্বলা জুইকুৰা তেওঁৰ চকুত পৰিল। এই অঞ্চলত বসতি কম। নতুনকৈ সাজি সম্পূৰ্ণ হোৱা টিনৰ ঘৰ এটাত এইবাৰ জুই লাগিছে। ফায়াৰ ব্ৰিগেডৰ মানুহখিনি জুই নুমুওৱাত ব্যস্ত। মানুহৰ বসতি কম হলেও ওচৰ-পাজৰৰ মানুহ আহি ভৰি গৈছে। জুই নুমুওৱাত সকলো ব্যস্ত। সদৰ থানাৰ দাৰোগা গুহই আহি ইন্সপেক্টৰ দত্তক চালাম দিলে।।

"নতুনকৈ সজা ঘৰ চাৰ। পৰিয়ালৰ মানুহ সোমোৱা নাছিল। ইলিওৱেক্ট্ৰ নিশ্চয় নাই।" আগৰ কেছকেইটাও এনেকৈ নতুনকৈ সজা ঘৰত জুই দিয়াৰ।

"দুৰ্ঘটনাওতো হ'ব পাৰে। কোনোবা ভিখাৰী ঘৰৰ ভিতৰত সোমোৱা নাছিলতো? আৰচনৰ কিবা এভিডেন্স পাইছে নেকি?"

"জুই নুমালেহে বুজিব পাৰিম চাৰ। আৰচন হ'ব যেনেই লাগিছে, চাৰকামষ্টেন্স একে ধৰণৰ।"

ইন্সপেক্টৰ দত্তই একো নামাতিলে। প্ৰায় তিনি ঘণ্টা সময় যুঁজাৰ পিছত জুই নুমাল। ছাইবোৰ খুচৰি ঘৰৰ চুককেইটাত বিচৰা বস্তু পোৱা গ'ল। আমূ'ল আৰু তেনেকুৱা বস্তুৰ কেইটামান টিনৰ ভিতৰত পাকখাই থকা ছাইখিনি ভাঙি যোৱা নাই — সেয়া যে নাৰিকলৰ বছীৰ ছাই ধৰিব পাৰি। মাটিত জুয়ে নেচেলেকা দুই এঠাইত এতিয়াও পেট্ৰ'লৰ গোন্ধ।

থানালৈ আহি দত্তই গুহৰ লগত আগৰ কেছকেইটা অলপ জুকিয়াই চালে। হয়, কেছকেইটা একেধৰণৰ। প্ৰত্যেকটো ঘৰেই নতুনকৈ সজা ঘৰ। নতুন বসতি অঞ্চলত। দুই এটাত বাদে বাকীবোৰত গৃহস্থৰ প্ৰবেশ হোৱাই নাছিল। কেৱল এটা কেছতহে ঘৰৰ ভিতৰত দুটা ল'ৰা-ছোৱালী পুৰি মৰিছে। বাকীকেইটা কেছত কেৱল ঘৰবোৰহে পুৰিছে। মডাচ অপাৰেণ্ডি একে ধৰণৰ। পেট্ৰ'লৰ ব্যৱহাৰ, নাৰিকল বছী, টেমাত ভৰাই জুই লগোৱা আদি একে পদ্ধতি। এইটো ঘটনাত বাদে বাকী প্ৰত্যেকটো ঘটনাই সংঘটিত হৈছিল ১২/১ বজাৰ ভিতৰত। দত্তৰ দৃঢ় ধাৰণা হ'ল যে এইটো কোনোবা মানসিক ৰোগগ্ৰস্ত মানুহৰহে কাম। কোনো এটা কেছতে দেখা সাক্ষী নাই। কোনো ধৰণৰ ক্লুৱেই পুলিচে পোৱা নাই। বৰ হতাশাৰ কথা।

ব্যস্ত হৈ দত্তই জীপ চলাই ঘৰ পালেহি। কেতিয়াবাই ৰাতি পুৱাইছিল। ড্ৰাইভাৰজন আহি ৰৈ আছিল। দত্তই তাৰ হাতত গাড়ীখন চাফা কৰিবৰ কাৰণে গতাই দিলে। পুতেকৰ কমৰ ফালে চাই দেখিলে দুৱাৰখন এতিয়াও খিলি নমৰাকৈ অসাৱধানভাৱে জপাই থোৱা আছে। দত্তই ড্ৰাইভাৰক সুধিলে "নন্দন ভাইটি উঠিছে নেকি অ'। ৰজনী আহিছেনে?" ৰজনী তেওঁৰ একমাত্ৰ অৰ্ডালি। ঘৰুৱা কাম-বন, লাচনি-পাচনি সিয়েই কৰে।

"নন্দন ভাইটি উঠা নাই হুজুৰ, ৰজনী পাকঘৰত আছে।" ড্ৰাইভাৰে ক'লে।

দত্তই অলপ ইতস্ততঃ কৰি পুতেকৰ কমলৈ সোমাই গ'ল। দেখিলে সোত-মোচ খোৱা বিছনাৰ পৰা চাদৰখনৰ এটা ফাল মাটিত বাগৰি আছে। আৰু পুতেক নন্দন তোচকৰ পৰা ওলাই থকা ফালটোত আঁঠু দুটা ভাঁজ খুৱাই প্ৰণাৱস্থাৰ শিশুটিৰ দৰে

কেৰ্কোৰা হৈ শুই আছে। তাৰ মুখখনত এটা নিৰীহ ভাব। চকুৰ কোণ দুটাত কিন্তু কালিমা পৰিছে। দুখনমান কিতাপ বিছনাত মেল খোৱা অৱস্থাত পৰি আছে।

দত্তই পুতেকক কান্ধত ধৰি জোকাৰি দিলে "নন্দন, নন্দন।" নন্দন ধহমহকৈ সাৰ পাই বিছনাত বহিল। "অ দেউতা, বহুত পলম হ'ল নেকি উঠোতে?" দত্তৰ পোছাকযোৰলৈ চাই ক'লে, "দেউতা, তুমি ৰাতিপুৱাই ডিউটিত গৈছিলা নেকি?" পুতেকৰ কথাৰ উত্তৰ নিদি দত্তই ক'লে, "তই ৰাতি দুৱাৰখননো ভালকৈ নামাৰ কিয়? দিনকাল বেয়া পৰিছে।"

দত্ত নিজৰ ৰুমলৈ আহিল। ড্ৰেচিং টেবুলৰ আয়নাত টোপনি খতি হোৱা আৰু এদিনৰ নুখুৰোৱা দাড়িৰে ভৰ্তি মুখখনত ক্লান্তিৰ চিন। কিন্তু এতিয়া আৰু নতুনকৈ বিছনাত পৰিবৰ সময় নাই। দিনটোৰ কামৰ বাবে সাজু হ'বৰ হ'ল। ড্ৰেচিং টেবুলত থকা মৃত পত্নীৰ ফটোখনলৈ দত্তই কিছুসময় ৰ লাগি চাই ৰ'ল। বেচেৰীৰ বৰ করুণ মৃত্যু হৈছিল। এই ঘৰটো সাজি শেষ হোৱাৰ আগতে। ঘৰটো চাবলৈ আঁহোতে ঘৰৰ টিনপাত পৰি তেওঁৰ পত্নীৰ মৃত্যু হৈছিল। দত্তই ইমান গভীৰ দুখ পাইছিল যে এই ঘৰটোত তেওঁ বহুদিনলৈ সোমোৱাই নাছিল। আৰু পুতেক নন্দন! তাৰ শোক হয়তো আৰু গভীৰ আছিল। সি মাকৰ মৃত্যুত কান্দিব পৰা নাছিল। সি প্ৰায় নিৰ্বাক হৈ গৈছিল আৰু বেছ কিছুদিন উদ্ভ্ৰান্তৰ দৰে ঘূৰি ফুৰিছিল।

গা-পা ধুই ব্ৰেকফাষ্ট কৰি ১০ মান বজাত দত্ত আকৌ থানালৈ ওলাল। এইবাৰ গাড়ী ড্ৰাইভাৰে চলালে। হঠাত জেৰীকেনৰ কথাটো মনত পৰাত দত্তই তাক সুধিলে "হেৰ, জেৰীকেনটোত আজি-কালি দেখোন পেট্ৰ'ল নোহোৱা কৰিয়ে থৱ তই। কি কৰনো? ড্ৰাইভাৰে ক'লে "হুজুৰ পেট্ৰ'ল পুৰাই ৰাখিছিলো।" দত্ত বৰ বিৰক্ত হ'ল। "বজ্জাত। আজিৰ পৰা এইচব বজ্জাতি কৰিলে তোৰ চাকৰি যাব।" থানা পাই দত্ত অন্যান্য অফিচাৰৰ সৈতে কেছবোৰৰ পৰ্য্যালোচনা কৰাত ব্যস্ত হৈ পৰিল।

আৰু পাঁচোটা গৃহদাহৰ ঘটনাই ইতিমধ্যে ঘটি গ'ল। দত্ত আৰু তেওঁৰ তলতীয়া কৰ্মচাৰীৰ সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি কোনোবা এটা বলিয়াই এটাৰ পিছত এটা ঘৰ জুই লগাই ধ্বংস কৰি যাবলৈ ধৰিলে। খবৰ কাগজত পুলিচৰ ব্যৰ্থতাৰ ওপৰত তীব্ৰ ভাষাত সমালোচনা ওলাল। বিধান সভাত বিভাগীয় মন্ত্ৰীয়ে স্পষ্ট উত্তৰ দিব নোৱাৰি অস্বস্তিৰ সম্মুখীন হ'ল। দিন-ৰাতিৰ টোপনি ক্ষতি কৰি পহৰা দিও এই বিশাল চহৰত গৃহদাহ কৰা এই বলিয়াটোক ধৰা সম্ভৱ নহ'ল।

গাটো অলপ বেয়া লগাত ঋষভ দত্ত এদিন ৰাতিৰ বীটৰ কামবোৰ চাবলৈ ওলাব নোৱাৰিলে। সেইদিনা খাই-বৈ সোনকালে তেওঁ বিছনাত পৰিল। তেওঁ চকু নিদিলে আজিও পহৰা শিথিল হ'ব এইটো নিশ্চিত। কিন্তু গাটো অৱশ লগাত তেওঁ আৰু ৰাতিৰ পৰিক্ৰমাত ওলাবৰ কাৰণে মন বান্ধিব নোৱাৰিলে। আৰু বিছনাত পৰাৰ লগে লগে তেওঁৰ টোপনি আহিল।

হঠাতে তেওঁৰ টোপনি ভাগি গ'ল। ৰাতি কিমান হৈছিল তেওঁ ধৰিব নোৱাৰিলে। খেপিয়াই গাৰুৰ তলত থোৱা হাতঘড়ীটো আনি আন্ধাৰতে ৰেডিয়াম দিয়া ডায়েলখনত চাই দেখিলে তেতিয়াও ৰাতি বাৰ বাজিবলৈ বাকী। টোপনিটো তেওঁৰ ভাগি গৈছিল এটা শব্দ শুনি। দুৱাৰ এখন জোৰেৰে মেল খোৱাৰ শব্দ। তেওঁৰ ঘৰত কোনোবা চোৰ-টোৰ সোমাইছে নেকি? নাইবা কোনোবা দাগী অপৰাধীয়ে তেওঁৰ ওপৰত প্ৰতিশোধ লবলৈ

সোমোৱা নাইতো? শব্দ এটা যে শুনিছিল সি ধুৰুপ। কিছু সময় তেওঁ কাণ দুখন থিয় কৰি ৰ'ল। এতিয়া কোনো সাৰ-শব্দ নাই। মনত এটা সন্দেহ লৈ তেওঁ সন্তৰ্পণে তেওঁৰ কমৰ দুৱাৰখন অলপ খুলিলে। ধেনুভিৰীয়া জোনটো এতিয়াও আকাশৰ মাজ পোৱাই নাই। অস্পষ্ট পোহৰ। গেটৰ নাৰিকলজোপাৰ কাষেৰে যেন কোনোবা এজন হঠাৎ কিবা এটা লৈ ৰাস্তাৰ ফালে গ'ল। তেওঁ এইবাৰ ঘৰৰ বাহিৰলৈ ওলাই আহিল। ওচৰৰ কমটোত চকু পৰাত তেওঁ দেখিলে কমৰ দুৱাৰখন কেৰেচিয়াকৈ খোলা আছে। তেওঁৰ বুকুখন চিৰিংকৈ গ'ল। পুতেকৰ কমটোলৈ গৈ লাইটটো জ্বলাই দিলে। বুকুখনত যেন তেওঁৰ ভূমিকম্প হৈ গ'ল। দৌৰমাৰি তেওঁ বাহিৰলৈ ওলাই আহিল। নিজৰ কমত সোমাই টেলিফোনটো ডায়েল কৰিবলৈ চেষ্টা কৰিলে। হে হৰি! টেলিফোনটো এতিয়াহে বেয়া হ'বলৈ পালে। কাপোৰ-কানি সলাবৰ সময় নাই। তেওঁ পিন্ধি থকা কাপোৰযোৰেৰে বাহিৰলৈ ওলাই আহি জীপখনত জাঁপ মাৰি বহিল। চলাবলৈ গৈ দেখিলে চেলফটো লাগি ধৰিছে। পিছফালে অভ্যাসবশতঃ চকু দিয়াত দেখিলে আজি জেৰীকেনটোও নাই। দত্ত উদভ্ৰান্তৰ দৰে শুই থকা কাপোৰ-কানিৰে গেটৰ বাহিৰ হৈ ৰাস্তাৰে দৌৰিবলৈ ধৰিলে। চাৰিআলিটো পাই তেওঁ বিভ্ৰান্ত বোধ কৰিলে। এতিয়া তেওঁ কোনফালে যাব। এটা ৰাস্তা বাচি লৈ সেইফালে দৌৰি প্ৰায় দুই ফাৰ্লাংমান দূৰত পহৰাৰত বীটৰ চিপাহী দুটাক বন্ধ দোকান এখনৰ বাৰাণ্ডাত কলমতিয়াই থকা দেখা পালে। মানুহ এজন দৌৰি অহা দেখি সিহঁত সটম হৈ ৰাস্তালৈ আহি দেখিলে সিহঁতৰ ইন্সপেক্টৰে ঘৰত পিন্ধা কাপোৰ-কানিৰে দৌৰি আহিছে। সিহঁত আচৰিত হৈ চালাম ঠুকিবলৈ পাহৰি বৈ গ'ল। সিহঁতৰ এটাৰ কান্ধত জোকাৰ কেইটামান মাৰি দত্তই সুধিলে "হেৰৌ, এইফালে অলপ আগতে কাৰোবাক যোৱা দেখিছিলি নেকি? ক, ক, সোনকালে ক.......।"

দুয়োটাই একেলগে উত্তৰ দিলে, "নাই হুজুৰ, আমি কাকো দেখা নাই।" দত্ত আকৌ উভতি চাৰিআলিৰ মূৰটোলৈ আহিল। বাকীকেইটা ৰাস্তাৰে বেছ কিছু দূৰলৈ আগুৱাই গৈও তেওঁ কাকো দেখা নাপালে। পহৰাৰত থকা চিপাহীবোৰো ক'ৰবাত চুকে-কোণে আছে। তেওঁ আকৌ চাৰিআলিৰ মূৰটোলৈ আহিল আৰু একেবাৰে অস্থিৰ হৈ পৰিল। এটা আতংকই তেওঁৰ বুকুখন হেঁচা মাৰি ধৰিলে। এনেতে দূৰত আকাশ পোহৰ কৰি জুই জ্বলি উঠিল। আকৌ কোনোবা এটা ঘৰত জুই লাগিছে। "হে প্ৰভু!" তেওঁ সেইফালে দৌৰিবলৈ ধৰিলে। এনেতে তীব্ৰ বেগত গাড়ী এখন সেইফালে অহা শব্দ হ'ল। গাড়ীখন ওচৰ চাপি অহাত তেওঁ চিনি পালে সেইখন থানাৰ গাড়ী, তেওঁ মাজ ৰাস্তাত থিয় দি দুয়োখন হাত দাঙি গাড়ীখন ৰখালে। ড্ৰাইভাৰে জোৰেৰে ব্ৰেক মৰাত গাড়ীখন স্কিড কৰি আহি কোনোমতে তেওঁক নেচেপাকৈ ৰ'ল। এচ, আই গুহ গাড়ীৰ ভিতৰত আছিল। তেওঁৰ মুখৰ পৰা এটা গালি ওলাই আহিব খুজিছিল। কিন্তু হেডলাইটৰ পোহৰত তেওঁ আচৰিত হৈ দেখিলে ইন্সপেক্টৰ দত্ত বিভ্ৰান্ত কাপোৰ-কানিৰে উদভ্ৰান্তৰ দৰে থিয় দি আছে। গুহই চিঞৰিলে। "চাৰ আপুনি"। দত্তই দৌৰ মাৰি আহি জাঁপিয়াই গুহৰ ওচৰতে গাড়ীত বহি লৈ ক'লে, "গুহ গাড়ী নৰখাব, ব'লক সোনকালে ব'লক। কোনে জুই লগাইছে মই জানো। অঃ ৰাম।" দত্তৰ মানসিক অৱস্থাটো দেখি গুহ খুব আচৰিত হ'ল। কিন্তু তেওঁ ইঙ্গিত দি ড্ৰাইভাৰক গাড়ী চলাবলৈ আদেশ দিলে। গাড়ী তীব্ৰ বেগত চলিল।

জুইলগা ঘৰটোৰ ওচৰ পাই তেওঁলোকে দেখিলে এজন ডেকা ল'ৰা হাতত জেৰীকেন এটা লৈ অট্টহাস্য কৰি জুইলগা ঘৰটোৰ পৰা দৌৰি ওলাই আহিছে। গাড়ীখন গৈ তাৰ

সন্মুখত বৈ গ'ল। দত্ত আগতেই জাঁপ মাৰি নামিল। দত্তক দেখি ল'ৰাজন বিস্ময় আৰু ভয়ত এক মুহূৰ্ত স্তব্ধ হৈ বৈ গ'ল। তাৰপিছত পিছফাললৈ দৌৰিলে।

আতংক আৰু ক্ৰোধৰ এটা মিশ্ৰিত চিএৰৰ বাতিৰ নিস্তব্ধ বতাহ ফালি দত্তৰ মুখৰ পৰা ওলাই আহিল, 'ন...ন্দ...ন...'

কিন্তু ল'ৰাজন জুই লগা ঘৰটোৰ ভিতৰলৈ দৌৰ মাৰি সোমাই গ'ল। আৰু ক্ষন্তেকতে ঘৰটো জুইয়ে আগুৰি পেলালে। ইন্সপেক্টৰ ঋষভ দত্ত চেতনা হেৰুৱাই বাগৰি পৰিল। ❑

মামণি ৰয়ছম গোস্বামী

কটন কলেজৰ দিনবোৰ

কটন কলেজৰ স্মৃতিৰ কাহিনী মোৰ বাবে আছিল অনন্য দস্তাবেজ। অকল মোৰেই নহয়, এই কলেজৰ লগত আমাৰ পৰিয়ালৰ অনেক ঘটনা জড়িত হৈ আছিল। জীৱনত লগ পোৱা অনেক প্ৰিয় চৰিত্ৰক মই কটন কলেজৰ প্ৰাংগণতে লগ পাইছিলো। এসময়ত এনে ধাৰণা হৈছিল যে কটন কলেজ গুৱাহাটীৰ হৃৎপিণ্ড। কটন কলেজ অবিহনে গুৱাহাটী চহৰৰ কোনো স্থিতি নাই। নাই কোনো পৰিচয়।

আটাইতকৈ উল্লেখযোগ্য কথা এয়ে যে মোৰ জন্মই হৈছিল কটন কলেজৰ প্ৰাংগণত। সেই সময়ত মোৰ জন্ম হৈছিল, যি সময়ত মোৰ পিতা স্বৰ্গীয় উমাকান্ত গোস্বামী কটনৰ অধ্যাপক আৰু এটা মেচৰ চুপাৰিণটেণ্ডেণ্ট আছিল। সেই সময়ত তেওঁ থকা ঘৰটো আছিল দীঘলী পুখুৰীৰ পাৰৰ সন্দিকৈ মহাবিদ্যালয়ৰ প্ৰাংগণত। এই ঘৰতেই মোৰ জন্ম হৈছিল। কিছুদিনৰ আগেয়ে সন্দিকৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে মই সন্দিকৈ মহাবিদ্যালয়লৈ গৈছিলো। মোৰ জন্ম হোৱা এই ঘৰটোত সুলেখিকা আৰু এই কলেজৰ একবাৰকী মুৰব্বী অধ্যাপিকা মঞ্জুমালা দাস আৰু তৰুণ অধ্যাপকসকলে মিলি সন্দিকৈ কলেজৰ ইতিহাস ইত্যাদি বিষয়ে এখন অতি সুন্দৰ প্ৰদৰ্শনী পাতিছিল। মই এই

প্ৰদৰ্শনী চাবলৈ যাওঁতে মোৰ জন্ম হোৱা ঘৰটোৰ বেৰ-চাল ইত্যাদি স্পৰ্শ কৰি চাইছিলো। এই প্ৰাচীন ঘৰটোত মোৰ জন্ম হৈছিল–ভাবি মোৰ বৰ আচৰিত লাগিছিল। এই ঘৰটোৰ বেৰ-চালবোৰ জহি-খহি গৈছে এতিয়া।... কত মুখ যে ভাঁহি উঠিল চকুৰ আগত। চিৰহাস্যময়ী মমতাময়ী মোৰ মা যেন সৌখিনিতে থিয় হৈ আছে...একেবাৰে দুৱাৰৰ ওচৰত। তেওঁৰ গাত কেচ বছা ৰিহা আৰু পাটৰ মেখেলা? তেওঁৰ শৰীৰৰ ধকধকীয়া বগাবৰণে কোঠাটোলৈ যেন পোহৰহে কঢ়িয়াই আনিছে? আহ্! দুৱাৰৰ ওচৰত সৌৱা যেন মোৰ পিতা থিয় হৈ আছে...? তেওঁৰ পিন্ধনত ধুতী-পাঞ্জাবী আৰু কান্ধত সৰু ফুলৰ চাদৰ।... ইস মনৰ মাজত তেজ-মাংসৰ মানুহবোৰ এনেদৰে লুকাই থাকে আৰু সময় পালেই ওচৰত আহি থিয় হয়?

মোৰ খুৰা চন্দ্ৰকান্ত গোস্বামীৰ ছবিখনো চকামকাকৈ চকুৰ আগত ভাঁহি উঠিল। তেওঁ ওখ আৰু হটঙা মানুহ আছিল। বৰণ মোৰ পিতাতকৈ পৰিষ্কাৰ আছিল। জোঙা নাক আৰু চকুত ডাঠ ফ্ৰেমৰ চছমাৰ সৈতে তেওঁ মোৰ পিতাতকৈ কিছু দেখনিয়াৰ পুৰুষ আছিল। মোৰ পিতা অৱশ্যে তেনেধৰণৰ দেখনিয়াৰ পুৰুষ নাছিল, অথচ কলেজিয়েট স্কুলত পঢ়াৰ সময়ত 'শ্ৰীকৃষ্ণ' নামৰ নাটক এখনত তেওঁক কৃষ্ণৰ ভাও দিয়াৰ যো-জা চলিছিল। শেষত অৱশ্যে নহ'লগৈ। সেই সময়ত মোৰ মাৰ সৌন্দৰ্যৰ কথা অনেকেই কৈছিল। কিন্তু সুন্দৰী হৈয়ো নিজৰ সৌন্দৰ্যৰ প্ৰতি এনেকুৱা নিৰাসক্ত মহিলা মই পৃথিৱীত দ্বিতীয় এগৰাকী দেখা নাছিলো। সাজ-সজ্জাৰ প্ৰতিও তেওঁৰ বিশেষ ৰুচি নাছিল। আমাৰ পুৰণা ড্ৰেছিং টেবুলখনত এটা ডাঙৰ 'কিউটিকুৰীয়া' পাউডাৰৰ টিন আছিল। সকলোৱে এই পাউডাৰ ঘঁহিছিল– আনকি ৰান্ধনি কৃষ্ণকান্তই গা ধুই উঠি আইনাৰ ওচৰত থিয় হৈ হেঁপাহ পলুৱাই এই পাউডাৰ ঘঁহিছিল, ঘৰত কাম কৰা প্ৰত্যেকটো লগুৱাই এই পাউডাৰ ঘঁহাৰ সুযোগ পাইছিল।

ইস কটনৰ প্ৰাংগণত মোৰ এই জন্মস্থলীত ভৰি দি এক অদ্ভুত শিহৰণ জাগিছিল মনত। কামাখ্যাৰ পাণ্ডা স্বৰ্গীয় তৰুণ শৰ্মাই কটনত পঢ়ি থকা সময়ত এদিন মোক কৈছিল–

: 'তোমাৰ জন্মৰ পাচত বৰ ডাঙৰকৈ 'ভূমি পূজা' কৰা হৈছিল।'

: ভূমি পূজা? কিয়?

: তোমাৰ জন্মৰ সময় ইমান বেছি বেয়া আছিল, অৰ্থাৎ ইমানবোৰ কুগ্ৰহৰ প্ৰভাৱে আছিল যে প্ৰাচীন কালত এনে শিশুক কাটি নদীত ভঁহাই দিছিল...'

মই স্বৰ্গীয় তৰুণ শৰ্মাৰ কথা শুনিছিলো– কিন্তু আচৰিত হৈছিলো এই কথা ভাবি যে মোৰ মা নাইবা মোৰ পিতা নাইবা মোৰ মৰমৰ খুৰা চন্দ্ৰকান্ত গোস্বামীয়েও কেতিয়াও কটন কলেজৰ চুপাৰৰ এই ঘৰটোত যে মোৰ জন্মদিনৰ দিনা হোম পূৰি বৰ ডাঙৰকৈ ভূমি পূজা কৰা হৈছিল এই কথা মোক কোৱা হোৱা নাছিল। এনেয়েও মোৰ পিতাই নিজৰ ব্যক্তিগত কথা কৈ ল'ৰা-ছোৱালীৰ লগত ৰং-ৰহইচ কৰাৰ কেতিয়াও সময় নাপাইছিল। আচৰিত কথা এয়ে যে তেওঁ ইমান বেছি মেধাৰী ছাত্ৰ আছিল আৰু অনেক সোণৰ আৰু ৰূপৰ পদক লাভ কৰিছিল যদিও এইবোৰৰ কথা তেওঁ কেতিয়াও আমাৰ আগত প্ৰকাশ নকৰিছিল। মেট্ৰিকত অসমত প্ৰথম স্থান লাভ কৰা কাৰণে তেওঁ দত্তদেৱ গোস্বামী স্বৰ্ণপদক, খগেন্দ্ৰ নাৰায়ণ স্বৰ্ণপদক, হেমচন্দ্ৰ বৰুৱা আৰু হেমধৰ বৰুৱা পদকো লাভ কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ত অৰ্থনীতিত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান

পোৱা বাবে কলিকতা বিশ্ববিদ্যালয়ৰ পুৰস্কাৰ আৰু স্বৰ্ণপদক টম জৰ্জ আৰু কুইন এলিজাবেথৰ পদক, ৰজা-ৰাণীৰ পদক, ব্ৰিটিছ ৰাণীৰ পদক লাভ কৰিছিল। শিক্ষাবিদ স্বৰ্গীয় গোপাল শৰ্মা বৰুৱাদেৱে পিতাৰ স্মৃতি গ্ৰন্থখনৰ ৩১৭নম্বৰৰ পৃষ্ঠাত লিখিছিল। আগষ্ট মাহত জানিলো ব্ৰাউন চাহাব পিচৰ মাহতেই অৱসৰ লৈ বিলাতলৈ ঘূৰি যাব আৰু তেখেতৰ ঠাইত আহিব ছিলেটৰ মুৰাৰীচান্দ কলেজৰ অধ্যাপক অসমীয়া মানুহ উমাকান্ত গোস্বামী। সোণৰ পদক পোৱা প্ৰথম শ্ৰেণীৰ এম. এ. আৰু শুনিলো যে তেতিয়াৰ বৃহৎ অসমৰ দুয়োখন চৰকাৰী কলেজৰ ভিতৰত বিভাগীয় মুৰব্বী অধ্যাপক প্ৰথম অসমীয়া মানুহ অধ্যাপক গোস্বামীয়েই হ'ব। আমি জনাত তেতিয়ালৈকে ভাৰতৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্ববৃহৎ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আৰু দুজনহে অসমীয়া মানুহ আছিল। তেখেতসকল আছিল অধ্যাপক বাণীকান্ত কাকতি আৰু ৰাধা দাস। সোণৰ পদক পোৱা আছিল অকল অধ্যাপক গোস্বামীয়েই। এনে এজনক আমাৰ অধ্যাপক পাম বুলি জানি আমি যে কিমান উৎফুল্ল হৈছিলো।'

বিট্ৰিছ শাসনকৰ্তাসকলৰ অনেকেই হেনো অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে যে কেতিয়াবা পঢ়া-শুনা ইত্যাদিত ভাল কৰিব পাৰিব এই কথা ভবা নাছিল। ১৯১৩ চনতেই আই. এ. পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি সমগ্ৰ অসমীয়া সমাজৰ বাবে গৌৰৱ কাকতিয়ে কঢ়িয়াই আনিছিল। মিছনেৰী ভাষাবিদ ৰবিন্সনে যদিও অসমীয়া আৰু বঙালী ভাষা একে বুলিয়েই মত প্ৰকাশ কৰি ভাষাবিবাদ জটিল কৰি তুলিছিল বুলি পঢ়িছিলো তথাপি অসমৰ প্ৰখ্যাত বুৰঞ্জীবিদ হেড়ম্ব কান্ত বৰপূজাৰীয়ে কটনৰ Golden Jubilee Volume ত ৰবিন্সনৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বিষয়ে ধাৰণাৰ কথা এইদৰে লিখিছিল–

The boys of Assam are by no means inferior to those of Bengal, they labour under certain disadvantages, no opportunity of intercourse with Europeans or even natives of superior mental culture and hence they have no high intellectual standard to which they may aspire.

এটি সুসভ্য জাতিৰ প্ৰতি বিৰূপ মন্তব্য প্ৰকাশ কৰি সেই সময়ত অনেকেই নিজৰ অজ্ঞতাৰহে পৰিচয় দিছিল।

মোৰ মায়ে পিতাক লৈ বৰ গৌৰৱ অনুভৱ কৰিছিল। এজন ছাত্ৰই ইমানবোৰ পদক লাভ কৰা বৰ বিস্ময়ৰ কথা আছিল বুলি তেওঁ কৈছিল। মই আগেয়েই কৈছো আচৰিত কথা এয়ে যে মোৰ পিতাই কিন্তু আমাৰ সন্মুখত কোনোদিনেই তেওঁৰ পদকবোৰৰ কথা উল্লেখ নকৰিছিল। তেওঁৰ মৃত্যুৰ পাচত মই প্ৰথমবাৰৰ বাবে তেওঁৰ তিৰবিৰাই থকা সোণৰ পদকবোৰ দেখা পাইছিলো।

... শৈশৱত পিতাৰ লগত হেপীভিলাৰ পিনে থকা বগা চাহাব এগৰাকীৰ ঘৰলৈ যোৱাৰ কথাবোৰ মনত পৰে। এই চাহাবগৰাকীৰ ঘৰৰ সন্মুখত কেইবাজোপাও মধুৰিআমৰ গছ আছিল। তেওঁৰ ঘৰলৈ গ'লে গাড়ীৰ পৰা নামিয়েই মই আৰু মোৰ দাদা সত্যব্ৰতে মধুৰিআমৰ তললৈ লৰ দিয়াৰ কথা মোৰ এতিয়াও ৰিণিকি ৰিণিকি মনত পৰে।

... বহু বছৰৰ পাচত দাদাই মোৰ হাতত আৰ্থাৰ ব্ৰাউনে পিতালৈ দিয়া চিঠি এজাপ দিছিল। এই চিঠিবোৰৰ বিষয়ে মই দুই-এটা প্ৰবন্ধ ইতিমধ্যে লিখিছো। আৰ্থাৰ ব্ৰাউন কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আছিল। ইয়াৰ আগেয়ে তেওঁ ভাৰতৰ

ব্ৰিটিছ চৰকাৰৰ ইক'নমিক এডভাইজাৰ আছিল। ১৯৩১ চনত তেওঁ কটন কলেজৰ অধ্যক্ষ হৈছিল। তেওঁ আৰ্ল ল' কলেজৰো অধ্যক্ষ আছিল। মোৰ জন্মৰ আগেয়েই তেওঁ অসম এৰি গৈছিল বাবে তেওঁক শৈশৱত দেখাৰ কথা মনত নাই। যিবোৰ বগা চাহাবৰ ঘৰলৈ পিতাই মোক আৰু মোৰ দাদা সত্যব্ৰতক লৈ গৈছিল সেয়া কোনোবা অন্য চাহাবহে আছিল।

আমাৰ ঘৰত অৱশ্যে অহৰহ ব্ৰাউন চাহাবৰ কথা ওলাইছিল। মানুহজন হেনো ওখ-পাখ আছিল। মুখত অহৰহ এক আনন্দৰ ভাব লৈ ফুৰিছিল। চুলি গৈ তপা হোৱাৰ দৰে হৈছিল। ওচৰে-পাজৰে ফুৰিবলৈ গ'লে চাইকেলত উঠি গৈছিল। আনকি শ্বিলঙত থকা তেওঁৰ খাচী প্ৰেমিকাৰ (পত্নী?) ওচৰলৈ যোৱাৰ সময়তো তেওঁ গুৱাহাটীৰ পৰা চাইকেলত উঠিয়ে গৈছিল।

ব্ৰাউন চাহাব কিতাপৰ পোক আছিল। অহৰহ তেওঁ কিতাপৰ মাজতে ডুব গৈ আছিল। এনে এক অনন্য পণ্ডিত ভাৰতলৈ অহা বিশেষকৈ উত্তৰ-পূব ভাৰতলৈ আহি অসম ভূমিত থকা আচৰিত কথা আছিল। এনে এক বিদ্বানৰ ওচৰত পঢ়িবলৈ পোৱাটো অসমীয়া ছাত্ৰৰ বাবে সঁচাকৈয়ে সৌভাগ্যৰ কথা আছিল।

থিয়েটাৰ, ইত্যাদিতো তেওঁ নিজেই ভাও লৈছিল। তেওঁৰ কণ্ঠ হেনো বৰ স্পষ্ট আছিল। শ্বেক্সপীয়েৰৰ নাটক মঞ্চস্থ কৰাত বৰ আগ্ৰহ দেখুৱাইছিল।

(বহু বছৰৰ পাচত চুডমাৰ্চন হলত মই পিতাৰ কোলাত বহি সম্ভৱ বিদেশৰ পৰা অহা এটা নাটকৰ দলৰ শ্বেক্সপীয়েৰৰ নাটক চাইছিলো। পিতাই কোৱামতে মই হেনো মানুহবোৰে পিন্ধা ৰঙা-নীলা ৰেশমৰ কাপোৰবোৰ হাতেৰে চুই চাবলৈ ঠেনঠেনাই আছিলো। উপায় নেপায় পিতাই মোক গ্ৰীণৰুমলৈ লৈ যাবলগীয়া অৱস্থা হৈছিল)

"Mr. A. E. Brown, M.A.,LLb Bar-at-Law had the reputation of being the most learned man that ever came out to this side of our country. His delight consisted in the world of books. His passion for them left no room for the administrator in his heart and though eminent as teacher both in Cotton and the Earle Law College he leaves no mark as Principal."

শ্বেক্সপীয়েৰৰ নাটকসমূহ চুডমাৰ্চন অধ্যক্ষ হৈ থাকোতেই অতিশয় জনপ্ৰিয় হৈ পৰিছিল। তেওঁ বি. এ. ক্লাছত এই নাটক পঢ়ুৱাইছিল। মোৰ পিতায়ে শুনামতে কেতিয়াবা তেওঁ টেবুল-চকী আঁতৰাই হাত-ভৰিৰ ভংগী দি শ্বেক্সপীয়েৰৰ পাত্ৰসমূহ অভিনয় কৰি দেখুৱাইছিল।

কটনৰ Diamond jubilee commemoration volumeত (1901-1961) চুডমাৰ্চন চাহাবৰ এগৰাকী প্ৰিয় ছাত্ৰ হৰেন্দ্ৰ কুমাৰ চৌধুৰীয়ে ঠিকেই লিখিছিল—

"He taught the plays with great enthusiasm, and a sense of national pride, and took great pain to explain the involved and intricate lines of Shakespeare's plays with suitable gestures and modulation of voice and tone. His critical comments on the characters of Shakespeare's plays and the dramatic art of Shakespeare were marked by massiveness and eloquence of expressions and showed a deep critical study of Shakespeare's dramas.[p. 139]

পঢ়িবলৈ জনা হোৱাৰ পৰাই মই আমাৰ ঘৰৰ কিতাপৰ আলমাৰিত শেক্সপীয়েৰৰ কিতাপ দেখি আহিছো।

মোৰ দাদা সত্যব্ৰতে যেতিয়া মোৰ হাতত প্ৰায় আশী বছৰ পুৰণি ব্ৰাউন চাহাবৰ এই উত্তৰ-পূব অঞ্চলৰ অহা আটাইতকৈ শিক্ষিত বগা চাহাবগৰাকীৰ চিঠিবোৰ তুলি দিছিল, সেইবোৰ পঢ়ি মই বিস্ময়ত অভিভূত হৈছিলো। মানুহজনৰ ব্যক্তিগত জীৱনৰ অনেক কথা মোৰ চকুৰ আগত ভাস্বৰ হৈ পৰিছিল। স্বাধীনতাৰ আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনৰ প্ৰতি তেওঁৰ যে আস্থা একেবাৰেই নাছিল এই কথা চিঠিবোৰৰ মাজত প্ৰকট হৈ পৰিছিল।

অসমীয়া ছাত্ৰৰ ভৱিষ্যতৰ বিষয়েও তেওঁৰ চিন্তা আছিল। কটন কলেজত যাতে অসমীয়া মানুহে চাকৰি পায় তাৰ বাবেও তেওঁ চিন্তা কৰিছিল।

নিজৰ প্ৰিয় খাচী পত্নীক (?) এৰি যাবৰ সময়ত হোৱা তেওঁৰ মনৰ অৱস্থাৰ কথাও এই চিঠিবোৰত আছিল।

১৯১৮চনৰ পৰা ১৯৩৮ চনলৈ একেবাৰে নিয়মীয়াৰূপে ব্ৰাউন চাহাবে পিতালৈ চিঠি লিখিছিল। এই ওঠৰ বছৰৰ চিঠি পিতাই বৰ যত্নেৰে জমা কৰি ৰাখিছিল। আৰ্থাৰ ব্ৰাউনে এই চিঠিবোৰ বিভিন্ন স্থানৰ পৰা লিখিছিল। পিতাই চিলেটৰ মুৰাৰীচাঁদ কলেজত থকাৰ সময়ত তেওঁ অনেক চিঠি গুৱাহাটীৰ পৰা লিখিছিল। কিছুমান লিখিছিল শ্বিলঙত থকা তেওঁৰ ঘৰ 'ইডেনডেলৰ' পৰা। চিমলা আৰু দিল্লীৰ দহ নম্বৰ কিং জৰ্জ এভিনিউৰ পৰাও চিঠি দিছিল। লণ্ডনৰ ৩৯ নম্বৰ 'ছিডনী এভেনিউ'ত থকা বেভাৰলি নামৰ তেওঁৰ ঘৰৰ পৰাও চিঠি দিছিল। কেম্ব্ৰিজৰ 'ব্ৰুকলিন' নামৰ তেওঁৰ ঘৰ আৰু ছাছেক্সৰ 'উডকক' নামৰ ঘৰৰ পৰাও তেওঁ চিঠি লিখিছিল। এই ষ্টীমাৰৰ নাম আছিল— 'British India steam Navigation Co.Ltd. S.S. Mashobra.'

এই চিঠিবোৰৰ মাজত ব্ৰাউন চাহাবৰ পিতালৈ থকা অকৃত্ৰিম স্নেহৰ ভাব প্ৰকাশ পাইছে। হাতৰ আখৰ ভাল নোহোৱা বাবে কিছুমান চিঠি তেওঁ টাইপ কৰি পঠিয়াইছিল।

এই চিঠিবোৰৰ মাজত অসমৰ কেইবাগৰাকীও যশস্বী সন্তানৰ সৈতে তেওঁৰ সহৃদয়তাৰ প্ৰমাণ পোৱা যায়। এইসকলৰ ভিতৰত বুৰঞ্জীবিদ কনকলাল বৰুৱা, ন্যায়াধীশ পাৰ্বতী কুমাৰ গোস্বামী, অৰ্থনীতিবিদ মথুৰা মোহন গোস্বামী, সাহিত্যিক অম্বিকানাথ বৰা আদিৰ উল্লেখ আছিল।

পিতাৰ সুখ-দুখৰ সময়ত ব্ৰাউন চাহাবৰ চিঠি আহিছিল। প্ৰথম শ্ৰেণীৰ অনাৰ্ছ পোৱাৰ সময়ত যেনেদৰে লণ্ডনৰ ছাছেক্সৰ পৰা চিঠি দিছিল তেনেদৰে ১৯২১চনত পিতাৰ প্ৰথমা পত্নী স্বৰ্গীয়া প্ৰতিভা দেৱীৰ সৈতে বিবাহৰ সময়তো চিমলাৰ নম্বৰ ত্ৰী পাৰ্কৰ পৰা অভিনন্দন জনাই ১৫ আগষ্ট ১৯২১ চনত চিঠি দিছিল। এই একেখন চিঠিতে তেওঁ লিখিছিল—

'I have your photograph hanging in my study (one in the group which used to hang in our room at Cotton College) and I point you out to my friends as my successor at Cotton College.'

(১৯৫০ চনত যেতিয়া পিতা কিছুসময়ৰ বাবে কটন কলেজৰ অধ্যক্ষ হৈছিল তেতিয়া সম্ভৱ আৰ্থাৰ ব্ৰাউন জীয়াই থকা নাছিল।)

পিতাৰ প্ৰথমা পত্নীৰ মৃত্যুৰ সময়তো আৰ্থাৰ ব্ৰাউনে সান্ত্বনা দি লিখা চিঠিৰ নমুনা মজুত আছিল।

আৰ্থাৰ ব্ৰাউনৰ চিঠিবোৰৰ মাজত সেই সময়ৰ শিক্ষাৰ কেন্দ্ৰ কটন কলেজৰ বাতাবৰণ পৰিষ্কাৰ হৈ আহিছিল। চিঠিবোৰ সেই সময়ৰ কটন কলেজৰ ঐতিহাসিক দলিলৰ দৰে আছিল।

অধ্যক্ষ চুডমাৰ্চনৰ মৃত্যুৰ পাচত ১৯২৭ চনৰ ২১মাৰ্চত ছিলেটত থকা পিতালৈ তেওঁ লিখিছিল—

My dear Umakanta,

I trust you got safely back to Sylhet all right and that everything is as well as possible with you and yours.

Two days ago the Principal and staff of the Cotton College sat in solemn pandemoniuom on the most sacred day of the College year : as I have acquired the gift of second sight in theosophist circles. I quite clearly saw the astral spirit of Mr. Sudmerson hovering round the Principal's chair and seemingly writting in agony at some of the principles which were laid down : I failed however to see any sign of the appearance of the astral spirit of Mr. Crottin in the chair where Mr. P.C.Roy sat in majesty and state...

আৰ্থাৰ ব্ৰাউনে ভাবিছিল যে ভাৰতত শিক্ষা পোৱা পণ্ডিতেহে কটনত শিক্ষকতাৰ কাম পোৱা উচিত। সেয়ে তেওঁ ১৯৩২ চনৰ ১৬জুলাইত অধ্যক্ষ ডক্টৰ থমছনৰ বিষয়ে পিতালৈ লিখিছিল—

Dr. Thomson in not over on favour of men with English qualifications. He thinks lecturers ought normally to hope to succeed to professorship and that it would be wrong to supersede a very good lecturer with Indian qualification, by much younger man with mediocre European qualifications. His idea is that if a man becomes straightaway a professor, because he has European qualifications, these latter ought to be of first class quality- otherwise there is no justification is pushing aside existing Lecturers and this latter course is found to give rise to great difficulty and trouble.'

এই কলেজৰ অধ্যাপকসকল যে সেই সময়ত বাহিৰৰ সভা-সমিতিলৈ পঠোৱা হৈছিল এই কথাও ব্ৰাউন চাহাবে পিতালৈ দিয়া চিঠিৰ পৰা আমি গম পাইছিলো। গুৱাহাটীৰ পৰা ১৬/১২/২৮ তাৰিখে লিখা চিঠিত তেওঁ উল্লেখ কৰিছে—

From this College Professors Muhibullah and Bhuyan have just had a little jaunt to Lahore to attend the Congress of Orientalists. Professor L.N. Chatterjee also got permission to go but didn't avail himself of it. You may wonder at this untill I tell you that Professor L.N.Chattejee got permission to go at his own expense whereas the former went at Government expense. However they have gone and returned. Professor Bhuyan found himself quite lost at Lahore. He was offered hospitality at the

quarters provided for the Bengalee visitors but feeling a stranger there he managed to struggle himself into one of the Muhammedan quarters in order not to be separated from Professor Muhibullah. A touching example of Hindu-Mussulman unity in Assam.

ব্ৰাউন চাহাবে উল্লেখ কৰা এই ভূঞা নামৰ অধ্যাপকগৰাকী নিশ্চয় অধ্যাপক সূৰ্য্য কুমাৰ ভূঞাই আছিল।

হিন্দু-মুছলমানৰ বন্ধুত্বৰ কাহিনী আকৌ এবাৰ তেওঁ গুৱাহাটীৰ পৰা লিখা ১৯২৯ চনৰ একৈশ মাৰ্চৰ চিঠিত প্ৰকাশ কৰিছিল। কিছু অংশ মই তুলি দিলো।

.......You are sharing a major service with the Khan Bahadur... another example of Hindu-Musulman unity which is very gratifying. The distance from the College must be great nuisance to all the staff of the Murarichand. Couldn't you manage to buy land and build some sort of place for yourself near the college. In this way you would escape both conveyance charge, and local income tax and recover, when you leave Sylhet, it would have a good selling value. You could easily get loan from Government for this purpose.

......ব্ৰাউন চাহাবে পাৰিবাৰিক বিষয়েও পিতাক অনেক পৰামৰ্শ দিছিল। তেওঁৰ আন্তৰিকতাৰে ভৰা চিঠিবোৰ পঢ়িলে ভাব হয় তেওঁ যেন পিতাৰ অভিভাৱকেই আছিল।

গুৱাহাটীৰ পৰা ১৯২৯ চনৰ ২৩ জুলাইত চিলেটত থকা পিতালৈ দিয়া এখন চিঠিত স্পষ্টভাৱে তেওঁ প্ৰকাশ কৰিছিল—

"...I can more sympathise with you since I know from personal experience exactly how you feel, and although you and I belong to different civilisations, yet in the vital and elementary things of life, human nature is everywhere much the same."

পিতাৰ প্ৰতি থকা স্নেহ আৰু বিশ্বাসৰ এক অপূৰ্ব নিদৰ্শন ব্ৰাউন চাহাবৰ আন এখন চিঠিত পোৱা যায়। অৱসৰ লৈ তেওঁ ইংলেণ্ডলৈ যোৱাৰ সময়ত শ্বিলঙত থকা তেওঁৰ পত্নীক এৰি থৈ যাবলগীয়া হৈছিল। তেওঁৰ পত্নী খাচীয়া পাহাৰৰ ছোৱালী আছিল।

ব্ৰাউন চাহাবে নিঃসংকোচে প্ৰকাশ কৰিছিল যে তেওঁৰ অনেক কঠিন দিনত এই মহিলাই তেওঁৰ সান্ত্বনা আৰু সুখ হৈ আছিল। সেয়ে তেওঁ লিখিছিল—"but for whom I could not possibly have remained on all those years at Gauhati without the grave risk of finding myself in padded room of a madhouse."

ব্ৰাউন চাহাবে অনেক ভবা-চিন্তা কৰি এই চিঠি লিখিছিল। পত্নীৰ বাবে কৰি যোৱা উইলখনৰ trustee ৰ কথা উল্লেখ কৰি তেওঁ লিখিছিল—"They will include the Khan Bhadur, Maulavi Ikram Rasul, the Superintendent of Excise at Sylhet, Mr. Harold Henry creed of the survey of India (who has a house and a Khasi wife at Shillong) Girindra Babu at Gauhati and probably (i.e. unless he can grant in his official certificate or exemption in which case he can hardly appear as an interested party) Mr. Reginald Ashe present

Assistant Commissioner for Income Tax for Assam. Both Mr. Ashe and Maulavi Ikram Rasul can advise as to how to deal with income tax trouble (if any)... 'the Maulavi has himself a large amount of 31/2% Government paper and gets refunds of income tax every year. You will see I have made the trustees as strong as possible, but they are all accept Girindra fairly old, or as in Mr. Ashe's case not likely to add you to the number my dear Umakanta if you will kindly allow me to do so.

I need not give you more details just now, because as I said Professor Rawland Thomas will be the sole acting trustee : but I have shown you exactly the amount of responsibility on you in case you should be ever the sole acting trustee.'

...ইত্যাদি। এই "will"ত তেওঁৰ পৰিবাৰে দ্বিতীয় স্বামী গ্ৰহণ কৰাত কোনো বাধা ৰখা নাছিল।

সেই সময়ৰ ৰাজনৈতিক বাতাবৰণৰ বিষয়েও ব্ৰাউন চাহাব সজাগ হৈ আছিল। এই গুৰুত্বপূৰ্ণ সময়ৰ উল্লেখ যোল্ল নৱেম্বৰ, ১৯২৮ চনত গুৱাহাটীৰ পৰা তেওঁ লিখা চিঠিত স্পষ্ট হৈ আছে।

...And on Jan 2nd the Simon Commission arrive at Pandu and take the motor for Shillong. I hope none of our students will be so foolish as to be pushed forward to take part in one of those futile demonstrations we read about, with the result of getting themselve suspended and causing no manner of trouble. But if that are so foolish, then I trust that for the credit of the English Department of the college they will spell poor old Simon's name properly and not (as a procession in the U.P.) appear with the inscription.

...'GO BACK SYMEON'.....

...ইত্যাদি

১৯নৱেম্বৰ, ১৯৩০ চনৰ চিঠিত তেওঁ আকৌ লিখিছিল।

Gauhati is perfectly quite politically just now and I hope it is the same with you at Sylhet. The murder of Lieut-Colonel Simpson in writers Building was however a most ghastly business. I know the Building very well and this makes me feel the tragedy the more.'

প্ৰফেছাৰ আৰ্থাৰ ব্ৰাউন আৰু পিতাৰ মাজত আন্তৰিকতা কিমান গভীৰ আছিল তেওঁৰ এই চিঠিবোৰ পঢ়িলেহে গম পোৱা যায়। পিতাই যেনেদৰে তেওঁৰ ব্যক্তিগত জীৱনৰ যন্ত্ৰণা আৰু আনন্দৰ কথা খোলাখুলিভাবে ব্ৰাউন চাহাবক লিখি জনাইছিল তেনেদৰে ব্ৰাউন চাহাবেও নিজৰ হৃদয়ৰ কথা পিতালৈ লিখিছিল। সেয়ে ব্ৰাউন চাহাবৰ মাতৃ-পত্নী সকলোৱে পিতাক বুজি পাইছিল আৰু চিঠি পালে বৰ আনন্দ প্ৰকাশ কৰিছিল। কৰ্মক্ষেত্ৰত আৰু পাৰিবাৰিক জীৱনত পিতাৰ উন্নতিৰ বাবে তেওঁ চিন্তা কৰিছিল আৰু উপদেশ দিছিল।

দ্বিতীয় অধ্যায়

১৯৬০ চনত মই কটনত পঢ়িছিলো। চুডমাৰ্চন হলত আমাৰ এটা ইণ্টাৰভিউ হৈছিল। এই ইণ্টাৰভিউত আনন্দেশ্বৰ শৰ্মা ছাৰ আৰু তাৰিণীকান্ত ভট্টাচাৰ্য ছাৰ থকাৰ কথা মনত পৰে।

সেই সময়ত এক গভীৰ নৈৰাশ্য আৰু হতাশাত ভুগিছিলো । কিন্তু কাকো মই মোৰ নিজৰ মনৰ কথা খুলি ক'ব নোৱাৰিছিলো (বেছ বছৰ পাচত প্ৰিয় লেখক আব্দুল মালিক ছাৰে "হাঁহিৰে চকুলো ঢাকি" নামৰ কিতাপ এখন মোৰ নামত উৎসৰ্গা কৰিছিল। ক'ব নোৱাৰো— ছাৰে মোৰ মনৰ কথা কিবা ঐশ্বৰিক উপায়ে জানিছিলেই নেকি)।

মই যে বৰ ভাল ছাত্ৰী আছিলো এনে নহয়। ভাল নলগা বাবে সৰহভাগ পাঠ্যপুথি পঢ়িয়েই নাচাইছিলো। গল্প লিখিবলৈ কিন্তু বৰ আগ্ৰহ আছিল। পুৱা শুই উঠিয়েই গল্প লিখিব বহিছিলো। আজিলৈকে মই সেই নিয়মৰ বাহিৰ হোৱা নাই।

মই অসমীয়া ভাষাত অনাৰ্ছ লৈছিলো। বাকী দুটা বিষয় আছিল শিক্ষা, ইংৰাজী আৰু বঙালী। সেই সময়ত আমাৰ ক্লাছ হৈছিল পাণবজাৰলৈ যোৱা চাৰিআলিৰ পিনে মুখ কৰি থকা তেনেই ঠেক সৰু কোঠা এটাত।

মোৰ সহপাঠী আছিল ডক্টৰ নগেন ঠাকুৰ, আব্দুল হান্নান চৌধুৰী, বড়ো উপাধিৰ শান্ত স্বভাৱৰ ল'ৰা এটা, আলী নামৰ ছাত্ৰ এজন আৰু সুদৰ্শন চেহেৰাৰ ভাগৱতী আৰু অতি প্ৰিয় বান্ধৱী নিৰ্মালি দাস। নিৰ্মালিৰ এতিয়া বিয়া হৈ সম্ভৱ উপাধি সলনি হৈছে। নিৰ্মালি আৰু মই একেলগে বহিছিলো। এই ঠেক কোঠাটোত আমাৰ সন্মুখত বহিছিল নগেন ঠাকুৰ আৰু আব্দুল হান্নান। মই বুজি পাইছিলো যে আব্দুল হান্নান আৰু নগেন ঠাকুৰ কিছুদিনৰ ভিতৰতে মোৰ প্ৰতি কিছু কৌতূহলী হৈ পৰিছিল। ঠাকুৰৰ লগত মই বৰ বেছি কথা নাপাতিছিলো যদিও আব্দুল হান্নানক মই নিজৰ দাদাৰ দৰে ব্যৱহাৰ কৰিছিলো। আৰু পিচলৈ মোক নোটবহী দিয়া, কিতাপ-পত্ৰ আনি দিয়া ইত্যাদি অনেক সৰু-সুৰা কাম সি কৰি দিছিল। এইবোৰ কাম কৰি আব্দুল হান্নানে সঁচাকৈয়ে বৰ ভাল পাইছিল। এদিন সি কৈছিল— 'এইবোৰ কিতাপ-পত্ৰনো কি— তই যদি আকাশৰ তৰাও বিচাৰ মই আনি দিম।'

মোৰ হাঁহি হাঁহি পেটৰ নাড়ী ডাল ডাল হোৱাৰ উপক্ৰম হয় তাৰ কাণ্ড-কাৰখানা দেখি। নিৰ্মালিৰো হাঁহি উঠে।

এদিন আব্দুল হান্নানে ক'লে— নগেন ঠাকুৰে হেনো ক'ৰবাত মোক লৈ কবিতা এটা লিখি একেবাৰে ছপাই দিলে।

মই এইবোৰ কথাত গুৰুত্ব দিয়া নাছিলো। এক গভীৰ নৈৰাশ্য আৰু হতাশাই হৃদয় একেবাৰে ছানি ধৰিছিল।

সেই সময়ত কটন কলেজত ছাত্ৰ আৰু শিক্ষকৰ মাজৰ ব্যৱধান বৰ কম দেখিছিলো। প্ৰত্যেকগৰাকী শিক্ষক অতি ভদ্ৰ আৰু বিনয়ী আছিল।

স্বৰ্গীয় বিনয় ভূষণ চৌধুৰীয়ে আমাক অসমীয়া কবিতা পঢ়ুৱাইছিল। চৌধুৰী ছাৰ অত্যন্ত ৰসিক ব্যক্তি আছিল। প্ৰথম দিনা ছাৰে আমাৰ ক্লাছলৈ যোৱাৰ পাচত বাৰাণ্ডাৰ ওচৰত আন এগৰাকী অধ্যাপকক কোৱা শুনিছিলো—

— ঐ, মোৰ ক্লাছত এটা বগা মেম আহিছে।

... মোৰ বুজিববলৈ বাকী নাছিল যে ছাৰে কাক উদ্দেশ্য কৰি এই কথা কৈছে। ছাৰৰ জ্ঞান বৰ গভীৰ আছিল। কিন্তু নোট লিখিবলৈ ছাৰে বৰ টান পাইছিল। সেয়ে আমি নোটৰ কথা ক'লে ছাৰে কৈছিল— 'মই কমলেশ্বৰক ক'ম সি লিখি দিব।'

কমলেশ্বৰ শৰ্মা কটনৰ ইংৰাজীৰ অধ্যাপক আছিল। সেই সময়ত তেওঁ চৌধুৰী ছাৰৰ লগত ৰিহাবাৰীৰপিনৰ ঘৰ এটাত আছিল। মই সেই সময়ত আমাৰ ঘৰত থাকি পঢ়া-শুনা কৰা অনিল দাদাৰ (ডক্তৰ অনিল গোস্বামী কটনৰ একালৰ অধ্যক্ষ) লগত ছাৰৰ ওচৰলৈ গৈছিলো। অনিল দাদা মোৰ পিতাৰ সৰু ভনীয়েক এগৰাকীৰ পুত্ৰ আছিল। পেহা কামৰূপৰ খটিয়ামাৰীৰ মানুহ আছিল।

মই আৰু মোৰ প্ৰিয় বান্ধৱী নিৰ্মালিয়ে প্ৰায়ে চৌধুৰী ছাৰৰ পইচাৰে কেণ্টিনত চাহ-মিঠাই খাইছিলো। মায়ে মোক টিফিনৰ বাবে আঠ অনা পইচা সদায়ে দিছিল। কটনৰ কেণ্টিনৰ চপ আৰু ৰসগোল্লা আমাৰ দুয়োৰো বৰ প্ৰিয় আছিল। এই কেণ্টিন আমাৰ ক্লাছৰুমৰ পৰা বেছি দূৰৈত নাছিল। কেণ্টিনত চাহ খাব আহোতে অনেক ছাত্ৰ-বন্ধু লগ পাইছিলো। এই সকলৰ ভিতৰত গৌতম বৰুৱা, ঈশান বৰুৱা, অম্বিকা বৰা, দেৱ কুমাৰ শইকীয়া, দ্বিলীপ চৌধুৰী, অহীন্দ্ৰ, অখিল আৰু অনেক আছিল যিসকলৰ চেহেৰা মনত আছে, নামবোৰ পাহৰি গৈছো। সেই সময়ত ওপৰ ক্লাছৰ ল'ৰা-ছোৱালী আৰু তলৰ ক্লাছৰ ল'ৰা-ছোৱালীৰ মাজত সিমান ভেদাভেদ নাছিল। কলেজৰ পিকনিক এটালৈ এবাৰ মই ওপৰ ক্লাছত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ লগত গৈছিলো। কুলচীৰ পিনেও এবাৰ ওপৰ ক্লাছৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত গৈছিলো। ওপৰৰ ক্লাছৰ বান্ধৱী হেম সেই পিকনিকত আছিল। তাই বৰ ভাল অভিনয় কৰিব পাৰিছিল। এবাৰ 'কুকুৰাই পাৰে ৰাও' নামৰ নাটকখনত নায়িকাৰ ভাও এটা ল'বলৈ কেনেকৈ মই পলাই যাব খোজা মানুহজনীক ৰাস্তাৰ পৰা বান্ধৱীবোৰে ধৰি-বান্ধি নিছিল সেই কথা মোৰ এতিয়াও মনত আছে। অভিনয়ত মোৰ নিচা নাছিল। মানুহৰ আগত মুখ খুলি কথা ক'লেই বিব্ৰত হৈ পৰিছিলো। থৰহৰি কম্পমান হ'বলগীয়া অৱস্থা হৈছিল। কিয় এনে আছিলো? এতিয়া ভাবিলে বৰ আচৰিত লাগে। কত সাগৰ পাৰ হৈছো। অন্ধকাৰ ৰাতি কত নজনা মহাদেশ অতিক্ৰম কৰিছো, অচিনাকি জনগণৰ সৈতে? ক'ত গ'ল সেই আড়ষ্টতা? নিজৰ স্বভাৱৰ এনে পৰিৱৰ্তন দেখি নিজেই আচৰিত হৈছো...অথচ কটন কলেজৰ প্ৰাংগণত মঞ্চত উঠি দৰ্শকৰ পিনে মূৰ তুলি চাব নোৱাৰিছিলো...। সেইবাৰ দৈনিক কাগজত এটা সমালোচনা প্ৰকাশ হৈছিল মোৰ বাহিৰে হেনো সকলোৰে অভিনয় ভাল হৈছিল...ইত্যাদি...। কিন্তু এটা কথা আৱিষ্কাৰ কৰিছিলো, সেইদিনা মোক মঞ্চত দেখি মোৰ প্ৰেমিকৰ সংখ্যা সম্ভৱ দুটামান বাঢ়িল। ...কাৰণ ঘৰৰ সম্মুখৰ গেটৰ কাষত নামনি নামৰ বলিয়া এটাই কাপোৰ-কানি খুলি অৰ্ধনগ্ন হৈ পৰি থাকিব আৰম্ভ কৰিলে। কেতিয়াবা কলেজৰ আগেৰেও চিঞৰি চিঞৰি যাব ধৰিলে।

★ ★ ★ ★

মামনিক মাতি আন। মোৰ ভৰিতে তেওঁ কাঁইট এডাল সুমুৱাই থৈছে- সেইডাল তেওঁ উলিয়াই দিয়ক!

ক্লাছ লৈ থকা ছাৰসকলে ক'ৰবাত তাৰ কথা শুনে বুলি মোৰ ভয় আৰু লাজত থৰকাছুটি হেৰুৱাইছিলো। মই বেঞ্চৰ তলতে লুকাম নে বাহিৰলৈ লৰ মাৰিম এনেবোৰ

কথা চিন্তা কৰি একপ্ৰকাৰ বিব্ৰতেই হৈছিলো। ৰাস্তাৰে যোৱা মানুহে ঘৰৰ সন্মুখত পৰি থকা ল'ৰাটো দেখি নানা ধৰণৰ কথা ক'ব ধৰিলে। ...গোটেই ঘৰখনৰে অশান্তি হ'ল। তাক কোনেও তাৰ পৰা চেষ্টা কৰিও উঠাব নোৱাৰিলে। ...আচৰিত কথা এয়ে যে মই ল'ৰাটো একেবাৰে চিনি নেপাইছিলো। ক'ৰ পৰা হঠাৎ এনেদৰে ওলালহি ভাবি বিস্ময় মানিছিলো। ...তাৰ ভৰিত সঁচাকৈয়ে কাঁইট এডাল সোমাই আছে নেকি?

শেষত তাক পুলিচ থানালৈ লৈ যোৱা সেই দৃশ্যটো মোৰ সদায়ে মনত থাকিব। তাক টানি ধৰি পুলিচ থানালৈ নিওঁতে অকুদা (শিল্পী স্বৰ্গীয় বিজয় শংকৰ) আৰু দুই-এগৰাকী মানুহ আঁছিল। তেওঁলোকৰ চেহেৰা এতিয়া মনৰ মাজত ধূসৰ হৈ আহিছে।

এইখিনিতে এটা কথা কওঁ যে হেমন্ত কুমাৰ ভৰালী সম্পাদিত স্বপ্ন-দুঃস্বপ্নৰ ডায়েৰী মোৰ প্ৰিয় ভতিজা অধ্যাপক দেৱেন্দ্ৰ পতিয়ে যিটো বলিয়াৰ কথা উল্লেখ কৰিছিল সেইটো এই নামনি বলিয়া নাছিল। তেওঁ উল্লেখ কৰা ল'ৰাটো হাৰমনিয়াম বজাই গান গোৱা উজান বজাৰৰ এটা অন্য বলিয়াহে আছিল।

★ ★ ★ ★

মই ঠিক সময়তে পঢ়া টেবুলত বহিছিলো। ক্লাছো কেতিয়াও ক্ষতি নকৰিছিলো। কিন্তু মনত সেই ভয়ানক নৈৰাশ্যই অহৰহ ঢাকি ধৰিছিল। পিতাৰ মৃত্যুৰ পাচত এই নৈৰাশ্য বাঢ়ি আহিছিল। এই সময়তে আমাৰ পৰিয়ালত আৰু এটা বৰ ডাঙৰ দুৰ্ঘটনা ঘটিছিল। আমাৰ অতি মৰমৰ খুৰা স্বৰ্গীয় চন্দ্ৰকান্ত গোস্বামীৰো এই সময়তে হঠাৎ brain haemorrhage হৈ এৰাতিৰ ভিতৰতে মৃত্যু ঘটিছিল। তেওঁৰ তেনেই সাতটা সৰু ল'ৰা আছিল। মোৰ পিতাৰ মৃত্যুৰ পাচত তেওঁ আমাৰ একপ্ৰকাৰ অভিভাৱকৰ দৰেই আছিল। তেওঁৰ মৃত্যু চেনিকুঠিৰ আমাৰ ঘৰতে হৈছিল। খুৰাই মোক অত্যন্ত মৰম কৰিছিল। শেক্সপীয়েৰৰ নাটকবোৰ কেতিয়াবা পঢ়ি শুনাইছিল। একেবাৰে শৈশৱত তেওঁৰ লগত মই প্ৰায়ে আমৰঙা সত্ৰলৈ গৈছিলো।

এৰাতিৰ ভিতৰত হোৱা খুৰাৰ মৃত্যুৱে আমাৰ পৰিয়ালৰ মানুহবোৰক কেনেকৈ জোকাৰি গ'ল- সেই কথা ঠিক বৰ্ণনা কৰিব নোৱাৰি। বিশেষকৈ ভাগি পৰিছিল মা আৰু দাদা সত্যব্ৰত। তেওঁৰ মৃত্যুৰ পিচদিনা ৰাতি যেতিয়া মানুহৰ ভিৰ কিছু কমি আহিছিল মোৰ দাদা সত্যব্ৰতক বেতৰ চকী এখনত চকুলো টুকি থকা অৱস্থাত মই দেখিছিলো।

কটনৰ মোৰ সহপাঠী অনেকেই খবৰ ল'ব আহিছিল। আব্দুল হান্নান আৰু ডক্টৰ দিলীপ কাকতি (দিলীপ কটনৰ অধ্যক্ষ হৈছিল)... দিলীপ কটনৰ ইউনিয়ন ছেক্ৰেটাৰীও আছিল। ইউনিয়ন ছেক্ৰেটাৰী হোৱাৰ বাবে nomination paper ত মোৰ পৰা চহী ল'বলৈ আহিছিল। মই বুজিছিলো দিলীপৰ স্নেহ আছিল। হয়তো কৌতূহলো আছিল।

আব্দুল হান্নানে আমাৰ ঘৰৰ সকলোৰে দুখ বুজি পাইছিল। কৈছিল— খুৰা ঢুকাল তইতো এতিয়া ক্লাছ নকৰি বহি থাকিব নোৱাৰ... মই কিতাপ-পত্ৰ আনি দিম তই 'ঈদৰ' বিষয়ে এখন ৰচনা লিখ। এইবাৰ কলেজৰ চুডমাৰ্চন হলত ঈদ-উৎসৱ ভালদৰে পালন কৰা হ'ব। ৰচনা প্ৰতিযোগিতা হ'ব। অনেক ছাত্ৰ-ছাত্ৰীয়ে ভাগ ল'ব। ......মই জানো তই যদি মন দি ৰচনাখন লিখ পুৰস্কাৰ এটা পাবি।

মোৰ হাঁহিয়ে উঠিল, কিন্তু হাস্নানৰ আগ্ৰহ দেখি ক'লো— কিতাপবোৰ আনি দিবি। চেষ্টা কৰি চাম।

... আমি ইয়াৰ মাজতে কিছুদিন থকাকৈ গাঁৱলৈ গৈছিলো। খুৰাৰ শ্ৰাদ্ধৰ পাচত উভতি আহিছিলো। খুৰাৰ সাতটা ল'ৰাৰ ভৱিষ্যৎ ইমানদিনে খুৰাই সুচাৰু ৰূপে চলাই থকা মাটি-বাৰীৰ কি অৱস্থা হ'ব ইত্যাদি অনেক কথা ভাবি সকলো বৰ চিন্তিত আছিল। বাৰে বাৰে খুৰাৰ কণ্ঠ যেন শুনা পাইছিলো—

: মামনি Man with Iron mask খন পঢ়িলিনে?

: শৰৎ চন্দ্ৰৰ 'বিৰাজ-বৌ' খন আনি দিবিচোন কটনৰ লাইব্ৰেৰীৰ পৰা। এবাৰ ক'ৰবাত পঢ়ি চকুৰ পানীৰে বাট নেদেখা হৈছিলো— এতিয়া সম্পূৰ্ণকৈ পঢ়িব পাৰিম চাগে।

: মামনি— আধা কাপ চাহ আন। ঐ ধুনীয়া হৈ একো লাভ নাই মানুহৰ ব্যক্তিত্বহে আচল কথা ...

ইস্ খুৰাৰ কত কথা! কত ৰং-ৰহইচ! .... হতাশা আৰু নৈৰাশ্যৰ অন্ধকাৰ গহ্বৰলৈ যেন লাহে লাহে নামি গৈছিলো... মোৰ লগত একেলগে পঢ়া মোৰ অতি প্ৰিয় বান্ধৱী নিৰ্মালিয়ে একেবাৰে ছাঁৰ দৰে মোৰ লগত থাকিও একো গম পোৱা নাছিল।

...কিয়েইবা ক'ম? মোৰ যে একো ভাল নালাগে এই কথা মই ক'লেও কোনোবাই জানো বিশ্বাস কৰিব। ঘৰ ভৰা মানুহ আছিল। ভনী সবিতা, অৰুন্ধতী, সৰু ভাই শিৱ, সৰুপেহীৰ ল'ৰা অনিল আৰু মাজু পেহীৰ ল'ৰা দেৱেন, এই মাজু পেহীৰ নাতিয়েক সবিতাৰ সমবয়সী শৰাই ওৰ্ফে চন্দ্ৰপ্ৰভা, খুৰাৰ ল'ৰা সোণা ওৰ্ফে কৰুণা, মা, বান্ধনি কৃষ্ণকান্ত... সকলোৰে মিলি-জুলি আছিলো। ঠিক সময়ত সকলো ঘৰলৈ উভতিছিল। পঢ়া টেবুলত বহিছিল। দাদা সত্যব্ৰত ইঞ্জিনীয়াৰিং কলেজৰ হোষ্টেলত আছিল। কিন্তু এই সকলোৰে সংগত থাকিও যেন নিসংগ আছিলো। ... কত বান্ধৱী আছিল কটনত। ড০ মুক্তি দে (এওঁ অধ্যক্ষা হৈছিল এই কলেজৰে) উৎপলা, কিৰণ, মায়াশ্ৰী , নিৰু, কুসুম, হেম আৰু কত মুখ মনত পৰে সময়ৰ প্ৰবাহে ধূসৰ কৰি পেলোৱা সেইবোৰ ফুল কুমলীয়া মুখ... উৎপলা আৰু কিৰণৰ সুন্দৰ বৈবাহিক জীৱনৰ কথা শুনিছিলো। তেনেদৰেই পিচলৈ শুনিছিলো মায়াশ্ৰী, নিৰুৰ কথা। দুয়ো অৰ্থনীতি পঢ়িছিল। বৰ চোকা বুদ্ধিৰ ছোৱালী আছিল। বাকী অনেকক মই আৰু লগ পোৱা নাছিলো। গুৱাহাটীত বিভিন্ন সভাত যাওঁতে কেতিয়াবা মুক্তি আহিছিল লগ পাবলৈ। মুক্তি বৰ ভাল গায়িকা আছিল।

★ ★ ★ ★

মোৰ এদিনৰ এটা কথা বৰ ভালকৈ মনত আছে। অধ্যাপক তাৰিণী কান্ত ভট্টাচাৰ্য ছাৰে টমাচ হাৰ্ডিৰ 'মেয়ৰ অব কাষ্টাৰব্ৰিজ' উপন্যাসখন ক্লাছত পঢ়াই আছিল। এশমান ছাত্ৰ-ছাত্ৰীৰে ভৰা আছিল ক্লাছ কম।

...হঠাৎ ছাৰে মোৰফালে চালে। মই বৰ মনোযোগেৰে প্ৰথমশাৰীত ছাৰৰ লেকচাৰ শুনি আছিলো। মোৰ সন্মুখত অৱশ্যে কিতাপ নাছিল। ছাৰে হাৰ্ডিৰ অন্তঃসলিলা স্ৰোত 'ভাগ্য'ৰ বিষয়ে অত্যন্ত সুন্দৰ লেকচাৰ এটা দিছিল। ছাৰে ক্লাছত মাজে মাজে নাটক কৰাৰ দৰে ভংগী কৰিও পঢ়ুৱাইছিল। সকলোৱে বৰ ভাল পাইছিল। .. সেইদিনা হঠাৎ

ছাৰে পঢ়াবলৈ এৰি মোৰ মুখৰ পিনে চালে আৰু গোটেই ক্লাছে শুনাকৈ ৰসিকতা কৰি চিঞৰি উঠিল—

: "Here seats a serious student without a book !"

গোটেইবোৰ ছাত্ৰ-ছাত্ৰীয়ে গিজনি মাৰি হাঁহিব ধৰিলে। অলপ সময় মই হতভম্ব হৈ থাকিলো। তাৰ পাচত কো-কোৱাই গৈ কমনৰুমত সোমাই হুকহুকাই কান্দিব ধৰিলো। কিছু সময়ৰ পাচত মূৰ তুলি দেখিলো এজাক ছোৱালীয়ে মোক বেঢ়ি ধৰিছে। মুক্তিয়ে মোক হাতত ধৰি বুজাবলৈ চেষ্টা কৰিলে।

: 'ছাৰে ধেমালিহে কৰিছে, ইমান সৰু কথাটোত এনেকৈ কান্দে নে?'

...'ৰ'বা মই তোমাক তুমি ভাল পোৱা পল্লীগীত এটা শুনাম' এইবুলি তাই গাব ধৰিলে—..."আকাশে ঘনঘটা মেঘ জমিল, আমাৰ মনগৰ্ভে বান ডাকিল..."

... চিঞৰ-বাখৰ হৈ-হাল্লাৰ মাজত সেই দিনটো পাৰ হৈছিল।

... বহুদিনৰ মূৰত ক্লাছৰ কৰিডৰৰ ওচৰত ভট্টছাৰে লগ পাই কৈছিল—

: হেৰা তুমিনো ইমান স্পৰ্শকাতৰ ছোৱালীনেহে?

... সেই সময়ত মই দুই-এটা কবিতাও লিখিছিলো। সেইবোৰ বঙালী ভাষাত অনুবাদ কৰিবলৈ মুক্তিক দিছিলো। মুক্তিয়ে বৰ আগ্ৰহেৰে সেইবোৰ অনুবাদ কৰিছিল। এইখিনি সময়তে 'ৰামধেনু'ত 'বগা পূৰ্ণিমা' বুলি মোৰ কবিতা এটা প্ৰকাশ হৈছিল। সেয়ে সম্ভৱ মোৰ প্ৰথম আৰু শেষ কবিতা আছিল। পিচলৈ মই কবিতা লিখিব এৰি দিছিলো। গল্পত মনোযোগ দিছিলো। ডিগ্ৰীৰ কিতাপতকৈ মই মোৰ গল্পৰ ৰাজ্যত এই সময়ত বিচৰণ কৰি ফুৰিছিলো।

... প্ৰায় দুকুৰি বছৰ পাচত মই যেতিয়া মোৰ প্ৰিয় বান্ধৱী মুক্তিক কটনৰ স্মৃতিৰ বিষয়ে লিখিব দিছিলো তেওঁ মোৰ মনৰ এই সময়ৰ এটা আভাস পোৱা যেন ভাব হৈছিল, সেয়ে এদিনৰ কথা তেওঁ লিখিছিল—

: "বিশেষ এটা স্মৃতি মোৰ মনত এতিয়াও স্পষ্ট হৈ আছে— গৰমৰ বন্ধৰ পাচত কলেজ খুলিছে মাত্ৰ, দুই- তিনিদিন মই তাইক কলেজত দেখা নাই— মনে মনে তাইক বিচাৰি থাকো আৰু অসমীয়া অনাৰ্ছৰ ছাত্ৰীক তাইৰ কথা সুধিও থাকো। কিছু দিনৰ পাচত তাইক লগ পালো। ... মুখখন বৰ বিষণ্ণ। মোক দেখি আনদিনাৰ দৰে তাই হাঁহিব নোৱাৰিলে। পিচদিনা তিনি বজাত জিৰণি কোঠাৰ বাৰাণ্ডাত লগ পাই সুধিলো—"তোমাৰ কি হৈছে? গা বেয়া নেকি? মামনিয়ে উত্তৰ নিদিলে। মূৰ লৰাই জনাই দিলে যে গা ঠিকেই আছে। তেনেহ'লে কি হৈছে তোমাৰ? ... তাইৰ চকু দুটা পানীৰে ওপচি পৰিল। জিৰণি কোঠাৰ ওচৰৰ সৰু কোঠাটোলৈ তাই সোমাই গ'ল। ... পিচত কেতিয়াও কোনোদিন তাইৰনো কি হৈছিল জানিব পৰা নাছিলো, প্ৰশ্নও কৰা নাছিলো। ... মই মনত বৰ কষ্ট পাইছিলো" এয়ে আছিল মুক্তিৰ দুকুৰি বছৰ আগৰ স্মৃতি ৰোমন্থন।"

★ ★ ★ ★

পাঠ্যপুথিৰ দুই-এখনেহে মোক আকৰ্ষণ কৰিছিল। মাধৱ কন্দলীৰ ৰামায়ণৰ অযোধ্যা কাণ্ডটি পঢ়ুৱাইছিল অধ্যাপক গিৰিধৰ শৰ্মা ছাৰে। সেই সময়তে ছাৰৰ ব্যক্তিত্ব দেখি মূৰ দোঁ খাই পৰিছিল। ছাৰে এদিন ক'লে—

: সময় পালে মাধৱ কন্দলীৰ ৰামায়ণখন সম্পূৰ্ণকৈ পঢ়িবা।

তোমাৰ পিতাৰাই পাতনিটো লিখিছিল, সেইটোও পঢ়িবা ....

নাই মই পিতাৰ পাতনি তেতিয়া পঢ়া নাছিলো। সৰযুৰ পাৰত থিয় হৈ থকা ধনুৰ্ধাৰী ৰামৰ ছবি এখন কেতিয়াবা অৰণ্যে মনৰ মাজত ভাঁহি উঠিছিল..। সুদীৰ্ঘ কালৰ পাচত মোৰ স্বামী মাধবেনৰ আকস্মিক মৃত্যুৰ পাচত মই বৃন্দাবনৰ Institute of Oriental Studies ত পঢ়িব গৈছিলো। বৃন্দাবনৰ গলিয়ে গলিয়ে ঘূৰি ফুৰোতে হনুমান প্ৰসাদ পোদ্দাৰৰ সম্পাদিত তুলসী দাসৰ প্ৰকাণ্ড ৰামায়ণখন দেখা পাই কুৰি টকাত কিনি আনিছিলো। শ্বিলঙৰ পাইন মাউণ্টত থাকোতেই হিন্দী আখৰবোৰ শিকিছিলো। মন্দিৰৰ ভিতৰত জোটাই জোটাই পোদ্দাৰ সম্পাদিত গোটেইখন ৰামায়ণ শেষ কৰিছিলো। তুলসীৰ ভাষাই হঠাৎ অভিভূত কৰি তুলিছিল—

তেওঁ কয়—

: 'সন্তসকলৰ স্বভাৱক মাখনৰ লগত তুলনা কৰিবৰ মন যায়। কবিসকলে এনেকৈ কৈ গৈছে কিন্তু? এয়া ঠিক হ'লনে? মাখনত উত্তাপ লাগিলে নিজৰ যন্ত্ৰণাত নিজেই গলি যায়... কিন্তু সন্তসকলৰ হৃদয় আনৰ দুঃখতহে গলে।'

★ ★ ★ ★

সীতাৰ শৰীৰক নো কিহেৰে তুলনা কৰো। সকলো উপমাকে কবিসকলে উচ্ছিষ্ট কৰি পেলাইছে?

★ ★ ★ ★

★ ★ ★ ★ সীতা ত্যাগ, শম্বুক বধ ইত্যাদি অনেক কথাৰ বাবে যি ৰামচন্দ্ৰক মই কিছু সন্দেহৰ দৃষ্টিৰে চাইছিলো সেই সন্দেহ বেলজিয়ামৰ ফাদাৰ বুল্কেক লগ পোৱাৰ পাচত দূৰ হৈ গৈছিল। ফাদাৰ বুল্কেৰ গভীৰ সান্নিধ্য মই পাইছিলো। মৃত্যুৰ আগে আগে তেওঁৰ সৈতে মই কত সময় কটাইছালো। দিল্লীৰ নিকলচন চিমেট্ৰিত তেওঁক সমাধি দিয়াৰ দিনা মই গধূলি সেই ঠাইত উপস্থিত হৈছিলো।

... ৰামায়ণৰ সৈতে কত সম্বন্ধ ... মৰিছাছ, বালিদ্বীপ, বেলজিয়াম... ত্ৰিনিদাদ, থাইলেণ্ড, চীন, মালয়েছিয়া ইত্যাদি ক'ত যোৱা নাই। ... এতিয়া এই বয়সতো ৰামায়ণৰ ছাত্ৰ হৈ আছো— যেনেদৰে কটন কলেজৰ সেই সৰু কোঠাটোত অধ্যাপক গিৰিধৰ শৰ্মা ছাৰৰ ক্লাছত আছিলো।

★ ★ ★ ★

যতীন দুৱৰাৰ কথা-কবিতা পঢ়ুৱাইছিল স্বৰ্গীয় অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা মহোদয়ে।

ছাৰে নিজৰ চকীত বহিয়েই নোট দিবলৈ আৰম্ভ কৰিছিল। অতি মৰমিয়াল আৰু বহল হৃদয়ৰ ব্যক্তি আছিল ছাৰ। পিচলৈ মই তেওঁৰ টিকেন্দ্ৰজিৎ নাটকখন পঢ়ি বৰ ভাল পাইছিলো। কেতিয়াবা বৰ খৰকৈ নোট দি যোৱা ছাৰৰ কথা টুকি ৰাখিব নোৱাৰিলে আব্দুল হান্নানে সহায় কৰিছিল। ছাৰ শকত-আৱত ব্যক্তি আছিল। ধুতী-পাঞ্জাবী পিন্ধিছিল। চকুত ডাঠ ফ্ৰেমৰ চছমা পিন্ধিছিল।

অধ্যাপিকা ভুবনেশ্বৰী বাইদেৱে সাহিত্য তত্ত্ব পঢ়াইছিল। তেওঁ বৰ শান্ত স্বভাৱৰ মহিলা আছিল। ইমান বেছি অমায়িক আছিল যে কোনোদিনে বাইদেউক মই টানকৈ কথা কোৱা শুনা নাছিলো। ডক্টৰ নগেন ঠাকুৰহঁতে বাইদেউক প্ৰশ্ন সুধি কেতিয়াবা ব্যতিব্যস্ত কৰি তোলাও দেখিছিলো।

ডক্টৰ উপেন গোস্বামী ছাৰে আমাক ভাষাবিজ্ঞান পঢ়ুৱাইছিল। পঢ়োৱা সময়ত তেওঁ কোনোদিনে মুখলৈ মূৰ তুলি নেচাইছিল। মই তেতিয়াই বুজি পাইছিলো ভাষা সম্বন্ধে ছাৰৰ অগাধ জ্ঞান আছিল। মই কামৰূপী উপ-ভাষাৰ বিষয়ে কিছু জ্ঞান সেই সময়তে পাইছিলো। এই উপ-ভাষা যে লাহে লাহে শেষ হৈ আহিব আৰম্ভ কৰিছে তাৰ উমান মই পাইছিলো। এই ভাষাৰ কিছু নমুনাক স্থায়ী কৰিবৰ বাবে পিচত মই মোৰ উপন্যাস 'উঁয়ে খোৱা হাওদা'ত প্ৰচুৰ পৰিমাণে এই উপ-ভাষা ব্যৱহাৰ কৰিছিলো। ∴ এতিয়া যেতিয়া মই ছয়ানী মৌজাৰ অন্তৰ্গত আমবঙা সত্ৰলৈ যাওঁ মই লক্ষ্য কৰো শৈশৱত আমি ব্যবহাৰ কৰা অনেক সুন্দৰ শব্দ এতিয়া শেষ হৈ গৈছে, সেইবোৰৰ স্থান আচৰিত ভাবে ইংৰাজী শব্দই অধিকাৰ কৰি লৈছে। যেনে 'কাথি' শব্দৰ ঠাইত প্ৰায়বোৰেই আজি-কালি 'বাৰাণ্ডা' ব্যবহাৰ কৰে। বস্তু-বাৰী বেছি হ'লে 'অ'ভাৰ (over) হৈ যোৱা বুলি কয়।

দিল্লী বিশ্ববিদ্যালয়ত সুদীৰ্ঘকাল থাকি মই এটা কথা অনুভৱ কৰো যে আমি থকা সময়ত যিকেইগৰাকী অধ্যাপকে কটনত আমাক পঢ়ুৱাইছিল— তেওঁলোক নিজৰ নিজৰ বিষয়ত অত্যন্ত নিপুণ আছিল।

ইংৰাজী ভাষা পঢ়ুওৱা ডক্টৰ মহেন্দ্ৰ বৰা, ড° দিলীপ বৰুৱা, অধ্যাপক উপেন শৰ্মা, অধ্যাপক কমলেশ্বৰ শৰ্মা, অধ্যাপক তাৰিণী কান্ত ভট্টাচাৰ্য, অধ্যাপক বসন্ত বৰুৱা আদি আছিল অত্যন্ত সুদক্ষ অধ্যাপক। তেওঁলোকে ইচ্ছা কৰাহেঁতেন কিছুমান মূল্যৱান কিতাপ লেখিব পাৰিলেহেঁতেন যেন ভাব হয়।

এইখিনিতে অধ্যাপক বসন্ত বৰুৱাৰ কথা উল্লেখ কৰিবই লাগিব। মোৰ ভাব হয় কম্পাৰ্টমেণ্টেল পৰীক্ষা এটাত মোক যদি অধ্যাপক বসন্ত বৰুৱাই ঘৰলৈ গৈ ভালদৰে নপঢ়ুৱালেহেঁতেন তেতিয়াহ'লে মই হয়তো পঢ়া-শুনা এৰিব লগা অৱস্থা এটা হ'লহেঁতেন। অধ্যাপক বসন্ত বৰুৱা ছাৰৰ সেই সময়ত এটা অভ্যাস আছিল মদিৰা সেৱন। এই অভ্যাস নথকা হ'লে তেওঁ কেইখনমান অতি মূল্যৱান কিতাপ হয়তো লিখিব পাৰিলেহেঁতেন।

বৰুৱা ছাৰে আমাক 'জুলিয়াছ ছিজাৰ' পঢ়ুৱাইছিল। তেওঁৰ এই ক্লাছটো মই আটাইতকৈ বেছি ভাল পাইছিলো।

এই নাটকৰ তৃতীয় অংকৰ শেষৰ দৃশ্যবোৰৰ কথা তেওঁৰ কণ্ঠত শুনি মোৰ দুয়ো নয়নেৰে লোতক বাগৰি পৰিছিল। তেওঁৰ কণ্ঠৰ কিছুমান শব্দ মই এতিয়াও পাহৰা নাই।

"Casca stabs Caesar in the neck. Caesar catches hold of his arms. He is than stabbed by the other conspirators, and last by Marcus Brutus. Caesar- "Et tu Brute! than fall Caesar!

Cinna: Liberty freedom!

Tyranny is dead!"

প্ৰকাণ্ড হলটো ছাৰৰ কণ্ঠত গুমগুমাই আছিল। কোনেও নেদেখাকৈ মই চকুৰ লোতক মচিছিলো।

পাঠ্যপুথিৰ কোনো এখন কিতাপে এনেদৰে অভিভূত কৰা নাছিল।

... অধ্যাপক বসন্ত বৰুৱা ছাৰ আমাৰ ঘৰৰ সন্মুখতে আছিল। আমাৰ পৰিয়ালৰ লগত তেওঁলোকৰ পৰিয়ালৰ বৰ ভাল আছিল। তেওঁৰ মাকক আমি জেঠাই বুলিয়েই মাতিছিলো।

এদিনৰ কথা এটা বৰ ভালকৈ মনত আছে। কটনৰ পৰা সেইদিনা খোজকাঢ়ি আহিছিলো। কিছুদূৰলৈ বান্ধৱীবোৰ আছিল। ভেটেনেৰী কলেজৰ ওচৰত গোটেইবোৰে এজনী-দুজনীকৈ নিজৰ নিজৰ গন্তব্য স্থানলৈ আঁতৰি গ'ল। হঠাৎ এই ভেটেনেৰী কলেজৰ ওচৰতেই এটা ওখ ল'ৰাই একেবাৰে আগচি ধৰাৰ দৰে আহি ক'লে—

: বহুদিনৰ পৰা তোমাক এনেদৰে অকলশৰে লগ পাবলৈ মোৰ ইচ্ছা হৈ আছে। মোৱা এসপ্তাহ ধৰি বাট চাই আছো— তুমি যদি কালি দীঘলী পুখুৰীৰ পাৰলৈ আহি মোৰ কথাকেইটা শুনা মই বৰ কৃতজ্ঞ হৈ থাকিম।

বৰ অনুনয় কৰি সি আৰু কিছুমান কথা কৈছিল। এতিয়া আৰু মনত নাই। মই ক'লো—

: ঠিক আছে মই ভাবি চাম।

ঘৰলৈ আহি মই ভাবি-চিন্তি তাক লগ ধৰা ঠিক কৰিলো। ৰে'ললাইন পাৰ হৈ লেম্ব ৰ'ড এৰি দীঘলী পুখুৰীলৈ আমাৰ ঘৰৰ পৰা বৰ বেছি দূৰ নাছিল। দীঘলী পুখুৰীৰ পাৰত সঁচাকৈয়ে মই ওখ সুদৰ্শন ল'ৰাটোক লগ পালো।

আচৰিত কথা এয়ে যে সি প্ৰস্তাৱ দিলে—

: আহা আমি সৌ হোটেলখনতে গৈ বহো।

: 'হোটেল?'

মই নিজৰ মনতে কথাটো কেইবাবাৰো উচ্চাৰণ কৰিলো। তাৰ পাচত কো-কোৱাই বৰ্তমানৰ সূৰ্য কুমাৰ ভূঞা ৰোডেৰে ৰে'ললাইন পাৰ হৈ ঘৰ পালো। সি বহুদূৰ পিচে পিচে আহিছিল, চিঞৰিছিল। শুনা শুনা... মই উভতি চোৱা নাছিলো।

★ ★ ★ ★

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সেই সময়ত এক সুন্দৰ সম্বন্ধৰ ছবি দেখিছিলো। স্বৰ্গীয় ৰামমল ছাৰে ঘৰত আহি শ্ৰীশ্ৰী শংকৰদেৱৰ সাহিত্য বুজাই দিয়াৰ কথা এতিয়াও মনত পৰে। আমি সকলোৱে অতি আগ্ৰহ কৰা অধ্যাপক নৰকান্ত বৰুৱা ছাৰো কেতিয়াবা ঘৰলৈ আহিছিল। আমাৰ সম্বন্ধৰ দাদা অধ্যাপক অনিল কুমাৰ গোস্বামীৰ লগত সৰহভাগ সময় কথা পাতিছিল। কেতিয়াবা ভণ্টি সবিতা আৰু মই তেওঁক ৰবীন্দ্ৰ সংগীত গাই শুনোৱাৰ কথা অলপ অলপ মনত পৰে। সেই সময়ত সুধীৰ ছাৰ নামৰ এগৰাকী বঙালী শিক্ষকে আমাক ঘৰত আহি গান শিকাইছিল। মোৰ আই ৰবীন্দ্ৰ ভক্ত আছিল।

★ ★ ★ ★

আব্দুল হান্নানহঁতে ঈদৰ দিনা চুডমাৰ্চন হলত পত্ৰা ৰচনা প্ৰতিযোগিতা এটাত প্ৰথম

পুৰস্কাৰ ৰূপে 'কোৰাণ' এখন পাইছিলো। এই ৰচনাৰ বাবে আব্দুল হান্নানে কিতাপ-পত্ৰ নিদিয়াহেঁতেন মই ৰচনা প্ৰতিযোগিতাত হয়তো ভাগেই নল'লোহেঁতেন। তাৰ বিশেষ আগ্ৰহ দেখিয়েই ভাগ লৈছিলো।

★ ★ ★ ★

কটনৰ পূজনীয় অধ্যাপকসকলে ক্লাছ্ ক্ষতি কৰাৰ কথা মোৰ মনত নপৰে।

... পুৰা দহ্ বজাত ক্লাছলৈ অহা প্ৰথম বছৰতে মোৰ চকুত পৰিছিল... মই বহা ঠাইখিনিত চিয়াঁহীৰে কাঠৰ deskখনত কোনোবাই কিছুমান কবিতা লিখি থয়, মই ৰুমালেৰে আৰু কাগজেৰে সেইবোৰ মচিবলৈ চেষ্টা কৰো। লাহে লাহে অধ্যাপকসকলে এইবোৰ দেখে বুলি বৰ অস্বস্তি লগা হ'ল। কাৰণ প্ৰায় সদায়ে নতুন নতুন কবিতাৰ পংক্তি লিখি লিখি থৈছিল। ... শেষত মই এদিন আব্দুল হান্নানক সেইবোৰ দেখুৱাই ক'লো—: 'চাচোন কোনে লিখে এইবোৰ'। সি জুমি জুমি চাই ক'লে— : 'এইবোৰ ঠাকুৰৰ আখৰ নহয়'। সি তোৰ বাবে কবিতা এটা লিখাৰ কথা পিচে জানো। 'তেতিয়াহ'লে কোনে লিখি থৈ যায় এইবোৰ'।

সি মুখেৰে নেমাতিলে। বাহিৰলৈ ওলাই গৈ কাগজ এখন পানীৰে ভিজাই desk খন মচি দিলে।

... প্ৰায়ে মই অকলশৰেই আৰু কেতিয়াবা প্ৰিয় বান্ধৱী নিৰ্মালিৰ সৈতে সময় কটাইছিলো। সৰহভাগ সময় অৰণ্যে এক নৈৰাশ্যৰ সাম্ৰাজ্যত ঘূৰি ফুৰিছিলো।

নিৰ্মালিৰ লগত কেতিয়াবা 'ডিলাইট' ৰেষ্টোৰাঁ' আৰু কেতিয়াবা গুৱাহাটী ডায়েৰীতো গৈছিলো। 'ডিলাইট'লৈ তেতিয়া সম্ভৱ গুৱাহাটীৰ প্ৰায়বোৰ সম্ভ্ৰান্ত মানুহেই গৈছিল। আমি পঢ়া সময়ত এই ৰেষ্টোৰাঁৰ মেনেজাৰ আছিল প্যাৰী (?) নামৰ এটা অনা-অসমীয়া মানুহ। হয়তো বগা চাহাবেই আছিল। স্বৰ্গীয় অধ্যাপক সুৰেন চৌধুৰী আৰু তেওঁৰ পত্নী আমাৰ মৰমৰ প্ৰতিবেশী দেলু বাইদেৱে দিয়া এটা ডিনাৰ পাৰ্টিত প্যাৰী চাহাবে ভায়োলিন বজাই সকলোকে বৰ মুগ্ধ কৰিছিল। ... এনেয়েও কেতিয়াবা মাজৰাতি গুৱাহাটীৰ জাহাজঘাটৰ পৰা অহা যেন লগা ভায়োলিনৰ অপূৰ্ব সুৰ এটা শুনা পাইছিলো। মই সেয়া প্যাৰীয়ে বজোৱা ভায়োলিন বুলি ভাবিছিলো। মানুহটো তপা আছিল। গালত বসন্তৰ দাগৰ দৰে কিছুমান দাগ আছিল। শকত-আৱত ধুলন্তৰ ব্যক্তি। গাৰ ৰং বগা। মোৰ যদি নামটো মনত ৰখাত ভুল হোৱা নাই তেতিয়াহ'লে সেই সময়ত হয়তো প্ৰায়বোৰ কটনিয়ান আৰু গুৱাহাটীৰ মানুহে প্যাৰীক লগ পাইছিল। নাইবা তেওঁৰ চেহেৰাৰ সৈতে পৰিচিত আছিল। প্যাৰী যে একধৰণৰ ধুৰন্ধৰ ব্যক্তি আছিল মই বুজি পোৱা নাছিলো। এদিন মই আৰু মোৰ বান্ধৱী এগৰাকীয়ে 'ডিলাইট'ৰ কেবিন এটাত চাহ খাই আছিলো। হঠাৎ প্যাৰী ধুমুহাৰ দৰে সোমাই আহিল। মোৰ পিনে চাই তেওঁ ক'লে—

: শুনা তোমাৰ দৰে ধুনীয়া ছোৱালীৰ বাবে এইখন চহৰ নহয়। ..ওলোৱা মোৰ লগত। চোৱা— এইবোৰ ধুনীয়া ধুনীয়া ছোৱালীৰ লগত তুমি থাকিব পাৰিবা— বৰ ফুৰ্তি, বৰ আনন্দৰে থাকিব পাৰিবা ... এইবুলি কৈ তেওঁ পকেটৰ পৰা কিছুমান ফটো উলিয়াই দিলে।

মই হতভম্ব হৈ থিয় হ'লো। তাৰ পাচত সম্ভৱ মুখৰ ভিতৰতে ক'লো—

"Don't try to talk to me any more !"

আন কোনোবা ছোৱালী হোৱাহেঁতেন হয়তো জোতা খুলি কোবাই দিলেহেঁতেন— মই কিন্তু ইমান হতভম্ব হৈ পৰিছিলো যে তেনে কাম মই কৰিব নোৱাৰিলো।

★ ★ ★ ★

দিনে দিনে হতাশা বাঢ়ি আহিছিল। লাহে লাহে মই মৃত্যুৰ কথা ভাবিবলৈ আৰম্ভ কৰিছিলো। এদিন ক্লাছৰ দুৱাৰমুখত আব্দুল হান্নানক ক'লো—

: তই মোক টোপনি অহা বড়ি কিছুমান কিনি দিব পাৰিবিনে। মই নিজে গ'লে ডাক্তৰে সন্দেহ কৰিব। দাদা বা ভনীহঁতক ক'লে সিহঁতে মনত বেজাৰ পাব।

সি মোৰ মুখলৈ ট টকৈ চাব ধৰিলে।

★ ★ ★ ★

সেই সময়তে ঠাণ্ডাৰ দিনত দল বান্ধি পিকনিক খাব যোৱা আমাৰ কটনিয়ানসকলৰ এটা Ritualৰ আছিল। দুবাৰমান পিকনিকলৈ যোৱাৰ কথা মোৰ মনত পৰে। এবাৰ ওপৰত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ লগতো পিকনিকলৈ গৈছিলো। ছিনিয়ৰসকলৰ লগত কোনো পাৰ্থক্য ৰখা নহৈছিল। সেয়ে এবাৰ কুলচীৰ পিনে যোৱা ছিনিয়ৰসকলৰ পিকনিক পাৰ্টি এটাতময়ো আছিলো। বান্ধৱী হেমো আছিল। ছিনিয়ৰ ছাত্ৰৰ ভিতৰত প্ৰদীপ বৰুৱা, অখিল ডেকা, প্ৰফুল্ল বৰুৱাহঁতো যোৱাৰ কথা ৰিণিকি ৰিণিকি মনত পৰে।

মই আজৰি সময়ত গল্পই লিখিছিলো। মোৰ বিষয়বস্তুবোৰ দলিতসকলেই আছিল। কটনিয়ানত যি দুটা গল্প লিখিছিলো সেইকেইটাও দলিতসকলক লৈয়ে লিখিছিলো। ছাত্ৰ অৱস্থাত পাঠ্যপুথি পঢ়াৰ বেছি প্ৰয়োজন আছিল। কিন্তু মই সৰহ সময় লিখাতহে অতিবাহিত কৰিছিলো।

সেই সময়ত কিন্তু সকলোৰে চিত্ত আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল হেমেন গগৈ নামৰ ছাত্ৰ এটিয়ে। তেওঁৰ অপূৰ্ব সুন্দৰ গল্প এটা আমি পঢ়ি থাকোতে কটনিয়ানত প্ৰকাশ হৈছিল। সেই গল্পটিৰ ম'হখুটিৰ দৃশ্য এটি এতিয়াও মোৰ চকুত ভাঁহি থাকে। শ্ৰীহেমেন গগৈয়ে সাহিত্য চৰ্চা কিয় নকৰিলে মই ক'ব নোৱাৰো। তেওঁ নিশ্চয় এগৰাকী মহৎ সাহিত্যিক হ'ব পাৰিলেহেঁতেন।

★ ★ ★ ★

আব্দুল হান্নানে এদিন ঘৰলৈ আহি পাচীয়ান কবিসকলৰ এখন কিতাপ মোক দিলে। কিতাপখনৰ ওপৰত সি লিখি দিলে— "Live thousand years, each year contains ten thousand days."

হান্নানে মোৰ ভণ্টী সবিতাৰ পৰা গম পাইছিল সেয়া মোৰ জন্মদিন আছিল। আমাৰ ভাই-ভনী কোনেও জন্মদিন পালন নকৰিছিল। কটন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জন্মদিনৰ উৎসৱ আজি-কালিৰ দৰে পালন কৰা মই শুনা নাছিলো।

★ ★ ★ ★

আব্দুল হান্নানে এদিন হেফাই-ফোঁপাই আহি ক'লে—

: Deskত কবিতা লিখা দুটা ল'ৰাৰ নাম পাইছো। এটা বকুল অৰ্থাৎ দেৱকুমাৰ শইকীয়া হ'ব লাগে আৰু এটা নাম সি কৈছিল, মোৰ আৰু মনত নাই। সঠিককৈ সি ক'ব নোৱাৰে কোনে deskত কবিতাবোৰ লিখিছে।

মই মনে মনে থাকিলো। ক'লো—: মই সেইবোৰ একো শুনিব নোখোজো। মোৰ মন বেয়া।

সুদীৰ্ঘ দুকুৰি বছৰ পাচত যেতিয়া মই নাট্যকাৰ দেৱকুমাৰ শইকীয়ালৈ এখন চিঠি দি কটনৰ স্মৃতিৰ কথা জানিব বিচাৰিলো তেওঁ বৰ দীঘলীয়া চিঠি এখন দিছিল—.... অকপটভাৱে তেওঁ অনেক কথা প্ৰকাশ কৰিছিল। তেওঁ 'পুতলা প্ৰেম' নামৰ নাটকখন কেনেদৰে মোক কেন্দ্ৰ কৰি লিখিছিল এই কথা বিস্তাৰিতভাৱে প্ৰকাশ কৰিছিল। ... কটনত থাকোতেই তেওঁ 'পেৰেডাইজ লষ্ট' নামৰ নাটক এখন লিখিছিল। সেই নৈৰাশ্যৰ গহ্বৰত থাকোতেও কাৰোবাৰ যে প্ৰেৰণাৰ এনে উৎস হৈ আছিলো ভাবি আচৰিত লাগে। অজস্ৰ মানুহৰ মাজত মই আছিলো যেন সম্পূৰ্ণৰূপে অকলশৰীয়া। deskত সঁচাকৈয়ে দেৱকুমাৰে কবিতাবোৰ লিখিছিল নেকি এই কথাৰ প্ৰমাণ আব্দুল হান্নানে দিব নোৱাৰিছিল। ময়ো দেৱকুমাৰক সোধা নাছিলো।

★ ★ ★ ★

মোৰ এতিয়াও মনত আছে যিদিনা আব্দুল হান্নানে 'গাৰ্ডিনেল'ৰ বটলটো লৈ আমাৰ ঘৰৰ পৰ্টিকত থিয় হৈছিল সেইদিনা ধুমুহা আহিছিল। সি ছাতিটো বাৰাণ্ডাত থৈ দুৱাৰত টুকুৰিয়াইছিল।

কাগজেৰে মেৰুৱাই অনা গাৰ্ডিনেলৰ সৰু বটলটো মোৰ হাতত তুলি দিয়াৰ সময়ত সি কৈছিল—

: 'এটাতকৈ বেছি নেখাবি কিন্তু।...'

সি বেচেৰাই কেনেকৈ জানিব কি ভয়ানক সংকল্প কৰি মই তাৰ হতুৱাই এই বটল অনাইছিলো। ... মৃত্যুৰ লগত যুঁজি যিখন পৃথিৱীত ভৰি দিছিলো সেই পৃথিৱী অন্য এক পৃথিৱী আছিল। .... মানুহবোৰৰ ওচৰত মই যেন আৰু বেছি অচিনাকি হৈ পৰিছিলো। মৃত্যুৰ দুৱাৰৰ পৰা উভতি আহোতে মই যেন এটা সংকল্প লৈছিলো— 'মই জীয়াই থাকিম আৰু ভালকৈ জীয়াই থাকিম'।

দিল্লীত থাকোতেই আব্দুল হান্নানৰ সুন্দৰকৈ বিয়া হৈ যোৱা বুলি শুনিছিলো। কাশ্মীৰত থাকোতে মোৰ স্বামী মাধুৱে এদিন প্ৰশ্ন কৰিছিল—

: 'তোমাৰ আটাইতকৈ বিশ্বাসী বন্ধু কোন আছিল?'

: মই কৈছিলো—'আব্দুল হান্নান!'

...আব্দুল হান্নানে পিচলৈ ৰাজনীতিও কৰিছিল। কি ৰাজনীতি কৰিছিল মই নেজানো। সুদীৰ্ঘকাল মই তাক লগ পোৱা নাছিলো। মাজতে দিল্লীত তাৰ দুই পুত্ৰই আহি মোক দেখা কৰিছিল। যিদিনা আব্দুল হান্নানৰ মৃত্যুৰ খবৰ শুনিছিলো মই স্তব্ধ হৈ গৈছিলো। এতিয়াও মোৰ মনে হাজি মুছাফিৰ খানাৰ ওচৰত ঘুমুটিয়াই ফুৰে, ইয়াৰ ওচৰতে আব্দুল হান্নানক কবৰ দিয়া বুলি শুনিছিলো। ❑

দূৰ্বা চৌধুৰী

ষাঠিৰ দশকৰ 'কটন কলেজ'ৰ সোঁৱৰণী দিনবোৰ

ষাঠিৰ দশকৰ 'কটন কলেজ'ত পঢ়া পুৰণি দিনবোৰৰ মধুৰ স্মৃতিবোৰে আজিও মনটো তোলপাৰ লগায়। বছৰ বাগৰি বাগৰি অতীত হৈ পৰা সেই দিনবোৰ সুঁৱৰি প্ৰাক্তন 'কটনিয়ান' হিচাপে নিজকে সদায় গৌৰৱান্বিত বোধ কৰো। ঐতিহ্যমণ্ডিত কলেজখনৰ বি. এ.ৰ কলা বিষয়ৰ স্নাতক হ'বলৈ অহা প্ৰথম দিনটোৰ কথা মনত পেলালে মনটো আজিও আবেগ বিহ্বল হৈ উঠে।

যুগৰ পৰিৱৰ্ত্তনৰ লগে লগে আমাৰ সমাজখনলৈও বহুত পৰিৱৰ্ত্তন আহিল। প্ৰায় চাৰিটা দশকৰ পিচৰ কলেজখনলৈ উভতি চালে আমাৰ দিনৰ ছাত্ৰ-ছাত্ৰী আৰু আজিৰ চাম ছাত্ৰ-ছাত্ৰীৰ মাজৰ ভালেখিনি পৰিৱৰ্ত্তন চকুত পৰে। বৰ্ত্তমান আমাৰ সমাজখনৰ পুৰণি আৰু নতুন চামৰ ভিতৰত এটা দীঘলীয়া ব্যৱধান প্ৰকট হৈ উঠিছে। আজিৰ নতুন প্ৰজন্মৰ পুৰণিৰ লগত চিন্তাধাৰাবো অনেক পৰিৱৰ্ত্তন ঘটিছে। আমাৰ দিনৰ কটন কলেজৰ ল'ৰা আৰু ছোৱালীৰ ভিতৰত কোনো ব্যৱধান নাছিল। অসমৰ প্ৰায় সকলো ঠাইৰ পৰা কটন কলেজত উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ সেই সময়ৰ ল'ৰা-ছোৱালীৰ হাবিয়াস আছিল; কিয়নো অসমৰ বাহিৰত পঢ়িবলৈ সেই সময়ত সীমিত সংখ্যাৰ ল'ৰা-ছোৱালীহে

গৈছিল। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি কটন কলেজত গোট খোৱা ভিন ভিন ছাত্ৰ-ছাত্ৰীসকলৰ মিলা-প্ৰীতি মন কৰিবলগীয়া আছিল। কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতো মধুৰ সম্পৰ্ক আছিল। ছাত্ৰী নিবাসতো আমি সকলোৰে লগত একেটা পৰিয়ালৰে সদস্য হিচাপে দিনবোৰ শৃঙ্খলাবদ্ধভাৱে অতিবাহিত কৰিছিলো। কলেজখনৰ ছাত্ৰীনিবাসৰ পৰিবেশ আছিল নিকা, জটিলতা বিহীন আৰু আড়ম্বৰ শূন্য। সেয়েহে মুক্ত আকাশৰ তলত মুকলি চিন্তা কৰি পঢ়া-শুনাৰ বাহিৰেও ভিন ভিন দিশত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অৰ্হতাৰ পৰিচয় দিব পাৰিছিল। সেই সময়ত কেৱল শিক্ষা গ্ৰহণেই আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মুখ্য উদ্দেশ্য।

আমাৰ দিনত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক অতি সৌহাৰ্দ্যপূৰ্ণ আছিল। যি কোনো সময়তে বহুমূলীয়া উপদেশ, সকলো ধৰণৰ সহায়-সহযোগিতা বিচাৰি আমি তেখেতসকলৰ ওচৰ চাপিব পাৰিছিলো। শ্ৰীযুতা লক্ষ্যহীৰা বাইদেউ, শ্ৰদ্ধেয় নৱ বৰুৱা ছাৰ, ভূপেশ দত্ত ছাৰ, প্ৰিয়লাল পাঠক ছাৰ, বিনয় চৌধুৰী ছাৰ আদি শিক্ষা গুৰুসকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা মৰম-চেনেহৰ কথা আজিও শ্ৰদ্ধাৰে সোঁৱৰো।

মন পৰশি যোৱা বিগত দিনবোৰ ৰোমন্থন কৰি কলেজখনৰ সন্মুখেদি কেতিয়াবা পাৰ হৈ গ'লে এশবছৰীয়া বুৰঞ্জীৰ সাক্ষী বহন কৰি থকা পুৰণি প্ৰশাসনীয় ভৱনটো চকুৰ আগত ভাঁহি উঠে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কলেজখনৰ কেইবাটাও পুৰণি ভৱনে নতুন ৰূপ ললে। কুৰি শতিকাৰ ডেওনা পাৰ হৈ একৈশ শতিকাৰ দুৱাৰডলিত ভৰি দিয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজলৈও বহুত পৰিৱৰ্ত্তন আহিল। কিন্তু এশবছৰীয়া বুৰঞ্জীৰ সাক্ষী বহন কৰি ঐতিহ্য কঢ়িয়াই থকা কটন কলেজৰ গৌৰৱোজ্জল খিয়াতি যুগমীয়া হৈয়ে আছে। মৰহা ফুলৰ পাপৰিয়ে কেতিয়াবা বিলাই থকা সুৰভিৰ দৰে মন আকাশ ভৰাই থকা কটন কলেজৰ মধুৰ স্মৃতিবোৰ মোৰ মন গহনত সদায় চিৰসেউজ হৈ থাকিব। ❑

ৰিণি কাকতি

অভিনন্দন কটনিয়ানলৈ

বহুদিনীয়া এটি হেঁপাহ আছিল- অতীতত কটনত শিক্ষা লোৱা প্ৰাক্তন কটনিয়ানসকল এদিন একেলগে আকৌ এবাৰ মিলিত হম। ঘৰৰ পৰা আঁতৰি থাকিলে ঘৰলৈ মৰম বেছিকৈ হয়। সেয়ে হয়তো মোৰ ক্ষেত্ৰতো প্ৰযোজ্য। মনৰ ভিতৰৰ এই দুৰন্ত হেঁপাহ বাস্তৱায়িত হ'ল "সোঁৱৰণী সমাৰোহ" নামৰ অনুষ্ঠানটিৰ জৰিয়তে।

প্ৰায় ৩০ বছৰ কাল– Londonত আছো যদিও মোৰ মনটো যেন এৰি অহা দেশ খনলৈ, কলেজখনলৈ সঘনে উৰা মাৰে। Londonত Assam Association of U. K. ৰ এগৰাকী ভাৰপ্ৰাপ্ত উদ্যোক্তা হিচাপে এনেধৰণৰ অনুষ্ঠানবোৰৰ লগত জড়িত হৈ মোৰ মনলৈ দৃঢ়তা আৰু সাহসৰ সঞ্চাৰ হৈছিল। সেই দৃঢ়তা আৰু সাহসক মূল কৰিয়েই মই কটন কলেজৰ শতবাৰ্ষিকী হিচাপে "সোঁৱৰণী সমাৰোহ" পতাৰ পৰিকল্পনাত মুখ্য উদ্যোক্তা হিচাপে সফলকাম হৈছিলো।

শতবাৰ্ষিকীৰ প্ৰতিটো পদক্ষেপতে আমাৰ প্ৰবাসী অসমীয়াৰ আন্তৰিক সহযোগিতাও প্ৰণিধানযোগ্য। যি "সোঁৱৰণী সমাৰোহ" ৰ আয়োজন কৰা হ'ল ই মাত্ৰ আমাৰ প্ৰথম পদক্ষেপ। কটন কলেজ প্ৰতিজন কটনিয়ানৰ প্ৰাণস্বৰূপ। বৰ্ত্তমানৰ শতবাৰ্ষিকী উদযাপন

কৰাৰ বাবে যি কমিটি আছে তেখেতসকলেও যাতে সকলোকে একগোট কৰি এক সাফল্যমণ্ডিত শতবাৰ্ষিকী উদ্‌যাপন কৰিব পাৰে।

আমাৰ ১২ নৱেম্বৰৰ "সোঁৱৰণী সমাৰোহ"ত যিসকল প্ৰাক্তন কটনিয়ানে উপস্থিত থাকি আমাক সহায় আৰু অনুপ্ৰেৰণা দিলে; তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ইংলণ্ডৰ OXFORD আৰু CAMBRIDGEএ যি মৰ্য্যাদা লাভ কৰিছে, আমি কটনিয়ানসকলে কটন কলেজৰ তেনে মৰ্য্যাদা লাভ কৰিবলৈ প্ৰস্তুতি চলাব লাগিব। আমি প্ৰবাসী অসমীয়াসকল সঁচায়ে কটন কলেজক লৈ গৌৰৱান্বিত। কটন কলেজৰ প্ৰতিটো বিষয়তে আমি ওতঃপ্ৰোতভাৱে জড়িত হৈ আছো, আছিলো আৰু থাকিমো। কটন কলেজ মহীয়ান হওক, জ্ঞানৰ উজ্জ্বলতাৰে উজ্বলি উঠক সমূহ দিশ— তাৰ বাবে আমাৰ অন্তৰৰ শুভকামনা থাকিল। ❑

অৰুণিমা বৰুৱা

স্মৃতিৰ পাপৰিৰে

মনৰ দাপোণত স্মৃতিৰ দুৱাৰ খুলি
আকোঁ বাৰে বাৰে কটনৰ ছবি।

কটন কলেজ। এক বিস্ময় এক যাদুকৰী নাম। কটন কলেজত পঢ়ি যোৱা প্ৰত্যেকজন কটনিয়ানেই সুখ, দুখ, বেদনা আৰু কৃতিত্ব, কিবা নহয় কিবা এটাৰ লগত জড়িত।

১৯৬৩ চন। মেট্ৰিক পাছ কৰি কটনত নাম ভৰ্ত্তি কৰিলো। সৰুৰে পৰাই স্বাধীনচিতীয়া মন আৰু নেতৃত্বৰ প্ৰতি অনুৰাগ থকা হেতু মই কোনো কামলৈকে ভয়ত, ভীত বা পিচ হোহকা বিধৰ নাছিলো। 'নোৱাৰো' বোলা শব্দটো মোৰ 'জীৱন অভিধান'ত নাই। কলেজত সোমায়েই ১৯৬৩ চনত 'আন্ত বিশ্ববিদ্যালয় অনাতাঁৰ নাট প্ৰতিযোগিতাত আমাৰ কলেজৰ হৈ লেখক প্ৰয়াত অৰূপ বৰদলৈৰ নাটক "ইংগিত" কৰি সৰ্বশ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হওঁ।

মোৰ মনৰ কোনো এক কোণত আজিও সাঁচি থৈছো কিছু স্মৃতি এক অক্ষত অৱস্থাত। সিবোৰৰ পাতবোৰ মাজে মাজে মনৰ ভিতৰতে লুটিয়াই চাওঁ। ভাল লাগে। মন

যায়, তেতিয়াৰ কলেজত পঢ়ি থকা সেই ষোল্লবছৰীয়া ছোৱালীজনী হ'বলৈ। কিন্তু হায়! এয়াযে উভতি যাব নোৱাৰাকৈ বহুদূৰ আগবাঢ়ি আহিলো।

১৯৬৫ চনত দিল্লীত 'গণৰাজ্য দিৱস' অনুষ্ঠানত যোগদান কৰিবৰ বাবে নিৰ্ব্বাচিত হওঁ। আমাৰ 'আসাম কন্টিনজেন্ট'ত মুঠ ৬৩ জন N. C. C. কেডেট আছিল। (সঠিক সংখ্যাটো মনত নাই) মই কটন কলেজৰ পৰা প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা পোৱাটো কলেজ তথা মোৰ বাবে গৌৰৱৰ কথা। ইয়াৰ উপৰিও মই কেইবাটাও এন. চি. চি. এডভান্স ট্ৰেইনিং কেম্প আৰু গ্ৰীষ্মকালীন ট্ৰেইনিং কেম্পত যোগদান কৰিছিলো। কলেজৰ এন. চি. চি. ছোৱালী কেডেটসকলৰ মই চিনিঅৰ চাৰ্জেন্ট আছিলো। এই দিশত বৰ্ত্তমান কলেজৰ এন. চি. চি. ছোৱালী উইংটোৱে কিমান অগ্ৰগতি লাভ কৰিছে সেয়া সন্দেহজনক। এন. চি. চিৰ ছোৱালী উইংটো কলেজত আছে যদিও নিষ্ক্ৰিয় যেন লাগে।

সেয়া ১৯৬৫-৬৬ চনৰ কথা। লগৰবোৰে ধৰিলে মই বোলে 'ছাত্ৰীৰ জিৰণি কোঠাৰ' সম্পাদিকাৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব লাগে। মই নামানো, নুঠো— কিন্তু লগৰবোৰেও নামানে আৰু নেৰে। শেষত উঠিম বুলিয়ে ঠিক কৰি খা-খবৰ কৰাত লাগিলো। খা-খবৰ কৰি গম পালো ভীষণ কাৰবাৰ। লোকেল প্ৰতিদ্বন্দ্বীয়ে বোলে হোষ্টেল প্ৰতিদ্বন্দ্বীৰ লগত প্ৰতিযোগিতা কৰি কোনোমতে জিকিব নোৱাৰে। সেয়ে ময়ো Contest নকৰো বুলি ক'লো। কিন্তু মোৰ কথা নৰজিল। সময়ত প্ৰতিদ্বন্দ্বিতাৰ যুদ্ধখন আৰম্ভ হ'ল। ভোটদান পৰ্বৰ দিনাখন যে মোৰ গতি নাই। এবাৰত মই আগবাঢ়িলে পিছৰ বাৰত মোৰ প্ৰতিদ্বন্দ্বী আগবাঢ়ে আৰু এনেকৈয়ে শেষত মোৰ প্ৰতিদ্বন্দ্বী শ্ৰীমতী অঞ্জলী দেৱীতকৈ (বৰ্ত্তমান বৰঠাকুৰ) মাত্ৰ ৮৩টা ভোটৰ ব্যৱধানত মই জয়ী হ'লো। সেইবাৰ বোলে বহু বছৰৰ মূৰত স্থানীয় প্ৰতিদ্বন্দ্বী জিকিছে। সেইবাৰ আমাৰ লগৰ যি কেইজনে অন্যান্য বিভাগত প্ৰতিদ্বন্দ্বিতা কৰিছিল আটাইকেইজনেই জিকিছিল।

এনে আৰু বহু স্মৃতি আছে যিবোৰ কৈ অন্ত কৰিব নোৱাৰি। নাটক কৰি মই খুব ভাল পাওঁ। অনাতাঁৰ নাটবিভাগৰ মই এগৰাকী সক্ৰিয় সদস্যা। ইয়াৰ উপৰিও মই কবিতা আবৃত্তি কৰো, গান গাওঁ, ছবি আঁকো প্ৰত্যেকটো বিভাগতে মই পুৰস্কাৰ বহুতো বুটলিছিলো। সামাজিক কাৰ্য্যৰ প্ৰতিও অনুৰাগ থকা হেতু কিছু দায়বদ্ধতা উলাই কৰিব নোৱাৰো।

মোৰ দৃষ্টিত—

কটন কলেজ হওক বিশ্বদৰবাৰত এক বিশ্ব গৱেষণাগাৰ। নতুন নতুন সৃষ্টি সংগৃহীত হওক, সুৰক্ষিত হওক এই কটন কলেজৰ মজিয়াত। প্ৰাক্তন কটনিয়ানসকলৰ পূৰ্ণাঙ্গ ইতিহাসক সামৰি লৈ প্ৰতিষ্ঠ কৰক ন-পুৰণিৰ এক মধুৰ মিশ্ৰণ।

মোৰ চিৰ নমস্য কটন কলেজ! আয়ুষ্মান ভৱ। ❑

আবু নাছাৰ চাঈদ আহমদ

কটনৰ সোণালী দিনবোৰ

১৯৬৪ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিনত মোৰ সম্পৰ্কীয় মুজিব ককাইটিৰ লগত বৰুৱা বামুণগাঁও ষ্টেশ্যনত ৰেলত উঠি যাত্ৰা কৰিলোঁ গুৱাহাটী অভিমুখে— কটন কলেজত পঢ়িম বুলি। চৈয়দ আব্দুল মালিক আছিল আমাৰ নাহৰণি গাঁৱৰ প্ৰথমগৰাকী কটনিয়ান। মই হ'ম দ্বিতীয়জন। ইমান ভাল কলেজত পঢ়িবলৈ পোৱাৰ সম্ভাৱনাই দিব পৰা আনন্দতকৈ আছিল মোৰ মনত বহুত শংকা। কুৰালগুৰি হাইস্কুলৰ শিক্ষক হিচাপে সীমিত উপাৰ্জনেৰে মোক কটনত পঢ়াব পৰাৰ আৰ্থিক সামৰ্থ্য দেউতাৰ নাছিল, আছিল মনোবল। বয়সতকৈ অলপ বেছি পঢ়াৰ বাবে মাৰ মনত আছিল ভয়— পোন্ধৰ বছৰীয়া গাঁৱৰ সৰু ল'ৰা এটাক ইমান দূৰত পঢ়িবলৈ পঠালে কি বিপদ-আপদ হয়। মাৰ ভয়ৰ কাৰণ আছিল অতি স্বাভাৱিক। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকাৰ সময়ত মোৰ ওপৰৰ দাদা গ্ৰহণী ৰোগত আৰু মোৰ পিছৰ ভাই পানীত পৰি মাথোন দুবছৰৰ ব্যৱধানত মৃত্যুৰ মুখত পৰিছিল। কেইবছৰমানৰ আগতে প্ৰতিষ্ঠিত হোৱা দেৰগাঁৱৰ কমল দুৱৰা কলেজত নপঢ়ি কটনত পঢ়িবলৈ ওলোৱাৰ বাবে সমালোচনাও শুনিছিলো। এনে এটা পৰিস্থিতিত কটনত পঢ়িবলৈ অহাৰ সাহস আৰু প্ৰেৰণা দিছিল মালিক ককাইটিয়ে। কটনত তেতিয়া

পঢ়ি থকা মোৰ ডাঙৰ মামাৰ ল'ৰা, একালৰ সুন্দৰ গল্পকাৰ আৰু এতিয়া সুদক্ষ প্ৰশাসক, বৰ্তমান গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত চৈয়দ নজিবুৰ ৰহমান আছিল মোৰ আশ্ৰয় আৰু আস্থাৰ উৎস । ভয়, নিৰাপত্তাহীনতা, অনিশ্চয়তাৰ, মিশ্ৰিত অনুভূতিত কটনত ভৰি দিলোঁহি। অজিত নেওগৰ দৰে চোকা ল'ৰা, কেইসপ্তাহমানৰ আগতে হঠাৎ অসুস্থ হৈ মৃত্যু হোৱা প্ৰিয় বন্ধুৱা আৰু বৰ্তমান আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যাপক ৰবিন তালুকদাৰৰ নিচিনা স্মাৰ্ট আৰু স্থানীয় সহপাঠী, শ্বামীম আখতাৰ (গুৱাহাটী কলেজৰ আধ্যাপিকা, অনাতাঁৰ আৰু দূৰদৰ্শনৰ অভিনেত্ৰী), ৰেণু লস্কৰ (অলপতে দুৰাৰোগ্য কৰ্কট ৰোগত পৰি মৃত্যুবৰণ কৰা গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যাপিকা ৰেণু শইকীয়া), ৰীণাৰ (বৰ্তমান ডিব্ৰুগড়ৰ এম. ডি. কে. কলেজৰ অধ্যাপিকা ৰাজিয়া ইছলাম) নিচিনা অতি সংবেদনশীল আৰু উচ্চ মনৰ বান্ধৱীৰ সংস্পৰ্শ, মুকুলকাৰ(গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অধ্যাপক ইৰশ্বাদ আলী) নিচিনা স্নাতকৰ শেহান্ত বৰ্ষৰ জ্যেষ্ঠ কটনিয়ানৰ পৰা পোৱা মৰম আৰু উৎসাহ আদিৰ মাজত আৰম্ভ হৈছিল কটনত আমাৰ সোণালী দিনবোৰ।

আমাৰ সোণালী দিনবোৰৰ কিছুমান অবিস্মৰণীয় কথা আৰু ঘটনা এই সাধাৰণ প্ৰবন্ধটোত আলোকপাত কৰিবলৈ বিচাৰিছোঁ এইবাবে যে বহু ঘাত-প্ৰতিঘাত, আনন্দ-বিষাদৰ মাজেদি নাহৰণি গাঁৱৰ এজন অখ্যাত ল'ৰাই যোৱা তিনিটা দশকত ছাত্ৰ হিচাপে, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক হিচাপে, গৱেষক হিচাপে আৰু সদ্যহতে অমিয় কুমাৰ দাস ইন্‌ষ্টিটিউট অব ছ'চিয়েল চেইঞ্জৰ সঞ্চালক হিচাপে প্ৰতিষ্ঠিত হোৱাৰ আঁৰত আৰু দেশে-বিদেশে বহু বিশ্ববিদ্যালয়ত গৱেষণা আৰু পাঠদান কৰাৰ বিৰল সৌভাগ্য লাভৰ গুৰিতে আছিল কটনৰ সোণালী দিনবোৰত এক কল্পনাতীত সুন্দৰ শৈক্ষিক পৰিৱেশত আহৰণ কৰা অমূল্য জ্ঞান, পঢ়া আৰু জীৱনক সঠিকভাৱে বুজাবৰ সুযোগ আৰু অতিকৈ মেধাৱী ছাত্ৰ আৰু শিক্ষকৰ সৈতে ভাবৰ আদান-প্ৰদান। আজি কটনৰ শতবৰ্ষীয় পূৰ্তিত নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰা আৰু আমাৰ জীৱনৰ উন্নতিৰ সৈতে জড়িতসকলক প্ৰণিপাত কৰাৰ উদ্দেশ্যৰে পুৰণি কথাবোৰ ৰোমন্থন কৰিব বিচাৰিছোঁ।

(এক)

আমি থকা ছাত্ৰাবাস আছিল কটন মুছলিম হোষ্টেল। ১৯০২ চনত স্থাপিত এই হোষ্টেলে গঢ় দিছিল অসমৰ আগশাৰীৰ বহুজন ব্যক্তিক। কটন কলেজৰ মাজ-মজিয়াত ভৰি দিয়াৰ আগতে সোমাইছিলো এই ঐতিহাসিক ছাত্ৰাবাসত— চি. এম. হোষ্টেলত। আজি তাৰ নতুন নাম শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস। বহুতো চিৰস্মৰণীয় কাহিনী আজিও মনৰ মাজত উদ্ভাসিত। কটনৰ চহকী লাইব্ৰেৰী আৰু তেতিয়াৰ জিলা পুথিভঁৰালৰ পৰা অনা অলেখ কিতাপ পঢ়াৰ অভ্যাস হৈছিল এই ছাত্ৰাবাসতে। কিতাপ পঢ়াত মোৰ জীৱনৰ দুজন বন্ধুৰ অপৰিসীম অৱদান আছিল। কুৰালগুৰি হাইস্কুলত পঢ়ি থাকোঁতে বিজয় দত্তই সকলো ধৰণৰ কিতাপ পঢ়িবলৈ সুবিধা দিছিল। ষ্টুডেন্ট ষ্টোৰচৰ মালিক নবেন দত্তৰ জ্যেষ্ঠ সন্তান বিজয় এতিয়া অসমৰ আগশাৰীৰ প্ৰকাশক। বিজয়ে দেউতাকৰ দোকানলৈ অহা বছা বছা কিতাপ পোনতে নিজে পঢ়ি মোক পঢ়িবলৈ দিছিল দুটা চৰ্তত— কিতাপ বিমানেই ডাঙৰ নহওক, এসপ্তাহৰ ভিতৰত পঢ়ি ঘূৰাই দিব লাগিব আৰু কিতাপখন দিওঁতে যি অৱস্থাত আছিল তাৰ অলপো হেৰফেৰ নোহোৱাকৈ ঘূৰাই দিব লাগিব। বিজয়ৰ যোগেদি পোৱা দুখন

অমৰ বাংলা গ্ৰন্থ 'গীতাঞ্জলী' আৰু 'দেবদাস' পঢ়ি বাংলা সাহিত্যৰ সৈতে পৰিচিত হৈছিলো। কটনত মোৰ অতি ঘনিষ্ঠ সহপাঠী আদিল-উল-য়াচিনৰ (বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ৰীডাৰ) সংস্পৰ্শত কিতাপ পঢ়াৰ ধাউতি বাঢ়িছিল। কিতাপ পঢ়ি আমাৰ মাজত হৈছিল গভীৰ চৰ্চা। দুটাকৈ চহকী পুথিভঁৰালত পোৱা বিভিন্ন ধৰণৰ বছা বছা অলেখ কিতাপ পঢ়িছিলো। এনেদৰে পঢ়াৰ মাজতে কোনোবা এজনে এখন 'গৰম' উপন্যাস আনিছিল— 'সুবালা'। এইখনেই আছিল মই পঢ়া হোমেন বৰগোহাঞিৰ প্ৰথম উপন্যাস। যেন একেটা উশাহতে আমি উপন্যাসখন পঢ়া শেষ কৰি তাৰ কেন্দ্ৰীয় মৰ্মকথা আলোচনা কৰাত বহিছিলো— আৰ্থ-সামাজিক কাৰণত নাৰীয়ে দেহ বিক্ৰী কৰিব লগাত পৰাৰ নিচিনা মৰ্মান্তিক বেদনাৰ কথা। আৰু আজি ভাবিলে আচৰিত হওঁ আমি ইমান কম বয়সত কিমান গভীৰচিন্তা আৰু বিশ্লেষণ কৰিব পৰা হৈছিলো। কটনতে ব্যাপকভাৱে কিতাপ পঢ়াৰ অভ্যাসে আমাৰ ভালেকেইজনৰ মানসিক পৰিসৰ প্ৰসাৰিত হোৱাত সহায় কৰিছিল- যিটো আমাৰ পিছৰ জীৱনৰ অমূল্য সম্পদ হৈ পৰিছে। অসংখ্য কবিতা আৰু উৰ্দু শ্বায়েৰী মুখস্থ কৰিছিলো, আৰু যেন হৈ পৰিছিলো একোটা প্ৰাণ-প্ৰাচুৰ্যময়ী দুৰ্জেয় ৰোমাণ্টিক সত্তা।

পঞ্চাশৰ দশকত প্ৰায় একে সময়তে চি. এম.ত আছিল কেবাজনো অতি সংবেদনশীল সাহিত্যানুৰাগী ছাত্ৰ– যিসকল পিছৰ জীৱনত অসমীয়া ভাষা-সাহিত্যলৈ অনবদ্য অৱদান যোগাবলৈ সমৰ্থ হৈছিল। তেওঁলোকৰ ভিতৰত ইমৰাণ শ্বাহ, চৈয়দ ইস্কে আলম, ইমদাদ উল্লা, চাইদুল ইছলাম আৰু চৈয়দ আব্দুল হালিম উল্লেখযোগ্য। 'সমন্বৰ' নাম দি তেওঁলোকে এখন হাতেলিখা আলোচনী উলিয়াইছিল। ছাত্ৰাবাসৰ কোনো অখ্যাত ল'ৰাৰ সোণালী হাতৰ আখৰত জন্ম হোৱা অতি মূল্যৱান প্ৰবন্ধ, কবিতা আৰু গল্প থকা এই আপুৰুগীয়া আলোচনীখন আমাৰ হাতত পৰিছিল। আমি সিদ্ধান্ত ল'লো আমিও তেনে এখন আলোচনী প্ৰকাশ কৰিম- হাতেলিখা নহয়, ছপা আকাৰত। যেনে কথা তেনে কাম। জিয়াউদ্দিন আহমদ নামৰ ছাত্ৰ-কবি এজনক সম্পাদক পাতি 'চি. এম. হোষ্টেলৰ আলোচনী' নাম দি আলোচনীখন প্ৰকাশৰ কামত আমি সমূহ ছাত্ৰই একাণপতীয়াকৈ লাগি গ'লো। হোষ্টেলৰ সকলো বাসিন্দাৰ বৰঙণিত নেহৰু ষ্টেডিয়ামৰ ওচৰত থকা সমবায় ছপাশালত আলোচনী মুদ্ৰণ কৰিবলৈ দিলোঁ। নিশা পঢ়া-শুনা সমাপ্ত কৰি, হোষ্টেলৰ ছুপাৰ অতিকৈ মৰমিয়াল ব্যক্তি আশ্ৰাফুৰ ৰহমান ছাৰৰ বিশেষ অনুমতি লৈ আমি কেবাজনো ছাত্ৰই ৰেল ষ্টেশ্যন হৈ ৰেল লাইনৰ ওপৰেদি খোজকাঢ়ি যাওঁ প্ৰুফ চাবলৈ। আমাৰ মনত তেতিয়া সাগৰৰ ঢৌ-সদৃশ অফুৰন্ত উত্তেজনাৰ খলকনি। চি. এম.ৰ প্ৰাক্তন বাসিন্দা চৈয়দ আব্দুল মালিকৰ অপূৰ্ব লিখনী 'চি. এম.ৰ স্মৃতি', প্ৰাক্তন কটনিয়ান ড° ভূপেন হাজৰিকাৰ সাক্ষাৎ আমাৰ বাবে হৈ পৰিল প্ৰেৰণাৰ পৰিধিবিহীন উৎস। এখন সাধাৰণ চিঠিযোগে কৰা অনুৰোধ ৰক্ষা কৰি ভূপেনদাই আমাক দীঘলীয়া সাক্ষাৎ দিছিল। সাক্ষাৎ লোৱাৰ পিছত ছাত্ৰাবাসৰ কোঠাত সোমাই একে উশাহতে যেন সাক্ষাৎকাৰ লিখি উলিয়াইছিল বৰ্তমানৰ অসম সচিবালয়ত কাম কৰি থকা, নাট্যকাৰ, গল্পকাৰ, সুৰকাৰ আৰু সুগায়ক চৈয়দ ফাৰুক হুছেইনে। নৱাগত আদৰণি সভাত প্ৰসিদ্ধ সংস্কৃত পণ্ডিত অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা ছাৰে আমাৰ আলোচনীখন মুকলি কৰে। প্ৰসিদ্ধ চিত্ৰশিল্পী ত্ৰৈলোক্য দত্তই আলোচনীখনৰ বেটুপাত আঁকি দিছিল। আলোচনীখনে কটনতে নহয়, সমগ্ৰ অসমত চাঞ্চল্যৰ সৃষ্টি কৰিলে।

ড° ভূপেন হাজৰিকাৰ দ্বাৰা সম্পাদিত 'আমাৰ প্ৰতিনিধি'ৰ ১৯৬৭ চনৰ বিহু সংখ্যাত আমাৰ আলোচনীত প্ৰকাশ পোৱা চৈয়দ আব্দুল মালিকৰ 'চি এমৰ স্মৃতি' আৰু মোৰ গল্প 'এপিটাফ' পুনৰ মুদ্ৰিত হোৱাত আমাৰ উৎসাহ-উদ্দীপনাৰ পাৰাপাৰ নোহোৱা হৈছিল। পিছে এই আলোচনীখন স্বাভাৱিক কাৰণত বেছি দিন জীয়াই নাথাকিল।

কটন কলেজত তেতিয়া কলেজ সপ্তাহ অতি ধুম-ধামেৰে হৈছিল। সঙ্গীত, তৰ্ক আৰু নাট প্ৰতিযোগিতাই সৰ্বাধিক গুৰুত্ব লাভ কৰিছিল। তেতিয়া পদাৰ্থ বিজ্ঞানৰ অধ্যাপক শ্যামা প্ৰসাদ শৰ্মা ছাৰৰ পৰিচালনা আৰু সুশীলদা (বিখ্যাত অভিনেতা-নাট্যকাৰ, বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুশীল গোস্বামী) অভিনীত আৰু তেওঁৰে পৰিচালনাত পৰিৱেশিত নাটকৰ লগত প্ৰতিযোগিতা কৰি আমাৰ ছাত্ৰাবাসে মঞ্চস্থ কৰা পৰীক্ষামূলক নাটক 'ভিক্ষা'ই সৰ্বশ্ৰেষ্ঠ নাটক হোৱাৰ নিচিনা ঘটনাৰ লগত আমাৰ বহুত স্মৃতি জড়িত আছিল। নিশা খোৱা-বোৱাৰ পিছত চকীদাৰৰ পৰা চাবি খুজি কটনৰ অ'ডিট'ৰিয়ামত আমি ষ্টেজ আখৰা কৰিছিলো কোনোৱে নজনাকৈ। বাৰম্বাৰ ষ্টেজ আখৰা দিয়াৰ কাৰণে নাটকখন প্ৰতিযোগিতাৰ দিনা নিখুঁতভাৱে মঞ্চস্থ কৰিব পাৰিছিলো। সূত্ৰধাৰৰ ভাওত চিৰাজৰ সোণালী কণ্ঠৰ সংলাপ আৰু অপূৰ্ব অভিনয়, আৰু ভিখাৰীৰ ভাওত চুনুকাৰ সুন্দৰ অভিনয় নিশ্চয় তেতিয়াৰ বহুতো কটনিয়ানৰ মনত আজিও বিদ্যমান।

(দুই)

কটন কলেজত তেতিয়া অধ্যক্ষ আছিল নুৰুল ইছলাম ছাৰ। তেওঁৰ বিষয়ে আমাৰ এটা দীঘলীয়া প্ৰবন্ধ 'আমাৰ অসম'ত প্ৰকাশ হৈ গৈছে। যামিনীদাৰো (গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা ড° যামিনী ফুকন) এটা দীঘলীয়া প্ৰবন্ধত তেওঁৰ প্ৰশাসনিক বিচক্ষণতা, সুউচ্চ ব্যক্তিত্ব আৰু অমলিন কাৰ্যকালৰ বিষয়ে 'আমাৰ অসম'তে প্ৰকাশ পাইছিল। সেয়ে আমি এই দিশটো সেইবাবে বাদ দি যাব বিচাৰিছোঁ। তেওঁৰ অধ্যক্ষতাৰ সময়ছোৱাৰ কটনৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কথা শত-সহস্ৰ ছাত্ৰই আজিও শ্ৰদ্ধাৰে সোঁৱৰে। এই লেখাত আমাৰ জীৱনত বিশেষ প্ৰভাৱ পেলাই যোৱা কটনৰ কেবাগৰাকী অধ্যাপকৰ কথা আমি শ্ৰদ্ধাৰে সুঁৱৰিব বিচাৰিছোঁ। প্ৰথমতে অধ্যাপক আশ্ৰফ আলী ছাৰৰ কথা আজি মনলৈ আহিছে। সুউচ্চ ব্যক্তিত্বৰ এইগৰাকী অধ্যাপক তেতিয়া ৰাজনীতি বিজ্ঞানৰ মুৰব্বী আছিল। 'কটনৰ বাঘ' বুলি সকলোৱে অতিকৈ ভয় আৰু শ্ৰদ্ধা কৰা আশ্ৰফ আলী ছাৰৰ ওচৰত মই এটা কথাত সদায় ঋণী। ৰাজনীতি বিজ্ঞানৰ প্ৰতি তেৱেঁই আমাৰ ধাউতি বঢ়াইছিল। তেওঁৰ অনুপ্ৰেৰণাতে মই ৰাজনীতি বিজ্ঞানত অনাৰ্ছ লৈছিলো। দামী কিতাপ কিনিবলৈ মোৰ সামৰ্থ্য নথকাৰ কথা জানি তেওঁ ব্যক্তিগত কিতাপ দি মোক সহায় কৰিছিল। অতিকৈ নিয়মানুৱৰ্তী আৰু আচৰণত অতিকৈ মৰমিয়াল ছাৰ গৰাকী পাঠদানত অতিকৈ নিষ্ঠাবান আছিল। কোনোদিনে পাঠদান ক্ষতি কৰা নাছিল। আনকি কেতিয়াবা নৰীয়া দেহাৰে আবেলি তিনি বজাতো পাঠদান কৰিবলৈ আহিছিল। অধ্যাপক কৃপেশ চন্দ্ৰ পাল ছাৰ আছিল অন্যগৰাকী শিক্ষক— বিজনৰ দক্ষ শিক্ষকতাৰ কথা আমি কাহানিও পাহৰিব নোৱাৰোঁ। বিষয়বস্তুৰ ওপৰত গভীৰ দখল আৰু প্ৰকাশ ভঙ্গীত পটু পাল ছাৰে আমাক শিক্ষাদান আৰু গৱেষণাৰ পথ ল'বলৈ অনুপ্ৰাণিত কৰিছিল। ইংৰাজী বিভাগৰ বসন্ত- বৰুৱা ছাৰৰ কথা বোধহয় কোনো ছাত্ৰই পাহৰিব

নোৱাৰে। দেখাত তেওঁ যিমান সুদৰ্শন, পিন্ধনত সিমান পৰিপাটি, সোণালী কণ্ঠস্বৰেৰে ছাৰে যেতিয়া কীটচ, বায়ৰণ বা শ্বেলিৰ কবিতা পাঠ কৰি আমাক বুজাইছিল আৰু কবিতাৰ নানাদিশ বিন্যাস কৰিছিল তেতিয়া আমাৰ এনে লাগিছিল— স্বয়ং কবিয়েহে যেন তেওঁৰ কবিতা আমাৰ আগত আহি আবৃত্তি কৰি বুজাইছিল। কটন কলেজৰ কথা মনত পৰিলে এগৰাকী অতিকৈ মৰমিয়াল অধ্যাপকৰ কথা নিশ্চয় বহুতৰে মনত পৰিব। অধ্যাপক বিনয় ভূষণ চৌধুৰী। সকলোকে 'গাধা' বুলি মতা (আনকি কথাৰ ভমকত কেতিয়াবা তেওঁ অধ্যক্ষ নুৰুল ইছলাম ছাৰকো হেনো এই সম্বোধনৰ পৰা ৰেহাই নিদিছিল), মুখত চিগাৰেট এটা জ্বলাই লৈ এবাৰো হাতেৰে স্পৰ্শ নকৰাকৈ আৰু অলপো ধোঁৱা মুখৰ ভিতৰলৈ নটনাকৈ চিগাৰেট শেষ কৰা চৌধুৰী ছাৰে নিতৌ দেখাৰ ছাত্ৰ-ছাত্ৰীক কেণ্টিনত চাহ-টিংবাৰে আপ্যায়িত কৰিছিল। তেওঁৰ 'গাধা' সম্বোধনৰ বিষয়ে নানা কাহিনী শুনিবলৈ পোৱা গৈছিল। আমি পঢ়ি থকা সময়ত অধ্যাপক দেৱেন দত্ত ছাৰে কটনত যোগদান কৰিছিল। অতিকৈ 'স্মাৰ্ট', আখৈ ফুটাদি ইংৰাজী মুখত ফুটা দেৱেন দত্ত ছাৰক কলেজৰ প্ৰথমদিনাই চৌধুৰী ছাৰে 'গাধা' বুলি মাতি হেনো ডাঙৰ পয়মাল সৃষ্টি কৰিছিল। সেই সময়ত দত্ত ছাৰৰ বিষয়েও নানা কাহিনী শুনিবলৈ পাইছিলো। ছাৰে হেনো অসমীয়া ভালকৈ ক'ব নাজানিছিল বা জানিলেও নকৈছিল। ছাৰে বোলে 'ক'টো 'খ' বুলি 'প'টো 'ফ' বুলি উচ্চাৰণ কৰিছিল। যেনে— 'মেখৰী, আহিছে চেকুৰি, জুহালৰ ফাললৈ, ফোৰা মাছ খাবলৈ...'। পিছত যেতিয়া তেওঁক নিচেই ওচৰৰ পৰা জনাৰ সুযোগ পাইছিলো, তেতিয়া আঁতৰিছিল এনেবোৰ মুখৰোচক অবাস্তৱ ধাৰণা। শব্দ বাছনি আৰু প্ৰয়োগত অতিকৈ পটু, পাঠদানত অতিকৈ দক্ষ, ছাত্ৰৰ লগত মধুৰ সম্পৰ্ক ৰখা, সু-অভিনেতা আৰু বৰ্তমান গ্ৰাহক সুৰক্ষা আন্দোলনৰ অগ্ৰণী ব্যক্তি অধ্যাপক দেৱেন দত্ত ছাৰ আমাৰ বহুতৰে অতি শ্ৰদ্ধাৰ শিক্ষক আছিল। বাক্য গাঁথনি আৰু শব্দৰ উচিত প্ৰয়োগৰ বহুত কথা তেওঁৰ ওচৰতে শিকিছিলো। দুগৰাকী অতি মেধাৱী শিক্ষকক আমি কম সময়ৰ বাবে পাইছিলো। এগৰাকী হ'ল— অসমৰ বৰ্তমান মুখ্য সচিব প্ৰণৱ কুমাৰ বৰা। অত্যন্ত সুন্দৰ চেহেৰাৰ বৰা ছাৰক ছাত্ৰই দেৱানন্দ বুলি জানিছিল। তেওঁ William Black-ৰ 'Tiger' কবিতাটি উদাত্ত কণ্ঠে পাঠ কৰি আমাক বুজাই দিয়াৰ কথা আজিও আমাৰ মনত সজীৱ হৈ আছে। আনজন আছিল অতিকৈ সুন্দৰ চেহেৰাৰ সু-শিক্ষক প্ৰবীণ কুমাৰ গগৈ ছাৰ।

অসমৰ বৌদ্ধিক জগতখনৰ পথ-প্ৰদৰ্শক বুলি পৰিচিত কটন কলেজত অনুষ্ঠিত হৈছিল অতি উচ্চ মানবিশিষ্ট তৰ্ক প্ৰতিযোগিতা, মক পাৰ্লিয়ামেণ্ট। কটনৰ বহা বহা ছাত্ৰৰ লগতে অধ্যাপকসকলে আৰু দীনেশ গোস্বামীৰ নিচিনা অসমৰ আগশাৰীৰ বাকপটু ব্যক্তিয়ে এইবিলাকত অংশগ্ৰহণ কৰিছিল। তেনেদৰে হৈছিল ক্ৰীড়া প্ৰতিযোগিতা, শৰীৰ চৰ্চা আৰু সাধাৰণ জ্ঞানৰ পৰীক্ষা। কটনৰ পুথিভঁৰাল আছিল অতি চহকী। এডৱাৰ্ড গিবনৰ 'The Decline and Fall of the Roman Empire'ৰ নিচিনা দুষ্প্ৰাপ্য গ্ৰন্থৰ পৰা আৰম্ভ কৰি আধুনিক গল্প-উপন্যাসলৈকে বহা বহা কিতাপৰ সম্ভাৰেৰে এই পুথিভঁৰাল পুৱা ন বজাৰ পৰা আৰম্ভ কৰি নিশা আঠ বজালৈকে মুকলি আছিল। এই পুথিভঁৰালতে ঠন ধৰি উঠিছিল অলেখ সংবেদনশীল আৰু তীক্ষ্মধী মন।

কটনৰ সোণালী দিনবোৰৰ অনেক স্মৰণীয় কথাৰ মাজত দুটামান কথাই আমাৰ মনত অতি গভীৰভাৱে ৰেখাপাত কৰি গ'ল। এটা হ'ল— কটনৰ ছাত্ৰ সভাৰ সাধাৰণ সম্পাদক

সুশীলদাৰ অনন্য নেতৃত্ব। আনটো হ'ল— তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাৰ মেধাৱী আৰু অতি দুখীয়া ছাত্ৰৰ প্ৰতি চেনেহ। সুশীলদাৰ সুন্দৰ চেহেৰা আৰু ব্যক্তিত্বই ছাত্ৰ সমাজক মোহিত কৰি ৰাখিছিল। সেই সময়ৰ খাদ্য অনাটনক কেন্দ্ৰ কৰি যি আন্দোলন হৈছিল তাত তেওঁ সঠিক নেতৃত্ব দিব পাৰিছিল। তেওঁৰ নেতৃত্বৰ স্বাভাৱিক গুণৰ কাৰণে সকলো ছাত্ৰই তেওঁক শ্ৰদ্ধাৰে মানি চলিছিল। এবাৰ কেইজনমান ছাত্ৰই সন্দিকৈ ছোৱালী কলেজৰ ছাত্ৰীক অশালীন আচৰণ কৰা বুলি অভিযোগ পাই তেওঁ ইউনিয়ন হলত সকলো ছাত্ৰক মাতি আনি কঠোৰ ভাষাত সকলোকে ভৰ্ৎসনা কৰিছিল আৰু সকলো ছাত্ৰই তেওঁৰ কঠোৰ ভাষণ উচিত অৰ্থত গ্ৰহণ কৰিব পাৰিছিল। পৰিসমাপ্তি ঘটিছিল তেনে ধৰণৰ সমাজ-বিৰোধী কামৰ। এজন সাধাৰণ সম্পাদকৰ ইমান সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকিব যে পাৰে, সেয়া আজি বিশ্বাস কৰিবলৈ কঠিন। আজিৰ কটনিয়ানে সুশীলদাৰ দৰে সুউচ্চ ব্যক্তিত্বৰ ছাত্ৰনেতা পোৱাটো সম্ভৱ বুলি ভাবিবলৈ টান । তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই কটনৰ ভালেকেইজন মেধাৱী ছাত্ৰক আৰ্থিক সমৰ্থন দি পঢ়াইছিল। আমি পঢ়ি থকা সময়ছোৱাত আমাৰ ছাত্ৰাবাসৰ দুজন অতি মেধাৱী কিন্তু আৰ্থিক দিশত দুৰ্বল ছাত্ৰক তেওঁ পঢ়াইছিল। প্ৰতিমাহে তেওঁলোকলৈ মাহিলি খৰচ দিয়াৰ লগতে তেওঁ শ্বিলঙৰ পৰা গুৱাহাটী অভিমুখে নামি আহিলেই ছাত্ৰাবাসত সোমাই এই ছাত্ৰসকলৰ নিজে খা-খবৰ লৈ, নিজে তেওঁলোকক লৈ কিতাপৰ দোকানৰ পৰা লাগতিয়াল কিতাপ কিনি দিয়া দেখি আমি তবধ মানিছিলো। তেওঁ সহায় কৰি থকা এজন অতি মেধাৱী ছাত্ৰই পঢ়া-শুনাৰ প্ৰতি আওকাণ কৰি বিপথগামী হোৱা বুলি জানিব পাৰি তেওঁ হঠাৎ হোষ্টেলত সোমাই ল'ৰাজনক খেদি ফুৰা আমি নিজে দেখিছিলো। আজিৰ যুগত এনেবোৰ কথা অবিশ্বাস্য আৰু সাধুকথা যেন লাগিব। তেওঁ দেখুৱাই যোৱা অনুপম উদাহৰণে আমাকো কেতিয়াবা অভাৱগ্ৰস্ত ছাত্ৰক সহায় কৰিবলৈ অনুপ্ৰাণিত কৰে। নানা ঘটনাৰ মাজত ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধ চলি গ'ল। আকাশমাৰ্গত বিমান বিধ্বস্ত কৰিব পৰা কামানৰ গুলীয়ে গুৱাহাটীৰ নিশাৰ আকাশত দীপাৱলী পতাৰ নিচিনা লগা দেখি আমি ছাত্ৰাবাসৰ বাসিন্দাই স্ফূৰ্তি পাইছিলো। কিন্তু পিছ মুহূৰ্ততে যেতিয়া চাইৰেণৰ বিকট শব্দ শুনিবলৈ পালোঁ তেতিয়া সকলো যেন বিব্ৰত হৈছিলো। পিছদিনাৰ পৰা গুৱাহাটীৰ নাগৰিকৰ লগত লগ হৈ আমি কটনিয়ানসকলে যুদ্ধ অস্ত নোহোৱালৈকে নিশা দলে দলে বাট-পথ, দলং, ৰাজহুৱা সম্পত্তিৰ নিৰাপত্তাৰ দায়িত্ব লৈ পহৰা দিছিলো। এক প্ৰচণ্ড দেশপ্ৰেমৰ আলোড়নে আমাৰ কুমলীয়া মন ৰোমাঞ্চিত কৰি তুলিছিল। মোৰ ককাদেউতা আৰু খুৰা আছিল স্বাধীনতা সংগ্ৰামী। ককাদেউতাৰ মুখত শুনিছিলো দেশপ্ৰেমৰ বহুত কাহিনী। এইখন যুদ্ধই যেন আমাৰ দেশত অলেখ পৰমবীৰ আব্দুল হেমিদক জন্ম দিলে। পহৰা দিবলৈ ওলোৱা প্ৰথমটো দলত মোৰ নাম নপৰাত দেশসেৱা কৰাৰ সুযোগ যেন চিৰদিনলৈ মই হেৰুৱাই পেলাইছিলো। সেই বাসনা তৃতীয় নিশা পূৰণ হোৱাতহে মোৰ মনলৈ শান্তি আহিছিল। আজিও মনত পৰে— স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস কিমান উলাহেৰে আমি চি. এম. হোষ্টেলত পাতিছিলো। হোষ্টেলৰ ছুপাৰৰ নেতৃত্বত সদলবলে মাৰ্চ কৰি আমি ইউনিয়ন হলৰ আগত, ত্ৰিৰঙ্গ পতাকাৰ তলত আৰু নুৰুল ইছলাম ছাৰৰ সন্মুখত সমৱেত হৈ নিষ্ঠাৰে দেশসেৱা কৰাৰ পণ গ্ৰহণ কৰিছিলো। পিছে আজি দুটা দশক ধৰি আমি এই পবিত্ৰ দিনটো ৰাজহুৱাকৈ উদ্‌যাপন কৰিবলৈ নোপোৱাৰ বেদনা নীৰৱে সহি আহিছোঁ।

কটনৰ সেই অবিস্মৰণীয় দিনবোৰে যেন আমাক সম্পূৰ্ণ ব্যক্তি আৰু স্বদেশপ্ৰেমী নাগৰিক হ'বলৈ শিকাইছিল।

চাৰিটা সোণালী বছৰ যেন এটা পলকত শেষ হৈ গ'ল। স্নাতক মহলাৰ শেহান্ত পৰীক্ষা দি ৰাজনীতি বিজ্ঞানৰ অনাৰ্ছসহ সুখ্যাতিৰে বি.এ. পাছ কৰি কোনোবা এটা দিনত অধ্যক্ষ ইছলাম ছাৰৰ পৰা চাৰ্টিফিকেটখন লৈ কটন কলেজ এৰি গুচি আহিলোঁ। সেয়া যেন সৌ-সিদিনাৰ কথা। এইবোৰ সুঁৱৰিবলৈ যাওঁতে বসন্ত বৰুৱা ছাৰে তেওঁৰ গুৰলা কণ্ঠৰে আবৃত্তি কৰা শ্বেলিৰ 'The Recollection' নামৰ অমৰ কবিতাটিৰ প্ৰথম চাৰিটা শাৰী আজি অৰ্থপূৰ্ণভাৱে কাণত বাজি উঠিছে—

Now the last day of many days
All beautiful and bright as thou
The loveliest and the last, is dead
Rise, Memory, write its praise !

সময়ৰ প্ৰচণ্ড খৰস্ৰোতা গতিত আমাৰ দিনৰ সৰু-বৰ ঘটনাবোৰৰ ছবি হেৰাই গ'ল। বহুতৰে কাৰণে হয়তো ইয়াৰ মূল্য নাই। কিন্তু আমাৰ দৰে পিছপৰা গাঁৱৰ সাধাৰণ ল'ৰা এজনক জীৱনটো ইতিবাচক দৃষ্টিৰে চাবলৈ শিকোৱা, জ্ঞান আহৰণ আৰু শিক্ষাদানৰ নিচিনা মহান ব্ৰতক আঁকোৱালি ল'বলৈ শিকোৱা কটন কলেজৰ অবিস্মৰণীয় সময়ছোৱাক শ্ৰদ্ধাৰে ৰোমন্থন কৰাটো আমাৰ এক পবিত্ৰ কৰ্তব্য। ❑

উমেশ চন্দ্ৰ মজুমদাৰ

লক্ষ্যস্থান কটন তৃতীয় ছাত্ৰাবাস

বৰ বেছি পুৰণি বা বৰ নতুন দিনৰ কথাও নহয়। সেয়া আজিৰ পৰা একুৰি সোতৰ বছৰ আগৰ অৰ্থাৎ ১৯৬৪ চনৰ কথা। আদবয়সীয়া মানুহ এজনৰ কান্ধত এখন মজলীয়া ওজনৰ ভাৰ। ভাৰখনৰ এফালে এটা ট্ৰাঙ্ক (টিনৰ বাকচ) আৰু আনফালে বিছনাপত্ৰৰে সৈতে এটা হোল্ডঅল। ঘৰৰ পৰা দুমাইল আঁতৰত থকা লাইন বাছৰ ষ্টপেজলৈ বুলি ঘৰৰ সকলোৰে পৰা বিদায় লৈ পথৰুৱা কেঁচা বাটেৰে যাত্ৰাৰ আয়োজন। কান্ধত ভাৰখন লৈ আগে আগে মানুহজন আৰু পিচে পিচে দ্ৰুত পদব্ৰজে মই। বুকুত অনেক আশা আৰু আকাঙ্ক্ষাৰে কৰা এই যাত্ৰাৰ লক্ষ্যস্থান কটন কলেজ তৃতীয় ছাত্ৰাবাস। ভিতৰুৱা গাঁৱৰ স্কুল এখনৰ পৰা স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৪ চনত কটন কলেজত নাম ভৰ্ত্তি কৰাৰ পিচৰ দৃশ্য এইটো। নকৈ নোৱাৰো— মানুহৰ দুৰ্ব্বাৰ হেঁপাহ পূৰণ হ'লে যেনে ধৰণৰ আনন্দ অনুভূত হয় তেনেধৰণৰ আনন্দ অনুভূতি লভিছিলো কটন কলেজত নাম ভৰ্ত্তি কৰিবলৈ পাই। জীৱনটো যেন সাৰ্থক হ'ল। সেয়েহে কটন কলেজত কটোৱা চাৰিটা বছৰৰ মধুৰ স্মৃতিয়ে মানস-পটত ভুমুকি মাৰে এতিয়াও।

মোৰ ল'ৰা-ছোৱালী হ'লে কটন কলেজত পঢ়িবলৈ সুযোগ নোপোৱাৰ বাবে আক্ষেপ কৰে কিন্তু সিহঁতৰ দেউতাকে যে কটন কলেজত পঢ়িছিল তাকে লৈ গৌৰৱ কৰে। কটন কলেজৰ গৌৰৱময় স্থিতিৰ ইয়ো এটা উল্লেখনীয় দিশ নহয়নে?

লক্ষ্যস্থান কটন কলেজ তৃতীয় ছাত্ৰাবাস। বেছিকৈ নামনি অসমৰ আৰু কিছু উজনি অসমৰ মেধাবী ছাত্ৰৰে ভৰপূৰ এই আৱাসস্থল। কটন কলেজৰ প্ৰশাসনীয় ভৱনৰ নিচেই ওচৰতে থকা এই ছাত্ৰাবাসৰ সম্মুখতে আছিল কলেজৰ কেণ্টিনখন। নাতিদূৰত ইউনিয়ন হল। সকলো যেন হাতে ঢুকি পোৱাতে আছে। পোন প্ৰথমবাৰৰ বাবে ছাত্ৰাবাসটোত সোমাওতে মনত কিছু সংশয় আৰু সংকোচ আছিল যদিও দুদিনমানতে সকলো সহজ হৈ গ'ল— ন-পুৰণি আৱাসীৰ আকলুৱা সমিলমিলত। ছাত্ৰাবাসটোৰ সেই সময়ৰ অধীক্ষক আছিল গহীন গম্ভীৰ, নিৰ্জ্জু প্ৰকৃতিৰ, গণিতজ্ঞ, অধ্যাপক ৰজনীকান্ত ছাৰ— সদ উপদেশ আৰু নিৰ্দ্দেশৰ বাবে যিজন আমাৰ সকলো আৱাসীৰে শ্ৰদ্ধাভাজন হৈছিল।

কটন কলেজত পঢ়াৰ আগলৈকে ৰেগিং কি বস্তু শুনাও নাছিলো, বুজি পোৱাও নাছিলো। ছাত্ৰাবাসত আহিহে ইয়াৰ অভিজ্ঞতা হ'ল। সেই সময়ত আমাৰ ছাত্ৰাবাসত ৰেগিং বৰ কঠোৰ বা বৰ ঢিলাও নাছিল। মোৰ মানস পটত দুই এটা ৰেগিঙৰ দৃশ্য এতিয়াও স্পষ্ট হৈ জিলিকি আছে। ৰেগিঙৰ সময়ত জ্যেষ্ঠ আৱাসী এজনে মই গান গাব জানো নে নেজানো বুলি সোধাত মই যেতিয়া অলপ অচৰপহে জানো বুলি ক'লো তেতিয়া মোক নাচি নাচি এটা গান গাবলৈ আদেশ দিলে। ময়ো উপায় নাপাই লাজ মান কাটি কৰি অলপ খুহুতীয়া নাচেৰে সেই সময়ত চলি থকা "শকুন্তলা" নামৰ বোলছবিখনৰ— "প্ৰথম প্ৰহৰ ৰাত্ৰি ফুলি আছিল চম্পা..." এই গীতটো অতি বেসুৰাকৈ গাইছিলো। মোৰ গান আৰু নাচৰ এনেকুৱা পৰিবেশন দেখি জ্যেষ্ঠ আৱাসীসকলে গিৰ্জ্জনি মাৰি হাঁহি ৰেগিং উপভোগ কৰিছিল। সেই দৃশ্য মনত পৰিলে মই এতিয়াও মাজে মাজে অকলেই হাহোঁ।

মুনীন দাস, বিশ্বজিত ভাগৱতী, দীনেশ গোস্বামী, ভবেন মেনা, বলেন দাস, ক্ষীৰধৰ বৰুৱা আদি অনেক অতি মেধাবী আৱাসীসকলৰ সান্নিধ্যত আহি ছাত্ৰাবাসটোৰ প্ৰতি এক দুৰ্নিবাৰ আকৰ্ষণ অনুভৱ কৰিছিলো। সেই সময়ত ছাত্ৰাবাসটোৰ খানাও আছিল উৎকৃষ্ট ধৰণৰ। সেই খানাৰ বাবে এতিয়াও মনত পৰে হৃষ্ট-পুষ্ট ওখ-পাখ বৰঠাকুৰক (প্ৰধান ৰান্ধনী)। আবেলি টিফিনৰ সময়ত চাহ-লুচি বা মালপোৱাৰ পৰ্য্যাপ্ত আয়োজন— যিয়ে যিমান পাৰে— দহখন পোন্ধৰখন পৰ্য্যন্ত লুচি খাব পাৰে, নতুবা ইচ্ছা কৰিলে পাঁচ-ছয়খন লুচি কাউৰীক খুৱাবলৈ আকাশলৈও দলিয়াব পাৰে। সেয়েহে লক্ষ্য কৰিছিলো যে আবেলিৰ টিফিনৰ সময়ত বহুতো অনা আৱাসী ছাত্ৰইও আমাৰ ছাত্ৰাবাসলৈ আহি কোনোবা আৱাসীৰ ৰুমত সোমাই টিফিনৰ ভাগ লৈছিল— যাৰ বাবে কোনো অতিৰিক্ত ভৰণীৰ ব্যৱস্থা নাছিল। মুঠতে প্ৰাচুৰ্য্য আৰু অপচয় দুয়োটাৰে পৰোভৰ লক্ষণীয় আছিল বুলি ক'ব লাগিব। মোৰ সহপাঠী বন্ধু বিহাবাৰীৰ দিলীপ দাস আৰু ৰবীন তালুকদাৰ— এই দুজনে প্ৰায়ে টিফিনৰ সময়ত মোৰ আলহী হৈছিলহি। এইখিনিতে উল্লেখ কৰিব পাৰি যে ছাত্ৰাবাসটোত গড় হিচাপে জনমুৰি মাহেকীয়া খোৱা খৰচ ৪৫ টকাৰ পৰা ৫৫ টকাৰ

ভিতৰতে হৈছিল। ৬০ টকাৰ ওপৰলৈ নগৈছিলেই বুলি ক'ব পাৰি। আমাৰ ঘৰুৱা অৱস্থা অনুসৰি দেউতাই মোক মাহিলি ৭০-৭৫ টকামান দিছিল আৰু তাৰে মই মোটামুটিভাৱে বৰ বেছি অসুবিধা নোহোৱাকৈ চলিব পাৰিছিলো। মনত আছে ১৯৬৫-৬৬ চনৰ বাবে পোৱা OBC scholarship ৰ টকাৰ কথা। সেইবাৰ টকা পোৱাৰ পিছত কমাৰপট্টিত থকা সেই সময়ৰ বিখ্যাত কাপোৰৰ দোকান মোহিনী ষ্টোৰত সম্পূৰ্ণ চুট এযোৰৰ অৰ্ডাৰ দি চিলাইছিলো মাত্ৰ ১৪০ টকাত কাপোৰ আৰু চিলাই সহ। এতিয়া ভাবিলে আচৰিত লাগে।

চাওঁতে চাওঁতে এটা সময়ত তৃতীয় ছাত্ৰাৱাসৰ পুৰণি আৰু জ্যেষ্ঠ আৱাসী হলোগৈ। সেয়ে কটন কলেজ ছাত্ৰসন্থাৰ বিষয়ববীয়া হ'বলৈ মন গ'ল। স্নাতক দ্বিতীয় বৰ্ষত (১৯৬৬-৬৭) মোৰ ৰুমমেট আছিল ধীৰেন্দ্ৰ চন্দ্ৰ ৰাভা আৰু বৰুণ শইকীয়া—একে শ্ৰেণী সহপাঠী। আলচ কৰি আমি তিনিওজনেই ছাত্ৰ সন্থাৰ নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলো আৰু জয়ীও হলো। ৰাভা নিৰ্বাচিত হ'ল কটনিয়ানখনৰ সম্পাদক হিচাপে আৰু শইকীয়া আৰু মই নিৰ্বাচিত হলো ক্ৰমে মাইনৰ গেমচৰ সম্পাদক আৰু ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে। উল্লেখনীয় যে সেইবাৰ আমাৰ ছাত্ৰাৱাসৰ পৰা আমি তিনিজনৰ বাদেও আৰু দুজন আৱাসী—দেৱজ্যোতি দত্ত আৰু উৎপল চক্ৰবৰ্ত্তীয়ে ক্ৰমে তৰ্ক সম্পাদক আৰু সংগীত সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। ছাত্ৰসন্থাৰ বিষয়-ববীয়া হিচাপে কলেজখনৰ বিভিন্ন কাৰ্য্যত নিজকে নিয়োগ কৰাৰ সুযোগ লাভ কৰাটোও মোৰ কলেজীয়া জীৱনৰ এক পাহৰিব নোৱাৰা অভিজ্ঞতা।

স্মৃতিৰ মানস পটত এতিয়াও জিলিকি আছে কলেজখনৰ সেই সময়ৰ অনেক শ্ৰদ্ধাভাজন অধ্যাপকৰ সান্নিধ্য। মনত আছে কঠোৰ অনুশাসনৰ পোষকতা কৰা কলেজখনৰ সেই সময়ৰ অধ্যক্ষ নুৰুল ইচলাম ছাৰক। মনত আছে পৰীক্ষা হলত পৰীক্ষাৰ্থীয়ে বাঘ দেখাদি দেখা শ্ৰদ্ধেয় অধ্যাপকদ্বয়— আশ্ৰফ আলি ছাৰ আৰু জেলিল ছাৰ— যাৰ উপস্থিতিত সাধ্য নাই বুলিয়েই ক'ব পাৰি পৰীক্ষাত কাৰোবাৰ নকল কৰাৰ প্ৰয়াস। মনত আছে অধ্যাপক বসন্ত বৰুৱা ছাৰৰ ইংৰাজী কবিতা বুজোৱাৰ চমকপ্ৰদ ষ্টাইল। মনত আছে সকলোৰে আপোন যেন লগা বিনয় ভূষণ চৌধুৰী ছাৰৰ কথা। চৌধুৰী ছাৰে প্ৰায় সকলোকে তুহুন (তই) বুলি মৰমেৰে সম্বোধন কৰিছিল আনকি অধ্যক্ষ নুৰুল ইচলাম ছাৰ আৰু আন বহুকেইজন জ্যেষ্ঠ অধ্যাপককো সেইদৰে সম্বোধন কৰিছিল। চৌধুৰী ছাৰে চুলিত কলপ লগাইছিল আৰু কেতিয়াবা সেই কলপ মূৰৰ চুলিৰ পিচপিনে বাগৰি গৈ গলধনলৈকে বিয়পিছিল। আমি ধেমালি কৰিবলৈ বুলি ছাৰক কৈছিলো—ছাৰ বাইদেৱে চুলিৰ কলপটো ভালদৰে নলগালেনেকি? তেতিয়া ছাৰে কৃত্ৰিম খং দেখুৱাই আমাক কৈছিল— তুহুন বৰ বজ্জাত হৈছাৰেই— ঘৰত কৈ দিব লাগিব বহ। আমি ছাৰৰ মৰমৰ মাজত সোমাই গৈছিলো যেন।

কটন কলেজ আৰু তৃতীয় ছাত্ৰাৱাস এৰাৰ প্ৰায় তিনি দশকৰো অধিক কাল হ'ল। এতিয়া কলেজখনৰ লগতে পৰিবেশৰো অনেক সলনি হ'ল হয়তো। হোৱাটো স্বাভাৱিক। কিন্তু কটন কলেজ যি— কটন কলেজ। পাহৰিব পাৰে জানো কোনোবাই কটনিয়ান হোৱাৰ মাদকতা?ময়ো নোৱাৰো। ❑

বেণু দত্ত

কটন কলেজ ঃ এটি মিঠা অতীত

কটন কলেজ এটি মিঠা অতীত। কিন্তু হয় জানো? সেয়াযে আজিও ইমান জীৱন্ত, ইমান সজীৱ। অতীত বুলি ক'লে যেন বহুত কিবাকিবি হেৰাই যায়। সেয়েহে কটন কলেজ আজিও সিমানেই মৰমৰ যিমান মৰমৰ আজিৰে পৰা প্ৰায় ৩৭/৩৮ বছৰ আগতে।

কটন কলেজৰ বাহিৰৰ আৱৰণটো সলনি হলেও আমঠুটো একেই আছে। নিউ আৰ্টছ বিল্ডিঙৰ দুয়োকাষে থকা দীঘল বাৰাণ্ডা দুখন, আমাৰ অৰ্থনীতি বিভাগৰ শ্ৰেণীকোঠাটো য'ত আমাৰ শ্ৰদ্ধাৰ ইক্ৰামুদ্দিন শইকীয়া ছাৰ, নগেন শৰ্মা ছাৰ, দিলীপ বৰুৱা ছাৰ, তৃষ্ণা বাইদেউৱে আমাক যথেষ্ট যত্ন সহকাৰে শিক্ষা দান কৰি আজি আমাক শিক্ষা দান কৰিব পৰা কৰি তুলিলে। সেয়া জানো অতীত?

কিন্তু অতীত হৈ গ'ল কিছুমান ক্ষণ, কিছুমান মুহূৰ্ত্ত, কিছুমান কথা, তথাপিও মনত আছে— কটন কলেজত প্ৰথম নাম লগোৱাৰ সময়ৰ কথা। ১৯৬৫ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কটনত এডমিছন লবলৈ গৈ নিজৰ নামটো নুশুনালৈকে থকা উৎকণ্ঠা। সেয়া পাকিস্তানৰ ভাৰত আক্ৰমণৰ সময়। পথূলিবোৰ আৰু বেছি আন্ধাৰ হোৱাৰ সময়। মাজে মাজে ডাঁহি অহা চাইৰেণৰ শব্দত ট্ৰেঞ্চত সোমোৱা অৱস্থা। তেনে এটি সন্ধিয়াতে

এপিট এয়াৰক্ৰাফ্‌ট গানৰ শব্দ শুনি পেটতে হাত-ভৰি লুকাল। ইমান আন্ধাৰ, ইমান ভয় ক'তনো থম বুজিয়েই নাপালো। ৰাতি পুৱাল। পুৱা কলেজলৈ বুলি ওলালো। আমি তেতিয়া ষ্টেডিয়ামৰ ওচৰত থাকোঁ। কলেজলৈ খোজ কাঢ়িয়েই অহা-যোৱা কৰো, কেতিয়াবাহে ৰিক্সাত। কলেজলৈ গৈ থাকোতে মন কৰিলো বাটত মানুহ বৰ সেৰেঙা, একো নাভাবি আগবাঢ়িব ধৰিলো। কলেজৰ, ক্লাচৰ আকৰ্ষণে বোধকৰো একো ভাবিবলৈকে নিদিছিল। দি. এছ. হোষ্টেলৰ চুপাৰ, প্ৰফেছৰ মহেন্দ্ৰ হালৈৰ জীয়েক বিজয়া আমাৰ বন্ধু। তাইক লগ ললো। সদায়েই লওঁ। কিন্তু সেইদিনা তাই মোক দেখি আচৰিত হৈ চিঞৰি উঠিল— "তোৰ ভয় লগা নাই? আজিওটো আক্ৰমণ হ'ব পাৰে। মই নাযাওঁ। তয়ো ঘৰলৈ উভতি যা।" তাইৰ তাৰ পৰা ওলাই ৰাস্তাত ভৰি দিলো। এতিয়া মই কি কৰো? তাইৰ কথাই মোক চিন্তাত পেলাই দিলে। ঘৰলৈ উভতো নে কলেজলৈকে যাওঁ। বাদ দে যি হ'ব লগা আছে হ'বই, নিজকে মনতে সান্ত্বনা দি কলেজলৈ বুলি পোনাই দিলো। হোষ্টেলৰ পৰা এটা চিঞৰ ভাঁহি আহিল— "বেছ সাহ দেই।" পিছে তেওঁলোকৰ সেই চিঞৰটোৱে মোক আৰু ভয়াতুৰহে কৰি তুলিলে। তথাপিও আগবাঢ়ি গৈ কলেজ পালো। কলেজতো উপস্থিতিৰ হাৰ বৰ সেৰেঙা। এটা দুটা ক্লাচ কৰি আকৌ অহা বাটেৰে ঘৰৰ ছোৱালী ঘৰলৈ উভতিলো। কিন্তু এইবাৰ বোধকৰো তেত্ৰিশ কোটি দেৱতাৰ এজনকো বাদ নিদিয়াকৈ স্মৰণ কৰি হঠাতেই যেন বাটটো বহুত দীঘল হৈ গ'ল।

সেইবোৰ দিন জানো অতীত? সেইদৰেই অতীত হৈ নগ'ল মধুৰ চানাচুৰ, দুখু পিয়নৰ ৰঙা দীঘল চোলাটো আৰু নিউ আৰ্টছ বিল্ডিঙৰ N-4ৰ দ্বিতীয় বেঞ্চখন, সেইখন বেঞ্চত যেন মোৰ, বিজয়াৰ, ভাৰতীৰ আৰু নমিতাৰ অধিকাৰ। ইউনিয়ন হলত এডুকেচনৰ ক্লাচ কৰি আৰ্টছ বিল্ডিঙত আশ্ৰফ আলি ছাৰৰ ৰাজনীতি বিজ্ঞানৰ ক্লাচ কৰিবলৈ দৌৰি আহি দেখো যে ক্লাচৰুমটো ইতিমধ্যে সহপাঠীৰে ভৰি পৰিছে। কিন্তু অবিশ্বাস্যভাৱে দ্বিতীয় বেঞ্চখন আমালৈ খালী ৰাখি, আজি সেই সহপাঠীবোৰ ক'ৰবাত হেৰাই গ'ল। হয়তো গম নোপোৱাকৈ কাষতে আছে। কিন্তু মনৰ মণিকোঠাত অত্যন্ত জীৱন্ত হৈ বৈ গ'ল।

আৰু ইলেকচন আৰু সৰস্বতী পূজাৰ দিনবোৰ? কটন কলেজত নাম ভৰ্ত্তি কৰিয়েই সন্মুখীন হৈছিলো কলেজ ইলেকচনৰ। ক্লাচ ৰুমত বহি থাকোঁ। এজাক ল'ৰা-ছোৱালীৰ পিচত আন এজাক আহি আমাৰ ভোটটো বিচাৰেহি। কেতিয়াও ভোট দি নোপোৱা আমাৰ মনবোৰ যেন কিবা এটা গৌৰৱত ফুলি উঠে। দুজনমানে চেপ্টেড কাৰ্ড দিছিল। কাৰ্ডবোৰ শুঙি চাওঁ, সেয়েহে আমি কেইজনীয়ে ক'লো যে চেণ্টেড কাৰ্ড দিলেহে ভোট দিম। এতিয়া কিন্তু কথাবোৰ মনত পৰিলে হাঁহি উঠে। কিন্তু ইলেকচনত উঠা কেইজনে হয়তো চেণ্টৰ বটল বিচাৰি বজাৰলৈ দৌৰিবলগীয়া হৈছিল। কিন্তু তেওঁলোকেও আমাক জব্দ নকৰা নহয়। ইলেকচনৰ আগ মুহূৰ্ত্তত— কেনভাচিং বন্ধ হ'ব সেইদিনা। এজাক ল'ৰা আগবাঢ়ি আহিল, "ভোটটো দিবা দেই" সকলোকে সন্তুষ্ট কৰাৰ মানসিকতাৰে হাঁহি হাঁহি ক'লো— "নিশ্চয়।" "বাৰু মোৰ নামটো কি কোৱাচোন!" এইবাৰহে মৰিলো, কাকো চিনিও নাপাওঁ। নতুনকৈ কলেজলৈ আহিছো, অহা-যোৱা আৰু পঢ়া। তাৰ মাজতে কলেজৰ পিনে থকা এজনে কাৰ্ডখন দাঙি ধৰি নামটো দেখুৱাই সেই যাত্ৰাত ৰক্ষা কৰিলে।

ইলেকচনৰ দিনা কলেজৰ বাট-পথ সকলো ৰঙীন হৈ পৰে। শেষত জিকাসকলক এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ সন্মুখত থকা পানীৰ চৌবাচ্চাটোত জুবুৰিয়াই, প্ৰচেছন কৰি ইলেকচন সামৰা হয়।

সৰস্বতী পূজাৰ দিনা ইউনিয়ন হলৰ ওচৰত পূজা পতা হৈছিল। ৰাতিপুৱাই একো নোখোৱাকৈ কলেজলৈ যাওঁ। দুপৰীয়া অঞ্জলি দি উঠি প্ৰসাদ খাই কেন্টিনলৈ দৌৰ দিওঁ— খিচিৰি খাবলৈ। তাৰ সোৱাদ যেন এতিয়াও মুখত লাগি আছে। তাৰ পিছতেই আমি আটায়ে লগ হৈ কটনৰ হোষ্টেলবোৰত পূজা চাবলৈ যাওঁ। অৱশ্যে পূজা চোৱাতকৈ তেওঁলোকৰ পূজা উপলক্ষে বনোৱা গেটবোৰৰ প্ৰতিহে আমাৰ আকৰ্ষণ বেছি। ইমান ধুনীয়া গেটবোৰ। কেনেকৈযে বনাইছিল সীমিত সম্পদ, আহিলাৰ মাজেদি।

আমাৰ সময়ত কলেজত এন. চি. চি বা ফাৰ্ষ্ট এইড বাধ্যতামূলক আছিল। আমি এন. চি. চি. লৈছিলো। সন্দিকৈ কলেজৰ চেনেহী বাইদেউ আৰু এন. চি. চি. অফিচৰ পৰা অহা শিক্ষকে আমাক শিকাইছিল। দুদিনমানৰ পিছত ইউনিফৰ্ম পিন্ধি এন. চি. চি. কৰিবলগীয়া হ'ল। ৰাতিপুৱাই ইউনিফৰ্মবোৰ টোপোলা বান্ধি কিতাপৰ লগতে লৈ কলেজৰ ওচৰতে থকা নমিতাহঁতৰ ঘৰ পাওঁ। তাতে বস্তুবোৰ থৈ কলেজত ক্লাচ কৰো, ক্লাচৰ শেষত আকৌ তাইৰ ঘৰলৈ গৈ তাতেই চাহ জলপান খাই ইউনিফৰ্ম পিন্ধি ওলাই আহোঁ। নমিতাৰ মাক সম্বোধনত শাসনত, মৰমত আমাৰো মা, গেটৰ ওচৰলৈ ওলাই আহি কয়— মোৰ যেন চাৰিটা ল'ৰাহে ওলাই গৈছে। অৱশ্যে সকীয়াই দিবলৈ নাপাহৰে— "এন. চি. চি, কৰি চিধাই ঘৰলৈ যাবি।" আমাৰ এন. চি. চি.ৰ কেম্প হৈছিল বশিষ্ঠত। কিন্তু আমাৰ চাৰিওজনীৰ এজনী মাকেও আমাক কেম্পলৈ যাবলৈ অনুমতি নিদিলে। সেয়েহে আকৌ ফাৰ্ষ্ট এইড লব লগা হ'ল। সেই সময়ৰ অধ্যক্ষ নুৰুল ইছলাম ছাৰে কৈছিল— কেম্পত নগ'লা নহয় গতিকে এতিয়া ফাৰ্ষ্ট এইডৰ শিক্ষা লৈ ক্ষতি পূৰণ কৰা। ছাৰৰ কথাৰ মাজত থকা মৰমখিনি জানো পাহৰিব পাৰিম? চাৰৰ দীৰ্ঘায়ু কামনা কৰিছো।

ক্লাচবোৰতো বসন্ত বৰুৱা ছাৰৰ আকৰ্ষণীয় মাত, যাৰ বাবে বাৰাণ্ডাত ছাত্ৰ-ছাত্ৰীৰ জুম বান্ধে, তাৰিণী কান্ত ভট্টাচাৰ্য্য ছাৰৰ যাক আমি টি. কে. বি. বুলিয়েই কৈছিলো, ৰসাল কথাবোৰ এতিয়াও পাহৰিব পৰা নাই। টি. কে. বি. ছাৰে খুহুতীয়া কথাৰে ক্লাচবোৰ আৰম্ভ কৰি কেতিয়ানো বিষয়বস্তুৰ মাজলৈ সোমাই আহিছিল আমাক গমেই নিদিছিল। নিজে শিক্ষা বিভাগত সোমাই আজিও সেই গুণ আয়ত্ত কৰিব নোৱাৰিলো।

প্ৰথমতে ভাবিছিলো কি লিখিম। কিন্তু সোঁৱৰণীৰ টোপোলাটো মেলি ধৰাৰ লগে লগে যেন এজাক মুখ, অসংখ্য ঘটনাই আহি মোৰ সন্মুখত ভিৰ কৰিছেহি। কাক লম, কাক এৰিম— সচাঁকৈয়ে এটা বিৰাট সমস্যা।

সেয়েহে কটন কলেজ এটি মিঠা অতীত নহয়। এটি জীৱন্ত সত্য। বৰ্ত্তমান চকু মুদিলেই যেন মই সেই দিনবোৰ চুব পাৰিম। কটনিয়ান বুলি নিজকে কৈ মই আজিও গৌৰৱ অনুভৱ কৰো। ❑

অমৰজ্যোতি চৌধুৰী

কটন কলেজৰ সোঁৱৰণী

কটন কলেজ বুলিলেই আৰু বুলিবৰ নাই। জহৰ দিনত গধূলি সময়ৰ জুৰ বতাহৰ দৰে আথেবেথে আছে অলেখ সোঁৱৰণী। ভিন্ ভিন্ ৰূপৰ সোঁৱৰণী। কেতিয়াবা চলচিত্ৰৰ মন্টাজৰ দৰে, আন কেতিয়াবা সহজ সৰল কাহিনী প্ৰবাহৰ দৰে। কটন কলেজত কটোৱা জীৱনৰ অন্যতম শ্ৰেষ্ঠ সময়ৰ সাক্ষী হৈ আছে সেইবোৰ সোঁৱৰণী। সাক্ষী হৈ আছে নিজকে আৱিষ্কাৰ কৰাৰ সেইবোৰ বৰণীয়া দিন। তাৰ আঁৰৰ নাটকীয়তাই আজিও মোক চমক খুৱায়। আজৰি পৰত অথবা পুৰণি বন্ধুৰ সৈতে কথোপকথনত আজিও সেইবোৰে মোক বিৰল আনন্দ দিয়ে। কটন কলেজে যে পাঠদানৰ ক্ষেত্ৰত উৎকৰ্ষ আহিঁ আমাক দিছিল সেয়া দেখ্ দেখ্ কথা। কিন্তু কেৱল শ্ৰেণীৰ চাৰি বেৰৰ মাজেৰে নহয়— জীৱনৰ পাঠ দিয়াতো কটন কলেজে আমাক নতুন বাট দেখুৱাইছিল। তাৰে কিছু সিঁচৰতি সোঁৱৰণী এয়া মনলৈ আহিছে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা পাৰ হৈ কটন কলেজত নাম ভৰ্ত্তি কৰাৰ দিনটো আছিল এক বিচিত্ৰ অভিজ্ঞতা। শিক্ষান্ত পৰীক্ষাত প্ৰথম হোৱাৰ বাবে মোৰ নামটো নামভৰ্ত্তিৰ বাবে প্ৰথমতে মাতিছিল। তেতিয়া সেই নাম ভৰ্ত্তি প্ৰক্ৰিয়াত উপস্থিত থকা

বিভিন্ন শিক্ষকে মূৰত হাত দি যি দৰে আশীৰ্ব্বাদ কৰিছিল সেই দৃশ্য আজিও মনলৈ বাৰে বাৰে আহে। দৰাচলতে তাৰ জৰিয়তেই কটন কলেজে মুহূৰ্ত্ততেই মোক আপোন কৰি ল'লে। কিন্তু এয়া আছিল পাতনিহে। তাৰ পিচৰ ঘটনা প্ৰবাহ সঁচাকৈয়ে আছিল নাটকীয়।

এৰা, কটন কলেজত পাঠ লোৱাৰ নাটকীয়তাই আজিও মোক মোহিত কৰে। সেইদিনা প্ৰথম পাঠ লৈছিলো আমি ৰসায়ন বিভাগত। অধ্যাপক নৰেন দাসে লোৱা সেই পাঠদানৰ পাতনিতে ছাৰে কেতবোৰ ৰঙ আমাৰ গালে মাৰি ধেমালি কৰিছিল। ৰঙবোৰ কিন্তু কাপোৰত পৰাৰ কিছু সময় পিচতেই নোহোৱা হৈছিল। তাৰ আঁৰৰ বিজ্ঞান অৱশ্যে সেইদিনা আমি বুজা নাছিলো। যথা সময়ত পাঠদান শেষ হ'ল। ছাৰে ৰঙ মৰা বটলটো আচলতে সামৰি লৈছিল। কিন্তু ছাৰে আকৌ ৰঙ দিয়ে বুলি আমি আটায়ে দৌৰিবলৈ ল'লো। ঠেক বাটেৰে ওলাই যাওঁতে গোটেইখন টনা-আজোৰা লাগিল। সেইদিনা মই ককাদেউতাই দিয়া বগা কামিজ এটা পিন্ধি গৈছিলো। হেতা-ওপৰাত সেই বগা কামিজটো বুকুৰ কাষতে ফালি গ'ল। ইফালে অঙ্কৰ পাঠদান আৰম্ভ হ'বৰ সময়। উপায় নাপাই তেনেকৈয়ে মই পাঠ ল'বলৈ গ'লো। অঙ্কৰ অধ্যাপক হক চাৰে প্ৰথমতেই মোৰ নাম মাতিলে। মই থিয় হৈ উপস্থিত থকা বুলি জনালো। কামিজটো ফালি যোৱাটো হক ছাৰৰ ততালিকে চকুত পৰিল। ছাৰে লগে লগে সুধিলে কামিজটো কেনেকৈ ফালিল? মই চাৰক সবিশেষ জনালো। ছাৰে হুৰমুৰকৈ ক্লাচৰ পৰা ওলাই গ'ল। কিছু সময় পিচত উভতি ছাৰ পোনে পোনে মোৰ কাষলৈ আহিল। কামিজটোত এটা চেফটি পিন লগাই ছাৰে পাঠ লোৱা আৰম্ভ কৰিলে। কটন কলেজখনক বৰ আপোন আপোন লাগি গ'ল।

কিন্তু কামিজটোৰ নাটকখন যে চলিয়ে থাকিব মই ভাবিবই পৰা নাছিলো। অঙ্কৰ পাঠদান সেইদিনালৈ শেষ হোৱাৰ আগতে হক ছাৰক কোনোবা এজনে কাগজ এখিলা দিলেহি। ছাৰে পঢ়ি ক'লে যে ৰসায়ন বিভাগৰ জ্যোতি ৰাজখোৱা দেৱে মোক মাতিছে। মই লৰি সাউতকৈ গৈ ৰসায়ন বিভাগ ওলালোগৈ। ছাৰে ক'লে 'হেৰা, আমাৰ বিভাগত তোমাৰ কামিজটো ফালিল বুলি শুনিছো, এইটো কামিজ পিন্ধাচোন। এই বুলি ছাৰে কিনি অনা কামিজ এটা মোলৈ আগুৱাই দিলে। কেৱল সেয়ে নহয়— ছাৰে প্ৰায় নিজ হাতেৰেই মোক কামিজটো পিন্ধাই দিলে। মই অভিভূত হ'লো। এইদৰেই কটন কলেজে মোক মানুহক আপোন কৰাৰ পাঠ দিলে— পাঠদানৰ প্ৰথম দিনতে।

তাৰ পিচত আমি ওলালোগৈ পদাৰ্থ বিজ্ঞান বিভাগ। টেবুলখনত পদাৰ্থ বিজ্ঞানৰ সা-সঁজুলি ভৰি আছে। আমি সেই গেলেৰীত বহিলোগৈ। তাতো এখন নাটক। গেলেৰীৰ কাষৰ বাৰাণ্ডাখন অলপ অপৰিষ্কাৰ হৈ আছিল। তাৰ কাষেৰে পাৰ হৈ যাওক এজন ছাৰ। বাৰাণ্ডাখন এইদৰে অপৰিষ্কাৰ হৈ থকা তেখেতৰ চকুত পৰিল। অলপ পিচতে দেখিলো ছাৰে এটা সোঁতা লৈ বাৰাণ্ডাখন পৰিষ্কাৰ কৰিবলৈ লাগিছে। তাকে দেখি আমি কেইজনমানে আগবাঢ়ি গৈ সাৰিবলৈ সোঁতাটো বিচাৰিলো। ছাৰে আমাক ক'লে 'আজি তোমালোক নতুনকৈ আহিছা। তোমালোকে আজি সাৰিব নালাগে, আজি ময়েই কৰো দিয়া। লগতে কিন্তু ছাৰে এই কথাটোও ক'লে, "ইয়াৰ পিচত কিন্তু এইবোৰলৈ চকু দিয়াটো তোমালোকৰ দায়িত্ব হ'ব।" পিচত আমি জানিব পাৰিলো এইজনেই আছিল পদাৰ্থ বিজ্ঞানৰ বিখ্যাত গৱেষক ড° ক্লেৰিৰ চাৰ পাঠ্যক্ৰমৰ বাহিৰত নিজা দৃষ্টান্তৰে দিয়া জীৱনৰ পাঠ এইদৰেই আমাৰ মনত দকৈ বহিছিল।

কলেজখনৰ তেতিয়াৰ অধ্যক্ষ আছিল শ্ৰদ্ধেয় নুৰুল ইচলাম ছাৰ। ছাৰে খোজকাঢ়ি মাজে সময়ে কেতিয়াবা শ্ৰেণীবোৰ ঠিকে ঠাকে হৈছেনে নাই তাৰ বুজ লয়। সেই সময়ত কলেজখনৰ বাৰাণ্ডা, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা আদিত কাঁহ পৰি জীণ যায়, মানুহৰ ব্যক্তিত্বই কিমান নমস্য ৰূপ ল'ব পাৰে তাৰ পাঠ আমি ছাৰৰ দৃষ্টান্তৰ পৰাই বুজি উঠিছিলো।

ব্যক্তিত্বৰ কথা কওঁতে আন এটা ঘটনা মনত পৰিছে। আমি তেতিয়া প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ দেওনা পাৰ হৈ স্নাতক প্ৰথম বাৰ্ষিক শ্ৰেণীত সোমাইছো। এদিন ৰসায়ন বিজ্ঞানৰ পাঠ চলি আছে, পাঠ দিছে অধ্যাপক কৃষ্ণ বৰাই। এনেতে আমাৰে এজনে কাগজৰ এৰোপ্লেন এখন এজন ছাত্ৰলৈ মাৰি পঠিয়ালে। বতাহত কাগজখিলা লক্ষ্যভ্ৰষ্ট হৈ ছাৰৰ গাত খুন্দিয়ালেগৈ। ছাৰে তেখেতৰ স্বভাৱসুলভ কোমল মাতেৰে সুধিলে "তোমালোকৰ কোনে এই কামটো কৰিলা?" অনুতপ্ত হৈ বন্ধা-ছন্ধা পৰি এজন ল'ৰা থিয় হ'ল। ছাৰে ক'লে "এই কামটো কৰাটো তোমাৰ দোষ হৈছে, তাৰ বাবে অৱশ্যেই 'তুমি শাস্তি পাব লাগে।" কিন্তু ঘটনাই নাটকীয় মোৰ ল'লে তেখেতৰ পিচৰ বাক্যত। "কিন্তু শিক্ষক হিচাপে তোমাৰ মন যে মই ধৰি ৰাখিব নোৱাৰিলো তাৰ বাবে ময়ো শাস্তি পাব লাগে।" এইবাৰ আমালৈ চাই তেখেতে সুধিলে "কোৱাচোন আমি দুয়ো কি শাস্তি পাব লাগে?" আমাৰ মুখৰ মাত হৰিল। ছাৰে তেতিয়া ক'লে "তেতিয়া হ'লে শাস্তিটো ময়েই ঠিক কৰিলো। আমি দুয়ো পাঁচ মিনিট ইজনে সিজনৰ চকুলৈ চাই থাকিম। তেনেকৈয়ে আমি দুয়ো প্ৰায়শ্চিত্ত কৰিম।" কথা মতে কাম। পাঁচ মিনিট সময় ছাৰ আৰু ল'ৰাজনে ইজনে সিজনৰ চকুলৈ চাই থাকিল। বেঞ্জী এটা পৰাৰ শব্দও শুনিব পৰা হ'ল। কেৱল ল'ৰাজনেই নহয়, আমি আটাইখিনি ছাত্ৰ-ছাত্ৰীয়ে এশিকনি পালো। সেইদিন ধৰি ছাৰে পাঠ দিওঁতে পঢ়া-শুনাত মনোযোগ দিয়াত বাদে কোনেও একো নকৰা হ'ল। উভতি চাওঁতে এইবোৰ ঘটনাই আজি-কালি সাধুকথা যেন লাগে। সাধু যেন লগা এইবোৰ ঘটনাই আজিও যেন প্ৰেৰণা দি থাকে।

কটন কলেজৰ সময়খিনি দৰাচলতেই আমাৰ বাবে আছিল নিজকে আৱিষ্কাৰ কৰাৰ সময়। শ্ৰেণীৰ উৎকৃষ্ট পাঠৰ উপৰিও কটন কলেজে আমাক দিছিল বিভিন্ন ক্ষেত্ৰত নিজৰ পাৰদৰ্শিতা জুখি চোৱাৰ সময়। উদাহৰণ স্বৰূপে, স্কুলতেই মই বিতৰ্কত ভাগ লৈছিলো সঁচা। কিন্তু সদায় অসমীয়াতহে এনে বিতৰ্ক কৰিছিলো। কটন কলেজত সোমায়েই বিভিন্ন ইংৰাজী ভাষাৰ বিতৰ্কত ভাগ লোৱাৰ সুযোগ মই পালো। আশ্ৰফ আলি ছাৰে ব্যক্ত সদনত ভাগ লবলৈও মোক প্ৰশিক্ষণ দিলে। এই ক্ষেত্ৰত দিলীপ বৰুৱা ছাৰে দিয়া শিক্ষা আৰু প্ৰেৰণা আজিও মই কৃতজ্ঞতাৰে সোঁৱৰো। এনেবোৰ প্ৰস্তুতিৰেই মই প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীতে শ্ৰেষ্ঠ তাৰ্কিক হোৱাৰ গৌৰৱ আৰ্জিব পাৰিছিলো। কটন কলেজতে তীব্ৰতৰ হোৱা মোৰ আবৃত্তিৰ প্ৰতি নিচা আজিও আছে। স্কুলৰ দিনৰে পৰাই মই আবৃত্তি কৰো। কিন্তু এদিন জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'আজিৰ কবিতা' নামৰ কবিতা এটাৰ আবৃত্তি মোৰ বন্ধু কমল (বাণা) শৰ্মাই এনেদৰে কটন কলেজৰ মঞ্চত কৰিলে যে মোৰ নোম শিয়ৰি উঠিল। সেইদিন ধৰি তাৰ অনুপ্ৰেৰণাৰে আবৃত্তিত উৎকৰ্ষতা আহৰণৰ চেষ্টা মই আজিও অব্যাহত ৰাখিছো।

সেই সময়তে কটন কলেজত ঘন হাজৰিকা আৰু শামীম আখ্তাৰৰ শক্তিশালী অভিনয় আমি কটন কলেজৰ মঞ্চত দেখিছিলো। দেৱেন দত্ত চাৰৰ নিৰ্দেশনাত 'জুলিয়াচ

চীজাৰ' নাটকত অভিনয় কৰাৰ সুযোগো মই পাইছিলো। সেই নাটকত মই ভাও দিছিলো ব্রুটাচৰ। নাটকৰ এটা দৃশ্যত জুলিয়াচ চীজাৰক বিভিন্ন ষড়যন্ত্রকাৰীয়ে চোকা অস্ত্ৰৰে খোঁচে; তেজেৰে লুতুৰি পুতুৰি দেহত ব্রুটাচ ৰূপে মই খুঁচিব লাগে। এই দৃশ্য ৰূপায়ণৰ বাবে চীজাৰৰ ভাও লোৱা মলয়ানন্দ দত্তৰ কাপোৰৰ ভিতৰত ৰঙা ৰঙ থকা সৰু বেলুন এটা ৰখা হ'ল। কিন্তু নাটক প্রদর্শনৰ দিনা ষড়যন্ত্রকাৰীয়ে খোঁচেহে খোঁচে, বেলুনটোত নালাগে গতিকে তেজো নোলায়। শেষত ময়ো হাতত থকা চোকা অস্ত্ৰেৰে খোঁচাৰ ভাও দিলো। সেই বাৰো তেজ নোলাল। চীজাৰে মাটিত বাগৰি পৰাৰ অভিনয় কৰিলে, তেতিয়াহে দত্তৰ শৰীৰৰ ভৰত বেলুনটো ফুটি তেজ ওলাল। মই সেই তেজ হাতত লৈ অভিনয় কৰিলো। দর্শকৰ হাত চাপৰিও পালো। চোকা অস্ত্ৰৰে খোঁচোতেও তেজ নোলোৱাটো কাৰো বোধকৰো চকুতেই নপৰিল। আমাৰ সমসাময়িক কমল(ৰাণা) শৰ্মা, প্রদীপ বৰঠাকুৰ, ৰিদীপ দত্ত, শৈলেন দাস, পুলিন দাস, লোহিত বৰা আৰু অনীতা দেৱীৰ সৈতে আমি নাট্যচৰ্চ্চা কৰা দল এটা গঢ়িছিলো। এই দলৰে হৈ কলেজৰ একাঙ্ক নাট প্রতিযোগিতাত এবাৰ আমি "অমানুহ" নামৰ কমল (ৰাণা) শৰ্মাই লিখা নাটক এখন কৰিছিলো। সেইখন নাটকত মই এজন বুঢ়া ভিখাৰীৰ ভাও লৈছিলো। ইয়াৰ আগৰবাৰো মই শ্রেষ্ঠ অভিনেতা হৈছিলো। কিন্তু এইবাৰ কেবাখনো ভাল নাটক হৈছে। মুঠতে তীব্র প্রতিযোগিতা হৈছে। নাটকখনৰ শেষৰ অংশত বুঢ়া ভিখাৰী ৰূপে মই আৰু পাগলী এজনীৰ ভাওত অনীতা দেৱীয়ে ভাও দি আছো। এবাৰ পাগলীজনীয়ে মোক মোৰ বেহেলাখন খোজে। নাটকৰ নির্দেশনা মতে সেই সময়ত হঠাৎ আধলি এটা দেখি পাগলীজনীয়ে বেহেলাখন মাটিত থৈ আধলিটো লবলৈ উথপথপ লগায়। মই সেইদিনা অভিনয় কৰোতে মোৰ বেহেলাখন আনিছিলো। মায়ে কেবামাহো পইচা সাঁচি সেই বেহেলাখন কিনি দিছিল। কথা আছিল যে অনীতাই আধলিটো লবলৈ উথপথপ লগাব যদিও বেহেলাখন কায়দাকৈ সাৱধানেৰেহে মাটিত থ'ব। কিন্তু অনিতাই ইমান দকৈ চৰিত্ৰটোত সোমাই গৈছিল যে সেই দৃশ্য ৰূপায়ণ কৰোতে হঠাৎ বেহেলাখন হাতৰ পৰাই পৰি গ'ল। মঞ্চত বেহেলাখন পৰোতে ডাঙৰ এটা শব্দ হ'ল। মোৰ বুকুখন হম্‌হমাই গ'ল। ক'ব নোৱাৰাকৈয়ে মোৰ মুখৰ পৰা ওলাল "মোৰ ভাইলীনখন দেখোঁ ভাগি গ'ল" ভাবে-ভঙ্গিমাই কথাষাৰ হেনো ইমান স্বতঃস্ফুৰ্ত্তভাৱে ওলাল যে তাৰ বাবে হেনো বিচাৰকসকলে সেই তীব্র প্রতিযোগিতাৰ মাজতো মোক 'শ্রেষ্ঠ অভিনেতা' বছাটো সহজ হৈ পৰিল। নাটকখনৰ নাট্যকাৰ কমল (ৰাণা) শৰ্মাই নাটখনৰ পিচৰ অভিনয়সমূহতো সেই বাক্যশাৰী ক'বলৈ ক'লে। কিন্তু সেইদিনাৰ দৰে স্বতঃস্ফূৰ্ত্তভাৱে মই কথাফাঁকি ক'বলৈ পাৰিছিলো নে নাই সেয়া সন্দেহ। এনেবোৰ নাটৰ আঁৰৰ কাহিনী অলেখ আছে। এই সময়তে সঙ্গীতৰ ক্ষেত্ৰত ৰিদীপ দত্ত, অনিমা চৌধুৰী, পাহাৰী দাস আৰু শিল্পী দত্ত আদিৰে আৰু খেলৰ জগতত বিমল ভড়ালী আৰু প্রবীৰ হাজৰিকাৰ দৰে নামেৰে কলেজখন জাকতজিলিকা হৈ আছিল।

মুঠ কথাত কটন কলেজে যে কেৱল শ্ৰেণীতেই আমাক উৎকৰ্ষ পাঠ দিছিল এনে নহয়। বক্তৃতাই-বিতৰ্কই, নাটে-অভিনয়ে, গানে-আবৃত্তিয়ে আৰু সবাতোকৈ ডাঙৰ কথা সমগ্র জীৱনৰ বাবেই আমাক উৎকৰ্ষতাৰ পাঠ দিছিল কটন কলেজে। সেই ঋণ জানো কাহানিবা পৰিশোধ কৰিব পাৰি? ❑

অৰুন্ধতী দত্ত

স্বপ্ন দ্ৰষ্টা

কোমল কলপাত বৰণৰ বোৱা কাপোৰসাজ বৰ যতনেৰে পিন্ধিলে ঈপ্সিতাই। কান্ধলৈকে পৰা চুলিখিনিও চুঁচি ফণিয়াই বাবাৰ বেণ্ড্‌ এডালেৰে বান্ধি পেলালে। কপালত সৰুকৈ বিন্দি এটা লগাই আয়নাত মুখখন চাওঁতে তাইৰ মুখত সন্তুষ্টিৰ ভাৱ এটা বিৰিঙি উঠিল।

"কি অ'? আজি ৰাতিপুৱাতে মেখেলা চাদৰ-টাদৰ পিন্ধি, চুঁচি-মাজি পাটমাদৈ হৈ ক'লৈ ওলাইছ?"

চিনিয়ৰ ৰুমমেট ৰত্নাবাইদেউৰ মাতত ঈপ্সিতাই আইনাৰ পৰা চকু ঘূৰাই ৰত্নালৈ চাই ক'লে—

"ৰত্নাবাইদেউ, মই অমৃত ফুকনৰ ঘৰলৈ যাওঁ। 'কটনিয়ান'ৰ এডিটৰে তেওঁৰ সাক্ষাৎকাৰ এটা লোৱাৰ দায়িত্ব দিছে মোক। কালি যে ইউনিয়ন হলত তেওঁৰ সম্বৰ্ধনা সভা হৈছিল, মই তেতিয়াই তেওঁৰ এপইণ্টমেণ্ট্‌টো ঠিক কৰি থৈছো। ন বজাতে মাতিছে মোক তেওঁৰ ঘৰলৈ। ইয়ে বাম দেৰিয়েই হ'ব পায়... মই যাওঁ দেই।" চামৰাৰ শান্তিনিকেতনী মোনাটোত টোকাবহী, কলম, কমাল আৰু টকাকেইটামান ভৰাই কাঁড়পাত যোৱাৰ দৰে ঈপ্সিতা ওলাই গ'ল। দীঘলী পুখুৰীৰ কোণটোত বৈ থকা বিল্লা এখনত উঠি

তাই অমৃত ফুকনক সুধিবলগীয়া প্ৰশ্নকেইটা মনৰ মাজতে জুকিয়াই লবলৈ ধৰিলে। কথাবোৰ জুকিয়াই থাকোতে ক্ৰমশঃ তাই সোমাই পৰিল আন এখন পৃথিৱীত। আজন্ম স্বপ্নদ্ৰষ্টা তাই। সামান্য সুৰুঙাতে তাইৰ মনে ঢাপলি মেলি বিচৰণ কৰি ফুৰেগৈ সপোনৰ পৃথিৱীত। সপোন দেখাৰ আনন্দ আৰু সপোন ভগাৰ বেদনাৰ, পোহৰ আৰু আন্ধাৰৰ পৃথিৱীৰ ৰূপ দেখি সচকিত হৈও তাই খুলি থব নোৱাৰে স্বপ্নদ্ৰষ্টাৰ ৰঙীন চশমা।

সৰু সৰু কথা।

সৰু সৰু সপোন।

তেনেবোৰ সপোন ভগাৰ বেদনাত তাই উচুপে, ফেঁকুৰে ...... আকৌ দেখে নতুন নতুন সপোন...... জীৱন আৰু জগতক ধুনীয়া কৰাৰ সপোন। সৰুতে ডাইনীৰ সাধুত যে ৰাজকুমাৰে ডাইনীজনীক মাৰিবলৈ ভাটো চৰাইটো মাৰি পেলাইছিল, তেতিয়া সাধু কৈ থকা মাকক গবা মাৰি ধৰি তাই সুধিছিল— মা, ডাইনীক মাৰিবলৈ ভাটোটোক কিয় মাৰিলে ৰাজকুমাৰে? মাকে প্ৰতিটো শব্দত জোৰ দি কৈছিল— কা-ৰ-ণ ডাইনীজনীৰ জীউটো ভাটোজনীৰ পেটত সোমাই আছিল।

তেতিয়াৰ পৰা তাই মনে মনে ভাবি থাকে.... মোৰ জীউটো বাৰু ক'ত সোমাই আছে? হাইস্কুলৰ ওপৰ শ্ৰেণী পাওঁতে তাই তাইৰ প্ৰশ্নৰ উত্তৰ বিচাৰি পাইছিল। তাইৰ জীউটো সোমাই আছে তাইৰ সপোনবোৰৰ মাজত। সপোনবোৰে ধাৰণ কৰি আছে তাইৰ প্ৰাণ, তাইৰ জীৱন। যোৱাবাৰ পৰীক্ষাৰ আগে আগে হোষ্টেলৰ এজাক ছোৱালীৰ সৈতে তাইয়ো যে গৈছিল চাউথ ইণ্ডিয়ান এষ্ট্ৰল'জাৰজনৰ ওচৰলৈ। তাইৰ কোষ্ঠি চাই জ্যোতিষীজনেও কোৱা নাছিলনে সেই কথা? কৈছিল। জ্যোতিষীজনেও সেই কথাকে কৈছিল তাইক...য়ু হেপন টু বি এ ড্ৰীমাৰ হুইচ মেইকচ য়ু ভেৰী ক্ৰিয়েটিভ। এৰা! সঁচা কথাই কৈছিল মানুহজনে — অন্ততঃ এইষাৰ কথা সঁচা আছিল। আবেগে কৰ্ষণ কৰি থোৱা তাইৰ সৃষ্টিৰ পথাৰত তাই ছটিয়াই দিয়ে তাইৰ সপোনৰ এটা দুটা অলেখ বীজ। কিমান যে সপোন তাইৰ... ধৰণী ধুনীয়া কৰাৰ। কিহেৰে সজাব তাই হেঁপাহৰ পৃথিৱীখনক? দুহাতেৰে আজুৰি আনিব খোজে জ্ঞান ভাণ্ডাৰৰ সকলো সম্পদ।

অমৃত ফুকনৰ আটাইবোৰ কিতাপ পঢ়িছে তাই। তাই সৰুৰে পৰাই তেওঁৰ ভক্ত। কালি সম্বৰ্ধনা সভাত তেওঁৰ ভাষণ শুনাৰ পৰা তাইৰ হিয়া শাঁত পৰি গৈছে। আস! কেনে মৰ্মস্পৰ্শী তেওঁৰ ভাষা। কথা কৈ কৈ কেনে আবেগিক হৈ পৰিছিল তেওঁ। ইমান খাটি কথা কৈছিল মানুহজনে, তাই সাক্ষাৎকাৰ লবৰ বাবে অনুমতি বিচাৰোঁতে কেনে অমায়িকভাৱে সম্মতি জনাইছিল! ইমান পণ্ডিত, ইমান ডাঙৰ সাহিত্যিক এজনৰ সাক্ষাৎকাৰ লোৱাৰ যোগ্যতা আছে নে বাৰু তাইৰ? কথাবোৰ সোধোঁতে যদি থোতা-মোজা লাগে? নিজকে প্ৰশ্ন কৰিলে তাই। কথাটো ভাবিয়েই তাইৰ ওঁঠ দুটা শুকাল, বুকুৰ ভিতৰত যেন ৰেলগাড়ীহে চলিল, হাতৰ তলুৱা দুখন ঘামি উঠিল। পিচ মুহূৰ্ত্ততে অমৃত ফুকনৰ শান্ত সৌম্য মুখখনৰ মৰমিয়াল হাঁহিটো মনত পৰাত বহুখিনি সুস্থিৰ হ'ল তাই।

সৰু মফচল চহৰখনৰ পৰা কটন কলেজত পঢ়িবলৈ অহা ঈপ্সিতাক ছাত্ৰীনিবাসত জ্যেষ্ঠ ছাত্ৰীবোৰে বেৰি লৈ ৰেগিং কৰোতে কিন্তু তাই বিশেষ ভয় কৰা নাছিল।

নাম কি?

ঈপ্সিতা কাকতী।

বাঃ ঈপ্-সি-তা! পিচে তোমাৰ জীৱনৰ ঈপ্সিত বস্তু কি? কি তোমাৰ কামনা..... কি তোমাৰ বাসনা...... কি তোমাৰ আকাঙ্ক্ষা...?

এতিয়ালৈকে মোৰ আকাঙ্ক্ষা হ'ল কটন কলেজৰ ছাত্ৰী হোৱা.... বাকী কথা পাছত ঠিক কৰিম।

ৱাহ্ ৱাহ্, ভেৰী স্মাৰ্ট! ভেৰী, ভেৰী স্মাৰ্ট! আমাৰ আপী চিয়ানা আছে।

সেইদিনা চিনিয়ৰ ছোৱালীবোৰে ঠাট্টা বিদ্ৰূপেৰে এঘন্টামান ধৰি তাইক বাক্যবাণেৰে থেকেচি পেলাইছিল। কিন্তু তাই সিহঁতক দিয়া উত্তৰটোত সামান্যও চালাকি নাছিল। বুজন হোৱাৰে পৰা ককাক আৰু দেউতাকৰ মুখত কটন কলেজৰ কাহিনী শুনি শুনি তাই মাথোন অধীৰ অপেক্ষা কৰিছিল স্কুলৰ ডেওনা পাৰ হোৱা সময়লৈ। কটন কলেজত পঢ়িবলৈ নোপোৱাৰ ভয়ত তাই ইমান মনপুতি পঢ়িছিল যে হাইস্কুল শিকান্ত পৰীক্ষাত তাই-চতুৰ্থ স্থান দখল কৰিবলৈও সক্ষম হৈছিল। সসম্মানে কটন কলেজত নামভৰ্ত্তি কৰিছিল তাই।

ককাক আৰু দেউতাকৰ দিনৰ কটন কলেজখনক তাই পঢ়া কটন কলেজত বিচাৰি হাবাথুৰি খাইছিল তাই। প্ৰথমবাৰ পূজাৰ বন্ধত ঘৰলৈ গৈ ককাকৰ আগত তাইৰ স্বপ্নভঙ্গৰ বতৰা কওঁতে ককাকে কৈছিল—

কটন কলেজৰ ঐতিহ্য সম্বন্ধে বহু কথা বহু ধৰণে আলোচিত হৈছে। আমাৰ সময়লৈকে কেইবাটাও বিষয়ত জোঁট পাতি কটন কলেজে নিজৰ মান বজাই ৰাখিছিল। সময় সলনি হোৱাৰ লগে লগে, বতৰ সলনি হোৱাৰ লগে লগে মনোভাৱ আৰু ব্যৱহাৰ আচৰণৰ মাজত সামঞ্জস্য বজাই আগবাঢ়ি যাব পাৰিছিল। আজি কটন কলেজ আন এক পৰিস্থিতিৰ সন্মুখত। গুৱাহাটীৰ জনসংখ্যা হঠাৎ অত্যাধিকভাৱে বাঢ়িছে, বাঢ়িছে ৰাজনৈতিক অস্থিৰতা। কলা, সাহিত্য, খেলাধূলা, নাটমঞ্চ, শিক্ষা-গৱেষণা, আইন-শৃংখলা, চিকিৎসা সকলো ক্ষেত্ৰতে নতুন পৰিধি নতুন পৰিসৰৰ বিষয়ে আলোচনা-বিলোচনাহে হৈছে— সেই পৰিধি সেই পৰিসৰ সৃষ্টি হোৱাত পলম হৈছে। সেই অৱসৰ আৰু সুৰুঙাইদি প্ৰৱেশ কৰি অলাগতিয়াল কিছু আচৰণ, কিছু অভ্যাস যেনে ১৮বছৰ নৌহওঁতেই ডেকা-গাভৰুৰ নতুন আগ্ৰহ— মড্ কালচাৰ্, পাৰ্মিছিভ্ ছছাইটিৰ ভাৱধাৰাৰ প্ৰথম পাঠ্যক্ৰম গোজেই গজালি হৈ বহিছে। কিন্তু এই সমস্ত ক্ৰিয়া কাণ্ডৰ মাজতো এতিয়াও মহীৰুহৰ শিপাত ঘূণে ধৰা নাই। তাত সাৰ পানী দিয়াৰ দায়িত্ব তহঁতবোৰে মূৰ পাতি লব লাগিব।

ককাকৰ কথা শুনি নতুন উদ্যমেৰে হোষ্টেললৈ ঘূৰি আহিছিল তাই বন্ধৰ পাছত। পঢ়া-শুনা কৰাৰ লগে লগে গান গোৱা, সাহিত্য চৰ্চা কৰা, হোষ্টেলৰ প্ৰাচীৰ পত্ৰিকা উলিওৱা, কটন কলেজ সাহিত্য সমাজৰ সক্ৰিয় সদস্যা হোৱা এই সকলোতে তাই প্ৰাণঢালি ব্যস্ত হৈ পৰিছিল।

কটন কলেজৰ নিৰ্বাচন যুঁজৰ অন্ধকাৰ দিশটো দেখি হতাশাত মন ভাগি পৰাৰ সময়ত তাইৰ হঠাতে মনত পৰিছিল ককাকে কোৱা কাহিনীটোলৈ। ককাক কটন কলেজৰ ছাত্ৰ আছিল ১৯৩৮ চনত। সেই সময়ত কলেজৰ নিৰ্বাচন সমূহত আগতকৈ প্ৰতিদ্বন্দ্বিতা আৰু বিতৰ্ক বাঢ়িব ধৰিছিল। এদিন ইতিহাসৰ শ্ৰেণীকোঠাত অধ্যাপক ভূৱনমোহন দাসে ককাকহঁতক কৈছিল—

জানা, বিজন ব্যক্তিয়ে এইখন কলেজত এদিন ছাত্ৰ একতা সভাৰ জন্ম দিছিল তেওঁ কিন্তু ধাৰণা কৰিব পৰা নাছিল যে য়ুনিয়নখনৰ নিৰ্বাচন সমূহে এনে ৰূপ ধাৰণ কৰিব।

প্ৰথমতে এডমিনিসট্ৰেটিভ বিল্ডিঙৰ পাছফালে টেনিচ হাই কোৰ্টত দুশমান কটনিয়ান গোট খাই থিয় হৈ থাকে। তাত সুকলমে মুকলিকৈ য়ুনিয়নৰ নিৰ্বাচন অনুষ্ঠিত হয়। ল'ৰা-ছোৱালীবোৰে হাত দাঙি ভোট দিয়ে। অৰিয়াঅৰিৰ প্ৰশ্নই উঠিব নোৱাৰে। তাৰ ঠাইত এয়া কি প্ৰতিদ্বন্দ্বিতা? শুনিছোঁ প্ৰতিদ্বন্দ্বিতাৰ আঁৰত হেনো লুকাই আছে বহু ৰাজনৈতিক দল। যিজন মানুহে এই কলেজত প্ৰথম য়ুনিয়ন প্ৰতিষ্ঠা কৰিছিল তেওঁক যদি আজি এটা সুবিধা দিয়া হয়— টু ৰি-কনসিডাৰ হিজ ডিছিজন, হি বিল নট্ ডু ইট (.) ডু য়ু নৌ হু রজ দেট মেন? ইট ইজ মি!

১৯৩৮ চনতে এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা ইতিহাসৰ অধ্যাপকজনে বাৰু আজিৰ পৰিস্থিতিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ ভাষা বিচাৰি পালেহেঁতেন নে? ঈপ্সিতাৰ সন্দেহ হয়। পৰিস্থিতিৰ তীব্ৰতা প্ৰকাশ কৰিবলৈ হয়তো উদ্ভাৱন কৰিব লাগিলহেঁতেন নতুন বৰ্ণমালা; সজাব লাগিলহেঁতেন নতুন নতুন শব্দৰ শোভাযাত্ৰা। তথাপি ঈপ্সিতাই সপোন দেখে। হতাশাৰ এন্ধাৰবুলীয়া সাজযোৰ সোলোকাই থৈ পৰিধান কৰে পোহৰৰ জলমলীয়া সাজ।

যৌৱন!

সপোন দেখাৰ, জীৱন গঢ়াৰ কোবাল নদী। পাৰিবনে তাই টুলুঙা নাৱৰ শুৰিবঠা বজ্ৰকঠিন হাতৰ মুঠিৰে ধৰি ৰাখিব? নে সমৰ্পণ কৰিব নিজকে নদীৰ কোবাল সোঁতত।

জীৱন কাৰ বাবে?

কেৱল নিজৰ বাবে?

অসমৰ প্ৰাণকেন্দ্ৰ কটন কলেজত হাজাৰ হাজাৰ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীৰ মুখত ঈপ্সিতাই সন্ধান কৰে অসুন্দৰৰ পৃথিৱীত সুন্দৰৰ আৰাধনা কৰাৰ মূলমন্ত্ৰৰ সংকল্পৰ প্ৰতিচ্ছবি।

ওঁহো!

এমুঠিমান। তেনেই এমুঠিমানৰ মনত টিমিক ঢামাক কৈ জ্বলি আছে সংকল্পৰ শিখা। কেৰিয়াৰ সৰ্বস্ব জীৱনৰ অপ্ৰতিৰোধ্য বাসনাই ৰাহুৰ দৰে গ্ৰাস কৰি পেলাইছে সকলোকে।

জীৱিকা। কেৱল জীৱিকা।

জীৱন, জগত আৰু জীৱিকাৰ মাজৰ সোণালী সূতাডাল চিনি লোৱাৰ আগ্ৰহকণো নাই কাৰো। পৰিকল্পনা। মাথোন ঘূণে খোৱা ভেটিটোৰ ওপৰতে স্কাইস্ক্ৰেপাৰ সজাৰ পৰিকল্পনা। দেশৰ কোনো বিপৰ্যয়, কোনো পৰিস্থিতিয়ে টলাব নোৱাৰে কাকো। মাজে মাজে জুপুকা মাৰি ৰয় ঈপ্সিতা। আন্ধাৰত খেপিয়াই চায়........। ক'ত আছে পোহৰৰ শলিতা....... স্মৃতিৰ ভাণ্ডাৰত দপ কৈ উজ্বলি উঠে ককাকে জ্বলোৱা বন্তিগছি।

ককাকে কৈছিল তাইক.....................আমি কটন কলেজত পঢ়ি থকাৰ সময়ত ভাৰতবৰ্ষত সমাজবাদৰ আলোচনা গোপনে আৰম্ভ হৈছে মাত্ৰ। তাৰো কিছু পূৰ্বে জৱাহৰলাল নেহৰুৱে ৰুছ দেশ ভ্ৰমণ কৰি আহি এখন সৰু পুস্তিকা লিখি সমাজবাদ সম্বন্ধে কিছু কথা ৰাইজক জানিবলৈ দিছিল, কিন্তু মতামত সম্পূৰ্ণ নাছিল। পাণবজাৰ চাৰিআলিৰ পৰা হৰিসভালৈ যোৱা গলিটোৰ এটা কুঠৰীত ৰেডিকেল ক্লাব্ নামেৰে এটা যুৱ-অনুষ্ঠান ইতিমধ্যে গঠিত হৈছে। বাহিৰত শৰীৰ চৰ্চাৰ ব্যৱস্থা কৰা হৈছে। অন্দৰ মহলত সমাজবাদৰ বে-আইনী কিতাপৰ ভঁৰাল। নেতাজী সমাজবাদী নাছিল, ৰেডিকেল আছিল। তেখেতে কটনিয়ানৰ মাজত যি ৰেডিকেলিজমৰ সঞ্চাৰ কৰি থৈ গ'ল—সি নিৰ্ভুল।.................

এটাৰ পাছত আনটো ঘটনা। আমাৰ সময়ত অকল পাঠ্যপুথিতে নিমগ্ন হৈ থাকিব খোজা আৰু তেনে কৰিবলৈ অনিচ্ছুক আৰু এই দুয়োবিধকে বাদ দি আন তৃতীয়বিধ ল'ৰা-ছোৱালীকে ধৰি এক নতুন প্ৰৱাহে সামৰি পেলালে কটন কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীক। এটা পূৰ্ণ অবয়বপূৰ্ণ বাতাবৰণ, যাৰ তেতিয়া আৰু কোনো বিকল্প নাই।

পাৰিবনে ঈপ্সিতাহঁতে এক নতুন প্ৰৱাহ সৃষ্টি কৰিব? আনহে নালাগে ইংৰাজী মাধ্যমৰ শিক্ষাই ঠেক ছিগা অৱস্থা কৰা ভাষা জননীক ৰক্ষা কৰিব? পাৰিবনে আইৰ মুখৰ মাতষাৰ অমৰ কৰি ৰাখিব? ঈপ্সিতাৰ মনে হাবাথুৰি খাই বিচাৰে এজন আদৰ্শ ব্যক্তি........ আজিৰ চাম যুৱক-যুৱতীৰ বাবে এজন আদৰ্শ ব্যক্তি......এজন গণনেতা যাৰ একো একোটা নিৰ্দেশ একো একোটা শব্দই যুৱক-যুৱতীৰ ধমনীয়ে ধমনীয়ে সৃষ্টি কৰিব বিজুলী সঞ্চাৰ, অনুভৱ কৰাব এক ভিন্ন শিহৰণবোধ। ককাকহঁতে পণ্ডিত নেহৰুৰ ভাষণ শুনিছে। শুনিছে হুমায়ুন কবীৰে দিয়া ভাষণ....। শুনিছে সুভাষ বসুৰ উদাত্ত ভাষণ। কটন কলেজৰ ছাত্ৰ-ছাত্ৰীক সম্বোধি তেওঁ কৈছিল..........আই এম্ টে'ম্পাৰামেণ্টেলি এন ইনকৰিজিবল্ অপ্টিমিষ্ট্! খোদ নেপোলিয়নৰ ভাষা– মই দোৰ্ষোৰ আশাবাদী আৰু মোৰ সেই দোষৰ কোনো শুধৰণি নাই। তোমালোকৰ মাজলৈ অহাত মোৰ এটা স্বাৰ্থ আছে। মই বৃটিছ সিংহৰ লগত এখন মহাৰণত লিপ্ত। মোৰ বয়স বাঢ়ি আহিছে– তোমালোক যুৱক। তোমালোকৰ শক্তিখিনি মোক লাগে। মই এই যুঁজ শেহলৈকে জিনিব খোজোঁ। যোৱা পঞ্চাশ বছৰে কংগ্ৰেছ মহাসভাই যি কৰিলে সি এক অভূতপূৰ্ব অবিশ্বাস্য কাহিনী। অহা এবছৰৰ ভিতৰতেই আমি স্বাধীনতা লাভ কৰিবলৈ সক্ষম হ'ম।......... কংগ্ৰেছ ৰাষ্ট্ৰপতিৰ (তেতিয়া কংগ্ৰেছ সভাপতিক ৰাষ্ট্ৰপতি বোলা হৈছিল) সেই উদাত্ত ভাষণে কটনিয়ান সকলৰ ধমনীয়ে ধমনীয়ে সৃষ্টি কৰিছিল বিজুলীৰ প্ৰৱাহ। সূচনা হৈছিল এক নতুন অধ্যায়ৰ। আজিৰ অসমৰ বিপৰ্যস্ত পৰিৱেশত ওলাবনে কোনোবা প্ৰকৃত নেতা যাৰ কণ্ঠত থাকিব বাজীকৰৰ সম্মোহন আৰু অমোঘ নিৰ্দেশ?

অনেক আশা লৈ আহিছিল ঈপ্সিতা। সৰু চহৰখনৰ পৰা মহানগৰীলৈ অহাৰ পাছৰে পৰা তাই সাধ্যমানে নানা অনুষ্ঠানৰ সৈতে জড়িত হৈছে। সমাজৰ দায়িত্বশীল মানুহখিনি শিল্প-সংস্কৃতিজগতৰ স্বনামধন্য মানুহখিনিৰ মাজত অন্বেষণ কৰিছে দেশ বুলিলে আদেশ নালাগে মানসিকতাৰে সকলোকে উদ্বুদ্ধ কৰিব পৰা সেই সম্মোহনী শক্তি। তেনেবোৰ ব্যক্তিৰ কাষ চাপি তাইৰ বাৰে বাৰে একেটা অনুভৱেই হৈছে– দূৰৈৰ পাহাৰ শুৱনি ... খলাবমা একোকে নমনি। তেনে মুহূৰ্তত তাই গায়ত্ৰী মন্ত্ৰৰ দৰে জপ কৰে সুভাষ বসুৰ ভাষণৰ প্ৰথম বাক্যটো ... আই এম টেম্পাৰামেণ্টেলি এন ইনক্ৰিজিবল অপ্টিমিষ্ট .....।

বহুদিনৰ মূৰত কালি তাইৰ মনটো সুদীৰ্ঘ খৰাঙৰ অন্তত প্ৰথমজাক বৰষুণত তিতা পানীপিয়া চৰাইজনীৰ দৰে নাচি উঠিল। অমৃত ফুকনে তেওঁৰ শেহতীয়া উপন্যাসখনৰ বাবে সৰস্বতী পুৰস্কাৰ পোৱাৰ পাছত কটন কলেজ সাহিত্য সমাজৰ বৈঠকত তায়েই প্ৰথমে কথাটো উলিয়াইছিল... তেখেতক সম্বৰ্ধনা জনোৱাৰ কথা। সকলো সন্মত হৈছিল। দেহে-কেহে লাগি তাই সভাৰ আয়োজনত আগ ভাগ লৈছিল। মুকলি সভাত তাইৰ প্ৰিয় লেখকৰ ভাষণ শুনি তাইৰ ভাব হৈছিল........ সকলো শেষ হৈ যোৱা নাই। এতিয়াও আছে আলোকসন্ধানীসকলৰ বাবে জোঁৰলৈ আগবাঢ়ি অহা পথ প্ৰদৰ্শক। সভাত ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰতো অনেক কথা কৈছিল অমৃত ফুকনে। তেওঁৰ প্ৰতিটো শব্দত প্ৰকাশ পাইছিল দেশৰ প্ৰতি তীব্ৰ ভালপোৱা, মাতৃভাষাৰ প্ৰতি আকুলতা আৰু দেশৰ

ৰাজনৈতিক কলুষতা সম্পৰ্কে উদ্বিগ্নতা। অসম ভূমিৰ বিপন্ন অস্তিত্বৰ বিষয়ে কওঁতে প্ৰকাশ পাইছিল অন্তৰৰ চৰম যন্ত্ৰণা। মন্ত্ৰমুগ্ধ হৈ শুনিছিল আটায়ে।

তীব্ৰ আবেগত কৈছিল অমৃত ফুকনে ... আজি আমাৰ অস্তিত্ব যিদৰে বিপন্ন, ঠিক সেইদৰে বিপন্ন আমাৰ মাতৃভাষা। কোনদিনা আমাৰ মুখৰ মাতষাৰ আমি হেৰুৱাব লগীয়া হ'ব..... কোনদিনা আমাৰ কলমৰ আগৰ পৰা আঁতৰি যাব পৰিচিত বৰ্ণমালা সেই কথা ভাবিলে মই আতংকিত হৈ উঠোঁ। আমাৰ এতিয়া পৰি অহাৰ বয়স আৰু তোমালোক উঠি অহা বয়সৰ যুৱক-যুৱতী। আমাৰ কলা-সংস্কৃতি, আমাৰ ভাষা-সাহিত্যৰ অস্তিত্ব ৰক্ষা কৰাৰ ভাৰ তোমালোকৰ হাতত। তোমালোকে যদি এলফঁস্ দঁদেৰ 'দ্য লাষ্ট লেস্ন্' গল্পটো পঢ়িছা তেতিয়াহলে তোমালোকে হৃদয়ঙ্গম কৰিব পাৰিবা মোৰ কথা। মঁসিয় হেমেলৰ সেই কথাষাৰ মই পাহৰিব নোৱাৰোঁ.... তেওঁ যে কণমানি ফ্ৰান্জক কৈছিল..........

ঈপ্সিতাই পঢ়িছে সেইটো গল্প। দুচকুৰে চকুলো বোৱাই বহুদিন পঢ়িছে। প্ৰতিবাৰ পঢ়োতে অন্তৰত শেল মাৰি ধৰে, ডিঙিত গোট মৰা কান্দোনে সোপা মাৰি ধৰে। ধীৰে ধীৰে নিগৰি অহা দুচকুৰ লোতকৰ ধাৰেহে বৰফ গলাই বুকুৰ ভাৰ পাতলায়।

ফঁৰাচী ইতিহাসৰ ১৮৭০ চনৰ পটভূমিত ৰচিত এই কাহিনীত ফ্ৰান্সৰ সীমামূৰীয়া প্ৰদেশ এঁলচাচৰ এখন বিদ্যালয়ৰ শিক্ষক মঁসিয় হেমেলে শ্ৰেণীকোঠাত ফঁৰাচী ভাষাৰ শেষ পাঠ পঢ়ুৱাইছে। পাছদিনাৰ পৰা সেইখন বিদ্যালয়ত ফঁৰাচী ভাষাৰ পৰিৱৰ্তে জাৰ্মান ভাষা পঢ়ুওৱা হ'ব। কাৰণ জামনীৰ হাতত যুদ্ধত পৰাস্ত হৈ ফ্ৰান্সে এলচাচ আৰু লৰেইন প্ৰদেশক জাৰ্মানীৰ হাতত সঁপি দিছে। সেইদিনা বিদ্যালয়ত অস্বাভাৱিক নীৰৱতা বিৰাজ কৰিছে......একেবাৰে মৰিশালিৰ নিস্তব্ধতা। কোনোদিন পঢ়াত মনোযোগ নিদিয়া কণমানি ফ্ৰান্জৰ মন অনুতাপেৰে দগ্ধ হৈছে। হায়! চৰাইৰ কণী বিচাৰি ফৰকাল বতৰত দৌৰি ঢাপৰি ফুৰাৰ পৰিৱৰ্তে ইমানদিনে যদি সি মাতৃভাষাৰ পাঠ ভালদৰে আয়ত্ত কৰিলেহেঁতেন....... ব্যাকৰণ আৰু ইতিহাস যদি শিকিলেহেঁতেন..........। শেষ পাঠৰ দিনাও শিক্ষকৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি অনুতপ্ত হৈ থিয় হৈ থকাৰ সময়ত শিক্ষকে কৈছিল সেই কথাষাৰ....... যিষাৰ কথা পাহৰিব পৰা নাই অমৃত ফুকনে.....পাহৰা নাই কেতিয়াও ইপ্সিতাই............ "আই ডোণ্ট স্কোল্ড য়ু, লিট্‌ল্ ফ্ৰান্জ্। য়ু মাষ্ট্ ফীল্ বেড ইনাফ্। চী.....হাউ ইট্ ইজ..............

য়ু প্ৰিটেণ্ড টু বি ফ্ৰেন্সমেন্ এণ্ড য়েট য়ু কেন্ নাইদাৰ স্পীক্ নৰ ৰাইট য়ৰ ঔন্ লেংগুৱেজ........... বি অল হেজ এ গ্ৰেইট্ ডীল্ টু ৰিপ্ৰোচ্চ্ আৱৰচে'লভ্চ্ ৱিথ্..........."

গল্পটোৰ শেষখিনি ইমান মৰ্মস্পৰ্শী .....। গোটেই মনটো তীব্ৰভাৱে জোকাৰি যায়। অমৃত ফুকনে তাইৰ প্ৰিয় গল্পটোৰ কথা উল্লেখ কৰাত ঈপ্সিতাৰ তেওঁৰ প্ৰতি শ্ৰদ্ধা দুগুণে উথলি উঠিল। 'কটনিয়ান' খনৰ বাবে সাক্ষাৎ গ্ৰহণ কৰিবলৈ অনুমতি বিচৰাৰ সময়ত তেওঁৰ বন্ধুত্বপূৰ্ণ ব্যৱহাৰে তাইক একেবাৰে মুগ্ধ, সম্মোহিত কৰি তুলিলে। ....বিস্তাৰালাটোক ৰ'বলৈ নিৰ্দেশ দিলে তাই। লোহাৰ ডাঙৰ গেটখন খুলি তাই অমৃত ফুকনৰ ঘৰত কলিংবে'ল বজালে। বনকৰা ছোৱালী এজনী ওলাই আহি আহল-বহল সুদৃশ্য চ'ৰাঘৰত ঈপ্সিতাক বহিবলৈ দিলে। ঈপ্সিতাৰ মনটো খৌকি-বাথৌ হ'ল।

তাই তৃতীয় শ্ৰেণীত পঢ়ি থকাৰ সময়ত এবাৰ বুবুল খুৰাই দুৰ্গা পূজা দেখুৱাবলৈ নৈ গৈ তাইক মস্ত ডাঙৰ বেলুন এটা কিনি দিছিল। ইমান ডাঙৰ বেলুন তাই আগতে দেখাই নাছিল। ঘৰলৈ উভতি আহি ককায়েকক বেলুনটো দেখুৱাবলৈ তাইৰ তৎ নোহোৱা

হৈছিল। কেনেকুৱা যে থৌকি-বাথৌ হৈছিল তাইৰ মনটো! প্ৰকাণ্ড বেলুনটো তাইৰ চকুৰ আগত ভাঁহি উঠিল। ঈপ্সিতাৰ তন্ময়তা ভঙ্গ কৰি, চেণ্ডেলৰ মৃদু শব্দ কৰি হাঁহিমুখে ভিতৰৰ পৰা ওলাই আহিল অমৃত ফুকন।

ছাৰ নমস্কাৰ।

নমস্কাৰ। তুমি দেখিছো সাংঘাতিক পাংচুৱেল। একেবাৰে কাঁটাই কাঁটাই ন বজাত ওলাইছাহি। বৰ ভাল কথা, বৰ ভাল কথা।

ঈপ্সিতাই নম্ৰভাৱে হাঁহিলে।

তেতিয়া হ'লে .... আৰম্ভ কৰা যাওক। ঈপ্সিতালৈ চাই মৰমেৰে ক'লে ফুকনে।

হয় ছাৰ।

ঈপ্সিতাই তাইৰ শান্তিনিকেতনী মোনাটোৰ পৰা খপ্‌জপাই টোকাবহী আৰু কলমটো উলিয়ালে। শুকান ওঁঠদুটা জিভাৰে তিয়াই লৈ প্ৰথম প্ৰশ্নটো সুধিবলৈ প্ৰস্তুত হওঁতেই চ'ৰাঘৰৰ ভিতৰ ফালৰ দুৱাৰডলিত ছোৱালী এজনী থিয় হ'লহি। ঈপ্সিতাৰ সমবয়সীয়াই হ'ব।

ডেডী, তোমাৰ ফোন।

ফুকনক সম্বোধি কথাষাৰ কোৱা দেখি ঈপ্সিতাই বুজি পালে সেয়া ফুকনৰে কন্যা।

কাৰ ফোন?

আই ডোণ্ট নৌ। ইটচ্ ফ্ৰম দেলহী। ঈপ্সিতাই থৰ লাগি পিতৃ-কন্যাৰ কথোপকথন শুনিলে। বুবুল খুৰাই কিনি দিয়া প্ৰকাণ্ড বেলুনটো তাইৰ বিছনাৰ কাষত আঁৰি থওঁতে পিছদিনা যে তাৰ ভিতৰৰ বতাহ অলপ অলপ কৈ ওলাই বেলুনটো সৰু হ'বলৈ আৰম্ভ কৰিছিল......।

পাম যোৱা বেলুনটোৱে স্মৃতিৰ পটৰ পৰা ওলাই আহি অমৃত ফুকনৰ চ'ৰাঘৰৰ পাখাৰ বতাহত ঈপ্সিতাৰ চকুৰ আগত নাচিবলৈ ধৰিলে।

তুমি অকণমান বহা দেই। ঈপ্সিতালৈ চাই অনুৰোধৰ সুৰত কথাষাৰ ক'লে ফুকনে।

অ' এয়া মোৰ বৰজী ঝুম্পা। ঝুম্পা, প্লীজ গিভ হাৰ্ কাম্পনী টিল আই কাম বেক।

অনিচ্ছাৰ ভাব এটা তড়িৎ গতিৰে ঝুম্পাৰ মুখমণ্ডলৰ ওপৰেৰে পাৰহৈ গ'ল। পিচ মুহূৰ্ততে হাঁহি এটা মাৰি ঝুম্পা ঈপ্সিতাৰ কাষৰ চ'ফাখনত বহিল। হাঁহিমুখেৰেই তাই ঈপ্সিতাৰ সৰ্বশৰীৰৰ ওপৰেৰে চকু ফুৰালে। ভিতৰি ভিতৰি ঈপ্সিতা অত্যন্ত অপ্ৰস্তুত হ'ল। মনৰ সংকোচ ঢাকি তাই পৰিৱেশটো পাতল কৰিবলৈকে ঝুম্পাক সুধিলে।

আপুনি কলেজত পঢ়ি আছে নেকি?

অহ্ ডোণ্ট টেল্ মি 'আপুনি'। মই ডিগ্ৰী থাৰ্ড ইয়েৰত পঢ়ি আছো। দে'লহীত। তুমি?

মই ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰত .....কটনত।

ডেডীৰ লগত কাম আছিল?

অঁ মই এটা ইণ্টাৰভিউ ল'বলৈ আহিছো.... আমাৰ কলেজ মেগাজিনৰ কাৰণে। এনেয়েও মই খুব সৰুৰে পৰা তেখেতৰ খুব ভক্ত। তেখেতৰ প্ৰতিখন কিতাপ মই পঢ়িছো।

ভক্ত?

মানে তেখেতৰ ডাই-হাৰ্ড ফেন্।

অহ্, বিয়েলী? ঝুম্পাই খিলখিলাই হাঁহিলে।

কিয়? তুমি তোমাৰ দেউতাৰ ফেন নহয় নেকি?

ডেডীৰ ফেন?

কিয়, তুমি তোমাৰ দেউতাৰ লেখা ভাল নোপোৱা?

মই ডেডীৰ লেখা কেতিয়াও পঢ়াই নাই।

বিস্ময়ত ঈপ্সিতাৰ মুখ মেল খাই যোৱাৰ উপক্ৰম হ'ল।

কে-তি-য়া-ও পঢ়া নাই? ইচ তুমি এনেয়ে কৈছা।

দোধোৰ-মোধোৰ হৈ হাঁহো হাঁহো কৰি কথাষাৰ ক'লে ঈপ্সিতাই।

অহ্, কাম-অন। মই এন্নেয়ে ক'ম কিয়? ডেডীয়ে মাজে মাজে এৱাৰ্ড-টেৱাৰ্ড পাই থকাৰ খবৰবোৰ মই জানো। আই এম ৰিয়েলী প্ৰাউড অৱ হিম। কিন্তু ডেডীৰ ৰাইটিঙৰ বিষয়ে মই একো নাজানো। জনাটো মোৰ বাবে পছিবল— এই নহয়। মইতো অসমীয়া পঢ়িবই নাজানো।

কিহৰ শব্দ? কিহৰ শব্দ হ'ল? চক খাই উঠিল ঈপ্সিতা। .....বুবুল খুৰাই কিনি দিয়া বিয়াগোম বেলুনটো আঁৰি থোৱাৰ ঠিক পাচদিনা পুৱা ঈপ্সিতাৰ ককায়েকে তাৰ জ্যামিতি বক্সটোৰপৰা কাঁটা কম্পাচডাল উলিয়াই 'ভণ্টি, তোৰ বেলুনটো ফুটাই দিওঁনে, ফুটাই দিওঁনে' বুলি ধেমালি কৰি থাকোঁতে এবাৰত সঁচাকৈয়ে কম্পাচডাল লাগি বেলুনটো ধুম কৈ শব্দ কৰি ফুটি থাকিল। ঈপ্সিতাই কান্দোনত গছৰ পাত সৰুৱাইছিল। সেইটো শোক জীৱনলৈকে থাকি গ'ল তাইৰ। আহ্ ইমান ডাঙৰ বেলুন।

ম'বাইল ফোনৰ বিপ বিপ শব্দই, বজ্ৰপাতৰ আঘাতত নিথৰ হোৱা মানুহৰ দৰে বহি থকা ঈপ্সিতাক চক খুৱাই দিলে।

পিন্ধি থকা জীনচৰ জেপৰ পৰা ম'বাইলটো উলিয়াই ঈপ্সিতালৈ চাই ঝুম্পাই ক'লে— এক্সকিউজ মি। 'হে'লো?' ফোনত কথা পাতি পাতি ঝুম্পা ভিতৰলৈ সোমাই গ'ল......................... হোষ্টেললৈ ঘূৰি আহি ঈপ্সিতাই একে উশাহতে পানী এগিলাচ খাই বিছনাখনত বাগৰ দি ভাবিলে 'কটনিয়ানৰ' সম্পাদক মৃন্ময়দাক তাই বাৰু কি বুলি ক'ব? তাই যে সাক্ষাৎকাৰটো নোলোৱাকৈ মনে মনে গুচি আহিল.......। ❑

(চল্লিশৰ দশকৰ কটন কলেজৰ তথ্যখিনিৰ বাবে দেউতা শ্ৰীযুত নিবাৰণ বৰালৈ কৃতজ্ঞতা জনালো— লেখিকা)

প্ৰণতি শৰ্মা গোস্বামী

ৰিভেঞ্জ ট্ৰেজেডি আৰু কেইখনমান অসমীয়া নাটক

পঞ্চদশ শতিকাৰ শেষৰ ফালে মহাপুৰুষ শংকৰদেৱৰ হাতত জন্ম লাভ কৰা অংকীয়া নাটকৰ জৰিয়তে অসমীয়া নাট্য সাহিত্যৰ পৰম্পৰা আৰম্ভ হয়। বৃটিছৰ আগমনৰ সময়ছোৱালৈকে পৰম্পৰাগত এই লানি নাটকেই অসমীয়া নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছিল। ইংৰাজী শিক্ষা গ্ৰহণ আৰু ইংৰাজৰ সৈতে হোৱা সংস্পৰ্শৰ পাছৰে পৰা অসমীয়া নাট্য সাহিত্যৰ জগতত আন এটি নতুন পৰম্পৰাৰ সৃষ্টি হৈছিল। ই আছিল ৰোমাণ্টিক আদৰ্শৰ পৰম্পৰা। ৰোমাণ্টিক ভাৱ ধাৰাৰে পুষ্ট এই নতুন পৰম্পৰাই পূৰণি আদৰ্শৰ পৰা আঁতৰি আহি আধুনিক যুগৰ বাৰ্তা বহন কৰি অনাৰ চেষ্টা কৰিছিল। ইংৰাজৰ সৈতে হোৱা সংস্পৰ্শ আৰু ইংৰাজী শিক্ষাই অসমৰ সাহিত্য জগতত এখন নতুন দুৱাৰৰ সন্ধান দিলে যিখন দুৱাৰৰ কথা ইয়াৰ আগতে অসমীয়া মানুহে ভাবিবই পৰা নাছিল। ই আছিল ইংৰাজী সাহিত্যৰ প্ৰৱেশ দুৱাৰ। বিশাল জলধাৰাৰ দৰে বিস্তৃত ইংৰাজী সাহিত্যৰ প্ৰবল ঢৌৱে বিশ্বৰ অন্যান্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যকো গৰকি গ'ল। নাট্য সাহিত্যও ইয়াৰ পৰা আঁতৰি থাকিব নোৱাৰিলে। এই সময়ছোৱাৰ বেছিভাগ অসমীয়া নাট্যকাৰেই মহান ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰৰ নাট্যৰীতিৰ আদৰ্শেৰে অনুপ্ৰাণিত হোৱা

দেখা গৈছিল। শ্বেইক্সপীয়েৰৰ আদৰ্শই নাট্যকাৰসকলক মৌলিক নাট সৃষ্টিৰ লগতে মহান নাট্যকাৰ গৰাকীৰ এলানি নাটক অসমীয়ালৈ অনুবাদ কৰিবলৈকো অনুপ্ৰেৰণা যোগাইছিল। এনেদৰে উনবিংশ শতিকাৰ মাজ ভাগৰ পৰা বিংশ শতিকাৰ তৃতীয় দশকলৈ অসমীয়া নাট্য সাহিত্যত শ্বেইক্সপীয়েৰৰ একক আৰু অনন্য প্ৰভাৱ লক্ষ্য কৰা যায়। শ্বেইক্সপীয়েৰৰ নাট্য সাহিত্যৰ যোগেদিয়েই অসমীয়া নাট্যকাৰসকলেও বিশ্বৰ বিভিন্ন নাট্য সাহিত্যৰ সোৱাদ ল'বলৈ সুবিধা পায়। ৰোমান নাট্যকাৰ চেনেকাৰ ৰিভেঞ্জ-ট্ৰেজেডি বা প্ৰতিশোধ নাটকৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। চেনেকাৰ হাতত জন্ম লাভ কৰা ৰিভেঞ্জ-ট্ৰেজেডিৰ প্ৰভাৱ অতি কম সময়ৰ ভিতৰত ইউৰোপত আৰু ইউৰোপীয় নাট্য সাহিত্যৰ যোগেদি, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাট্য সাহিত্যৰ যোগেদি সমগ্ৰ বিশ্বতে বিয়পি পৰে। ষোড়শ আৰু সপ্তদশ শতিকাৰ এক বৃজন সংখ্যক নাট্যকাৰেই চেনেকাৰ নাটকৰ কৰ্ম, শৈলী আৰু কলা-কৌশলৰ ওচৰত কিছু পৰিমাণে ঋণী বুলি ক'ব পাৰি। চেনেকাৰ নাটকত গ্ৰীক ট্ৰেজেডিৰ সূত্ৰৰ কিছু পৰিবৰ্তন সাধন কৰা হৈছিল। তেওঁৰ নাটকৰ বিষয় বস্তু অতি অমানৱীয় আৰু দূষিত বাতাবৰণেৰে পুষ্ট। প্ৰতিশোধ পূৰণ ইয়াৰ মূল ভেটি। বিভীষিকাময় পৰিবেশ, প্ৰতিহিংসা আৰু প্ৰতিহিংসা পূৰণৰ দুৰ্বাৰ প্ৰচেষ্টা চেনেকাৰ নাটকৰ প্ৰধান বৈশিষ্ট্য। এই নাটকবোৰে জন সাধাৰণক জাতীয়ত্বৰ প্ৰতি সজাগ কৰি তোলাৰ লগতে নিভীক আৰু দুঃসাহসিক কামৰ বাবেও প্ৰেৰণা যোগাইছিল। 'তেজৰ সলনি তেজ' ভাবেৰে উদ্বুদ্ধ হোৱা বাবে চেনেকাৰ নাটকে নাম পাইছিল ট্ৰেজেডি অব ব্লাড বা ৰিভেঞ্জ ট্ৰেজেদি। তেওঁৰ নাটকত দেখুউৱা হৈছে লোভ আৰু উচ্চাকাঙ্ক্ষাৰ বশৱৰ্তী হৈ মানুহে ইজনে-সিজনৰ হত্যাকাণ্ডত কেনেদৰে লিপ্ত হৈ পৰে, অন্যায়-অবিচাৰৰ বিৰুদ্ধে নাটকৰ নায়ক বা কেন্দ্ৰীয় চৰিত্ৰই কিদৰে বিদ্ৰোহৰ আশ্ৰয় লয় আৰু দুষ্কৃতিকাৰীৰ বিৰুদ্ধে তেওঁ কেনেদৰে প্ৰতিশোধ ল'ব বিচাৰে। ইয়াৰ কাহিনী আগবাঢ়ে প্ৰতিশোধ পৰায়ণতাক লৈ আৰু ফলস্বৰূপে নাটকত হত্যাকাণ্ডকে ধৰি ভালেমান লোমহৰ্ষক কাহিনী সংঘটিত হয় আৰু পৰিণতিত মঞ্চ উপচি পৰে মৃতদেহেৰে।

ইংলণ্ডত ক্লাছিকেল নাটকৰ আৰ্হিত নাটক ৰচিত হোৱাৰ আগেয়ে চেনেকাৰ নাটক কেইখনৰ অনুবাদ আৰম্ভ হৈছিল বুলি ইংৰাজী সাহিত্যৰ অধ্যয়নে আমাক জানিবলৈ দিয়ে। চেনেকাৰ নাটকৰ আৰ্হিত ৰচিত স্পেনীচ ট্ৰেজেডিৰ জনপ্ৰিয়তা ইমান বেছি আছিল যে স্পেনীচ ট্ৰেজেডিৰ অভিনয় বুলি শুনিলেই অভিনয় থলী দৰ্শকেৰে ভৰি পৰিছিল। সম্ভৱতঃ শ্বেইক্সপীয়েৰৰ দৰে প্ৰতিভাশালী নাট্যসম্ৰাট গৰাকীয়েও চেনেকাৰ নাটকৰ প্ৰভাৱ উপেক্ষা কৰিব পৰা নাছিল। কিন্তু শ্বেইক্সপীয়েৰৰ হাতত চেনেকাৰ ৰিভেঞ্জ ট্ৰেজেডিয়ে এক নতুন ৰূপ পৰিগ্ৰহণ কৰা দেখা গ'ল। শ্বেইক্সপীয়েৰৰ নাটকত প্ৰতিশোধ পূৰণৰ মনোবৃত্তিয়ে তীব্ৰ ৰূপ ধাৰণ কৰিলেও দাৰ্শনিক আৰু মনস্তাত্ত্বিক ভাবধাৰাৰ সংযোজনে প্ৰতিশোধ পূৰণৰ মনোবৃত্তিক গভীৰ মনস্তাত্ত্বিক দৃষ্টিভংগী প্ৰদান কৰিলে। তেওঁৰ *হেমলেট* আৰু *মেকবেথ* নাটক ইয়াৰ উৎকৃষ্ট উদাহৰণ। *হেমলেট* আৰু *মেকবেথৰ* দৰে সৰ্বাংগ সুন্দৰ বিয়োগান্ত নাটক দুখনত সমগ্ৰ ৰিভেঞ্জ-ট্ৰেজেডিৰ পৰম্পৰাৰে আমূল আৰু বৈপ্লৱিক পৰিবৰ্তন সাধন হ'ল। এই নাটকেই তেওঁক জনপ্ৰিয়তাৰ উচ্চ শিখৰত অৱতীৰ্ণ কৰালে। শ্বেইক্সপীয়েৰৰ অনুজ নাট্যকাৰসকলে তেওঁৰ জনপ্ৰিয়তাক উপেক্ষা কৰিব নোৱাৰি, কেৱল বিভীষিকাময় আৰু অস্বাভাৱিক দৃশ্যৰ সংযোজনেৰে এক শ্ৰেণীৰ নতুন নাটক ৰচনাত প্ৰবৃত্ত হ'ল। এই সকল নাট্যকাৰে ৰিভেঞ্জ ট্ৰেজেডিৰ চৰিত্ৰত মনস্তাত্ত্বিক ভাবধাৰা ফুটাই

তোলাত ব্যৰ্থ হ'ল আৰু প্ৰতিশোধ পূৰণৰ মনোবৃত্তিকে তীব্ৰ ৰূপ দিয়াৰ যত্ন কৰিলে। ফলত তেওঁলোকৰ নাটকৰ ঘটনাবোৰ কেৱল মাথোঁ নৃশংস হত্যাকাণ্ডতে পৰিণত হ'ল। প্ৰতিহিংসা আৰু ৰক্তপাতেই হৈ পৰিছিল ইয়াৰ মূল বিষয়বস্তু। আনহাতে প্ৰতিহিংসাৰ কোনো গোন্ধ নোহোৱাকৈয়ে কোনো কোনো নাটকৰ ঘটনা হৈ পৰিছিল পৈশাচিক বাসনাৰে পৰিপূৰ্ণ নৃশংস হত্যাকাণ্ড।

এই সকল নাট্যকাৰৰ হাতত ৰিভেঞ্জ ট্ৰেজেডিয়ে চেনেকা সৃষ্ট ৰিভেঞ্জ ট্ৰেজেডিৰ মূল সুঁতিৰ পৰা আঁতৰি আহি *হৰৰ ট্ৰেজেডিৰ* ৰূপ লৈছিল। ইউৰোপীয় নাট্য আন্দোলনক বিশেষভাৱে প্ৰভাৱান্বিত কৰা ৰিভেঞ্জ ট্ৰেজেডিৰ প্ৰভাৱ অসমীয়া নাট্য সাহিত্যতো লক্ষ্য কৰা যায়। অসমীয়া ভালেমান নাট্যকাৰে চেনেকাৰ ৰিভেঞ্জ ট্ৰেজেডিৰ আৰ্হিত নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যলৈ নতুনত্বৰ সোৱাদ বোৱাই অনাৰ লগতে নাট্যজগতত আলোড়ন তুলিবলৈও সক্ষম হৈছিল। অসমীয়া প্ৰতিশোধ নাটক কেইখনমান হ'ল— দৈৱচন্দ্ৰ তালুকদাৰৰ *বামুণী কোঁৱৰ*, প্ৰসন্নলাল চৌধুৰীৰ *নীলাম্বৰ*, আনন্দ চন্দ্ৰ বৰুৱাৰ *কমতা-কুঁৱৰী*, কমলানন্দ ভট্টাচাৰ্যৰ *নগাকোঁৱৰ*, আনন্দ চন্দ্ৰ বৰুৱাৰ *বিজয়া* ইত্যাদি।

বিশিষ্ট নাট্যকাৰ দৈৱচন্দ্ৰ তালুকদাৰৰ বামুণী কোঁৱৰ নাটখনে নাট্যজগতত ইতিমধ্যে যথেষ্ট সমাদৰ লাভ কৰা দেখা গৈছে। আহোম আৰু চুতীয়াৰ মাজৰ সংঘাতক লৈ নাটকখনৰ কাহিনী আৰম্ভ হৈছে। কাহিনীৰ আৰম্ভণিতে দেখা যায়, প্ৰতিশোধ ল'বলৈ চল চাই থকা চুতীয়া ৰজাই আহোম ৰজাক কৌশলেৰে বধ কৰে। এই ঘটনাৰ পাছতেই আহোম ৰাজপাটত বহা ত্যাওখামথিয়ে চুতীয়া ৰজাৰ ওপৰত প্ৰতিশোধ ল'বলৈ দৃঢ়প্ৰতিজ্ঞ হৈ বিষয়া-কৰ্মচাৰীৰ বাধা নিষেধকো আওকাণ কৰি চুতীয়া ৰজাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰে। এই সময়ছোৱাতে আহোম ৰাজ্যৰ ভিতৰ চ'ৰাত আন এটি নতুন ঘটনাই মূৰ দাঙি উঠে। ত্যাওখামথিৰ দুগৰাকী ৰাণীৰ ভিতৰত সৰু-কুঁৱৰীয়ে ৰজাৰ পৰা বেছি মৰম-স্নেহ পাইছিল। এই কথাটোতে ভিতৰে-ভিতৰে জ্বলি থকা বৰকুঁৱৰীয়ে ত্যাওখামথিৰ যুদ্ধ যাত্ৰাৰ সুযোগ লৈ সৰু-কুঁৱৰীৰ ওপৰত প্ৰতিশোধ ল'বলৈ উঠি-পৰি লাগিল। ত্যাওখামথিৰ অনুপস্থিতিৰ সময়ছোৱাত ৰাজ্যৰ ভাৰ বৰকুঁৱৰীৰ ওপৰত ন্যস্ত হ'ল। বৰকুঁৱৰীয়ে ত্যাওখামথি ৰাজ্যৰ পৰা আঁতৰি থকাৰ সুযোগ লৈ সামান্য কথাতে চেলু এটি উলিয়াই লৈ কেইজনমান ৰাজবিষয়াক সৰু কুঁৱৰীক হত্যা কৰাৰ আদেশ দিয়ে। কিন্তু বিষয়া কেইজনে এনে জঘন্য কাম কৰাৰ পৰা বিৰত থাকিল। তেওঁলোকে সৰুকুঁৱৰীৰ প্ৰাণ ৰক্ষা কৰি তেওঁক ৰাজ্যৰ পৰা পলাই যাবলৈ সুবিধা কৰি দিলে। যুদ্ধক্ষেত্ৰত এই বতৰা পাই ত্যাওখামথিয়ে এই কাৰ্যত লিপ্ত থকা সকলোৰে ওপৰত প্ৰতিশোধ ল'বলৈ স্থিৰ কৰে আৰু যুদ্ধক্ষেত্ৰৰ পৰা আহিয়েই বৰকুঁৱৰী আৰু এই ষড়যন্ত্ৰত ঘনিষ্ঠভাৱে জড়িত তেওঁৰ এগৰাকী বিশ্বাসী সহযোগী লচপচীৰ ওপৰত নিৰ্মমভাৱে অত্যাচাৰ কৰে। তেওঁ বিষয়াসকলকো সন্দেহ কৰিবলৈ ধৰিলে। ত্যাওখামথিৰ এনে আচৰণত আতংকিত বিষয়াবৰ্গই নিজৰ প্ৰাণৰক্ষাৰ বাবে গুপ্তচৰ লগাই ত্যাওখামথিক নৃশংসভাৱে হত্যা কৰে। হত্যা, ঈৰ্ষা, পাশৱিক অত্যাচাৰ আৰু প্ৰতিশোধ পূৰণৰ মনোবৃত্তিয়ে সমগ্ৰ নাটখনতে এক গোমা পৰিবেশৰ সৃষ্টি কৰিছে। নাটকখন প্ৰতিশোধ প্ৰবৃত্তিৰ নৃশংসতাৰ নগ্ন প্ৰকাশ মাত্ৰ। সপ্তদশ শতাব্দীৰ ৰিভেঞ্জ ট্ৰেজেডিৰ প্ৰভূত সমল নাটকখনত লক্ষ্য কৰা যায়। আদৰ্শ শূন্যতা, জিঘাংসু প্ৰবৃত্তি আৰু চৰিত্ৰসমূহৰ মানসিক অসুস্থতাৰ কাৰণে নাটকীয় ঘটনাই বিভীষিকাময় পৰিবেশৰ মাজতে আবদ্ধ হৈ পৰিছে। ভাৱ প্ৰৱণতা, উদণ্ড প্ৰকৃতি আৰু

আকোঁৰগোজ মনোভাৱে প্ৰধান চৰিত্ৰ কেইটিক শোকাবহ পৰিণতিৰ পিনে ঠেলি নিছে। সেয়ে চৰিত্ৰ কেইটিৰ মাজত মানসিক সংঘাত চিত্ৰণৰ যথেষ্ট থল থকা সত্ত্বেও ই বিকাশ লাভ কৰিব নোৱাৰিলে। শ্বেইক্সপীয়েৰৰ নাটকৰ মনস্তাত্বিক আৰু দাৰ্শনিক ভাবৰ প্ৰকাশ ইয়াত হোৱা নাই।

প্ৰসন্নলাল চৌধুৰীৰ *নীলাম্বৰ* প্ৰতিশোধ নাটকৰ উৎকৃষ্ট উদাহৰণ। কমতাপুৰ পতনৰ কাৰণ লৈয়েই ইয়াৰ কাহিনীয়ে গতি লাভ কৰিছে। ইতিহাসৰ সঁচা ঘটনাত কল্পনাৰ অলপ ৰহন সানি নাটকখন ৰচনা কৰা হৈছে। খেন বংশৰ শেষ ৰজা নীলাম্বৰৰ লগত বংগদেশৰ নবাব হুছেনছাহৰ সংঘৰ্ষ আৰু কমতাপুৰ ধ্বংস অসমৰ ঐতিহাসিক ঘটনা। *নীলাম্বৰ* নাটত নন্দৰ প্ৰৱেশৰ লগে লগে প্ৰতিশোধৰ ভাব স্পষ্ট হৈ পৰিছে। নন্দই সকলোবোৰ চৰিত্ৰৰ মনতে প্ৰতিশোধৰ দাবানল জ্বলাই তুলিছে। নন্দক জাৰজ বুলি সিংহাসনৰ পৰা বঞ্চিত কৰি পূৰ্বপুৰুষৰ পৰা অন্যায়ভাৱে সিংহাসন কাঢ়ি লোৱা বাবে প্ৰথমে নন্দই ৰজা নীলাম্বৰ, দ্বিতীয়তে মন্ত্ৰী শচীপাত্ৰ আৰু সমস্ত ব্ৰাহ্মণ জাতিৰ ওপৰত প্ৰতিশোধ ল'বলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। আনকি শচীপাত্ৰৰ পুত্ৰ মনোহৰৰ সৈতে প্ৰেমৰ প্ৰতিদ্বন্দ্বী হৈ নন্দই মনোহৰৰ ওপৰতো প্ৰতিশোধ ল'বলৈ স্থিৰ কৰে। তদুপৰি শচীপাত্ৰৰ পুত্ৰ মনোহৰৰ সৈতে ৰজা নীলাম্বৰৰ পত্নীৰ অবৈধ প্ৰণয়ৰ সম্পৰ্ক আছে বুলি ৰজাৰ মনত প্ৰতীতি জন্মাই ৰজা নীলাম্বৰক মনোহৰৰ প্ৰতি বিদ্ৰোহী কৰি তোলে। নন্দই নিজে মনোহৰক হত্যা কৰি তেওঁৰ মঙহৰ জোলেৰে বাপেক শচীপাত্ৰক চলনা কৰি ভোজ খুৱায়। কিন্তু পাছত নীলাম্বৰৰ জাল চিঠি দেখুৱাই ৰজা নীলাম্বৰেই মনোহৰক হত্যা কৰি পুতেকৰ মঙহেৰে শচীপাত্ৰক ভোজ খুৱাই বুলি পতিয়ন নিয়ায় আৰু নীলাম্বৰৰ প্ৰতি শচীপাত্ৰক ভীষণ বিদ্ৰোহী কৰি তোলে। পুত্ৰ শোকত মৰ্মাহত শচীপাত্ৰই নীলাম্বৰৰ ওপৰত প্ৰতিশোধ ল'বলৈ দৃঢ়প্ৰতিজ্ঞ হয় আৰু ইয়াৰ পোতক তোলাৰ মনেৰে বংগৰ নবাব হুছেনছাহক কমতাপুৰ আক্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনায়। অন্যায় যুদ্ধত হুছেনছাহে নীলাম্বৰক পৰাভূত কৰি কমতাপুৰ অধিকাৰ কৰে। পাছত সাধুচৰণৰ পৰা নন্দৰ চক্ৰান্তৰ কথা জানিব পাৰি শচীপাত্ৰই নন্দৰ ওপৰতো প্ৰতিশোধ ল'বলৈ দৃঢ়সংকল্প লয় আৰু পিঠিৰ ফালৰ পৰা তৰোৱালেৰে ঘাপ মাৰে আৰু নিজেও অগ্নিদগ্ধ নগৰত জাহ যায়।

চাঞ্চল্যজনক বিভিন্ন ঘটনাই নাটকখনক ৰোমান্সধৰ্মী নাটকৰ শাৰীলৈ লৈ গৈছে। প্ৰতিশোধ, প্ৰেম, গুপ্তহত্যা, আত্মহত্যা, উন্মাদগ্ৰস্ততা আদি চাঞ্চল্যজনক ঘটনাই নাটকখনক ঘটনাবহুল, কৰ্মচঞ্চল, লোমহৰ্ষক, অতি নাটকীয় বৈশিষ্ট্য প্ৰদান কৰিছে। নাটকখনৰ কাহিনীৰ সৈতে চেনেকাৰ থিয়েষ্টছিছ নাটকৰ কাহিনীৰ ভালেখিনি সাদৃশ্য আছে। প্ৰতিশোধ পূৰণৰ ক্ষেত্ৰত মন্ত্ৰী শচীপাত্ৰ যথেষ্ট মানসিক সংঘাতৰ সন্মুখীন হৈছে। নন্দৰ পৰা নানা প্ৰকাৰৰ প্ৰলোভনৰ সন্মুখীন হৈও প্ৰথম অৱস্থাত শচীপাত্ৰই প্ৰতিশোধৰ পথ ল'বলৈ কুণ্ঠাবোধ কৰিছিল। কাৰণ, নীলাম্বৰৰ ওপৰত প্ৰতিশোধ লোৱা মানে নিজৰ জীয়ৰীৰ দৰে ডাঙৰ-দীঘল কৰা কমতাপুৰৰ ওপৰত প্ৰতিশোধ লোৱা। আনকি প্ৰতিশোধৰ সিদ্ধান্ত লৈও এই তাড়ণাৰ পৰা তেওঁ মুক্ত হ'ব পৰা নাই। আৰম্ভণিৰ পৰা শেষলৈকে গাম্ভীৰ্যপূৰ্ণ পৰিবেশত আগবঢ়া কাহিনীটোত ই কিছু পৰিমাণে ৰিলিফৰ কাম কৰিছে।

কমলানন্দ ভট্টাচাৰ্যৰ *নগাকোঁৱৰ* নাটকৰ দীঘলীয়া কাহিনীটোত কেৱাটাও ভয়াবহ, চাঞ্চল্যজনক দৃশ্যৰ উপৰিও পোন্ধৰটাৰো অধিক হত্যাকাণ্ড সংঘটিত হৈছে। ৰাজ্যৰ পৰা

বহিষ্কৃতা আহোম ৰাণীৰ গৰ্ভত ওপজা নগাকোঁৱৰৰ সাহস আৰু দেশপ্ৰেম এই নাটকৰ বৈশিষ্ট্য। নাটকৰ আৰম্ভণিতে দেখা যায় ৰাণী অহল্যাই পতিহত্যাৰ প্ৰতিশোধ ল'ব নোৱাৰি আত্মহত্যা কৰিবলৈ উদ্যত হৈছে। আত্মহত্যাৰ আগে আগে নিজৰ জীয়েকক বধ কৰিবলৈ উদ্যত হওঁতেই এজন ডেকাই ৰাণীৰ প্ৰতিশোধৰ দায়িত্ব মূৰপাতি লোৱাত ৰাণীয়ে জীয়েকক বধ নকৰি নিজৰ বুকুতে তৰোৱাল বহুৱাই দিয়ে। কিন্তু মৃত্যুৰ আগে আগে ৰাণীয়ে জীয়েকক পুনৰ পিতৃ হত্যাৰ প্ৰতিশোধৰ কথা সোঁৱৰাই থৈ গ'ল। মাতৃৰ মৃত্যুৰ পাছত জীয়েক ৰেণুৱে পিতৃহত্যাৰ প্ৰতিশোধ ল'বলৈ পাঠানসকলৰ সহায় বিচাৰে। এটি বিশেষ কাৰণত পাঠানৰ তলত কাম কৰি থকা এগৰাকী আহোম বিষয়াই ৰেণুৰ প্ৰতি সহায়ক হাত আগবঢ়ালে। আনহাতে সগৰ্ভা অৱস্থাতে বিনাদোষত স্বামী পৰিত্যক্তা এগৰাকী আহোম ৰাণীয়ে মৃত্যুৰ আগমুহূৰ্তত নগা পাহাৰত জন্ম লাভ কৰি ডাঙৰ-দীঘল হোৱা তেওঁৰ যুৱক পুত্ৰৰ আগত নিজৰ দুখৰ কাহিনী ব্যক্ত কৰে। এনে নিৰ্মম ঘটনা শুনাৰ পাছতে নগাকোঁৱৰে (নগা পাহাৰত জন্ম লাভ কৰা হেতুকে পোৱা নাম) পিতৃৰ ওচৰত প্ৰতিশোধ ল'বলৈ উদ্যত হয় আৰু মাতৃৰ মৃতদেহ আহোম ৰাজসভালৈ নিজহাতে কঢ়িয়াই লৈ যায়। এইদৰে এটাৰ পাছত এটাকৈ কেবাটাও প্ৰতিশোধৰ ঘটনা ইয়াত সন্নিবিষ্ট কৰা হৈছে আৰু নিজৰ জিভা কাটি দিয়া ধৰণৰ লোমহৰ্ষক ঘটনাও নাটকখনত অংকিত কৰা হৈছে। কিন্তু ৰিভেঞ্জ ট্ৰেজেডিত চৰিত্ৰৰ মানসিক দ্বিধা বা সংঘাতে যি ধৰণৰ বিলিফৰ কাম দিয়ে তেনেধৰণৰ ঘটনা নাটকখনত দেখা পোৱা নগ'ল।

আনন্দ চন্দ্ৰ বৰুৱাৰ *বিজয়া* নাটকৰ কাহিনীটো স্পেনীচ নাট্যকাৰ জুৱান হাৰ্টিছেন বুচৰ La Amentus De Teruel নামৰ বিদেশী নাটক এখনক কেন্দ্ৰ কৰি লেখা প্ৰৱন্ধ এটিৰ ওপৰত আধাৰিত। অসমীয়া নাট্যকাৰ গৰাকীয়ে তেওঁৰ নাটকৰ কাহিনীটো অসমীয়া মাটি/পানীৰে সানি নিজৰ কৰি তুলিছে। নাটকখনত দুই ধৰণৰ প্ৰতিশোধ স্পৃহা দেখা গৈছে। বিজয়াৰ প্ৰেমিক স্বামী হ'বলৈ যোগ্যতা প্ৰকাশ কৰিবলৈ ওলাই অহা বিশ্বসিংহই গৌড়ৰ নবাবৰ পত্নী জুলিমা বেগমৰ ব্যৰ্থ প্ৰেমৰ প্ৰতিশোধৰ কাৰণ হৈ পৰে। আনহাতে জুলিমা বেগমে বিশ্বসিংহৰ পৰা বিজয়াক আঁতৰাবৰ কাৰণে বিজয়াৰ ওপৰতো প্ৰতিহিংসা চৰিতাৰ্থ কৰে। আনফালে বিজয়াক লাভ কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰা বিশ্বসিংহৰ প্ৰতিদ্বন্দ্বী দীনদাসে বিজয়াক বিয়া কৰোৱা বুলি জানিব পাৰি বিশ্বসিংহ অধৈৰ্য হৈ পৰে আৰু দীনদাসক ঘৰলৈ খেদি গৈ বাটতে আঘাত কৰে। বিজয়াক পাবলৈ কাতৰ হৈ পৰা বিশ্বসিংহৰ এনে আচৰণত বিজয়াই মনৰ ইচ্ছাৰ বিপৰীতে বিশ্বসিংহক ইয়াৰ বাবে তীব্ৰ ভাষাৰে ককৰ্থনা কৰাত আপোনজনৰ অপমানৰ আঘাত সহিব নোৱাৰি বিশ্বসিংহৰ থিতাতে মৃত্যু হয়। এই মৃত্যুৰ বাবে নিজকে জগৰীয়া বুলি ভাবি বিজয়াইও মাকৰ কান্ধত ঢলি পৰে। বিজয়াৰ মৃত্যু পোনপটীয়াকৈ নাটকখনত দেখুওৱা হোৱা নাই যদিও দৰ্শকে ইয়াক সহজেই অনুমান কৰি ল'ব পাৰিছে।

কেবাটাও চাঞ্চল্যকৰ ঘটনাৰ আলমত নাটকখনৰ কেইটিমান প্ৰধান চৰিত্ৰৰ মনত প্ৰতিশোধৰ অগনি জ্বলাই তোলা হৈছে যদিও চৰিত্ৰৰ মানসিক সংঘাতৰ চিত্ৰণ কৰিবলৈ নাট্যকাৰে কোনো ধৰণৰ চেষ্টা কৰা দেখা নগ'ল। জুলিমা আৰু বিশ্বসিংহ চৰিত্ৰত মানসিক দ্বিধা আৰু সংশয়ৰ প্ৰতিফলন ঘটোৱাৰ যথেষ্ট সমল থকা সত্ত্বেও নাট্যকাৰে এই দিশত কোনো ধৰণৰ প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। প্ৰতিশোধ পূৰণকে মুখ্য উদ্দেশ্য কৰি লোৱা বাবে চৰিত্ৰ আৰু ঘটনাই কিছু পৰিমাণে স্বাভাৱিকতা হেৰুৱাই পেলাইছে। দাৰ্শনিক

আৰু মনস্তাত্ত্বিক দৃষ্টিভংগীৰ অভাৱে নাটকখনক ৰিভেঞ্জ ট্ৰেজেডিৰ সলনি হৰৰ ট্ৰেজেডিতহে পৰিণত কৰিছে।

আনন্দ চন্দ্ৰ বৰুৱাৰ *কমতা-কুঁৱৰী* নাটকখনো *নীলাম্বৰ* নাটকখনৰ দৰে একে কাহিনীৰ আধাৰতে ৰচিত হৈছে। পাঁচটা অংকত পঞ্চাশটা দৃশ্যৰ সহযোগত ইয়াৰ কাহিনী বৰ্ণিত হৈছে। *নীলাম্বৰ* নাটৰ কাহিনীৰ সৈতে ইয়াৰ বিষয়গত সাদৃশ্য আছে যদিও দুইখন নাটকৰে উপস্থাপন ৰীতিৰ ক্ষেত্ৰত যথেষ্ট প্ৰভেদ লক্ষ্য কৰা যায়। দুয়োখন নাটকৰে মূল কথা প্ৰতিশোধ। নাটকখনত ৰিভেঞ্জ-ট্ৰেজেডিতকৈ হৰৰ ট্ৰেজেডিৰ লক্ষণ অধিক স্পষ্ট।

এনেদৰে বিচাৰ কৰি চালে কেবাখনো অসমীয়া নাটকত ৰিভেঞ্জ-ট্ৰেজেডিৰ সমল অনুভৱ কৰা যায়। অৱশ্যে আগতেই উল্লেখ কৰা হৈছে যে এই সোঁত বৈছিল শ্বেইক্সপীয়েৰৰ নাট্যৰীতিৰ যোগেদি। শ্বেইক্সপীয়েৰৰ কবিত্ব শক্তি আৰু গভীৰ জীৱনবোধে তেওঁৰ নাটকক প্ৰতিশোধ পূৰণৰ কদৰ্য মনোভাৱৰ পৰা আঁতৰাই গভীৰ জীৱন দৰ্শনৰ যি সোৱাদ দিব পাৰিছিল অসমীয়া নাট্যকাৰ সকলৰ ৰচনাত তেনে দৰ্শনৰ অভাৱ পৰিলক্ষিত হয়। ইয়াৰ বিপৰীতে এইসকল নাট্যকাৰৰৰচনাত শ্বেইক্সপীয়েৰৰ পৰৱৰ্তী নাট্যকাৰসকলৰ দৰে লোমহৰ্ষক কাহিনীৰ চমৎকাৰিত্ব প্ৰবল হৈ উঠিল। ❑

ৰঞ্জিত কলিতা

এটি ঘটনা বহুল ভ্ৰমণৰ সোঁৱৰণত

ইংৰাজী ১৯৭৭ চনৰ অক্টোবৰ মাহৰ শেষৰ কোনোবা এটা দিনৰ ৰাতিপুৱা। তেতিয়াৰ মিটাৰ গজ ৰেললাইনত চলা গুৱাহাটীৰ পৰা লক্ষ্ণৌলৈ যাবলগা এ. টি. মেইলখন গুৱাহাটী ৰেল ষ্টেচনৰ ১নং প্লেটফৰ্মত ৰৈ আছে। নিৰ্ধাৰিত সময় ঠিক ৰাতিপুৱা ৫ বজাতে ৰেল এৰিব। শিক্ষামূলক ভ্ৰমণলৈ সাজু হোৱা ৪জন জ্যেষ্ঠ ছাত্ৰৰ বাহিৰে আমি বাকীবোৰে বৰ্ত্তমানৰ কটন কলেজৰ প্ৰিন্সিপাল, তেতিয়াৰ অৰ্থনীতি বিভাগৰ অধ্যাপক শ্ৰীযুত দিলীপ বৰুৱা ছাৰৰ নেতৃত্বত ৰাতিপুৱা ৪/৩০ মান বজাৰ ভিতৰতেই ষ্টেচনত হাজিৰ হৈছোহি। উৎকণ্ঠাৰে সকলোৱে ৰৈ আছে বাকী চাৰিজন ছাত্ৰ অহালৈ। ৪/৪৫ হৈ ৫ বাজিবৰ হ'ল তেওঁলোকৰ দেখাদেখি নাই। তেওঁলোকৰ ছাত্ৰী বান্ধৱী দুগৰাকীমানৰতো অপেক্ষাত অধীৰ হৈ চকুৰে পানী ওলাই আহো আহো অৱস্থা। আমাৰ কেইজনমানে লগতে আগবঢ়াই থব অহা দুজনমান বন্ধুৱে ষ্টেচনৰ ইফালে সিফালে, ষ্টেচনৰ সন্মুখৰ গাড়ী পাৰ্ক কৰা ঠাই, ৰাস্তা আদিলৈ ঘনে ঘনে দৌৰাদৌৰি কৰি তেওঁলোক অহালৈ ভুমুকি মাৰি ইফাল সিফাল কৰি আছে। কিন্তু অহাৰ কোনো লক্ষণ বা চিনমোকামেই দেখা নগ'ল। ইতিমধ্যে ঠিক ৫ বজাতেই ট্ৰেইন যোৱাৰ সংকেত প্লেটফৰ্মত বাজি উঠিল আৰু নিৰ্দিষ্ট সময়তেই ট্ৰেইনখনে

যাত্ৰা আৰম্ভ কৰিলে। ছাত্ৰী বান্ধৱী কেইগৰাকীমানৰ ওলাই আহো আহো কৰি থকা চকুৰ পানী সেইমতেই ওলাই আহিল।

কটন কলেজ 'প্লেনিং ফৰাম'ৰ দ্বাৰা আয়োজিত উক্ত ভ্ৰমণত অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও অইন দুটামান বিভাগৰ ছাত্ৰ-ছাত্ৰীক লৈ মুঠ ২৭ জনীয়া ভ্ৰমণকাৰী দলটো গঠন হৈছিল। প্ৰাণীবিদ্যা বিভাগৰ এগৰাকী মহিলা প্ৰৱক্তাও ছাত্ৰীখিনিৰ তদাৰকৰ বাবে আমাৰ লগত গৈছিল। তেখেতৰ নামটো পাহৰিলো। আমি সম্পূৰ্ণ সংৰক্ষিত দবা এটাত গৈছিলো।

সেই চনৰে চেপ্তেম্বৰ মাহত তেতিয়াৰ কটন কলেজ ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক (ভাৰপ্ৰাপ্ত) শ্ৰী আবু নাছেৰ ইফতিকাৰ হুছেইন বৰাই (বৰ্ত্তমান তেওঁ অসম প্ৰশাসনীয় সেৱাৰ বিষয়া) কেইজনমান জ্যেষ্ঠ ছাত্ৰ লগত লৈ কলেজৰ ফালৰ পৰা প্ৰত্যেক বছৰে আয়োজন কৰা শিক্ষামূলক ভ্ৰমণৰ মঞ্জুৰীৰ বাবে চৰকাৰৰ লগত আলোচনা কৰিবলৈ তেতিয়াৰ শিক্ষা সচিব শ্ৰীযুত মদন প্ৰসাদ বেজবৰুৱাদেৱক লগ ধৰিবলৈ দিছপুৰলৈ গৈছিল। তেখেতৰ লগত আলোচনাৰ সময়ত কলেজৰ সাধাৰণ সম্পাদকৰ লগত থকা অৰ্থনীতি বিভাগৰ দুজনমান ছাত্ৰই বেজবৰুৱা চাহাবক কথাৰ মাজতে সুধিলে যে, যদি অৰ্থনীতি বিভাগৰ প্লেনিং ফৰামৰ দ্বাৰা কোনো শিক্ষামূলক ভ্ৰমণৰ আঁচনি তৈয়াৰ কৰে তেনেহলে কিবা মঞ্জুৰী পোৱা যাবনে নাযাব তেতিয়া বেজবৰুৱা চাহাবে তেওঁলোকক ইতিবাচক মন্তব্য এটা দিলে। ইতিমধ্যে কলেজৰ সাধাৰণ শিক্ষামূলক ভ্ৰমণৰ বাবে মঞ্জুৰীৰ অনুমোদন শিক্ষাসচিবে দিছিল। সেই গধূলিয়েই ২.৩০ মান বজাত সাধাৰণ সম্পাদকৰ লগত যোৱা শ্ৰীভাস্কৰ খাউণ্ড (বৰ্ত্তমান তেওঁ অইল ইণ্ডিয়া লিমিটেডৰ জ্যেষ্ঠ জনসম্পৰ্কৰক্ষী বিষয়া) আৰু শ্ৰী অমৰ বৰাই (বৰ্ত্তমান যোৰহাটৰ জ্যেষ্ঠ অধিবক্তা) এই লেখকক আৰু আন দুজনমানক জনালে যে 'প্লেনিং ফৰাম'ৰ দ্বাৰা যদি কোনো ভ্ৰমণৰ আবেদন জনোৱা হয় তেতিয়াহলে শিক্ষাসচিবে অনুকূলে বিবেচনা কৰিব বুলি কৈছে। মোৰ লগত থকা শ্ৰীজ্যোতিপ্ৰসাদ শৰ্ম্মা (বৰ্ত্তমান ভাৰতীয় ষ্টেট বেঙ্কৰ দিল্লীত কৰ্ত্তব্যৰত উচ্চ পদস্থ বিষয়া) আৰু শ্ৰীদিলীপ শৰ্ম্মা (বৰ্ত্তমান 'নাবাৰ্ড'ৰ ৰিচোৰ্ছ) তৎমুহূৰ্ত্তে ভাস্কৰ আৰু অমৰ সহ লগত লৈ অৰ্থনীতি বিভাগৰ তেতিয়াৰ মুৰব্বী অধ্যাপক ৰামকুমাৰ দাস ছাৰ আৰু শ্ৰীদিলীপ বৰুৱা ছাৰক গোটেইখিনি কথা বিৱৰি কৈ তেওঁলোকক চৰকাৰলৈ বুলি এখন আবেদন তৈয়াৰ কৰি দিবলৈ অনুৰোধ জনালো। সেইমতে দুয়োজনে ৮০০০ মান টকাৰে বাজেটসহ এখন আঁচনি তৈয়াৰ কৰি টাইপ কৰাৰ পিচত শ্ৰী দাস ছাৰে চহী কৰি আমাৰ হাতত প্ৰিন্সিপাল মহোদয়ৰ অনুমোদনৰ বাবে দিলে। সেইমতেই, তেতিয়া গধূলি ৪মান বাজিছিল, শ্ৰীযুত আশ্ৰফ আলী প্ৰিন্সিপাল ছাৰৰ কাৰ্য্যালয়ৰ ফালে আহি থাকোতেই দেখিলো তেখেতে কলেজৰ চৌহদতে থকা বাসভৱনলৈ ৰাজপথেদি খোজকাঢ়ি যাব ধৰিছে। আমি বেলেগ একো নাভাবি বাটতেই তেখেতৰ লগে লগে খোজকাঢ়ি আবেদনৰ কথাখিনি ক'লো। তেখেতে ক'লে যে, কিছু পিচতেই তেখেতে ঘৰৰ পৰা গৈ পুনৰ তেখেতৰ কাৰ্য্যালয় কক্ষত বহিব। তাতে লগ ধৰিলে হ'ল। সেইমতেই গধূলি পাঁচমান বজাত প্ৰিন্সিপাল ছাৰে চৰকাৰলৈ আবেদনখনত অনুমোদন জনাই ভাল টোকা এটা সংলগ্ন কৰি দিলে। ইয়াৰ আগতেই আবেদন প্ৰস্তুত কৰাৰ সময়ত ইয়াৰ তিনিটামান কপি কৰি লোৱা হৈছিল আৰু প্ৰত্যেকটো কপিতে বিভাগীয় মুৰব্বীৰ চহী আৰু প্ৰিন্সিপালৰ অনুমোদন লোৱা হৈছিল।

ইয়াৰ ঠিক পিচদিনাই আমি পাঁচজনমানে ওপৰত উল্লেখ কৰা কেইজন আৰু লগত শ্রীপ্রদ্যুৎ বৰদলৈও আছিল (বৰ্ত্তমান তেওঁ অসম চৰকাৰৰ ৰাজ্যিক বিত্ত মন্ত্রী দিছপুৰলৈ গৈ আবেদনৰ এটা কপি শিক্ষা সচিবৰ হাতত দিলো, এটা কপি ডি. পি. আইক দিয়া হ'ল আৰু এটা কপি প্রয়াত প্রাক্তন মুখ্যমন্ত্রী শ্রীযুত হিতেশ্বৰ শইকীয়াদেৱক দিলো। (তেখেত তেতিয়া শিক্ষামন্ত্রী হৈ আছিল।) তেখেতে আমাৰ লগত সুমধুৰ কথাবতৰা হৈ চাহ-তাহ খুৱাই কিবা এটা অনুদানৰ ব্যৱস্থা কৰি দিম বুলি একেবাৰে জনতা ভৱনৰ প্রৱেশদ্বাৰলৈ আমাৰ লগত আহি আমাক আগবঢ়াই দিলে। তেখেতৰ কথা মৰ্ম্মেই চৰকাৰে শেহত 'প্লেনিং ফৰাম'ৰ নামত শিক্ষামূলক ভ্রমণৰ বাবদ চাৰি হাজাৰ টকাৰ এটি অনুদান দিলে। কটন কলেজৰ সাধাৰণ শিক্ষামূলক ভ্রমণৰ বাবেও সেই একে পৰিমাণৰ অনুদান পালে আৰু আবু নাছেৰৰ নেতৃত্বত তেওঁলোকৰ দল ভ্রমণলৈ গৈছিল। এইখিনি এই কাৰণেই উল্লেখ কৰিছো, তেতিয়াৰ দিনত বিভাগীয় শিক্ষামূলক ভ্রমণৰ বাবে সৰ্ব্বাধিক দুহেজাৰ টকালৈহে অনুদান পোৱা বুলি শুনিছিলো।

আকৌ আহো ৰেলৰ যাত্রালৈ। ইতিমধ্যে দবাৰ ভিতৰত আমাৰ মনবোৰো বহু পৰিমাণে দুখেৰে ভৰি পৰি সেমেকি উঠিছিল। কাৰণ এই যাত্রাটোৰ প্রায়খিনি যোগাযোগ/আয়োজন আদিত সেই ৰেল ধৰিব নোৱাৰা জ্যোতি শৰ্ম্মা, ভাস্কৰ খাউণ্ড, অমৰ বৰা, প্রদ্যুৎ বৰদলৈ চাৰিওজনেই সক্রিয়ভাৱে লাগি আছিল। $১\frac{১}{২}$ ঘণ্টামান পাছত ৰেলখন আহি ৰঙিয়া ৰেল জংছনত ৫ মিনিটমানৰ বাবে ৰাখিলে। এনেতে প্লেটফৰ্মৰ এটা মূৰত দেখো আমাৰে চিনাকী চিনাকী যেন লগা দুজন ডেকা ল'ৰাই কান্ধত হুন্ডৰল আৰু হাতত ছুটকেচ লৈ ৰেলখনৰ ইঞ্জিনৰ কাষৰ দবাটোৰ পৰা কাৰোবাক বিচাৰি বিচাৰি ইটো দবাৰ পিচত সিটো ডবা অতিক্রম কৰি আমাৰ দবাটোৰ ফালে আহি আছে। একেবাৰে ওচৰ চাপি অহাত দেখো জ্যোতি শৰ্ম্মা আৰু প্রদ্যুৎ বৰদলৈ। সকলোৰে মনবোৰ আনন্দিত হৈ আহিল। পুনৰ দুজন লগ খাই দবাটোত ২৫ জনহে ৰেল যাত্রা পুনৰ আৰম্ভ হ'ল।

প্রদ্যুৎ আৰু জ্যোতিৰ মুখৰ পৰা জনা গ'ল যে, তেওঁলোক দুয়োৱে পুৱাই আৰম্ভ কৰিব লগা ভ্রমণৰ মাদকতা আৰু আনন্দত ৰাতি কিছু দেৰিলৈকে হোষ্টেলৰ আবাসীসকলৰ সৈতে আড্ডা দিয়াত শুওঁতে কিছু দেৰী হ'ল। তেওঁলোকে ভাবিছিল যে ডি. এছ. হোষ্টেলৰ পৰা ৰেল ষ্টেচনলৈ এক ফাৰ্লঙৰ বেছি বাট নহয়, সেয়েহে ৰাতিপুৱা পুটুংকৈ ৰেল ধৰিব পাৰিব, তেওঁলোকে ষ্টেছনলৈ ঠিকেই আহিছিল, কিন্তু পাঁচ বাজি পাঁচ মিনিট যোৱাতহে তেওঁলোক ষ্টেচন পাইছিল, কিন্তু ট্রেইন সঠিক পাঁচ বজাতেই এৰিছিল। তেওঁলোকে ষ্টেচনত ঠিক উঠিছেহি, সেই সময়তেই আমাৰ লগত ভ্রমণত যাব নোৱাৰি আমাক মাত লগাবলৈ অহা শ্রীমইদুল ইছলাম বৰাই (বৰ্ত্তমানত তেওঁ অগপ চৰকাৰৰ মন্ত্রী আছিল) ষ্টেচনৰ পৰা ওলাই আহিব ধৰোতেই দুয়োকে দেখা পালে, ইতিমধ্যে যে ৰেলে গতি কৰিলে, ৰেলখন ধৰিবলৈ হলে এটাই ৰাস্তা আছে ৰেল ৰঙিয়া পোৱাৰ আগতে মটৰ গাড়ীৰে গৈ ৰঙিয়াত লগ হোৱা। সেইমতে ৰবাৰ সহযোগত দুয়ো ষ্টেচনৰ সম্মুখৰ পৰা এখন টেক্সি ভাৰা কৰি দ্রুতগতিৰে আহি ৰেল ৰঙিয়া আহি পোৱাৰ কিছু আগতেই ষ্টেচনত আহি হাজিৰ হৈছিলহি।

লাহে লাহে দুপৰীয়া হ'ল, গধূলি আহি পৰিল, কোচবিহাৰ পাৰ হলো, জলপাইগুৰি পাৰ হলো, ৰাতি পাৰ হ'ল, পিচদিনা ৰাতিপুৱা হ'ল, কাটিহাৰ পাৰ হলো, বিহাৰৰ মাজেৰে ৰেলে লক্কোলে বুলি তীব্রবেগে গতি কৰি আছে।

বাকী দুজন ৰেল ধৰিব নোৱাৰা ছাত্ৰৰ কথা ইতিমধ্যে সকলোৱে মনৰ পৰা বাদ দিছে। দুপৰীয়া উত্তৰ প্ৰদেশৰ মাজেৰে ৰেল গৈ আছে। গধূলি ৭মান বজাত লক্ষ্ণৌ ষ্টেচন আহি পালে। লক্ষ্ণৌ ষ্টেচনৰ সম্মুখতে প্ৰায় ১ ফাৰ্লংমান দূৰত থকা বেঙ্গলী হোটেলত সকলোৱে ভাগৰে-জুগৰে আশ্ৰয় ললোহি। দুটা দিন এক ৰাতিৰ দীঘলীয়া ৰেল যাত্ৰাৰ পাচত সকলোৰে দেহবোৰ অবশ হৈ পৰিছিল। ৰাতি ভাত-পানী খোৱাৰ পিচত সকলোৱে ভিন্ন ভিন্ন ৰুমত বেডিং পাৰি বাগৰ দিলে আৰু নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল।

পিচদিনা পূৰ্ব্বৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুসৰি লক্ষ্ণৌৰ চাবলগীয়া ঠাইবোৰ চোৱা হ'ল, গধূলি দোকান-বজাৰত ইটো সিটো কিনি সকলোৱে হোটেললৈ পুনৰ ঘূৰি আহিল। বিভিন্ন কথা-বতৰা, তামাছা, ফূৰ্ত্তি, গান-নাচেৰে গধূলি সময়খিনি অতিবাহিত কৰা আৰম্ভ হ'ল। আমি হোটেলৰ প্ৰথম নে দ্বিতীয় মহলাত আছিলো।

এনেতে চিৰি বগাই, কৰিডৰেৰে পাতল পোহৰৰ মাজেৰে দুজন ডেকা ল'ৰাই মূৰত হুডঅল আৰু হাতত ছুটকেছ লৈ আমাৰ ফালে আহি থকা দেখা গ'ল। ক্ৰমাৎ ওচৰ চাপি অহাত মুখৰ ফালে চাওঁতে দেখিলো ভাস্কৰ আৰু অমৰ। দুয়ো তৎমুহূৰ্ত্ততে দুপাক বিহু নাচ আৰম্ভ কৰি দিলে বাকীবোৰেও তেওঁলোকৰ লগত কঁকাল ঘূৰাই হাতচাপৰি বজাই নাচ আৰম্ভ কৰি দিলে। সকলোৰে মনবোৰ আনন্দেৰে ভৰি পৰিল।

তেওঁলোকৰো সেই ৰেল যাত্ৰাৰ আগদিনা ৰাতি শুওঁতে অলপ পলম হ'ল। দুয়োজনেই কচমোপলিটান হোষ্টেলৰ আবাসী আছিল। অমৰ বৰাৰ আনন্দ অলপ বেছি লাগিলে তেওঁ মহাদেৱৰ বস্তুবিধ ধৰি কেতিয়াবা বৰ সুখ অনুভৱ কৰিছিল। সেই হেতুকেই বোধকৰো পিচদিনা পুৱা উঠাত তেওঁৰ অলপ পলম হ'ল আৰু টোপনিৰ মাদকতাত কিছু দেৰিলৈ শুই থাকিল। যিয়েই নহওক সেইদিনা ৰেল ধৰিব নোৱাৰি তেওঁলোকে পিছদিনা পুৱা কোনো এখন ট্ৰেইন ধৰি প্ৰস্তুত কৰি থোৱা নিৰ্দ্ধাৰিত ভ্ৰমণ সূচী মতে এদিনৰ পিছত লক্ষ্ণৌত উপস্থিত হৈছিলহি।

পূৰণি স্মৃতি সুঁৱৰি ওপৰৰ কথাখিনি এইকাৰণেই লিখিবৰ মন গ'ল যে, কটনিয়ানৰ মাজত সেই সময়ত যিটো উদ্যম, উৎসাহ, নিৰ্দ্ধাৰিত লক্ষ্য পূৰণৰ বাবে জেদী মনোভাৱ আদি বিৰাজমান আছিল তাৰ দ্বাৰা তেওঁলোকে পৰৱৰ্ত্তী জীৱন-যুদ্ধত সুচঁভাৱে অৱতীৰ্ণ হৈ আজি নিজকে সুপ্ৰতিষ্ঠিত কৰিব পাৰিছে। সেই দলটোত মনত পৰাৰ ভিতৰত আছিল, শ্ৰীনীলিম বৰুৱা (বৰ্ত্তমান শ্বিলঙত কৰ্ম্মৰত জাতীয় বীমা কোম্পানীৰ উচ্চ পদস্থ বিষয়া), শ্ৰীশান্তনু বৈশ্য (বৰ্ত্তমান কটনৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক), শ্ৰীকল্যাণ ভট্টাচাৰ্য্য (গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা), শ্ৰীঅনিন্দ বৰগোহাঞি (দিল্লী নে গুজৰাটত কৰ্ম্মৰত উচ্চ বেঙ্ক বিষয়া), শ্ৰীঅজিত প্ৰসাদ দাস (ভাৰতীয় জীৱন বীমা নিগমৰ বিষয়া), শ্ৰীপৰাগ বৰুৱা (দিল্লীত কৰ্ম্মৰত কেন্দ্ৰীয় শুল্ক বিভাগৰ বিষয়া) আদি বহুতো।

ইয়াৰ পিছত আৰু এদিন লক্ষ্ণৌত থাকি সেইদিনাই ৰাতি এক মান বজাতেই হোটেল এৰি সকলোৱে মূৰ, হাত, কান্ধ আদিত নিজৰ নিজৰ বেডিং, চুটকেছ আদি কঢ়িয়াই লক্ষ্ণৌ ষ্টেচনৰ পূবে ফাৰ্লংমান দূৰত্বত বৈ থকা এটা দবাত ৰাতিৰ ভিতৰতে বন্ধ বাছনি মানুহে দুনুহে সোমাই কলমতিয়াই বহি থাকিব লগা হ'ল। আমি যাম জম্মুটাৱীলৈ শিয়ালদহ-জম্মু এক্সপ্ৰেছত, তাৰ পৰা বাছেৰে শ্ৰীনগৰলৈ। ৰাতিপুৱা সেইখন ৰেল শিয়ালদহৰ পৰা লক্ষ্ণৌ পাবহি আৰু তাতে দুটা দবা সংযোগ কৰি দিয়া হ'ব। আমি ৰাতিয়েই আহি উক্ত দবাটোত

জেগা দখল কৰি থকাৰ কাৰণ আছিল, আমি গুৱাহাটীতেই গোটেইটো ভ্ৰমণৰ বাবে চাৰ্কুলাৰ টিকট কৰিছিলো। সেইমতে চীটৰ সংৰক্ষণো কৰা হৈছিল। কিন্তু গুৱাহাটীৰ পৰা তেতিয়ালৈ লক্ষ্ণৌৰ ষ্টেচন মাষ্টৰে সংৰক্ষণ টেলিগ্ৰাম পোৱা নাই বুলি আমাক জনাইছিল। সঁচা নে মিছা নাজানিছিলো। সেয়েহে কুলিৰ উপদেশমতে ৰাতিয়েই আহি সেইদৰে দবাটো অধিকাৰ কৰি লৈছিলো আৰু পাণখোৱা চূণেৰে দবাটোৰ বাহিৰ বেৰত 'ৰিজাৰ্ভ ফৰ ষ্টুডেণ্টছ' বুলি লিখি ৰাখিছিলো। ৰাতিপুৱা ৮মান বজাত শিয়ালদহ জম্মু এক্সপ্ৰেছখন আহিল। সেইমতে দবা দুটাও ৰেলখনত যোৰা লগাই দিলে। ইতিমধ্যে পৰিপূৰ্ণ ৰেলখনত ঠাই নেপাই কিছু সামৰিক বাহিনীৰ লোক আৰু তেওঁলোকৰ পৰিয়ালে আমাৰ দবাটো ঘেৰাও কৰি ৰাখি বাহিৰৰ পৰা ঢকিয়াই ঢকিয়াই দবাটোত উঠাৰ বাবে চিঞৰ বাখৰ কৰি আছিল। কিন্তু আমি দবাটোৰ দুয়োটা মূৰৰ দুৱাৰবোৰ আৰু খিৰিকীসমূহ বন্ধ কৰি ৰাখিছিলো। ৰেল এৰাৰ ১০ মিনিটমান আগৰ পৰা বাহিৰত ঢকিয়াঢকি চিঞৰ, বাখৰৰ মাত্ৰা সাংঘাতিক ধৰণে বেছি হ'বলৈ ধৰিলে আমিও কেইজনমানে এখন খিৰিকী খুলি লৈ তেওঁলোকৰ লগত তৰ্কযুদ্ধত প্ৰবৃত্ত হলো, পিচত চৰ্ত সাপেক্ষে দবাটোৰ এটা কম্পাৰ্টমেণ্ট পৰিয়াল থকা লোকসকলক দিবলৈ মান্তি হলো। সেইমতে দিছিলো যদিও তাৰ আগতে আমি চাৰিটা কম্পাৰ্টমেণ্ট ৰাখি অহা-যোৱা কৰিব পৰা কৰিডৰটোত আমাৰ লগত থকা ৬/৭ টা ট্ৰাঙ্ক থিয় কৰি ৰছীৰে বান্ধি এখন বেৰ সৃষ্টি কৰি সিফালৰ এটা কম্পাৰ্টমেণ্ট এৰি দিছিলোঁ।

তাৰ পিচত জম্মুটাৱী ষ্টেচন পালো। বাছেৰে শ্ৰীনগৰলৈ গ'লো, তাত তিনিদিনমান থাকিলো, তাৰ পৰা দিল্লীলৈ আহিলো, দিল্লী চালো, আগ্ৰা চালো, মথুৰা চালো, তাৰ পৰা কলিকতালৈ আহিলো, কলিকতা চালো, তাৰ পৰা ঘৰ অভিমুখে যাত্ৰা কৰিলো। এটা কথা মনত পৰিছে, শ্ৰীদিলীপ বৰুৱা ছাৰ আমাৰ নেতা আছিল। সুকলমে সকলোখিনি বন্দবস্ত, লেনদেন আদি তেখেতে কৰিছিল। তেওঁ বৰ ক্ষীণ আছিল হেতুকে তেখেতক সহায় কৰিবলৈ বডিগাৰ্ড হিচাপে সকলো সময়তে শ্ৰীকল্যাণ ভট্টাচাৰ্য্যক ভাৰ দিয়া হৈছিল। কল্যাণ ভট্ট শকত-আৱত পেটেলা আছিল। বৰুৱা ছাৰৰ টকা-পইচা কাগজ-পত্ৰ ৰখা হাতৰ বেগটো কল্যাণে বৰুৱা ছাৰৰ পিছে পিছে থাকি সকলো সময়তে লেন-দেন বন্দৱস্তৰ সময়ত ধৰি আছিল।

সামৰণিলৈ আহোঁ। যাত্ৰাৰ প্ৰথমছোৱাত মানে লক্ষ্ণৌ আৰু কাশ্মীৰত থকা সময়ছোৱাত প্ৰায়বিলাক ছাত্ৰই ইটো সিটো বজাৰ কৰা, ভাল ভাল তৃপ্তিদায়ক বস্তু আদি খাই জুতি লোৱাত মুক্ত হস্তে খৰচ কৰিছিল। কিন্তু দিল্লীৰ পৰা আহি কলিকতা পাওঁতে আৰু তাৰ পৰা ঘৰমুৱা হওঁতে কেইজনমানৰ টকা-পইচাৰ ফালৰ পৰা অৱস্থা বৰ শোচনীয় হৈ পৰিছিল। দুজনমানৰতো চিন্তাই হৈছিল গুৱাহাটী ষ্টেচনৰ পৰা ঘৰলৈ বা হোষ্টেললৈ বিভ্ৰাত যাবলৈ পকেটত পইচা থাকে নে নেথাকে। কিন্তু বঙাইগাঁৱত বৰুৱাছাৰে তেওঁৰ বেগটোৰ পৰা উলিয়াই সকলোকে ১০ টকাকৈ বাট খৰচ হিচাপে দিছিল আৰু কৈছিল এইখিনি পইচা সকলোৰে বৰগুণিৰ পৰা খৰচ কৰি বাহি হোৱা বাবেহে দিয়া হৈছে। কিন্তু আজিও আমাৰ সন্দেহ হয় পইচা বাহি হোৱাৰ কোনো ক্ষেত্ৰ বা সুযোগেই নাছিল। অৰ্থনীতিৰ অধ্যাপক বৰুৱা ছাৰে নিজৰ ফালৰ পৰাহে সকলোকে ১০ টকাৰ অৰ্থনৈতিক সকাহ দিছিল যেন ধাৰণা হয়। ❑

মনজিৎ সিং

চিলনী

কাকিনী তামোলতকৈও ওখত তই নিৰ্মাণ কৰি লোৱা
তোৰ কক্ষপথ মোৰ যেন তেনেই চিনাকি
শৈশৱৰ তৰাফুলিয়া দিনৰে পৰা দেখি আহিছো
তই মোৰ মূৰৰ ওপৰত ঘূৰি আছ অবিৰত ভাবে
তই বাৰু গোলাকাৰ পৃথিৱীখনকে চাব খোজ নেকি
তোৰ আপোন কক্ষপথেৰে উৰি উৰি ঘূৰি ঘূৰি
তইতো নিতৌ দেখি থাক
ভূচিত্ৰাৱলী আৰু তাত কিলবিলাই থকা পোকবোৰে
কি দৰে দংশন কৰে সেউজীয়া পৃথিৱীক
তইতো দেখিছ
গছৰ ফেৰেঙনিত অথবা পাহাৰৰ দাঁতিত

সাপে কিদৰে সলাই তাৰ মোট
ৰ'দে কিদৰে ধৰ্ষণ কৰে যৌৱনা পথাৰক
কি দৰে বৰষুণে আলিঙ্গন কৰে সেউজীয়াক
অথবা গৰ্ভৱতী কৰি তোলে নদীক
নগৰখনৰ পদ পথত পকুৱাৰ দৰে ঘূৰি ফুৰা
মানুহবোৰক তইতো ভালকৈ চিনি পাব
গাঁওখনৰ প্ৰধান আলিটোৰ কোনটো কেঁকুৰিত
মাইন পুতি থোৱা আছে
অথবা উদ্যত মাৰণাস্ত্ৰলৈ
গাঁওখন কৰ্দন কৰিবলৈ কোন দিশে আহি আছে সেনা
সেয়াতো তোৰ নখ দৰ্পণত
কোনজনী ভনীয়ে ক'ত পুতি থয়
তাইৰ অবাঞ্চিত ভ্ৰূণ
অথবা গৰ্ভস্থিত ভ্ৰূণ বিনাশ কৰিবলৈ
সৈমত নোহোৱা দুৰ্কপলীয়া প্ৰেমিকা অথবা ৰক্ষিতাক
কোনে ক'ত পুতি থয় সেয়া তোৰ অজান্তেয় নহয়
তই বাৰু আদালতত সাক্ষী দিবিনে
গুপ্ত হত্যাৰ নামত কোনে কাক হত্যা কৰি
ক'ত উটুৱাই দিয়ে অথবা পুতি থয় নিমখৰ গাঁতত
লাস্যময়ী পথাৰে
বুকু উদং কৰি যেতিয়া শুৱনি কৰে কাৰোবাৰ ভঁৰাল
অথবা কৃষ্ণচূড়া মৰহি লঠঙা হ'লে
তাৰ ডালত বহি শুকান দুপৰীয়া
যেতিয়া ৰমলিয়াই থাকে কাউৰী জনীয়ে
তইচোন একান্ত মনে উৰিয়ে ফুৰ
ক্ৰমান্বয়ে সৰু হৈ গৈ থাক
অকণমানি টিপচিটো যেন হৈ --------
তোৰ ঘৰলৈ আলহী কৰি নিবিনে মোক এদিন
অথবা আহনা তই মোৰ ঘৰলৈ
এনিশাৰ আলহী হৈ
মোৰ বুকু ফালি বিষাদৰ লুণীয়াত
তোক অৱগাহন কৰিব দিম
তোক দেখুৱাম মোৰ শিৰাই শিৰাই বৈ থকা

তেজৰ কণিকাত তই কেনেদৰে উৰি ফুৰিছ
বিনিময়ত মোক তই দেখি থকা
ৰোমহৰ্ষক কাহিনীবোৰ কবি
আৰু শুনাবি কুমাৰী পৃথিৱীৰ প্ৰেমৰ গান
মই তোক কাবৌকে মাতিছো
আহনা নামি আকাশৰ বুকুৰ পৰা
আমি বিনিময় কৰো আমাৰ কুশল সংবাদ
অথবা ভেটফুল যেন দুখৰ মালিতা
—আগলতি কলাপাত লৰে কি চৰে
চিলনী আই মোৰ আগতে পৰে। ❑



ইছমাইল হোছেইন

কটন কলেজ ২০০১

জোনাকী পৰুৱা খেদি ফুৰা ল'ৰালিৰ দিনৰে পৰা
তোমাৰ প্ৰেমত পৰিছিলোঁ কটন কলেজ, হে প্ৰিয়তমাঃ
সৃষ্টি আৰু সুন্দৰৰ ৰঙীণ ভাৱনা।

যৌৱনপ্ৰাপ্তি হ'লেই ল'ৰাবোৰে তোমাৰ প্ৰেমত পৰে
ষোড়শী গাভৰু হ'লেই ছোৱালীবোৰে তোমাৰ প্ৰেমত পৰে
তোমাৰ প্ৰেমৰ কিযে ৰাগিণী, কি প্ৰেম দিব জানা তুমি
জন্মতেই যৌৱনময় কটন কলেজ, তুমি চিৰন্তন যৌৱনা :
প্ৰেম আৰু চেতনাৰ অপৰূপ ভাৱনা।

সেউজীয়া পোছাক পিন্ধা তুমি কোন কাননৰ সুদৰ্শনা পখিলা
তোমাৰ চুমাৰ পৰশত পথাৰবোৰ ঋতুমতী হয়, নদীয়ে গতি সলায়।

চোৱা, তোমাৰ পথাৰত ধানে থোৰ মেলিছে, টুনীয়ে বাহ সাজিছে
চোৱা, তোমাৰ চকুত নাহৰ ফুল ফুলিছে, ওঁঠত সপোন সৰিছে
চোৱা চোৱা, সপোন এটাক ডেকা-গাভৰুবোৰে খেদি ফুৰিছে
চোৱা চোৱা, সপোনটো তোমাৰ কোলাত লুকাই কান্দিছে
তুমি সপোনৰ ৰাণী হৈ নিচুকাইছা তাক।

তুমি সপোনৰ মাতৃ : তোমাৰ স্তনত সপোনৰ পিয়াহ
তুমি সপোনৰ পিতৃ : তোমাৰ বুকুত সপোনৰ হিয়া
তুমি সপোনৰ ভগ্নী : তোমাৰ চকুত সপোনৰ চাৱনি
তুমি সপোনৰ ভাতৃ : তোমাৰ তেজত প্ৰেম আৰু বিদ্ৰোহৰ অগনি।

কটন কলেজ : হে মোৰ আজলী সোণ, শিশুৰ নুফুটা মাত
কটন কলেজ : হে মোৰ সোণালী সপোন, বসন্তৰ কুলিৰ মাত

ক'ব পাৰানে তোমাৰ উপত্যকাৰে কিমান জুৰি বৈ গ'ল, কিমান নদী
ক'ব পাৰানে তোমাৰ বালিচৰত কিমান মৰুদ্যান, কিমান মৰুভূমি
ক'ব পাৰিবানে কিমানটা বসন্ত গৰকিলে যৌৱনপ্ৰাপ্ত হয় মানুহ
কিমানটা ফাগুনৰ অন্ততঃ মৃত্যুৰে গছকে জীৱন, হেৰাই যায় সপোন।

এটা সপোনৰ অণ্বেষণত তোমাৰ প্ৰেমিকবোৰ দৌৰিছে, তুমি আহি আছা
এটা সপোনৰ মৃত্যুত প্ৰেমিকাবোৰে নীল-নদীত বুৰ মাৰিছে, তুমি চাই আছা
বিদ্ৰোহীবোৰে তোমাৰ পথাৰত সিঁচিছে বিপ্লৱৰ বীজ, তুমি ছাঁ দি আছা
যৌৱনবোৰ পকি সৰিবলৈ ধৰিছে, তুমি বুটলি আছা

কটন কলেজ : হে মোৰ ঊনৈছশ একৰ প্ৰিয়তমা
কটন কলেজ : হে মোৰ দুহাজাৰ একৰ চিৰ-যৌৱনা
কাৰ বাবে গাইছা তুমি গান, জীৱনৰ জয়গান!! ❑

খনিন দাস

কটন কলেজ আৰু মোৰ...

বেলৰ খিৰিকিৰে পলকৰ দৃশ্যত
তোমাক এৰি থৈ আহিলো, কোনোবাখিনিতে
চকুমুদি আন্ধাৰত খেপিয়াই চালে
আজিকালি হাতৰ মুঠিলৈ এটিও জোনাকী নাহে।

বহুদিনৰ আগতে জপাত ভৰাই থৈছিলো
তুমি দিয়া কেইটিমান পুৰণি মুদ্ৰা। সিদিনা
মেলি চাওঁতে এমুঠি ৰঙীন পখিলা হৈ
সিবোৰ উৰি গুচি গ'ল।

মন গ'লেই হাত-মুখ পখালি আহিব পাৰো
তুমি নাও মেলা ঘাটত। বতাহতে তোমাৰ
স্মৃতিৰ ৰংচঙীয়া পখিলাবোৰ।

প্ৰায়ে বুকুৰ ঘৰৰ খিৰিকি দুৱাৰ জপাই থওঁ।
তথাপি বতাহে পদূলিমুখৰ খৰিকাজাঁইক
মনে মনে কৈ থৈ যায় আকৌ আহিম বুলি।

প্ৰতিনিয়ত হত্যা, মৃত্যু, সন্ত্ৰাস আৰু ব্যৰ্থতাৰ
গধুৰ বতাহে পাহৰাই ৰাখে তোমাৰ সঘন উষ্ম
কোমল উশাহ, আৰু
আমাৰ কথোপকথনৰ দুপৰীয়া, আবেলিবোৰ।

ঘৰ বুলিবলৈ আছে আমাৰ
তাহানিৰ স্মৃতিৰ বালিঘৰ
সপোনৰ ইটাৰেও তাক নহ'ল গঁথা।
উঘা চেৰেকীৰ পাক ঘূৰণৰ শব্দত উভতি চাই
দেখিলো, গাত লাগি আহিছে এডাল সোণালী সূতা।

আমাৰ মাজৰ মৌনতাৰ
মুখামুখি হোৱাৰ আন্ধাৰ।
ৰঙীন পখিলাবোৰ নিজে আহি সোমালহি জপাত।
পখিলাবোৰ আকৌ মুদ্ৰা হ'ল। বুৰঞ্জীৰ
অনন্ত হাবিয়াসৰ সিঁচৰতি শিলাখণ্ডবোৰৰ
অনাদিলৈ
তোমাৰ মোৰ ইকাল সিকাল। ❑

চন্দন ভূঞা

কটন কলেজ-প্ৰণামো তোমাক

এটি সপোন ঃ

সুদীৰ্ঘ বিংশ শতিকাজুৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক জগতৰ উত্তৰণৰ বাটকটীয়া অনুষ্ঠান কটন কলেজ, নিজ গৰিমাৰে আজিও মহিমামণ্ডিত। অসমৰ দিহিঙে-দিপাঙে, প্ৰতিটো চুকে-কোণে জ্ঞানান্বেষণৰ স্পৃহাৰে বিধৌত বিদ্যালয় জীৱনৰ বিয়লি বেলাত উপস্থিত হোৱা প্ৰতিজন কিশোৰ-কিশোৰীৰ বাবেই কটন কলেজ এক মিঠা অনুভূতি, এক চিৰ আকাঙ্ক্ষিত উন্মাদনা, এক অভিলাসী সপোন। জনা হোৱাৰে পৰাই কটন কলেজ মোৰ বাবেও জ্ঞান দেউলৰ এক সোণালী সৌধ, জ্ঞানান্বেষণৰ এক উৎকৃষ্ট পীঠস্থান। স্কুলীয়া জীৱনত মোৰো এক অভিলাসী সপোন আছিল— এজন কটনিয়ান হোৱাৰ।

মোৰ স্কুলীয়া জীৱনৰ বিদায় বেলা, তেতিয়া মই উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীত; শ্ৰেণীৰ পাঠদান প্ৰায় শেষেই হৈ আহিছিল। এদিন আমাৰ শ্ৰেণীটোৰ কেইজনমান বছা বছা ছাত্ৰ-ছাত্ৰীক মাতি নি শ্ৰেণী শিক্ষক, ইংৰাজীৰ

গঁগৈ ছাৰে কিবা এটা বুজাই উঠি কৈছিল— 'তহঁত কেইটাই যদি ঘৰৰ পিৰালীতে থকা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উৎকৃষ্ট কলেজখনতেই পঢ়িবলৈ আসন নেপাৱ তেনেহ'লে উৎকৃষ্ট প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ পৰা চিৰজীৱনৰ বাবেই হয়তো বঞ্চিত হৈ ৰবি। ছাৰৰ কথাটো শুনি আমি ইজনে সিজনৰ মুখলৈ চাইছিলো মৌন হৈ। ছাৰৰ কথাটোৱে মোৰ মনত গভীৰ ৰেখাপাত কৰিছিল আৰু সেয়েহে হয়তো আজি আঠ/ন বছৰৰ পিছতো মোৰ স্মৃতিৰ মণিকূটত মাজে সময়ে এই মুহূৰ্ত্তটোৱে ভুমুকি মাৰে। ইয়াৰ কিছুদিন পিছতেই হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হৈছিল। --- আৰু অৱশেষত সপোন বাস্তৱ হোৱাৰ সেই সোণালী দিনটো আহি পৰিছিল অপ্ৰত্যাশিতভাৱেই।

সপোন যেতিয়া বাস্তৱ হ'ল :

সেইদিনা আছিল ১৯৯৩ চনৰ ১৯ আগষ্ট, যাৱতীয় সকলো কাগজপত্ৰ ফাইলত আটোম টোকাৰিকৈ লৈ পুৱাই পাঞ্জাবাৰীৰ আমাৰ নতুন বাসগৃহৰ পৰা ৰাওনা হ'লো কটনলৈ। অপ্ৰত্যাশিতভাৱে সেইদিনা দেউতাও হস্পিতালমুখী— 'গলব্লাডাৰ ষ্টোন অপাৰেছনৰ' বাবে। গতিকে মই অকলে যাবলগা হ'ল নাম ভৰ্ত্তিকৰণলৈ।

নেদেখা ঠাই এখনৰ প্ৰতি সকলোৰে মনত সম্পূৰ্ণ নিজাববীয়া একোটা ধাৰণা থাকে বা কল্পনা থাকে। কাৰোবাৰ ধাৰণাৰ সৈতে বাস্তৱৰ হয়তো মিল থাকিবও পাৰে বা নেথাকিবও পাৰে। মোৰ ক্ষেত্ৰত আৰু মোৰ লগৰ বহুতৰ ক্ষেত্ৰত কটন কলেজৰ বিষয়ে মনত ভাবি থকা বা ভাবি অহা কথাবোৰ বাস্তৱৰ সৈতে খুব কমেহে সামঞ্জস্য আছিল। প্ৰথমদিনা ক্লাচ কৰিবলৈ গৈ যথেষ্ট অকলশৰীয়া অনুভৱ কৰিছিলো, কাৰণ দুই এজনৰ বাহিৰে প্ৰায় সকলোবোৰেই নতুন মুখ। সমগ্ৰ অসমৰ প্ৰায় প্ৰতিটো অঞ্চলকে প্ৰতিনিধিত্ব কৰা একো একোজন প্ৰতিনিধি— সোণোৱালী ভৱিষ্যতৰ আশাত যেন এয়া আৰু এক সম্মিলিত নতুন যাত্ৰা।

সজাৰ সদ্য মুক্ত বিহঙ্গ :

মুক্তিৰ উন্মাদনাই, গুৱাহাটী চহৰৰ আৱহাৱাই কটনিয়ানকো ৰেহাই নিদিয়ে। গাঁৱৰ স্কুলীয়া জীৱনৰ কটকটীয়া বান্ধোনৰ পৰা ওলাই আহি বহু স্বপ্নৰ বোলসনা কটন কলেজৰ নতুন জীৱনৰ আৰম্ভণিতেই কোনোবাই উজুটি খায়, কোনোবাই পথভ্ৰষ্ট হয় আৰু সময়ৰ শেষত এটা বেদনাহত মনলৈ উভতি যায়। সেই সকলৰ বাবে হয়তো কটন কলেজ হৈ পৰে এক দুঃস্বপ্ন, পতনৰ অন্যতম কাৰণ ....।

উত্তৰণে আনি দিয়ে আশা অফুৰন্ত :

আজিৰ কটনিয়ানে যি ভাবে, অসমে সেয়া কালিলৈ ভাবিব। বছৰৰ পিছত বছৰ ধৰি অসমৰ শিক্ষাজগত গৰম কৰি ৰখা উচ্চতৰ মাধ্যমিকৰ পৰা আৰম্ভ কৰি স্নাতকোত্তৰ শ্ৰেণীলৈকে বিভিন্ন পৰীক্ষাৰ ফলাফলেও তাকেই কৈ আহিছে। অসমৰ বিভিন্ন কোণৰ পৰা

অহা মেধাবী ছাত্ৰ-ছাত্ৰীৰ মাজত জাগ্ৰত হোৱা সুস্থ প্ৰতিযোগিতাৰ মনোভাবে জীৱন যুদ্ধৰ ৰণাংগনত যুঁজ দিয়াৰ তীব্ৰ বাসনা জগাই তোলে, এক উজ্জ্বল ভৱিষ্যতলৈ গতি হয় ত্বৰিত।

এচামক বাদ দি গৰিষ্ঠ সংখ্যকৰ বাবেই কটন কলেজ জ্ঞান সাধনাৰ তথা উত্তৰণৰ অন্যতম পীঠস্থান। অসম আৰু অসমীয়াক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিছে কটন আৰু কটনিয়ানে। বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ যিসকল অসমীয়াই আগস্থান দখল কৰিছে সেইসকলৰ গৰিষ্ঠ সংখ্যকেই এসময়ৰ কটনিয়ান। স্বনামধন্য অসমীয়া শিক্ষাবিদ, সাহিত্যিক, সাংস্কৃতিক জগতৰ চিৰনমস্য ব্যক্তি, অসমীয়া বৈজ্ঞানিক, ৰাজনীতিবিদ, প্ৰশাসক আদি বেছিভাগৰে কটন কলেজ হৈছে উচ্চশিক্ষাৰ প্ৰথম আখৰা গৃহ।

কটন কলেজৰ ৰাজনীতি ঃ

'ছাত্ৰ আৰু ৰাজনীতি'— সাম্প্ৰতিক কালৰ এক মুখ্য বিতৰ্কৰ বিষয়। ছাত্ৰ আৰু ৰাজনীতিৰ মাজত সম্পৰ্ক থকা উচিত নে অনুচিত আৰু সেই সম্পৰ্কৰ প্ৰয়োজন যদি অনুভৱ কৰা যায় তেন্তে ই কেনে হ'ব লাগে, সেয়া বিতৰ্কৰ মুখ্য বিচাৰ্য্য বিষয়বস্তু। উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰপৰাই মই অনুভৱ কৰিছিলো যে বহু কটনিয়ানৰে প্ৰত্যক্ষ ৰাজনীতিৰ সৈতে যথেষ্ট সনাপোটোকা আছে। এই কথা স্পষ্ট হৈ পৰে কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত। বিশেষকৈ ১৯৯৩ আৰু ১৯৯৪ চনৰ নিৰ্বাচনত এইটো মই বাৰুকৈয়ে অনুভৱ কৰিছিলো। সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলৰ লগত অসমৰ ৰাজনৈতিক জগতৰ বহু ৰাজনীতিক তথা ছাত্ৰ সংগঠনৰ গোপন যোগাযোগ আছিল। ছাত্ৰাবাসৰ আৱাসীসকলে এই কথা বাৰুকৈয়ে অনুধাৱন কৰিব পাৰে ; কাৰণ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আৱাসীসকলৰ ভূমিকা অনিবাৰ্য্য। মই এই ঘটনাৰাজি নীৰৱ নিৰীক্ষক হিচাপে যথেষ্ট ওচৰৰ পৰা অধ্যয়ন কৰিছিলো; কেইবাজনো প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত ভাগ লৈ আনকি দুই প্ৰতিদ্বন্দ্বীৰ লগতো মই বেলেগে বেলেগে প্ৰচাৰ অভিযানত ভাগ লৈছিলো— ভিন্ন কটনিয়ানৰ ভিন্ন মানসিকতাক জনাৰ অভিপ্ৰায়েৰে। প্ৰচাৰ অভিযানত ভাগ লোৱা দুই এজনৰ বাহিৰে বাকী সকলৰ ক্ষেত্ৰত আছিল ব্যক্তিগত মুনাফা আদায়ৰ এক অব্যক্ত অভিপ্ৰায়। নিৰ্বাচনত লাগি থকা সাধাৰণ আৰু কনিষ্ঠ কেইজনৰ বাবে আছিল প্ৰচাৰ অভিযানৰ অন্ততঃ কোনো এখন ভাল বেঁষ্টোৰাত গৈ উদৰ পূৰাই খোৱাৰ বাসনা--। ইয়াৰ বাবে ৰাজনৈতিক দলৰ পৰা ধনৰ টোপোলাও আহিছিল।

স্নাতক শ্ৰেণীত থাকোতেও কেইবাটাও ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন পাইছিলো। কিন্তু সেইকেইটাত প্ৰথম দুটাৰ দৰে ৰাজনৈতিক দলবোৰৰ প্ৰত্যক্ষ সমৰ্থনৰ সলনি বেছিভাগ প্ৰাৰ্থীৰ ক্ষেত্ৰতে সেই দলবোৰৰ নিজা নিজা ছাত্ৰ সংগঠনৰ সমৰ্থনহে দেখিবলৈ পাইছিলো। তদুপৰি পাঁচবছৰীয়া কটনৰ জীৱনত বহু অবাঞ্ছিত ঘটনাও দেখিবলৈ পাইছিলো— যেনে সাধাৰণ নিৰ্বাচনৰ দিনা ৰাতি ফলাফল ঘোষিত হোৱাৰ পিছত বিজয়ী প্ৰাৰ্থীৰ ফালৰ পৰা বিজয় উল্লাসৰ নামত হোৱা মাতলামী এক অপ্ৰিয় সত্য। এইবোৰে কটন কলেজৰ ঐতিহ্যমণ্ডিত গুণ-গৰিমাত কিছু হ'লেও কলংকৰ চেকা সানিছে।

সমস্যা জৰ্জ্জৰিত কটন কলেজ ঃ

কটন কলেজ আজি ভিন্ন সমস্যাৰে জৰ্জ্জৰিত। আৰ্থিক সমস্যাই মূলতঃ আন আন সমস্যাবোৰৰ সৃষ্টিৰ অন্যতম কাৰণ। কিন্তু বৃটিছে গঢ়ি যোৱাৰ এশ বছৰৰ পিছতো এই জ্ঞানপীঠ অনুষ্ঠানটোৰ আজি কিয় এনে আৰ্থিক দৈন্যতা? প্ৰতিবছৰেই প্ৰায় ডেৰ-দুইহাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্ধাৰিত বিভিন্ন শিতানত মাচুল আদায় দি প্ৰৱেশ কৰিয়ে আছে, তেনেস্থলত এই আৰ্থিক অনাটনৰ এক অন্যতম কাৰণ দুৰ্নীতিও হ'ব পাৰে। দেউলীয়া অসম চৰকাৰৰ পৰাও সময়ে সময়ে আৰ্থিক সাহায্য কম-বেছি পৰিমাণে আহি থাকে কটন কলেজৰ উন্নয়নৰ নামত। কিন্তু তথাপিও উন্নয়নৰ গতি লেহেম কিয়? কটনৰ 'ইনদ'ৰ ষ্টেডিয়াম' বহু বছৰ ধৰি নিৰ্মীয়মান অৱস্থাতেই শেলুৱৈ বান্ধিছে, গ্ৰন্থাগাৰৰ অৱস্থা এতিয়াও পুতৌ লগা। ছাত্ৰাবাস, ছাত্ৰীবাসৰ সমস্যা আৱাসীসকলৰ মুখত প্ৰায়েই শুনিবলৈ পোৱা যায়।

সম্প্ৰতি এটা অভিযোগ প্ৰায়েই শুনিবলৈ পোৱা যায় যে কটনিয়ানসকলে যদি কটনত নহৈ আন এখন কলেজতো ভৰ্ত্তি হ'লহেতেঁন তেতিয়াহ'লে সেইখন কলেজৰো ফলাফল ইত্যাদিবোৰ কটনৰ নিচিনাই হ'লহেঁতেন, কাৰণ ছাত্ৰ-ছাত্ৰীৰ ভাল ফলাফলত অধ্যাপক, প্ৰবক্তাৰ কোনো বিশেষ ভূমিকা নাই। অভিযোগটো সম্পূৰ্ণ সত্য বুলি মানি লব নোৱাৰি যদিও পোনছাটেই নুই কৰিবও নোৱাৰি। পুৰণিসকল বাদ দি নতুন দুই এজনৰ বাহিৰে প্ৰায়বোৰ প্ৰবক্তাৰ নিয়োগৰ ক্ষেত্ৰত ক্ষমতাশালী ৰাজনৈতিক চক্ৰৰ হাত থকা দেখা যায়। ফলত অযোগ্য এজনেও যোগ্যতাৰ প্ৰমাণ পত্ৰ পায়। তদুপৰি যুৱ উশৃংখলতাৰ ব্যাধিয়ে এচাম কটনিয়ানকো গ্ৰাস কৰিছে। ক্লাছ চলি থাকোতেই সন্মুখৰ বাৰাণ্ডাত বহি কথাৰ মহলা মৰা, অমাৰ্জিত সাজ-পাৰ, কথাৰ অংগী-ভংগী আৰু সময়ে সময়ে দেখুৱাই অহা স্থূল মানসিকতাই সমূহ কটনিয়ানৰে চৰিত্ৰত কলংক সানিছে।

তথাপিও কটন কলেজ—প্ৰণামো তোমাক ঃ

কটন কলেজৰ ছাত্ৰাবাসৰ মাদকতা মই উপভোগ কৰিব নোৱাৰিলো; যিহেতু মই গুৱাহাটীৰ স্থানীয় বাসিন্দা আছিলো। কিন্তু ছাত্ৰাবাসত থকা মোৰ বন্ধু-বান্ধৱৰ পৰা শুনি শুনিময়ো অনুভৱ কৰিব পাৰিছিলো কিমান যে মধুৰ হ'ব পাৰে কটন হোষ্টেলৰ আৱাসী জীৱন। মাত্ৰ এটা কথা ক'লেই এই কথা প্ৰতীয়মান হ'ব— উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকত ক্লাছ আৰম্ভ হোৱাৰ পিছতেই ছাত্ৰাবাসত থকা যি কেইজন সহপাঠীৰ সৈতে চিনাকি হৈছিলো তেওঁলোকৰ তিক্ত আৰম্ভণীৰ কথা শুনি সঁচাই সচকিত হৈছিলো আৰু মনে মনে ভাবিছিলো ভালেই হ'ল আৱাসী নোহোৱাই। কিন্তু সেই দিনটোৰ পৰা পাচ বছৰ পিছত যি সকলক স্নাতক শ্ৰেণীতো লগ পাইছিলো (উচ্চতৰ মাধ্যমিক শেষ কৰি বিদায় লোৱা সকলৰ ক্ষেত্ৰত দুবছৰ পিছত) সেই একেসকল বন্ধুৰ মুখতে কটন হোষ্টেলৰ মাদকতা ভৰা ৰোমাঞ্চকৰ অভিজ্ঞতা আৰু অৱশেষত ক্ৰন্দনৰত বিদায় ক্ষণৰ কথা শুনি নিজকে বৰ দুৰ্ভগীয়া যেন অনুভৱ কৰিছিলো।

বিগত শতিকাজুৰি বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চল বা একালৰ বৰ অসম আৰু এই অঞ্চলৰ অধিবাসীসকলৰ উত্তৰণত কটন কলেজে যি একক অৱদান আগবঢ়াই আহিছে, সেয়া

সঁচাকৈয়ে লেখত লবলগীয়া এক বিৰল নিদৰ্শন। বিগত শতিকাৰ কটন কলেজৰ পৰ্যালোচনা নিশ্চয়কৈ প্ৰয়োজন, কাৰণ আজিৰ সমস্যা জৰ্জৰিত অসমত কৰি অহা ভুলৰ শুধৰণীৰে অনাগত প্ৰজন্মক সুস্থ মানসিকতা আৰু সামাজিক প্ৰমূল্যবোধেৰে প্ৰতিভাৰ বিকাশ আৰু উৎকৰ্ষ সাধন কৰি একো একোজন সু-নাগৰিক হোৱাৰ, দেশ আৰু জাতিৰ নাম উজলোৱাৰ পথৰ সন্ধান কটন কলেজেই দিব লাগিব। অসমীয়া ভাষা, শিক্ষা, সংস্কৃতি, কলা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভৱিষ্যত কাণ্ডাৰীসকলৰ বীজ প্ৰস্ফুটিত হ'ব লাগিব কটনৰ বুকুতেই— এই উৎকৃষ্টতাৰ কেন্দ্ৰতেই। অসম আৰু অসমীয়াৰ বাবে কটন হৈ উঠিব লাগিব জ্ঞান সাধনাৰ প্ৰাণকেন্দ্ৰ। কটন কলেজ এতিয়া কেৱল এক শিক্ষানুষ্ঠানেই নহয়, ই অসমীয়া জাতিৰ এক জাতীয় অনুষ্ঠান। একৈশ শতিকাৰ দুৱাৰদলিত আমি সকলোৱে আজি কটন কলেজক নকৈ সঞ্জীৱিত কৰি তুলিব লাগিব— আহি থকা পীড়িৰ বাবে অনাগত সময়ৰ বাবে ।

উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতক চূড়ান্ত বৰ্ষলৈ মোৰ জীৱনৰ এই মহামূল্যৱান পাঁচোটা বসন্ত মই কটনক দিলো; বিনিময়ত মই পালো জ্ঞান-ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ। স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দি উঠি যেতিয়া কটন কলেজৰ ভিতৰ চ'ৰাৰ পৰা মেলানি মাগিছিলো তেতিয়া মনত পৰিছিল কবি অমলেন্দু গুহৰ সেই বিখ্যাত কবিতা ফাঁকিলৈ–"চিৰ যৌৱনা কটন কলেজ /তিৰিশৰ ভালপোৱা নেলাগে তোমাক/চিৰ ওঠৰৰ স'তে তোমাৰ প্ৰেম।।" ❑

নুৰ মহম্মদ

মোৰ প্ৰিয় কটন কলেজ

সৰুৰে পৰা মানুহৰ মুখত কটন কলেজৰ কথা শুনি প্ৰবল ইচ্ছা এটা মনতে পুহি ৰাখিছিলো— কটন কলেজত পঢ়িবলৈ। সেয়েহে কঠোৰ পৰিশ্ৰম কৰি স্কুলীয়া জীৱন শেষ কৰাৰ পাছত ১৯৬৭ চনত মোৰ সৌভাগ্য ঘটিছিল কটন কলেজত নাম ভৰ্ত্তি কৰাৰ। নাম ভৰ্ত্তি কৰি উঠাৰ পাছত মানুহৰ মুখত ৰেগিঙৰ কথা শুনি সদায় মনত এটা ভয়ভাব আছিল যদিও শিক্ষক আৰু বন্ধু-বান্ধবীৰ সহায়-সহযোগত সকলো ভয় আঁতৰিল। মই অৰ্থনীতিৰ ছাত্ৰ আছিলো। শ্ৰেণীত অভিজ্ঞ অধ্যাপকৰ পাঠদানে আমাক যথেষ্ট উপকৃত কৰিছিল। কোনো টিউচনৰ কথা আমাৰ মনলৈ অহা নাছিল। কিবা বুজি নাপালে শ্ৰেণীতে ছাৰক ক'লে ছাৰে আমাক অতি মৰমেৰে বুজাই দিছিল। সেইবিলাক কথা মনত পৰিলে এতিয়াও শিক্ষকসকলৰ প্ৰতি ভক্তিত মূৰ দোঁ খাই যায়। আমাৰ সময়ত N.C.C. শিক্ষাও বাধ্যতামূলক আছিল। এইটোৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ বৰ উপকাৰ হৈছিল। অসমৰ সামাজিক জীৱনত কটন কলেজৰ অপৰিসীম প্ৰভাৱৰ কথা কৈ শেষ কৰিব নোৱাৰি। ৰাজনীতি, আইন, প্ৰশাসন, বিজ্ঞান, সংগীত, সাহিত্য আৰু খেলা-ধূলাত এইখন কলেজৰ অৱদানৰ তুলনা নহয়। সেয়েহে এনেকুৱা এখন কলেজত পঢ়িবলৈ পোৱাটোৱেই

মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ সৌভাগ্য বুলি বিবেচনা কৰোঁ। কটন কলেজ চিৰযৌৱনা হৈ ৰওক আৰু এই সৰ্ব্বাঙ্গ সুন্দৰ অনুষ্ঠানখনৰ বৌদ্ধিক উৎকৰ্ষতাৰ সুবাস যেন অসম তথা দেশৰ সৰ্ব্বত্ৰ বিয়পি পৰে তাৰেই কামনাৰে সামৰণি মাৰিছোঁ। ❑



কৃষ্ণা বৰ্মন

বাৰ নৱেম্বৰ ঃ এটি প্ৰতিবেদন কটনিয়ানৰ সোঁৱৰণী সমাৰোহ

২০০০ চনৰ মে' মাহৰ ১৫–২০ তাৰিখৰ ভিতৰৰ কোনোবা এটা দিনত ৰিণিৰ ফোন। লণ্ডনৰ পৰা তাই এইবাৰ গুৱাহাটীলৈ আহিছে কটন কলেজৰ শতবৰ্ষ উদযাপনৰ অনুষ্ঠানত যোগ দিবলৈ। ফোনত মোৰ লগত কথা পাতি তাই অলপ হতাশ হ'ল কিয়নো তাই সুদূৰ লণ্ডনৰ পৰা যিদৰে ঢাপলি মেলি আহিছে, আমাৰ সেই ধৰণৰ কোনো উত্তেজনা তাই নাপালে, আচৰিত হ'ল। এইখিনিতে আমি ক'বই লাগিব আমি প্ৰাক্তন কটনিয়ানসকলে কেনে ধৰণে শতবৰ্ষ উদযাপন উৎসৱত যোগদান কৰিম, কি কৰিব লাগিব সেই বিষয়ে বিশেষ কোনো নিৰ্দিষ্ট নিৰ্দেশনা তেতিয়ালৈ আমি কাগজে-পত্ৰই পোৱা নাছিলো। ৰিণিয়ে ক'লে "মই কিন্তু সেই কাৰণেই আহিছো আৰু কাইলৈ কটন কলেজত মিটিং এখন আছে, তালৈ মই যাম, আমি কিবা এটা কৰিবই লাগিব, সেইখন আমাৰ কলেজ।" হয়, সেইখন আমাৰ কলেজ, আমাৰ মৰমৰ কটন কলেজ। জীৱনৰ যৌৱনৰ হেঁপাহৰ কটন কলেজ, মোৰ সোণোৱালী দিনৰ কটন কলেজ। সেই মিটিঙত ৰমেনদা (ৰমেন বৰুৱা) উপস্থিত আছিল। ৰিণিয়ে আবদাৰ কৰি ক'লে, 'ৰমেনদা আমি কিন্তু গান গাম দেই।' ৰমেনদাই ক'লে 'পাৰিবা জানো, মনত আছে?'

মিটিঙৰ পিছত তাই মোৰ পিছত লাগিল— পুৰণি গান (কটন কলেজৰ দিনত গোৱা) মনত পেলাব লাগে। ইফালে মোৰ মনত পেলাবলৈও সময় নাই। (কিছুদিন আগেয়ে মোৰ নাতিনী এজনী হৈছে।) সেই ত্ৰিশ পঁয়ত্ৰিশ বছৰৰ আগৰ গান মনত পেলাব লাগিব। বিণিয়ে কিন্তু এৰা নাই। মোৰ ঘৰলৈ আহি পুৰণি গানৰ বহীবোৰ ইলুটি পিলুটি চালে, নাই এটাও পুৰণি গান (মানে কলেজীয়া দিনত গোৱা 'কোৰাছ', ৰমেনদাই শিকাইছিল) নাই। ইফালে হাতত মাত্ৰ চাৰিটা দিন আছে ২৭ মে'লৈ। মনত পেলালো, 'বন-হাঁহজাক'ক লৈ আমি তিনিটামান কোৰাছ গাইছিলো— 'বন-হাঁহজাক, উৰি উৰি যায় ...... আকৌ 'এই বন-হাঁহজাক দেখি, মন হ'ল স্বপ্ন পিয়াসী ....। বহু চেষ্টা কৰিও কোনোটো গানৰে সম্পূৰ্ণ মনত পেলাব নোৱাৰিলো। অথচ এই কোৰাছবোৰ গাই প্ৰতিবছৰে আমি (বিণি, কণু, মনি (মালতী দাস– তাই ঢুকাল), পাৰ্বতী, বীমা (তায়ো ঢুকাল) বছৰেকীয়া কলেজ সপ্তাহৰ প্ৰতিযোগিতাত পুৰস্কাৰ পাইছিলো। বিণিয়ে চেষ্টা এৰি দিয়া নাছিল। অৱশেষত 'এই বন-হাঁহজাক দেখি' .... গীতটোৰ কেইটামান শাৰী মনত পেলালো। বিণি জঁপিয়াই উঠিল, 'হ'ব দে আমি তাকেই গাম।' পিছদিনাখনৰ পৰা তাইৰ দিছপুৰৰ ঘৰত বিহাৰ্চেল, তাই নিজেই ঘৰে ঘৰে বা ফোনেৰে আমাৰ পুৰণি বন্ধু-বান্ধবীবোৰক তাইৰ ঘৰলৈ মাতিলে বিহাৰ্চেলৰ বাবে। প্ৰথম দুদিনৰ বিহাৰ্চেলত সম্পূৰ্ণ গান মনত নপৰিল। কিন্তু যিয়েই নহওঁক, ৰমেনদাৰ সহায়ত ২৭ মে'ৰ সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত আমি দেবু, শ্বামীম, পাৰবীন, অচলা, চিত্ৰা, অৰ্পনা, অনিমা, ইৰিন (আটাইবোৰ এতিয়া ভব্য-গব্য চাকৰিয়াল) কোৰাছ গাবলৈ আমাৰ কটন কলেজৰ মঞ্চত উঠিলো। কোৰাছ গোৱাৰ আগেয়ে বিণিয়ে কিবা অলপ সভাক উদ্দেশ্যি ক'ব খুজিলে। তাই কি ক'ব আমি ধৰিব পৰা নাছিলো। তাই ক'লে, 'আমাৰ মৰমৰ কটন কলেজৰ শতবৰ্ষ উৎসৱ উপলক্ষ্যত মই সাত সাগৰ তেৰ নদী পাৰ হৈ সুদূৰ লণ্ডনৰ পৰা আহিছো........ মই বহু আশা কৰি ইয়ালৈ আহিছো ...... ২০০১ চনৰ আগেয়ে আজিৰ দৰে খুব সোনকালে আমি আকৌ এবাৰ লগ হ'ম এই কটন কলেজৰ শতবৰ্ষ উৎসৱ উপলক্ষ্যত ....।

কটন কলেজৰ শতবৰ্ষত সেই আকৌ এবাৰ লগ হোৱাৰ, কিবা এটা কৰাৰ মানসেৰে বিণি, মই, নিভা, দেববালা, বীণা, শ্বামীম, চিত্ৰাই আলোচনা কৰিলো। বহু ধৰণে বহু কথা ভাবিলো, আমি কিবা এটা কৰাৰ হেঁপাহৰ যেন শেষ নাই। বিণিৰ ঘৰত, ফোনত কেৰা দিনো দীঘলীয়া আলোচনা কৰিলো, অৱশেষত বিণিৰ ঘৰত এখন Informal Meeting পতাৰ সিদ্ধান্ত কৰিলো। তালৈ কেইজনমান প্ৰাক্তন কটনিয়ানক আলোচনাৰ বাবে আমন্ত্ৰণ কৰিলো— ড° লক্ষহীৰা দাস, ড° নিৰ্মল কুমাৰ চৌধুৰী (প্ৰাক্তন উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়), হৰেন্দ্ৰ নাথ দাস (প্ৰাক্তন মুখ্য সচিব), প্ৰফেচৰ ৰবীন্দ্ৰনাথ চৌধুৰী, অধ্যক্ষ গঙ্গাপদ চৌধুৰী, জিতেন্দ্ৰ নাথ শৰ্মা (অৱসৰপ্ৰাপ্ত আই. এ. এছ), ড° অনিল গোস্বামী, বনেন ডেকা (অৱসৰপ্ৰাপ্ত অভিযন্তা), সমুদ্ৰ ফুকন (অৱসৰপ্ৰাপ্ত অভিযন্তা), ড° লোহিত চৌধুৰী, ভাৰতী চৌধুৰী, অজিত চৌধুৰী, ৰমেন বৰুৱা, মিহিৰ বৰদলৈ, বলেন হাজৰিকা, ৰোজ হাজৰিকা, দেবানন্দ কোঁৱৰ, হৰেকৃষ্ণ ডেকা, জ্যোতিপ্ৰসাদ শইকীয়া, ৰমেন চৌধুৰী, ভবানী চৌধুৰী প্ৰমুখ্যে ভালে কেইজন বিশিষ্ট কটনিয়ানক। এই সকলৰ উপৰি আমাৰ সমসাময়িক অৰ্থাৎ ষাঠিৰ দশকৰ কিছু সংখ্যক কটনিয়ানে লগ হৈ আলোচনা কৰি সিদ্ধান্ত কৰিলো কটন কলেজৰ শতবৰ্ষ উদযাপনৰ অংশ হিচাপে কটন কলেজৰ ইউনিয়ন হলত এদিনীয়া প্ৰীতি সমাবোহ এখনৰ আয়োজন কৰা হওক। এই সিদ্ধান্তত উপনীত হৈ

২৮-৬-২০০০ তাৰিখে ৰিণিৰ ঘৰত এখন মিটিঙত সৰু উদযাপন সমিতি এখন গঠন কৰা হ'ল। সমিতিখনৰ সভাপতি হ'ল ড° নিৰ্মল কুমাৰ চৌধুৰী, কাৰ্যকৰী সভাপতি গংগাপদ চৌধুৰী, আহ্বায়িকাদ্বয় ৰিণি কাকতি আৰু মই নিজে- কৃষ্ণা বৰ্মন, কোষাধ্যক্ষা বীনা হাজৰিকা। কিছুসংখ্যক উপদেষ্টা আৰু সদস্যৰে সমিতি গঠন হ'ল। ৩-৭-২০০০ চনৰ মিটিঙৰ উদযাপন সমিতি আকৌ আলোচনাত বহিল। ড° অনিল গোস্বামী ছাৰে পঞ্জিকা চাই দিন এটা দিলে ১২ নৱেম্বৰ, দিনটোৰ নামকৰণ কৰিলে ড° নিৰ্মল কুমাৰ চৌধুৰী চাৰে- Cottonians Reminiscence Day। স্থান কটন কলেজৰ ইউনিয়ন হল (বৰ্তমান 'কলাগুৰু বিষ্ণুৰাভা হল)। কটন কলেজৰ প্ৰিন্সিপালৰ পৰা অনুমতি লোৱাৰ দায়িত্ব ল'লে ৰিণি কাকতিয়ে। সিদ্ধান্ত হ'ল ১২ নৱেম্বৰৰ সমাৰোহত অংশ গ্ৰহণ কৰিব খোজা প্ৰতিজন প্ৰাক্তন কটনিয়ানৰ পৰা এশ টকাকৈ অৰিহণা লোৱা হ'ব। অৰিহণা প্ৰাপ্তিৰ ৰছিদখনেই হ'ব নিমন্ত্ৰণী পত্ৰ। তাৰ পিছফালে থাকিব Cottonians Reminiscence Day-ৰ কাৰ্যসূচী। অৰ্থাৎ কাকো আৰু বেলেগ নিমন্ত্ৰণ কৰিব নালাগিব। সেইদিনাৰ সভাতে সিদ্ধান্ত হৈছিল ১২ নৱেম্বৰৰ কটনিয়ানৰ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰ দায়িত্বত থাকিব অসমৰ সংগীত জগতৰ কেইজনমান স্বনামধন্য প্ৰাক্তন কটনিয়ান। তেখেতসকল হ'ল- ড° লক্ষহীৰা দাস, ৰমেন বৰুৱা, বলেন হাজৰিকা, মিহিৰ বৰদলৈ, অপূৰ্ব দাস, কবিতা (ৰোজ) হাজৰিকা। সেইদিনাই আন এটা সিদ্ধান্ত হৈছিল Cottonians Reminiscence Day-ৰ উপলক্ষত এখন স্মৰণিকা গ্ৰন্থও প্ৰকাশ কৰা হ'ব। সেই গ্ৰন্থৰ দায়িত্বত থাকিব আন কেইজনমান বিশিষ্ট কটনিয়ান। অধ্যক্ষ গংগাপদ চৌধুৰী, জীতেন্দ্ৰ নাথ শৰ্মা, ড° লক্ষহীৰা দাস, হৰেকৃষ্ণ ডেকা, জ্যোতিপ্ৰসাদ শইকীয়া, লগতে থাকিব ড° কৃষ্ণা বৰ্মন, নিভা কোঁৱৰ, দেৱবালা দেৱী, দূৰ্বা চৌধুৰী আৰু শ্বামীম আখটাৰ। শ্বামীম স্মৰণিকা গ্ৰন্থ সম্পাদিকা।

সেইদৰে প্ৰাক্তন কটনিয়ানসকলৰ সোঁৱৰণী সমাৰোহ সম্পৰ্কত প্ৰচাৰ মাধ্যমৰ জৰিয়তে জাননী দিবলৈ এটি গোহাৰি প্ৰস্তুত কৰা হ'ল। "প্ৰাক্তন কটনিয়ান হিচাপে আমি আটায়ে এতিয়াও আমাৰ কটন কলেজৰ দিনবোৰৰ মিঠা স্মৃতি মনৰ মণিকোঠাত গভীৰ গৰ্বেৰে আলফুলে সাঁচি ৰাখিছো। কলেজখনে প্ৰতিনিধিত্ব কৰা প্ৰমূল্যসমূহো আমাৰ নিচেই আপোন। .... সোঁৱৰণীৰ বাটেৰে ভটিয়াই গৈ আমাৰ কটন কলেজত কটোৱা সেই স্মৰণীয় দিনবোৰ আকৌ এবাৰ ওলোটাই পোৱাৰ উপলক্ষ এটাও এই শতবৰ্ষই আমাক আনি দিছেহি। সেয়েহে কটন কলেজৰ শতবৰ্ষ উদযাপনৰ অংশ হিচাপে অহা ১২ নৱেম্বৰৰ দিনা কটন কলেজ ইউনিয়ন হলত দিনজোৰা কাৰ্যসূচীৰে সোঁৱৰণী সমাৰোহ এখন পাতিবলৈ উদ্যোগ লোৱা হৈছে। সমূহ প্ৰাক্তন কটনিয়ানকে আহি এই সমাৰোহক এক অনুপম আৰু মন ভৰোৱা অভিজ্ঞতা কৰি তোলাৰ বাবে আমাৰ প্ৰচেষ্টাত ভাগ লবলৈ আমি পৰম আন্তৰিকতাৰে আমন্ত্ৰণ জনাইছো।" ইংৰাজী আৰু অসমীয়াত গোহাৰি প্ৰস্তুত কৰি দিলে জ্যোতিপ্ৰসাদ শইকীয়াই।

সেইদিনাৰ মিটিঙৰ পিছত এটা দিনো নষ্ট নকৰাকৈ আমি আটায়ে প্ৰস্তুতি চলালো ১২ নৱেম্বৰৰ সোঁৱৰণী সমাৰোহৰ বাবে। ৰিণিয়ে একেদিনাই সেই সময়ৰ কটন কলেজৰ অধ্যক্ষ দিলীপ বৰুৱা চাৰৰ পৰা ইউনিয়ন হলত সোঁৱৰণী সমাৰোহ পতাৰ লিখিত অনুমতি আনি তাই লণ্ডনলৈ উভতি গ'ল। লণ্ডনত থকা আৰু তাৰ আশে পাশে থকা প্ৰবাসী প্ৰাক্তন কটনিয়ানসকলৰ লগত তাই যোগাযোগ কৰিব, সদস্য ভৰ্তি কৰিব। আমাৰ গোহাৰি গুৱাহাটীৰপৰা প্ৰকাশিত কেইবাখনো আগশাৰীৰ কাকতত প্ৰকাশ পালে। এইখিনিতে

কৃতজ্ঞতাৰে স্বীকাৰ কৰিব লাগিব জি. এল. পাব্লিকেশ্বনছ লিমিটেডৰ স্বত্বাধিকাৰ জি. এল. আগৰৱালাদেৱলৈ। তেখেতৰ তিনিখন বাতৰি কাকতত আমাৰ গোহাৰিৰ বিজ্ঞাপন বিনামূলীয়াকৈ সম্প্রচাৰ কৰিছিল। প্ৰাক্তন কটনিয়ান দৈনিক অসম কাকতৰ প্ৰেমধৰ শৰ্মাই, আছাম ট্ৰিবিউনৰ অজিত পাটোৱাৰী প্ৰমুখ্যে গুৱাহাটীৰ বিভিন্ন কাকতৰ লগত জড়িত প্ৰাক্তন কটনিয়ানসকলে তেখেতসকলৰ কাকতৰ জৰিয়তে ১২ নৱেম্বৰৰ আগলৈ বিভিন্ন সময়ত আমাৰ সোঁৱৰণী সমাৰোহৰ বাতৰি প্ৰচাৰ কৰি আছিল।

ইয়াৰ পিছত আমি কেবাখনো সভা পাতিলো, কটন কলেজৰ নিউ আৰ্টছ বিল্ডিঙৰ তিনি নং কোঠাত। কটন কলেজৰ চৌহদত সোমালেই বুকুখন কঁপি যায়, মনত পৰে পুৰণি দিনৰ কথা। মনত পৰে আমাক শিক্ষা দিয়া গুৰুসকলৰ কথা— হেমন্ত শৰ্মাছাৰ, নাৰায়ণ শৰ্মাছাৰ. ৰামমল ঠাকুৰীয়াছাৰ, ভুৱনেশ্বৰী বাইদেউ, বসন্ত বৰুৱাছাৰ, নৰকান্ত বৰুৱাছাৰ, উপেন শৰ্মাছাৰ, ভূপেশ দত্তছাৰ, ইক্ৰামুদ্দিন শইকীয়াছাৰ, আশ্ৰফ আলীছাৰ ইত্যাদি। মনত পৰে পুৰণি বন্ধু-বান্ধৱীসকললৈ। কটন কলেজত মিটিং পাতিব লোৱাৰে পৰা আমাৰ সদস্যৰ সংখ্যা বাঢ়িবলৈ ধৰে। তেনে এখন সভাতে উপস্থিত হৈছিল কটন কলেজৰ এসময়ৰ বিশিষ্ট খেলুৱৈ ঘন গগৈ, পল্লৱ ৰয়, হাচান উল্লাহ, সুৰজিৎ বৰুৱা, জয়ন্ত দত্ত। তেখেতসকলৰ নিজৰ ফালৰ পৰাই ১২ নৱেম্বৰৰ সোঁৱৰণী সমাৰোহৰ দিনাখনৰ ৰাতিপুৱা শতবৰ্ষৰ দৌৰৰ আয়োজন কৰাৰ সিদ্ধান্ত ল'লে। শতবৰ্ষ দৌৰত যোগ দিবলৈ আমন্ত্ৰণ কৰিব বিখ্যাত প্ৰাক্তন কটনিয়ান খেলুৱৈসকলক- পুলিন দাস, প্ৰেমধৰ শৰ্মা, সুৰেন ৰাম ফুকন, ৰবীন বৰদলৈ, পুলক লাহিড়ী আদিক।

সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰ বাবে প্ৰস্তুতি চলিল মিহিৰদাৰ (মিহিৰ বৰদলৈ) ঘৰত। ৰমেনদা, লক্ষহীৰা বাইদেউ, ৰমেন চৌধুৰী, ৰোজ বাইদেউ, বলেনদা (বলেন হাজৰিকা), গংগাপদ চৌধুৰীছাৰ লগ হয় মিহিৰদাৰ ঘৰত। কেবালানিও আলোচনা চলিল। কমি (মিহিৰ বৰদলৈৰ সহধৰ্মিনী), খামীম আৰু মই উপভোগ কৰো তেখেতসকলৰ আলোচনাবোৰ শুনি। নষ্টালজিয়া, আটায়ে নষ্টালজিয়াত ভোগে, পুৰণি দিনৰ কলেজীয়া স্মৃতি ৰোমন্থন কৰি থাকোতে মূল কথা আলোচনা নহয়গৈ। ৰমেনদাই ফোন কৰে পুৰণি বন্ধু ইজন-সিজনলৈ, পুৰণি কোৰাছ এটা মনত পেলাব লাগে, সৌ তাহানি গোৱা।

যিয়েই নহওঁক, আমি এইদৰেই আগবাঢ়িলো ১২ নৱেম্বৰৰ কটনিয়ানৰ সোঁৱৰণী সমাৰোহৰ বাবে। ইতিমধ্যে আমাৰ সদস্য ভৰ্তিৰ কাম চলি আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইন্দিৰা বৰুৱা, ড° অপৰাজিতা বৰকাকতি, ড° স্বৰ্ণলতা দাস, পাণ্ডু কলেজৰ অনিতা তালুকদাৰ, আৰ্য্য বিদ্যাপীঠ কলেজৰ ড° ইলা বৰুৱা, প্ৰাগজ্যোতিষ কলেজৰ ড° অৰ্পণা ঠাকুৰীয়া, দিছপুৰৰ প্ৰণতি ডেকা, ড° চিত্ৰা কলিতা আদিয়ে সদস্য ভৰ্তিৰ কামত লাগি গ'ল। খামীম আৰু মই প্ৰায়ে একেলগে ওলাওঁ, কলেজৰ ক্লাছ শেষ কৰি (কেতিয়াবা আমাৰ লগ হয় নিভা, চিত্ৰা) দুয়োজনী গুৱাহাটীৰ অলিয়ে গলিয়ে কটনিয়ান বিচাৰি ফুৰো— কিমানযে কটনিয়ান! কিমানৰ ওচৰলৈ যাব পাৰিলো বাৰু! এইদৰে এদিন আমি মহেশ ভূএগ্ৰা ছাৰৰ ওচৰ পাওঁ। ছাৰক কলেজত লগ পোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে জানে (বিজ্ঞান শাখাৰেই হওক বা কলা শাখাৰেই হওক) ছাৰ জীৱন্ত কম্পিউটাৰ। ছাৰে আমাক দুদিনৰ ভিতৰতে গুৱাহাটীত থকা দুই শতাধিক প্ৰাক্তন কটনিয়ানৰ নাম, ঠিকনা, টেলিফোন নম্বৰসহ এখন তালিকা দিলে। আমাক প্ৰাক্তন কটনিয়ানৰ সন্ধেদ দিছিলে ড° ৰীৰেন্দ্ৰ নাথ দত্তছাৰে, অভিযন্তা প্ৰণৱ বৰাদেৱে, শ্ৰীযুত বিজয় খাটনিয়াৰদেৱে। অনিমা গুহ বাইদেৱে তেখেতৰ

নগৰ গুৱাহাটীত থকা প্ৰায় আঢ়াইবোৰ কটনিয়ানৰ ফোন নম্বৰসহ তালিকা দিছিল। আমি তালিকা চাই ফোনেৰে, চিঠিৰে, ঘৰলৈ গৈ নানা ধৰণেৰে যোগাযোগ কৰিলো। সেয়া এক অভিনৱ অভিজ্ঞতা। অপ্ৰত্যাশিতভাৱে সেইসকলৰ ওচৰত যেতিয়া আমি (সৰহভাগেই অচিনাকি) উপস্থিত হৈছিলো, যেতিয়া কৈছিলো আমাৰ ১২ নৱেম্বৰৰ পৰিকল্পনাৰ কথা, কি যে আপ্লুত হৈ পৰিছিল সেই কটনিয়ানসকল। সেই আবেগিক পৰিস্থিতিত আমি কিমানযে মৰম পালো, (সেই মৰম কেৱল কটন কলেজ বুলিয়েই)। ঘৰে ঘৰে কিমানযে মিঠাই খালো। গুৱাহাটীৰ সৰহ সংখ্যক সদস্য গোটাইছিল আমাৰ সোঁৱৰণী সমাৰোহ সমিতিৰ সদস্য, নীৰৱ কৰ্মী অভিযন্তা শ্ৰীভৱানী চৌধুৰীয়ে। যোৰহাটৰ অধ্যাপিকা কবিতা ৰাজগুৰু (ৰেবা বাইদেউ), ডিব্ৰুগড়ৰ অধ্যাপিকা কল্যানী (মায়া) বৰুৱাই প্ৰাক্তন কটনিয়ান বিচাৰি আমাৰ সোঁৱৰণী সমাৰোহৰ সদস্য কৰিছিল। গুৱাহাটীৰ পৰাই চিঠিৰে, ফোনেৰে গংগাপদ চৌধুৰী ছাৰে অকলেই লক্ষীমপুৰ, মঙ্গলদৈ, তেজপুৰ, নগাওঁ আদিৰ পৰা প্ৰায় দুই শতাধিক কটনিয়ানক বিচাৰি উলিয়াইছিল। ড° নিৰ্মল কুমাৰ চৌধুৰী ছাৰেও অকলেই ঘূৰি ঘূৰি কটনিয়ান বন্ধুসকলক বিচাৰি ফুৰিছিল। আমাৰ পৰিকল্পিত সমাৰোহলৈ সঁহাৰি জনাইছিল সুদূৰ আমেৰিকাৰ পৰা দিলীপ দাস, ড° নিৰোদ দাস, ধ্ৰুৱ প্ৰসাদ দাস, অৱনী কুমাৰ শৰ্মা, ইউৰোপৰ পৰা ড° বিনয় পাঠক, মীৰা বৰা, ড° ৰমেশ চৌধুৰী, অজিত তামুলী, প্ৰফুল্ল বৰুৱা, মঞ্জুলা বৰুৱা আৰু ড° কৰুণা (সাগৰ) দাস প্ৰমুখ্যে ভালেমান কটনিয়ানে।

২ নৱেম্বৰত ৰিণি ঘূৰি আহিল লণ্ডনৰ পৰা। আমাৰ ব্যস্ততা আৰু বাঢ়ি গ'ল। ৰমেনদাৰ নিৰ্দেশনাত কোৰাছৰ ৰিহাৰ্চেল আৰম্ভ হ'ল কটন কলেজৰ ইউনিয়ন হলত।

১২ নৱেম্বৰৰ কটন কলেজৰ সোঁৱৰণী সমাৰোহ আৰম্ভ হৈছিল শতবৰ্ষ দৌৰেৰে। ৯-৩০ বজাৰ পৰা আৰম্ভ হৈছিল দিনজোৰা কাৰ্যসূচী। ১৯২৪ চনৰ স্নাতক শ্ৰীযুত পদ্মধৰ ডেকা প্ৰমুখ্যে বয়োজ্যেষ্ঠ কটনিয়ান ড° হেৰম্বকান্ত বৰপূজাৰী, পূণ্যেশ্বৰ শৰ্মা, ভোলাৰাম দাস আদিৰ একশত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হৈছিল আনুষ্ঠানিক পৰ্ব। সভাপতি ড° নিৰ্মল কুমাৰ চৌধুৰী, কাৰ্যকৰী সভাপতি গংগাপদ চৌধুৰী, কটন কলেজৰ শতবৰ্ষ উৎসৱ উদযাপন সমিতিৰ সম্পাদক ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী আৰু ৰিণি কাকতিৰ চমু ভাষণৰ পিছতে সোঁৱৰণী সমাৰোহৰ মূল অনুষ্ঠান আৰম্ভ হৈছিল। প্ৰথম পৰ্যায়ৰ সোঁৱৰণী সমাৰোহৰ আঁত ধৰিছিল উত্তৰ-পূব সীমান্ত ৰেলৱেৰ জ্যেষ্ঠ বিষয়া ৰবীন কলিতা আৰু অধ্যাপক ববিতা শৰ্মাই। উপস্থিত থকা কটনিয়ান সমজুৱাক এক মুহূৰ্ত্ততে বিৰতি নোহোৱাকৈ অভিনৱ কৌশলেৰে এটাৰ পিছত এটাকৈ প্ৰশ্ন কৰি গৈছিল ৰবীন কলিতা আৰু ববিতা শৰ্মাই। তাৰ আগেয়ে "মায়াপুৰী সপোনপুৰী কটন কলেজ ...." গীতটিৰে (গীতৰ ৰচনা ড° প্ৰদীপ শৰ্মা আৰু গায়ক দেৱাশীষ শৰ্মা) হেজাৰতকৈয়ো অধিক কটনিয়ানক ক্ষণিকতে উৰুৱাই নিছিল দূৰ অতীতৰ সেই সোণোৱালী-ৰূপোৱালী সপোন হৈ যোৱা কটন কলেজৰ দিনবোৰলৈ।

১ বজাত আহাৰ বিৰতি। কিন্তু কাৰো যেন তালৈ ভ্ৰূক্ষেপ নাই। ইফালে শ্ৰীযুত ৰবীন চৌধুৰী আৰু শ্ৰীযুত বন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ দায়িত্বত সাজু হৈ আছে দুপৰীয়াৰ আহাৰ।

২-৩০ বজাত আৰম্ভ হৈছিল সোঁৱৰণীৰ দ্বিতীয় পৰ্যায়। আঁত ধৰিছিল অধ্যাপক সুৰজিত বৰুৱা আৰু সু-গায়িকা পাহাৰী দাসে। ৫-৩০ বজালৈ শেষ হ'ব নোখোজা সোঁৱৰণীৰ আমি সমাপ্ত কৰিবলগা হৈছিল কিয়নো ৬ বজাৰ পৰা আছে সোঁৱৰণী সাংস্কৃতিক সমাৰোহ।

সাংস্কৃতিক সন্ধিয়া আৰম্ভ হৈছিল সমবেত গীতেৰে। কটন কলেজৰ কলাগুৰু বিষ্ণুৰাভা প্ৰেক্ষাগৃহৰ মঞ্চ ভৰি পৰিছিল প্ৰাক্তন কটনিয়ানসকলেৰে। লক্ষহীৰা দাস, মিহিৰ বৰদলৈ, নৰেন দাস, বেলি দাস (স্মিথ), বলেন হাজৰিকা, ৰোজ হাজৰিকা, ধীৰেণ হাজৰিকা, অপূৰ্ব দাস, প্ৰদীপ কাকতি, উৎপল বেজবৰুৱা, সুৰজিৎ বৰুৱা, ৰবীন কলিতা, ঋতুপৰ্ণা, সমৰ, পাহাৰী, অৰুণিমা, অৰ্পনা, দেৱবালা, অচলা, পাৰবীন, খামীম, ৰীনা, চিত্ৰা, পাপৰি, প্ৰভাত দাস, ৰিণি, মই আৰু বহুতো; আটায়ে সমবেত হৈ গাইছিলো ব্ৰজেন বৰুৱা সুৰাৰোপিত গীত—

আমি পৃথিৱীত বন্তি জ্বলাওঁ
ধৰণীত পোহৰ বিলাওঁ
চিকিমিকি বিজুলীৰ ....।

তাৰ পিছত শেৱালী দেৱী, মিহিৰ বৰদলৈ, পাহাৰী দাস, ৰিণি কাকতি, অনিৰ্বান দাসৰ কণ্ঠৰপৰা এটি এটিকৈ সৰি পৰিছিল মায়াময় সুৰৰ নিজৰা। প্ৰাক্তন কটনিয়ান বিপুল দাস, কাশ্মিৰী শইকীয়াৰ নৃত্য আৰু দুলাল বৰুৱাৰ বিহু হুঁচৰি, বৰ্তমানৰ আৰু প্ৰাক্তন কটনিয়ানক একেলগে নচুৱাই সমাপ্ত হৈছিল ১২ নৱেম্বৰৰ সোঁৱৰণী সমাৰোহ। সমাপ্ত হৈছিল কটন কলেজৰ প্ৰাক-শতবৰ্ষ উৎসৱৰ। ❑

গংগাপদ চৌধুৰী

কটন কলেজৰ কতনা কথা ঃ আমাৰ কিছু নোকোৱা কথা

যিসকলে কটন কলেজত পঢ়িব নোৱাৰিলে তেওঁলোকে ছাত্ৰ-জীৱনত পাবলগীয়া বহুখিনি নাপালে, চাবলগীয়া বহুখিনি চাবও নাপালে। যি সকলে আকৌ কটন কলেজত পঢ়িলে কিন্তু কটন হোষ্টেলত থাকিব নোৱাৰিলে, তেওঁলোকে পায়ো বহুখিনি হেৰুৱালে। যিসকলে কটন কলেজত পঢ়িলে, কটন হোষ্টেলতো থাকিলে কিন্তু দ্বিতীয় ছাত্ৰাবাসত থকাৰ সুবিধা কৰিব নোৱাৰিলে, তেওঁলোকে সকলো পায়ো একো নাপালে— পূৰ্ণতাৰ মাজতো অপূৰ্ণতাৰ মুখ দেখিলে— এনেবোৰ ভাৱনা কটন কলেজৰ দ্বিতীয় ছাত্ৰাবাসত থকা প্ৰায় প্ৰতিজন আবাসীৰে। ইয়াত কিবা যুক্তি আছে নে নাই সেইটো ডাঙৰ কথা নহয়— আচল কথা হ'ল— ছাত্ৰাবাসটোৰ প্ৰতি থকা আবাসীসকলৰ আবেগিক মধুৰ সম্পৰ্কটোহে।

দ্বিতীয় ছাত্ৰাবাসত (বৰ্ত্তমান ৰঞ্জিত বৰপূজাৰী) সেই সময়ত যাইকে উজনিৰ তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰসকলে আৰু তৃতীয় ছাত্ৰাবাসত বৰপেটাৰ (আচলতে নামনি অসমৰ) ছাত্ৰসকল থাকে বুলি এটা সুবাদ (?) আছিল। আমাৰ দিনত কোন ল'ৰা কোন হোষ্টেলত থাকিব তাৰ নিদৰ্শনা কলেজ কৰ্তৃপক্ষই নিদিছিল। কেৱল হোষ্টেল চিট পোৱাৰ লিষ্টখনহে কলেজত আঁৰি দিছিল। মোৰ অহাত দেৰি হৈছিল কাৰণে হোষ্টেল চিটো পোৱা নাছিলো।

দ্বিতীয় ছাত্ৰাবাসৰ অধীক্ষক ড০ উপেন লেখাৰু ছাৰৰ ওচৰ পালো— ঋষিতুল্য মানুহ— দেখিলেই ভক্তি ওপজে। কলা বিভাগৰ এজন ল'ৰা শুচি যোৱাত এটা চিট ওলাইছে সেইদিনাখনেই। মই বিলম্ব নকৰি নাম ভৰ্তি কৰিলো। জানিব পাৰিলো— মোৰ স্কুলীয়া দিনৰে Pen friend পৰমানন্দ মহন্ত (ড০ পৰমানন্দ মহন্ত— বৰ্ত্তমান পদাৰ্থ বিজ্ঞানৰ মুৰব্বী অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়) ও আছে। লগ ধৰি ভাল লাগিল। হোষ্টেললৈ সোনকালে আহিবলৈ ক'লে। মোৰ লগৰ দুই এজন বন্ধুৱে চেকেণ্ড মেছত admission লোৱা বুলি শুনি ভয়ো খুৱালে— 'শালৰ মাজত শিঙি ওলাবি' বুলি কৈ। হোষ্টেললৈ গৈ দেখিলো— হোষ্টেলত নামনি অসমৰ মানে তেতিয়াৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ মাত্ৰ ছয় জনহে ছাত্ৰ আছে। প্ৰথম বাৰ্ষিকত মোৰ বাহিৰে এজন, তৃতীয় বাৰ্ষিকত তিনিজন, চতুৰ্থ বাৰ্ষিকত এজন। কেইদিনমানৰ পাছত হোষ্টেল ছাত্ৰসকলৰ মাজত সোমাই পৰি এনেকুৱা ভাৱ হ'ল যে এই ছাত্ৰাবাসত নহা হলে কটন কলেজৰ ছাত্ৰ-জীৱনেই অসম্পূৰ্ণ হৈ থাকিলহেঁতেন।

এদিনৰ কথা : এটা নোকোৱা কথা : ১৯৬০ চনৰ জুন মাহৰ শেহাৰ্দ্ধৰ কোনোবা এটা দিন। আমি তৃতীয় বাৰ্ষিকৰ পৰা চতুৰ্থ বাৰ্ষিক শ্ৰেণীত উঠিছো। চাৰি— চাৰে চাৰিমান বজাত হোষ্টেললৈ উভতি আহিছো। দ্বিতীয় তৃতীয় ব্লকৰ মাজৰ খালী ঠাইখিনি আমাৰ । পূব ফালে ভলীবল ক'ৰ্ট আছে পশ্চিমফালে পৰিত্যক্ত সুপ্ৰাচীন এখন টেনিছ কৰ্ট (?) ৰ অৱশেষ। ভলীবল নেখেলিলে সেই ডোখৰেই ৰূপান্তৰিত হয়— আমাৰ ফুটবল বা ক্ৰিকেট গ্ৰাউণ্ডলৈ। সেইদিনাখন নিজৰ ৰং আৰু আকৃতি ইতিমধ্যে হেৰাই পেলোৱা ভলীবলটোৰে ফুটবলৰ অনুশীলন চলি আছিল তাত। কোনোবা অগ্ৰজ পালোৱান কটনিয়ান বন্ধুই তৃতীয় চতুৰ্থ ব্লকৰ মাজৰ পশ্চিম ফালৰ বেৰৰ লোহা ভাঁজ কৰি মুকলি কৰি থোৱা পথটোৰে সোমাই তৃতীয় ব্লকৰ কৰিডৰ পাইছেহি। খেলপথাৰৰ পৰা প্ৰায় কান্দি কান্দি ওলাই আহিছে ৰঞ্জিত বৰপূজাৰী। আমাতকৈ দুবছৰ তলত পঢ়া— অতি মৰম লগা ল'ৰাটোৰ বিষণ্ণ মুখখন দেখি সুধিলোঁ— 'কি হ'ল তোমাৰ?'

দুখ, খং আৰু ক্ষোভেৰে সৈতে ৰঞ্জিতে উত্তৰ দিলে— আজিৰ পৰা মই আৰু কোনো দিনে নেখেলো।'

'কিয়?'

'ইমান ফাউল খেলে। আমি ধেমালি কৰিহে খেলিছো— কাজিয়া কৰি ভৰি-হাত ভাঙিবলৈতো নহয়।' ৰঞ্জিতে ক'লে।

'ফাউল খেলিছে? কোনে?'

'মুকুলে— চাওকচোন এয়া'— বুলি কৈ ৰঞ্জিতে দীঘল নীল ৰঙী ডোৰি দিয়া কাপোৰৰ পাইজামাটো কোচাই ইষৎ ৰঙচুৱা আঘাতপ্ৰাপ্ত ভৰিৰ অংশটো দেখুৱালে।

'সেইবুলি তুমি আৰু নেখেলিবানে? তাক এসেকা দিওঁ ৰ'বা।' —এইবুলি কৈ চেণ্ডেলযোৰ কৰিডৰৰ ষ্টেপৰ এমূৰত থৈ লংপেণ্ট কলাফুলৰ ওচৰলৈ কোচাই লৈ ৰঞ্জিতৰ সলনি ময়দানত ময়েই নামি গলো। অলপ পাচতে মোৰ ভৰিত আহি বলটো পৰিল। সম্মুখৰ দহ ফুটমান আঁতৰত মুকুল— বলটো বাওঁ ভৰিৰে অলপ উঠা-লৈ সোঁভৰিৰে তীব্ৰ শ্বট এটা ললো। মুকুলে জাঁপ মাৰিলে— তাৰ গাৰ কাষেৰে বলটো কোঁ-কোঁৱাই পাৰ হৈ গ'ল। গলৰক্ষক নৰকান্ত ফুকনে বলটো ৰাখিবলৈ চেষ্টা নকৰিলে। ফলত দহ ফুটি টিনপাতৰ অধীক্ষকৰ আবাসৰ টৌহদৰ বেৰত বলটোৱে তীব্ৰ জোৰে খুন্দা মাৰিলে। টিনৰ

বেৰখন কেইমিনিটমান সময় কঁপি থাকিল। পাইজামা আৰু গেঞ্জী পিন্ধি থকা আমাৰ হোষ্টেলৰ 'চুপাৰ' (Super) ড° কালীনাথ শৰ্মা ছাৰে ড্ৰেছিং গাউনটো টান মাৰি হাত দুখন সোমাই সোমাই, দুই নম্বৰ ব্লকৰ বাৰাণ্ডাত 'কোনে?' 'কোনে মাৰিছে?' বুলি চিঞৰি ভৰি দিবহে পালে, খেলি থকা আটাইবোৰ ল'ৰাই পলাই পত্ৰং দিলে— কিন্তু কমৰ ভিতৰত পটি থকা শুই থকা ল'ৰাবিলাকে (কবিৰাজ?) বিকট শব্দত সাৰ পাই কি হৈছে চাবলৈ বাহিৰ ওলাল। তৃতীয় ব্লকৰ কৰিডৰত নিসঙ্গ বিষণ্ণ বঞ্চিত আৰু দুয়োটা ব্লকৰ মাজত অকলশৰে মই। চাৰৰ আগমনে হঠাতে নিজম কৰি পেলোৱা হোষ্টেলৰ পৰিবেশটোত দুই নম্বৰ ব্লকৰ কাষত থকা পানীৰ চৌবাচ্ছাটোত মিউনিচিপালটিৰ পাইপৰ পৰা নিৰ্গত হোৱা হৰ্ হৰ্ পানীৰ শব্দই যেন সদৰ্পে সদম্ভে নিজৰ অস্তিত্ব ঘোষণা কৰিছে। মই ধীৰে ধীৰে চৌবাচ্ছাৰ ওচৰ পালো আৰু তলিফুটা বাল্টিটোৰে চৌবাচ্ছাটোৰপৰা পানী তুলি পিন্ধি থকা কাপোৰৰ সৈতে পানী ঢালিলো— মূৰত। মূৰৰ পৰা গাৰে পানীবোৰ বাগৰি গৈ থাকিল। পানীৰে তিতি চাৰ্ট, গেঞ্জি, পেণ্ট গাত লিপিটি খাই পৰিল।

ছাৰে মোৰ ফালে অলপ সময় চাই থাকি একো নোকোৱাকৈ উভতি গ'ল। কিন্তু সেই কীৰ্ত্তিটো যে মোৰেই ছাৰৰ সেই ভাব দৃঢ় হ'ল। হোষ্টেলৰ দুষ্ট ল'ৰাৰ তালিকাৰ শীৰ্ষলৈ মোৰ নামটো অনাত ছাৰৰ সুবিধা হ'ল। মোৰ সেইদিনাৰ চোলা-কাপোৰ পিন্ধি গা ধোৱা কাৰ্য্য দেখি ছাৰে ভাবিলে মই ছাৰৰ উপস্থিতি অৱজ্ঞা কৰি দেখুৱাইছো, বেপেৰুৱা ভাব এটা দেখুৱাইছো— ছাৰৰ খং উঠিল মোৰ ওপৰত। ল'ৰাবোৰে বেপেৰুৱা ভাব এটা প্ৰদৰ্শন কৰা বুলি ভাবি আকৌ আনন্দৰ খোৰাক পালে। দুই একে মোক সাধুবাদ জনাবলৈও নাপাহৰিলে। আচলতে চোলা-কাপোৰ তিওৱাৰ কাৰণটোনো কি কোনোৱে জানিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে।

আমি পঢ়ি থকা দিনত হস্পিটেলত কাৰোবাৰ মৃত্যু হ'লে শৱ নিয়া মানুহ নাথাকিলে, ক'ৰবাত জুই লাগিলে— কিবা ক'ৰবাত গণ্ডগোল লাগিলে প্ৰথমতে কটন হোষ্টেলত খবৰ দিয়াটো এটা দস্তুৰেই আছিল। ল'ৰাবিলাকেও এই বিলাকত আগবাঢ়ি আহিছিল।

সেই সময়ত গুৱাহাটীৰ মেডিকেল কলেজ হোৱা নাই। চিভিল হস্পিটালখনেই সকলোৰে একমাত্ৰ ভৰষা। যাতায়াতৰ ব্যৱস্থাও আজিৰ নিচিনা নহয়। কাৰোবাৰ হস্পিটালত মৃত্যু হলে মৃতকক স্বগৃহলৈ বা স্ব-স্থানলৈ নৈ যোৱা প্ৰায় অসম্ভৱ আছিল। ইয়াতেই দহন কৰিব লাগিছিল। শ্মশানলৈ নিব লাগিলে মানুহ লাগিছিল। গতিকে কটন হোষ্টেললৈ মানুহে সহায় বিচাৰি গৈছিল।

এদিনৰ কথা। ৰাতিপুৱা প্ৰায় চাৰে ন মান বজাত যশোমন্ত ৰ'ডত অৱস্থিত আমাৰ 'বাণী প্ৰকাশ'ৰ তদানীন্তন মেনেজাৰ ৰজনী শৰ্মাই হোষ্টেললৈ আহি মোক খবৰ দিলে যে শিল্পী ব্ৰজনাথ শৰ্মাৰ মৃত্যু হৈছে। গুৱাহাটী চিভিল হস্পিটালৰ এটা কমৰ এচুকত মাটিত তেখেতৰ মৃতদেহ পৰি আছে— শ্মশানলৈ নিবলৈ মানুহো নাই। মই দৌৰা-দৌৰিকৈ ওলাই 'থাৰ্ড মেছ্'ত থকা বন্ধু বিজন লাল চৌধুৰী (বৰ্ত্তমান প্ৰবক্তা— এম. চি. কলেজ, বৰপেটা), বত্নেশ্বৰ শৰ্মা (বৰ্ত্তমান পাণ্ডু কলেজৰ অধ্যক্ষ), উপেন দাস (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অংকৰ প্ৰফেচাৰ), নিউ হোষ্টেলত থকা মোৰ দাদা জ্যোতিপদ চৌধুৰী আদিক খবৰ দি লগত দুই এজন বন্ধু লৈ হস্পিটেললৈ আহিব কৈ মই পাণবজাৰ পালো। পানবজাৰত আচাম টেইলৰিঙৰ গৰাকী বিনোদ বাবু (বৰ্ত্তমান বুকলেণ্ডৰ মালিক)ৰ ফোনৰ পৰা অতুল চন্দ্ৰ হাজৰিকা (আমাৰ ছাৰ-নাট্যকাৰ), প্ৰবীণ ফুকন, সৰ্বেশ্বৰ চক্ৰবৰ্ত্তী (অভিনেতা-নাট্যকাৰ)

আমি তাহানিৰ শিল্পী নাট্যকাৰসকলক ব্ৰজ শৰ্মাৰ মৃত্যুৰ বাতৰি দিলো— আসাম আৰু নতুন অসমীয়াৰ কাৰ্য্যালয়তো যোগাযোগ কৰিলো— দুখৰ বাতৰিটো পাই অতুল চন্দ্ৰ হাজৰিকা ছাৰে সমবেদনা প্ৰকাশ কৰিছিল— আৰু বিভ্ৰান্ত উঠি হস্পিতাললৈ আহিছিল। মায়াৰাম তামুলী ডাঙৰীয়াই হস্পিতাললৈ অহাই নহয়— শ্মশান যাত্ৰীও হৈছিল। এজন নামজ্বলা শিল্পীক ফোন কৰি দুঃসংবাদটো দিয়াত তেখেতে সুধিছিল— 'কোন ব্ৰজনাথ শৰ্মা?' মই কৈছিলো— 'শিল্পী ব্ৰজনাথ শৰ্মা'। তেতিয়া তেখেত গহীন হৈ কৈছিল- 'ব্ৰজ ওস্তাদ'— কথাষাৰ ভাল নালাগি মই ফোনটো থৈ দিছিলো। কি সুৰত বা কি ভাবত কৈছিল বুজা নাছিলো—। কিন্তু তেখেতক শ্মশানত দেখি মোৰ মনত নপৰে।

হস্পিটালৰ পৰা আমি পাল পাতি কান্ধত দাণ্ডি ধৰি কালিপুৰ শ্মশানলৈ নিছিলো— শিল্পী, বিপ্লৱী ব্ৰজনাথ শৰ্মাক। মুখাগ্নিৰ কাৰণে মন্ত্ৰ পাঠ কৰিবলৈ ব্ৰাহ্মণ আহি নোপোৱাত ঘৰৰপৰা হঠাতে আহি পোৱা আমাৰ দেউতা চক্ৰধৰ চৌধুৰীয়ে পঞ্জিকাৰ পৰা মন্ত্ৰ পাঠ কৰিছিল আৰু তেখেতৰ জোঁৱায়েক ডঃ অৰবিন্দ মিশ্ৰই মুখাগ্নি কৰিছিল। সেই মুহূৰ্ত্তত আমাৰ ভাব হৈছিল— যি গৰাকী স্বাধীনতা সংগ্ৰামী বিপ্লৱী ব্ৰজনাথ শৰ্মাই সৰভোগৰ বিমান ঘাটিত জুই দি স্বাধীনতা সংগ্ৰামত এক ইতিহাস সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল যি গৰাকী শিল্পীয়ে কহিনুৰ অপেৰা পাৰ্টি খুলি অভিনয়ৰে অসমৰ নাট্য আন্দোলনৰ পথ প্ৰদৰ্শন কৰিছিল— সেইজনৰ মৃত্যুও হৈছিল— 'Without a grave, unknelled, uncoffined, and unknown.'

আন এদিনৰ কথা। উজনিৰ এজন ল'ৰা আমাৰ হোষ্টেলতে আছিল। সম্ভৱতঃ বাৰ্ষিক পৰীক্ষাত কৃতকাৰ্য্য নহ'ল। হোষ্টেল এৰিবলগীয়া হোৱাত সি ক'ৰবাত মেছ এটাত উঠিলগৈ। হঠাৎ জ্বৰ হ'ল— হস্পিটালত নিলে যদিও নাবাচিল। আমাক খবৰ দিলে— আমি মানে— মই, ৰণেন গোঁহাই (শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ), জগদীশ বৰুৱা (নাজিৰাৰ— Retired Executive Engineer), প্ৰতাপ সোণোৱাল (DTO - Retired), বসন্ত দুৱৰা— (গণ্ডা চিলনীৰ পাখী খ্যাত) ইত্যাদি। আমি কালীপুৰ শ্মশানত দহন কাৰ্য্য সম্পাদনা কৰি দুপৰীয়া উভতি আহিছো— দীঘলী পুখুৰীলৈ গৈ তাত নামি গা ধুইছো। হঠাৎ কোনোবাই উলিয়ালে— পুখুৰীটো সাঁতুৰি পাৰ হোৱাৰ কথা—। কোৱা মানেই আৰম্ভ হ'ল। পথালিকৈ এবাৰ দুবাৰ এনেকৈ কেবাবাৰো পাৰ হলো। শেহত এবাৰ-দুবাৰ এনেদৰে সাঁতুৰি আহি আছো— পাৰ পাবলৈ আৰু অলপ আছে। মোৰ ভৰি দুখন অচল হৈ গ'ল। হাত দুখনো অৱশ হৈ পৰিল। মোৰ অৱস্থা কাহিল— পাৰত দুজনমান আছিল— সিহঁতে চিঞৰিছে— মোৰ পাচফালে অলপ আঁতৰত প্ৰতাপ সোণোৱালে থিতাতে সাঁতুৰি আছিল। সি পাচফালৰ পৰা এটা প্ৰচণ্ড ঠেলা মাৰি দিলে। পানী এঢোক খালো যদিও ভৰি দুখন মাটিত লাগিল। পাৰত থকা দুজনমানে আহি তেতিয়া হাত আগুৱাই দি মোক টানি পাৰত তুলিলে। এবাৰৰ কাৰণে আসন্ন মৃত্যুৰ পৰা ৰক্ষা পৰা যেন ভাব হ'ল।

প্ৰথম উল্লেখিত দিনটোতো প্ৰকৃততে কোনোবা এজনক শ্মশানৰ জুইত তুলি দি উভতি আহিছিলো—। শ্মশানত গ'লে কাপোৰযোৰ বাহিৰত তিয়াই আমাৰ ঘৰ সোমাৰ দিছিল। সঁচা কৈছো, আজিও এই ক্ষেত্ৰত সম্পূৰ্ণ সংস্কাৰমুক্ত হ'ব পৰা নাই। তেতিয়াৰ দিনতটো কথাই নাছিল। সেই কাৰণেই সেই দিনাখন পিন্ধি থকা কাপোৰযোৰৰ ওপৰতেই পানী ঢালি গা ধুইছিলো। লগৰীয়াসকলে ঘটনাটো অন্য ধৰণে ভাবি বেলেগ আনন্দ এটা লৈছিল— তেওঁলোকক আচল কথাটো কৈ নিৰাশ কৰিবলৈ সত নগ'ল। উপৰাচি ছাৰক

গৈও আচল কথাটো কোৱা নহ'ল। বেৰত বলটো মাৰি হুলস্থুল এটা সৃষ্টি কৰাতকৈ গা ধোৱা আচৰণটো দেখিহে ছাৰ বেছি ক্ষুদ্ধ হৈছিল। ফলত স্বাভাৱিকভাৱেই গধুলি হোষ্টেলৰ নোটিচ বৰ্ডত এখন এটকা জৰিমনা বিহা জাননী লাগিছিল। Culprit টো যে ময়েই সেই কথা নকলেও হ'ব। তাৰ কাৰণে মোৰ কিন্তু সেই দিনাখনৰ ঘটনাটো মনত পৰিলে এটা কথাই আমনি দিয়ে যে যি উদ্দেশ্যাৰে শ্বটটো মাৰিছিলো— সেয়া সফল নহ'ল। সফল নহ'ল বুলি কৈছো এই কাৰণেই নহয় যে মুকুলৰ গালৈ লোৱা শ্বটটো মুকুলৰ গাত নালাগিল বা দুপাত চেপ্তেলেৰে দুফালৰ গোলৰ সীমা নিৰ্দ্ধাৰণ কৰি দিয়া নিৰ্দ্দিষ্ট এলেকাৰ ভিতৰেদি নগৈ বাহিৰৰ সীমানাৰ বেৰতহে খুণ্ডা মাৰিলে— কিন্তু আচল কথাটো হ'ল— অনুজ প্ৰতিম ৰঞ্জিতক আশ্বস্ত কৰিবলৈ মৰা শ্বটটোৰে ওন্দোলাই থকা ৰঞ্জিতৰ মুখত হাঁহি বিৰিঙাব নোৱাৰিলে, দ্বিতীয়বাৰৰ কাৰণে আকৌ খেল পথাৰলৈ উভতাই আনিব নোৱাৰিলে— কাৰণ সেইখনেই আছিল ৰঞ্জিতৰ জীৱনৰ শেষ প্ৰীতি খেল।

চাৰি জুলাই— ১৯৬০ চন। ৰাতিপুৱা চাৰে ন মান বজাত হোষ্টেলৰ কমন ৰুমত সোমালো— ৰণেন গোঁহাই, প্ৰভাত গগৈ আৰু মই। কমন ৰুমৰ দীঘল আৰামী বেঞ্চখনৰ এটা মূৰত বহি আপোন মনে বাতৰি কাকত পঢ়ি আছিল— ৰঞ্জিতে (ৰঞ্জিত বৰপূজাৰী)। আমি তিনিজনেও একোখন বাতৰি কাকতত চকু ফুৰাবলৈ ধৰিলো। সেই সময়ত ৰাজ্য-ভাষাৰ প্ৰশ্নলৈ বাতৰি কাকততো দুই এটা গৰম খবৰ ওলাব ধৰিছে। তাৰে কোনো এটা খবৰক লৈ আমাৰ মাজত আলোচনা আৰম্ভ হ'ল। ৰঞ্জিতেও আলোচনাত অংশ লৈ— আবেগিক হৈ অসমীয়া ভাষাতনো কি নাই, অসমীয়াৰনো কি নাই— এনেকুৱা দুই চাৰিটা কোৱা দেখি আমি তিনিওজনে বিশেষকৈ প্ৰভাত গগৈ আৰু মই তাক অলপ 'ডাউন দিয়া'ৰ চলেৰে ওলোটা কথাৰে যুক্তি আগবঢ়ালো। ৰণেনেও মাজে মাজে আমাক সমৰ্থন কৰি গ'ল। দহ-পোন্ধৰ মিনিট এইদৰে তৰ্ক-বিতৰ্ক চলাৰ পাছত ৰঞ্জিত স্তব্ধ হ'ল—। আবেগ মিশ্ৰিত ভাবে প্ৰায় কান্দি ক'লে— 'আজিৰ পৰা মই আৰু তৰ্ক নকৰো।' এই বুলি কৈ সি ৰুমলৈ গ'ল আৰু বিছনাত শুই পৰিল। তাৰ লগত ধেমালিহে কৰিছিলো— কিন্তু খং কৰি প্ৰায় কান্দি-কাটি তেনেকৈ যোৱা দেখি আমাৰ বেয়া লাগিছিল। ভাবিছিলো, আবেলি চাহ খোৱাৰ সময়ত পৰমা মহন্তৰ (ড° পৰমানন্দ মহন্ত) ৰুমলৈ গৈ দুই-চাৰিটা কথা পাতি ৰঞ্জিতৰ মন (ৰঞ্জিত পৰমা মহন্তৰ ৰুমমেট আছিল) পাতলাই আহিম। এনেদৰে ভাবি আৰু অইন দুই এটা কথা পাতি থাকোতে— দুই নম্বৰ ব্লকৰ কৰিডৰত কোনোবাই সজোৰে কিবা কৈ থকা শুনি আমি ওলাই আহিলো। দেখিলো চাৰিদিনমান আগতে সন্ধিয়া অহা সেইজন মানুহেই আহি কিবা কৈ আছে। মানুহজন সবল সুঠাম দেহী আৰু মুখৰ অবয়ব মঙ্গোলীয়। হিন্দী চিনেমাৰ 'ডেনী'ৰ লেখীয়া। সেইদিনাখন সন্ধিয়া এই মানুহজনেই আমাক গান্ধী বস্তীলৈ লৈ গৈছিল— তাত বঙালী মানুহে উপদ্ৰৱ কৰা বুলি কৈ। গান্ধী বস্তীত সোমোৱা ৰাস্তাটোৰ সন্মুখত দেখা পালো হেম বৰুৱা, ৰেণুকা দেৱী বৰকটকী ইত্যাদি। তেওঁলোকে বাট ভেটি ধৰি আছে— কাকো সোমাব দিয়া নাই। আমি উভতি আহিলো— আহোতে আমাৰ দলত আৰু দুই চাৰিজন বাঢ়িল। আমবাৰী পাওঁতে এজনে প্ৰস্তাৱ দিলে যে— দক্ষিণ ফালে (বৰ্ত্তমানৰ এজিপি অফিচৰ পিছফালে) ৰেল লাইনৰ কাষত আচল ঘাঁটি আছে— তাতে জুই দিব লাগে। কোনোবাই এবটল নে দুবটল পেট্ৰলো আনিলে। অলপ দূৰ আগবাঢ়ি গৈও সত নগ'ল— আমি উভতি আহিলো—। প্ৰস্তাৱক আৰু সমৰ্থক কেইজনেও আমাক উদ্বুদ্ধ কৰিব নোৱাৰি অলপ ইফাল সিফাল কৰি উভতি আহিল।

মানুহজন কোন, বা নাম কি, ক'ব, আমি একো নাজানিছিলো— মাত্র এজন উগ্র অসমীয়া প্রেমী বুলিয়েই আমি ভাবি লৈছিলো— আৰু মানুহজনৰ অইন কথা জনাৰ একো প্রয়োজনো অনুভৱ কৰা নাছিলো।

যি কি নহওক, মানুহজনৰ কথা ইতিমধ্যে 'ৰিলে' হ'বলৈ আৰম্ভ কৰিছে। ইজনৰ মুখৰপৰা সিজনৰ মুখলৈ। কিছু বঙালী মানুহে হেনো ডনবস্কোৰ চাৰিআলিত প্রত্যাহ্বান জনাইছে। ভাবি চাবৰ সময় নাই— গিজগিজাই আমি সবে ৰাস্তালৈ ওলাই গলো। কৰিডৰৰ ৰেলিঙত লগাই থোৱা ডেৰ-দুই ফুট দীঘলৰ ডেৰ-দুই ইঞ্চি বহলৰ কাঠৰ খুটিবোৰেই আমাৰ পাশুপাত অস্ত্র। বহুতে তাৰে একোডাল লৈ ৰাস্তালৈ ওলাই গ'ল। ডনবস্কোৰ কাষেৰে উত্তৰা-দক্ষিণাকৈ যোৱা ৰাস্তাটোত পূবফালে কেইখনমান দোকান আছিল— এখন গেলামালৰ আন দুই এখন সৰু চাহ দোকান— সেইবিলাকত দুই এটা আঁচোৰ পৰিল।. বৰ্ত্তমানৰ এছ. পি. অফিচৰ সেইখিনিত কোনোবা এটা ট্রেড ইউনিয়নৰ থেৰী ঘৰ এটা আছিল। কোনোবাই তাত জুই লগাই দিলে। হুলস্থুল হ'ল। আমি আমাৰ হোষ্টেলৰ ল'ৰাখিনিক হোষ্টেললৈ আহিবলৈ নির্দেশ দিলো। আমি আটায়ে আহি হোষ্টেল সোমালো। সেই সময়ত ক'ৰবাৰ পৰা মোৰ বন্ধু ধীৰেণ কলিতাও (বৰ্ত্তমান নৰ্থ গুৱাহাটী কলেজৰ অধ্যক্ষ) আহি ওলাইছিল। আমি ৰুমত সোমাই দৰ্জাৰে আলেখ-লেখ চাই আছিলো। এনেতে গণ্ডগোলত সাৰ পাই গুৱাপাটি এৰি গেঞ্জি আৰু পাইজামা পৰিহিত ৰঞ্জিতে চকু মোহাৰি মোহাৰি ৰুমৰপৰা ওলাই আহিছিল। বাহিৰত কি হৈছিল জানিবৰ বাবে। আদেশৰ সুৰত তাক ৰুমত সোমাই থাকিবলৈ ক'লো। সি ৰুমলৈ উভতি গ'ল কিন্তু ৰুমত সোমাই পাইজামাৰ লগৰ বুকু খোলা চাৰ্টটো গাত সোমাই লৈ তিনি নম্বৰ ব্লকৰ পৰা দুই নম্বৰ ব্লকলৈ চিধাই খোজ ললে। এনেকুৱা সময়ত তদানীন্তন এছ. পি. পাৰ্ব্বী চাহাবৰ নেতৃত্বত এদল বন্দুকধাৰী চিপাহী ডনবস্কোৰ কোণাটোত পজিচন ললে। ৰঞ্জিতে বাৰাণ্ডাত উঠি (সম্ভৱতঃ পুলিচ দেখা পাই) বাঁওফালে ঘূৰিবহে পালে— পুলিচৰ গুলীত পূব পিনে মুখ কৰি তেৰ নম্বৰ কোঠালীৰ সম্মুখত সি ঢলি পৰিল। দুই এক মিনিট পিছতেই তাৰ পৰা চিপাহী সমন্বিতে পাৰ্ব্বীৰ প্রস্থান ঘটাত দৌৰ মাৰি গৈ দেখিলো— ৰঞ্জিত আৰু নাই। ৰুমৰ পৰা গুলীবিদ্ধ তিলক হাজৰিকা, ৰুদ্র গোঁহাই, ক্ষেত্রধৰ দাস, অখিল শৰ্মা আদিক বাহিৰলৈ আনিবলৈ ধৰিছে— মই কলেজলৈ দৌৰ মাৰিলো— দুঃখীৰামক প্রিন্সিপালৰ ৰুমটো খুলি দিবলৈ কৈ তাৰপৰা হস্পিটাললৈ ফোন কৰিলো এম্বুলেন্স বিচাৰি। এম্বুলেন্স নাই বুলি জনালে— চিভিল চাৰ্জনৰ হেনো অসুখ। টেলিফোন অপাৰেটৰ কোনোবা বন্ধুই মোক ক'লে মই প্রাইভেট ডাক্তৰৰ ঘৰত ফোন লগাই দি আছো— আপুনি কথা পাতক। ডাঃ নলিনী শৰ্মা, ডাঃ কনকলাল বৰুৱা আদিক অনুৰোধ জনালো তৎক্ষণাৎ আহিবৰ বাবে। উভতি আহোতে প্রিন্সিপাল ড° হৰিশ গোস্বামী ছাৰৰ ঘৰত সোমাই ছাৰক মাতি আহিলো। আহি থাৰ্ড মেছ পাঁওতে চাৰি নম্বৰ ব্লকৰ পূবফালৰ কোণাটোত দেখিলো— বন্ধু অমৃত ভট্ট মৃত্যুৰ সৈতে সংগ্রাম কৰি আছে। বাওঁহাতৰ কান্ধৰ তলৰ পৰা জোলোকা-জোলোকে তেজ ওলাই আছে। আকৌ কলেজলৈ ঢাপলি মেলিলো— বন্ধু ভূৱনেশ্বৰ ভূঞা মোৰ লগতে গ'ল। ছাৰৰ ৰুম খুলি আকৌ ডাক্তৰ মাতিছো— কাতৰ আহ্বান জনাইছো— গাড়ী লৈ আহিবৰ বাবে— এনেতে হেম বৰুৱা আহি ৰুমত সোমাল— মোৰ পৰা ফোনটো হাতত লৈ অপাৰেটৰক ক'লে— 'মই হেম বৰুৱা এম. পি.য়ে কৈছো— চীফ মিনিষ্টাৰ বিমলা চলিহাৰ লগত কথা পাতিব খুজিছো—' অকণো বিলম্ব নোহোৱাকৈয়ে টেলিফোনৰ কানেকচন চি. এমৰ পি. এ. টেলিফোন ধৰিছিল— হেম

বৰুৱাদেৱে তেখেতৰ স্বকীয় নাটকীয় ভঙ্গীৰে ক'লে— 'মই হেম বৰুৱা এম. পিয়ে কৈছো— মোক বিমলা চলিহাক লাগে। অলপ সময় হেম বৰুৱাদেৱক ধৰি থাকিব দিলে— তাৰপাছত তেখেতক জনাই দিলে যে চীফ মিনিষ্টাৰ চলিহাদেৱৰ অসুখ। তেতিয়া হেম বৰুৱাদেৱে পি. এ.ক কলে— '... এজন মৃত্যু হৈছে— বহুত আহত হৈছে। চলিহা এতিয়া শ্বিলঙৰ পৰা নামি আহিব লাগে।' হোষ্টেললৈ উভতি আহি দেখিলো— ডাঃ নলিনী শৰ্মা, ডাঃ কনকলাল বৰুৱা আদি ইতিমধ্যে আহি পাইছে। আহতসকলক— কাৰোবাক বিভ্ৰাত, কাৰোবাক গাড়ীত উঠাই হস্পিটাললৈ পঠোৱা হ'ল—। আমি দুজনমান ৰঞ্জিতৰ মৃতদেহৰ কাষত বহি আছো— ধূপ দুডালমান জ্বলাই দি। অনিল ৰতন বৰঠাকুৰ আহিল স্পটলৈ। তেখতে তেতিয়া মেজিষ্ট্ৰেট। অনিল ৰতন বৰঠাকুৰেই বাকী হোষ্টেলবিলাকতো শুনি যোৱা ঘটনা সম্পৰ্কে নিজৰ মটৰ চাইকেলেৰে গৈ খবৰ দিছিল। ইতিমধ্যে আমাক মাতি নিয়া সেই ডেকাজনো আহি আমাৰ কাষতে বহিল। সি ৰঞ্জিতৰ মৃতদেহটো দাঙি ঘূৰাই দিব খুজিলে— মই মানা কৰিলো। সি যুক্তি দিলে— পশ্চিমফালে মূৰটো কৰি পৰি থকা দেখিলে চিপাহী যে কৰিডৰেৰে ভিতৰ সোমাই গুলী কৰিছিল সেই কথা প্ৰমাণ কৰিব পৰা যাব। বৰঠাকুৰে ক'লে— মই ফাৰ্ষ্ট ক্লাছ মেজিষ্ট্ৰেট। মোক লৈ মৃতদেহৰ ছবি ললে হ'ব। সেই ধৰণে ফটো লোৱা হ'ল— Rest is history. ❑



দেৱেন দত্ত

আঃ কটনৰ সেই ঘৰটো! বুকুখন বিষাই যায়

অসমীয়া লিখোঁতে অথবা সভাই-সমিতিয়ে অসমীয়াত বক্তৃতা দিওঁতে, অর্থাৎ আনুষ্ঠানিকভাৱে অসমীয়াৰ মাজত মই 'কলেজ' (শুদ্ধ ইংৰাজী উচ্চাৰণ— 'কলিজ্') শব্দটো ব্যৱহাৰ নকৰোঁ, 'মহাবিদ্যালয়' শব্দটোহে ব্যৱহাৰ কৰোঁ। কিন্তু আজি যিটো বিষয়ে ক'বলৈ ওলাইছোঁ, সেইটো বিষয়ৰ লগত আৱেগিক আৰু আনুভূতিকভাৱে 'কলেজ' শব্দটো ইমানেই একাত্ম যে এই নিবন্ধত মই সেই বিষয়বস্তুৰ উৎস তথা কেন্দ্ৰবিন্দু সেই মহাবিদ্যালয়খনক মহাবিদ্যালয় নুবুলি কলেজহে বুলিম।

যোৱা বছৰৰ নৱেম্বৰ মাহত স্থানীয় তথা প্ৰবাসী এক বুজন সংখ্যক প্ৰাক্তন কটনিয়ানে কটন কলেজৰ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষা গৃহত এক অনুষ্ঠানৰ আয়োজন কৰিছিল। তাত আমি আছিলো নিমন্ত্ৰিতহে। অনুষ্ঠান আৰম্ভ হোৱাৰ আগেয়ে উদ্যোক্তাসকলৰ কেইগৰাকীমানে মোক কৈছিল যে সেই দিনটোত মোৰো অনুভৱৰ বিষয়ে দুআষাৰ ক'বলৈ মোক অনুৰোধ কৰা হ'ব। তাৰে দুগৰাকীমান আছিল মোৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। যথাসময়ত মোক কিবা সুধিলে যিকেইটা কথা ক'ম বুলি ভাবিছিলো তাৰ ভিতৰত, আজিৰ এই নিবন্ধৰ বিষয়বস্তুটোও আছিল অন্যতম। কিন্তু হয়তোবা সিদিনাৰ সেই অনুষ্ঠানৰ আঁত ধৰোঁতা দুগৰাকীৰ সুদৃষ্টি অমুকাৰ ওপৰত নপৰিল অথবা সেই অনুষ্ঠানত বাজহুৱাকৈ কিবা ক'ব পৰাৰ যোগ্যতা থকা লোকজন বুলি তেওঁলোকে অমুকাক বিবেচনা নকৰিলে। অথবা, গান-

বাজনা আৰু কুইজেৰে আনন্দমুখৰ সেই পৰিৱেশৰ মাজত THEY DID NOT WANT A KILLJOY.

আকৌ এটা সুৰুঙা ওলাইছিল। কিন্তু সেই সুৰুঙাইদি নিজেই নোসোমালোঁ। কিন্তু আৰু নহ'ব। এইবাৰ ক'বই লাগিব। কাৰণ, এই বিষ, এই বেদনা, এই বিষাদ, এই যন্ত্ৰণাৰ পৰা অকণমান হলেও সকাহ পাবই লাগিব।

এতিয়ালৈকে অ'ত ত'ত অসংখ্যবাৰ কৈছোঁ। কিন্তু ছপা আখৰৰ মাধ্যমত প্ৰকাশ কৰা নাই। এইবাৰ কৰিবই লাগিব। ক'বই লাগিব। দহোবন কাতি ('কাটি' নহয়) কৰি থৈ কাপ-মৈলাম লোৱাৰ তাগিদাটো হ'ল অলপতে 'আমাৰ অসম'ৰ পাতত প্ৰকাশিত গৌতম প্ৰসাদ বৰুৱাৰ, কটনৰ স্মৃতি ৰোমন্থনমূলক তিনিটা ধাৰাবাহিক লেখাৰ, ৬ মেইত ওলোৱা তৃতীয়টো লেখাৰ শেষৰ ফালে থকা বুকুখন শাল মাৰি ধৰা, শেলে বিন্ধাদি বিন্ধা সেই প্ৰশ্নটো।

ৰ'ব, থাউকতে আন এটা কথা কৈ লওঁ। নিবন্ধত অসমীয়াত লিখা ইঁৰাজী শব্দৰ বানান সমূহ, ইতিমধ্যে বহু বছৰ ধৰি পৰম্পৰাগত বানানসমূহত অভ্যস্ত অসংখ্যজনৰে আচহুৱা আচহুৱা লাগিব। কিন্তু ইংৰাজী শব্দসমূহৰ উচ্চাৰণৰ দিশৰ পৰা এই 'আচহুৱা' বানানসমূহহে (যথাসম্ভৱ) শুদ্ধ। বুজোঁতাসকলে বুজিব। বাকীসকলৰ বাবে ঢেৰুৱাঠাৰি নিসিজাওঁ।

আঃ, কিয় ভাঙি দিয়া হ'ল, ব্ৰিটিশৰ দিনত চীনা কাৰিকৰে নিৰ্মাণ কৰা, কটনৰ সেই অতুলনীয়, পাহাৰ সদৃশ, সুউচ্চ, 'ব্যক্তিত্বপূৰ্ণ প্ৰধান ঘৰটো? কোন উৰ্বৰ মস্তিস্কৰ উদ্ভাৱনাৰ ফলস্বৰূপে, কটনৰ অনন্ত প্ৰেমত আপ্লুত হাজাৰ-বিজাৰ কটনিয়ানৰ বুকুত শ শ হাতুৰী, বতালি, চিপৰাং আৰু কুঠাৰৰ প্ৰচণ্ড আঘাত হানি, প্ৰকাণ্ড শিকলিৰে টানি-আঁজুৰি, শক, হুন, গথ, ভেণ্ডেল, আহমদ শাহ আব্‌দালি আৰু কালাপাহাৰৰ দৰে, ভূ-লুণ্ঠিত কৰি ধ্বংসস্তুপত পৰিণত কৰা হ'ল, সমগ্ৰ কলেজখনৰে প্ৰতীক স্বৰূপ সেই এড্‌মিনিস্ট্ৰেটিভ বিল্ডিং (প্ৰশাসনীয় ভৱন)টো? সেইটো ঘৰ যিসকলে দেখিছিল, সেইটো ঘৰ থকাৰ কালত যিসকলে কটনত পঢ়িছিল, চাকৰি কৰিছিল (বা এতিয়াও কৰি আছে), সেইসকলে কেনেকৈ পাহৰিব, এটা দুমহলীয়া ঘৰতকৈও ওখ সেই বিৰল ঘৰটো? যিসকলে কটনৰ সেই আসাম টাইপ তথা ইংলিশ্‌ টাইপৰ পুৰণা প্ৰশাসনীয় ভৱনটো কোনোদিনে দেখা নাছিল, সেইসকলে কেনেকৈ বুজিব, কি বুজিব তাৰ এৰাব নোৱৰা মোহ? যিসকলে দেখিছিল, যিসকল আছিল তাৰ অনন্ত, অক্ষয় প্ৰেম ভাণ্ডাৰৰ ভাগ্যৱান অংশীদাৰ, সেইসকলে কেনেকৈ মচি পেলাব সেই প্ৰেমৰ টুকুৰা-টুকুৰ মধুৰ স্মৃতি, যি আজি ৰূপান্তৰিত হ'ল, বয়সে বুঢ়া কৰিব নোৱৰা হাজাৰ হাজাৰ চিৰ নতুন মনৰ গহন কোণত একো একোটা, বুকু ভঙা গভীৰ হুমুনিয়াহ? কিহে পূৰ্ণ কৰিব, বহুৰঙী, মৌ-মিঠা স্মৃতিৰ বিশাল মানসপটত বিৰাজ কৰা এই বিশাল, ভয়াৱহ শূন্যতা? আঃ কি যে দিন আছিল সেইবোৰ! মাটিৰ পৰা চাৰিফুট ওখ, ইটাগুড়িয়া ৰং দিয়া ইটাৰ ভেটিৰ ওপৰৰ সেই বিয়াগোম ঘৰটোৰ মাজতে অৱস্থিত, অধ্যক্ষৰ প্ৰশস্ত কাৰ্য্যালয়ত গহীন, গম্ভীৰ, স্থিতপ্ৰজ্ঞ হৈ বহি থকা, ঋষিতুল্য দয়ালু প্ৰিন্সিপল্‌ ('প্ৰিঞ্চিপাল'- PRINCHIPAL নহয়) হৰিশ গোস্বামী, উপাধ্যক্ষৰ কোঠাত সুদৰ্শনা কমলা ৰয়, ওচৰতে দক্ষিণত বৰবাবুৰ কাৰ্য্যালয় কক্ষৰ প্ৰকাণ্ড মেজৰ পিচফালে সুদক্ষ, কৰ্মপটু, বাকপটু বৰবাবু উজিৰ আহমেদ, উত্তৰা-দক্ষিণাকৈ থকা দুটা সমূহীয়া জিৰণি কোঠাত আৰু জাৰকালি পিচফালৰ (দক্ষিণৰ) বাৰান্দাত বহি মিঠা ৰ'দ লৈ চাহৰ পিয়লাত চুমুক দি কেতিয়াবা গুৰু-গম্ভীৰ, কেতিয়াবা ৰসাল, খুহুতীয়া আলোচনাত ব্যস্ত ৰজনীকান্ত দেৱশৰ্মা, ৰজনীকান্ত চক্ৰবৰ্তী, শিব ঘোষ, বাপুকৃষ্ণ চৌধুৰী,

বিনন্দি বৰ্মন, আশ্রফুৰ ৰহমান, মহেন্দ্ৰ শালৈ, ডিম্বেশ্বৰ শৰ্মা, চন্দ্ৰ কলিতা, ৰায়হান শাহ, তাৰিণী ভট্ট, আনন্দেশ্বৰ শৰ্মা, নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, কমলেশ্বৰ শৰ্মা, উপেন শৰ্মা, বসন্ত বৰুৱা, ধীৰেন বেজবৰুৱা, দেৱানন্দ কোঁৱৰ, যতীন নাথ, অতুল হাজৰিকা, বিনয় চৌধুৰী, উপেন গোস্বামী, আশ্রফ আলী, ইক্ৰামুদ্দিন শইকীয়া, নগেন শৰ্মা, মজহৰ ইচলাম, অৰুণ বৰুৱা, নগেন আচাৰ্য্য, আব্দুল জেলিল, বংশী দাস (জেষ্ঠ), বীৰেন বৰুৱা, হৰিদেৱ গোস্বামী, জ্যোতিধৰ ৰাজখোৱা, মহেশ ভূঞা, হেমন্ত ভট্ট, লক্ষহীৰা দাস, প্ৰিয়লাল পাঠক, কালীনাথ শৰ্মা, দেৱী মহন্ত, উমেশ মেধি, জ্যোৎস্না ভট্ট, সহজানন্দ ভঁৰালী, ৰেণু বৰদলৈ নগেন গোস্বামী, বংশী দাস (কনিষ্ঠ), ননী কলিতা, হৰেকৃষ্ণ গায়ন, তীৰ্থ বৰকটকী আৰু বহুজনৰ কথা কেনেকৈ পাহৰিম? কেনেকৈ দলিয়াই পেলাম, সেইসকলে সৰ্বদা প্ৰাণচঞ্চল কৰি ৰখা কটনৰ সেই এড্‌মিনিস্তেটিভ্ বিল্ডিংটৈৰ স্মৃতি? কেনেকৈ পাহৰিম, ৰঙা চোলাটো পিন্ধি ৰঙা দাঁতকেইটা উলিয়াই হাঁহি হাঁহি টুলখনত বহি থকা, বে'ল্ (ঘণ্টা) বজোৱা দুখুক?

কেনেকৈ পাহৰিম, সমগ্ৰ ভাৰতৰ ভিতৰে-বাহিৰে সিঁচৰতি হৈ থকা হাজাৰ-বিজাৰ প্ৰাক্তন কটনিয়ানৰ স্মৃতিপটত ঈস্ত্ (EAST— 'ইষ্ট' নহয়) আৰু ৱে'স্ত্ (WEST— 'ওৱেষ্ট' নহয়) ৰূপে আজিও সজীৱ হৈ থকা, তাহানি অধ্যক্ষৰ কাৰ্য্যালয় আৰু শিক্ষকৰ কমন ৰূমৰ পূবে আৰু পশ্চিমে দুটা অতন্দ্ৰ প্ৰহৰীৰ দৰে থিয় দি থকা সেই সুবৃহৎ শ্ৰেণীকক্ষ দুটাৰ কথা? কেনেকৈ মচি পেলাম, আবেলি তলা মাৰিবৰ বাবে বিষ্ণু সাহ্নীহঁতে মেজ বা ডে'স্কৰ ওপৰত উঠি নল'লে ওপৰৰ চিটিকানিবোৰ ঢুকি পাব নোৱৰাকৈ ওখ, দুৱাৰ আৰু খিৰিকীৰে ভৰপূৰ, সেই ঈস্ত্ আৰু ৱে'স্ত্-অৰ স্মৃতি য'ত এদিন শাৰী শাৰী বে'ঞ্চ ('বেঞ্চ'- BANCH? নহয়)-অৰ মাজৰে কোনোবাখনত বহি ছাৰ, বাইদেউহঁতৰ বক্তৃতা শুনি শিক্ষা লাভ কৰিছিলোঁ আৰু বছৰদিয়েকৰ পিছত এদিন নিজেই 'ছাৰ' হৈ আহি সেই ঈস্ত্ আৰু ৱেস্ত্-অত সোমাই প্লেট্‌ফৰ্ম-অৰ ওপৰৰ চকীত বহি ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাজিৰা লৈ উঠি প্লেট্‌ফৰ্ম্-অৰ ইমূৰৰ পৰা সিমূৰলৈ অহা-যোৱা কৰি কৰি বক্তৃতা দি শিক্ষা 'দান' কৰি পাতনি মেলিছিলোঁ জীৱনৰ অন্য এক অধ্যায়ৰ? আৰু এদিন,— এঃ থাওক সেই কথা। নহয়, নহয়, কওঁ। কাৰণ, ইতিমধ্যে অসংখ্যজনে জানেই সেই কথা। আৰু, আজি মোৰ চাকৰি জীৱনৰ বিয়লি বেলিকা, আৰু কটনৰ শতবাৰ্ষিকী মহোৎসৱৰ আগমুহূৰ্ত্তত, আজি যেতিয়া আমি হাজাৰজন নহয়, লাখজন, একেডাল ডোলেৰে বন্ধা সেই একেই কটনিয়ান, কওঁ সেই কথা। এদিন সেই এড্‌মিনিস্ত্ৰেটিভ্ বিল্ডিঙৰ পশ্চিমৰ ৱে'স্ত্ শ্ৰেণী কক্ষতে প্ৰথম দেখা পাইছিলোঁ মোৰ আজিৰ জীৱন-লগৰীক। কেনেকৈ পাহৰিম সেইটো এড্‌মিনিস্ত্ৰেটিভ্ বিল্ডিঙৰ কথা? এইটো বাৰু একান্ত ব্যক্তিগত কথা। অসংখ্যজনৰে জীৱন গাঁথা আৰু মণিকুটতো সমিঞ্চত হৈ আছে সুবিশাল কটন কলেজৰ কোনোবা নহয় কোনোবাখিনিত বিজড়িত হৈ থকা এনে মধুৰ স্মৃতিৰ অসংখ্য টুকুৰা। কিন্তু কটন মাথোন মোৰ বা আন কাৰোবাৰ ব্যক্তিগত স্মৃতিৰ বাখৰ আৰু পোৱালমণি খটোৱা এপতা দুগদুগী নহয়। ই এক জাতীয় ঐতিহ্যৰ নিৰবধি বাহক, জাতিৰ ইতিহাস শিলত কাটি লিপিবদ্ধ কৰা শিলাকুটী, এক নিপুণ খনিকৰ।

সেয়ে, কেনেকৈ পাহৰিম, সেইখন কটন কলেজৰ সেইটো অবিস্মৰণীয় এড্‌মিনিস্ত্ৰেটিভ্ বিল্ডিঙৰ ৱে'স্ত্ ৰূমৰ গাতে লাগি থকা সৰু, বক্স্ টাইপ্ ৰূম্ (বাকচৰ লেখীয়া কোঠা)টো, য'ত, কাষৰ তাল আৰু নাৰিকল গছকেইজোপাৰ পাতৰ ছাঁ মুখত লৈ কেতিয়াবা কেতিয়াবা ৰায়হান শাহ ছাৰে আমাৰ ইংলিশ অনাৰ্য্-অৰ দুই-একোটা স্পে'শ্যল্ ক্লাস্ লৈ, বুজি নোপোৱাকৈ থকা গেঁঠেলা কথাবোৰ পিটিকি কোমল কৰি দিছিল? মুখত এমোকোৰা তামোলেৰে সৈতে, শ্ৰেণী কক্ষৰ বাহিৰত, 'হেৰা, দেৰেন, শুনাচোন'

বুলি কান্ধত হাত থৈ মতা সেই মৰমৰ মাতষাৰ, আঃ! কেনেকৈ পাহৰিম, এড্‌মিনিষ্ট্ৰেটিভ বিল্ডিং আৰু ষ্টেটিস্‌টিক্‌স্ বিল্ডিং (পৰিসংখ্যা বিজ্ঞান ভৱন— 'ষ্টেটিষ্টিকচ বিল্ডিং' নহয়)-অৰ মাজৰ সেই বিশাল টে'নিস্ ক(ৰ)ট্/কৰ্ট্ (COURT-'কৰ্ট'নহয়)খন? সেই যে সদায় চাহ, চিঙ্গাৰা, জেলেপী, অম্‌লে'ট্ খাইছিলোঁ, কাবেদি যে সদায় অহা-যোৱা কৰিছিলোঁ,— কেনেকৈ পাহৰিম, এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিং আৰু থ্যাৰ্ড মে'স্ (তৃতীয় ছাত্ৰাবাস— এতিয়া আনন্দৰাম বৰুৱা ছাত্ৰাবাস)-অৰ মাজত থকা আৰু আমিবোৰৰ বাবে মৰিও অমৰ হৈ থকা, কটনৰ যৌৱন-চাঞ্চল্যৰ প্ৰতীক স্বৰূপ সেই কেণ্টীন্ ('কেন্টিন' নহয়) খন? নাম যাৰ কটন্ কলিজ্ কেণ্টীন্! যিখন কেণ্টীনৰ টিণৰ চকীত ওভোতাই বহি টিণৰ মেজত তবলা বজাই চিঞৰ-বাখৰ কৰি পিয়লা, পিৰিচ আৰু চামুচেৰে সঙ্গীতৰ লহৰ তুলি আখৰা আৰম্ভ কৰিয়েই প্ৰায় প্ৰতি বছৰেই কলিজ্ বীক্ (মহাবিদ্যালয় সপ্তাহ)-অৰ সঙ্গীত প্ৰতিযোগিতাত শ্ৰেষ্ঠ সমৱেত গীত দল (BEST CHORAL SONG GROUP) ৰ পুৰস্কাৰ আঁজুৰি আনিছিল, 'কটন্ কলিজ্ কেণ্টীন্ পাৰ্টী'য়ে? আজি সেই বামো নাই, অযোধ্যাও নাই। সেই এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিং, সেই টে'নিস্ ক(ৰ)ট্, সেই কটন্ কলিজ্ কেণ্টীন্, কেণ্টীনৰ এমূৰে থকা, কাগজ, কলম, চিয়াঁহীৰ সেই সমবায় ভাণ্ডাৰখন, একোৱেই আজি চিন্-চাব্ নাই। ভাঙি-ছিঙি ধূলিসাৎ কৰি দিয়া হ'ল সকলোবোৰ।

থাওক সেইবোৰ। এতিয়া কওঁ— শুনিলে লাজত তলমূৰ কৰিব লগীয়া সেই কলঙ্কিত জাতীয় কাহিনী। তেতিয়া ১৯৭৫-৭৬ চন। কটন কলেজত বৰ্ধিত সংখ্যক শ্ৰেণী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণীকক্ষৰ নাটনি হৈছে। এতেকে নতুন ভৱন নিৰ্মাণ কৰা হ'ব। ভাল কথা। ঠাইৰ নাটনিৰতো প্ৰশ্নই নুঠে। পাণবজাৰৰ পৰা দীঘলীপুখুৰীলৈকে বিয়পি থকা কটন কলেজৰ বিভিন্ন চৌহদৰ ভিতৰত পৰ্যাপ্ত মাটি অব্যৱহৃত হৈ চন পৰি, এনেয়ে আছে। প্ৰয়োজন হ'লে, আধুনিক স্থাপত্যবিদ্যা অনুসাৰে, বিজ্ঞানসম্মতভাবে ঘৰ-দুৱাৰ সাজিলে সম্ভৱতঃ দুখন বিশ্ববিদ্যালয়েই নিৰ্মাণ কৰিব পৰা হ'ব। লাগে মাথোন দূৰদৃষ্টি, বাস্তৱসম্মত কল্পনাশক্তি আৰু ভৱিষ্যদৰ্শন, যথোচিত ৰাজনৈতিক মনোবল তথা প্ৰশাসনীয় দৃঢ়তা আৰু উপযুক্ত পৰিকল্পনা। গতিকে নতুন ভৱন নিৰ্মাণৰ কথা শুনি, মোল অনা নহ'লেও কেইঅনামানৰ কিবা-কিবি হ'ব বুলি স্বাভাৱিকতে উৎফুল্লিত হ'লো। কিন্তু যেতিয়া খুনুক-ঘানাককৈ শুনিবলৈ পালোঁ যে 'শিক্ষাদান'ৰ বাবে নতুন ঘৰ নিৰ্মাণৰ স্থান আন একো নহয়, এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিংটো অৱস্থিত ঠাইডোখৰেই, তেতিয়া বুকুখন কঁপি উঠিল। এইটো আকৌ কেনে ধৰণৰ কথা! এইটো ঘৰনো কোনোবাই ভাঙি পেলায়নে? কটন কলেজতনো মাটিৰ ইমান অভাৱ হ'লনে? য'তে যেনেকৈয়ে পাৰি, প্ৰতিবাদ কৰি এই আসন্ন বৰ্বৰ দুষ্কাৰ্য আৰু ধ্বংসলীলাটো প্ৰতিহত কৰিবৰ বাবে একেলগে হোৱা যাওক বুলি আৰু-তাৰু কেইজনক টুকুৰিয়াই চালোঁ। কিন্তু দুই-এজনৰ কিছু কুহমীয়া সঁহাৰিৰ বাহিৰে কাৰো কোনো বিশেষ প্ৰতিক্ৰিয়া দেখা নাপালোঁ। সমূহীয়াকৈ প্ৰতিবাদ কৰিবলৈ তেতিয়া মোৰ বা সেইকেইজনৰ কোনো সাংগঠনিক স্থিতি নাছিল। কলেজৰ তদানীন্তন শিক্ষক সংগঠন সেই বিষয়ত নিৰ্বিকাৰ, ভজহৰি, থম থম মদন-গোপাল। হাবাথুৰি খাই, যাকে যেনেকৈয়ে পাৰি, তাকে তেনেকৈয়ে কৈ চালোঁ। কলেজৰ স্থানীয় তথা নিম্ন প্ৰশাসনীয় পৰ্যায়ৰ পৰাই যথোচিত কাৰণ দৰ্শাই এতিয়াও কিবা এটা কৰা যাওক বুলি অধ্যক্ষকো কাবৌ-কোকালি কৰিলোঁ। একো লাভ নহ'ল। অধ্যক্ষ য়দভৱিষ্য, অনাগতবিধাতা। দুদিনমান শিলত মূৰ খুন্দিওৱাৰ দৰে অ'ত ত'ত খুন্দিয়াই ফুৰিলোঁ। খুন্দাবোৰ, ঠেকা খাই নিজলৈকে উভতি আহিল। চৰকাৰ আৰু ৰাজবিষয়া, ইঞ্জিনীয়াৰ

ভাৱলেশশূন্য, উদাস, নিৰুদ্বেগ, দৃষ্টিৰ স্ফিংক্স্। ইফালে দেশত বিৰাজমান জৰুৰীকালীন অৱস্থা। 'অনাহক' প্ৰতিবাদ কৰি জেঙা লগাই বিপদ চপাই লয় কোনে? 'শিক্ষাৱিদ' অনেকজনৰে মন-প্ৰাণ সমস্ত তেতিয়া বিজ্ঞান, প্ৰযুক্তিবিদ্যা, 'প্ৰগতি'ৰ মন্ত্ৰৰে উদ্বেলিত, আচ্ছন্ন। সত্তা, 'আধুনিকতা'ৰ দুৰন্ত গতিত ধাৱিত। কোনে শুনে, মুষ্টিমেয় দুই-এজনৰ অৰণ্য ৰোদন? গতিকে হাতুৰী, বতালি, শিকলি, লোহা-লক্কৰ লৈ ভাঙি দিয়া হ'ল হাজাৰজনৰ হিয়াৰ আমঠু, কটন কলিজ্ এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিং।।

কিন্তু এইখন ভাৰতৰে কলকাতা, মুম্বাই আৰু বহুতো চহৰতো অসংখ্য ঐতিহ্যপূৰ্ণ পুৰণা ঘৰ সংৰক্ষণ কৰা হৈছে। ভাগি-ছিগি উবলি যাব ধৰা অসংখ্য ঘৰো, ভিতৰে ভিতৰে নতুনকৈ নিৰ্মাণ কৰি আগৰ দৰেই ৰখা হৈছে! ভাৰতৰ বাহিৰত, বিশেষতঃ ইংলেণ্ডতো কোনো কথাই নাই, জাতীয় ঐতিহ্য আৰু পৰম্পৰাৰ বাহক, লেশ-জোখ নোহোৱা শ শ বছৰীয়া পুৰণা ঘৰ একেদৰেই ৰাখি পুনৰ নিৰ্মাণ কৰা হৈছে। আৰু মাথোন যাদুঘৰ হিচাপে নহয়, ব্যৱহাৰোপযোগীভাবে, কৰ্মচঞ্চল ৰূপত। তেনেহ'লে কি, আমি খাৰখোৱাইঁত, বিজ্ঞান, প্ৰযুক্তবিদ্যা আৰু কিবাকানি, বগাৰা-বগাৰাত ইংৰাজসকলতকৈও আগৰণুৱা হ'লোঁহকনে? 'আধুনিকতা' আৰু 'প্ৰগতি'ৰ দৌৰত ইমানদূৰ পালোঁগৈইকনে?

আৰু, সমগ্ৰ অসমত নজিৰবিহীন, কটন কলেজৰ সেই সুদৰ্শন ভৱনটো, ভাঙি পেলাবলগীয়াকৈ ভগ্নাৱস্থাপ্ৰাপ্তওতো হোৱা নাছিল। সেইটোতো আমাৰ অভিযন্তা আৰু ঠিকাদাৰসকলে 'নিৰ্মাণ' কৰা 'পকী' দলং অথবা মাটি, কলগছ আৰু বালিৰ বস্তাৰে দিয়া বান্ধ বা তৈয়াৰী কৰা মথাউৰি নাছিল। তেনেহ'লে, কিয় ইমান লৰা-ঢপৰা লাগিছিল সেইটো ভূ-লুণ্ঠিত কৰিবলৈ? নিয়মিত মেৰামতি কৰি থকা হ'লও, আৰু এশটা বছৰলৈকে একো হৰণ-ভগন নহ'লহেঁতেন সেইটো ঘৰৰ। তেনেহ'লে কিয় হত্যা কৰা হ'ল তাক? ক'লৈ গ'ল, তিনিশ বছৰেও একো নহ'বলীয়া সেই টিংপাতবোৰ? ক'লৈ গ'ল বৃহৎ বৃহৎ কাঠৰ খুঁটাৰ মাজত থকা লোহাৰ ছিৰিখুঁটাবোৰ? ওপৰলৈ চালে ডিঙি বিষোৱাকৈ ওখ চিলিঙৰ পৰা ৬/৭ ফুট দীঘল লোহাৰ মাৰিত ওলমি থকা, ধীৰ গতিৰে চলি থাকিলেও শাওণ-ভাদ মহীয়া গেলা গৰমতো গা জুৰ পেলাই দিয়া সেই ডাঠ ডাঠ, গধুৰ গধুৰ বিজুলী বিচনীবোৰ ক'লৈ গ'ল? সেই কথা, সেই হিচাপ নাজানে কোনেও। এইখন মুলুকত ৰাজহুৱা কথাৰ ৰাজহুৱা স্বচ্ছতা বোলা কোনো বস্তু নাই। খায় নে কাণত বিন্ধে, 'উচ্চ শিক্ষিত'জনে নাজানে একোটো। প্ৰশ্ন নুঠে ক'তো। বিধানসভা এখনো আছে এই মুলুকত।

কাক ক'ম, কোনে পতিয়াব? ইয়াৰ পাচত বা কি! লোকজনে 'কেমিষ্ট্ৰী' আৰু 'কেমেষ্টি' বোলা কে'মিস্ত্ৰী ডিপা(ৰ্)মে'ণ্ট/ডিপাৰ্টমেণ্ট (ৰসায়নবিদ্যা বিভাগ)-অৰ পুৰণা ঘৰ দুটাহে ৰৈছেগৈ অৱশিষ্ট। সেই দুটাকে সংৰক্ষণৰ কথা ক'লেও লোকজন জাঙুৰ খাই উঠে, বোলে— "ঐতিজ্জ তৈতিজ্জ নালাগে আমাক। কাহানিবা ঘৰ দুটা আমাৰ মূৰৰ ওপৰতে ভাঙি (ভাগি) পৰিলে কি হ'ব?" হেন জানি, এতিয়া চৰকাৰ বাহাদুৰেহে জানে, কি কৰে! হয়তো, নহয়, খুব সম্ভৱ, বৰ্তমান মাণিক চন্দ্ৰ বৰুৱা প্ৰশাসনীয় ভৱনটোৰ দৰেই আৰু দুটামান 'আধুনিক' বাকচ নিৰ্মাণ কৰাৰ দায়িত্ব দিয়া হ'ব আমাৰ গড়কাপ্টানী বিভাগক। জুইশলা বাহ আৰু ৰেইলগাড়ীৰ দবাৰ দৰে গৃহ নিৰ্মাণৰ বাবে প্ৰখ্যাত আৰু কীৰ্তিমান, আমাসবৰ গড়কাপ্টানী বিভাগক এই ক্ষেত্ৰত বলে পাৰে কোনে? দিল্লী, কলকাতা আদিত থকা, 'অসম ভৱন' নামৰ বিৰাট বিৰাট বাকচকেইটাই নিৰন্তৰ উৰুৱাব লাগিছে সেই কীৰ্তি আৰু গৰিমাৰ বিজয়ধ্বজা।

এনে এক সুদীৰ্ঘ সামগ্ৰিক বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশত, আজিৰ পৰা ২৫/২৬ বছৰৰ আগেয়ে কটনৰ সেই পুৰণা প্ৰশাসনীয় ভৱনটোৰ ধূলিসাৎকৰণেই আছিল অনিবাৰ্য। এতেকে, বাস্তৱতো সিয়েই ঘটিল। অনুভূতিপ্ৰৱণ বহুজনৰ বুকুত শুৰিয়াই, ভুকুৱাই ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া হ'ল অসংখ্য প্ৰপঞ্চ আৰু পৰিৱৰ্তনৰ সাক্ষী কটন্ কলিজ্ এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিং। তাৰ ঠাইত 'নিৰ্মাণ' কৰা হ'ল, ৰেইলগাড়ীৰ কিছুমান দবাৰ এক সমষ্টি। আজি সেই গৰিমামণ্ডিত এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিংটোৰ 'স্মৃতিচিহ্ন' ৰূপে 'সংৰক্ষণ' কৰি সজাই থোৱা হৈছে, অধ্যক্ষৰ কাৰ্য্যালয় কক্ষত এটা চিচাৰ বাকচৰ মাজত তাৰ এক ক্ষুদ্ৰ প্ৰতিৰূপ (REPLICA), যি পুতলা প্ৰতিৰূপে ক্ষণে ক্ষণে বিদ্ৰূপ কৰিছে, উপহাস কৰিছে, তাৰে পিতৃস্বৰূপ, কটন্ কলিজ্ এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিংটোক! সকলো শেষ হৈ গ'ল। ভৱিষ্যতৰ অৰ্থপূৰ্ণ, প্ৰগতিশীল পদক্ষেপৰ বাবে যে অতীতৰ গৌৰৱোজ্জ্বল ভেটিত এক দৃঢ়, খোপনিৰ প্ৰয়োজন, সেই কথা কিমানক ক'ম, কেইজনে পতিয়াব? সেয়ে, শত সহস্ৰজনৰ শত সহস্ৰ স্মৃতি বিজড়িত সেই কটন্ কলিজ্ এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিং-ৰ কথা সুঁৱৰি আজি মাথোন এক গভীৰ হুমুনিয়াহ পেলাওঁ। বুকু ভেদি নিগৰি আহে সেই দীঘল হুমুনিয়াহ— 'ভাগি গ'ল বাণখনি, ছিগি গ'ল তাঁৰ, থৈ গ'ল মাথোঁ এক অমিয়া জোকাৰ'।

('আমাৰ অসম'ৰ সৌজন্যত)

নীলমণি ফুকন
কবিতা

কাণিমুণি বেলিকা ল'ৰা-ছোৱালীহঁতক
উদ্যানখনত বহি থকা দেখিছোঁ
ইটোৱে সিটোৰ মুখলৈ মুখ সুমুৱাই দি
হাঁহিছে
মৰা মানুহবোৰেও হাঁহিছে সিহঁতৰ লগত
অলৌকিক পাতি-সোন্দা গছ জোপাৰ গালৈ
সিহঁত সোমাই গৈছে
মোৰ চকুৰ পতাৰ তলেদি ওলাই আহিছে
কি আছে সিহঁতৰ বিজলুৱা জিভাত
গলি থকা সোণ নে তাম

ক'ৰবাৰপৰা এজাক নল মৌ আহি
মোক খেদিছে
বাটৰুৱাবোৰক খেদিছে এটা কাম-বৰণীয়া
পোহৰে
ল'ৰা-ছোৱালীহালৰ কপালত বিৰিঙি উঠা
বনৰীয়া গোন্ধটো
মোৰ গোটেই জীৱনেৰে শুঙিছোঁ
আঙিনাৰ দৰে উশাহবোৰ আহি
মোৰ আনন্দময় কোষত লাগিছে
সিহঁতৰ আঙুলিত কৰাল মাৰি লাগি থকা
মোৰ তেজবোৰ
সিহঁতৰ চকুৰ পানীৰে ধুইছে
এই ল'ৰা-ছোৱালীহালৰ ওঁঠৰ মাজতে আছে
পৃথিৱীৰ নৈ নিজৰাবোৰৰ উৎস
দূৰৈৰ পাহাৰটোৰ হেলনীয়াৰে এই মাত্ৰ
বুৰ যোৱা বেলিটো যেন আকৌ ওলাই আহিব
বেলিবোৰৰ মাজৰপৰা এটা হালধীয়া বেলি
এতিয়া ঘোৰ বেদনাৰ আনন্দ-পদত
নিশাৰ চৰাইবোৰে বৈ বৈ
চিয়ঁৰি চিয়ঁৰি তৰাবোৰক মাতিছে

শ্বামীম আখটাৰ

মোৰ প্ৰিয়তম শব্দ

যেতিয়াই বুকুখনত হাত থওঁ
যেতিয়াই নিসঙ্গতাৰ সতে কথা পাতো
যেতিয়াই জোনাকত অৱগাহন কৰো
তেতিয়াই কেৱল এটা শব্দই
বুকুখনত মোচৰ মাৰে
কাণত গুণগুণায়
বতাহত ভাঁহি আহে
মোৰ প্ৰিয়তম শব্দ 'কটন কলেজ'

কটন কলেজ মোৰ যৌৱনৰ
মোৰ প্ৰাণৰ
মই এৰি অহা কেইটামান বসন্তৰ
সেউজীয়া সপোন

ক'ত থ'ম সেই শব্দ
বুকুৰ মাজত নে আঁচলৰ গাঁঠিত
ডেকাহঁতৰ কিৰিলিৰ মাজত নে
গাভৰুজাকৰ উত্তাল হাঁহিত
পয়োভৰা বসন্তৰ ফুলবোৰত নে
হেমন্তৰ দীৰ্ঘতম চোতালত
ৰিণিকি ৰিণিকি বজা বাঁহীৰ মাতত নে
ধাৰাসাৰ বৰষুণত

ক'ত থম সেই শব্দ, ক'ত ল'ম
কাৰোবাক দিম নে সযতনে থ'ম
মোৰ সেই প্ৰিয়তম শব্দ
কটন কলেজ
মোৰ ধমনীত বৈ থকা
কটন কলেজ ❑

SOWARANEE

Cottonians' Hundred Years

REMINISCENCE VOLUME

Cottonians' Reminiscence Day

CELEBRATION COMMITTEE, GUWAHATI

CONTRIBUTORS OF SOWARANEE

Cottonians' Hundred years

Reminiscence Volume

F. W. Sudmersen • 1
Umakanta Gohain • 6
David Thomson • 12
R. C. Goffin • 15
Digendra Chandra Datta • 18
Dimbeswar Neog • 23
Hem Barua • 27
Satis Ch. Kakati • 32
Pulin Das • 38
Ahmeda Rasul • 43
Ajit Barua • 47
Jatin Hazarika • 52
Mihir Kumar Barua • 56
Lakshahira Das • 62
Devananda Konwar • 65
Hiralal Duorah • 69
Dilip Kumar Datta • 73
Harendra Nath Das • 78
Jitendra Nath Sarma • 83
Basistha Dev Phukan • 87
Ajit Kumar Tamuli • 93
Karuna Kanta Das • 97
Utpal Barua • 99
Dilip Kumar Choudhury • 102
Parveen R. Akhtar • 105
Sanjib Baruah • 110
Rousanara Begum • 117
Indrani Raimedhi • 119

Sir Henry John Stedman Cotton

Frederick William Sudmersen



Manik Chandra Barua

Jagannath Barua



Netaji Subhash Chandra Bose in Cotton College

Frontier Gandhi Khan Abdul Gaffar Khan and Bimala Prasad Chaliha, Chief Minister, Assam in Cotton College

Kabiguru Rabindra Nath Tagore with Teachers and Students at Cotton College

Prime Minister Indira Gandhi at Cotton College

Ramnath Das, Bishnuram Medhi, Maheswar Neog and other Cottonians

"Pragati Sangha" a Socio-Cultural society—1939

Standing (L) : *1. Amiya Sarmah, 2. Bhola Hazarika, 3. Prafulla Dutta Goswami, 4. Chakreswar Dutta, 5. Sarat Baruah, 6. Naranarayan Goswami, 7. Suren Choudhury, 8. Nabin Goswami, 9. Upen Saikia*

Middle (L) : *1. Bhabananda Dutta, 2. Mohesh Chandra Deva Goswami, 3. Roghunath Choudhury, 4. Atul Baruah, 5. Praval Baruah*

Sitting (L) : *1. Ramesh Sarmah, 2. Dulal Borpuzari, 3. Syed Abdul Malik, 4. Son of Umesh Choudhury, 5. Harinath Sarmah.*

Cotton College Cricket Team—1938-39
Sitting : (From left) Amrit Talukdar, Nabin Sarma, B. C. Sengupta (Principal) Srinath Chakraborty (Vice Principal) Atul Ch. Datta (Prof in charge) Pulin Das (Captain)and other Cricketers

Executive body, C C U S (Principal Hiranya Bhuyan sitting 4th form left)

COTTON COLLEGE!

The very name conjures up a glorious picture of enviable achievements in the field of education. This premier institute added another feather to its cap by completing a most illustrious 100 years on the 27th of May 2001.

Fond reminiscence is sure to inhabit the mind of every Cottonian as the Centenary Celebrations unfold. The ex-Cottonians Reminiscenee Day held on the 12th of November 2000, which was attended by more than a thousand ex-Cottonians including a person aged a hundred and three years, stand ample proof of this It was here that I was entrusted with the great responsibility of initiating and editing a magazine of ex-Cottoians. What certainly was a matter of great honour was also a cause of perplexity, as I had to decide on which articles to choose and which to reject because the paucity of funds made it impossible to bring out a larger edition. I, therefore, could not do full justice to the literary contributions of a large number of Cottonians but I am sure that they will understand my predicament.

It has been my most sincere endeavour to include pictures of the bygone days of the College- the old classrooms, the New Arts building, the Western & Eastern Blocks of Administrative building, the Union hall, the Sudmersen hall etc, as well as the golden memories of unforgettable dignitaries like P.C.Roy, Harsha Sen, Krishna Kanta Handique, Banikanta Kakoti, Chandra Nath Kalita, Goffin Sir, Kamala Roy, Atul Dutta, Basanta Baruah et al. Every Cottonian shall surely recollect the smell of Hydrogen Sulphide from the Chemistry building, the tasty concoctions of Madhu Chanachurwala, the amusing sight of Debi Da riding 'half-pedal' on his bicycle; the College Studio, Ruby Art; horde of students hurrying from the Physics to the Botany buildings, the bustle in the college canteen, the shortcuts through hostels, the delicacies of the Mahamaya and the Kalyani, Dairy, Saraswati Puja celebrations, College elections, the dwarf Dukhu Chowkidar in red shirt ringing the bell.......the list is endless!

The articles in this magazine are intended to reflect the various phases in the college's history- the conditions during the pre-independence era, the situation during the World Wars and the changes following the declaration of independence. What becomes clear is that,

irrespective of the sociological conditions, Cotton College has always stuck to its job of producing scholars of whom the country can be proud.

Times have changed. Today with the advent of the satellite age, education has taken newer forms. A hundred years have been completed but the goal is yet to be reached. It now becomes the duty of every Cottonian to further the glorious attainments of the college by reaching newer heights in the field of educational achievements. For,

"What the Cottonians think today, Assam thinks tomorrow"

Let us work together to make Cotton College live up to its glory of the past with unparalleled achievements in the future.

LONG LIVE COTTON COLLEGE! LONG LIVE ASSAM!

F. W. Sudmersen

Foreword by the Principal

The Cotton College has come of age this year- it is 21 years old. It was born in May 1901- the 28th day I think. I well remember its birth-day. I had landed from the steamer after a three days' journey from Goalundo full of wonder, hope and doubt as to what this strange new world was likely to prove. My landing place was the Northbrook Ghat- in those days the regular landing place for steamer passengers. It was one of those hot steamy days that one has good cause to associate with Gauhati and I felt far from happy at my exchanging the drier climate of Upper India for the moister climate of Assam. The usual ramshackle ghari rumbled me along to the Dak Bungalow with such of my belongings as had accompanied me. Arriving there I learnt from the casual inhabitants that that day was a gala day- a red letter day in local annals. Enquiring further I learnt that the chief Commissioner was in the town and was opening the new college. Feeling a little more cheered,

because evidently this new college was regarded locally with no little enthusiasm- not that the planter inmates were particularly enthusiastic on the subject- I glanced outward. The Dak Bungalow of those days is the very house which is now the Principal's Bungalow. My eye caught sight of a low ranged building looking like a long cattle shed but saved only from that classification by the big portico in its centre. Even whilst I looked and wondered I was given the very cheering news that that ugly ill shapen thing was the College. In spite of the pessimism which was beginning to take very firm root in my mind— a pessimism very natural considering the dampness in which I was bathed, the depression that seems to be part and parcel of the very spirit of the Dak Bungalow and the far from optimistic views of the inmates as to the precise class of mankind into which I should be put— I resolutely refused to believe this. I knew that planters were not altogether to be accepted at word value when they spoke of matters educational, partly from indifference, more often from a good natural contempt for education generally and specifically. But a wearied stroll in the later afternoon across the intervening open space convinced me that this cattleshed typed building had really some connection with the College. It was difficult to make out what a long building, with a projection at one end, earth floors 6" above the ground level, mat-doors and windows, smelly, earthy, damp and absolutely dearth of furniture. I slowly realised that this must be the boarding house and crawled away with many a vigorous head shake. The students who arrived a few days after in full hope were more depressed probably than I, for they had that old bum for their dwelling place and were glad to borrow benches from the college to sleep upon. Many of those old students will recall those days, with amusement now, whilst they tell the youngsters of a later date how much more pleasant their surroundings are. This, however, is digressing and I have yet to finish the birth-day itself. As the afternoon wore on I made further enquiries as to where the college was and finally set out to survey. The college as it then existed was a single structure the one farthest to the west of the present range. It was gay with bunting and paper flags; lively decorations of every kind. But the most noticeable thing, the most persistent thing was the band, people in these later days in Gauhati have lost knowledge of this band. It knew but two or three tunes it is true: true it is also that even these were not known very well. But the band made up for the limited range of its repertorie and for want of thechnique by vigour and earnestness units playing, and there was much of friendly rivalry too between the bandsmen, each endeavouring his best to out do the others in the speed of execution. I often wonder

what has become of that old band. It figured prominently at all functions for many years. How it died and who buried it, of these things there is apparently no record. One story is that each single bandsman blew himself to pieces, but this is I believe, an exaggeration many case it is insufficient as it gives no explanation of what became of the big drummer and the cymbals man and they were giants both in appearance and in execution and not easy to be disposed of.

Well, I didnot go into the building. There was evidently a great gathering there and speeches appeared to be in progress and I thought with satisfaction that though the college was but a tin house and I had never seen a tin house before and the hostel a baru, yet enthusiasm was more potent in things educational than fine buildings. It must have been my excessive modesty of character of which so many complain, that kept me a wanderer outside whilst the meeting was in progress. I cannot at this interval of time assign any other reason if this is not accepted.

Such was the birth-day of the college. Most of those who took a prominent part in the opening ceremony have passed away, Sir Henry Cotton, Mr. Manik Chandra Barua, Rai Bahadur Bhooban Ram Das. Almost a new generation has sprung up. This infant has always been tenderly watched over both by the older and the newer generation. I doubt if any educational institution in the world has had more anxiety expended upon it by those who succeeded the guardianship. In spite of all these the infant didnot grow. It was lively enough certainly, but grow it would not. Then came the days of the late Sir I ance'ot fare when the infant gave first signs of growth. Sir Archdale Earle is the third of those rulers of Assam whose name is connected with the College and in his time the possibility that the infant might perhaps grow in time into a full manhood standing alone with an independent existence became within the bounds of hope.

And now the College has demands, a magazine to mark its entry into manhood. When it is remembered that the publication of a magazine is about the first venture of an educational institution, it says much for the modest restraint of the infant that it should hold itself so silently for so many years. Much could of course have been said of the evils of the printing press and how the world got on for many a long years very happily without it and was able to do quite a little thinking in consequence; perhaps clearer thinking than in these days of confusion and bewilderment wherein so much compost blocks around to the limitation of self-effort. But I was convinced that these consideration would not weigh against, and so the silence of our little world is to be

broken and our sayings and doings are to appear in the market place — a somewhat dangerous experiment if our sayings and doings are not fit for this publicity. And it therefore behoves all concerned to see to it that the light let into our little kingdom does not serve merely to show up its darkness.

College magazines appear to me to be, as a rule, very short-lived, to be very irregular in their appearance during their existence and to maintain that existence by a buccaneering levy upon students. Editors appeal frantically in each number for additional contributions of material-essays apparently extracted from the college waste-paper basket, are printed, with no more reason for publication than as a fill-up. The issues are rarely made promptly and subscribers are often put off with the promise of a bigger number next time.

This magazine will I understand, make only three appearances a year; each number will be on sale separately, and there will be no compulsory annual subscription. The magazine will live on its merits or will cease to trouble. The only request that is made is that each student will give the magazine a fair chance by buying at least the first few numbers on their appearance, and resolutely abstain from lending his copy to any fellow student. If the magazine is successful, and there is no reason why it should not be, it will be an attractive souvenir of the students' college days. For it is hoped to make the magazine a store-house of our college activities, to publish short extracts of our seminar proceedings, to record our doings in athletics and in social and other gatherings, and to chroncle the successes of, our old students in the world outside. It should be the means of keeping alive the love of the alma mater, of keeping students ever mindful of the obligations they owe to it, and, by so doing, of blending the old and the new into one fellowship for the honour and glory of the land which is their goodly heritage.

The magazine will appear at a parting of the ways. A new order of things has sprung up and new avenues have opened. Everywhere there are signs of new and vigorous life. And students in colleges have had revealed to them opportunities for the fit exercise of the highest development of their intellectual power. To seek knowledge in the broader aspect of the term, to think clearly on facts well founded, to train the mind to the finer issues of life, these are the obligations of all citizens to the limit that opportunity offers. But they are in an especial measure the obligations of those upon whom leadership may fall. The knowledge that is limited to the acquirements of the class room and the lecture hall is but a poor preparation for life. If college education means anything it means the stimulation to a passion and an anthusiasm so

that the knowledge is taken within the province. Knowledge of man and things that comes from closer contact with one's fellows and from a broadened range of thought, can alone lead to the wisdom, without which even knowledge itself becomes an enfeebled things. Wisdom will be justified by those who truly seek her, and she will guide into ways of peace that nation whose leaders follow her in submission and self reverence. ❑

Umakanta Gohain

The Cotton College in 1901-1902

The Cotton College has now grown into a premier institution of the Calcutta University. It is well equipped with all the essentials of an educational centre. Its laboratories have trained hundreds of students in the manipulation of Scientific apparatus. Its library has been utilised by generations of lovers of learning. It is well staffed by distinguished alumni of British and Indian Universities. Its hostels, equipped in the most up-to-date fashion, have laid the foundations of a genuine residential University. Things were otherwise quarter of a century ago.

It was in the last week of May 1901 that the College came into being with Mr. F. W. Sudmersen (Now C. I. E.) as its Principal. There were only about seventy students on the rolls in the F. A. Classes, to which standard the College was then affiliated. The present writer had the honour of belonging to the first batch of the First year students, and the impressions which his memory has preserved through the dim visage

of time recall the almost insurmountable difficulties experienced by the Principal and the Staff. The regulations of the University required the teaching of the following compulsory subjects :—English, Mathematics, Sanskrit (or Arabic or Persian), Physics, Chemistry, Logic or History; but this wide variety of subjects had to be taught by only five professors including the Principal. The Principal, besides his onerous task of giving shape to an infant institution, was chiefly responsible for the teaching of English. Professor Indu Bhusan Brahmachary taught Mathematics and was in charge of the Hindu Hostel as well. Professor Chunilal De had to teach both Physics and Chemistry single-handed, without the help of any demonstrator. The late Professor Paresh Nath Lahiri had to teach History besides Sanskrit. Professor Sayed Abu Nasr Waheed (now Sham-sul-ulama) had to teach Logic, besides his own subjects, Arabic and Persian. Both Professors Lahiri and Waheed had also to render occasional assistance in English.

While the above were the difficulties experienced by the Principal and professors, the difficulties and inconvenience felt by the students just at their entry into the college were now the less negligible. The Hindu Hostel with its *Jhap* doors and windows and its partly *Kutcha* floor had first been completed. The furnitures were not yet ready. The benches, stools, tables and *Tokta-poshes* were still in the workshop of the carpenter. For some days the boarders had to huddle together on the few *Tokta-poshes* that had been supplied. The writer had to borrow one camp-bed from *Uzanbazar* and to sleep there with a class friend of his. The cooks and menials were not yet in evidence. A First Year student of the twiceborn caste had to cook for all the boarders for a day or two. For many days the boarders had to travel long distances to the Hindu Hotel at *Phansibazar*, lying close to the then Steamer Ghat, to take their meals. During all this time Mr. Sudmersen didnot sit idle. He left no stones unturned to make the students happy and comfortable. He visited the boarders of both Hindu and Mohommedan Hostels almost daily, morning and evening and sometimes late at night, putting them hundred and one questions about their needs and requirements, and looking to their convenience. Gradually things began to improve: the furnitures were supplied: cooks and servants come in required number: and messes were formed by the students.

Now to the class rooms. Here also at the outset the Principal was confronted with no small difficulty. By far the greater portion of the second year students came from Calcutta Colleges. Some (the late Mr. Bamdeb Goswami for instance) were probably as well advanced in years as the young Principal himself. Some appeared to have acquired a taste

for "endearing wiles" and happy-go-lucky way of living. The disciplinary measures enforced by the Principal were not liked by many. Furious articles appeared in the "Times of Assam"; and sarcasms or invectives were poured on the devoted head of the Principal, and even on some of the professors. But no-thing daunted, the Principal with determination and calmness faced all the difficulties that lay before him; and with discipline administered with love he brought the boys gradually under control. "Even the fools who came to scoff remained to pray". It seems as if the hand of Destiny impelled the Principal to the bold venture which shaped the future life of the College and its students.

Mr Sudmersen has earned an undying reputation in the college. His keen solicitude for the welfare of his students is well-known. He may be styled the friend philolopher and guide of the Cotton College, and its students. He was a strict disciplinarian, and was deadly against cram. He seemed to be a close student of Tennyson, and he shone with particular brilliancy in Cowper. Whenever he had to explain an important passage he explained it in pure and simple English, and at the same time infused the spirit of the author into the minds of the students by theatrical gestures. The writer has pleasant recollections of the way in which he explained the various passages from Cowper. Tennyson and Goldsmith, how he explained the rhyming letter in a figure of eight, how he thrashed the great doctor till his pension money jingled in the pocket, and how by a varying modulation of his voice he brought out the significance of Tennyson's immortal lines,

"He stepping down,
By zig-zag paths, and justs of pointed rock
Came on the shining levels of the lake."

In explaining Cowper's love of Nature he read and re-read the line "My eyes drink the rivers as they flow" in great emotion, and then abruptly ended by saying "I can't explain it! It is only Cowper who can explain it." Yes, one must put himself in the position of Cowper to realise the meaning of this. It was a never-to-be-forgotten scene when he asked Maulavi S. M. Saadulla, the youngest member of the class, and at present the Hon'ble Minister for Education to play the part of dying Arthur, how the latter lay flat on the floor of the class room, and how the late Mr. Bibhabananda Chaudhury, the giant of the class raised him (Mr. Saadulla) up like sorrowing Bedivere. The present writer, whenever he thinks of Mr. Sudmersen, thinks (probably by the law of similarity) of Cowper. Has not Mr. Sudmersen a bit of Cowper's "taciturnity" in him?

Professor Chunilal De has always been known to be a lover of the Assamese students. He was a strict disciplinarian with a fund of love in

his heart. He was an impassioned lecturer, and whatever the subject he struck fire at once. It was a pleasure to listen to prof. De. The silver tones of his voice, and the grace and fluency that meandered through his speech are still ringing in the writer's ears. Many of the students did not at first take up History. Prof. De came to know this a few days after the classes were opened. It was in a Chemistry class. He enquired why they neglected this very important and interesting subject. Then he began to deliver an impressive lecture in Roman History on the life and career of Marius. The effect was electric. A large number of students joined the History class the very next day.

Professor Indu Bhushan Brahmachary seemed to be a man of "plain living and high thinking" type. He was very popular with the Students mixed freely with them; but his method of teaching appeared to be rather too high, and he himself rather too indulgent. It was a misfortune that the writer could not appreciate his high merit and so had ultimately to confine his attention to only the book articles for his success in the examination.

The late Professor Paresh Nath Lahiri seemed to be a sober speaker and was always sure of his mark. He spoke well, and to the point, and he knew when to stop. His great erudition in Sanskrit syntax and philology made a deep impression on the writer's mind and created in him a taste for Sanskrit which subject he continued in his B. A. class. He used to give occasional readings to the students and the public from his scholarly writings. He was a very strict examiner.

Professor Waheed being mainly a teacher of Arabic and Persian, the writer could not have the opportunity of knowing him properly. He taught logic and "Paradise Lost" and though these were his alien subjects he acquitted himself well. He was a very courteous gentleman of true Mohammedan type, and endeared himself to all. Hindu and Mohammedan, by his polite and gentlemanly behaviour.

The year 1901-2 was a memorable year in the history of the Cotton College. It was in this year that Sir Henry Cotton, the father and founder of the College, paid a visit to it and listened with pleasure to the lectures delivered by the Principal and the late Professor Lahiri. It was also in this year that Sir Henry retired from the Indian civil Service. Great was the procession that led Sir Henry from the Uzanbazar steamer Ghat to the pandal in the Cotton Collegiate school. Thousands of people crowded the road as if to have a last sight of the great Englishman who had done so much for the people of Assam. Farewell addresses were read by the late Rai Jagannath Barua Bahadur B. A. and the Maharaja of Darbhanga. Sir Henry's heart was big with tears, so much so that he had

programme of seeing at the candle light the "Padum-Kumari" staged by the college students in his honour. sir Henry's name has became a household word both in Assamese and Bengali; and the farewell scene reminds one of a triumphant procession of a great Roman general of yore.

In this year the hostels were visited by distinguished Assamese gentlemen, viz, the late Messrs M. C. Barua, A. Majid, Rai Bahadur Jagannath Barua, M. C. Bardoloi and Rai Bahadur Bhubanram Das. In the same year the college students started the A. S. L. Club i.e. the Assamese Language Improvement Society and the monthly magazine 'Jonaki' with Mr. Satyanath Bora as its editor. It is true that the 'Jonaki' didnot have a long lease of life, it died out a few years after the first & second year students left for higher study in Calcutta; but it could evoke the sympathy of distinguished scholars in Assamese such as Messrs L. N. Bezbarua, A. C. Agrawala, and of the editor himself, the late Mr. Satyanath Bora whose series of articles on 'kendra Sobha' showed his mastermind in the manipulation of the Assamese language in pure simple and catchy style.

The writer cannot here resist the temptation of referring to two more incidents that took place in the year, viz, the opium eating incident and Bhuban Babu's feast. It has already been noted the Professor De was a strict disciplinarian. One day before entering the class he found a 1st year student (now a pleader) tampering with an apparatus containing probably some poisonous gas. Professor De reprimanded the boy severly, and the latter immediately left the class, purchased some opium, swallowed it up, and Trisanku- like, was struggling to pass to the other world. However, the best medical aid then available saved the situation. The late Sj. Bhuban Ram Das was honoured with the title of "Rai Sahib". An article appeared in a newspaper expressing the country's delight. It was also given out in the same article that Bhuban Babu promised to entertain the College students with a grand feast. Bhuban Babu never promised such a feast. The publication as to feast was probably made in anticipation of his approval. Whatever the case may be, and whoever (a second year student?) might be the writer, the point was gained and a sumptuous feast was the result. The same year the students staged "The Merchant of Venice" and "Padum Kumari" both of which were a great success.

The health of the students was good throughout the year 1901. Only Mr. Nilmony Phukan (Now M.L.C.) of the 2nd year class suffered from typhoid for a considerable length of time and caused grave anxieties. The fellow boarders attended him by turn, day and night, and

under proper medical treatment he came round again.

Thus rolled on the year 1901; and out of about 35 students in the 2nd year class, 8 came out successful in the F. A. Examination, one in the 2nd, and the rest in the 3rd division.To a present day Cottonian the result may seem disappointing, but in those days for a student to pass in the first chance was a credit, and to secure division, was a greater credit still.

The year 1902 was less evenful. The principal had more smooth sailing with the students in the year before; but a few days after the re-opening of the College a calamity occurred which spread panic among the students. A virulent type of cholera brokeout. The late Mr. Surendranath Rajkhoa of the Hindu Hostel succumbed to it. The anxiety of the Principal can better be imagined than described. He removed the boarders to the College building itself and kept them to the Examination Hall for over a week: but things fared no better. Mr. Rajkhoa was soon followed by Stalwart "Lala" son of Mr. Brijmohan Lala, Executive Engineer and the students fled in terror to their homes. It was about a month before cholera subsided that the students returned. Another sad incident occurred in the death by drowing in the Brahmaputra of a 1st year student, Mr. R. K. Dutta.

